অসমাপ্ত সংগ্ৰাম

ড° প্ৰবীণ চন্দ্ৰ শৰ্মা

***ASAMAPTA SANGRAM** : This book is a compendium of some of the aspects of past history of Assam, trials and tribulations the state has had to encounter, political events and the struggles it is faced with to overcome them. The sources of information are the books on history of different writers/compilers, the Constitution of India, relevant other print media in the form of journals, magazines, news papers etc. The author has no intention to malign against or denigrade the position of any person(s) of position and mention of some of them is only in the context of certain issue(s)*

Published by	: Dr. Arnab Sarma M.E. Ph.D. Advisor, Hydro Biotech Design Engineers Anil Nagar, Guwahati-7
First Edition	2007
Author	: Dr. Prabin Chandra Sarma. *M.Sc. Ph.D.* Ex-Member of Parliament (L.S.) Anil Nagar, Guwahati-7
Price	: Rs. 200.00 only.
Front Cover Design	Dr. Arnab Sarma, *M.E. Ph.D.*
Printed by	: H. R. Offset Rajgarh, Guwahati-7 Ph 99542-56182
Distributor	Bani Prakash Private Ltd. Panbazar Guwahati-781001

উছৰ্গা

অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ
সংগ্ৰামত আত্ম বলিদান
দিয়া বীৰ শ্বহীদসকলৰ
পবিত্ৰ স্মৃতিত।

অসমাপ্ত সংগ্ৰাম
সূচীপত্ৰ

পাতনি .... গ্ৰন্থকাৰ

১। অতীতৰ অসমত এভুমুকি ৯

২। (ক) স্বাধীনোত্তৰ ভাৰতৰ ৰাজনৈতিক অস্থিৰতা আৰু অসম ২২

(খ) স্বাধীন ভাৰত আৰু অসম ২৭

৩। এক নৱ চেতনাৰ আৰম্ভণি ঃ অসমৰ অস্তিত্ব ৰক্ষাৰ অভূতপূৰ্ব গণ আন্দোলনৰ ডায়েৰী (সংক্ষিপ্ত) ৩২

৪। ১৯৮৩ চনৰ মধ্যকালীন নিৰ্বাচন আৰু অগ্নিগৰ্ভা অসম ৯৩

৫। ভাৰতীয় সংবিধানৰ অবমাননা আৰু অসমবাসীক প্ৰবঞ্চনা (আই. এম ডি টি আইনৰ প্ৰৱৰ্তন) ১৯০

৬। ১৯৮৩ চনৰ অবৈধ নিৰ্বাচনৰ পিছত

(ক) অসম গণ পৰিষদৰ জন্ম লগ্নৰ পাতনি ১৯৮

(খ) অসম চুক্তি সম্পাদন : The Assam Accord ২০৮

(গ) অসম গণ পৰিষদ দল গঠনৰ বাবে গণ অভিবৰ্তন ২১৫

(ঘ) ১৯৮৫ চনৰ নিৰ্বাচন ঃ অগপ চৰকাৰ গঠন ২২০

৭। যুৱ নেতা প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত অগপ চৰকাৰ-- এক প্ৰত্যাহ্বান গ্ৰহণ ২২৮

৮। মহন্ত নেতৃত্বাধীন চৰকাৰৰ সাফল্যৰ খতিয়ান (১৯৮৫-৯০) ২৪০

৯। (ক) অসমাপ্ত সংগ্ৰাম ঃ অগপৰ বিভাজন ঃ ন অগপৰ জন্মলাভ ২৫১

(খ) অসমাপ্ত সংগ্ৰাম ঃ জাতীয় চেতনাৰ প্ৰধান অন্তৰায় ২৫৩

১০। ৰাজনীতি আৰু অসমৰ ভৱিষ্যত ২৬৩

১১। জুচে ঃ জাচুচং ঃ গণতান্ত্ৰিক প্ৰমূল্য ২৭০

১২। ভয়লগা সন্ত্ৰাসৰ অনুভৱ ২৭৬

১৩। দুৰ্যোগৰ অন্ত আজিও নপৰিল ২৮২

পৰিশিষ্ট ঃ

Annexure- I

(i) IM (DT) Act, 1983 ২৮৯

Annexure- II

(ii) The Assam Accord, 1985 ২৯৩

Annexure- III

(iii) Repeal of IM (DT) Act, 2005 ২৮৯

Annexure- IV

(iv) Assam Accord : Clause Wise Time Frame Action Plan ৩০৮

পাতনি

এইখন মোৰ সপোনৰ দেশ। এইখন মোৰ চিৰ আৰাধ্য জন্মভূমি। অসম মোৰ নিৰুপমা জননী। প্ৰকৃতিৰ সকলো সম্পদেৰে ভৰা মোৰ সোণৰ অসম, মণি-মুকুতা ভৰা প্ৰাচুৰ্যৰ অসম। সুউচ্চ নীলা আকাশৰ তলত গিৰিমালা পৰিবেষ্টিত ইয়াৰ উত্তৰ আৰু পূৰ্বাঞ্চল; তৰঙ্গময় সাগৰ বিধৌত দক্ষিণাঞ্চল আৰু আৰ্যাবৰ্তৰ পাদদেশ পৰিব্যপ্ত এক অপৰূপা ভূমিয়েই মোৰ স্বৰ্গাদপি গৰীয়সী নমস্য মাতৃ অসম। লৌহিত্যৰ দুই পাৰ আগুৰি চিৰ সেউজ সমতল ভূমি; পাহাৰ, পৰ্বত, নৈ, জান, জুৰিৰ এক সৌন্দৰ্য সমাহাৰ; পল্লৱ গুণ্ঠিত সেউজ ঘন গভীৰ অৰণ্য; বিবিধ প্ৰাণীৰ এক প্ৰাকৃতিক আৱাস ভূমি; মাতৃবক্ষত উৎপাদন হয় হেজাৰ শস্য, সুস্বাদু ফল আৰু সীমাহীন বনৌষধি। মলয় সমীৰৰ দৰে মোৰ আইৰ বুকু বিশাল আৰু উদাৰ; ফুলৰ পাহিৰ দৰে সুকোমল আৰু স্নিগ্ধ; মহাসাগৰৰ দৰে অকৃত্ৰিম। সহস্ৰ সূৰ্য কিৰণ স্নাত আৰু নিৰ্ভেজাল। ইয়াৰ অতীত ৰোমন্থন কৰিলে হিয়া জুৰ পৰে, মনলৈ আশাৰ ৰঙীণ সপোন উটি আহে, সাহসৰ ভেটি সুদৃঢ় হয়, হিংসা বিদ্বেষবোৰ নাশ কৰি প্ৰগতিৰ নতুন সোপান ৰচিবলৈ মনৰ দৃঢ়তা বাঢ়ে আৰু প্ৰগতিৰ নতুন প্ৰভাতক স্বাগতম জনাবলৈ নতুন প্ৰেৰণাৰ সৃষ্টি হয়। আজিৰ অসমৰ বুকুত তাণ্ডৱ নৃত্যৰ খেল খেলা হ'ল, দাবানল বহুবাৰ জ্বলোৱা হ'ল, হেজাৰ বানত প্ৰাকৃতিক ভাৰসাম্যৰ সৰ্বনাশ ঘটিল; কিন্তু যেতিয়াই প্ৰয়োজন হৈছে অসম মাতৃৰ বীৰ বীৰাঙ্গনাসকলে জীৱন দিবলৈ পৰাঙমুখ হোৱা নাই। এইখন মোৰ অসম দেশ।

সময়ৰ সোঁতে বুৰঞ্জীদেহ বিকলাঙ্গ কৰিব খুজিলেও সত্যানুসন্ধানী বুৰঞ্জীবিদে তাক কোনো কালে গ্ৰহণ নকৰে। ইতিহাসক বিকৃত ৰূপত প্ৰতিষ্ঠা কৰিব খুজিলেও প্ৰকৃত সত্য এদিন নহয় এদিন উদ্‌ঘাটন হ'বই। সময় লাগে আৰু সময়ৰ প্ৰয়োজনতে তথ্য আহৰণ আৰু বিশ্লেষণৰ সহায়ত অতীত ইতিহাসক অবিকৃত ৰূপত প্ৰতিষ্ঠা কৰা হৈ আহিছে। সেইবাবে সত্য অপহৰণ কৰিব খুজিলেও প্ৰকৃত সত্য অনন্ত কালৰ বাবে লুকাই নাথাকে। অসমৰ বৰ্তমানৰ সময়ে সত্য প্ৰতিষ্ঠাৰ বাবে বুৰঞ্জীবিদক আহ্বান জনাইছে। ইয়াক এক প্ৰত্যাহ্বান হিচাপেই গ্ৰহণ কৰা বাঞ্চনীয়। যি জাতিৰ বুৰঞ্জী নাই তাৰ একো নাই আৰু গৌৰৱ কৰিবলৈকো একো নাথাকে। অসমৰ এক অনুপম ইতিহাস আছে আৰু এই ইতিহাসেই অসমৰ ভৱিষ্যৎ বুৰঞ্জীৰ পাতনি সমৃদ্ধ কৰিব। আমাৰ সন্মুখত পৰ্বত প্ৰমাণ প্ৰত্যাহ্বান যে আছে তাক কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। সেই প্ৰত্যাহ্বানবোৰ কʼলা কাপোৰেৰে

ঢাকি ৰাখিলে সত্য অৱলোকন কৰা প্ৰায় অসম্ভৱ হ'ব। এই গ্ৰন্থখনত আমি অনুভৱ কৰা কেইটামান দিশ বিষয়ে হুবহু সত্য আৰু সঠিক ৰূপত প্ৰকাশ কৰি পাঠকক যাতে কোনেও বিকৃত কৰিব নোৱাৰে তাৰ বাবে এটা প্ৰয়াস কৰা হৈছে। যি সকলে নিজকে এজন অসম মাতৃৰ সন্তান বুলি অনুভৱ কৰে, অসমক লৈ গৰ্ববোধ কৰে, ভাষা-সংস্কৃতিৰ প্ৰতি সন্মানবোধ প্ৰদৰ্শন কৰে, জাতিটোৰ প্ৰতি আনুগত্য প্ৰকাশ কৰে, সেই সকলৰ সন্মানৰ প্ৰতি লক্ষ্য ৰাখি কিছু কথা ইয়াত সন্নিবিষ্ট কৰা হৈছে। লগতে যি সকলে আমাৰ মতৰ সৈতে বিৰোধ থকা বুলি ভাবে তেওঁলোককো গ্ৰন্থখন পঢ়ি আমাৰ লগত কিয় একমত হ'ব পৰা নাই সেই বিষয়ে স্পষ্ট অভিমত জনাবলৈ সশ্ৰদ্ধ অনুৰোধ জনোৱা হৈছে। কোনো অসত্যৰ আশ্ৰয় লৈ কাল্পনিক কাহিনীক অতিৰঞ্জিত কৰিবলৈকো চেষ্টা কৰা হোৱা নাই। তথাপি ভুল হ'ব পাৰে আৰু ভুল হ'লে তাক শুধৰোৱাৰ বাবে সহযোগ কামনা কৰা হৈছে পঢ়ুৱৈ সমাজৰ পৰা।

অসম মাতৃৰ এটা নিজস্ব সত্তা আছে। এই সত্তাটোৰ সৈতে অসমবাসীৰ সত্তা অভিন্ন হ'লেহে মাতৃৰ স্বাৰ্থ ৰক্ষা পৰিব। মাতৃৰ স্বাৰ্থ যদি ৰক্ষা নপৰে তেনেহ'লে ব্যক্তিৰ মহৎ স্বাৰ্থ ৰক্ষা পৰাৰ অৱকাশ কম। প্ৰাচুৰ্যৰে ভৰা অসম মাতৃৰ ওপৰত লোলুপ দৃষ্টি কেৱল সাত সাগৰ তেৰ নদীৰ সিপাৰৰ বণিক কুলৰহে যে আছিল তেনে নহয়। অসম মাতৃৰ প্ৰাচুৰ্য, তপোবন সদৃশ পৰিবেশ, অমৰাৱতীৰ সম্পদেৰে মহীয়ান এই ৰাজ্যখনলৈ চামে চামে জনস্ৰোত বৈছিল যেনেকৈ ভাৰত মাতাৰ বিভিন্ন প্ৰান্তত বা পৃথিৱীৰ অন্য পাদদেশতো হৈছিল। ব্যৱধান ইমানেই যে অন্তহীন জনস্ৰোতৰ অন্তৰালত সকলো নৃগোষ্ঠীৰ আকাংক্ষা আৰু উদ্দেশ্য একে নাছিল। আমেৰিকা এক বিখ্যাত উদাহৰণ য'ত সংশ্লেষণৰ সহায়ত আজি এক মহাজাতি নিৰ্মাণ কৰিব পৰা সম্ভৱ হৈছে। অসমলৈ হোৱা প্ৰব্ৰজনৰ এক বৃহৎ অংশই অতীতৰ সকলো বিসৰ্জন দি অসমকে নিজৰ মাতৃভূমি হিচাপে গ্ৰহণ কৰিছে। কোনোৱে আকৌ শোষণ লুণ্ঠনৰ কাৰণেই অসমৰ প্ৰতিকূলে কাম কৰা দেখা গৈছে। কোনো কোনোৱে আকৌ অসমৰ ঐতিহ্যৰ একো গ্ৰহণ নকৰি অসমৰ সম্ভ্ৰম, সংস্কৃতি, ভাষা, পৰম্পৰা নাশ কৰি নিজস্ব প্ৰভাৱ জাপি দিবলৈ চেষ্টা কৰিছে। এক চামে আকৌ ছদ্মবেশত প্ৰৱেশ কৰি অসমীয়া জাতিৰ অস্তিত্ব বিলোপ সাধনৰ বাবে ৰাজনৈতিক ষড়যন্ত্ৰৰ দীৰ্ঘম্যাদী কাৰ্যসূচী অব্যাহত ৰাখিছে। এই ছদ্মবেশৰ আক্ৰমণটো ধৰা পৰোতে নিভাজ আৰু সৰলচিতীয়া অসমীয়াসকলৰ বহু দিন লাগিল আৰু জোৰ পুৰি হাত পোৱাৰ সময়তহে এটা সাংস্কৃতিক বনাম ৰাজনৈতিক জাগৰণ আৰম্ভ হৈছিল। তাকো আৰম্ভ কৰা হৈছিল জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শেৰে সম্পূৰ্ণ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে। অপ্ৰিয় হ'লেও সত্য যে কোনো ৰাজ্যৰ অদূৰদৰ্শী ৰাজনৈতিক নেতাই অসমৰ জাতীয় আন্দোলনক সমৰ্থন কৰাৰ সলনি উপহাস কৰা দেখা গৈছিল। মনত গভীৰ আত্মপ্ৰত্যয় লৈ আৰম্ভ কৰা

এটা ন্যায্য আন্দোলন নিন্দুকৰ শ্লেষ বাণীয়ে কোনো কালে নিশেষ কৰিব পৰা নাই। সাময়িক পাশ্চাদপসৰণে এটা জীয়া জাতিৰ মাতৃ মুক্তিৰ শপত ধ্বংস হৈ যোৱাটো প্ৰমাণ নকৰে। চতুৰ লোকৰ প্ৰৰোচনাত ধুৰন্ধৰ লোকে এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ অঙ্গক্ষত কৰিব খোজা পদ্ধতি কিমান ভয়াবহ হ'ব পাৰে পৰিণামদৰ্শী বহুতো কৃতবিদ্য ভাৰত সন্তানে আজি তাক মৰ্মে মৰ্মে অনুভৱ কৰিবলৈ আৰু প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ শক্তিশালী কলম হাতত লৈছে। আনহে নালাগে ন্যায়পালিকায়ো আজি বিব্ৰত বোধ কৰা দেখা গৈছে। পৃথিৱীকে একমাত্ৰ মহাজাতি কৰাৰ বাবে যিসকলে মহা উদাৰতাৰ ধ্বনি তুলিছে সেইসকলে বাৰু অসমীয়া জাতিৰ অস্তিত্ব চিৰকালৰ বাবে হেৰাই গ'লে কি ক্ষতিৰ সন্মুখীন হ'ব বুলি "স্বাধীনতা আমাৰ জন্ম স্বত্ব"ৰ সপক্ষে মতদান কৰা লোকক সন্মান কৰিব পাৰিবনে? অসমলৈ অহা বহিৰাগত আৰু বিদেশী নাগৰিকৰ মাজত থকা পাৰ্থক্য অনুভৱ কৰিব নোৱাৰাসকলে অসমীয়াক ঠেক গণ্ডিৰ বুলি বিদ্ৰূপ কৰিলে। ৰাজ্যখনৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ চৰম পক্ষপাতিতাৰ আৰু এক উদাহৰণ প্ৰতিষ্ঠিত হ'ল যিদিনাই IM (DT) Act খন কেবল মাত্ৰ অসমত প্ৰযোগ হোৱাকৈ জাপি দিয়া হ'ল। জাতিৰ জনকক হত্যা কৰা দেশত ন্যায় বিচাৰ কেতিয়াবা সম্ভব হ'ব বুলি বিশ্বাস কৰাই টান। মহামান্য সৰ্বোচ্চ ন্যায়ালয়ে অসমৰ অস্তিত্বক সন্মান কৰা কাৰ্য প্ৰশংসনীয়। অসমৰ ওপৰত চলোৱা নিপীডন, কেনে আদৰ্শ চকুৰ আগত ৰাখি কমাব পৰা হ'ব সেই বিষয়ে এতিয়াও কোনো নীতিৰ ঘোষণা হোৱা নাই, কিন্তু এদিন সমাধান ওলাব বুলি আমি আশাবাদী। অসমৰ জ্বলন্ত সমস্যাবোৰ ভাৰতীয় সমস্যা বুলি চিহ্নিত হ'লেহে ভাৰতীয় আত্মাৰ সৈতে অসমীয়াৰ আত্মা একাত্ম হোৱাৰ সম্ভাবনা থাকিব। অসমীয়াবোৰ কম ভাৰতীয় বুলি বিচাৰ কৰিলে সি কোনো কালেই শুদ্ধ হ'ব বুলি ভাবিব নোৱাৰি। অসমৰ জাতীয় আন্দোলন এখন ধৰ্ম যুদ্ধ। জয় পৰাজয়ৰ দ্বাৰা ইয়াক মূল্যাংকন কৰিব নোৱাৰি। জাতিৰ বাবে যিসকলে জীৱন উৎসৰ্গ কৰিলে তেওঁলোকৰ সবিশেষ ইয়াত সন্নিৱিষ্ট কৰাৰ পৰিধি কম আৰু সেই বাবেই এই ডায়েৰী হৈ ৰ'ব অসম্পূৰ্ণ। যিসকলৰ অমৰ আত্মাই আকাশে-বতাহে কৰুণ ক্ৰন্দনৰ ধ্বনি তুলি অসমবাসীক আসন্ন বিপদৰ বাবে সজাগ কৰি দিলে সেই আত্মাবোৰ, চিৰকাল, কি উপায়েৰে আৰু কি শক্তিৰে সেই সংশয় নিৰ্বাপিত কৰিব পৰা হ'ব তাৰ বাবে অপেক্ষা কৰিব। অসমবাসীৰ বুকুত জ্বলোৱা জুইকুৰা এদিন নুমাব। কাৰণ অসুৰৰো মৃত্যু হয়। সহৃদয় পাঠকক আমাৰ একান্ত অনুৰোধ যেন আমাৰ প্ৰাণৰ বেদনা অনুভৱ কৰে। অসমৰ উত্তৰ পুৰুষৰ স্বাৰ্থ চকুৰ আগত ৰাখিয়ে এই প্ৰতিবেদন যুগুত কৰা হৈছে। এই গ্ৰন্থৰ সমল হ'ল প্ৰত্যক্ষ অভিজ্ঞতা আৰু প্ৰকাশ মাধ্যমৰ পৰা লাভ কৰা বিৱৰণ।

প্ৰবীণ শৰ্মা

গ্ৰন্থকাৰ

অতীতৰ অসমত এভুমুকি

বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰ পৰাই অসমৰ এক সুকীয়া বৈশিষ্ট্য আছে। ভাৰতৰে বহু লোকে অনুভৱ কৰাৰ দৰে "অসমত কেৱল বৰ্বৰ লোকে বাস কৰে" বুলি যি ধাৰণা সেই ধাৰণা যে কোনো বিশেষ অধ্যয়নৰ ওপৰত প্ৰতিষ্ঠিত নহয়, বাস্তৱ অভিজ্ঞতাৰ পৰা সংগ্ৰহ কৰাও নহয় আৰু তেনে অভিমত যে এক নিকৃষ্ট দৃষ্টিভংগীৰে পৰিচায়ক তাক বিস্তৃতভাৱে কোৱাৰ প্ৰয়োজন নাই। ১২২৮ খৃষ্টাব্দত চুকাফাৰ আক্ৰমণ বা আগমনো অসমৰ ইতিহাসৰ আৰম্ভণি নহয় সেই কথাও আধুনিক ইতিহাসবিদসকলৰ জ্ঞাত। এটা কথা অৱশ্যে গ্ৰহণযোগ্য যে ভাৰতৰ ইতিহাস প্ৰণেতাসকলে অসমৰ ক্ষেত্ৰত বিজ্ঞানসম্মত ইতিহাসৰ সমলবোৰ সংগ্ৰহ কৰিবলৈ বিশেষ যত্ন কৰা নাছিল আৰু সেইবাবেই ভাৰত বুৰঞ্জীত অসমৰ বিষয়ে যি বিশেষত্ব আৰোপ কৰিব লাগিছিল তাক নকৰিলে। ফলত অসমৰ ইতিহাস আধৰুৱা হ'ল আৰু অসম ভাৰতৰ অংগৰাজ্য হোৱাৰ পিছতো এইখন ৰাজ্যই সম্ভ্ৰান্ত ৰাজ্যৰ মৰ্যাদা লাভ কৰিব নোৱাৰি বিপৰ্যস্ত হ'বলৈ প্ৰায় বাধ্য হ'ল আমাৰ আভ্যন্তৰীণ দুৰ্বলতাৰ বাবে। বুৰঞ্জীয়ে সদায় নিৰপেক্ষ ভূমিকা বহন কৰে আৰু কোনোবাই ইচ্ছাকৃতভাৱে কৰা ভুলৰ বাবে ক্ষমাও নকৰে অন্ততঃ বিচাৰৰ ক্ষেত্ৰত। অসমৰ বুৰঞ্জীয়েও সময়ৰ সাক্ষী ঠিকেই বহন কৰিব আৰু অবাঞ্ছিত মন্তব্যবোৰ, বিকৃত কৰি ঢাকি ৰাখিব খোজা প্ৰচেষ্টাবোৰ এদিন নহয় এদিন নগ্ন ৰূপত প্ৰকাশ পোৱাটো ধুৰুপ। এটা জীয়া জাতিৰ আটাইবোৰ সন্তানে ভুল নকৰে আৰু আপোচো নকৰে।

কোনো কোনো বুৰঞ্জীবিদে প্ৰাচীন অসমৰ উল্লেখ, পুৰাণ আৰু মহাভাৰতত থকাটো বুৰঞ্জীৰ একো সমল বুলি গ্ৰহণ কৰিব নোৱাৰা মানসিকতাই বৈজ্ঞানিক হাইপোথেচিচ নাকচ কৰা মনোবৃত্তিকে উদঙাই দিয়ে। চীন পৰিব্ৰাজকৰ টোকা, শিলালিপি, তামৰ ফলি, মুদ্ৰা, ভাস্কৰ্য আদি সম্পদবোৰ অৱশ্যে আমি যেনে ধৰণে সংৰক্ষণ কৰি তাক সভ্যতাৰ বুৰঞ্জীত স্থান আৰু মান দিব লাগিছিল, সেই মতে কৰিব যে পৰা নাই তাক স্বীকাৰ কৰাত আপত্তি নাই; কিন্তু কোনো বুৰঞ্জী নাই বুলি বা অস্পষ্ট বুলি উপলুঙা কৰা উচিত নহয়।

পৃথিৱীৰ সকলো উৰ্বৰা স্থানলৈকে জীৱিকাৰ অন্বেষণত জন প্ৰব্ৰজন এক ঐতিহাসিক সত্য। অসমৰ বুকুলৈকো কেইবা হেজাৰ বছৰ আগতে প্ৰব্ৰজন আৰম্ভ হৈছিল। সুউচ্চ হিমালয় অতিক্ৰম কৰি উত্তৰফালৰ পৰা আৰু সাগৰ অতিক্ৰমী দক্ষিণৰ পৰা যে প্ৰব্ৰজন সহজ নাছিল সেয়া সঁচা। উত্তৰ-পূৰ সীমান্তৰে বিভিন্ন মহাদেশৰ বিভিন্ন প্ৰান্তৰ পৰা আৰু

পশ্চিমফালৰ পৰা যে অসমলৈ মানুহৰ সোঁত বৈছিল তাৰ সাক্ষ্য বুৰঞ্জীয়ে বহন কৰে।

অসমৰ মানুহে প্ৰাগজ্যোতিষপুৰৰ নামত গৌৰব বোধ কৰে। তেনেকৈ কামৰূপ নাম অসমীয়াৰ আত্মাৰ লগত জড়িত। এই নামবোৰক কোনো শক্তি বা দৌৰাত্ম্যই অবহেলা কৰিব খুজিলে অসমীয়া আত্মাটোৱে বিদ্ৰোহ কৰিব খোজে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মানুহ ভাৰতৰ অন্য প্ৰান্তৰ তুলনাত বহুত বিষয়ত সুকীয়া। বুৰঞ্জী আৰু ভৌগোলিক পৰিবেশে হয়তো এনে অৱস্থা লাভ কৰাত সহায় কৰিছে। প্ৰাগ্‌জ্যোতিষপুৰৰ ৰজা নৰকাসুৰৰ খ্যাতি ৰজনজনাই যোৱা। লেংডন (টাই) আৰু মনুৰ আইনে প্ৰাগ্‌জ্যোতিষপুৰক এক বিশেষত্ব প্ৰদান কৰিছিল। ধৰ্মনিৰপেক্ষ লেংডন আইন আৰু মনুৰ কটকটীয়া আইনে সহযোগ আৰু সমন্বয়ৰ ভেটিত নতুনত্ব লাভ কৰিবলৈ সমৰ্থ হৈছিল। ইয়াৰ সহায়তে ভাৰতৰ সকলো ঠাইতকৈ আগতে অসমত গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ প্ৰৱৰ্তন হৈছিল। লেংডন (টাই) আৰু মনুৰ মিশ্ৰিত সভ্যতাই ক্ৰমান্বয়ে বিভিন্ন জাতি-উপজাতি হেজাৰ হেজাৰ বছৰ ধৰি পৰস্পৰে পৰস্পৰৰ কৃষ্টি সভ্যতা গ্ৰহণ কৰি স্বকীয় বৈশিষ্ট্য বহন কৰিও ভাৰতীয় হ'বলৈ, ভাৰতৰ অবিচ্ছেদ্য অংশ হ'বলৈ প্ৰয়াস কৰিছিল। ভাৰতীয় সভ্যতাৰ অংশীদাৰ হ'বলৈ এই অঞ্চলৰ সৰু বৰ বিভিন্ন জাতিৰ সংমিশ্ৰত সাংস্কৃতিক সংশ্লেষণৰ প্ৰয়োজন হৈছিল। এই প্ৰক্ৰিয়া সম্পন্ন এদিনতে হোৱা নাই। বহুত সময়ৰ প্ৰয়োজন হৈছিল। মানৱ সভ্যতা গঢ় লোৱাত সময়ৰ এক বিশেষ অৱদান আছে আৰু পূৰ্বাঞ্চলৰ বাবেও ই অবধাৰিত আছিল। এই সময়চোৱাক পণ্ডিতসকলে তিনিটা বিশেষ সাংস্কৃতিক স্তৰ হিচাপে বিভাজন কৰিছিল। যেনে- প্ৰাগ্‌জ্যোতিষপুৰ, কামৰূপ আৰু অসম। প্ৰাগ্‌জ্যোতিষপুৰৰ আৰম্ভণি খুব কমেও ৩৫০০ বছৰৰ পূৰ্বে হৈছিল। কাৰণ মহাভাৰত, ৰামায়ণ আৰু অন্য পুৰাণবোৰে প্ৰাগ্‌জ্যোতিষপুৰৰ সাক্ষ্য বহন কৰিছে। বিশ্বামিত্ৰৰ তপস্যাভূমি (কুশী নদীৰ পৰা) প্ৰাগ্‌জ্যোতিষপুৰৰ অন্তৰ্গত আছিল। বংগদেশ তেতিয়া ভাৰত ভূখণ্ডলৈ পৰিবৰ্তিত হোৱাই নাছিল আৰু সাগৰৰ তলত আছিল যি সাগৰৰ ওপৰত আধিপত্য বিস্তাৰ কৰিছিল প্ৰাগ্‌জ্যোতিষপুৰে। খৃষ্টীয় ২য় শতাব্দীতহে বংগদেশৰ মাটি দৃশ্যমান হৈছিল আৰু প্ৰায় ৮ম শতিকালৈকে এই নতুনকৈ জন্ম লাভ কৰা ভূখণ্ড প্ৰাগ্‌জ্যোতিষপুৰৰ অধীনতে আছিল।

এই প্ৰাগ্‌জ্যোতিষপুৰৰ আদি বাসিন্দা পূৰ্বদেশৰ পৰা অহা মিশ্ৰিত অষ্ট্ৰিক গোটৰ। বৰ্তমানৰ খাছী আৰু চিন্‌টেং তেওঁলোকৰ উত্তৰাধিকাৰী। পশ্চিমাঞ্চলৰ পৰা অহা আন আন সোঁতৰ এটা দ্ৰাবীড় আৰু আনটো আৰ্য। উত্তৰাঞ্চলৰ পৰা অহা সকল তিব্বতীয় ব্ৰহ্মদেশীয় যাৰ সতি-সন্ততিবোৰ আজি কছাৰী, কোঁচ, ৰাভা, মেচ, মিকিৰ, লালুং, গাৰো, নগা, কুকী, চুতীযা আদি বিভিন্ন জনগোষ্ঠী।

হিৰণ্যকশিপু, বানাসুৰ, প্ৰহ্লাদ আদি মংগোলীয় ফৈদৰ বিষ্ণু উপাসক। নৰকাসুৰ অষ্ট্ৰিক। আৰ্য্য শ্ৰীকৃষ্ণই এই দুই ফৈদৰ অনাৰ্যৰ লগত যুদ্ধত প্ৰবৃত্ত হোৱাৰ উদাহৰণ মহাভাৰতে

বহন কৰে। খৃষ্টপূৰ্ব ৯ম শতিকাৰ প্ৰণালীবদ্ধ লিখিত বুৰঞ্জীৰ অভাৱত প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰৰ লুপ্ত গৌৰৱ আৰু ক্ষমতাৰ বিষয়ে আজিৰ অসমে নাজানে বা অধিক জানিবৰ বাবে প্ৰয়োজনীয় সমল কালৰ গৰ্ভত লীন গ'ল। প্ৰাগ্‌জ্যোতিষপুৰৰ অস্তমিত গৌৰৱ ৰবিৰ আজি পুনৰুদ্ধাৰৰ প্ৰয়োজন যাৰ অভাৱত ভাৰতীয় সভ্যতাৰ মাফ-জোখ হৈ ৰ'ব অসম্পূৰ্ণ।

প্ৰাগ্‌জ্যোতিষপুৰৰ প্ৰাচীন সভ্যতাৰ ভেটিতে উত্থান হৈছিল মহাবিক্ৰম কামৰূপ নামৰ। খৃষ্টীয় তৃতীয় শতিকাৰ পৰা আৰম্ভ হৈছিল প্ৰায় ৮০০ বছৰ জোৰা প্ৰাচীন কামৰূপ সভ্যতা। এই সময়চোৱাৰ খ্যাতি বৈ বৈ যোৱা। এইটো স্তৰৰ আৰম্ভ কৰিছিল বিখ্যাত বৰ্মা সম্প্ৰদায়ে। এই বংশৰ কুমাৰ ভাস্কৰ বৰ্মা হ'ল ভাৰতীয় ইতিহাসৰ আটাইতকৈ উজ্জ্বল নক্ষত্ৰ। এই সময়চোৱাতে কামৰূপত বৈদিক সভ্যতাৰ প্ৰসাৰ আৰু প্ৰচাৰবিয়পি পৰে আৰু ভাৰতৰ বিভিন্ন অংশৰ লগত এক নিবিড় সম্পৰ্ক গঢ়ি উঠে। ইউনান, তিবৃত, থাইলেণ্ড, মংগোলীয়া, ব্ৰহ্মদেশ, লংকাৰ মাজত পৰস্পৰে পৰস্পৰৰ সান্নিধ্য লাভ কৰে কামৰূপৰ মাজেৰে। ভাৰতীয় ৰাজনীতিয়ে তেতিয়া কামৰূপৰ মতামত নোলোৱাকৈ থকা বা উপেক্ষা কৰা অবান্তৰ। কুমাৰ ভাস্কৰ বৰ্মা বৰ্মা বংশীয় ৰজাসকলৰ ত্ৰয়োদশ ৰজা। এইজন বিক্ৰমশালী ৰজাৰ দিনত কামৰূপৰ সীমা আগৰ ৪০০০ বৰ্গ মাইলৰ পৰিবৰ্তে ১,০০,০০০ বৰ্গ মাইললৈকে বৃদ্ধি লাভ কৰিছিল। বিক্ৰমত উত্তৰ-ভাৰতৰ হৰ্ষবৰ্দ্ধনৰ সমকক্ষ হৈছিল। প্ৰাগ্‌জ্যোতিষপুৰ আৰু কামৰূপে এচিয়া মহাদেশৰ পূব আৰু পশ্চিমৰ, উত্তৰ আৰু দক্ষিণৰ যোগসূত্ৰ স্থাপনৰ সংগমভূমি। প্ৰাগ্‌জ্যোতিষপুৰ কামৰূপে এচিয়া মহাদেশৰ সভ্যতাৰ কমাৰশালত অগ্নিশিখা হৈ জ্বলিছিল, কাৰিকৰৰ সৰঞ্জাম হৈ সাংস্কৃতিক সম্পদ সৃষ্টি কৰিছিল আৰু বৃহৎ শক্তি হিচাপে প্ৰভাৱ বিস্তাৰ কৰিছিল। সময়ত কমাৰশালত জুই নজ্বলা হ'ল। পোৱামাটিৰ ৰং হ'ল। ৰস, ৰূপ, গোন্ধ নোহোৱা অৱস্থা হ'ল, কলিজাই এঙাৰ কলীয়া হোৱাৰ উপক্ৰম হ'ল।

কামৰূপৰ মাজেৰে গতি কৰা লৌহিত্যই চীন দেশীয় বাণিজ্য সম্ভাৰ ইউৰোপীয় দেশসমূহলৈ লৈ যোৱাৰ একমাত্ৰ পথ বহুদিন ব্যাপী হৈ আছিল। উত্তৰ-পূৰ্বাঞ্চলৰ সাত ভনীৰ অংগদেহ প্ৰাচীন কামৰূপ। অসমভূমিৰ নাম ১২ শ শতিকাৰ। কামৰূপেশ্বৰ ভাস্কৰ বৰ্মাই কামৰূপৰ পৰিসৰ আবৃত ৰাখিছিল চীন আৰু ভাৰত ভূখণ্ডৰ মাজৰ অঞ্চল।

এইজন বিক্ৰমশালী ৰজাৰ পিছত কামৰূপৰ অধিকাৰ সাব্যস্ত কৰিছিল শালস্তম্ভীয় বংশই। এই বংশৰ ৰজাৰ দিনত আৰ্য সভ্যতাৰ ওপৰত পুনৰ অনাৰ্য সভ্যতাই প্ৰভাৱ পেলাইছিল। প্ৰায় ৩৫০ বছৰ কাল ব্যাপী এই বংশই কামৰূপত প্ৰাধান্য বিস্তাৰ কৰিছিল। শালস্তম্ভ বংশীয় ৰজা শক্তিহীন হৈ পৰাত প্ৰায় ২০০ বছৰ কাল পাল বংশীয় ৰজাই ৰাজত্ব কৰিলেও শালস্তম্ভীয় আৰু পাল বংশীয় ৰজাৰ ক্ৰমবৰ্দ্ধমান দুৰ্বলতাৰ বাবেই প্ৰাচীন কামৰূপৰ

বিভিন্ন জনগোষ্ঠীৰ মাজত ক্ষমতা লাভৰ সূত্ৰপাত হয়। খাছীয়া, কছাৰী, কোঁচ জয়ন্তীয়া জনগোষ্ঠীৰ মাজত প্ৰতিষ্ঠা লাভৰ বাবে যুদ্ধ বিগ্ৰহ আৰম্ভ হয় আৰু ১২ শতিকাৰ শেষ ভাগত কামৰূপ সাতখণ্ডত বিভক্ত হৈ পৰে। এই খণ্ডিত অংশবোৰ হ'ল চুতীয়া, মোৰাণ, বৰাহী, কছাৰী, বাৰভূঞা, দফলা আৰু দৰঙ্গী ৰাজ্য। তাৰ পিছৰ পঞ্চাশ বছৰত সম্পূৰ্ণ পৰিবৰ্তন ঘটি এক নতুন যুগৰ অভ্যুদয় আৰু সেয়া হৈছিল ১২২৮ চনত চুকাফাই যেতিয়া পাটকাই পৰ্বত পাৰ হৈ আহি আহোম ৰাজত্বৰ পাতনি মেলিছিল। তেতিয়াৰে পৰা অসমত তৃতীয় সাংস্কৃতিক অধ্যায়ৰ সূচনা হৈছিল।

প্ৰাগ্‌জ্যোতিষপুৰ-কামৰূপ-অসমৰ বিৱৰ্তনৰ যি গতিধাৰা এয়া সম্ভৱ হৈছিল কেৱল মাত্ৰ এই ভূখণ্ডত বাস কৰা মানুহবোৰৰ মানসিক দৃঢ়তা আৰু সমন্বয়ৰ সোঁতত নিজকে বিলাই নতুন নতুন সাজেৰে প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ বাবে- সমস্বৰে গোৱা এক জাতি এক প্ৰাণৰ মন্ত্ৰ- এক স্বভাৱ সুলভ আন্তৰিকতাৰে সংশ্লেষণৰ জৰিয়তে ভিন্নতা পৰিহাৰ কৰি এক গঢ়াৰ দৃঢ়তা আৰু মানসিকতা আৰু ঐক্যৰ বাবে কৰা সাধনাৰ ফল। সংকল্প হ'ল- "জগতত মান ৰাখিম।" অনাৰ্য-আৰ্যৰ সুষমা মিলি পূৰ্বদেশীয় এই প্ৰান্তত মহাবাহু ব্ৰহ্মপুত্ৰৰ পবিত্ৰ সলিল ৰাশিৰে বিধৌত হৈ চামে চামে মানুহ আহি আশ্ৰয় ল'লে, সিহঁতবোৰৰ পুৰণি সকলো দলিয়াই পেলাই নতুনক গ্ৰহণ কৰি ক্ৰমে জিন গ'ল আৰু গঢ় দিলে তুলনাবিহীন "অসমা সুষমা নিৰুপমা অসম জননী"। এই জননীৰ বুকুত সংস্কৃত, অষ্ট্ৰিক, তিব্বতীয়, মংগোলীয় আৰু নানা শাখা প্ৰশাখাৰ স্নায়ু বিন্দু। এই বিন্দুতে স্থিতি লাভ কৰি গঢ় দিছে নিৰ্ভেজাল অসম, যি অসমে দুৰ্দমনীয় সহিষ্ণুতাৰে বহন কৰিব পাৰে কায়ক্লেশ, অপমান, যন্ত্ৰণা, শোষণ, প্ৰতাৰণা, কিন্তু পৰাজিত হ'বলৈ নহয়, পলায়ন কৰিবলৈ নহয়।

অসমে বহুত হেৰুৱাইছে। নিজৰ প্ৰাপ্য সন্মান আদায় কৰিবলৈ অসমীয়াৰ সংশ্লেষিত জাতি সত্বাৰ পূৰ্ণ বিকাশৰ বাবে যুঁজ দিবলৈ অসম কেতিয়াও পৰাঙমুখ হোৱা সম্ভৱ নহয়। ষড়যন্ত্ৰৰ বলিশালত অসমৰ বৰলুইতৰ দুয়োপাৰৰ সভ্যতাক ম্লান হ'বলৈ কেতিয়াও এৰি দিব নোৱাৰি আৰু নোৱাৰি বৰাক সভ্যতাক। হৃদয়ৰ আঁহ চিঙি, মাটিৰ এঠা বিদীৰ্ণ কৰিবলৈ দুৰাচাৰে কৰা ষড়যন্ত্ৰ ৰোধ যি কোনো ত্যাগৰ বিনিময়ত কৰিব নোৱাৰিলে অপমানিত কোন হ'ব?

পোন্ধৰ শতিকাৰ মাজ ভাগতে শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাবে এক নতুন অধ্যায়ৰ সূচনা কৰিলে। অসমীয়া জাতিৰ প্ৰাণত এইজনা ক্ষণ জন্মা পুৰুষে নতুন উদ্দীপনাৰ সৃষ্টি কৰিলে। নতুনকৈ ঐক্যৰ বীজ ৰোপণ হ'ল। পৰ্বত প্ৰান্তৰ গিৰি পাহাৰ সমভূমিয়ে নতুন প্ৰেৰণা লাভ কৰি নাচি উঠিল। এটা নৱজাগৰণৰ ঢৌৱে দেশখনক জগতৰ বৰ সভালৈ আগুৱাই লৈ যাবলৈ সাজু হ'ল; কিন্তু বিপদো আৰম্ভ হ'ল। ১৬৬২ চনত বঙ্গৰ মোগল

গভৰ্ণৰে অসম আক্ৰমণ কৰিবলৈ সাজু হ'ল। মোগল আক্ৰমণৰ বাবে স্বয়ং দিল্লীশ্বৰে সহায়ৰ হাত আগবঢ়াইছিল। মিৰজুমলাই সৈন্য বাহিনী লৈ আগবাঢ়ি আহিল যদিও পৰাভূত হ'বলৈ বাধ্য হ'ল। অসমৰ নদ-নদী, পৰ্বত-পাহাৰৰ লগতে অসমবাসীৰ দুৰ্দান্ত সাহসৰ সন্মুখত মোগল সৈন্য চেদেলি-ভেদেলি হ'বলৈ বাধ্য হ'ল। চক্ৰধ্বজৰ অমৰ বাণীয়ে "পৰাধীনতাতকৈ মৃত্যু শ্ৰেয়" আজিও অসমবাসীক অনুপ্ৰাণিত কৰে। এয়া ছত্ৰপতি শিবাজীৰো উক্তি আৰু সকলো সাহসী বীৰৰ প্ৰাণৰ ভাষা। এই মন্ত্ৰই জগাই তুলিছিল অটন বুঢ়াগোহাঁই আৰু লাচিত বৰফুকনক। চক্ৰধ্বজ সিংহই ভালকৈ বুজি পাইছিল যে কেৱল বন্দুক-বাৰুদে যুদ্ধ জয় নকৰে। যুদ্ধ জয় কৰে মানুহৰ নিৰ্ভিকতাই আৰু একনিষ্ঠ দৃঢ় প্ৰচেষ্টাই। চক্ৰধ্বজৰ এই অমৰ উক্তিয়ে অসমৰ সকলো বীৰ-বীৰাংগনাৰ প্ৰাণ ৰোমাঞ্চিত কৰে। সেই একে সাঁচতে গঢ়া ৰুদ্ৰসিংহ। শিবাজীৰ পিছত যেনেকৈ বাজীৰাও মহাপ্ৰতাপী ঠিক তেনেকৈ ৰুদ্ৰসিংহয়ো মোগলে বাৰ বাৰ কৰা আক্ৰমণ প্ৰতিহত কৰিবলৈ দৃঢ় সংকল্প লৈছিল। ভাৰতৰ দাক্ষিণাত্যত শিবাজী আৰু প্ৰাচ্যত চক্ৰধ্বজে মোগলৰ শিৰ নত কৰিবলৈ বাধ্য কৰাইছিল। ১৬৭১ চনত বীৰ লাচিতে শৰাইঘাটৰ যুদ্ধত মোগল আক্ৰমণ পৰাভূত নকৰাহেঁতেন প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰ সম্পূৰ্ণৰূপে মোগলৰ অধীনলৈ গ'লহেঁতেন।

১৮২৬ চনটো অসমৰ বাবে এক চৰম দুৰ্যোগৰ বছৰ। এই বছৰৰে ২৪ ফেব্ৰুৱাৰী তাৰিখে এক কুখ্যাত "ইয়াণ্ডাবু" সন্ধিৰ সহায়ত ভায়ে ভায়ে লগা কাজিয়া মিটমাত কৰি দিয়াৰ অজুহাতত স্বাধীন অসমৰ গৌৰৱ ৰবি ম্লান হৈ গ'ল। অসম অৰ্থলোলুপ বৃটিছ বনিয়াৰ তলতীয়া হ'ল যি প্ৰক্ৰিয়াৰে ভাৰতৰ বিভিন্ন প্ৰান্ত তেওঁলোকৰ অধীনলৈ অনা হৈছিল। এই সন্ধিৰ পিছতে অসমত এক ভাষিক আৰু সাংস্কৃতিক বিপৰ্যয়ৰ সূচনা হ'ল। ১৮১৪ চনত ভাৰতত থকা বৃটিছ বিষয়া হেমিল্টনক এটা টোকা দিয়া হৈছিল আৰু তাত কোৱা হৈছিল যে অসমীয়া ভাষাৰ অস্তিত্ব প্ৰায় বিলোপ পাইছে আৰু বাস্তৱত ই এটা মৃত ভাষাৰ অৱশিষ্টহে। ইয়াৰ আলমতে অসমৰ বিদ্যালয়বোৰত ১৮৩৬ চনত অসমীয়া ভাষাৰ সলনি বঙালী ভাষা প্ৰৱৰ্তন কৰা হৈছিল। বৃটিছ বনিয়াই ভাৰতত প্ৰবেশ কৰাৰ প্ৰথম ৭৫ বছৰ কাল অসমত প্ৰৱেশ কৰাৰ সাহস গোটাব পৰা নাছিল অথচ সেই দেশখনেই পৰাধীন হৈ গ'ল। পৰাধীন দেশৰ নাগৰিকে সকলো লাঞ্চনা ভোগ কৰিবলৈ বাধ্য হৈ যায় আৰু সময়ত পৰাধীন দেশৰ নাগৰিকক ক্ৰীতদাস হিচাপে ব্যৱহাৰ কৰে। প্ৰখ্যাত প্ৰাগ্‌জ্যোতিষপুৰলৈ এক অন্ধকাৰ যুগ নামি আহিল। কুমাৰ ভাস্কৰ বৰ্মাৰ নাম, সতী জয়মতীৰ নাম, নৰনাৰায়ণ, শংকৰদেৱৰ নাম, ৰুদ্ৰসিংহ, লাচিতৰ নাম বিস্মৃত কৰিবলৈ সকলো পদক্ষেপ লোৱা হ'ল। কানি বৰবিহ আৰু মদৰ ৰাগীত মানুহক শয্যাশায়ী কৰি লাহে লাহে বিক্ৰমহীন কৰি পেলোৱা হ'ল। প্ৰৱল পৰাক্ৰমী অসমীয়া জাতিক সকলো প্ৰকাৰে হীনবল কৰিবলৈ যত্ন কৰা হ'ল।

লুইপাদ, কুক্কুৰাপদ, বিৰূপাদ, কহ্নপাদ, মহীধৰপাদ, বীনাপাদ, কৃষ্ণৰজ্ৰপাদ, শবৰপাদ, আৰ্যদেৱপাদ, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, হৰিহৰ বিপ্ৰ, মাধৱ কন্দলী, পীতাম্বৰ, সুকবি নাৰায়ণদেৱ, শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ৰামসৰস্বতী, ভট্টাচাৰ্য, ভুবনেশ্বৰ, বাচস্পতি, নাথান ব্ৰাউন, ব্ৰঞ্চন, হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম ঢেকীয়াল ফুকন, গুণাভিৰাম বৰুৱা, লক্ষ্মীনাথ আদিক অসমৰ মানুহে যাতে স্মৰণ কৰিব নোৱাৰে তাৰ বাবে ৰাজনৈতিক ষড়যন্ত্ৰ ৰচনা হ'ল। প্ৰব্ৰজন দ্ৰুত কৰা হ'ল গৌড় দেশৰ পৰা। ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ আগতেই অসমৰ স্বাধীনতা যাতে অসম্ভৱ হৈ পৰে তাৰ বাবে ব্লুপ্ৰিণ্ট বৃটিছ চৰকাৰে যত্ন সহকাৰে কৰি ল'লে। অসমপ্ৰেমী অক্লান্ত যুঁজাৰুৰ বাবে অসম বৃটিছৰ তলতীয়া হৈ নৰ'ল।

ভাৰতীয় জাতীয় কংগ্ৰেছে অসমৰ বৰেণ্য লোকসকলৰ স্বাধীনতা আন্দোলনত কৰা ত্যাগৰ কথা আৰু ভবিষ্যতে অসমৰ অৱস্থা কি হ'ব সেই বিষয়ে সঠিকভাৱে উপস্থাপন কৰাৰ পাচতো অসমৰ ভাগ্যাকাশ কেনে ধৰণে সৰ্বনাশৰ সন্মুখীন হৈছিল তাক ভাবিলে আজিও আচৰিত যেন লাগে। ৰাজনীতি কিমান নিষ্ঠুৰ হ'ব পাৰে ভাবিলে স্তব্ধ হৈ যোৱাৰ উপক্ৰম হয়। এই পটভূমিতে কংগ্ৰেছক এই প্ৰস্তাৱটো লোৱাবলৈ অসমৰ স্বাধীনতা যুঁজাৰুসকল সমৰ্থ হৈছিল। "The AICC realises and appriciates the difficulties placed in the way of some provinces, notably Assam, Baluchistan and the NWFP and the Sikhs in the Punjab by the British Cabinets' scheme of May 6, 1946 and more especially by the interpretation put upon it by the British Govt. in their statement of December 6, 1946 The Congress cannot be a party to any such compulsion or imposition against the will of the people concerned, a principle which the British Govt. have themselves recognised..... The future course of action will depend upon the developments that take place and the AICC, therefore directs the Working Committee to advise upon it whatever circumstances so require, keeping in view the basic principle of provincial autonomy."

এই প্ৰস্তাৱটোৰ বাবেই ভাৰতৰ এটা দুস্বপ্নময় অৱস্থা আঁতৰিল আৰু এক গভীৰ চক্ৰান্ত যে উৎঘাটিত হ'ল তাৰ বাবে অসমে সঁচা অৰ্থত স্বীকৃতি লাভ কৰা উচিত আছিল। অথচ সেই অসমৰ প্ৰতি কৰা হৈছিল অবিচাৰ। অসমে হেজাৰবাৰ কৈছিল যে ই ভাৰতৰ অংগৰাজ্য হৈ থাকিব খোজে আৰু বিচ্ছেদ নিবিচাৰে। অত্যন্ত দুখ আৰু পৰিতাপৰ কথা যে ভাৰতীয় শাসকবৰ্গই অসমীয়াসকলক বিচ্ছিন্নতাবাদী বুলি উপহাস কৰিব খোজে। তেনে অভিপ্ৰায় থকা হ'লে ১৯৪৭ চনত অসমে স্বাধীন অসমৰ প্ৰস্তাৱ গ্ৰহণ কৰি বৃটিছ

চৰকাৰক বিবেচনা কৰিবলৈ ক'ব পাৰিলেহেঁতেন। ভাৰতবৰ্ষ যদি তিনিখণ্ড হ'ব পাৰে চাৰিখণ্ডও হ'ব পাৰিলেহেঁতেন। অসমে কৰা নাই তেনে এক প্ৰস্তাৱ।

ভাৰতে স্বাধীনতা লাভ কৰিলে; কিন্তু যি ভাৰতবৰ্ষ হেজাৰ হেজাৰ বছৰ ধৰি অখণ্ডিত "পুণ্য ভাৰতভূমি" সেই ভাৰতবৰ্ষ আজি ত্ৰিখণ্ডিত। ভাৰতীয় মানসিকতাৰ ওপৰত ই এক প্ৰচণ্ড আঘাত। ৰাজনৈতিক প্ৰৱণতাই ভাৰতক খণ্ড বিখণ্ড কৰাটো এটা মহাজাতিৰ সাংস্কৃতিক ভেটিৰ ওপৰত কৰা অবিচাৰ কিমান ক্ষতিকাৰক হ'ব পাৰে তাক আজি আমি সকলোৱে লক্ষ্য কৰিছো। মহামানৱ মহাত্মা গান্ধীয়ে কৰা অংগীকাৰ যে তেখেতৰ মৃতদেহৰ ওপৰতহে ভাৰতৰ খণ্ডিতকৰণ সম্ভৱ সেয়া ব্যৰ্থ হৈ গ'ল নেকি? হেজাৰ হেজাৰ বছৰ ধৰি লাভ কৰা ৰাজনৈতিক পৰিপক্কতা আৰু ভাৰতবৰ্ষৰ বিশাল মানসিকতাৰ ওপৰত বিদেশীয়ে তেনেহ'লে প্ৰভাৱ বিস্তাৰ কৰি পৰাধীন মনৰ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল নেকি? ভাৰতৰ বুকুত হোৱা কুৰুক্ষেত্ৰৰ মহাসমৰে ভাৰতীয় জাতিৰ সামগ্ৰিক স্বৰূপটো একবাৰ একত্ৰিত কৰাৰ সুযোগ গ্ৰহণ কৰিছিল। বিশ্বযুদ্ধৰ পটভূমিত ভাৰত ভূখণ্ড একত্ৰিত হৈ পৰাক্ৰমী বৃটিছক আঁতৰাবলৈ সমৰ্থ হৈছিল। ভাৰতৰ খণ্ডিতকৰণে এই দেশৰ প্ৰাচীন ঐতিহ্য ম্লান কৰিলে আৰু বিশ্বৰ দৰবাৰত অপমানিত হ'বলগীয়া হোৱাটো কম দুৰ্ভাগ্যজনক নহয়। এই লজ্জাৰ যাতে পুনৰাবৃত্তি নঘটে, ভাৰতৰ যাতে আৰু কোনো অংগক্ষত হ'ব নোৱাৰে তাৰ বাবে আজি অসম বহ্নিমান। ১৯৪৯ চনত গোপীনাথ বৰদলৈয়ে কৈছিল- "that even from prehistoric times Assam was better known to the rest of India than you seem to know their successors."

ভাৰত বিভাজনৰ সময়ত যদি অসমক গ শাখাত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্তটো বাহাল থাকিলহেঁতেন তেনেহ'লে অসমৰ ভবিষ্যৎ কি হ'লহেঁতেন তাক যদিও সঠিককৈ কোৱাটো টান তথাপি এটা উদাহৰণৰ পৰাই পৰিস্থিতি যে অস্বাভাৱিক হ'লহেঁতেন তাত সন্দেহ কম। ১৯৪৭-১৯৪৯ চনত অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ১৫ শতাংশ হৈছিল। এই অভাৱনীয় বৃদ্ধিৰ হাৰ কমাবলৈ ১৯৫০ চনত অসমৰ পৰা বিদেশী বিতাৰণৰ বাবে এক আইন প্ৰস্তুত কৰিবলগীয়া হৈছিল। কিন্তু এই আইনখন এনেকুৱা যে বিদেশীসকলক এই আইনে দুই ভাগত বিভক্ত কৰিছিল। এবিধ ক্ষতিকাৰক বিদেশী আৰু আনবিধ ক্ষতি নকৰা বিদেশী। এক অদ্ভুত আইন! সমীক্ষা আৰু পৰীক্ষাৰ পৰা এইটো স্পষ্ট হৈছে যে ১৯৮০ ৰ প্ৰথমাৰ্দ্ধলৈ অসমত প্ৰায় ৬০ লক্ষ বিদেশী নাগৰিক প্ৰবেশ কৰিছিল আৰু বৰ্তমান সেই সংখ্যা ১০ নিযুত হ'ব পাৰে। এইখন আইনে কোনো বিদেশীক আমনি নকৰে।

১৮৮১ চনৰ লোক পিয়লৰ মতে অসমত অসমীয়া ভাষী লোকৰ সংখ্যা আছিল ১৩, ৬১, ১৫৯ জন। ১৮৯১ এই সংখ্যা বৃদ্ধি হৈ ১৪, ১৪, ২৮৫ জন হৈছিল আৰু ১৯০১ চনত ই কমি ১৩,৪৯,৬৯৪ জন হৈছিল। ইয়াৰ দ্বাৰা এইটো সঠিকভাৱে প্ৰমাণিত হৈছে

যে অসমীয়া ভাষা কোৱা লোকে অন্য ভাষা পৰৱৰ্তী সময়ত গ্ৰহণ কৰিছে। ১৮৩৬ চনৰ পৰা ১৮৭১ চনলৈ অসমত অসমীয়া ভাষাৰ সলনি বঙালী ভাষাৰ ক্ষেত্ৰত এক গভীৰ অসন্তুষ্টি প্ৰকাশ পাইছিল আৰু কোনো কোনো সময়ত ভাষাৰ ন্যায্যতা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ জন্ম হৈছিল দুখন প্ৰতিবেশী ৰাজ্যৰ মাজত।

১৯৩১ চনত পিয়লৰ ফলাফল ওলোৱাৰ পিছত C. S. Mullan এ এটা অদ্ভুত মন্তব্য কৰিছিল এইদৰে। "Probably the most important event in the province during the last twenty years- an event moreover which seems likely to alter permanently the whole future of Assamese and destroy more surely than the Barmese invasion in 1820- is the invasion of vast hordes of land hungry Bengali immigrants from the districts of Eastern Bengal and in particular Mymensingh". ১৯৩৫ চনৰ ২২ নৱেম্বৰৰ অমৃত বাজাৰ পত্ৰিকাত এইদৰে প্ৰকাশ পাইছিল। "The Bengalee residents of Assam assembled in a big public meeting at Tezpur on 20th November last and declared that the brains of five and half a lakhs of Bengalee speaking Hindus, the wealth of twenty thousand Marwaris, the great labour force of 6 lakhs of ex-teagarden coolies, the agricultural instinct of 5 lakhs of Bhatia Muslim immigrants, the material spirit of 3000 Sikhs, 1.40 lakhs of Nepalis and other settlers united together will surely rule over Assam. The Assamese leaders must live here on the terms of Bengalee Settlers who have already overflooded Assam." ১৮৩৫ চনত অসমত বঙালী ভাষাৰ প্ৰৱৰ্তনৰ ঠিক এশ বছৰ পিছত ১৯৩৫ চনত অসমত অসমীয়াৰ যে অস্তিত্ব বিপন্ন হোৱাৰ উপক্ৰম হৈছিল সেয়া সন্দেহাতীত আৰু সেয়া কেতিয়া সম্ভৱ হ'ব পাৰে, যেতিয়া এটা জাতিৰ নিজস্ব মেৰুদণ্ডৰ ওপৰত থিয় হৈ থকাৰ শক্তি লোপ পাই যায়। ১৯৩৭ চনত সেই কাৰণে মাধৱ চন্দ্ৰ বেজবৰুৱাদেৱে ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি জৱাহৰলাল নেহেৰুক স্মৰণ কৰাই দিছিল যে অসম ভাৰতীয় জাতীয়তাৰ লগত থকা নথকাটো তেওঁলোকৰ নিজা সিদ্ধান্ত হ'ব। তেখেতে জৱাহৰলালক আৰু জনাইছিল যে ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত স্বাক্ষৰিত এক কুখ্যাত চুক্তি অনুসৰি এক ষড়যন্ত্ৰৰ বলি হৈহে অসম ভাৰতৰ অন্তৰ্ভুক্ত হৈছিল। তাৰ আগলৈ অসম চিৰকালৰ এখন স্বাধীন ৰাজ্য। তেখেতে জৱাহৰলালৰ পৰা সদুত্তৰ আশা কৰিছিল; কিন্তু জৱাহৰলালে কৈছিল "জহন্নামে যোৱা- "Go to hell" । এয়াও এক অদ্ভুত মানসিকতা আৰু তেখেত স্বাধীন ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী।

ভাৰতীয় সংবিধানৰ ৩৪৭ নং অনুচ্ছেদত কোনো এখন ৰাজ্যৰ এটা জাতিৰ ভাষা সংস্কৃতি ৰক্ষা কৰাৰ বিষয়ে উল্লেখ কৰা আছে। অসমৰ ৰাজ্যভাষা অসমীয়াই হ'ব লাগে আৰু তাত বিশেষ বিতৰ্কৰ সূচনা হোৱাৰ থল থাকিব নালাগে। কিন্তু পৰিতাপৰ কথা যে অসমীয়াৰ লগতে অসমৰ ৰাজ্যভাষাৰ অন্য দাবীদাৰৰ সৃষ্টি হোৱাত অসমৰ বুকুলৈ আৰু এক সাংস্কৃতিক বিপদ সৰীসৃপৰ দৰে বগাই আহিল। তাৰ দ্বন্দ্বই জাতিটোৰ বৃহৎ সংহতি সাধন কৰে নে নকৰে তাক সময়ে প্ৰমাণ কৰিব। এখন ৰাজ্যৰ ৰাজ্যভাষা কিমানটা হোৱাৰ সম্ভাবনা থাকিব পাৰে তাক সংবিধানে নিৰ্ণয় কৰা নাই। ৩৪৮ নং অনুচ্ছেদত মহামান্য আদালতৰ ভাষাৰ বিষয়ে যি ধৰণে ব্যাখ্যা কৰিছে সেই ধৰণে ৰাজ্যবোৰৰ ভাষা নথকাত অন্তৰ্দ্বন্দ্বই যে অসমক জুৰুলা কৰিব তাত সন্দেহৰ অৱকাশ নাই। অসমলৈ হোৱা অবাধ প্ৰব্ৰজনে ৰাজ্যখনলৈ অস্থিৰতা কঢ়িয়াই আনিছে। ইয়াৰ ফলত অৰ্থনৈতিক ভাৰসাম্যৰ ওপৰত প্ৰচণ্ড আঘাত হৈছে, সামাজিক আৰু আৰ্থ সামাজিক ক্ষেত্ৰত অস্থিৰতা বিৰাজ কৰিছে আৰু ৰাজনৈতিক সমস্যাৰ সৃষ্টি কৰিছে। এই সমস্যাবোৰ সঠিক সময়ত শুধৰণী যদি নহয় তেনেহ'লে অসমৰ ভৱিষ্যত যে অন্ধকাৰময় হ'ব সি নিশ্চিত।

১৯৫০ চনত অবৈধ প্ৰব্ৰজনকাৰী বহিষ্কৰণ আইন, Immigrants (Expulsion from Assam) Act, 1950 প্ৰণয়ন কৰা হৈছিল; কিন্তু চুক্তিৰ সম্মান ৰক্ষা কৰিব পৰা নহ'ল। এই কথাবোৰে এইটোকে প্ৰতিপন্ন কৰে যে সেইসময়ৰ চৰকাৰ, নিৰ্বাচিত বিধান সভা, লোক সভা আৰু ৰাজ্য সভাৰ অসমৰ প্ৰতিনিধিসকলে অসমৰ জ্বলন্ত সমস্যাটোৰ মীমাংসা কৰাত ব্যৰ্থ হ'ল। প্ৰকাৰান্তৰে ৰাজ্যখনৰ নিৰ্বাচিত চৰকাৰ, বিধায়ক, সাংসদ সকলক ভাৰতীয় বিধান মণ্ডলীৰ মজিয়াত নিম্ন মানৰ শ্ৰেণীত বহুৱাবলৈ কেন্দ্ৰীয় চৰকাৰে কোনো সংকোচ বোধ নকৰিলে। অসম আকৌ বিচাৰাধীনৰ শ্ৰেণীলৈ অবনমিত হ'ল।

অসমলৈ হোৱা বৃহৎ অবৈধ প্ৰব্ৰজনে অসমৰ অৰ্থনীতিৰ ওপৰত যেনে প্ৰচণ্ড আক্ৰমণ কৰিছে তেনেকৈ ভাষা সংস্কৃতিৰ ক্ষেত্ৰটো এক অভাবনীয় ক্ষতি আৰম্ভ কৰিছে। যদিও বিশ্বায়নৰ দৰ্শনক এক গুৰুত্ব দিয়া হৈছে, মুক্ত বেহা-বাণিজ্যৰ ঢাকঢোল বজোৱা হৈছে, নৃতাত্বিক দিশৰ পৰা নিৰ্দেশ কৰা আইনো উলংঘা কৰা হৈছে আৰু এনে আঘাত সাধাৰণতে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্তাবোৰৰ ওপৰতে পৰিছে। সেয়েহে বৃহৎ আৰু শক্তিশালী নৃগোষ্ঠীয়ে তুলনামূলকভাৱে দুৰ্বল শ্ৰেণীৰ ওপৰত এক অঘোষিত আক্ৰমণ আৰম্ভ কৰি দিছে যাৰ ফলত ইতিমধ্যে পৃথিৱীৰ বুকুৰ পৰা কোনো কোনো নৃগোষ্ঠী অন্তৰ্হিত হোৱাৰ উপক্ৰম হৈছে।

১৯৬২ চনত চীনে ভাৰত আক্ৰমণ কৰিছিল আৰু আৰম্ভ হৈছিল সেই যুদ্ধ পূৰ্বাঞ্চলেদি আৰু প্ৰথম আঘাত অসমৰ ওপৰতে পৰিছিল। সাৰ্বভৌম ভাৰত ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা বিভাগ অসমৰ কাষত থিয় হ'ব নোৱাৰিলে। সৰ্বভাৰতীয় প্ৰশাসনীয় বিষয়াই আক্ৰান্ত মানুহৰ

কামত থিয় হোৱাৰ সলনি পলায়ন কৰিছিল। সেই সময়ৰ প্ৰধান মন্ত্ৰী জৱাহৰলালে উচিত প্ৰত্যুত্তৰ দিয়াৰ সলনি অসমক বিদায় দিছিল। তেওঁৰ পৰৱৰ্তী প্ৰধান মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ সান্ত্বনাৰ বাণীও সমানেই নিৰুৎসাহজনক আছিল যে পাঁচ বছৰ পিছত অসমক উদ্ধাৰ কৰিব। চীনে নিজাববীয়াকৈ সৈন্য অপসাৰণৰ সিদ্ধান্ত নোলোৱাহেঁতেন পৰৱৰ্তী পৰিস্থিতি অসমৰ কি হ'ব পাৰিলেহেঁতেন সেয়া সহজেই বোধগম্য। সেই সময়তে অসমে পুনৰবাৰ স্বাধীন অসম ঘোষণা কৰাৰ এটা সময় আহিছিল। নিজস্ব দুৰ্বলতা বা ভাৰতীয় সত্তাটোৰ প্ৰতি থকা এক স্বাভাৱিক আকৰ্ষণৰ বাবে অসমে স্বাধীনতা ঘোষণা কৰিব নোৱাৰিলে। ভাৰতীয় গণতন্ত্ৰৰ বাৰবছৰীয়া ইতিহাসৰ এই ঘটনাটোৱে আমাৰ পিছৰ পুৰুষক কেনেদৰে প্ৰভাবান্বিত কৰিব পাৰে আজিয়েই কোৱা টান। তথাপি এই কথা নিশ্চিতভাৱে ক'ব পাৰি যে কোনো জাতিকে সকলো সময়ৰ বাবে নিষ্পেষিত কৰি ৰখা সম্ভৱ নহয়। ১৯৬০ চনৰ ৰাজ্যভাষা প্ৰৱৰ্তনৰ সময়ত হোৱা বিতৰ্কৰ পৰিসমাপ্তি হোৱাৰ আগতেই এনে এক প্ৰচণ্ড আঘাত অসমবাসীয়ে কেন্দ্ৰৰ পৰা আশা কৰা নাছিল। হেমিল্টনে এবাৰ এটা অবিচাৰ কৰিছিল ১৮৩৫ চনত। অসমৰ ওপৰত বাৰে বাৰে পৰীক্ষা কৰাটো সাৰ্বভৌম ভাৰতৰ কল্যাণৰ বাবেই উচিত নহয়। সন্মান হানিকৰ কামক ভাৰতীয় প্ৰজাতন্ত্ৰই নিশ্চয় উৎসাহিত কৰাৰ পৰা বিৰত থাকিব।

আকৌ যুদ্ধ। ১৯৬৫ চনত ভাৰত পাকিস্তানৰ যুদ্ধ। এয়া ভাৰতে নিজে খুজি লোৱা যুদ্ধ। ভাৰতৰ খণ্ডিতকৰণ নোহোৱাহেঁতেন এই যুদ্ধৰ কোনো স্থিতিয়েই নাথাকিলহেঁতেন। যুদ্ধ মানে ক্ষতি আৰু যি দুৰ্বল তাৰ সৰহ ক্ষতি। নিমাখিতবোৰ এনেয়ে মৰে। ইয়াত কোনো নীতি বা মানবীয় প্ৰমূল্যই কাম নকৰে। সান্ত্বনা বাণীবোৰ কাগজৰ পৃষ্ঠাত ভৰি থাকে। যাৰ সৰ্বস্ব গ'ল তাৰ বাবে সান্ত্বনা বাণী আৰু শোক প্ৰস্তাৱে কি কাম কৰে। যি গৃহহাৰা হ'ল, আত্মীয় স্বজনৰ সকলো নিশ্চিহ্ন হ'ল তাৰ বাবে প্ৰবোধৰ ভাষাই কি কাম কৰিব পাৰে? এই যুদ্ধৰ পৰিণতি অসমে ভোগ কৰিলে। আৰু কেইবা লাখ শৰণাৰ্থী আহি অসম ভৰি পৰিল। পৰ্বত-পাহাৰ, বন-জংঘল, চৰণীয়া পথাৰ, নদীৰ পাৰ সকলোতে সিঁচৰতি হৈ পৰিল লাখ লাখ পূৰ্ব পাকিস্তানী নাগৰিক। কোনো নিয়ম নাই। কোনো আইনে কাম নকৰে। কেবল অন্তহীন জনস্ৰোত। বাধাহীন অনুপ্ৰৱেশকাৰীৰ বাবে অনায়াসলভ্য-নাগৰিকত্বৰ প্ৰমাণ পত্ৰ পাৰ্শ্ববৰ্তী ৰাজ্যৰ পৰা সংগৃহীত কৰা বুলি সেই সময়ৰ অসম চৰকাৰে জানে। একো কৰিব নোৱাৰিলে। PIP আঁচনি (পাকিস্তানী অনুপ্ৰৱেশ প্ৰতিৰোধ) প্ৰয়োগ কৰাৰ বাবে অসম চৰকাৰে ব্যৱস্থা ল'ব নোৱাৰিলে। ১৯৭১ চনত ভাৰত চৰকাৰে এই আইন সামৰিক বাহিনীৰ হাতত অৰ্পণ কৰিলে; কিন্তু সৈন্য বাহিনীয়েও ইয়াক ৰূপায়ণ কৰিব নোৱাৰিলে কাৰণ অসম আৰু ভাৰত চৰকাৰক বাতৰি কাকতৰ নিষিদ্ধ স্তম্ভই থকা-সৰকা কৰিছিল। অসম চৰকাৰ যে জনগণৰ হিতৰ বাবে প্ৰতিষ্ঠিত চৰকাৰ

নাছিল তাক নিজেই প্ৰমাণ কৰিছিল। অনুপ্ৰৱেশ ৰোধ কৰা আৰু অবৈধ অনুপ্ৰৱেশকাৰীক বহিষ্কাৰ কৰাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ। কেন্দ্ৰীয় চৰকাৰে অসমবাসীৰ দুৰ্দিনৰ সময়ত সহায় কৰিব নোৱাৰিলে। সংবিধানকো মূল্যহীন কৰিলে।

১৯৭১ চনত বাংলাদেশৰ মুক্তি আন্দোলনৰ বাবে অসমে আকৌ নতুন সমস্যাৰ সন্মুখীন হ'ল। এই মুক্তি সংগ্ৰামৰ বাবেই অসমে আকৌ শৰণাৰ্থীক আশ্ৰয় দিবলগীয়া হ'ল। এই শৰণাৰ্থীসকলৰ সৰহভাগেই অসমত থাকি গ'ল। অসমৰ অৰ্থনীতি চূৰমাৰ হৈ গ'ল। ভাষা সংস্কৃতিৰ ওপৰত অভাবনীয় প্ৰভাৱ পৰিল। অসমৰ স্বকীয় বৈশিষ্ট্য আকৌ এবাৰ অপহৃত হোৱাৰ ভয়ত মানুহবোৰে আৰ্তনাদ কৰি উঠিল। মনত দুৰ্ঘোৰ সন্দেহৰ ভাব ঘনীভূত হ'বলৈ আৰম্ভ কৰিলে। পাৰিবনে অসমে অস্তিত্ব ৰক্ষা কৰিব? এয়া সংকীৰ্ণতা নহয়। অসমে সাংস্কৃতিক বিবৰ্তনৰ বিৰোধিতা কৰা নাই। বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি অসমৰ সকলো ক্ষেত্ৰতে বিকাশ হোৱাটোকে বিচাৰে; কিন্তু নিজস্ব সকলো বিসৰ্জন দি নহয়। ৰাজনৈতিক আৰু আৰ্থ-সামাজিক আক্ৰমণৰ সহায়ত অসম নিশ্চিহ্ন হৈ যোৱাটো অসমে নিবিচাৰে।

ভাৰতীয় সংবিধানখন ফেডাৰেলো নহয় এককো (Unitary) নহয়। আপাত দৃষ্টিত সংবিধানখনে ভাৰত যুক্তৰাষ্ট্ৰৰ ৰাজ্যবোৰক স্বাধীন সত্তাৰে সঞ্জীৱিত কৰি ৰখাৰ দৰে লাগে। ৰাজ্যবোৰে কিন্তু প্ৰায় সকলো কথাৰ বাবে কেন্দ্ৰৰ ফালে চাই থাকিবলগীয়া হোৱাত ৰাজ্যবোৰে ক্ষমতাৰ প্ৰয়োগৰ ক্ষেত্ৰত নানা সমস্যাৰ সন্মুখীন হ'বলৈ বাধ্য হৈছে। সংবিধান ৰচনা কৰাৰ সময়ত পণ্ডিত ঠাকুৰদাস ভাৰ্গৱ আৰু এইচ. ভি. পাটাছকাৰে ৰাজ্যবোৰৰ দুখ লগা অৱস্থাৰ কথা উল্লেখ কৰি আপত্তি দৰ্শাইছিল। ড° বি. আৰ. আম্বেদকাৰে এঢাপ আগুৱাই কৈছিল যে ৰাজ্য আৰু কেন্দ্ৰৰ মাজত সমন্বয় ৰক্ষা কৰি ক্ষমতাৰ অংশীদাৰ হৈ কাৰ্য সম্পাদন কৰিব লাগে। ৰাজ্যবোৰে উপযুক্ত মৰ্যাদা নাপালে। ৰাজ্যবোৰে ধনৰ আৱণ্টনৰ বাবে, প্ৰতিৰক্ষাৰ বাবে মুখাপেক্ষী হৈ থাকিবলগীয়া হোৱাত ৰাজ্যবোৰৰ ক্ষমতা অত্যন্ত সীমিত হৈ ৰ'ল। প্ৰকৃতাৰ্থত কেন্দ্ৰই ৰাজ্যবোৰৰ পৰাহে ক্ষমতা আহৰণ কৰে আৰু কেন্দ্ৰৰ কোনো নিজস্ব সম্পদ নাথাকে। সকলো সম্পদ ৰাজ্যবোৰৰ পৰা আহে। সেই অৰ্থতে কেন্দ্ৰই সম্পূৰ্ণ নিৰপেক্ষ হিচাপে উচিত বিচাৰ কৰিব লাগিছিল। সেয়া কিন্তু হোৱা নাই আৰু যি হৈছে সেয়া বৈষম্যমূলক হৈছে। অসম যদি সাৰ্বভৌম হ'লহেঁতেন তেনেহ'লে অসমত বিদেশী নাগৰিকে ৰাজ্যখনক অস্থিৰ কৰিব নোৱাৰিলেহেঁতেন। অসমে য'ত আজি অস্তিত্ব বিপন্ন হোৱা বুলি অনুভৱ কৰিবলগীয়া হৈছে তেনে নহ'লহেঁতেন। মোগল সৈন্যক সোতৰবাৰ পৰাভূত কৰিব পৰা অসমে বিদেশী নাগৰিকৰ সৈতে মোকাবিলা কৰিব পাৰিলেহেঁতেন। অসমত প্ৰৱেশ কৰা অবৈধ বিদেশী নাগৰিকক বিতাৰণ কৰাৰ দাবী উত্থান কৰিলে অসমবাসীক বিচ্ছিন্নতাবাদী বুলি আখ্যা দিয়ে আৰু তেওঁলোকৰ

প্ৰতিবাদ বন্ধ কৰিবলৈ সকলো প্ৰকাৰৰ কুখ্যাত আইন প্ৰয়োগ কৰি কণ্ঠ ৰোধ কৰে। শাসনৰ গাদীত বহা ৰাজনৈতিক দলবোৰে, নিজস্ব লাভ আদায় হোৱাৰ সম্ভাবনা থকাসকলে ৰাজ্যখনৰ হিতৰ বিপৰীতে বিদেশীৰ পক্ষ লোৱা আৰু অনুকম্পা প্ৰকাশ কৰা দেখিলে অসম যে স্বাধীন ভাৰতৰ এখন অংগ ৰাজ্য, সন্দেহ হ'ব খোজে। এনে ৰাজনীতিকক আৰু ৰাজনীতিৰ যদি সময়ে উচিত বিচাৰ কৰিব নোৱাৰে তেনেহ'লে অসমৰ অৱস্থা কি হ'ব পাৰে তাক সহজে অনুমান কৰিব পৰা হ'ব। অকল অসমৰে নহয় ভাৰতবৰ্ষৰ যিকোনো ৰাজ্যৰ ওপৰত যদি এক অঘোষিত আক্ৰমণ হয়, বিদেশী নাগৰিকে যদি কোনো ৰাজ্যৰ অস্তিত্ব সন্দিহান কৰি তোলে তেনেহ'লে ৰাষ্ট্ৰই সেই ৰাজ্যৰ প্ৰতিৰক্ষাৰ দায়িত্ব নিজাববীয়াকৈ ল'ব লাগে আৰু তাকে কৰিবলৈ অসুবিধা হ'লে ৰাজ্যক এনে ক্ষমতা প্ৰদান কৰিব লাগে যাৰ সহায়ত এনে বৃহৎ সমস্যাৰ সমাধান ওলাব পাৰে। ১৯৪৯ চনত এনে এক দূৰদৃষ্টি ৰাখি সংবিধানখনৰ ওপৰত এটা অতি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছিল। "There is only one point of constitutional import to which I propose to make a reference. A serious complaint is made on the ground that there is too much centralisatiőn and the states have been reduced to municipalities. It is clear that this view is not only an exaggeration but is also founded on a misunderstanding of what exactly the Constitution contrives to do. As to the relation between the Centre and the States, it is necessary to bear in mind the fundamental principle on which it rests. The basic principle of Federalism is that the Legislative and the Executive authorities are partitioned between the Centre and the States not by any law to be made by the Centre but by the Constitution itself. This is what the Constitution does. The states under our Constutution are in no way dependent upon the Centre for their Legislative or Executive authorities. The Centre and the States are co-equal in this matter".

১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত সাধাৰণ দৃষ্টিত ভাৰতৰ জনগণে এক বৃহৎ সাফল্য অৰ্জন কৰা বুলি হৰ্ষান্বিত হৈছিল। সাধাৰণ জনতাই বহুত আশা কৰিছিল যে স্বাধীন ভাৰতৰ নাগৰিক হিচাপে তেওঁলোকৰ জীৱন, জীৱিকা, সুৰক্ষা, সমৃদ্ধি নিশ্চিত হৈছে। স্বাধীন ভাৰতৰ কাম-কাজ সুচাৰুৰূপে চলাবলৈ কিন্তু যে প্ৰস্তুতি সম্পূৰ্ণ হোৱা নাছিল তাক আজি আৰু দোহাৰিবৰ প্ৰয়োজন নাই। সেইবাবে এক সম্পূৰ্ণ অপ্ৰস্তুত অৱস্থাতে ভাৰতক স্বাধীনতা হস্তান্তৰ কৰি বৃটিছ চৰকাৰে ভাৰতীয় ৰাজনীতিবিদসকলক কেনে অৱস্থাত পেলালে সেই কথাবোৰ পৰৱৰ্তী কালতো গভীৰভাৱে চিন্তা কৰা যেন নালাগে

আৰু সেইবাবেই ভাৰতৰ বিপদ সকলো ফালৰ পৰাই সৃষ্টি কৰি লোৱা হৈছে। যিকোনো সাৰ্বভৌম ৰাষ্ট্ৰ নিশ্চিত হ'ব লাগে যে স্বাধীন ৰাষ্ট্ৰখনৰ ওপৰত বৃহৎ ৰাষ্ট্ৰই অতৰ্কিত আক্ৰমণ কৰি বিপদত পেলাব নোৱাৰে, চুবুৰীয়া দেশৰ লগত আন্তঃৰাষ্ট্ৰীয় সদ্ভাব আৰু সহযোগ থাকিব লাগে আৰু কোনো নতুন শত্ৰুৰ বাবে বাট মুকলি কৰি ৰাখিব নালাগে। লগতে আভ্যন্তৰীণ সুৰক্ষাৰ যথোচিত প্ৰস্তুতি আৰু দেশবাসীৰ কল্যাণৰ বাবে অৰ্থবহ আঁচনি ৰূপায়ণ কৰিব লাগে যাৰ সহায়ত দেশৰ প্ৰগতি ত্বৰান্বিত হ'ব পাৰে। এটা উদাহৰণ এই ক্ষেত্ৰত হয়তো প্ৰাসংগিক হ'ব পাৰে। ১৯১৪ চনত বৃটিছ চৰকাৰে এক চুক্তি স্বাক্ষৰিত কৰি তিব্বতক স্বায়ত্বশাসিত দেশৰ মৰ্যাদা অৰ্পণ কৰিছিল। তিব্বত হৈছে ভাৰত আৰু চীনৰ বাফাৰ-ৰাজ্য। এইখন দেশৰ স্বাধীনতা ভাৰতৰ নিৰাপত্তাৰ বাবে যিমানেই প্ৰয়োজনীয় দেশখনৰ পৰাধীনতাও ভাৰতৰ বাবে সমানেই উদ্‌বিগ্নজনক। আজি সেয়েই হৈছে। ১৯৪১ চনত চীন দেশে তিব্বত আৰু চিনকিয়াঙৰ ওপৰত দখল সাব্যস্ত কৰিছে। ইয়াৰ ফলত বৃটিছ-চীন সম্পৰ্ক যেনেদৰে বিঘ্নিত হৈছে ভাৰতৰো উত্তৰ সীমা চিৰকালৰ বাবে বিপদসংকুল হৈ ৰৈছে আৰু প্ৰতিৰক্ষাৰ বাবে ভাৰতৰ উৎকণ্ঠা বৃদ্ধি পাইছে। বৃটিছ শাসকে ভাৰতৰ দক্ষিণফাল সাগৰ-মহাসাগৰীয় আক্ৰমণৰ পৰা যাতে কোনো বিপদ আহিব নোৱাৰে তাৰ ব্যৱস্থা লৈছিল অথচ স্বাধীনতাৰ ৩৫ বছৰৰ ভিতৰতে ভাৰতৰ দক্ষিণ উপকূল আজি ত্ৰাসিত হ'বলগীয়াত পৰিছে। পশ্চিম প্ৰান্ত ভাৰতৰ বাবে চিৰকালৰ বাবে উদ্‌বিগ্নতাৰ কাৰণ হৈ থাকিল। পূব প্ৰান্ত ভাৰতৰ বাবে যথেষ্ট সুৰক্ষিত হৈ আছিল। অথচ ভাৰতীয় ৰাজনীতিবিদসকলৰ চৰম অপৰিপক্কতা আৰু অদূৰদৰ্শিতাৰ বাবে অসম বিদেশী নাগৰিকৰ অবাধ প্ৰব্ৰজনৰ হেঁচাত হাহাকাৰ কৰিবলগীয়াত পৰিছে। ১৯৬২ চনত চীনা সৈন্য অসমৰ বুকুৰেদি নামি আহিছিল। ইচ্ছা কৰাহেঁতেন চীনা সৈন্যই দিল্লীলৈ মাৰ্চ কৰি যাব পাৰিলেহেঁতেন এনে অনুমান অসমবাসীৰ হৈছে। এনে এক পৰিস্থিতিত অসমৰ নিৰীহ জনসাধাৰণে কাৰ মুখলৈ চাব। ৰাজ্য চৰকাৰে নিজাববীয়াকৈ একো কৰিব পৰা যোগ্যতা উপাৰ্জন কৰা নাই আৰু কেন্দ্ৰীয় চৰকাৰ উদাসীন। অসমীয়াবোৰ কম ভাৰতীয় হ'লে, প্ৰকৃত ভাৰতীয় সংবিধান উলংঘা কৰি অসমত প্ৰৱেশ কৰা বিদেশীবোৰ হ'বনে? ভাৰতীয় ৰাজনীতিত 'লেলিনৰ' সৃষ্টি হোৱা নাই যেন লাগে আৰু ৰাশিয়া যুক্তৰাষ্ট্ৰৰ নিৰ্মাতা ষ্টেলিন এজনৰ জন্ম নোহোৱা বাবে দুৰ্বল ৰাজ্যৰ দুৰৱস্থা সীমাহীন হৈছে বুলি ভাবিবৰ অৱকাশ আছে। প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰ- কামৰূপ-অসম বৰ্তমান আকৌ এবাৰ অগ্নি পৰীক্ষাৰ সন্মুখীন হৈছে।

২ (ক)

স্বাধীনোত্তৰ ভাৰতৰ ৰাজনৈতিক অস্থিৰতা আৰু অসম

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ শ্বহীদসকলৰ আত্মা, সৰ্বস্ব ত্যাগীসকলৰ মনোবেদনা আৰু নতুন ভাৰত নিৰ্মাণ কৰিব খোজা ৰাষ্ট্ৰপ্ৰাণ লোকসকলৰ বলিদানে সামন্তবাদী চিন্তা-ধাৰাৰে প্ৰতিপালিত ক্ষুধাতুৰ ৰাজনৈতিক নেতৃবৃন্দৰ ওপৰত কোনো প্ৰভাৱ পেলাব পৰাৰ লক্ষণ প্ৰায় ছয় দশক কালত ফুটি নোলাল। বৰং আসুৰিক শক্তি প্ৰয়োগৰ সহায়ত নিঃকিন সকলক ভৰিৰে মোহাৰি স্বেচ্ছাচাৰিতাৰ নগ্ন প্ৰকাশ কৰাত দেশখনৰ ভৱিষ্যত প্ৰজন্মৰ বাবে এক সন্দেহৰ আবৰ্ত তৈয়াৰ হোৱা পৰিলক্ষিত হ'ল। ভাৰতবৰ্ষ যে এখন ইউনিয়ন অব্ ষ্টেট, প্ৰতিখন ৰাজ্যৰ যে নিজা নিজা ধাৰণাৰ একোটা বিশেষ দৃষ্টিভংগী আছে আৰু ৰাজ্যবোৰৰ যে সৰু বৰ কিছুমান সমস্যা আছে সেইবোৰ কেন্দ্ৰীয় চৰকাৰে উপলব্ধি কৰিব নোৱাৰাত, আৰ্তজনৰ ভয়ৰ ভাব দূৰ কৰিব নোৱাৰাত, অন্ন চিন্তাৰ দাবানলে দগ্ধ কৰা সকলৰ পেটৰ জ্বালা দূৰ কৰিব নোৱাৰাত, দূৰত্ব প্ৰশাসনৰ বাবে এক ব্যৱধান হৈ পৰাত স্বাধীন ৰাষ্ট্ৰখনৰ সমস্যা দিনে দিনে বৃদ্ধি পাবলৈ আৰম্ভ কৰিলে, অসন্তুষ্টিৰ বাহ্যিক প্ৰকাশ ঘটিল। আচৰিত কথা যে সমস্যাবোৰৰ বিজ্ঞানসন্মত আৰু নীতি নিৰ্দ্ধাৰিত সমাধান উলিওৱাৰ সলনি শাসনৰ অধিষ্ঠাতাসকলে ব্যক্তিগত পৰাক্ৰমৰ দ্বাৰা জনগণৰ কণ্ঠ ৰোধ কৰাৰ বাবে কূট-কৌশলৰ আশ্ৰয় লোৱা দেখা গ'ল। যিসকল লোক ৰাজনীতিৰ বাবে যোগ্য নহয় তেওঁলোকে প্ৰাধান্য পাবলৈ আৰম্ভ কৰিলে আৰু ৰাজনীতিত লাহে লাহে স্খলন আৰম্ভ হোৱাত দেশবাসীৰ আৰু দেশখনৰ সমান্তৰাল উত্তৰণৰ কথা ভাবিবলৈ সময় নোহোৱা হ'ল। প্ৰকাৰন্তৰে প্ৰশাসন ব্যৱস্থা স্বেচ্ছাচাৰিতাৰ মাধ্যমেৰে চলোৱা হ'ল আৰু মূল সমস্যাবোৰক চাতুৰীৰে জনগণৰ পৰা আঁতৰাই ৰাখি এনেবোৰ সমস্যাৰ সৃষ্টি কৰা হ'ল যিবোৰ ভাৰতৰ জনগণৰ স্বাৰ্থৰ লগত কোনো সম্পৰ্ক নথকা। এনে এক অস্থিৰ অৱস্থাৰ মাজতে ভাৰতৰ শীৰ্ষ স্থান কোনে অধিকাৰ কৰি একছত্ৰী হ'ব পাৰে তাৰ সপোন ৰচিবলৈ উদ্বাউল হোৱা দেখা গ'ল।

প্ৰয়াত প্ৰধান মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ অকাল আৰু আকস্মিক মৃত্যুত দেশখনৰ ভয়ানক ক্ষতি হ'ল আৰু ক্ষতিপূৰণ কৰিবলৈ প্ৰকৃত গণতান্ত্ৰিক ব্যৱস্থা যেন স্থবিৰ হৈ গ'ল। এনে এক অৱস্থাই ভাৰতৰ ৰাজনৈতিক বিশেষজ্ঞসকলৰ ওপৰত, ভাৰতৰ বুদ্ধিজীৱীসকলৰ ওপৰত আৰু ৰাজনৈতিক দলবোৰৰ নেতৃবৃন্দৰ ওপৰত কেনে প্ৰভাৱ পেলাইছিল তাক

সময়েহে সঠিক ৰূপত ব্যাখ্যা কৰিব পাৰিব। যদিও পঞ্চাশৰ দশকৰ আৰম্ভণিতে ৰাজনৈতিক দলবোৰৰ উত্থান-পতন হ'বলৈ আৰম্ভ কৰিছিল এই প্ৰক্ৰিয়া দ্ৰুত হাৰত আৰম্ভ হোৱাত ভোটদাতা নাগৰিকৰ, কাৰ্যপালিকাবোৰৰ, গণতন্ত্ৰ প্ৰেমী লোকসকলৰ, বিধান পৰিষদৰ, দেশখনৰ প্ৰগতি ৰচনাৰ কামত ব্ৰতীসকলৰ মনলৈ নানা ধৰণৰ প্ৰশ্ন আহিছিল আৰু কৌতূহলৰ সৃষ্টি হৈছিল। স্বাধীন ভাৰতৰ ৰাজনীতি ৰাজনৈতিক দলক কেন্দ্ৰ কৰিয়ে পৰিচালিত হৈছে। ৰাজনৈতিক দলৰ পৰাই যিহেতু বিধান সভাৰ বিধায়ক আৰু লোকসভাৰ সাংসদসকলক নিৰ্বাচিত কৰা হয় সেই নিৰ্বাচিত সদস্যই ৰাজ্য আৰু দেশৰ প্ৰশাসন ব্যৱস্থা পৰিচালিত কৰিব বা চৰকাৰ গঠন কৰিব। এটা দলৰ সদস্যৰ দ্বাৰা বা বহুদলীয় মৰ্চাৰ সহায়তো চৰকাৰ গঠন হ'ব পাৰে। ভাৰতবৰ্ষৰ গণতন্ত্ৰত বহুদলীয় ব্যৱস্থা যিহেতু আছে অন্য কিছুমান গণতান্ত্ৰিক ৰাষ্ট্ৰৰ দৰে ইয়াত ৰাজনৈতিক দলৰ সীমাবদ্ধতা নাই। ১৯৫২ চনত যেতিয়া স্বাধীন ভাৰতৰ প্ৰথম নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল তেতিয়া ভাৰতবাসীৰ মাজত নানা আশা আৰু নিৰাশাৰ সৃষ্টি হৈছিল। সেই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা দলবোৰৰ ১৪ টা সৰ্বভাৰতীয় আৰু ৬০ টা ৰাজ্যিক দল বুলি প্ৰথমে স্বীকৃতি নিৰ্বাচন আয়োগে দিছিল। নিৰ্বাচনৰ পিছত যিবোৰ ৰাজনৈতিক দলে লোকসভাৰ নিৰ্বাচনত অংশ গ্ৰহণ কৰি ৩% ত কৈ অধিক ভোট লাভ কৰিছিল সেই দলবোৰকেহে সৰ্বভাৰতীয় দল আৰু বাকীবোৰক ৰাজ্যিক দল বুলি কোৱা হৈছিল। তেনে দলবোৰে গোটেইবোৰ ৰাজ্যত নিৰ্বাচনত অংশ গ্ৰহণ কৰিবও পাৰে বা এখন ৰাজ্যতো নিৰ্বাচনত অৱতীৰ্ণ হ'ব পাৰে। সেই অনুসৰি ১৯৫২ চনৰ নিৰ্বাচনত অংশ গ্ৰহণ কৰা মাত্ৰ ৪ টা ৰাজনৈতিক দলেহে সৰ্বভাৰতীয় আৰু ১২ টাই ৰাজ্যিক পৰ্যায়ৰ দল হিচাপে পৰিগণিত হৈছিল। ১৯৬২ আৰু ১৯৬৭ চনৰ নিৰ্বাচনত কোনো দলকে ৰাষ্ট্ৰীয় দল হিচাপে চিহ্নিত কৰাই নহ'ল। বৰ্তমান যিবোৰ ৰাজনৈতিক দলে লোকসভাৰ নিৰ্বাচনত দেশখনৰ ভোটদাতাসকলৰ মাজৰ পৰা কমেও ৪ শতাংশ ভোট লাভ কৰে সেইবোৰক ৰাষ্ট্ৰীয় দল আৰু যিবোৰ দলে ৰাজ্যিক বিধান সভাত অংশ গ্ৰহণ কৰি কমেও ৪ শতাংশ ভোট লাভ কৰে সেইবোৰক ৰাজ্যিক দল বুলি স্বীকৃতি দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। অৱশ্যে যিসকল প্ৰাৰ্থীয়ে আমানতৰ ধন হেৰুৱাইছে তেওঁলোকে লাভ কৰা ভোট হিচাপত ধৰা নহয়। এই নিয়মৰ সালসলনি ঘটাই থকা দেখা গৈছে।

বিগত কালচোৱাত এনে কোনো ৰাজনৈতিক দল নাই যাৰ ভাঙোন হোৱা নাই বা ভাগি পিছত পুনৰ লগ হোৱা নাই বা আন দলৰ লগত লগ লাগি নতুন দলৰ নামকৰণ কৰা হোৱা নাই। ১৯৫০ ৰ প্ৰথমাৰ্দ্ধত পাঞ্জাবৰ জমিন্দাৰী লীগ নামৰ দলটো কিৰ্ষিকৰ লোক পাৰ্টিৰ লগত লগ হৈছিল; ভাৰতৰ ৰিপাব্লিকান দল আৰু আকালি দল বিভক্ত হৈছিল; ছ'চিয়েলিষ্ট পাৰ্টি ভাঙি প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টি আৰু অল ইণ্ডিয়া ছ'চিয়েলিষ্ট পাৰ্টি হৈ ১৯৬৪ চনত সংযুক্ত ছ'চিয়েলিষ্ট পাৰ্টি হৈছিল আৰু পিছত এইটো ভাগি আৰু দুভাগ হৈছিল।

এই ভাগ দুটা আছিল সংযুক্ত ছ'চিয়েলিষ্ট পার্টি আৰু প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টি আৰু ১৯৭১ চনত এই দুটা অংশ পুনৰ লগ লাগি ছ'চিয়েলিষ্ট পাৰ্টি অব্ ইণ্ডিয়া নামে পৰিচিত হৈছিল। ১৯৬৪ চনত ভাৰতীয় কমিউনিষ্ট পাৰ্টি ভাঙি চি পি আই (CPI) আৰু CPI (M) দুভাগত বিভক্ত হৈছিল। ১৯৬৯ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ ভাঙি দুটুকুৰা হৈছিল। এভাগৰ নেতৃত্ব লৈছিল এছ. নিজলিঙ্গাপ্পাই আৰু আনভাগৰ চি. সুব্ৰমনিয়মে। সুব্ৰমনিয়ামৰ অংশটোৰ নেতৃত্ব পিছত বাবু জগজীৱনে লৈছিল। ইয়াৰে প্ৰথম ভাগ ইন্দিৰা গান্ধীৰ প্ৰতিবাদী অংশ আৰু দ্বিতীয় খণ্ড ইন্দিৰা গান্ধীৰ পক্ষৰ। নিৰ্বাচনী আয়োগে কংগ্ৰেছৰ দুয়োটা খণ্ডকে ৰাষ্ট্ৰীয় দলৰ মৰ্যাদা দিছিল। ১৯৭৭ চনৰ নিৰ্বাচনৰ সময়ত চাৰিটা ৰাষ্ট্ৰীয় দল যেনে কংগ্ৰেছ (ও), ভাৰতীয় লোকদল, ভাৰতীয় জনসংঘ আৰু ছ'চিয়েলিষ্ট পাৰ্টি মিলি একেখন পতাকাৰ তলত সমবেত হৈছিল জনতা পাৰ্টি হিচাবে আৰু নিৰ্বাচনত এটা দল হিচাবে অৱতীৰ্ণ হৈ কংগ্ৰেছৰ প্ৰতিপত্তি পোন প্ৰথমবাৰৰ বাবে থৰক-বৰক কৰি দিছিল আৰু হৰুৱাইছিল। ভাৰতীয় জাতীয় কংগ্ৰেছ ১৯৭৭ চনত পুনৰ দুভাগ হৈছিল। তাৰে এভাগ ইন্দিৰা গান্ধীৰ নেতৃত্বত Cong (I) আৰু আনটো দেৱৰাজ আৰ্চৰ Cong(U) নেতৃত্বত। ১৯৭৯ চনত জনতা পাৰ্টি (চাৰিটা ৰাষ্ট্ৰীয় দল মিলি ১৯৭৭ চনত হোৱা) পুনৰ দুই ভাগত ভাঙে- এভাগৰ নেতৃত্ব লয় চন্দ্ৰ শেখৰে আৰু আনভাগৰ চৌধাৰী চৰণ সিঙে আৰু ৰাজনাৰায়ণে। চৰণ সিঙৰ অংশটো ধৰ্মনিৰপেক্ষ জনতা (Janata Secular) হিচাবে স্বীকৃতি লাভ কৰে।

স্বাধীনতাৰ আগৰ কালচোৱাত কংগ্ৰেছৰ স্থিতি মজবুট আছিল। এইটো দলত ভাৰতৰ বহু গুণী-জ্ঞানী লোকৰ সমাবেশ ঘটিছিল আৰু সেইসকলৰ সৰহভাগৰে কোনো ৰাজনৈতিক ক্ষমতা লাভৰ আকাংশা নাছিল। তেওঁলোকৰ মূল দৰ্শন আছিল ভাৰত মাতাৰ বাবে চিৰকাল মুক্তিৰ বন্দনা আৰু আদৰ্শ আছিল জনকল্যাণৰ বাবে অক্লান্ত পৰিশ্ৰম আৰু ত্যাগ। পৰাধীনতাৰ গ্লানি মচি দি অখণ্ড ভাৰতৰ সুৰক্ষাৰ বাবে, প্ৰগতিৰ সোপান ৰচাৰ পৰিকল্পনা। ভাৰত বিভাজনে অসংখ্য তেনে অনুৰাগী লোকৰ মনত অগনি জ্বলাই হৃদয় দগ্ধ কৰিছিল আৰু বেদনাৰে ভাৰাক্ৰান্ত কৰিছিল। দুৰ্বল মনত তথাপি আশা কৰিছিল যে ভাৰতৰ ৰাজনৈতিক প্ৰজ্ঞাই ভাৰতৰ গৌৰৱ ৰবি পুনৰ কিজানি জিলিকাব পাৰেই। ক্ষমতাৰ অন্ধ মোহে, লক্ষ্য আৰু আদৰ্শ জলাঞ্জলি দিয়াত মনীষীসকলৰ মোহভংগ হ'বলৈ আৰম্ভ কৰিছিল। অন্ন-বস্ত্ৰৰ হাহাকাৰত জুৰুলা জনগণৰ মুক্তিৰ পথ, বিকাশৰ পথ যে এই ৰাজনৈতিক দলবোৰে ৰচনা কৰিব নোৱাৰিব তেনে এটা ধাৰণা লাহে লাহে বদ্ধমূল হ'বলৈ বহুতৰে আৰম্ভ কৰিছিল।

ৰাজনৈতিক দলৰ বিভাজনে এইটোকে প্ৰতিপন্ন কৰে যে দলীয় সংবিধানত নিৰ্দিষ্ট কৰা লক্ষ্য, আদৰ্শ, দৰ্শন, নীতি বা পৰম্পৰা ভংগ কৰি বিশেষ ব্যক্তিৰ প্ৰাধান্যক গুৰুত্ব দিবলৈ

চাতুৰী বা কৌশল ৰচনা কৰা হয়। এনে চাতুৰীয়ে নিষ্ঠাবান আৰু সৎ কৰ্মীক আঘাত কৰে। বহুত সময়ত যাৰ সহায়ত দলীয় উত্থান বা পতন নিৰ্ভৰ কৰে তেনে বৃহৎ জনতাক অৱজ্ঞা কৰি ব্যক্তিগত বা গোষ্ঠীগত আকাংক্ষা চৰিতাৰ্থ কৰাৰ প্ৰৱণতাই দলৰ ভাবকেন্দ্ৰ সলনি কৰি বিভাজিত হয়। ওপৰত উল্লেখ কৰা দল বিভাজনে এইটো প্ৰমাণ কৰিছে যে কোনো বিশেষ আদৰ্শ ৰক্ষাৰ বাবে দল বিভাজন হোৱাতকৈ বিশেষ ব্যক্তিৰ দম্ভালি আৰু প্ৰৰোচনাৰ বাবেই তেনে হৈছে। সকলো ৰাজনৈতিক দলৰ সংবিধানত ভাৰতীয় সংবিধান পৰিপন্থী কোনো নীতিয়ে স্থান পাব নোৱাৰে আৰু কোনো ৰাষ্ট্ৰবিৰোধী লক্ষ্য সন্নিবিষ্ট কৰিব নোৱাৰে। অথচ গতান্ত্ৰিক প্ৰমূল্যৰ ওপৰত প্ৰতিষ্ঠিত সংবিধান এখন থকা সত্ত্বেও অগণতান্ত্ৰিক প্ৰক্ৰিয়াৰ সহায়তে দলীয় আদৰ্শ বিসৰ্জন দি দলবোৰৰ বিভাজন হয় আৰু তাৰ পৰিণতি সৰ্বসাধাৰণ লোকে বা ৰাষ্ট্ৰই বা ৰাজ্যবোৰে ভোগ কৰিবলগীয়াত পৰে। যদিও ভাৰতীয়-সংবিধানত কোনো বিশেষ শ্ৰেণীৰ গুৰুত্ব দি ৰাজনৈতিক দল গঠন কৰাৰ পোষকতা কৰা হোৱা নাই বৰং সকলো ভাৰতীয় লোকক সেৱা কৰিবলৈকে ৰাজনৈতিক দল গঠন হোৱা উচিত, কেতিয়াবা কেতিয়াবা বিশেষ শ্ৰেণীৰ লোকৰ আবেগক প্ৰাধান্য দি ৰাজনৈতিক দল তৈয়াৰ হৈছে আৰু বহুত সময়ত আদৰ্শ আৰু দৰ্শন জলাঞ্জলি দি পক্ষপাত দুষ্ট অবিচাৰৰ আশ্ৰয় লোৱা বাবে তাৰ প্ৰতিবাদী দৃষ্টি-ভংগী লৈযো ৰাজনৈতিক দল গঠন হৈছে। এনে ধৰণৰ ৰাজনৈতিক দলবোৰে দেশৰ সৰ্বাংগীন বিকাশৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ সলনি ক্ষুদ্ৰ স্বাৰ্থ পূৰণ কৰিবলৈ, নিজস্ব লাভালাভ আদায় কৰিবলৈ আৰু ৰাজনৈতিক মুনাফা লাভৰ বাবে কাম কৰা পৰিলক্ষিত হোৱাত দলৰ সংখ্যা ক্ৰমে বৃদ্ধি পাইছে আৰু জনসাধাৰণৰ উত্তেজনাক তীব্ৰ ৰূপ দিয়া হৈছে। ভাতৃত্বৰ ভাব ক্ৰমে কমি গৈছে আৰু ভাৰতীয়ত্বৰ অনুভূতিৰ সলনি বিভিন্ন বৰ্ণ-গোষ্ঠীৰ স্বাৰ্থ ৰক্ষাৰ প্ৰৱণতাই ৰাজনীতিৰ কেন্দ্ৰবিন্দু হৈছে। ফলত প্ৰান্তীয় সমস্যাৰ সমাধান ওলোৱা নাই, দেশৰ সুৰক্ষা বিনষ্টকাৰী ক্ৰিয়াবোৰ বৃদ্ধি পাইছে, বৈষম্যই নতুন স্বৰূপ গ্ৰহণ কৰিছে, বিকাশ স্তব্ধ হৈ বৈছে আৰু দেশখনক অস্থিৰ কৰি ৰখাৰ কৌশলে ৰাজনীতিৰ মুখ্য উদ্দেশ্য হৈছে।

সকলো ৰাজনৈতিক কৰ্মীয়ে জনসাধাৰণৰ সেৱকৰূপে পৰিগণিত হোৱা উচিত। জনসাধাৰণৰ প্ৰতি সেৱা আগবঢ়োৱাৰ যোগ্যতা বিশেষ জনৰহে থাকিব পাৰে আৰু অন্যৰ নোৱাৰে, তেনে ধাৰণা অবান্তৰ। সামন্তবাদী নীতিৰ অৱসান ঘটাই যেতিয়া গণতন্ত্ৰৰ প্ৰতিষ্ঠা কৰা হ'ল জনগণৰ ৰায় অনুসৰিয়ে দেশৰ চৰকাৰ গঠন হ'ব লাগে। জনমতক শ্ৰদ্ধা কৰা আৰু গণ সমালোচনাৰ সন্মুখীন হ'ব পৰাটো গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ এটা নিৰ্দেশ। অথচ ১৯৭৫ চনত ভাৰতত স্বেচ্ছাচাৰিতাৰ নগ্ন ৰূপে প্ৰকাশ লাভ কৰিছিল, ক্ষমতাৰ অপপ্ৰয়োগ সাধন কৰি সংবিধান অবমাননা কৰি গণতন্ত্ৰ ভৰিৰে মোহাৰি পেলোৱাৰ অৱস্থা হৈছিল আৰু সকলো স্বাধীনতা প্ৰেমী জনগণক স্তব্ধ কৰি দি আভ্যন্তৰীণ জৰুৰীকালীন অৱস্থা

ঘোষণা কৰা হৈছিল। সেয়া ভাৰতৰ বাবে এক অন্ধকাৰ যুগ আৰু তেনে অন্ধকাৰ যুগৰ সপক্ষেও কিছুসংখ্যক লোক আছিল। দেশদ্ৰোহীয়ে যেতিয়া দেশৰ সৰ্বময় কৰ্তাৰূপে প্ৰতিষ্ঠিত হোৱাৰ সম্ভাৱনাই দেখা দিয়ে সেই দেশৰ স্বাধীনতা কাৰ বাবে। যুৱক্ৰীয়ে ইয়াৰ তত্ত্ব ব্যাখ্যা এদিন কৰিব। এনে এক অন্ধকাৰ যুগৰ অৱসান ঘটাবলৈ ভাৰতৰ ৰাজনীতিক এটা সুস্থ ৰূপ দিব পাৰি নে কি তেনে চিন্তা প্ৰাতস্মৰণীয়, জন নায়ক জয়প্ৰকাশ নাৰায়নে উদ্ভাৱন কৰি জনতা পাৰ্টি নামৰ দল এটাৰ জন্ম দিছিল। তেখেতে মনে প্ৰাণে আশা কৰিছিল যে ইয়াৰ নেতৃত্ব বহন কৰা লোকসকলে নীচাম্বিকা মনোবৃত্তি পৰিহাৰ কৰি দেশ নিৰ্মাণৰ কামত ব্ৰতী হ'ব আৰু জনগণেও নিজৰ সম্মান ৰক্ষা কৰি ভাৰতবৰ্ষক আগুৱাই নিয়াত সহায় কৰিব। এটা আৰম্ভণিও হৈছিল; কিন্তু পৰীক্ষা অধিক সময়ৰ বাবে কৃতকাৰ্য হৈ ৰ'ব নোৱাৰিলে। ১৯৭৭ চনৰ নিৰ্বাচনে দিয়া ৰায়ৰ পিছত অৱশ্যে যেয়ে সেয়ে যাতে ভাৰতীয় সংবিধানৰ উৰ্দ্ধত উঠি গণতন্ত্ৰৰ কাঠামোটো ধ্বংস কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিছিল। হ'লেও ইয়াৰ পৰৱৰ্তী ৰাজনৈতিক পৰিস্থিতিয়ে প্ৰমাণ কৰিলে যে পেশাদাৰী ৰাজনীতিকৰ চৰিত্ৰৰ বৃহৎ সলনি নকৰে আৰু মহত্বৰ আদৰ্শই যে এওঁলোকক অনুপ্ৰাণিত কৰা টান কাম তাকেই প্ৰমাণ কৰে। এই সন্দৰ্ভতে অসমৰ ৰাজনীতিয়ে কি ৰূপ ধাৰণ কৰে তাক প্ৰকাশ কৰা উচিত হ'ব বুলি ভবা হৈছে। ভাৰতৰ (কেন্দ্ৰৰ) ৰাজনীতিত অসমৰ অৱস্থান সম্পৰ্কে অসমৰ জনগণে কিছু কথা জানে। তথাপি পিছৰ পুৰুষৰ বাবে অসমে কেনে পৰিস্থিতিৰ সন্মুখীন হৈ ভাৰতৰ অংগৰাজ্য হৈ আছে আৰু কোন ৰাজনৈতিক দলে অসমৰ সুৰক্ষা আৰু কল্যাণৰ কথা চিন্তা কৰে সেই বিষয়ে এটা ধাৰণা থকা ভাল হ'ব বুলি বিবেচনা কৰা হৈছে।

২ (খ)

স্বাধীন ভাৰত আৰু অসম

১৯৭৭ চনত পোনপ্ৰথমবাৰৰ বাবে প্ৰকৃতাৰ্থত দুটা মাত্ৰ শক্তিশালী দলৰ মাজত প্ৰতিদ্বন্দ্বিতা হৈছিল- এটা জনতা পাৰ্টি (ভাৰতীয় লোকদলৰ প্ৰতীক লৈ) আৰু কংগ্ৰেছ (আই)। সেই নিৰ্বাচনৰ আগলৈ কংগ্ৰেছে লোক সভাৰ নিৰ্বাচনবোৰত এনেদৰে আসন লাভ কৰিছিল- ১৯৫২ ত ৩৬৪(৪৭৯); ১৯৫৭ ত ৩৭১(৪৯০); ১৯৬২ ত ৩৬১(৪৮৮); ১৯৬৭ ত ২৮৩ (৫১৬); ত ১৯৭১ ত ৩৫২ (৪৪১); ১৯৭৭ ত ১৫৪ (৪৯২)। (বন্ধনীৰ ভিতৰৰ সংখ্যাই প্ৰতিদ্বন্দ্বিতা কৰা আসনৰ সংখ্যা বুজাইছে)। ভোটৰ শতকৰা ৩৪.৫ জনে কংগ্ৰেছৰ সপক্ষে মতদান কৰিছিল। ১৯৭৭ চনৰ নিৰ্বাচনত ইন্দিৰা গান্ধীও পৰাজিত হৈছিল। যিজন প্ৰধান মন্ত্ৰীয়ে ভাৰতত আভ্যন্তৰীণ জৰুৰীকালীন অৱস্থাৰ প্ৰবৰ্তন কৰিছিল সেইটো দলৰে ১৫৪ জনে নিৰ্বাচনত জয় লাভ কৰাটোৱে ভাৰতীয় মানসিকতাৰ এটা দিশ প্ৰদৰ্শন কৰে। সেইটো নিৰ্বাচনত কংগ্ৰেছে অসমৰ ১৪ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰি ১০ খন আসন লাভ কৰিছিল। কংগ্ৰেছে অসমত ১৯৫২ চনৰ পৰা কিমান আসনত প্ৰতিদ্বন্দ্বিতা কৰি কিমান আসন লাভ কৰিলে তাক দেখুৱা হৈছে।

১৯৫২-১১ (১১); ১৯৫৭-৯ (১২); ১৯৬২-৯ (১২);

১৯৬৭-১০ (১৪); ১৯৭১-১৩ (১৩); ১৯৭৭-১০ (১৪);

১৯৮০-২ (২); ১৯৮৫-৪ (১৩); ১৯৯১-৮ (১৪);

১৯৭৭ চনৰ মোৰাৰাজী দেশাইৰ নেতৃত্বাধীন জনতা চৰকাৰ ঠুনঠুনকৈ কাচৰ ঘৰ ভগা দি ভাগিল। কৌটি কৌটি ভাৰতীয়ৰ আশা-আকাংক্ষাক তেওঁলোকেও ৰূপ দিব নোৱাৰিলে। নেতৃস্থানীয় লোকসকলৰ মাজত লগা আত্মকলহৰ বাবেই এই চৰকাৰখন সৰহদিন টিকিব নোৱাৰিলে। জৰ্জ ফাৰ্ণাণ্ডেজ, ৰাজনাৰায়ণ আদি নেতাসকলে ভাৰতীয় নাগৰিকক হতাশাগ্ৰস্ত কৰি তোলা দেখা গ'ল। দেশাইৰ অনমনীয় স্থিতিয়ে সংঘাত গুৰুতৰ কৰি তুলিলে। ভাৰতীয় নাগৰিকে কংগ্ৰেছৰ অপশাসনৰ বিৰুদ্ধে এটা ৰাজনৈতিক পৰিবৰ্তন বিচাৰিছিল আৰু ৰাজনীতিৰ এক নতুন দিগন্তৰ উন্মেষ ঘটিব বুলি আশা কৰিছিল। মানসিকতাৰ পৰিবৰ্তন আৰু মুক্তিৰ সন্ধান ওলাব পাৰে বুলি জনগণে খুব আশা কৰিছিল। অৰ্থনৈতিক মুক্তি, সামাজিক মুক্তি, ভয়ৰ অৱসান, নিষ্পেষণৰ পৰা পৰিত্ৰাণ, বৈষম্য

দূৰীকৰণ আৰু বিকাশ আশা কৰিছিল। ১৯৭৫-৭৬ চনৰ অন্তৰ্বৰ্তী জৰুৰীকালীন অৱস্থাৰ সময়ত যিবোৰ ৰাজনৈতিক ব্যভিচাৰে নাগৰিকক জুৰুলা কৰিছিল, মানুহৰ দুখৰ অন্ত নোহোৱা কৰিছিল, সীমাহীন অশান্তি জাপি দিছিল, নৈতিকতাৰ অধঃপতন হৈছিল, দুৰ্নীতিয়ে সকলো সীমা অতিক্ৰম কৰিছিল আৰু ৰাজনীতিৰ আধাৰকে চূৰমাৰ কৰি দিছিল তেতিয়া ৬৭ কৌটি ভাৰতবাসীয়ে এটা স্থায়ী ব্যৱস্থাৰ দ্বাৰা অশান্ত আৰু অস্বাভাৱিক অৱস্থাৰ পৰিবৰ্তন বিচাৰিছিল। সেইসময়ৰ দেশদ্ৰোহীবোৰৰ কোনো প্ৰকাৰৰ শাস্তি বিধান নহ'ল। নানা আয়োগ গঠন কৰা হ'ল; কিন্তু কোনো পৰামৰ্শ কামত নালাগিল। ওৰাই বি চৱনে মোৰাৰজী চৰকাৰৰ ওপৰত অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিলে। চৰণ সিং ভাৰতৰ প্ৰধান মন্ত্ৰী হ'ল। সংসদৰ মজিয়াত এই গৰাকী প্ৰধান মন্ত্ৰীয়ে সংখ্যা গৰিষ্ঠতা প্ৰমাণ কৰিবলৈ সাহসকে গোটাব নোৱাৰিলে। তেওঁৰ বিৰুদ্ধে হাতী-ঘোঁৰা ক্ৰয়-বিক্ৰয়ৰ আৰোপ অনা হ'ল। চৰণ সিঙে ভাৰতৰ প্ৰধান মন্ত্ৰিত্ব লাভ কৰি জীৱনৰ আকাংক্ষা চৰিতাৰ্থ হোৱা বুলি মন্তব্য কৰাত তেওঁক নানা প্ৰকাৰে সমালোচনাও কৰা হ'ল। দেৱৰাজ আৰ্চ (কং ইউ) ৰ ভূমিকাকো সমালোচনা কৰা হ'ল। বাবু জগজীৱনে আক্ষেপ কৰি ক'লে "হৰিজনৰ স্থান ভাৰতবৰ্ষত নাই"। ৰাষ্ট্ৰপতি নীলম সঞ্জীৱ ৰেড্ডিও সমালোচনাৰ উৰ্দ্ধত নাথাকিল কাৰণ যদি বাবু জগজীৱন ৰামক প্ৰধান মন্ত্ৰিত্ব দিয়া হ'লহেঁতেন তেনেহ'লে মধ্যকালীন নিৰ্বাচনৰ প্ৰয়োজন নহ'লহেঁতেন। মোৰাৰজী দেশাই, অটল বিহাৰী বাজপেয়ীৰ আবেদন সঞ্জীৱ ৰেড্ডিয়ে নাকচ কৰি মধ্যবৰ্তীকালীন নিৰ্বাচন ঘোষণা কৰিলে।

অসমৰ ৰাজনীতি আৰু মধ্যকালীন নিৰ্বাচন (১৯৮০) ঃ মুখ্য নিৰ্বাচনী আয়ুক্ত এচ এল চাকধেৰে বিভিন্ন ৰাজ্যৰ নিৰ্বাচনী বিষয়াসকলক ভোটাৰ তালিকা যুগুত কৰিবলৈ জাননী দিলে। অসমো এই ব্যৱস্থাৰ পৰা বাদ পৰা নাছিল। সেই সময়ত অসমৰ মুখ্য মন্ত্ৰী আছিল গোলাপ বৰবৰা ডাঙৰীয়া। নতুন ভোটাৰ তালিকা প্ৰস্তুত কৰণৰ সময়ত গোলাপ বৰবৰা এক প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ বাধ্য হ'ল। মঙ্গলদৈ সমষ্টিৰ সংসদ সদস্য হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ বাবে সমষ্টিটোৰ সদস্য পদ খালি হৈ আছিল। ভোটাৰ তালিকা প্ৰস্তুত কৰণৰ সময়ত পোন প্ৰথমবাৰৰ বাবে ধৰা পৰিল যে কেৱল এই সমষ্টিটোতে প্ৰায় ৪৫,০০০ বিদেশীৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হৈছে। ভাৰতীয় সংবিধান অনুসৰি কোনো বিদেশীয়ে ভাৰতীয় নাগৰিকত্ব গ্ৰহণ নকৰাকৈ নিৰ্বাচনত ভোট দিব নোৱাৰে। মুখ্য মন্ত্ৰী গোলাপ বৰবৰাই বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিব লাগে বুলি মন্তব্য কৰিলে। বিদেশী নাগৰিকসকলৰ সৰহভাগেই বাংলাদেশী। বিধান সভাৰ সদস্য আনোৱাৰা টাইমুৰে প্ৰচণ্ড বিৰোধ কৰিলে। বৰবৰাৰ মন্ত্ৰী সভাৰো বিৰুদ্ধাচৰণ কৰিলে। এইখন বিধান সভাত (১৯৭৭) বিভিন্ন দলৰ বিধায়কৰ সংখ্যা তলত দেখুৱা হৈছে।

বন্ধনীৰ মাজৰ সংখ্যাই প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ সংখ্যা বুজাইছে।

		ভোটৰ শতাংশ হাৰ
জনতা পাৰ্টি	৫৩ (১১৭)	২৭.৬%
ভাৰতীয় কংগ্ৰেছ ছচিয়েলিষ্ট	২৬ (১২৬)	২৩.৬%
ভাৰতীয় কমিউনিষ্ট পাৰ্টি (CPI)	৫ (৩৫)	৪.১%
ভাৰতীয় কমিউনিষ্ট মাৰ্ক্সিষ্ট (CPM)	১১ (২৭)	৫.৬%
কংগ্ৰেছ (INCI)	৮ (১১৫)	৮.৮%
পি. টি. চি. (PTC)	৪ (৯)	২.৬%
জনতা দল (JD)	৪ (১০)	১.৪%
নিৰ্দলীয়	১৫ (৪৮৫)	২৪.৭%
	১২৬	৯৯.৪%

গোলাপ বৰবৰা মন্ত্ৰীসভা ভংগ হ'ল। অসম জনতা দল নামে এটা নতুন দলৰ জন্ম হ'ল। বিভিন্ন দলে ইয়াত যোগদান কৰি "ধৰ্মনিৰপেক্ষ জনতা দল" গঠন কৰিলে আৰু যোগেন হাজৰিকাক মুখ্য মন্ত্ৰী পতা হ'ল। শৰৎ সিংহ (Cong-U) আৰু বামপন্থী দলৰ সদস্যই চৰ্ত সাপেক্ষে হাজৰিকাক সমৰ্থন দিলে। পি. টি. চিয়ে মন্ত্ৰীসভাত অংশ গ্ৰহণ কৰিলে। বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা অপসাৰণৰ প্ৰশ্নত যোগেন হাজৰিকাই শৰৎ সিংহ আৰু জেহিৰুল ইছলাম [J.D (s)] ৰ হেঁচাত কক্‌বকাবলৈ আৰম্ভ কৰিলে।

অসমৰ মানুহৰ মাজত এটা সন্দেহৰ ভাবে বাৰে বাৰে খুন্দিয়াবলৈ আৰম্ভ কৰিলে। অসমৰ ৰাজনৈতিক ৰংগমঞ্চলৈ হাতত সাৰে ভৰিত সাৰে লাখ লাখ বিদেশী নাগৰিকৰ যে প্ৰবেশ ঘটিছে সেয়া সন্দেহাতীত হৈ পৰিল। প্ৰায় ৬০ লাখ বিদেশী অসমত সোমাই অসমৰ ৰাজনীতিত অভাবনীয় প্ৰভাব পেলাব পৰা অৱস্থাৰ সৃষ্টি ইতিমধ্যে যে হৈ গৈছে অসমত একাদিক্ৰমে ৩০ বছৰ শাসনৰ গাদীত থাকি কংগ্ৰেছে ক'ব নোৱাৰে এয়া বিশ্বাসযোগ্য নহয়। জনসাধাৰণে সন্দেহ কৰিবলৈ বাধ্য হৈছে যে কংগ্ৰেছেই নিজৰ ভোট বেংক শক্তিশালী কৰাৰ বাবে বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰিছে। নীহাৰ ৰঞ্জন লস্কৰে দাবী কৰিছে যে অসমত ৪০ টাতকৈ অধিক সমষ্টিত অসমীয়া মানুহ সংখ্যাগুৰু হৈ থকা নাই। আনহাতে এসময়ৰ কংগ্ৰেছৰ সভাপতি দেৱকান্ত বৰুৱাই নিৰ্বাচনৰ ৰায়ৰ বাবে অসমীয়া মানুহে ভোটদান নকৰিলেও হ'ব বুলি কোৱা কথা মানুহৰ মনত আছে। এটা সৰব প্ৰতিধ্বনি উঠিল। ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম বাতিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনালে। সেই সময়ত সাংসদ অজিৎ কুমাৰ শৰ্মা, দীনেশ গোস্বামী আৰু ৰবীন কাকতীত বাহিৰে অসমৰ কোনো সাংসদে বিদেশীৰ নাম বাতিল কৰাৰ বাবে দাবী উত্থাপন কৰা নাই। ওৱাহ বি চবনৰ মতে অসমীয়াবোৰ বিচ্ছিন্নতাবাদী। ইন্দিৰা গান্ধীয়ে

অসমীয়াৰ দাবী মুছলমান আৰু অনাঅসমীয়াৰ বিৰুদ্ধে বুলি প্ৰকাশ কৰিলে। জ্যোতি বসুৱে এয়া বঙালী বিদ্বেষ বুলি অভিমত দিলে। অসমৰ জনসাধাৰণে ৰাজনৈতিক নেতৃবৃন্দৰ মতক শ্ৰদ্ধা জনাব নোৱাৰিলে আৰু বিদেশীৰ নাম ভোটাৰ তালিকাৰ পৰা অপসাৰণৰ দাবী অধিক দৃঢ় হ'ল। মধু লিমায়াই এনে আস্ফালনক সংকীৰ্ণতাবাদী আখ্যা দিবলৈ কুণ্ঠিত নহ'ল। যোগেন হাজৰিকাই ভোটাৰ তালিকা শুদ্ধ কৰাৰ বাবে দাবী আৰু আপত্তিৰ সংখ্যা ক্ৰমে ১.৭৫ লাখ আৰু ৩ লাখ আছিল বুলি কৈছিল। নিৰ্বাচনী বিষয়া ৰাও ডাঙৰীয়া আৰু মুখ্য মন্ত্ৰী হাজৰিকা ভোটাৰ তালিকা শুদ্ধ কৰাৰ পক্ষপাতী আছিল। ৰাও ডাঙৰীয়াই এটা নিৰ্দিষ্ট সময়ৰ ভিতৰতে ভোটাৰ তালিকা সংশোধন কৰিব পাৰিব বুলি দৃঢ়তাও প্ৰকাশ কৰিছিল। প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ সিংহ ডাঙৰীয়াই প্ৰতিবাদ কৰিলে এই বুলি "কাক বিদেশী বুলি কোৱা হ'ব"? বিদেশীৰ সংজ্ঞা কি হ'ব সেই বিষয়েও তেখেতে প্ৰশ্ন কৰিছিল। লগতে এইদৰেও কৈছিল "স্বয়ং প্ৰধান মন্ত্ৰীয়েও ক'ব নোৱাৰে বিদেশী নাগৰিক কাক বোলা হ'ব"। অন্যান্য ৰাষ্ট্ৰীয় দলৰ নেতৃবৃন্দয়ো বিদেশী নাগৰিক কোন হ'ব এই বিষয়ত এনে এটা ভূমিকা পালন কৰিছিল যে ভাৰতীয় সংবিধানখনকে এওঁলোকে অবমাননা কৰাৰ দৰে হৈছিল। শ্ৰীমতী ৰছিদা হক চৌধুৰীয়ে শিলচৰৰ পৰা এটা বিবৃতি প্ৰকাশ কৰিছিল যে কাছাৰত কোনো বিদেশী নাগৰিক নাই আৰু বাংলাদেশৰ পৰা অহা কোনো মানুহ বিদেশী বুলি পৰিচিত হ'ব নোৱাৰে। ইন্দিৰা গান্ধীয়ে যেতিয়া যেনেদৰে ভাল বুলি ভাবে তেনে বক্তব্য দিলে। অসমীয়া মানুহবোৰক চাহ বাগিচাৰ বনুৱাৰ বিৰুদ্ধে, মুছলমানৰ বিৰুদ্ধে আৰু অনাঅসমীয়াৰ বিৰুদ্ধে বুলি অভিমত প্ৰকাশ কৰাত অসমৰ জনসাধাৰণ বিক্ষুব্ধ হৈ পৰিল। ভাৰতৰ প্ৰধান মন্ত্ৰী, অসমৰ মুখ্য মন্ত্ৰীয়ে যদি বিদেশীয়ে জুৰুলা কৰিব খোজা ৰাজ্যৰ বৃহত্তৰ জনসাধাৰণৰ অনুভূতিক সন্মান কৰিব নোৱাৰে তেনে লোকে অসমৰ বাবে কিমান বিপদজনক কাম কৰিব পাৰে সেয়া সহজেই অনুমেয়। ইয়াৰ পিছত এচ. এল চাকধেৰে মন্তব্য দিলে যে আগৰটো নিৰ্বাচনত যিসকলে ভোটদান কৰিছিল সেই সকলৰ নাম সন্নিবিষ্ট কৰি ভোটাৰ তালিকা প্ৰস্তুত কৰিব লাগে। এনে সিদ্ধান্তত অসমবাসীৰ সন্দিগ্ধতা বৃদ্ধি পালে আৰু লাহে লাহে আন্দোলনমুখী হৈ পৰিল। অসমৰ প্ৰতি কৰা অবিচাৰ দেখি মানুহ সচকিত হৈ পৰিল। সদৌ অসম ছাত্ৰ সন্থাই ১৯৭৯ চনৰ জুন মাহত আন্দোলনৰ সিদ্ধান্ত কৰিলে আৰু জনমত গঠন কৰিলে। সদৌ অসম গণ সংগ্ৰাম পৰিষদেও একেস্বৰে আন্দোলনৰ পোষকতা কৰিলে। কেন্দ্ৰীয় চৰকাৰে অসমক বিগত ত্ৰিশ বছৰে প্ৰবঞ্চনা কৰিছে বুলি কংগ্ৰেছ দলক সমালোচনা কৰিলে। এই দলৰ চৰকাৰে অসমক অসংখ্যাবাৰ প্ৰতাৰণা আৰু বিশ্বাসঘাতকতা কৰা বুলি অভিযোগ উত্থাপন কৰিলে। এতিয়া আকৌ অসমৰ অস্তিত্বকে বিপন্ন কৰাৰ ষড়যন্ত্ৰ কৰা বুলি সৰৱ প্ৰতিবাদ উত্থাপন কৰিলে। এই দুয়োটা অৰাজনৈতিক সংগঠনৰ লগত পূৰ্বাঞ্চলীয় লোক পৰিষদ আৰু অসম

জাতীয়তাবাদী ৰাজনৈতিক দল দুটাৰ নৈতিক সমৰ্থন সংযুক্ত হ'ল। এটা সাংস্কৃতিক আন্দোলন গা কৰি উঠিল। নানা অনুষ্ঠান, সস্থা, গোট আৰু সংগঠনে অসমৰ বৃহত্তৰ স্বাৰ্থৰ কাৰণে ছাত্ৰ সস্থাৰ আহ্বানৰ প্ৰতি প্ৰত্যক্ষ আৰু পৰোক্ষ সহযোগ আগবঢ়ালে। জাতি-বৰ্ণ, ভাষা-ধৰ্ম সম্প্ৰদায় নিৰ্বিশেষে সকলোৱে মিলি এক সংহতি ৰচনা কৰিবলৈ সমৰ্থ হৈছিল। "ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম অপসাৰণ কৰক" এই ধ্বনিত আকাশ-বতাহ নিনাদিত হৈ পৰিছিল। সহনশীল আৰু অলপতে সন্তুষ্ট অসমীয়াবোৰে পোনপ্ৰথমবাৰৰ বাবে ভাবিবলৈ বাধ্য হৈছিল যে আজি তেওঁলোক নিজৰ ভূমিতে ভূমিহীন, ৰাজ্যহীন ভগনীয়াত পৰিণত হোৱাৰ উপক্ৰম ৰাজনৈতিক ষড়যন্ত্ৰৰ কাৰণে হৈছে। ভূপেন হাজৰিকাৰ "অসমতে ভগনীয়া হ'ব" বোলা কথা ফাকিৰ তাৎপৰ্য নতুনকৈ উপলব্ধি কৰিবলৈ আৰম্ভ কৰিছে। মুখ্য মন্ত্ৰী যোগেন হাজৰিকাই আলোচনাৰ মাধ্যমত সমস্যাটো সমাধান কৰিব পাৰি নেকি সদৌ অসম ছাত্ৰ সন্থাৰে এটা আবেদন জনাইছিল; কিন্তু হাজৰিকাদেৱ যে অকলশৰীয়া সেইকথা তেখেতে সঠিকভাৱে অনুভৱ কৰিবই পৰা নাছিল। আন্দোলন আৰম্ভ হৈ গ'ল। "শুদ্ধ ভোটাৰ তালিকাৰে নিৰ্বাচন পাতক, যেতিয়ালৈকে ভোটাৰ তালিকা শুদ্ধ নহয় তেতিয়ালৈকে নিৰ্বাচন বন্ধ কৰক" এই দাবীত অসমৰ বায়ু মুখৰিত হৈ পৰিল।

ভাৰত স্বাধীন হ'ল; কিন্তু স্বাধীন মন এটা তৈয়াৰ নহ'ল ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ নেতৃবৃন্দৰ। তেওঁলোকে নিজে ৰচনা কৰা সংবিধানত বিদেশীৰ সংজ্ঞা নিজে দি থোৱা আছে। ব্যতিক্ৰমবোৰৰ বিষয়ে নিয়ম কানুন ৰচনা কৰা হৈছে। সংসদৰ মজিয়াত অসংখ্যবাৰ আলোচনা হৈছে। অথচ বিদেশী নাগৰিক চিনাক্ত কৰা আৰু ভোটাৰ তালিকাৰ পৰা অপসাৰণ কৰিবলৈ অসমে আন্দোলন কৰিবলগীয়া হৈছে। যিকোনো ন্যায্য প্ৰাপ্য আদায়ৰ বাবে আন্দোলন কৰিবলগীয়া হোৱাটোৱে কেন্দ্ৰীয় চৰকাৰৰ মনোবৃত্তি উদঙাই দেখুৱাইছে। আচৰিত কথা অসমৰ নিজস্ব ৰাজনৈতিক নেতৃবৃন্দয়ো অসমীয়াক বিশ্বাসঘাতকতা কৰিছে নিজস্ব লাভালাভ আৰু পদবীৰ বাবে।

৩

এক নব চেতনাৰ আৰম্ভণি··অসমৰ অস্তিত্ব ৰক্ষাৰ অভূতপূৰ্ব গণ আন্দোলনৰ ডায়েৰী (সংক্ষিপ্ত)

অসমত মধ্যকালীন নিৰ্বাচন (১৯৮০) অনুষ্ঠিত কৰাৰ আগেয়ে শুভানুধ্যায়ী অসমৰ সকলো শ্ৰেণীৰ লোকে ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নামবোৰ বাদ দিবলৈ সকলো কৰ্তৃপক্ষ আৰু কেন্দ্ৰ স্থলৈলে আবেদন নিবেদন কৰিছিল। যিবোৰ ৰাজনৈতিক দলৰ নেতাই বিদেশী নাগৰিকক ভোট বেংক হিচাবে কেইবাটাও নিৰ্বাচনত অংশ গ্ৰহণ কৰি বিধায়ক বা সাংসদ হৈ মন্ত্ৰিত্ব বা অন্য পদবী লাভ কৰি জীৱন ধন্য হোৱা বুলি অনুভৱ কৰিছে সেইসকলে যিকোনো সমস্যাৰ সন্মুখীন হৈয়ো নিৰ্বাচন পাতিব লাগে বুলি দাবী কৰিছে। অসম আৰু অসমৰ বাহিৰৰ তেনে ৰাজনীতিবিদে অসমৰ ভয়ানক সমস্যাটো উপলব্ধি কৰা দেখা নগ'ল বৰং অসমীয়া লোকক সংকীৰ্ণতাবাদী বুলি তিৰস্কাৰ কৰাহে দেখা গ'ল। বিদেশী নাগৰিকে নিৰ্বাচনত ব্যাপক হাৰত অংশ গ্ৰহণ কৰি যে এটা জাতিৰ ভৱিষ্যত অন্ধকাৰ কৰিব পাৰে তেনে অনুভৱ থকা বিচক্ষণ ৰাজনীতিবিদ ভাৰতে জন্ম দিব নোৱাৰাটো কিমান আক্ষেপৰ কথা ভাবিলে আচৰিত হ'ব লাগে। সৰ্বোপৰি বিদেশী নাগৰিকে ভোটাধিকাৰ লাভ কৰিবলৈ হ'লে ভাৰতীয় সংবিধানে যি ধৰণে অনুমোদন কৰে সেইমতেহে হ'ব পাৰিব কাৰণ নাগৰিকত্ব লাভ নোহোৱাকৈ নিৰ্বাচনত অংশ গ্ৰহণ কৰিব নোৱাৰে।

কেন্দ্ৰীয় চৰকাৰে সহাঁৰি নজনালে। নিৰ্বাচনী আয়োগ বিষয়টোৰ জটিলতাৰ মাজত সোমাবলৈ কিজানি ভয় কৰিলে। প্ৰকাৰান্তৰে কেন্দ্ৰীয় চৰকাৰ আৰু নিৰ্বাচনী আয়োগে সংবিধান উলংঘা কাৰ্যকে সমৰ্থন কৰিলে। এইটোৱে পুনৰবাৰ প্ৰমাণ কৰিলে যে ভাৰতীয় সংবিধানক আমি মৰ্যাদা দিয়াৰ পক্ষপাতী নহয়। গণতান্ত্ৰিক মূল্যবোধক যি সকল ৰাজনৈতিক নেতাই সন্মান কৰে বুলি দাবী কৰে তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাই অসমৰ ৰাজকাৰ্যৰ কেন্দ্ৰ স্থল জনতা ভৱন, উপায়ুক্তৰ কাৰ্যালয়, উপপ্ৰতি সমাহৰ্তা, সংমণ্ডল বিষয়া আদিৰ কাৰ্যালয়ৰ সন্মুখত ১৯৭৯ চনৰ ১২ ৰ পৰা ১৭ নৱেম্বৰ তাৰিখলৈ গণ সত্যাগ্ৰহ পালন কৰিবলৈ আৰু ১৯-২১ নৱেম্বৰলৈ চৰকাৰী কাৰ্যালয়বোৰত পিকেটিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সিদ্ধান্ত ঘোষণা কৰাৰ লগে লগে বিভিন্ন ৰাজনৈতিক নেতাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। তাৰ ভিতৰত পশ্চিম বংগৰ মুখ্যমন্ত্ৰী

জ্যোতি বসুৱে পোন প্ৰথমে কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু প্ৰধান মন্ত্ৰীক সাক্ষাৎ কৰি স্পষ্টভাৱে কয় যে অসমীয়া লোকে অস্তিত্ব হেৰুৱাৰ যি ভয় কৰিছে সেয়া সঁচা। অৱশ্যে অসমৰ নিৰ্বাচনো বাকী ৰাজ্যৰ লগত একে সময়তে অনুষ্ঠিত কৰিব লাগে আৰু নিৰ্বাচনৰ শেষত বিদেশী নাগৰিকৰ প্ৰশ্নটো সুকীয়াকৈ বিবেচনা কৰিব লাগে। আন্দোলনকাৰীয়ে তেখেতৰ পৰামৰ্শ গ্ৰহণযোগ্য নহয় বুলি বিবেচনা কৰে কাৰণ কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত বিবেচনাৰ যোগ্য কোনো সূত্ৰ উদ্ভাৱন কৰিব নোৱাৰিলে বৰং আন্দোলনকাৰীক বিচ্ছিন্নতাবাদী বুলি উপহাসহে কৰা দেখা গ'ল।

ৰাজনৈতিক সমীক্ষাত ইন্দ্ৰজিতে সেই সময়তে এখন স্থানীয় বাতৰি কাকতত এটা প্ৰবন্ধ আগবঢ়াইছিল। শিৰোনামা আছিল "Choice Before the Voters", 8 Nov.,1979. তাৰ বৰ্ণনা কৰা মূল প্ৰতিপাদ্য বিষয়টো এনে ধৰণৰ- "সমগ্ৰ দেশৰ মানুহ নিৰ্বাচন লৈ মতলীয়া। অসমৰ এক জ্বলন্ত সমস্যাই কিন্তু কোনো গুৰুত্ব লাভ কৰা নাই যেন অসমখন ভাৰতৰ ভিতৰত নপৰেই, অসমৰ সমস্যাবোৰ যেন ভাৰতৰ সমস্যা নহয়।"

অতি দুখ আৰু পৰিতাপৰ কথা যে অসম অগ্নিময় হৈ আছে তাতে আকৌ প্ৰয়াত প্ৰধান মন্ত্ৰী চৰণ সিঙে এক দুৰ্ভাগ্যজনক মন্তব্য প্ৰকাশ কৰিছে- "অসমৰ সংসদ সদস্য নাথাকিলেও ভাৰতীয় সংসদ অচল হৈ নাযাব।" এনে মানসিকতাৰ অন্তৰালত কেন্দ্ৰীয় চৰকাৰৰ দায়বদ্ধতা কিমান তাকেই আকৌ এবাৰ প্ৰকট কৰি দেখুৱাত অসমবাসী অধিক উদ্বিগ্ন হৈ পৰে। অসমৰ পৰা সাংসদ নাথাকিলেও সংসদ অচল নহ'ব; কিন্তু অসমৰ জ্বলন্ত সমস্যাবোৰৰ সমাধান কল্পে অসমক কোনে প্ৰতিনিধিত্ব কৰিব সেই কথা ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে যদি অনুভৱ কৰাৰ বাবে অপাৰগ হয় তেনেহ'লে অসমৰ কথা কোন ৰাজ্যৰ সাংসদ বা কেন্দ্ৰীয় মন্ত্ৰীয়ে অনুভৱ কৰিব? যদি বিদেশী নাগৰিকে ভোটদান কৰাৰ বাবে বাধা নাথাকে তেনেদৰে নিৰ্বাচিত প্ৰতিনিধিয়ে বিদেশীকো প্ৰতিনিধিত্ব নকৰিবনে? তেনে বিদেশী ভোটাৰে আকৌ নিৰ্বাচনত অংশ গ্ৰহণ কৰি সাংসদ হ'লে কেতিয়াবা প্ৰধান মন্ত্ৰীয়ে হ'ব নোৱাৰিবনে? সেই ব্যৱস্থা ভাৰতীয় সংবিধানে দিয়া নাই আৰু অসমৰ মানুহে তাৰ বাবেই আন্দোলনমুখী হৈছে যে বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা গুচাই লৈহে নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব পালন কৰিবলৈ অসমৰ মানুহে আন্দোলন কৰি জনাবলগীয়া হোৱাটো গণতন্ত্ৰৰ এক পৰিহাস নহ'বনে?

দৈনিক চেন্টিনেল কাকতৰ সম্পাদক ধীৰেন্দ্ৰ নাথ বেজবৰুৱাই ১৯৭৯ চনৰ ৮ নবেম্বৰত আক্ষেপ প্ৰকাশ কৰে যে য'ত লাখ লাখ বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত সোমাল তেনে ভোটাৰ তালিকাত আকৌ খিলঞ্জীয়া ভাৰতীয়ৰ নাম অন্তৰ্ভুক্ত নহ'ল। সেইকাৰণে তেখেতে এখন শুদ্ধ আৰু বিদেশী নাগৰিকৰ নাম নথকা ভোটাৰ তালিকা প্ৰস্তুত কৰিহে নিৰ্বাচন অনুষ্ঠিত কৰা উচিত হ'ব বুলি মত প্ৰকাশ কৰে। ইতিমধ্যে বিভিন্ন সংগঠনে নিৰ্বাচন

পতাৰ আগতে বিদেশী নাগৰিকৰ নাম নথকা তালিকা প্ৰস্তুত কৰিবলৈ দাবী জনাই প্ৰস্তাবিত আন্দোলনলৈ সমৰ্থন আগবঢ়ায়। কাৰ্বি আংলঙৰ কৰ্মী সন্থা, বৃহত্তৰ গুৱাহাটীৰ কাৰ্বি ছাত্ৰ সন্থাই বিদেশীৰ নাম বাতিল কৰি ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰলৈ দাবী জনাইছিল আৰু বিদ্যাসিং ইংলেৰ ওচৰত এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল। শিৱসাগৰৰ নাগৰিক সংগঠনে ১৯৭৯ চনৰ ৩০ অক্টোবৰত গোবিন্দ চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত বহা সভাই বিদেশীৰ নাম বাতিলৰ কাম আগত আৰু নিৰ্বাচন পিছত পাতিবলৈ স্মাৰকপত্ৰ কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিছিল। সেই একে উদ্দেশ্যেই প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰই, দিছপুৰৰ যুৱ কল্যাণ পৰিষদ, যোৰহাটৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-শিক্ষক, হাওৰাঘাট যুবক সংঘ, বঙাইগাঁও আঞ্চলিক ছাত্ৰ সন্থা, লালচিং একাডেমিৰ ছাত্ৰ সন্থা, অসমৰ মণিপুৰী ছাত্ৰ সন্থা, থলুৱা স্বাৰ্থ সংৰক্ষণ পৰিষদ, চৰকাৰী পেঞ্চনাৰ সংস্থা, আদি বিভিন্ন সংগঠনে ভোটাৰ তালিকা শুদ্ধ কৰিহে নিৰ্বাচন পতাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু দাবী উত্থাপন কৰিছিল।

জনতা পাৰ্টিৰ উপদলপতি নগেন বৰুৱাই দলত্যাগীৰ সমৰ্থনত হোৱা মুখ্যমন্ত্ৰী বুলি যোগেন হাজৰিকাক সমালোচনা কৰিছিল আৰু যাৰ সহায়ত তেওঁ মুখ্যমন্ত্ৰী হৈছে তেওঁলোকৰ বাধা নেওচি তেওঁ বিদেশীৰ নাম নথকা ভোটাৰ তালিকা প্ৰস্তুত কৰিব নোৱাৰিব বুলি দৃঢ় মত প্ৰকাশ কৰিছিল।

বিদেশী নাগৰিকৰ নাম বাতিল কৰণৰ পটভূমিতে ১৯৭৯ চনৰ ২৫ অক্টোবৰৰ পৰা ছিলঙত কাৰ্ফিউ জাৰি কৰা হৈছিল। অসমৰ এক উষ্ণ পৰিস্থিতিৰ কাৰণে কিছু সংখ্যক সংগঠন আৰু প্ৰচাৰ মাধ্যমে অবাঞ্চিত বাতৰি পৰিবেশন কৰি এক অস্থিৰতা সৃষ্টি কৰা দেখা গৈছিল। বিশেষকৈ পশ্চিম বংগৰ চৰকাৰ যেন অসমত সামান্য অৱস্থা প্ৰৱৰ্তন হৈ থকাৰ সময়তো অধিক চঞ্চল হৈছিল তাৰ প্ৰকাশ ঘটিছিল। যুগান্তৰে মনে সজা ঘটনাক অতিৰঞ্জিত কৰি বাতৰি পৰিবেশন কৰা বাবে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী জ্যোতি বসুৱে ৮ নবেম্বৰত প্ৰধান মন্ত্ৰী চৰণ সিং আৰু গৃহমন্ত্ৰী ওৱাই. বি. চৱনৰ ওচৰত এই বুলি দাবী জনাইছিল যে সদৌ অসম ছাত্ৰ সন্থাই অসম জাতীয়তাবাদী দল আৰু অসম সাহিত্য সভাৰ লগত লগ লাগি অসমৰ অসামৰিক আৰক্ষীসকলৰ হতুৱাই তেজপুৰ, যোৰহাট, গুৱাহাটী, নগাঁও, ডিব্ৰুগড়, লক্ষীমপুৰৰ পৰা খেদি পঠোৱা বঙালী লোক সকলক উভটাই আনি অসমত সংস্থাপিত কৰিব লাগে। সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী দল আৰু গুৱাহাটীৰ চেতনা কলা কেন্দ্ৰই এনে মনে সজা ঘটনাৰ কোনো বিচাৰ নকৰাকৈ এখন প্ৰতিবেশী ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ দাবীৰ সমালোচনা কৰিছিল। ৯ নবেম্বৰ তাৰিখে দৈনিক পত্ৰিকাত সেইকাৰণে ক্ষোভ কৰি চামচুল হুদাই এই বুলি উৎকণ্ঠা প্ৰকাশ কৰিছিল যে অসমক এক অক্টোপাচৰ গহ্বৰলৈ প্ৰবেশ কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। তেখেতে দুখ প্ৰকাশ

কৰি কৈছিল যে যদি কোনোৱে সংবিধানৰ ৮৪ (ক), ৩২৬, ৩২৭ আৰু ৩২৮ অনুচ্ছেদ উলংঘা কৰি ভোটাৰ তালিকা প্ৰস্তুত কৰে আৰু তেনে ভোটাৰ তালিকাৰেই নিৰ্বাচন অনুষ্ঠিত কৰিব খোজে তেনেহ'লে সংবিধানক চৰম অবমাননা কৰা বুজাব। সেইবাবে তেখেতে অসমৰ সকলো ৰাজনৈতিক দল আৰু জাতি বৰ্ণ ধৰ্ম ভাষা সম্প্ৰদায় নিৰ্বিশেষে সকলো জনগোষ্ঠীয় লোকক উদাত্ত কণ্ঠেৰে আহ্বান জনাইছিল যে ভোটাৰ তালিকা যেতিয়ালৈকে শুদ্ধ কৰা নহয় তেতিয়ালৈকে নিৰ্বাচনত অংশ গ্ৰহণ কৰিব নালাগে।

পশ্চিম বংগৰ মুখ্যমন্ত্ৰীয়ে ৯ নবেম্বৰত যোগেন হাজৰিকাক সাবধান কৰি দিছিল যাতে নিৰ্বাচনৰ আগত কোনো ভোটাৰৰ নাম তালিকাৰ পৰা বাদ দিয়া নহয়। আনকি এনে ধৰণেও তেখেতে মন্তব্য কৰিছিল যে যোগেন হাজৰিকাই মানুহৰ নাম বাচি বাচি বাদ দিবলৈ আৰম্ভ কৰিছে। অসমৰ জীৱন মৰণ সমস্যাত কোনো লোকে সাহায্য আগবঢ়াব নোৱাৰিব পাৰে; কিন্তু জ্বলা জুইত ঘিউ ঢালি চিৰকলীয়া বন্ধুত্ব, সম্ভাৱ, মিলাপ্ৰীতি, সহায়-সহযোগ এনেদৰে ক্ষতিগ্ৰস্ত কৰিব পৰা অতিৰঞ্জিত বাতৰিৰ ওপৰত গুৰুত্ব দি স্বাভাৱিক পৰিস্থিতিৰ অবনতি ঘটাব নালাগে। দুখন প্ৰতিবেশী ৰাজ্যৰ মধুৰ সম্পৰ্ক এনেদৰে নষ্ট কৰিব নালাগে। কোৱাই বাহুল্য অসমত আজি যি সংস্কৃতি গঢ় লৈছে সেয়া এক সম্ভাৱ সম্প্ৰীতিৰ এনাজৰীৰ সম্পৰ্ক। দুইখন ৰাজ্যৰ মাজত ইমানদিনীয়া সম্পৰ্ক অকাৰণত বিনষ্ট হ'বলৈ সুযোগ দিব নালাগে। এই কথাও ঠিক যে অসমৰ সৈতে পশ্চিম বংগৰ কোনো ৰাজনৈতিক প্ৰতিযোগিতাৰো সম্ভাৱনা নাই।

বিধায়কৰ গোপন বৈঠক : দুলাল চন্দ্ৰ বৰুৱাই মুখ্যমন্ত্ৰী যোগেন হাজৰিকাক ১৪ নবেম্বৰৰ আগতে বিধায়কসকলৰ এখন গোপন বৈঠক অনুষ্ঠিত কৰাৰ বাবে পৰামৰ্শ দিছিল আৰু তালৈ যাতে সাংবাদিকক নিমন্ত্ৰণ কৰা নহয় তাৰ বাবে সাৱধানতা ল'বলৈ অনুৰোধ কৰিছিল। ৰাজনৈতিক দলবোৰে জনসাধাৰণক সাংবিধানিক প্ৰক্ৰিয়াৰে সমস্যাটো সমাধান কৰি উলিয়াবৰ বাবে শান্তি-শৃংখলা অটুট ৰাখিবলৈ আহ্বান জনাইছিল। এই আহ্বানটো আছিল "We, the political parties of Assam express grave concern at the uneasy situation of the state and look forward to the creation of a peaceful atmosphere for solving the issues cropping up in the state democratically and by constitutional means.......". ইয়াৰ স্বাক্ষৰকাৰীসকল হ'ল যোগেন হাজৰিকা (A.J.), গোলাপ বৰবৰা (J), হেমেন দাস (CPM), প্ৰমোদ গগৈ (CPI), সমৰ ব্ৰহ্ম চৌধুৰী (PTCA), খগেন বৰবৰা (RCPI), জেহিৰুল ইচলাম (J.S.). প্ৰেমধৰ বৰা (PDP), শৰৎ সিংহ (Cong-S), ফণী মেধি (CPI-ML), এ. এন. আক্ৰাম হুচেইন (Cong-I), নজমুল হক (SUCI)। অত্যন্ত পৰিতাপৰ কথা এই যে ৰাজনৈতিক দলবোৰে সৃষ্টি কৰা এটা গভীৰ ৰাজনৈতিক, আৰ্থ-সামাজিক আৰু সাংস্কৃতিক সমস্যাৰ বাবে

সংগ্ৰামীসকলক দায়ী কৰিব খোজে। এই ভয়ানক সমস্যাটো স্বাধীনতাৰ পিছতে বা সেই সময়তে উত্তৱ হোৱা এটা সমস্যা আৰু আন্দোলনৰ নেতৃবৰ্গৰ বহুতৰে সেই সময়ত জন্মই হোৱা নাই আৰু যিসকলে প্ৰতিকাৰ বিচাৰিছে সেইসকলে ৰাজনৈতিক পদ্ধতিটোক বিশ্বাস কৰিয়ে অন্ধকাৰ ভবিষ্যতৰ সন্মুখীন হ'বলৈ বাধ্য হৈছে। এই গোপন বৈঠকে জনসাধাৰণক পুনৰ উদ্বিগ্ন কৰি তুলিলে। যিটো সমস্যাৰ মুকলি সমাধান সংবিধানৰ আধাৰত নকৰি দশকৰ পিছত দশক জুৰি ক্ষমতাৰ লোভত ৰাজনৈতিক নেতৃবৃন্দই জনগণক আৰু ৰাজ্যখনক বিশ্বাসঘাতকতা কৰিলে তেওঁলোকৰ গোপন বৈঠক যে আৰু এক প্ৰতাৰণাৰ নামান্তৰ তেনে ধাৰণাকে বদ্ধমূল কৰিলে। ইয়ে অশান্ত অসমক অধিক অশান্ত কৰি তোলাৰ পৰিস্থিতিৰ সৃষ্টি কৰিলে।

নাহৰকটীয়া, তিনিচুকীয়া, ডুমডুমাত কাৰ্ফিউ : চিৰ শান্ত অসমৰ আকাশ লাহে লাহে ক'লা ডাৱৰে আবৰি ধৰিলে। অসমবাসীৰ ন্যায্য দাবী সাব্যস্ত কৰাৰ বাবে যি আন্দোলন আৰম্ভ কৰা হ'ল মহাত্মা গান্ধীৰ আদৰ্শ অনুসৰি, তাৰ ওপৰত কালিমা সানিবলৈ ষড়যন্ত্ৰও ৰচনা কৰা হ'ল। "নতুন আলহী" সকলে কৰ্তৃপক্ষৰ ওপৰত জোৰ-জুলুম কৰি ভোটাৰ তালিকাত নাম সুমুৱাবলৈ চেষ্টা কৰিলে। এটা সময়ত এটা দল উন্মত্ত হৈ পৰিল যাৰ ফলত নাহৰকটীয়াত ঘটনা নিয়ন্ত্ৰণাধীন কৰিবলৈ গুলী চালনা কৰিবলৈ পুলিচ বাধ্য হ'ল। তিনিজন লোকৰ মৃত্যু হ'ল। নাহৰকটীয়াত কাৰ্ফিউ জাপি দিয়া হ'ল। বিত্তমন্ত্ৰী কেশৱ গগৈ আৰু বিধায়ক শশাংকমন গগৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰে। জ্যোতি বসুৰ মন্তব্য আৰু যুগান্তৰ কাকতে পৰিবেশন কৰা বিস্ফোৰক বিবৃতিয়ে উত্তেজনা বৃদ্ধি কৰাত সহায় কৰে। ১০ নবেম্বৰ তাৰিখে যুৱক কংগ্ৰেছৰ সভাপতি প্ৰিয় ৰঞ্জন দাস মুন্সীয়ে জ্যোতি বসুৰ মন্তব্যৰ বাবে যে পৰিস্থিতি উত্তপ্ত কৰিছিল তাক স্বীকাৰ কৰে আৰু বসুক কটু সমালোচনা কৰে আৰু চক্ৰান্তকাৰীৰ কবলত নপৰিবলৈ সাৱধান কৰি দিয়ে। উত্তৰ-পূব সংমণ্ডলৰ যুৱক কংগ্ৰেছৰ অভিবৰ্তনত তেখেতে মন্তব্য কৰিছিল যে কেন্দ্ৰীয় চৰকাৰ আৰু জনসাধাৰণৰ সহযোগত এক সমাধান উলিয়াব পৰা হ'ব। তেখেতে অৱশ্যে এই কথাও কৈছিল যে জনতা চৰকাৰ এক প্ৰতিক্ৰিয়াশীল চৰকাৰ, স্বেচ্ছাচাৰী, সাম্প্ৰদায়িক আৰু সংকীৰ্ণ জাতীয়তাবাদীসকলৰ পৃষ্ঠপোষক। শৰৎ সিংহ ডাঙৰীয়া সেইখন সভাত উপস্থিত আছিল আৰু দাসমুন্সীকে সমৰ্থন কৰিছিল আৰু এখোপ আগুৱাই কৈছিল যে ৰাজ্য চৰকাৰে ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ উপযুক্ত সুৰক্ষা আৰু ৰক্ষণাবেক্ষণ আগবঢ়াব লাগে। এই মন্তব্যবোৰে অসমত যে এটা অস্থিৰ অৱস্থাৰ সৃষ্টি হৈছে আৰু এই আন্দোলন যেন এক সংকীৰ্ণ সাম্প্ৰদায়িক, প্ৰতিক্ৰিয়াশীল আৰু হীন ষড়যন্ত্ৰৰ দ্বাৰা পুষ্ট তেনে এক ধাৰণা সমগ্ৰ ভাৰতত বিয়পি পৰাৰ সম্ভাৱনাই দেখা দিলে। পৃথিৱীৰ মানৱ সভ্যতাৰ মঞ্চত থিয় হৈ এই সকল ৰাজনীতিবিদে ন্যায়,সত্য, অহিংস আৰু প্ৰেমৰ বাণীৰে সমস্যা সমাধানৰ আদৰ্শ প্ৰতিষ্ঠা

কৰিব পাৰিব নে? ভীতিগ্ৰস্ত আৰু উৎকণ্ঠাৰ আবৰ্তত বন্দী এটা সৰু জাতিয়ে সাহস আৰু সুৰক্ষাৰ অনুকম্পা কাৰ পৰা লাভ কৰিব যদি আক্ৰান্তৰ মনোবেদনাৰ সঠিক স্বৰূপ উপলব্ধি নেতৃস্থানীয় লোকে কৰিব নোৱাৰে?

উত্তৰ-পূব ভাৰতৰ ছাত্ৰ সন্থাৰ দিল্লীত বিক্ষোভ প্ৰদৰ্শন ঃ অসমৰ নতুন পুৰুষে ভাবিবলৈ বাধ্য হৈছে যে তেওঁলোকৰ ভাগ্যাকাশ ক্ৰমে অন্ধকাৰময় হ'বলৈ আৰম্ভ কৰিছে। লাহে লাহে পৰিবেশ উষ্ণ হ'বলৈ আৰম্ভ কৰিছে। ৰাজনৈতিক চতুৰালিয়ে সমস্যা অধিক জটিল কৰি তোলাৰ পূৰ্বাভাস স্পষ্ট হ'বলৈ আৰম্ভ কৰিছে। এটা সঠিক উপায় উদ্ভাৱন কৰিব নোৱাৰিলে অসম নাম যেন বুৰঞ্জীৰ পাতৰ পৰাই হেৰাই যোৱাৰ ভয় হৈছে। আজি অসমৰ, কাইলৈ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যৰ বাবেই যে ভবিষ্যৎ সংকটময় হৈ পৰিব সেই কথা অনুভৱ কৰি উত্তৰ পূৰ্বাঞ্চলীয় ছাত্ৰ সন্থাই ১৯৭৯ চনৰ ১১ নবেম্বৰত এখন জৰুৰী কাৰ্যকৰী সমিতি কটন কলেজৰ ছাত্ৰ একতা সভাৰ হলত অনুষ্ঠিত কৰে। সভাত ভাৰতৰ ৰাষ্ট্ৰপতি আৰু প্ৰধান মন্ত্ৰীলৈ একোখন স্মাৰকপত্ৰ দাখিল কৰাৰ সিদ্ধান্ত লোৱা হয় আৰু স্মাৰক পত্ৰত অসমৰ বিদেশী নাগৰিকৰ সমস্যাটোৰ এটা সমাধান উলিয়াবলৈ অনুৰোধ কৰা হয়। ২২ নবেম্বৰত দিল্লীত এক প্ৰতিবাদ দিৱস পালনৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ বাবে হীতেন গোস্বামী, যতীন মালি, N. Nagullie, Wanbit আদিয়ে আগভাগ ল'লে। পূৰ্বাঞ্চলৰ পৰা নিৰ্বাচিত হোৱা সাংসদসকলক দেশৰ বিভিন্ন প্ৰান্তত অসমৰ গুৰুতৰ অৱস্থাৰ কথা বিষদভাৱে বুজাই ক'বলৈকো এওঁলোকে অনুৰোধ জনালে।

কংগ্ৰেছ (আই) প্ৰাৰ্থীৰ তালিকা ঘোষণা ঃ ১৯৮০ ৰ নিৰ্বাচনৰ বাবে কং (আই) প্ৰায় অস্থিৰ হৈ পৰিছে। সেই সময়ত অসমৰ কং (আই)ৰ নেত্ৰী হৈছে আনোৱাৰা টাইমুৰ। অসমীয়া জাতিৰ অস্তিত্ব বিপন্ন হোৱাৰ ভয়ত যেতিয়া অসমবাসীৰ এক বৃহৎ অংশই হাহাকাৰ কৰিছে সেই সময়তে ৰাজনীতিৰ আমেজত মতলীয়া এক চামে নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ বলীয়া হৈ পৰিছে। আনোৱাৰা টাইমুৰে সংসদীয় নিৰ্বাচনৰ বাবে তালিকা সম্পূৰ্ণ কৰি তুলিছে আৰু কেৱল ইন্দিৰা গান্ধীৰ স্বাক্ষৰহে বাকী আছে। এই তালিকাত নাম থকা লোকসকলৰ নাম অসম ত্ৰিবিউন কাকতৰ ১১ নবেম্বৰৰ সংখ্যাত এনেদৰে প্ৰকাশ পাইছে। লক্ষীমপুৰ-এল. কে. দোলে; যোৰহাট-তৰুণ গগৈ; নগাঁও-বিষ্ণু প্ৰসাদ; শিলচৰ-ৰমা দেৱ; কৰিমগঞ্জ-এন. আৰ. লস্কৰ; ধুবুৰী-নুৰুল ইচলাম; মিকিৰ পাহাৰ-বীৰেণ সিং ইংতি; বৰপেটা-বেগম আবিদা আহমেদ; ডিব্ৰুগড়-হৰেণ ভূমিজ বা কামাখ্যা ত্ৰিপাঠী বা বোচেন ফুকন; মংগলদৈ-ধৰণী ধৰ দাস বা দেবানন্দ কোঁৱৰ; কলিয়াবৰ-আব্দুল হাই বা বিজয় সন্দিকৈ; কোকৰাঝাৰ-ধৰণী ধৰ বসুমতাৰী; বা খনীন্দ্ৰ ব্ৰহ্ম; গুৱাহাটী-চৌকত আলী বা হৰেণ তালুকদাৰ।

এই তালিকা প্ৰকাশ পোৱাৰ পাচত ভাৰতৰ বাকী প্ৰান্তৰ লোকৰ মাজত এটা প্ৰশ্নৰ

উদয় হৈছিল যে প্ৰকৃতাৰ্থত অসমবাসীৰ আন্দোলন বহিৰাগতৰ বিৰুদ্ধেহে কাৰণ যিসকল লোকৰ নাম তালিকাত প্ৰকাশ পালে তেওঁলোকে নিৰ্বাচন স্থগিত ৰখাৰ দাবীও কৰা নাই আৰু শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ বাবেও কোনো উৎকণ্ঠা প্ৰকাশ কৰা নাই। সৰ্বোপৰি এই সকল লোকে বিদেশী নাগৰিকেৰে অসম যে ভৰি পৰিছে সেই বিষয়েও একো কোৱা নাই। বৰং শৰৎ সিংহ ডাঙৰীয়াই অসমৰ জনসাধাৰণক সন্দেহৰ আবৰ্তলৈকে লৈ গৈছিল। তেখেতে বাৰে বাৰে এটা প্ৰশ্ন কৰিছিল- "বিদেশী কোন? বিদেশী কাক বোলা হ'ব? বিদেশীৰ সংজ্ঞা কি?" শৰৎ সিংহ ডাঙৰীয়া অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী। তেখেতে বিদেশী কাক বোলে তাক নজনা নিশ্চয় উচিত নহয়। তথাপি তেখেতে যে এনে মন্তব্য বাৰ বাৰ কৰিছিল, তাৰ অন্তৰালত কি গভীৰ অভিপ্ৰায় লুকাই আছিল সেই কথা মানুহে জানিবলৈ বিশেষ আগ্ৰহ প্ৰকাশ কৰা নাছিল। তাৰ মূল কাৰণ আছিল যে জনসাধাৰণৰ এক বুজন পৰিমাণে ৰাজনীতিকৰ বহু কথা বিশ্বাস নকৰে আৰু ক্ষমতা লাভৰ বাবে তেনে লোকে কেতিয়াবা জাতিদ্ৰোহো আচৰণ কৰে। তাৰ উদাহৰণ অসমত যে আছে সেয়া সঁচা। ইফালে জ্যোতি বসু আৰু ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী নৃপেন চক্ৰৱৰ্তীয়ে অসম আন্দোলনৰ ওপৰত বিৰূপ মন্তব্য প্ৰকাশ কৰাত ৰাজনৈতিক নেতৃবৃন্দৰ স্বৰূপ প্ৰকাশ পাবলৈ আৰম্ভ কৰিলে।

১২ নবেম্বৰৰ পৰা গণ সত্যাগ্ৰহ : সম্পূৰ্ণ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে সংবিধান প্ৰদত্ত বিধানৰ গণ্ডীত অহিংস সত্যাগ্ৰহ পালনৰ বাবে আন্দোলনকাৰীসকলে ঘোষণা কৰিলে আৰু ১২ নবেম্বৰৰ পৰা ১৭ নবেম্বৰলৈ সত্যাগ্ৰহ পালন কৰা হ'ব। অসমৰ সকলো শ্ৰেণীৰ লোকক ভাষা ধৰ্ম জাতি বৰ্ণ সম্প্ৰদায় গোষ্ঠী নিৰ্বিশেষে এই সত্যাগ্ৰহত অংশ গ্ৰহণ কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্ব বহন কৰা প্ৰফুল্ল কুমাৰ মহন্ত (সভাপতি) আৰু ভৃগু কুমাৰ ফুকন (সাধাৰণ সম্পাদক) আৰু অন্যান্য বিষয়ববীয়াই আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ বিভিন্ন অংশৰ নেতৃবৃন্দই আহ্বান জনাইছে। ইয়াত কোনো সংকীৰ্ণতাৰ প্ৰশ্ন নাই। এই আন্দোলনত কোনো ভাষা ধৰ্মৰ লোকৰ বিৰুদ্ধে কোনো বিদ্বেষ নাই। ভাৰতীয় কোনো নাগৰিকৰ বিৰুদ্ধে এই সংগ্ৰাম আৰম্ভ হোৱা নাই বুলি নেতৃবৰ্গই সকলোকে স্পষ্ট ভাষাত বিবৃতি দি সন্দেহ নিৰসন কৰিবলৈ যত্ন কৰিছে। এয়া কেৱল অবৈধভাৱে অসমত প্ৰবেশ কৰা বিদেশী নাগৰিকক প্ৰথমে ভোটাৰ তালিকাৰ পৰা অপসাৰণ কৰাৰ দাবীতহে আন্দোলন আৰম্ভ কৰা হৈছে। এইটো এটা কেন্দ্ৰীয় চৰকাৰৰ মুখ্য দায়িত্ব আছিল অথচ কেন্দ্ৰীয় চৰকাৰে পালন নকৰা দায়িত্বৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰক অৱগত কৰা হৈছে আৰু দাবী কৰা হৈছে যে শুদ্ধ ভোটাৰ তালিকাৰ সহায়তহে নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে।

বিদেশী নাগৰিকৰ সমস্যাটো মুখ্য নিৰ্বাচনী আয়ুক্ত এচ. এল. চাকধেৰে আৰু অধিক জটিল কৰি তোলা দেখা গ'ল। কাৰণ চাকধেৰে নিৰ্বাচনৰ বাবে সকলো ধৰণৰ প্ৰস্তুতিৰ

বাবে ৰাজ্য চৰকাৰক নির্দেশ দিছে। সাংবিধানিক প্রক্রিয়া সম্পাদন কৰাৰ বাবে নির্বাচন অপৰিহার্য বুলি তেখেতে মন্তব্য কৰিছে অথচ বিদেশী নাগৰিকৰ ভোটেৰে পতা নির্বাচন যে সংবিধানৰ পৰিপন্থী সেই কথা তেখেতে মানি ল'ব খোজা নাই। যিকোনো স্বাধীন ৰাষ্ট্ৰৰ মুখ্য নির্বাচনী আয়ুক্তই সংবিধানৰ মর্যাদা ৰক্ষা কৰাৰ কাৰণে নির্বাচন স্থগিত ৰাখি ভোটাৰ তালিকা শুদ্ধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰালেহেঁতেন আৰু সেইটোৱে হ'লহেঁতেন প্রকৃত পদক্ষেপ। জাতিতকৈ, গণতন্ত্ৰৰ মজ্জা স্বৰূপ জনগণৰ অধিকাৰতকৈ, তেওঁলোকৰ প্রকৃত সুৰক্ষাতকৈ নির্বাচন কেতিয়াও বেছি জৰুৰী হ'ব নোৱাৰে। ইয়াৰ দ্বাৰা এইটোৱে প্রতিপন্ন হয় যে ভাৰতে স্বাধীনতা লাভ কৰিলে; কিন্তু স্বাধীন সার্বভৌম মন এটাৰ অধিকাৰী হ'বলৈ এতিয়াও বহু বাকী। নহ'লে আজি অসম বিপন্ন হোৱাৰ প্রশ্নই উত্থাপিত হ'ব নালাগিছিল।

বিভিন্ন জিলাৰ উপায়ুক্ত, উপপ্রতি সমাহার্তা, খণ্ড উন্নয়ন বিষয়া আদি চৰকাৰী বিষয়াৰ কার্যালয়ৰ সন্মুখত ৰাতিপুৱা ১০ বজাৰ পৰা আবেলি ৪-৩০ বজাৰ ভিতৰত শান্তিপূর্ণভাৱে সত্যাগ্রহ পালনৰ কার্যসূচী ঘোষণা কৰা হৈছে। কোনোৱে যাতে প্ৰৰোচনাৰ বলি হ'ব নোৱাৰে তাৰ বাবে সকলোকে সাবধান হৈ থাকিবলৈ অনুৰোধ কৰা হৈছে। অসম জাতীয়তাবাদী দল, পূর্বাঞ্চলীয় লোক পৰিষদ, আন আন বহুতো সাংস্কৃতিক অনুষ্ঠানে আৰু সামাজিক সংগঠনে সত্যাগ্রহৰ কার্যসূচী সফল ৰূপায়ণৰ বাবে সমর্থন আগবঢ়াইছে।

বিশ্বাসঘাতক কোন?

অসমক বিশ্বাস ঘাতকতা কোনে কৰিছে? অসমীয়া জাতিৰ দ্ৰোহী কোন? কোন অসমৰ জাতি প্রাণ? জাতীয় জীৱনত এইবোৰ অত্যন্ত গুৰুত্বপূর্ণ প্রশ্ন আৰু সময়ে সময়ে তাৰ অবতাৰণা কৰা হৈ আহিছে। জাতিৰ দুর্দিনৰ সময়ত যিসকলে এই প্রশ্নবোৰ বাৰম্বাৰ কৰিছে তেওঁলোকে নিজকেই এবাৰ অন্ততঃ প্রশ্ন কৰি চোৱা উচিত হ'ব অসমক প্রকৃতার্থত বিশ্বাসঘাতকতা কোনে কৰি আহিছে। ২০০৬ চনৰ জুন মাহত ৰাজ্য চৰকাৰে হেনো মাননীয় চুপ্ৰীম ক'ৰ্টত এখন শপত নামা (এফিডেভিট) যোগে জনাইছিল যে ১৯৯৮ চনৰ পৰা ২০০১ চনৰ ভিতৰত অসমত কোনো ধৰণৰ গুপ্ত হত্যা হোৱা নাছিল। এই শপত নামা দাখিলৰ বাবে কোনো কোনো লোকে এফিডেভিটকে দাহ কৰি পেলালে আৰু প্রফুল্ল কুমাৰ মহন্তক অকল বিশ্বাসঘাতকতাকেই নহয় জাতিদ্ৰোহ আচৰণকাৰী আৰু মাননীয় মুখ্যমন্ত্রী তৰুণ গগৈ দেৱক মিছলীয়া মুখ্যমন্ত্রী বুলি উষ্মা প্রকাশ কৰা দৃষ্টি গোচৰ হ'ল।

প্রাচীন অসম বাদেই, বিগত পঞ্চাশ-ষাঠি বছৰৰ অসমৰ ৰাজনৈতিক, সামাজিক, আর্থ-সামাজিক, সাংস্কৃতিক আৰু অর্থনৈতিক ইতিহাস বিস্মৃত লোকেও নিজৰ ক্ষমতা, প্রতিপত্তি আৰু প্রভাব বিস্তাৰ কৰিবলৈ নিজকে অসমৰ একমাত্র ৰক্ষাকর্তাৰ ৰূপত নিয়োজিত বুলি

ভাৰি আৰু তাৰ ভৱিষ্যতে লাভৰ এক গুপুত আকাংক্ষা পুহি কোনো কোনো ক্ষমতাশালী লোকৰ বিৰুদ্ধে কুৎসা ৰচনা কৰি মনেসজা কল্প কাহিনীৰ জন্ম দি ৰাজনৈতিক দুৰভিসন্ধিৰ ফান্দ পতা অসমবাসীয়ে লক্ষ্য নকৰাকৈ থকা নাই।

অসমৰ প্ৰায় তিনিকোটি লোকৰ ভিতৰত বিগত প্ৰায় তিনি দশক কালত সৰ্বাধিক উচ্চাৰিত নামটোৱে হৈছে মাননীয় শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ নামটো। প্ৰফুল্ল কুমাৰ মহন্ত অসমৰ সংগ্ৰামী যুৱ ছাত্ৰ হিচাবে কেৱল ৰাজ্যখনতে নহয়, ভাৰতবৰ্ষৰ অন্যত্ৰ আৰু পৃথিৱীৰ ভালেমান ৰাষ্ট্ৰত এক সৰ্বাধিক প্ৰচাৰিত নাম। এই যুৱকজনৰ দৃঢ়তা আৰু কৰ্তব্যনিষ্ঠাৰ বাবেই এক বৃহৎ অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলন সম্ভৱ হৈছিল। ৰাজ্যখনক ৰাজনৈতিকভাৱে বিশ্বাসঘাতকতা কৰাৰ বিৰুদ্ধে কেৱল ৰাজ্যখনতে নহয় মহাশক্তিশালী কেন্দ্ৰীয় চৰকাৰকো স্পষ্টভাৱে জনাব পাৰিছিল যে অসমখনক চিৰকাল প্ৰতাৰণা কৰা, প্ৰৱঞ্চনা কৰা, বিশ্বাসঘাতকতা কৰাৰ সময় উকলি গৈছে। ইয়াৰ অৰ্থ এনে নহয় যে অসমক কেৱল মহন্তইহে অকল ৰক্ষা কৰিব লাগে আৰু বাকীসকলে নিৰ্বিবাদে ভোগ কৰিব লাগে। আজি সেইজন বীৰ যুৱকৰে শত্ৰু কাৰ পৃষ্ঠপোষকতাত সৃষ্টি কৰা হৈছে অসমবাসীয়ে বিচাৰ নকৰিব নে?

১৯৮০ চনৰ নিৰ্বাচন, ১৯৮৩ চনৰ মধ্যকালীন অবৈধ নিৰ্বাচনত যিসকল (জাতিপ্ৰাণ!) লোকে অংশ গ্ৰহণ কৰি জাতি ধ্বংস কৰা কাৰ্য সম্পাদন কৰিলে তেওঁলোক আজি সন্মানৰ পাত্ৰ হৈ গ'ল ! এক চূড়ান্ত ৰাজনৈতিক উপহাস।

আজি অসম ভাল পোৱা লোকে জানে অসমৰ দুৰ্দমনীয় সেই বিশ্বাসঘাতকবোৰ কোন। জাতিদ্ৰোহ কোনে আচৰণ কৰিছে সেই বিষয়ে নিৰপেক্ষ দৃষ্টি-ভংগীৰে অবলোকন কৰা লোক অসমত আজিও প্ৰচুৰ আছে আৰু জানে যে ভণ্ডবোৰৰ স্বৰূপ উদ্‌ঘাটন এদিন নিশ্চয়কৈ হ'ব।

৮৫৫ জন শ্বহীদৰ হত্যাকাৰীক আমি আজিও কাঠগড়া পোৱাব পৰা নাই, সংবিধান বৰ্হিভূতভাৱে আইন প্ৰস্তুতকাৰীক আজিও বিচাৰাধীন কৰিব পৰা নাই, লক্ষ লক্ষ বিদেশী নাগৰিকে অসমবাসীক টেঁটু চেপি মৰাৰ সময়তো আজি এটা আন্দোলন গঢ় দিব পৰা নাই আৰু তাৰ বাবে প্ৰফুল্ল মহন্তকহে কেৱল জগৰীয়া কৰা হৈছে। বাকী সকলো নিৰাপদ দূৰত্বত অৱস্থান কৰি জাতিৰ স্বাৰ্থ, বিবৃতিত সীমাবদ্ধ ৰাখিছে। কোন সেই ভণ্ডবোৰ?

গুপ্তঘাতকৰ কাহিনীকাৰ সকলে নাৰী ধৰ্ষণ, মাতৃ-ভগ্নীৰ ওপৰত কৰা নিৰ্যাতনৰ বাবে প্ৰতিবাদ নকৰে, হেজাৰ হেজাৰ নিৰীহ লোকৰ জীৱন নাশকাৰীৰ বিৰুদ্ধে মুখত ক'লা কাপোৰ বান্ধি প্ৰতিবাদ কৰাতে সীমাবদ্ধ হৈ ৰৈছে। এনে হত্যাকাৰীৰ কোনো এজনকে ফাঁচী কাঠত তুলিব পৰা হোৱা নাই; কিন্তু মহন্তৰ তেজ লাগে। মহন্তই ৰাজনীতি কৰিব নোৱাৰিব। কাৰণ মুখ্যমন্ত্ৰী হিচাবে হেনো প্ৰফুল্ল মহন্ত গুপ্তহত্যাৰ নায়ক!

আয়োগ গঠন হ'ল। কোনো কোনো আয়োগৰ প্ৰতিবেদন বৰ্তমান চৰকাৰে গ্ৰহণ নকৰিলে। বিধান সভাত উপস্থাপনকে নকৰিলে। আকৌ আয়োগ গঠন হ'ল। কাৰ স্বাৰ্থত এই আয়োগ গঠন কৰা হ'ল অসমবাসীয়ে বিচাৰ কৰা উচিত নহ'ব নে? এতিয়ালৈকে কোনো আয়োগে মহন্তক গুপ্তহত্যাকাৰী বুলি ৰায় দান কৰা নাই। কিন্তু কোনো কোনো লোক সন্তুষ্ট হোৱা নাই। মহন্তক যি কোনো প্ৰকাৰে ফাঁচী কাঠত ওলমাব লাগে। নহ'লে যাবজ্জীৱন কাৰাবাস খটাৰ ব্যৱস্থা হ'ব লাগে। অগত্যা তেওঁক ৰাজনীতিৰ পথাৰৰ পৰা বিদায় দিব লাগে। তাৰ অন্তৰ্নিহিত কাৰণ বাৰু অসমবাসীয়ে নুবুজাকৈ আছেনে?

সকলো অস্বাভাৱিক মৃত্যুৰ, সভ্য জগতত বিচাৰ হোৱাটো প্ৰয়োজনীয়। আমিও শুদ্ধ বিচাৰ প্ৰাৰ্থনা কৰো। সকলো ধৰণৰ আৰু বৰ্বৰোচিত হত্যাকাণ্ডৰ লগত জড়িত লোক চিনাক্ত হ'ব লাগে। মুক্ত আৰু গুপ্তহত্যা দুয়োটাই সমানে গৰিহণাৰ যোগ্য। তাৰ মাজত থকা ব্যৱধানো জনসাধাৰণে জানিব লাগে।

ধমকি, হুমকি, মূৰ্তিদাহ, পথ অবৰোধ বা অন্য প্ৰকাৰৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ অধিকাৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াত কাৰোবাৰ কম আৰু কাৰোবাৰ বেছি হ'ব নোৱাৰে। নিৰ্বাচিত চৰকাৰৰ দায়িত্ব অন্য কোনো অকৰ্তৃত্বশীল লোকে হস্তগত কৰাৰ অধিকাৰ থাকিব নোৱাৰে। মৌলিক অধিকাৰ কোনো ব্যক্তিৰ পৰা কোনেও কাঢ়ি ল'বও নোৱাৰে। আইনৰ প্ৰয়োগৰ ক্ষেত্ৰতো বৈষম্যৰ প্ৰশ্ন অবান্তৰ। হত্যাকাৰীয়েও আইনৰ আশ্ৰয় ল'ব পৰাৰ বিধান আছে। মহন্তৰ নিচিনা এজনা সুপ্ৰতিষ্ঠিত লোকৰ বিৰুদ্ধে কোনো অসহিষ্ণু ব্যক্তিয়ে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে কৰা বিষোদ্‌গাৰৰ বাবে তেখেতৰ স্বকীয় অধিকাৰবোৰ লোপ কৰিব পৰা নাযাব। ৰাজ্যৰ স্বাৰ্থৰ বাবেই আমি সংযত হোৱাৰ প্ৰয়োজন আছে বুলি ভাবো। বিচাৰকৰ আসনত বহা "স্বয়ম্ভু ডেনিয়েল" জনক ৰাইজে চিনি নোপোৱাকৈ আছেনে?

ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ বাবে এক সংকল্প গ্ৰহণ কৰে আৰু মৃত্যুপন ঘোষণা কৰে। অসমবাসীক নিৰহ নিপানীকৈ বুজাই দিয়ে যে অসমৰ বিদেশী নাগৰিকৰ প্ৰকৃত সমাধান নহ'লে অসমৰ ভৱিষ্যৎ অন্ধকাৰ হ'ব, তেওঁলোক নিজৰ জন্মভূমিতে অনাশ্ৰয়ী হ'বলৈ বাধ্য হ'ব।

গণ আন্দোলনৰ বৃহৎ প্ৰস্তুতি দেখি চৰকাৰৰ কঁপনি উঠিছিল আৰু কিংকৰ্তব্য বিমূঢ় হৈ পৰা দেখা গৈছিল। অথচ ৰাজনৈতিক দলবোৰে নিৰ্বাচনৰ আগত যাতে কোনো প্ৰকাৰৰ শান্তি-শৃংখলা পৰিস্থিতিৰ বিঘিনী নঘটে তাৰ বাবে আহ্বান জনাইছিল। তাৰ অৰ্থ এনে যেন লাগিছিল যে "তোমালোকে আন্দোলন কৰা; কিন্তু নিৰ্বাচনত কোনো প্ৰকাৰৰ বিধি পথালিৰ সৃষ্টি নকৰিবা।" এই ৰাজনৈতিক দলবোৰৰ মানসিকতা দেখি তবধ মানিব লাগে। এওঁলোকে দেশ বিক্ৰী কৰিও ৰাজনীতি কৰিব খোজে এই বাবেই যে আপাত দৃষ্টিত তেওঁলোকে ৰাজনীতিৰ সহায়ত জনগণৰ সেৱা কৰাৰ সলনি ইয়াক এক ব্যৱসায় হিচাবে অধিক প্ৰাধান্য দিয়ে। তাৰ প্ৰমাণ তলত উল্লেখ কৰা হৈছে।

লোকদলে ৮ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব : ১৯৭৯ চনৰ নবেম্বৰ মাহৰ ১১ তাৰিখে লোকদল আৰু ধৰ্মনিৰপেক্ষ জনতা দলে সংসদীয় নিৰ্বাচনৰ বাবে অসমত ৮ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ঘোষণা কৰে। ৰমেশ মোহন কুলী, গোলাম ওচমানি, কবিৰ ৰয় প্ৰধানী, মহম্মদ চুলেইমান আৰু অনিল দাসক লৈ এখন শক্তিশালী পৰামৰ্শ কমিটী গঠন কৰা হয়।

চি. পি. আই আৰু চি. পি. এম. এ ৬ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব : ভাৰতীয় কমিউনিষ্ট পাৰ্টি আৰু মাৰ্ক্সবাদী পাৰ্টিয়ে ১৪ খন আসনৰ ৬ খনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সাম্প্ৰদায়িকতা আৰু স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে গণতান্ত্ৰিক দলৰ লগত তেওঁলোকে বুজাপৰা কৰিবলৈ প্ৰমোদ গগৈ আৰু অচিন্ত্য ভট্টাচাৰ্যক দায়িত্ব অৰ্পণ কৰে।

কংগ্ৰেছ (আই) আৰু ওপৰত উল্লেখ কৰা দলবোৰে নিৰ্বাচন পতাৰ পক্ষপাতী আৰু ভোটাৰ তালিকা সংশোধন নকৰাকৈয়ে। এইটোৱে প্ৰমাণ কৰে যে এই ৰাজনৈতিক দলবোৰে সংবিধানৰ প্ৰতি কোনো সন্মান প্ৰদৰ্শন নকৰে কাৰণ বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট হোৱাৰ প্ৰমাণ থকা সত্ত্বেও এওঁলোকে সেই সকল নাগৰিকে ভোট দান প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰাত বাধা আৰোপ কৰিব খোজা নাই।

যুৱক কংগ্ৰেছৰ অভিবৰ্তন : ১৯৭৯ নবেম্বৰ মাহৰ ১১ তাৰিখে পূৰ্বাঞ্চলৰ যুৱক কংগ্ৰেছৰ প্ৰতিনিধি বৰ্গৰ এখন অভিবৰ্তন অনুষ্ঠিত হয়। সভাত পৌৰোহিত্য কৰে বলীন কুলীয়ে। উপস্থিত অন্যান্য বিশেষ নেতৃবৃন্দ আছিল হৰচৰণ সিং যোশী, প্ৰিয় ৰঞ্জন দাসমুন্সী, শৰৎ সিংহ, ৰচিদা হক চৌধুৰী, ছত্ৰসিং টেৰণ, মানবেন্দ্ৰ শৰ্মা আৰু পংকজ বৰা। তেওঁলোকৰ মূল আলোচ্য বিষয় আছিল গণতন্ত্ৰৰ সুৰক্ষা আৰু সিদ্ধান্ত লৈছিল যে যিকোনো ক্ষতি স্বীকাৰ কৰি হ'লেও তেওঁলোকে গণতান্ত্ৰিক পৰম্পৰা আৰু মূল্য ৰক্ষা কৰিব। লগতে প্ৰতিক্ৰিয়াশীলতা, স্বেচ্ছাচাৰিতা, সাম্প্ৰদায়িকতা আৰু সংকীৰ্ণতা আদি বিভিন্ন অশুভ আৰু বীভৎস ক্ৰিয়াকলাপৰ বিৰুদ্ধে সজাগ থাকিব।

ই এক অদ্ভুত মতাদৰ্শ। যেতিয়া এখন ৰাজ্যত বিদেশী নাগৰিকৰ হেঁচাত জনজীৱন অস্থিৰ হৈ পৰিছে, ৰাজ্যখনৰ ভাষিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক সমস্যাৰ গুৰুতৰ পৰিস্থিতিৰ সৃষ্টি হৈছে তেতিয়াও ৰাজনৈতিক নেতাবোৰে মানবীয় চেতনাক, জাতীয় চেতনাক বলিশালত দি সংবিধানক প্ৰৱঞ্চনা কৰি গণতন্ত্ৰৰ বিষয়ে নতুন দৰ্শন উপস্থাপন কৰি জনগণক বিভ্ৰান্ত কৰা দেখা যায়। এয়া কেৱল ৰাজনীতিতহে প্ৰযোজ্য হ'ব পাৰে; কিন্তু কোনো কাৰণতেই এনে দৰ্শন ৰাজ্য আৰু দেশৰ জনগণৰ হিতৰ বাবে হ'ব নোৱাৰে। সেইবাবে এই সকল ৰাজনীতিবিদক সময়ে সঠিক বিচাৰ কৰিব বুলি আমাৰ বিশ্বাস।

অঘৰীক শৰণাৰ্থীৰ মৰ্যাদা : অসমৰ গণ আন্দোলনৰ কাৰ্যসূচী দেখি কিছুসংখ্যক চতুৰ লোকে এক অদ্ভুত ৰাজনীতি কৰাও দেখা গ'ল। যিসকল প্ৰকৃতাৰ্থত অঘৰী, যাৰ নিজস্ব

কোনো স্থিতি নাই আৰু জীৱিকাৰ বাবে স্থান সলনি কৰি জীৱিকাৰ অন্বেষণ কৰে তেনে কিছু সংখ্যক লোকে অসম আন্দোলনৰ আলম লৈ বিশেষ সুবিধা আদায় কৰিব পাৰি নে কি তেনে ঘটনাও পোহৰলৈ আহিল। অস্থায়ী আৰু অন্ন সংস্থাপনৰ কাৰণে ঘূৰি ফুৰা লোক কিছুমান ইতিমধ্যে সুবিধাজনক স্থানত থাকি ৰাজনৈতিক দালালৰ সহায়ত এনে এক সুযোগ গ্ৰহণ কৰিলে যে অসমৰ আন্দোলনকাৰীসকলে তেওঁলোকৰ ওপৰত নিপীড়ন আৰম্ভ কৰাত প্ৰতিবেশী ৰাজ্যত আশ্ৰয় ল'বলৈ বাধ্য হৈছে বুলি প্ৰচাৰ কৰা হৈছে। তেনে কিছু লোক উত্তৰ বংগৰ কোনো কোনো স্থানলৈ গৈ অসমৰ পৰা বিতাড়িত হৈছে বুলি এক ৰাজনৈতিক হুলস্থূল আৰম্ভ কৰা দেখা গ'ল। জ্যোতি বসুৱে তৎক্ষণাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেনে ভগনীয়াক সংস্থাপন দিবলৈ অসম চৰকাৰক দাবী জনালে। অৱশ্যে সেইসকল লোক যে অঘৰী সেয়া প্ৰমাণিত হ'ল।

কে. এচ. শ্ৰীনিবাসনৰ চিঠি : ১৯৭৯ চনৰ ১২ নৱেম্বৰত K. S. Shrinibasan ৰ এখন চিঠি অসম ট্ৰিবিউনত প্ৰকাশ পাইছিল। সেই চিঠিত তেখেতে বৰ দুখেৰে অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান উলিয়াব নোৱাৰা আৰু বিদেশী নাগৰিকৰ ভোটেৰে নিৰ্বাচন খেলাটো কেনেকুৱা পৰিহাসৰ কথা সেই বিষয়ে আক্ষেপ কৰিছিল। তেখেতে নিজে অসমলৈ আহিছিল আৰু গোটেই বিষয়টো অধ্যয়ন কৰিছিল। তেখেতে স্পষ্ট ভাষাত এই মন্তব্য প্ৰকাশ কৰিছিল যে অসমৰ সাংসদসকলে ভাৰতৰ অন্য প্ৰান্তৰ মানুহক বুজাই কোৱাত ব্যৰ্থ হৈছে আৰু প্ৰচাৰ মাধ্যমেও তেওঁলোকৰ দায়িত্ব সঠিকভাৱে পালন কৰিব পৰা নাই। অসমৰ নিৰীহ লোকৰ ওপৰত লাখ লাখ বিদেশী নাগৰিকে কৰা যি আক্ৰমণ সেয়া এক সৰ্বনাশী প্ৰক্ৰিয়া। এই অবৈধ নাগৰিকসকলে সংবিধান উলংঘন কৰি ভাৰতীয় নাগৰিকত্বক অপমানিত কৰিছে। এক উদাত্ত কণ্ঠে তেখেতে অসমবাসীক আহ্বান জনায় যে যেতিয়ালৈকে ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম অপসাৰিত কৰা নহয় তেতিয়ালৈকে যেন অসমত নিৰ্বাচন পতা নহয় আৰু জোৰকৈ নিৰ্বাচন জাপি দিব খুজিলে তাক প্ৰতিৰোধ কৰিব লাগে।

১২ নৱেম্বৰত হেজাৰ হেজাৰ লোকৰ কাৰাবৰণ : সমগ্ৰ অসমব্যাপী সত্যাগ্ৰহ আৰম্ভ হ'ল। আয়ুক্ত, উপায়ুক্ত আদিৰ কাৰ্যালয়ৰ সন্মুখত সত্যাগ্ৰহ শৃংখলাবদ্ধভাৱে আৰম্ভ হৈছে। হেজাৰ হেজাৰ আবাল বৃদ্ধ বনিতাই সত্যাগ্ৰহত অংশ গ্ৰহণকৰিছে স্বতঃস্ফূৰ্তভাৱে। কৰ্তৃপক্ষই কাৰাবৰণৰ বাবে অস্থায়ী কাৰাগাৰৰ ব্যৱস্থা লৈছে। জেলখানাৰ তিক্ততা মানুহে সহজভাৱে মানি লৈছে। সেই সময়ত অসমৰ বাহিৰৰ মানুহ অসমলৈ যেতিয়া বিশেষ কামৰ বাবে আহিছিল তেওঁলোকে এনে নিখুট শৃংখলা দেখি স্তব্ধ হৈ গৈছিল। ৪.৩০ বজাৰ লগে লগে কাৰাবাসৰ লোকসকলক মুকলি কৰি দিছিল। সকলোৱে শৃংখলা সম্পূৰ্ণ অটুট ৰাখি উভতি গৈছিল নিজ গৃহলৈ পৰৱৰ্তী দিনৰ বাবে পুনৰ সাজু হ'বলৈ আৰু আইৰ পূজাৰ বেদীত বহিবলৈ।

বজাইগাঁৱৰ পৰা হেজাৰ হেজাৰ সত্যাগ্ৰহী ১৮ কিলোমিটাৰ বাট খোজ কাঢ়ি বৈতামাৰীত সত্যাগ্ৰহ পালন কৰিছিল। তাত অৱশ্যে কোনো কাৰাগাৰ নিৰ্মাণ কৰা হোৱা নাছিল বাবে মানুহবোৰ কাৰ্যালয়ৰ সন্মুখতে বহি সত্যাগ্ৰহৰ সময় সম্পন্ন কৰি গৃহাভিমুখী হৈছিল। সেই দিনাখন বিভিন্ন ঠাইৰ পৰা পোৱা খবৰ অনুসৰি সত্যাগ্ৰহীৰ সংখ্যা এনেদৰে প্ৰকাশ পাইছিল।

গুৱাহাটী- ২০,০০০; নগাঁও- ৫,০০০; তেজপুৰ- ৫০০; হেলেম- ১,৬২০; গোৱালপাৰা- ৫০০; ডিব্ৰুগড়- ৫০০; পাটাছাৰকুছি- ২,০০০; উত্তৰ লক্ষীমপুৰ- ৮০০; যোৰহাট- ২,৫০০; শিৱসাগৰ- ৫,০০০; নলবাৰী- ৪,০০০; মঙ্গলদৈ- ১,২০০ ।

স্কুল-কলেজবোৰ চৰকাৰে অনিৰ্দিষ্ট কাললৈ বন্ধ কৰিলে : ৰাজ্য চৰকাৰে ভীত কম্পিত হৈ স্কুল-কলেজবোৰ অনিৰ্দিষ্ট কাললৈ বন্ধ বুলি ঘোষণা কৰিলে। গুৱাহাটী মহকুমাত ১৪৪ ধাৰা প্ৰৱৰ্তন কৰিলে। ১২ নৱেম্বৰত ডুমডুমাৰ ওচৰৰ তৰা চাহ বাগানৰ ১০০০ জন উন্মত্ত জনতাক শান্ত কৰিবলৈ পুলিচে গুলী চালনা কৰিব লগীয়াত পৰে। ৫ জন লোক আঘাতপ্ৰাপ্ত হয় আৰু তাৰে দুজনৰ পিছত মৃত্যু হয়। ডিব্ৰুগড় জিলাত কুটাঘাতমূলক কাম সম্পন্ন কৰিবলৈ এচাম দুৰ্বৃত্তই চেষ্টা কৰিলে। চৰকাৰে অৱস্থা নিয়ন্ত্ৰণ কৰা সম্ভৱ নহ'ব বুলি ভাবি কেন্দ্ৰীয় চৰকাৰলৈ সামৰিক বাহিনী প্ৰয়োগৰ বাবে সহায় বিচাৰিলে।

মুখ্যমন্ত্ৰী যোগেন হাজৰিকাৰ স্বীকাৰোক্তি : মুখ্যমন্ত্ৰী যোগেন হাজৰিকাই বিধান সভা আহ্বান কৰি পৰিস্থিতিটোৰ আলোচনা আৰু সমাধান বিচাৰিব খুজিলে। ১২ নৱেম্বৰত বিভিন্ন বিধায়কৰ প্ৰশ্নৰ উত্তৰ হিচাপে তেখেতে স্পষ্ট ভাষাত ক'লে যে চৰকাৰে বিদেশী নাগৰিকৰ সমস্যাটোৰ ভয়াবহতাৰ কথা জানে। লগতে মুখ্যমন্ত্ৰীয়ে এই কথাও স্বীকাৰ কৰে যে ভোটাৰ তালিকা সংশোধন কৰাৰ বিষয়টো অত্যন্ত জৰুৰী, সেই বিষয়েও সজাগ বুলি কয়। সেইবাবে তেখেতে প্ৰকৃত ভাৰতীয় নাগৰিক আৰু যিসকল ভাৰতীয় নাগৰিক নহয় তেওঁলোকৰ দাবী আৰু আপত্তি দৰ্শাবলৈ জাননী জাৰি কৰিব বুলি সন্মতি প্ৰকাশ কৰে। লগতে মান্তি হয় যে নিৰ্বাচনী আয়োগে নিৰ্দ্ধাৰিত কৰা তাৰিখৰ ভিতৰত ভোটাৰ তালিকা শুদ্ধ কৰিবলৈ নিৰ্বাচনী বিষয়াসকলক সতৰ্ক কৰি দিয়া হ'ব। জন প্ৰতিনিধিত্ব আইনৰ ২২ নং ধাৰা অনুযায়ী যিসকল বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত ইতিমধ্যে সোমাল সেইসকলৰ নাম নিৰ্বাচনৰ পিছতহে বাদ দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিলে। ছপাশালবোৰে ইতিমধ্যে নিৰ্বাচনৰ কোনো কাম নকৰে বুলি সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰীয়ে এনে সিদ্ধান্তৰ দুৰ্ঘোৰ বিৰোধিতা কৰে। তেখেতে এনে মন্তব্যও প্ৰকাশ কৰিলে যে যদি ছপাশালে ভোটাৰ তালিকা ছপাবলৈ অমান্তি হয় তেনেহ'লে কাৰ্বন পেপাৰৰ দ্বাৰা জেৰক্স কৰি নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত নিৰ্বাচনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিব বুলি বিধায়কসকলক আশ্বাস দিয়ে।

এইখন এক বিচিত্ৰ দেশ। যি সকলে গণপ্ৰতিনিধি নিৰ্বাচন কৰে সেইসকলৰ মতৰ

কোনো গুৰুত্ব নাই আৰু প্ৰতিনিধিয়ে যেতিয়া যিকোনো প্ৰকাৰে নিৰ্বাচন পতাৰ পক্ষপাতী, সেইটোৱে নিশ্চিতভাৱে প্ৰমাণ কৰে প্ৰকৃতাৰ্থত দেশ বা ৰাজ্য বা জাতি কাৰ বাবে। সঠিক অৰ্থত গণতন্ত্ৰৰ প্ৰতি শ্ৰদ্ধাবান লোকে শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত নকৰাকৈ কেতিয়াও নিৰ্বাচন অনুষ্ঠিত কৰিব নিদিয়ে।

গণ সত্যাগ্ৰহৰ অগ্ৰগতি : চৰকাৰৰ স্থিতিত আন্দোলনৰ নেতৃবৰ্গ সন্তুষ্ট হোৱা দূৰৰ কথা তেওঁলোকৰ মানসিকতা দেখি বিস্ময়বোধ প্ৰকাশ কৰে। এটা জাতিৰ সন্মুখত যেতিয়া ভয়ানক বিপদ উপস্থিত হৈছে সেই বিপদৰ প্ৰত্যাহ্বান ল'বলৈ ৰাজনৈতিক দলবোৰ আগবাঢ়িতো অহাই নাই বৰং কেনেকৈ এক ন্যায্য দাবীৰ মীমাংসা নকৰিবৰ বাবে বদ্ধপৰিকৰ হৈছে তাৰ বহিঃপ্ৰকাশ ঘটাত জনসাধাৰণৰ মনত ৰাজনৈতিক ষড়যন্ত্ৰৰ ধাৰণা দৃঢ়িভূত হ'বলৈ আৰম্ভ কৰে। প্ৰথম দিনৰ সফল সামৰণিয়ে সত্যাগ্ৰহীসকলক অনুপ্ৰাণিত কৰে। দ্বিতীয় দিনাখন (১৩ নবেম্বৰ) সকলো ঠাইতে সত্যাগ্ৰহীৰ সংখ্যা বৃদ্ধি পায়। এইটো অৱশ্যে ঠিক যে সকলো সত্যাগ্ৰহীৰে আন্তৰিকতা যে সমান তেনে নহয়। কিজানি পিছত সমালোচনাৰ সন্মুখীন হ'বলগীয়া হয় তেনে ভাবিও কিছুসংখ্যক লোকে ইচ্ছাৰ বিৰুদ্ধে সত্যাগ্ৰহত অংশ গ্ৰহণ কৰা দেখা গৈছিল। আনহাতে চাকৰিজীৱিসকলৰ ইচ্ছা থকা সত্ত্বেও এনে সত্যাগ্ৰহত অংশ গ্ৰহণে যদি কিবা প্ৰকাৰে ব্যাঘাত জন্মায়, তেনে আশংকায়ো কিছুসংখ্যকক দ্বিধাগ্ৰস্ত কৰা দেখা গৈছিল। দ্বিতীয় দিনাখন সত্যাগ্ৰহত যোগ দিয়া লোকৰ সংখ্যা এনেদৰে প্ৰকাশ পাইছিল।

গুৱাহাটী-২৪,০৮২; নলবাৰী-২,৫০০; বৰপেটা-৩,৩৩৯; কমলপুৰ-৫৭৫; মুকালমুৱা-৮৭৮; টিহু-১,২০২; বৰমা-২১৯; তামুলপুৰ-৭৫১; যোৰহাট-১,৮০০; মঙ্গলদৈ-১,৬৯২; ডিব্ৰুগড়-১,০০০; মৰিগাঁও-১,০০০; গোলাঘাট-১,৩৭৫; হেলেম-৭২১; শিৱসাগৰ-৩,০০০; গোৱালপাৰা-২,০০০।

এই সত্যাগ্ৰহৰ বৈশিষ্ট্য আছিল জাতি, ধৰ্ম, ভাষা, সম্প্ৰদায়, গোষ্ঠী নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে অংশ গ্ৰহণ কৰিছিল। অংশ গ্ৰহণকাৰীৰ অধিকাংশ প্ৰায় সকলো স্থানতে আছিল মহিলা। সত্যাগ্ৰহত অংশ গ্ৰহণ কৰিবলৈ গুৱাহাটীৰ বিভিন্ন আদালতৰ অধিবক্তাসকলে সিদ্ধান্ত লয়। তেওঁলোকে কোনো ৰাজ্যৰ মুখ্যমন্ত্ৰী বা কোনো দলৰ নেতৃস্থানীয় লোকে এই আন্দোলনৰ যাতে বিৰূপ সমালোচনা নকৰে তাৰ বাবে সাৱধান কৰি দিয়ে। ইতিমধ্যে যিসকল বিশিষ্ট নেতাই এই আন্দোলনৰ গুৰুত্ব অনুভৱ কৰিব নোৱাৰি অবাঞ্চিত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে তেওঁলোকক বিষয়টো অধ্যয়ন কৰিবলৈ আহ্বান জনায়। লগতে ভোটাৰ তালিকা শুদ্ধ ৰূপত প্ৰকাশ কৰি নুলিওৱা পৰ্যন্ত নিৰ্বাচন স্থগিত ৰাখিবলৈ কৰ্তৃপক্ষৰ ওচৰত দাবী জনায় আৰু কোনো দলকে মধ্যকালীন নিৰ্বাচনত অংশ গ্ৰহণ নকৰিবলৈ অনুৰোধ কৰে।

৩৮৭ জন পঞ্জীয়ন বিষয়াৰ নিয়োগ : ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে দাবী আৰু

নাম অপসাৰণৰ বাবে আপত্তি প্ৰচুৰ হৈছিল। সেই দাবী আৰু আপত্তিবোৰ নিষ্পত্তি কৰিবলৈ অসমৰ নিৰ্বাচনী বিষয়াই ৩৮৭ জন পঞ্জীয়ক বিষয়া নিয়োগ কৰিছিল। সেই সময়ৰ অসমৰ যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াই মন্তব্য কৰিছিল যে দাবী আৰু আপত্তিবোৰ আইন অনুযায়ী মীমাংসা কৰিব লাগে। দাবীদাৰসকলে প্ৰমাণ কৰিব লাগে কি কি কাৰণত তেওঁলোক প্ৰকৃত ভাৰতীয় নাগৰিক হোৱাৰ যোগ্য বা কেনে প্ৰক্ৰিয়াৰে তেওঁলোকৰ ন্যায্য দাবী হঠাতে বাদ পৰি গ'ল। যাৰ বিৰুদ্ধে আপত্তি আছে তেওঁলোকেও যুক্তি দৰ্শাব লাগে কিয় ভোটাৰৰ তালিকাৰ পৰা নাম বাদ পৰিব লাগে বা অন্তৰ্ভুক্ত হ'ব লাগে। কোনো আবেদন (আপীল) যদি কৰা হয় সেই সমূহ জিলাৰ নিৰ্বাচনী বিষয়াই বিচাৰ কৰিব পাৰে। সাধাৰণতে আয়ুক্ত, উপায়ুক্ত বা মহকুমাধিপতিয়ে অসমত এই বিচাৰবোৰ কৰিব পাৰে। কোনো আবেদন থাকিলে তাক ২৫ দিনৰ ভিতৰত তাৰ নিষ্পত্তি কৰিব লাগে। কিন্তু দাবী আৰু আপত্তি হৈছিল লাখ লাখ আৰু সময়সীমা নিৰ্দ্ধাৰণ কৰি দিয়া হৈছিল মাত্ৰ ৩০ দিন যিসময়ৰ ভিতৰত ইমানবোৰ দাবী বা আপত্তি নিষ্পত্তি সম্পূৰ্ণ কৰা অসম্ভৱ বুলি কৈছিল। কাৰণ এই সময়চোৱাৰ ভিতৰতে শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰি উলিয়াবও লাগে । এনে এটা অসম্ভৱ কাম সম্ভৱ কৰি অৰ্থাৎ এখন অশুদ্ধ ভোটাৰ তালিকাৰ সহায়তে ৰাজনৈতিক দলবোৰে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে মত পোষণ কৰে। ৰাজনীতি এনে এক নিষ্ঠুৰ আৰু নিৰ্দয় বিষয় যে ইয়াৰ সহায়ত যেন সকলো ধৰণৰ অনৈতিক কামবোৰ কৰিব পাৰি। ৰাজনীতিয়ে যেন মানবীয় মূল্যবোধ, জাতি, সংস্কৃতিৰ ধাৰণাক নাশ কৰি দিব পাৰে, ক্ষমতাৰ প্ৰতি থকা অস্বাভাবিক মোহে যেন ৰাজনীতিকৰ দৰ্শন আৰু আদৰ্শক জীয়াই জীয়াই কবৰ দিব পাৰে তেনে ধাৰণা ওপজে।

এনেতে অসমৰ মুখ্য সচিব পৰমশিৱমে ছুটী বিচাৰিছে আৰু তেখেতৰ ছুটী মঞ্জুৰ কৰা হৈছে। তেখেতৰ ঠাইত বি. এচ চাৰাওক মুখ্য সচিবৰ পদলৈ উন্নীত কৰা হৈছে। তেখেতে মুখ্য সচিবৰ পদ চম্ভালি লোৱাৰ পৰতে ৰাজ্যখনত আইন-শৃংখলা পৰিস্থিতিৰ দ্ৰুত অবনতি ঘটে। সমস্যাবোৰ আয়ত্বৰ ভিতৰলৈ আনিবলৈ চাৰাও ডাঙৰীয়াই যেন বিব্ৰত বোধ কৰিব লগীয়াত পৰিছে তেনে ধাৰণাৰ প্ৰকাশ ঘটিল। অসমৰ সমগ্ৰ পৰিস্থিতি যেন নিৰ্বাচন বিৰোধী সেই ধাৰণা তেখেতৰ যদিও হৈছে এই অৱস্থাত সঠিক পদক্ষেপ কেনে হোৱা উচিত তাক নিৰ্ণয় কৰিব পৰা নাই।

দাসমুন্সীৰ নতুন ভূমিকা ঃ ১৩ নবেম্বৰ তাৰিখে প্ৰিয়ৰঞ্জন দাসমুন্সীয়ে কলিকতাত এখন সাংবাদিক মেল পাতি কয় যে অসমৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে অসমৰ পৰিস্থিতিৰ অবনতি যাতে ঘটিব নোৱাৰে তাৰ বাবে ৰাজ্যখনত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (CRPF) নিযুক্ত কৰিব লাগে। এনে মন্তব্যই অসম আৰু ভাৰতৰ বিভিন্ন প্ৰান্তত এক বিভ্ৰান্তিকৰ অৱস্থাৰ সৃষ্টি কৰে। সম্পূৰ্ণভাৱে ৰাজ্যখনৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এক অনধিকাৰ

হস্তক্ষেপ কৰাত জনগণৰ উৎকণ্ঠা আৰু উদ্বেগ বৃদ্ধি পায়। অকল সেয়ে নহয় অসমত ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ লোক নিৰাপদ নহয় বুলি মন্তব্য কৰে। যোগেন হাজৰিকাক প্ৰশাসনীয় দক্ষতাবিহীন এক মুখ্যমন্ত্ৰী হিচাবে সমালোচনাও কৰে। পশ্চিমবংগৰ কংগ্ৰেছ দলে কলিকতাত থকা "অসম গৃহত" ১৯ নবেম্বৰত ২৪ ঘণ্টীয়া অনশন কৰাৰ সিদ্ধান্ত লয়। মুখ্যমন্ত্ৰী জ্যোতি বসুৱে সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত নিৰ্যাতন বন্ধ কৰাৰ দাবী কৰে।

বৰপেটা ৰোডত বোমা বিস্ফোৰণ : দাসমুন্সী আৰু জ্যোতিবসুৰ বিৰূপ মন্তব্য প্ৰকাশৰ অংগাংগীভাৱে ১৩ নবেম্বৰত বৰপেটা ৰোডত এক শক্তিশালী বোমাৰ বিস্ফোৰণ ঘটে। সেই সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ এটা দল বৰপেটা অভিমুখে গৈ আছিল। বোমা বিস্ফোৰণৰ ফলত ৩ জন ছাত্ৰ আঘাতপ্ৰাপ্ত হয়। এয়া যে আন্দোলনৰ বিৰুদ্ধে এক গভীৰ ষড়যন্ত্ৰ তাকেই প্ৰমাণ কৰে। নানা কুটাঘাতমূলক কামত ইতিমধ্যে বিভিন্ন ৰাজনৈতিক কৰ্মী আৰু দল জড়িত হোৱা বুলি বিভিন্ন লোকে মত ব্যক্ত কৰা দেখা গৈছে আৰু ন্যায্য দাবীৰ পৰিপন্থী কাম নকৰিবলৈ আহ্বানো জনোৱা হৈছে।

ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সাধাৰণ সচিবৰ অসমলৈ আগমন : এই সময়তে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সচিব ৰাজেন্দ্ৰ সিং আৰু পূৰ্বাঞ্চলৰ মাণ্ডলিক সংগঠন কে. এচ. সুদৰ্শনে অসমৰ বিভিন্ন ঠাইলৈ গৈ সমস্যাৰ বুজ লয়. সভা সমিতি পাতে আৰু অসম আৰু ভাৰত চৰকাৰক অনুৰোধ জনায় যে ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম বাতিল নকৰা পৰ্যন্ত যেন নিৰ্বাচন অনুষ্ঠিত কৰা নহয়। অসমৰ এক জ্বলন্ত সমস্যা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে সঠিকভাৱে অনুধাবন কৰিব নোৱাৰিলে অসমৰ ভৱিষ্যত যে সংকটাপন্ন হৈ পৰিব তাকো দৃঢ় ভাষাত প্ৰকাশ কৰে। তেওঁলোকে ১৯৫১ চনৰ লোক গণনাৰ নথিক আধাৰ হিচাবে লৈ বিদেশীসকলৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিবলৈ পৰামৰ্শ আগবঢ়ায়। লগতে বিভিন্ন ৰাজ্যৰ মাটিৰ পৰিমাণ, জনসংখ্যাৰ অনুপাত পৰীক্ষা কৰিবলৈ আৰু সঠিক ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰস্তুত কৰিবলৈ আহ্বান জনায়। অসমৰ পৰা সকলো অবৈধ বিদেশী নাগৰিকক বহিষ্কাৰ কৰিবলৈ আৰু চৰণীয়া পথাৰ, সংৰক্ষিত বনাঞ্চল আৰু চৰকাৰী মাটিত খোপনি পোতা সকলো সন্দেহযুক্ত নাগৰিকক উচ্ছেদ কৰি বেদখল মুক্ত কৰিবলৈ দাবী উত্থাপন কৰে।

বিভিন্ন সংগঠনৰ সমৰ্থন : অসমৰ জাতীয় আন্দোলনে ইতিমধ্যে নতুন গতি ল'বলৈ সক্ষম হৈছে। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে আৰম্ভ কৰা গণ সত্যাগ্ৰহ আৰু গণ আন্দোলনলৈ বিভিন্ন সংগঠনে সমৰ্থন আগবঢ়াইছে। লগতে যিবোৰ ৰাজনৈতিক দলে দায়িত্বহীন আৰু বিভ্ৰান্তিকৰ মন্তব্য প্ৰকাশ কৰিছে তাক কঠোৰ ভাষাত সমালোচনা কৰে। অসমৰ ন্যায্য আন্দোলনক বিপথগামী কৰাৰ যি প্ৰৱণতা গঢ়ি উঠিছে

তাৰ প্ৰতি সজাগ হৈ থাকিবলৈ অসমবাসীক আহ্বান জনায়। সমৰ্থন আগবঢ়োৱা এই সংগঠনবোৰ হ'ল বেংক কৰ্মচাৰী সংঘ, জীৱন বীমা কৰ্মী সন্থা, অসম কলেজ শিক্ষক সন্থা, যুৱ জনতা দল, গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক গোট, গবেষক সন্থা, অসম সংস্কৃতি সমাজ, ছিলং।

গণ আন্দোলনে ক্ৰমাৎ ব্যাপকতা লাভ কৰিবলৈ সক্ষম হ'ল। যিবোৰ সংগঠনে এই আন্দোলন এক পানীৰ বুদ বুদ বা ক্ষণস্থায়ী বুলি প্ৰথমতে অনুভৱ কৰিছিল পিছলৈ তেনে সংগঠনে এই আন্দোলনৰ স্বৰূপ বুজিবলৈ আৰম্ভ কৰিলে। প্ৰকৃতাৰ্থত বিদেশী নাগৰিকৰ ব্যাপকতাত ৰাজ্যখনৰ যে ভৱিষ্যত অন্ধকাৰ হৈ যাব পাৰে আৰু বিদেশী নাগৰিকৰ ভোটেৰে নিৰ্বাচন খেলা যে গভীৰ বিপদজনক হ'ব পাৰে সেই কথা সঠিকভাৱে উপলব্ধি কৰিবলৈ সমৰ্থ হয়। অসমৰ জাতীয় আৰু সাংস্কৃতিক বৃহৎ অনুষ্ঠান অসম সাহিত্য সভায়ো আন্দোলনলৈ লাহে লাহে সমৰ্থন আগবঢ়ালে। তেওঁলোকে ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধান মন্ত্ৰী আৰু মুখ্য নিৰ্বাচনী আয়ুক্তলৈকে তাৰ বাৰ্তা প্ৰেৰণ কৰি ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম অপসাৰণ নকৰাকৈ নিৰ্বাচন অনুষ্ঠিত নকৰিবলৈ অনুৰোধ জনায়।

গণ সত্যাগ্ৰহৰ ৩য় দিন : মহাত্মা গান্ধীৰ অহিংস নীতিক আশ্ৰয় কৰি সম্পূৰ্ণ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে আৰম্ভ কৰা গণ সত্যাগ্ৰহৰ ব্যাপকতা অভাৱনীয় হৈ পৰে। আন্দোলনলৈ সমৰ্থন আগবঢ়োৱা সংগঠনৰ সংখ্যা প্ৰতিদিনে বৃদ্ধি পাবলৈ আৰম্ভ কৰিলে। অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন পৰিষদৰ কৰ্মী সন্থা, সদৌ গুৱাহাটী কলেজ কৰ্মচাৰী সন্থা, আন্তঃৰাজ্যিক পৰিবহন কৰ্মী সংঘ, এপেক্স বেংক কৰ্মী সন্থা, নিখিল ভাৰত টেলিগ্ৰাফ ট্ৰেফিক কৰ্মী সংঘ, নগাঁও মাৰোৱাৰী যুৱক সংঘ, নগাঁও বংগভাষী সন্মিলনী, সদৌ অসম মটৰ পৰিবহন কৰ্মী সন্থা, অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ কৰ্মী সভা আদিয়ে আন্দোলনলৈ সমৰ্থন আগবঢ়ায় আৰু অংশ গ্ৰহণ কৰে।

সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি কৰাৰ ষড়যন্ত্ৰ : গণ সত্যাগ্ৰহৰ কাৰ্যসূচী ঘোষণা কৰাৰ লগে লগে ন্যস্ত স্বাৰ্থ জড়িত মহলে আন্দোলন বিঘ্নিত কৰিবলৈ এক গভীৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল। এই ষড়যন্ত্ৰৰ সহায়ত অসমীয়া জাতিসত্বাৰ লগত অংগাংগীভাৱে কাম কৰা অসমৰ চাহ মজদুৰসকলকো উত্তেজিত কৰিবলৈ এক আঁচনি যুগুত কৰিছিল। তাৰ প্ৰকাশ ঘটিছিল ৯ নবেম্বৰত। ষড়যন্ত্ৰকাৰীসকলৰ কিছুমাণে উজনি অসমৰ বিভিন্ন ঠাইত অসমীয়াতে লিখি প্ৰচাৰ কৰিছিল যে এই আন্দোলন সকলো অনাঅসমীয়া লোকৰ বিৰুদ্ধে। ডিব্ৰুগড়ত এই উদ্দেশ্যে ৯ নবেম্বৰত ডিব্ৰুগড় জিলাৰ চাহ বনুৱাসকলৰ এখন সভা পাতি এই আন্দোলনৰ বিৰুদ্ধাচৰণ কৰিবলৈ আহ্বান জনোৱা হৈছিল। সেই সময়ত চাহ মজদুৰ সংঘৰ যুটীয়া সম্পাদক আছিল পবন সিং ঘাটোৱাৰ। তেখেতে এই ষড়যন্ত্ৰৰ কথা উপলব্ধি কৰি তৎপৰতাৰে এই পৰিকল্পনাৰ বিৰুদ্ধে মজদুৰসকলক সাৱধান কৰি দিয়ে আৰু স্পষ্ট ভাষাত কয় যে

এই আন্দোলন কোনো অনাঅসমীয়া লোকৰ বিৰুদ্ধে নহয় বৰং বিদেশী নাগৰিকৰ বিৰুদ্ধেহে। চাহ মজদুৰসকলৰ মনোবল অটুট ৰাখিবলৈ আৰু প্ৰৰোচনাৰ বিৰুদ্ধে সজাগ হৈ থাকিবলৈ আহ্বান জনায় আৰু শান্তি-সম্প্ৰীতি বজাই ৰাখিবলৈ অনুৰোধ কৰে।

গণ সত্যাগ্ৰহৰ প্ৰতি অভাবনীয় সহঁাৰি : গণ সত্যাগ্ৰহৰ ৪ৰ্থ দিনা (১৫ নবেম্বৰ) সত্যাগ্ৰহত অংশ গ্ৰহণ কৰিবলৈ সকলো শ্ৰেণীৰ মানুহ ৰাজপথলৈ ওলাই আহে। আনকি বুঢ়া-বুঢ়ীও বাদ পৰা নাই। প্ৰাণত নতুন আশাৰ সঞ্চাৰ হয়। যি সকলে জীৱনত নানা ক্লেশ সহ্য কৰি জীৱন বিপন্ন হৈ যাব বুলি, ভবিষ্যৎ অন্ধকাৰ হৈ যোৱা বুলি মনস্তাপত দগ্ধ হৈছিল, সেই সকল লোকৰ মনলৈ এক নতুন প্ৰেৰণা আহে। কেউফালে অন্তহীন জনস্ৰোত। যান-বাহনৰ সুযোগ নথকা ঠাইৰ পৰা বহু মাইল দূৰৰ পৰা খোজ কাঢ়ি আহি সত্যাগ্ৰহত যোগদান কৰিছে। অবৈধ প্ৰব্ৰজনকাৰীয়ে ৰাজ্যখনৰ সৰ্বনাশ কৰাৰ যি প্ৰক্ৰিয়া চৰকাৰৰ দুৰ্বলতাৰ সুযোগ লৈ কৰি আহিছে তাৰ সমাধান কল্পে প্ৰতিজন অসমবাসীয়ে সামান্য হ'লেও বৰঙণি আগবঢ়াব খোজে। পথ প্ৰদৰ্শকৰ অভাবত, প্ৰতিনিধিসকলৰ সঠিক ভূমিকাৰ অভাবত সাধাৰণ শ্ৰেণীৰ লোকে এটা বিৰাট আন্দোলন গঢ় দিয়া সম্ভৱ সাধাৰণতে নহয়। এটা সুযোগ আদায় হোৱাত সকলো লোকে নিস্বাৰ্থভাৱে এই আন্দোলনত অংশ গ্ৰহণ কৰিছে। জাতীয় প্ৰাণ সমৃদ্ধ কৰা বৰেণ্য লোকসকলৰ সংগীতৰ সুৰ সংযোজন কৰি সত্যাগ্ৰহৰ সমদল অধিক শক্তিশালী কৰি তুলিছে। ধূৰ্ত, দেশৰ প্ৰতি সামান্য সন্মানবোধ নথকা, ৰাজনৈতিকভাৱে সুচতুৰ আৰু ষড়যন্ত্ৰকাৰীসকলৰ বাহিৰে সকলোৱে অংশ গ্ৰহণ কৰি মহাত্মা গান্ধীৰ স্বাধীনতা আন্দোলনৰ কাৰ্যসূচী সফল কৰাৰ দৰেই আগবাঢ়ি আহিছে। সদ্যজাত শিশুক কোলাত লৈ মাতৃয়ে অংশ গ্ৰহণ কৰা দৃশ্য দেখিলে অন্তৰ উপচি পৰে। চতুৰ্থ দিনৰ সত্যাগ্ৰহীৰ সংখ্যা বিভিন্ন স্থানত এনে ধৰণৰ বুলি প্ৰকাশ পাইছে।

গুৱাহাটী- ১ লাখৰ ওপৰ; দেৰগাঁও- ৪,৪২৯; শিৱসাগৰ-৬,০০০; নলবাৰী- ১২,০০০; মঙ্গলদৈ- ৬,৬৬১; কামপুৰ- ১,০০০; গোলাঘাট- ৭,১৭৭; ডিব্ৰুগড়- ১০,০০০; তেজপুৰ- ২০,০০০ ৰ ওপৰ; বৰপেটা- ৪,০৬০; যোৰহাট-৯,৫০৭; হেলেম-২,২১২; উত্তৰ লক্ষীমপুৰ; ১,২০০; কাৰ্বি আংলং- হৰতাল পালন কৰি চৰকাৰী কাৰ্যালয় বন্ধ কৰে; গোৱালপাৰা- ২,৭০০; সৰুক্ষেত্ৰী- ৮,০০০; পাটাছাৰকুছি- ৪১৪; বঙাইগাঁও- ৪৩৬; বিশ্বনাথ চাৰিআলি- ৩৭২; মাৰ্ঘেৰিটা- ২৮২; বজালী-৩,০০০; নগাঁও- ১৬,৮৫৩। সহস্ৰ স্থানত সাংবাদিকসকল প্ৰত্যক্ষভাৱে উপস্থিত থাকিব নোৱাৰা বাবে এই হিচাব নিতান্তই আধৰুৱা। মুঠতে এই আন্দোলনে সৰ্বাত্মক ৰূপ লৈছে তাত সন্দেহৰ কোনো অৱকাশ নাই। এই আন্দোলনে আদালতৰ অধিবক্তা, শিক্ষাবিদ, শিল্পী, সাহিত্যিক, ব্যৱসায়ী আৰু কৃষিজীৱি-শ্ৰমজীৱি সকলোকে সামৰা এক অভুতপূৰ্ব গণ আন্দোলন। মূল নেতৃত্ব এই আন্দোলনৰ বাবে আহিছে ছাত্ৰ সমাজৰ পৰা। কাৰণ তেওঁলোকে অনুভৱ কৰিছে যে তেওঁলোকৰ ভবিষ্যৎ

এক অনিশ্চয়তাৰ গহ্বৰত লীন যাবলৈ উপক্ৰম কৰিছে।

সত্যাগ্ৰহত অংশ কৰা মহিলাসকলৰ ৫০০ গৰাকীয়ে ১৬ নবেম্বৰত গুৱাহাটীৰ পৰা দিছপুৰলৈ খোজকাঢ়ি গৈ ৰাজ্য চৰকাৰক মধ্যকালীন নিৰ্বাচন, ভোটাৰ তালিকা শুদ্ধ নকৰা পৰ্যন্ত বন্ধ ৰাখিবলৈ আবেদন জনোৱাৰ সিদ্ধান্ত লয়।

মুখ্যমন্ত্ৰী ঘেৰাও : সীমান্তৰ তত্ত্বাবধানত থকা উপ- মহাপৰিদৰ্শক হিৰণ্য ভট্টাচাৰ্যক নিলম্বিত কৰিছে। আন আন বিষয়াকো বিভিন্ন মহলৰ হেঁচাত হয় নিলম্বিত নহয় স্থানান্তৰিত কৰাৰ নিৰ্দেশ হৈছে। সেইসময়ৰ কামৰূপ জিলাৰ উপায়ুক্ত জ্যোতি ৰাজখোৱাক অন্য বিভাগলৈ বদলি কৰাৰ পৰিকল্পনা লোৱা হৈছে। ইয়াৰ মূল কাৰণ হ'ল ৰাজনৈতিক নেতাৰ হেঁচাত এওঁলোকে আইন আৰু সংবিধান অমান্য কৰি কাম কৰিবলৈ অমান্তি হৈছে। এওঁলোকৰ ওপৰত এনে ধৰণৰ আতিশয্য প্ৰকাশ হৈ পৰাৰ লগে লগে ৰাজনৈতিক মহলত কেনে ক্ৰিয়াই আৰম্ভ কৰিছে বুজিবলৈ সৰহপৰ নালাগিল। আন্দোলনৰ প্ৰতি সহানুভুতিশীল হোৱাৰ পৰিবৰ্তে, আন্দোলনকাৰীৰ দাবী বিবেচনা ৰুৰাৰ বিপৰীতে আন্দোলন যে কঠোৰ হাতে দমন কৰাৰহে এক নতুন পৰিকল্পনা সাজু হ'বলৈ ধৰিছে তাক বুজিবলৈ বাকী নাথাকিল। তেতিয়া জাতীয়তাবাদী দলৰ প্ৰায় ১০০০ জন সদস্যই মুখ্যমন্ত্ৰী যোগেন হাজৰিকাক জনতা ভৱনলৈ যোৱাৰ পথতে ঘেৰাও কৰে আৰু জনকল্যাণৰ বিপৰীতে কোনো অহিতকৰ কাম নকৰাৰ প্ৰতিশ্ৰুতি আদায় কৰে। লগতে ন্যায্য আন্দোলনটোৰ মূল দাবী মানি লৈ ভোটাৰ তালিকা শুদ্ধ কৰাৰ বাবে প্ৰতিশ্ৰুতি আদায় কৰে।

ধীৰেণ সেনৰ মন্তব্য : ধীৰেণ সেনৰ ধাতৃভূমি, কৰ্মভূমি হিচাবে অসমকে বাচি লৈছে। তেখেতৰ ল'ৰা-ছোৱালী অসমীয়া মধ্যমতে পঢ়া-শুনা কৰিছে। অসমত থকা স্থায়ী বঙালী বাসিন্দাসকলক তেখেতে আহ্বান কৰি কৈছিল যে অসমৰ এই আন্দোলন কোনো অনাঅসমীয়াৰ বিৰুদ্ধে কৰা আন্দোলন নহয় বৰং অবৈধভাৱে অসমলৈ প্ৰব্ৰজন হৈ থকা বিদেশী নাগৰিকৰ বিৰুদ্ধেহে এক জাতীয় আন্দোলন। সেইবাবে তেখেতে অসমৰ স্থায়ী বঙালী লোকসকলক এই আন্দোলনৰ বিৰোধিতা নকৰিবলৈ আৰু সন্দেহৰ আবৰ্তত সোমাই ভুল নকৰিবলৈ আহ্বান জনাইছিল। বৰং কৈছিল যে সেই সকল লোকে অসমীয়া ভাষা কৃষ্টিৰ এক অবিচ্ছেদ্য অংগ হিচাবে জীৱন নিৰ্বাহ কৰা উচিত বুলি অনুৰোধ কৰিছিল আৰু বঙালী ভাষাৰ বিদ্যালয়বোৰ অসমীয়া মাধ্যমৰ বিদ্যালয় হিচাবে প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনাইছিল। তেখেতে আনকি ইয়াকো কৈছিল যে অসমীয়া এক মূল সংস্কৃত মূলৰ প্ৰাচীন ভাষা আৰু পূৰ্ববংগৰ বঙালী ভাষাৰ, অসমীয়া ভাষাৰ লগতহে অধিক মিল আছে। তেখেতে দেৱালৰ লিখনিৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিবলৈ অনুৰোধ জনাইছিল।

১.৮২ লাখ দাবী আপত্তি নিস্পত্তি : এমাহতকৈয়ো কম সময়ৰ ভিতৰত মুঠ দাবী আৰু আপত্তিৰ পৰিমাণ হৈছিল ৬,১৩,২৪৪ জন। তাৰে নবেম্বৰৰ ১৩ তাৰিখ পৰ্যন্ত ১.৮২ লাখ

ভোটাৰৰ দাবী আৰু আপত্তি নিষ্পত্তি হৈছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। বাকী ৪.৩১ লাখ দাবী আৰু আপত্তিৰ নিষ্পত্তি কৰিবলৈ হাতত তেতিয়া সময় আছিল মাত্ৰ ১৩ দিন। প্ৰায় দুমাহ সময়ৰ ভিতৰত ৪০ শতাংশ দাবী আৰু আপত্তি সম্পূৰ্ণ হোৱা বুলি চৰকাৰীভাৱে জনোৱা হৈছে। বাকী ৬০ শতাংশ মাত্ৰ ১৩ দিনৰ ভিতৰত যে সম্পূৰ্ণ কৰা অসম্ভৱ হ'ব সেই কথা চৰকাৰে নিশ্চিতভাৱে জানে। ইয়াৰ ভিতৰত মঙ্গলদৈ সমষ্টিৰ দাবী আৰু আপত্তি আছিল সৰ্ববৃহৎ, ৫৯,৬৫৬ জন আৰু তাৰ পাচতেই গুৱাহাটী- ৩৭,৩৮৪ জনৰ। এই দাবী আৰু আপত্তিৰ সংখ্যাতকৈ প্ৰকৃত দাবী আৰু আপত্তিৰ সংখ্যা যে বহু বেছি হ'ব তাত কোনো সন্দেহ নাই।

গণ সত্যাগ্ৰহৰ ৫ম দিন ঃ পঞ্চম দিনৰ গণ সত্যাগ্ৰহৰ হিচাব কোনো ঠাইতে সঠিকভাৱে ৰখা সম্ভৱেই নহ'ল। জিলা কৰ্তৃপক্ষই বহুত ঠাইত নিৰ্মাণ কৰা অস্থায়ী কাৰাগাৰ সিদিনাৰ বাবে ৰাস্তাৰ ওপৰতে সত্যাগ্ৰহীৰ কাৰাগাৰ হোৱাৰ দৰে হ'ল আৰু তেওঁলোকক কাৰাবৰণ কৰা বুলি ধৰি লোৱা হ'ল। নিৰৱচ্ছিন্ন জনস্ৰোতৰ যেন কোনো অন্তই নপৰিব। গুৱাহাটীৰ সত্যাগ্ৰহীসকলৰ অসংখ্য লোকে নিৰ্দিষ্ট লক্ষ্য স্থান পাওঁতে আৰু উভতি ঘৰ পাওঁতে ৰাতি গভীৰ হ'ল। এটা সৰ্বাত্মক সত্যাগ্ৰহৰ ৰূপ প্ৰকাশ পালে। ইয়াৰ ব্যাপকতা ইমান বেছি যে কোন নো বাদ পৰিল বুলি কোনোবাই প্ৰশ্ন কৰিলে উত্তৰ বৰ বেদনাদায়ক হ'ব। যি সকলে ৰাজনীতিক এক ব্যৱসায় হিচাবে লৈছে, যি সকলে ৰাজনীতিৰ দালালী কৰে, ৰাজনীতিৰ নামত জালিয়াতি কৰে, সংবিধানক সন্মান নকৰে, তেনে লোকত বাহিৰে সকলোৱে অংশ গ্ৰহণ কৰিলে।

আন্দোলন ধ্বংস কৰিবলৈ হিংসাৰ আশ্ৰয় ঃ আন্দোলনটোৱে ফৰাচী বিপ্লৱৰ ইতিহাসকো ম্লান কৰা দেখি কিছুসংখ্যক ৰাজনীতিকৰ চকুত টোপনি নহা হ'ল। তেনে লোকে কেতিয়াবা দুৰ্বল পৰিস্থিতিত এনে চিন্তা কৰা বুলিও প্ৰকাশ পাবলৈ আৰম্ভ কৰিলে যে এই আন্দোলনৰ বচা বচা নেতাক হত্যা কৰাব পাৰিলে আন্দোলন এনেয়ে বন্ধ হৈ যাব। আচৰিত কথা যে সেইসকল ৰাজনৈতিক নেতাই আন্দোলনৰ প্ৰকৃত অৰ্থই অনুধাবন কৰিব নোৱাৰিলে। দেশখনত যে এটা সৰ্বনশীয়া কাৰ্যই এখন ৰাজ্যৰ স্থিতিকে মূল্যহীন কৰি দিব খুজিছে, তাৰ ফলত যে ৰাষ্ট্ৰখনৰে এক বৃহৎ সমস্যাৰ সৃষ্টি কৰিছে তাক উপলব্ধি কৰিব পৰা নাই আৰু তাৰ বিপৰীতে ক্ষমতাৰ বাবে হাহাকাৰ কৰিছে। এজন নায়কক হত্যা কৰিলে যে দহজন নায়কৰ সৃষ্টি হ'ব পাৰে, ঘৃণনীয় ৰাজনীতি কৰা লোকসকলে অনুভৱ কৰিব পৰা নাই। তেওঁলোকে ভাবিবই পৰা নাই যে বুলেটেৰে কোনো যুদ্ধ জয় কৰিব নোৱাৰি। মাতৃভূমিৰ উদ্ধাৰত ব্ৰতীসকলে মৃত্যুক কেতিয়াও ভয় নকৰে। গুলীয়াই হত্যা কৰিব খোজা নায়কসকলে নিশ্চয় নাজানে যে এটা সময়ত সেই গুলীবোৰ উভতি আহি সিহঁতকে আঘাত কৰিব পাৰে।

সত্যাগ্ৰহীসকলে লাহে লাহে গুলীক ভয় নকৰা হ'ল। মৃত্যুৰ পৰপাৰত থাকিও যদি

অসম মাতৃৰ চকুলো মোচ খোৱা দেখে তথাপি তেওঁলোকে মনত শান্তি পাব। এয়া এক মৃত্যু পণ হিচাবেই গঢ়ি উঠিছে। পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্যসূচী অনুযায়ী কেইবা হেজাৰ মহিলাৰ এক সমদল গুৱাহাটীৰ জজ খেলপথাৰৰ পৰা দিছপুৰলৈ পদব্ৰজে গৈ মুখ্যমন্ত্ৰী যোগেন হাজৰিকাক মুকলিভাবে প্ৰশ্ন কৰিবলৈ আগবাঢ়িল। এই সমদলত অতি বৃদ্ধাকে ধৰি কলেজৰ, স্কুলৰ ছাত্ৰীয়েও যোগদান কৰে। যিখন দেশৰ প্ৰধানমন্ত্ৰী মহিলা সেইখন দেশৰে এক প্ৰান্তত আজি মাতৃভূমিৰ সুৰক্ষাৰ বাবে মহিলাসকল অস্থিৰ হৈ পৰিছে, মৃত্যু ভয় পাহৰি গৈছে। মহিলাসকলে হাজৰিকাক ভোটাৰ তালিকা শুদ্ধ কৰিহে নিৰ্বাচন পতাৰ সিদ্ধান্ত কৰিছে নে নাই প্ৰশ্ন কৰে। যিসকল লোকে ভোটাৰ তালিকাত স্থান পাব নালাগে তেনে ভোটাৰ তালিকাৰে নিৰ্বাচন পতা উচিত হ'ব নে, বিশেষ বিশেষ পদবীত থকা বিষয়াসকলৰ হঠাতে কৰা বদলিৰ মূল কাৰণ কি আদি প্ৰশ্ন কৰে। হাজৰিকাই কোনো প্ৰশ্নৰ সঠিক উত্তৰ দিব নোৱাৰিলে। তেওঁলোকে হাজৰিকা ডাঙৰীয়াক প্ৰকাৰন্তৰে জনাবলৈ বাধ্য হ'ল যে ৰাজশাসনে ক্ষমতাৰ কোনো অপপ্ৰয়োগ কৰিব নালাগে। ত্যাগৰ আদৰ্শ নথকা কোনো লোকেই প্ৰকৃতাৰ্থত সমাজ সেৱা কৰিব নোৱাৰে, ৰাজশাসন বহু দূৰত।

এটা বৃহৎ আন্দোলনৰ জৰিয়তে প্ৰশাসনক অসমৰ অৱস্থাটোৰ কথা ভালদৰে বুজাই দিয়াৰ পাচতো কেন্দ্ৰীয় চৰকাৰৰ মনোবৃত্তিৰ কোনো পৰিবৰ্তন চকুত নপৰিল। বৰং এই গণ আন্দোলনক সামান্য এক প্ৰতিবাদ হিচাবে প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা দেখা গ'ল। ১৬ নবেম্বৰৰ দিনাখন যেতিয়া বি. বি. চিয়ে লাখ লাখ মানুহ ৰাজপথলৈ শান্তিপূৰ্ণভাবে ওলাই অহা বুলি বাতৰি প্ৰচাৰ কৰে অল ইণ্ডিয়া ৰেডিঅ'ই মাত্ৰ ৬০ হেজাৰ মান লোকেহে সত্যাগ্ৰহত অংশ গ্ৰহণ কৰা বুলি বাতৰি পৰিবেশন কৰে। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে অসমবাসীৰ মনোবেদনা বুজিবলৈ সক্ষম নহ'ল।

ইতিমধ্যে সত্যাগ্ৰহৰ পৰৱৰ্তী কাৰ্যসূচী লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ১৭ নবেম্বৰত গণ সত্যাগ্ৰহৰ সামৰণি পৰিব। যিহেতু চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ আশ্বাস বা সমস্যা সমাধানৰ ব্যৱস্থাৰ কথা প্ৰকাশ নাপালে সেইবাবে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে এক অংশ হিচাবে শান্তিপূৰ্ণ পিকেটিং বা ধৰ্ণা কাৰ্যসূচী ১৯ নবেম্বৰৰ পৰা আৰম্ভ হ'ব। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে অসমবাসীক সুশৃংখলভাবে ১৯ নবেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া কাৰ্যসূচীও সফল কৰিবলৈ বিনম্ৰভাৱে আহ্বান জনাইছে।

১৭ নবেম্বৰৰ সত্যাগ্ৰহৰ সামৰণি কাৰ্য ঃ "মৰে অসম জীয়ে কোন? জীয়ে অসম মৰে কোন?, দেশ যদি বিদেশীমুক্ত হয় শ্বহীদ হোৱাত কিহৰ ভয়? সংবিধানৰ পবিত্ৰতা ৰক্ষা কৰক, ৰক্ষা কৰক। বিদেশী নাগৰিকক বহিষ্কাৰ কৰক, বহিষ্কাৰ কৰক। নিৰ্বাচন বন্ধ কৰক, বন্ধ কৰক। ভুৱাবাজি বন্ধ কৰক, বন্ধ কৰক। প্ৰৱঞ্চনা নচলিব, নচলিব। ইনক্লাব জিন্দাবাদ। অসম মাতৃ জিন্দাবাদ, জিন্দাবাদ" আদি বিভিন্ন ধৰণৰ ধ্বনিৰে দশোদিশ

মুখৰিতহৈ পৰিল। দেশপ্ৰেমমূলক গীতেৰে চৌপাশ নিনাদিত হ'ল। সাত ৰাতিপুৱাৰে পৰা লাখ লাখ মানুহ ৰাস্তাত নামি পৰিল। মানুহৰ সোঁতৰ যেন কোনো অন্ত নাই। জাল জুৱাচুৰী কৰি ভোটাৰ তালিকাত বিদেশীৰ নাম যাতে সুমুৱাব নোৱাৰে আৰু সোমোৱাবোৰৰ নাম অপসাৰণ কৰা হয় তাৰ বাবেই এই বৃহৎ সত্যাগ্ৰহৰ অংশীদাৰ। এয়া এক পবিত্ৰ কৰ্তব্য হিচাবেই সকলোৱে সত্যাগ্ৰহী হৈছে। উদ্দেশ্য, অসম তথা ভাৰতৰ সুৰক্ষা হ'ব লাগে আৰু অবৈধ বিদেশীয়ে ৰাজনীতিত অংশ গ্ৰহণ কৰাৰ অধিকাৰ পাব নালাগে, ৰাজনীতিত প্ৰভাব পেলাব নালাগে। মহাত্মা গান্ধীৰ ছবিখন লৈ যেতিয়া সত্যাগ্ৰহীয়ে আগবাঢ়ে তেতিয়া এক কিলোমিটাৰ বাট অতিক্ৰম কৰিবলৈ প্ৰায় তিনি ঘণ্টা সময় গুৱাহাটীত লাগিছিল। সকলো যান-বাহন বন্ধ হৈ গৈছিল। ৰাস্তাত কেৱল জন সমুদ্ৰ। চৰকাৰে কোনো কাৰাগাৰ নিৰ্মাণ কৰিব নোৱাৰিলে। জনস্ৰোত দেখি চৰকাৰ প্ৰায়স্তব্ধ হৈ গৈছিল। সেইদিনা মেঘালয়ৰ ২৫ জনীয়া ছাত্ৰ সন্থাৰ এটা দলে সত্যাগ্ৰহত অংশ গ্ৰহণ কৰি সহৃদয়তা প্ৰকাশ কৰে।

১৭ নৱেম্বৰত দিল্লীত সত্যাগ্ৰহ পালন ঃ দিল্লীৰ অসম ছাত্ৰ সংগঠনে তাত বসবাস কৰা অসমীয়াসকলৰ লগত লগ লাগি বোট ক্লাবত শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত নকৰা পৰ্যন্ত নিৰ্বাচন বন্ধ ৰাখিবলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। সমদল যাত্ৰাৰ সময়ত তেওঁলোকে, "অসমৰ সমস্যা ভাৰতৰ সমস্যা", "নিৰ্বাচনক প্ৰহসনত পৰিণত নকৰিব" আদি ধ্বনিৰে চৌপাশ মুখৰিত কৰি তোলে। স্মাৰকপত্ৰখন মুখ্য নিৰ্বাচনী আয়ুক্তৰ হৈ সচিব শ্ৰীগণেশনে গ্ৰহণ কৰে। তেখেতে স্পষ্টকৈ কয় যে "কোনো অবৈধ বিদেশীয়ে ভোটদান কৰা উচিত নহয়" লগতে কয় যে নিৰ্বাচন অৱশ্যে বন্ধ ৰখাও উচিত নহয়।

১৯ নৱেম্বৰৰ পৰা ধৰ্ণা কাৰ্যসূচী ঃ এক অতি বৃহৎ আন্দোলনেও ৰাজ্য তথা কেন্দ্ৰৰ গা লৰাব নোৱাৰিলে। চৰকাৰে একাষাৰ আশ্বাসৰ বাণীও শুনাব নোৱাৰিলে। এইটোৱে প্ৰকাৰন্তৰে প্ৰমাণ কৰিলে যে যদিও ভাৰত, বৃটিছ শাসনৰ পৰা স্বাধীন হোৱা বুলি কোৱা হয়, অসম এতিয়াও যেন স্বাধীন ভাৰতৰ অংগভূক্ত হ'ব পৰা নাই। অন্য প্ৰকাৰে এনেকৈয়ো ব্যাখ্যা কৰিব পাৰি যে অসমীয়াবোৰে কেন্দ্ৰীয় চৰকাৰক কোনো পৰামৰ্শ আগবঢ়োৱাটো এটা অসহনীয় আবদাৰত বাহিৰে একো নহয়। অসম যদি কিবা প্ৰকাৰে নিশ্চিহ্ন হৈয়ো যায় তাতো তেওঁলোকৰ মূৰ ঘমোৱাৰ কোনো প্ৰয়োজন নাই বুলিয়ে ভাবে। এয়া এক অদ্ভুত স্বাধীনতা আৰু অকল্পনীয় প্ৰজাতন্ত্ৰবাদ। কেন্দ্ৰীয় চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সেইবাবে সংগ্ৰামীসকলে ১৯ নৱেম্বৰৰ পৰা ধৰ্ণা কাৰ্যসূচী হাতত লৈছে। অসমৰ বিদেশী নাগৰিকৰ সমস্যাটো ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ সৃষ্টি। এই সমস্যা জনসাধাৰণৰ বাবে এক জীৱন-মৰণ সমস্যা আৰু তাক অসমবাসীয়ে সৃষ্টি কৰা নাই। এইটো চৰকাৰৰ এক মূৰ কামোৰণী হ'ব লাগিছিল আৰু যি কোনো প্ৰক্ৰিয়াৰে তাৰ সমাধান কৰিব লাগিছিল।

ইমানদিনে ইয়াক সমাধান নকৰাটো যে এক ক্ষমতা দখল কৰাৰ নিকৃষ্ট মানসিকতা তাক বুজিবলৈ কাৰো সৰহ্‌পৰ নালাগিল। ৰাজনৈতিক দলবোৰক ক্ষমতা লাভৰ বাবে সস্তীয়া ভোট বেংক লাগে, নিৰ্ভৰযোগ্য ভোট বেংক লাগে আৰু অবৈধ বিদেশী হৈছে এই ক্ষেত্ৰত আটাইতকৈ সহজে পাব পৰা ভোট বেংক। কাৰণ এই মানুহবোৰে ৰাজনৈতিকভাৱে সুৰক্ষা বিচাৰে। সেইবাবে চৰকাৰী পৃষ্ঠপোষকতাতেই বিদেশীবোৰে ভোটাৰ তালিকা দখল কৰি বহি লৈছে। সিহঁতবোৰ সুসংগঠিত। এডাল চুলিৰ সমানো সিহঁতক লৰচৰ কৰাব নোৱাৰে কাৰণ সিহঁতবোৰ কোনোপধ্যেই উৎখাত হোৱা ঠাইলৈ যাতে প্ৰত্যাগমন কৰিব নোৱাৰে তাৰ সুবন্দোবস্ত কৰা হৈছে। অসমীয়াবোৰ যে অসমত "ৰিফিউজী" হ'ব তাৰে পূৰ্বাভাস পৰিষ্কাৰ হোৱা সত্ত্বেও সেই সময়লৈকে প্ৰতিষ্ঠিত চৰকাৰে কোনো কাৰ্যকৰী ব্যৱস্থা নল'লে। ১৯-২২ নবেম্বৰলৈ পিকেটিং। কোনো কৰ্মচাৰীয়ে কাৰ্যালয়ত প্ৰৱেশ যাতে নকৰে তাৰ বাবে আহ্বান জনোৱা হৈছে। কোনোবা সোমাব খুজিলে তেওঁলোকক কোনো সমস্যাৰ সৃষ্টি হ'ব নোৱাৰাকৈ শান্তিপূৰ্ণভাৱে বাধা দান কৰিব আৰু প্ৰকৃত কাৰণ বুজাই ক'ব।

বিধান সভাৰ অধ্যক্ষ নিউজিলেণ্ডলৈ যোৱা পথত কলিকতাত দিয়া বিবৃতি : সেই সময়ত অসম বিধান সভাৰ সম্মানীয় অধ্যক্ষ আছিল চান্দ মহম্মদ। তেখেতক কলিকতা বিমান বন্দৰত সাংবাদিকে প্ৰশ্নবান কৰোতে তেখেতে কয় যে এয়া কোনো বঙালী বিৰোধী বা বঙালী খেদা আন্দোলন নহয়। বঙালীসকলৰ নিৰাপত্তাৰ কিবা ব্যৱস্থা লোৱা হৈছে নেকি সেই প্ৰশ্ন কৰাত বাতৰিত এই বুলি প্ৰকাশ পাইছিল যে যিকোনো অশান্তিপূৰ্ণ কাৰ্য হাতত ল'লেই তাক গুলীৰ সহায়ত সমাধান কৰা হ'ব। এয়া চৰকাৰী নিৰ্দেশ বুলিও অধ্যক্ষ গৰাকীয়ে জনাইছিল আৰু চৰকাৰী জাননী প্ৰকাশ কৰা হৈছিল বুলি কলিকতীয়া বাতৰিৰ একাংশত প্ৰকাশ পাইছিল। বিৰোধী পক্ষই এই খবৰৰ সত্যাসত্য জানিবলৈ বিচৰাত মুখ্যমন্ত্ৰী হাজৰিকাই স্পষ্ট জবাব দিব নোৱাৰিলে অৰ্থৎ প্ৰকাৰন্তৰে মানি ল'লে। এনে এজন মুখ্যমন্ত্ৰীয়ে তেনেহ'লে কোনবোৰ অসমৰ লোকৰ প্ৰতিনিধিত্ব কৰে ভাবিলে আচৰিত হ'ব লাগে। এনে এক পৰিস্থিতত মন্ত্ৰীসভাৰ সদস্যসকলে মুখ্যমন্ত্ৰীক ছাত্ৰ নেতা আৰু বিশিষ্ট নাগৰিকৰ সৈতে পৰামৰ্শ কৰিবলৈ অনুৰোধ কৰিলে। তেখেতে লগ ধৰিলে; কিন্তু নিজস্ব মত খোলাভাৱে প্ৰকাশ কৰিব নোৱাৰিলে। কোনো আশ্বাসো দিব নোৱাৰিলে। এটা আতুৰ অৱস্থাত যিজন মুখ্যমন্ত্ৰী জনসাধাৰণৰ কাষত থিয় হ'বলৈ সাহস গোটাব নোৱাৰিলে সময়ে তেখেতক কেনেদৰে বিশ্লেষণ কৰিব? এটা কলংকৰ বোজাকে কঢ়িয়াব লাগিব নে কি?

সংগ্ৰামী নেতাসকলে পুনৰবাৰ অসমৰ বীৰাংগনা মাতৃসকলক ওলাই আহিবলৈ আহ্বান জনালে। অসম মাতৃক ৰক্ষা কৰিবলৈ তেওঁলোক ওলাই আহিল। সতী জয়মতী, মূলা

গাভৰু, কনকলতা, ভোগেশ্বৰী ফুকননী আদিৰ আদৰ্শ চেকুৰ আগত ৰাখি মাতৃসকল পুনৰ আন্দোলনত জাপ দি পৰিল। পিকেটিঙৰ সময়ত পাব পৰা নিৰ্যাতনৰ কথা সোঁৱৰাই দিয়া হ'ল। সংযম আৰু ধৈৰ্য যে পৰম প্ৰয়োজনীয় তাকো বুজাই কোৱা হৈছিল।

চৰকাৰে নিষেধাজ্ঞা জাৰি কৰিলে। ডিব্ৰুগড়, যোৰহাট, নগাঁৱত নিষেধাজ্ঞা বলবৎ কৰা হৈছে। হাজৰিকাই পিকেটিং প্ৰত্যাহাৰ কৰিবলৈ আহ্বান দিছে। নিৰ্বাচনৰ পিছত ভোটাৰ তালিকা শুদ্ধ কৰা হ'ব বুলি পুনৰ দোহাৰিছে।

মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষকৰ লগত আলোচনা : মুখ্যমন্ত্ৰী যোগেন হাজৰিকাই ১৮ নবেম্বৰত গুৱাহাটীৰ মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ লগত দিছপুৰত সভা পাতিছে। হাজৰিকা ডাঙৰীয়াই ছাত্ৰ নেতাসকলক পিকেটিঙৰ কাৰ্যসূচী বন্ধ কৰাবলৈ তেওঁলোকক অনুৰোধ জনাইছে। দাবী আৰু আপত্তি নিষ্পত্তিৰ সময় তেখেতে আৰু এমাহ বৃদ্ধি কৰিবলৈ ২৬ নবেম্বৰৰ ঠাইত ২৬ ডিচেম্বৰলৈ বৃদ্ধি কৰাৰ বুলি ঘোষণা কৰিছে। অধ্যক্ষ আৰু শিক্ষকসকলে স্পষ্ট ভাষাত তেখেতক ক'লে যে বিদেশীৰ নাম থকা ভোটাৰ তালিকাৰে নিৰ্বাচন পাতিলে তাৰ পৰিণাম সদায়ে ভয়াবহ হৈ ৰ'ব আৰু তেনে কাৰ্যই সম্পূৰ্ণৰূপে সংবিধানকে অবমাননা কৰা বুলি বুজাব। সেইবাবে ১৯৮০ চনৰ ৩ আৰু ৬ জানুৱাৰীত অনুষ্ঠিত কৰিব খোজা নিৰ্বাচন সম্প্ৰতি বন্ধ ৰাখিব লাগে। লগতে ইয়াকো ক'লে যে এই আন্দোলনটো সৰ্বাত্মক। ই কেবল ছাত্ৰ সন্থাৰ আন্দোলন হৈ থকা নাই। অসমৰ সকলো শ্ৰেণীৰ লোকৰ সমৰ্থনত আৰম্ভ হোৱা এই আন্দোলন। এক বলিষ্ঠ নীতিৰ আধাৰত আৰু সংবিধানৰ মৰ্যাদা ৰক্ষা কৰাৰ বাবে এটা জাতিসত্বা নিশ্চিহ্ন হৈ যোৱা ভাবুকিৰ বিপৰীতে কৰা সামগ্ৰিক আন্দোলন। ছাত্ৰ সন্থাই ইয়াক বন্ধ কৰিব খুজিলেও অন্য অংশীদাৰসকলৰ সিদ্ধান্তৰ প্ৰয়োজন হ'ব।

১৯ নবেম্বৰৰ পৰা পিকেটিং আৰম্ভ : হাজৰিকাৰ আবেদনে কোনো কাম নিদিলে। পিকেটিং আৰম্ভ হ'ল। যান-বাহন, দোকান-পোহাৰ আদিক বন্ধৰ পৰা ৰেহাই দিয়া হৈছে। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়ৰ সন্মুখত বেজ পৰিধান কৰি পিকেটিংকাৰী বৈ আছে। কোনো কৰ্মচাৰীয়ে জোৰ কৰি ভিতৰত প্ৰৱেশ কৰিব খোজা নাই। বহুতে কাৰ্যালয়লৈকে অহাই নাই। বেংক, জীৱন বীমা নিগম আদিৰ কাৰ্যালয় প্ৰায় অচল হৈ গৈছে। শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰী অনুপস্থিত থকা বাবে শিক্ষানুষ্ঠানবোৰ প্ৰায় বন্ধ হৈ থকাৰ দৰে হৈছে। গুৱাহাটী তেল শোধনাগাৰ আৰু মালিগাঁৱৰ ৰেলৰেৰ কাৰ্যালয়তো কৰ্মচাৰী প্ৰায় নোযোৱাৰ দৰে। গুৱাহাটীৰ উচ্চ ন্যায়ালয়তো কাম-কাজ চলা নাই। মুখ্যমন্ত্ৰী, আন কেইজনমান মন্ত্ৰী পুলিচৰ সহায়ত জনতা ভৱনত প্ৰৱেশ কৰিছে। তেল আৰু প্ৰাকৃতিক গেছ আয়োগত কাম-কাজ হোৱা নাই। দিছপুৰ সচিবালয় শূণ্য প্ৰায়। ১৪৪ ধাৰা আৰু নিষেধাজ্ঞা ভংগ কৰাৰ অপৰাধত প্ৰায় ১০০০ জনক আটক কৰা হৈছে। সত্যাগ্ৰহলৈ সহযোগিতা আগবঢ়োৱা সকলো

অনুষ্ঠান-প্ৰতিষ্ঠানে পিকেটিং কাৰ্যসূচীলৈকো সমৰ্থন আগবঢ়াইছে।

ইতিমধ্যে মুখ্য নিৰ্বাচনী আয়ুক্তই ভোটাৰ তালিকা শুদ্ধ কৰিবলৈ ২৬ নবেম্বৰৰ পৰা ৩০ নবেম্বৰলৈ সময় বৃদ্ধি কৰিছে।

৭ টা ৰাজনৈতিক দলৰ আহ্বান ঃ সাতটা ৰাজনৈতিক দলে যুটীয়াভাৱে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এক আবেদন কৰি কয় যে অসমৰ এই আন্দোলনটোৰ দাবী সম্পৰ্কে আন্দোলনৰ নেতৃবৰ্গৰ লগত আলোচনা কৰি এটা মীমাংসাত উপনীত হ'ব লাগে আৰু সমস্যাটো আইনৰ চকুৰে বিচাৰ কৰিব লাগে, পুলিচৰ দ্বাৰা কৰিব নালাগে। এই নেবৃবৰ্গ আছিল তাৰিণী বৰুৱা (অঃ জঃ দল), চামচুল হুদা (RCPI), মানবেন্দ্ৰ শৰ্মা (Cong-I) অশিত ভট্টাচাৰ্য (SUCI), প্ৰমোদ গগৈ (CPI), সত্যেশ ভট্টাচাৰ্য (CPI-MI), অচিন্ত্য ভট্টাচাৰ্য (CPM)। আলোচনাৰ জৰিয়তে এটা উচিত মীমাংসাত উপনীত হোৱাৰ বাবে এওঁলোকে আন্দোলনকাৰীক আবেদন জনালে আৰু শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈ আহ্বান জনায়। এই ৰাজনৈতিক দলবোৰে লাখে লাখে বিদেশী নাগৰিকৰ নাম যেতিয়া ভোটাৰ তালিকাত সোমাল তাৰ বিৰুদ্ধে এবাৰো মাত মতা নাই অথচ কি প্ৰকাৰে এই অবৈধ বিদেশীৰ ভোটেৰে নিৰ্বাচন খেলি ক্ষমতা দখল কৰিব পাৰি তাৰ বাবেহে যে উদ্বিগ্ন সেই কথা পুনৰ প্ৰমাণ কৰিলে। প্ৰকৃতপক্ষে এওঁলোকে উমৈহতীয়াভাৱে কেন্দ্ৰীয় চৰকাৰ আৰু নিৰ্বাচনী আয়ুক্তক সজোৰে দাবী কৰিব লাগিছিল যে নিৰ্বাচন অনুষ্ঠিত কৰাৰ আগতে সংবিধানৰ সুৰক্ষাৰ বাবেই ভোটাৰ তালিকা শুদ্ধ কৰাটো উচিত হ'ব। এওঁলোকে তেনে দাবী কৰিব নোৱাৰিলে। ১৯৭৫ চনত অসম ৰাজ্য চৰকাৰক ভোটাৰ তালিকা সংশোধনৰ পৰামৰ্শ নিৰ্বাচন আয়োগে দিছিল। তাক কাৰ্যকৰী কৰা নহ'ল ৰাজনৈতিক ক্ষমতা লাভৰ দুৰাকাংক্ষাৰ বাবে। পিকেটিঙৰ দ্বিতীয় দিনৰ কাৰ্যসূচীও সুকলমে সম্পন্ন হয়। অৱশ্যে দ্বিতীয় দিনাৰ পিকেটিঙৰ সময়ত সচিবালয়ত পুলিচ বাহিনী নিয়োগ কৰা হয় যদিও কৰ্মচাৰীৰ উপস্থিতি প্ৰায় নাই বুলিব পাৰি। সেইদিনাখন গুৱাহাটীত কেইগৰাকীমান ছাত্ৰীক আটক কৰি বিচাৰাধীন ২৫ জনী কয়দীৰ সৈতে ৰাখে। তেওঁলোকৰ বাবে সামান্য সুবিধাৰো ব্যৱস্থা কৰা হোৱা নাছিল। সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা পিকেটিঙৰ কবলত থকা সময়তে ২০ নবেম্বৰত বঙালীৰ ওপৰত আতিশয্য বন্ধ কৰাৰ দাবীত বৰাক উপত্যকাত বন্ধ পালনৰ আহ্বান জনোৱা হৈছিল। এই সময়তে ভাৰতৰ উপ প্ৰধানমন্ত্ৰী চৱনে এক মন্তব্যত অসমীয়াসকলৰ আন্দোলন অনাঅসমীয়াৰ বিৰুদ্ধে বুলি মন্তব্য কৰে আৰু এনে আন্দোলনৰ কোনো কাৰণ থাকিব নোৱাৰে বুলি কোৱাত তেখেতে যে অসমৰ অৱস্থাটোৰ প্ৰতি সামান্যভাৱেও উৎকণ্ঠা প্ৰকাশ কৰা নাই তাকে প্ৰমাণ কৰি বিদেশী নাগৰিকৰ সমস্যাটো লঘু কৰিবলৈ বিচাৰে।

লামডিঙত সান্ধ্য আইন ঃ নবেম্বৰৰ ২০ তাৰিখে কিছুমান দুৰ্বৃত্তৰ আক্ৰমণত পুলিচ চাব্ ইন্সপেক্টৰ কমলেশ্বৰ বৰাৰ মৃত্যু ঘটে। লামডিঙত অসমীয়াসকল তাকৰীয়া বাবে

তেওঁলোকৰ ওপৰত বিদেশী নাগৰিকৰ আক্ৰমণ আৰম্ভ হয়। নাৰী নিৰ্যাতনো হয়। ফলত তাত সান্ধ্য আইন প্ৰৱৰ্তন কৰা হয়।

অধ্যাপক সমৰ গুহৰ মন্তব্য ঃ অধ্যাপক সমৰ গুহই ৰাষ্ট্ৰপতিক অসমৰ বিদেশী নাগৰিকৰ সমস্যা শান্তিপূৰ্ণভাৱে সমাধান কৰিবলৈ আহ্বান জনায়। তেখেতে অসমবাসীৰ দাবী ন্যায়সংগত বুলি কয় আৰু এই দাবীৰ প্ৰতি সন্মান জনাব লাগে বুলি অনুৰোধ কৰে। লগতে তেখেতে "অসমীয়া ভাই-ভনীসকলক" সংঘৰ্ষৰ সলনি শান্তিপূৰ্ণ পদ্ধতিৰে নিষ্পত্তি কৰিবলৈ আহ্বান জনায়। তেখেতে এইদৰে ৰাষ্ট্ৰপতিক অনুৰোধ কৰে- "The President should also appeal to the Assamese to realise that the old settlers in Assam should not be mercilessly squeezed out and the new entrants from Bangladesh should be given human and compassionate treatment." আচলতে সমৰ গুহই অসমৰ প্ৰকৃত অৱস্থাটো অধ্যয়ন কৰিবলৈ সুযোগ লাভ কৰা নাই। নানা ধৰণৰ প্ৰচাৰ মাধ্যমৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিহে বিবৃতিটো প্ৰকাশ কৰা যেন লাগে; কিন্তু তেখেতে সঠিকভাৱে উপলব্ধি কৰিব পাৰিছিল যে অসম এক বৃহৎ সংকটাপন্ন অৱস্থাত উপনীত হৈছে আৰু তাৰ এটা সঠিক সমাধান ওলাব লাগে।

নিৰ্বাচনৰ তাৰিখ ঘোষণা ঃ মুখ্য নিৰ্বাচনী আয়ুক্ত এচ. এল. ছাকধেৰে ২১ নৱেম্বৰ তাৰিখে অসমতো বাকী ৰাজ্যৰ লগতে একে ধৰণৰ কাৰ্যসূচী মতে নিৰ্বাচন অনুষ্ঠিত কৰিব আৰু তাৰ তাৰিখ হ'ল ১৯৮০ চনৰ ৩ আৰু ৬ জানুৱাৰী। ৰাষ্ট্ৰপতিয়ে ৩ ডিচেম্বৰত নিৰ্বাচনী জাননী ঘোষণা কৰিব আৰু অসমত নিৰ্বাচন পিচুওৱাৰ কোনো প্ৰশ্ন নুঠে বুলি মন্তব্য কৰে। লগতে ইয়াকো কয় যে বিদেশী নাগৰিকৰ সমস্যাটোৱে ৰাজনৈতিক স্বৰূপ গ্ৰহণ কৰিছে আৰু ইয়াক আইনৰ দৃষ্টিৰে চোৱা উচিত হ'ব। সময় মতে ভোটাৰ তালিকা শুদ্ধ কৰা হ'ব বুলি ছাকধেৰে দৃঢ়তাৰে কয়। তেখেতে আনকি ভোটাৰৰ সংখ্যা বৃদ্ধি অস্বাভাবিক বুলিও নাভাবে আৰু কোনো বিসংগতি তেখেতৰ চকুত পৰা নাই বুলি কয়। তেখেতে আৰু কয় যে ত্ৰিপুৰাত ২১ শতাংশ আৰু মেঘালয়ত সেই একে সময়তে ১৯ শতাংশ বৃদ্ধি পাইছিল। ১৯৭৭ চনৰ ভোটাৰৰ ৰাষ্ট্ৰীয় বৃদ্ধিৰ ১২.৬৩ শতাংশৰ বিপৰীতে অসমৰ ১৮ শতাংশ বৃদ্ধিত আচৰিত হ'বলগীয়া একো নাই বুলি কৰা মন্তব্যই তেখেতৰ মুখ্য নিৰ্বাচনী আয়ুক্তৰ ব্যক্তিত্বৰ ওপৰত যে বিৰূপ প্ৰতিক্ৰিয়া পেলাব তাত কোনো সন্দেহ নাই। কাৰণ এইজন ব্যক্তিয়ে অসংখ্যবাৰ অসমৰ জন বিস্ফোৰণত গভীৰ উদ্বেগ প্ৰকাশ কৰিছিল। ছাকধেৰৰ এই মন্তব্য ৰাষ্ট্ৰহিতৰো পৰিপন্থী। এইটোৱে সন্দেহাতীতভাৱে আকৌ এবাৰ প্ৰমাণ কৰিলে কি বৃহৎ পৰিমাণৰ বিদেশী নাগৰিকে অসম, মেঘালয় আৰু ত্ৰিপুৰাত প্ৰৱেশ কৰিছে।

পিকেটিঙেও সৰ্বাত্মক ৰূপ ধাৰণ কৰিছে। অফিচ-কাছাৰী, স্কুল-কলেজ সকলো প্ৰায় বন্ধ হোৱাৰ দৰে হৈ পৰিছে। স্বেচ্ছাই সকলোৱে পিকেটিঙৰ কাৰ্যসূচীত সমৰ্থন জনাইছে।

জাতীয়তাবাদী দলে ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী ১৯৫২ চনৰ ভোটাৰ তালিকাৰ ভেটিত শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ আহ্বান জনাইছে। আন্দোলনটোৰ গতিধাৰা নিজ চকুৰে চাবলৈ আৰু দাবীৰ প্ৰকৃত কাৰণ জানিবলৈ জনতা পাৰ্টিৰ সাধাৰণ সম্পাদক সুৰেন্দ্ৰ মোহন নিজে অসমলৈ আহি বিষয়টো গভীৰভাৱে অধ্যয়ন কৰে। তেখেতে অধ্যয়নৰ অন্তত এই বুলি মন্তব্য কৰে যে অসমৰ এই আন্দোলন কোনো অনাঅসমীয়াৰ বিৰুদ্ধে নহয় আৰু কোনো ভাৰতীয় নাগৰিকৰ বিৰুদ্ধেও নহয়। এয়া অভাৰতীয়ৰ বিৰুদ্ধে এক ন্যায্য আন্দোলন বুলি কয়। অধ্যাপক অজিৎ কুমাৰ শৰ্মাই চৰন আৰু ছাকধেৰক সমালোচনা কৰে। ১৯৭৮ চনৰ ২০ অক্টোবৰ তাৰিখে উটকামাণ্ডত মুখ্য নিৰ্বাচনী বিষয়াৰ সভাত দিয়া ভাষণৰ কিয়দংশ ইয়াত সন্নিবিষ্ট কৰা হ'ল। "I would like to refer to the alarming situation in some states, especially in the North Eastern Region wherefrom disturbing reports are coming regularly regarding large scale inclusion of foreign nationals in the electoral rolls. In one case the population in 1971 census recorded an increase as high as 34.98% over the 1961 figures and this increase was attributed to the influx of very large number of persons from the neighbouring countries. This influx has become a regular feature.I think that it may not be wrong assessment to make that on the basis of increase of 34.98% between two sensus the increase that is likely to be recorded in 1991 sensus would be more than 100% over 1961 sensus. In other words a stage would be reached when the state may have to reckon with the foreign nationals who may in all probability consititute a sizeable percentage if not the majority of the population in the state. Another disturbing factor in this regard is the demand made by the political parties for the inclusion in the electoral rolls of the names of such migrants who are not Indian citizens, without even questioning and properly determining their citizenship status."

২১ নবেম্বৰত মুখ্যমন্ত্ৰী যোগেন হাজৰিকাই এটা বিবৃতি প্ৰকাশ কৰে। তেখেতে কয় ৰাজ্যখনৰ আইন-শৃংখলা অধিক কটকটীয়া কৰি তুলিছে। লগতে তেখেতে কয় যে অসমৰ বিদেশী নাগৰিকৰ সমস্যাটো এটা ৰাষ্ট্ৰীয় সমস্যা আৰু ইয়াৰ সমাধানৰ বাবে কেন্দ্ৰৰ সৈতে যোগাযোগ ৰক্ষা কৰিছে আৰু কোনবোৰ লোকক বিদেশী বুলি স্থিৰ কৰা হ'ব সেই বিষয়ে এক সঠিক সিদ্ধান্তত উপনীত হৈ ভোটাৰ তালিকাৰ পৰা অপসাৰণ কৰা আৰু বহিষ্কাৰ কৰা হ'ব বুলি পুনৰ দোহাৰে। তেখেতে লগতে স্বীকাৰ কৰে যে

ৰাজ্যখনত প্ৰায় ৮৫ লাখ বিদেশী সোমাইছে আৰু তাৰে মাত্ৰ ৬ লাখৰ বিৰুদ্ধেহে আপত্তি উত্থাপিত হৈছে। এনে এটা বিষয় চম্ভালিবলৈ সময়ৰ প্ৰয়োজন হ'ব বুলি মত পোষণ কৰে। এজন মুখ্যমন্ত্ৰীৰ এনে বিবৃতি যিকোনো মানুহৰ বিবৃতি বুলি ধৰা উচিত নহয়।

জ্যোতি বসুৱে আন্দোলনৰ পৰিবৰ্তে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে পুনৰ স্থিতি প্ৰকাশ কৰে আৰু ভোটাৰ তালিকাৰ বাবে ১৯৭৭ চনৰ ভোটাৰ তালিকাকে আধাৰ হিচাবে ল'বলৈ পৰামৰ্শ আগবঢ়ায়। ইতিমধ্যে লামডিঙৰ অৱস্থা স্পৰ্শকাতৰ বুলি ভাবি তাত অধিক নিৰাপত্তাৰ কাৰণে চৰকাৰ উৎকণ্ঠিত হৈছে। অসমীয়া মানুহখিনিক সাময়িকভাৱে স্থানান্তৰিত কৰা হৈছে কাৰণ ৰাজনৈতিকভাৱে অৱস্থাৰ অৱনতি ঘটিব পাৰে বুলি সন্দেহ উপজিছে।

২২ নৱেম্বৰত প্ৰথম পিকেটিং কাৰ্যসূচীৰ সফল পৰিসমাপ্তি ঘটে। সৰ্বাত্মক পিকেটিং কাৰ্যসূচীয়ে সমস্যাটোৰ গুৰুত্ব প্ৰকাশ কৰিবলৈ সমৰ্থ হয়। আন্দোলনৰ নেতৃবৰ্গই পিকেটিঙত অংশ গ্ৰহণ কৰি ইয়াক সফল কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে আৰু অধিক ত্যাগৰ বাবে সাজু থাকিবলৈ বিনম্ৰভাৱে আহ্বান জনায়। কিয়নো এইটো এটা দুৰ্যোৰ জাতীয় বিপদ আৰু এই বিপদ উত্তীৰ্ণ হ'ব নোৱাৰিলে অসমৰ ভবিষ্যৎ অন্ধকাৰ হৈ যাব।

বৰপেটাৰ ডেকা উকীল মৃগেন দাস আটক : বৰপেটা সমষ্টিৰ বাবে ভাৱী প্ৰাৰ্থী বেগম আবিদা আহমেদ বুলি প্ৰকাশ পাইছে। যথেষ্ট সংখ্যক সমৰ্থকে আবিদা আহমেদক প্ৰতিদ্বন্দ্বিতাৰ বাবে সাজু হ'বলৈ কোৱা বুলি বাতৰিত প্ৰকাশ পাইছিল। উকীল মৃগেন দাসৰ সৈতে আবিদা আহমেদৰ নিৰ্বাচনী তত্ত্বাবধায়ক এজনৰ হেনো কথা কটাকটি হৈছিল আৰু সেই সূত্ৰে দাসক আটক কৰে আৰু পিছত জামিনত খালাচ হৈ আছে।

লামডিঙৰ ঘটনাৰ প্ৰতিক্ৰিয়া : লামডিঙৰ পুলিচ বিষয়া কমল বৰাৰ হত্যাকাণ্ড আৰু অসমীয়া নাৰীৰ ওপৰত কৰা নিৰ্যাতন সংঘটিত হোৱাত নগাঁৱৰ বঙালী লোকসকল সন্ত্ৰস্ত হৈ পৰা দেখা গৈছিল আৰু তেওঁলোক প্ৰতিশোধৰ বলি হ'ব পাৰে বুলি উৎকণ্ঠিত হোৱা দেখা গৈছিল। সেইবাবে তেওঁলোকে লামডিঙৰ ঘটনাক তীব্ৰভাৱে নিন্দা কৰে আৰু সকলো বংগভাষী লোকক আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

২৪ নৱেম্বৰত কেন্দ্ৰীয় সচিব অসমলৈ আহে আৰু মুখ্যমন্ত্ৰীৰ সৈতে এলানি আলোচনা কৰে যদিও আলোচনাৰ পূৰ্ণপাঠ গোপন থাকে। ভাৰতীয় মজদুৰ সংঘৰ সাংগঠনিক সম্পাদক ব্ৰজেন্দ্ৰ প্ৰসাদে ছাকধেৰৰ নিৰ্বাচনৰ তাৰিখ ঘোষণাক সমালোচনা কৰে আৰু শুদ্ধ ভোটাৰ তালিকা প্ৰণয়ন নকৰা পৰ্যন্ত নিৰ্বাচন বন্ধ ৰাখিবলৈ আহ্বান জনায়। তেখেতে আন্দোলনলৈ পূৰ্ণ সমৰ্থন আগবঢ়ায়।

উৎকণ্ঠা বৃদ্ধি : লাহে লাহে অসমৰ জনগণৰ আশংকা বৃদ্ধি পাবলৈ ধৰে। কৰ্তৃত্বশীল মহলৰ পৰা কোনো ধৰণৰ সহাঁৰি প্ৰকাশ পোৱা নাই। ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰে

সমস্যাটোৰ এটা নীতিগত সমাধান উলিয়াবলৈ উদ্যোগ লোৱা নাই। ক্ষমতাৰ অপপ্ৰয়োগ কৰি, অসমীয়াসকলৰ এটা সঁচা ভীতিৰ ভাবক কোনো সন্মান নকৰি, মুক আৰু বধিৰ হিচাবে অসমবাসীক মৃত্যুৰ দুৱাৰলৈ ঠেলি দি এটা অবৈধ নিৰ্বাচন জাপি দিবলৈ উদ্যত হোৱাটো পৰিষ্কাৰ হৈ পৰিল। চলে বলে কৌশলে আন্দোলনটো নিশেষ কৰাৰ কৌশলো অৱলম্বন কৰাটো দৃষ্টিগোচৰ হৈ পৰিল। শাসকবৰ্গ যে জনগণৰ পৰা বহুত আঁতৰত অৱস্থান কৰিছে তাৰ আভাস স্পষ্ট হৈছে। অসমৰ মজিয়াত যদি আজি বিদেশীয়ে চুৰীকাঘাত কৰিব পাৰে, নাৰীক লাঞ্চিত কৰিব পাৰে, ৰাজনৈতিক অধিকাৰ কাঢ়ি নিয়াৰ পৰিকল্পনা কৰিব পাৰে, অৰ্থনীতিৰ ওপৰত চৰম আঘাত হানিব পাৰে আৰু তেনে অৱস্থা চকুৰ আগত দেখিয়ো যদি ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰ নীৰৱ দৰ্শক হৈ ৰয় তেনেহ'লে সাধাৰণ জনগণে কি ব্যৱস্থাৰে নিজৰ ৰক্ষণাবেক্ষণ নিশ্চিত কৰিব পাৰে। আন্দোলনৰ মাধ্যমেৰে দৃষ্টি আকৰ্ষণ কৰা হৈছে। সদৌ অসম ৰেল কৰ্মচাৰীয়ে মিটিং পাতি লামডিঙৰ ঘটনাক তীব্ৰ ভাষাত নিন্দা কৰিছে আৰু স্থানীয় লোকৰ নিৰাপত্তা দাবী কৰিছে।

ইতিমধ্যে পশ্চিমবংগ চৰকাৰে অসম চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰিছে যে অসমৰ পৰা ভগনীয়া হৈ যোৱা শৰণাৰ্থীসকলক উভটাই আনি সংস্থাপিত কৰিব লাগে। অসম চৰকাৰে তেনে ভগনীয়াৰ তথ্যৰ যোগান ধৰিবলৈ অনুৰোধ কৰাৰ বিপৰীতে পশ্চিমবংগ চৰকাৰে অসমৰ বিষয়াক আশ্ৰয় শিবিৰলৈ গৈ শৰণাৰ্থীৰ প্ৰকৃত তথ্য আহৰণ কৰিবলৈ কৈছে। ফলত দুখন প্ৰতিবেশী ৰাজ্যৰ মাজত সম্ভাব বিনষ্ট হোৱাৰ উপক্ৰম হৈছে। অসম চৰকাৰে জলপাইগুড়ি আৰু আলিপুৰলৈ এজন বিষয়া পঠিয়াবলৈ সিদ্ধান্ত লোৱা বুলি প্ৰকাশো পাইছে।

উপায়ন্তৰ হৈ সদৌ অসম ছাত্ৰ সস্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে ঐক্যমতত উপনীত হৈছে যে সংগ্ৰাম দীঘলীয়া হ'ব আৰু পৰবৰ্তী কাৰ্যসূচী অতি সোনকালে ঘোষণা কৰিব।

সৌগত ৰয়ৰ পৰামৰ্শ : ২৪ নবেম্বৰত কেন্দ্ৰীয় ৰাজ্যিক তেল মন্ত্ৰী সৌগত ৰয়ে জলপাইগুড়িৰ এখন সভাত ভাষণ দি এই পৰামৰ্শ দিয়ে যে অসম আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী একেলগে বহি অসমৰ পৰা ভাগি যোৱা শৰণাৰ্থীসকলৰ সংস্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেখেতে সভাত উত্তেজনা সৃষ্টি কৰিব পৰা আৰু অধিক ভুল বুজাবুজিৰ সৃষ্টি কৰিব পৰা ভাষণ দাখে। লগতে কয় যে এই আন্দোলন কঠোৰ হাতেৰে দমন কৰিব লাগে।

বিজন সিনহা আটক : বিজন সিনহাৰ বয়স ৪২ বছৰ। তেওঁ নানা অপৰাধত অপৰাধী বুলি অভিযোগ আছে। গুৱাহাটী ৰেলৱে ষ্টেচনৰ ৰানিং ষ্টাফৰ কোঠাত তেওঁক হঠাতে আটক কৰে। এইজন দুষ্কৃতিকাৰীয়ে অসমীয়া আৰু বঙালী মানুহৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি কৰিবলৈ নানা কুট কৌশল গ্ৰহণ কৰা বুলি অভিযোগ আছে। তেওঁৰ লগত থকা এখন

মোনাৰ পৰা "আমৰা বঙালী"ৰ ভৱিষ্যতৰ এখন ৰাজ্যৰ পৰিসীমা কিমানখিনি হ'ব তাৰে এখন মানচিত্ৰ আৰু অন্যান্য আপত্তিজনক নথিপত্ৰ উদ্ধাৰ হৈছে। সেই মানুহজনে গুৱাহাটীৰ বঙালী প্ৰধান অঞ্চলত প্ৰচাৰ কৰি ফুৰিছে যে অসমীয়া লোকে যিমানে চিএৰ-বাখৰ নকৰক কিয় অবিভক্ত গোৱালপাৰা, কামৰূপ, নগাঁও আৰু কাছাৰ বংগৰ লগত চামিল নোহোৱা পৰ্যন্ত তেওঁলোক ক্ষান্ত নাথাকে। এনে প্ৰচাৰৰ অন্তৰালত যে বিশেষ কোনো শক্তি জড়িত হৈ আছে তাত কোনো সন্দেহ থকা উচিত নহয়। কাৰণ এটা সময়ত সমগ্ৰ পূৰ্বাঞ্চল বৃহৎ বংগৰ ভিতৰুৱা কৰিবলৈ এক পদক্ষেপ লোৱা হৈছিল আৰু পৰিকল্পনাও কৰা হৈছিল বুলি প্ৰকাশ পাইছিল। অৱশ্যে সেই পৰিকল্পনা পূৰ্ব পাকিস্তান (বৰ্তমান বাংলাদেশ)ৰ সৃষ্টিৰ লগে লগে বাধাগ্ৰস্ত হৈ পৰে। তাৰ বাবে কাক জগৰীয়া কৰা উচিত হ'ব সেই বিষয়ে মন্তব্য দিয়া উচিত নহ'ব বুলি বিবেচনা কৰা হৈছে এই বাবে যে আততায়ী যদি শক্তিশালী হয় তাক বোধ কৰাৰ বাবেও শক্তি আহৰণৰ প্ৰয়োজন। দুৰ্বলে কোনো কালে নিজক ৰক্ষা কৰিব পৰা নাই।

নিৰ্বাচন বন্ধ কৰিবলৈ উত্তৰ পূৰ্বাঞ্চলীয় ছাত্ৰ সন্থাৰ এটা দল ২৫ নবেম্বৰত দিল্লীলৈ যাত্ৰা কৰে। তাত তেওঁলোকে এক প্ৰতিবাদ দিৱস পালন কৰে। দিল্লীস্থ পূৰ্বাঞ্চলৰ লোকে তাত অংশ গ্ৰহণ কৰে। নিৰ্বাচন বন্ধ ৰাখিবলৈ ৰাষ্ট্ৰপতি, প্ৰধান মন্ত্ৰী আৰু নিৰ্বাচনী আয়ুক্তক একোখন স্মাৰক পত্ৰ প্ৰদান কৰে।

ৰাজ্যিক অসম জনতা দলে আন্দোলন পদ্ধতিক প্ৰশংসা কৰে। কংগ্ৰেছ চৰকাৰে যে অসমৰ বিদেশী নাগৰিকৰ সমস্যাটো সৃষ্টি কৰিছে তাক পুনৰ দৃঢ়তাৰে প্ৰকাশ কৰে আৰু সেই দলটোক জগৰীয়া কৰে। সেইদলে অসমক পুনৰ শাসন কৰাৰ কোনো নৈতিক অধিকাৰ নাই বুলি কয় আৰু অসমত বিদেশীৰ নাম ভোটাৰ তালিকাৰ পৰা অপসাৰণ নকৰা পৰ্যন্ত নিৰ্বাচন স্থগিত ৰাখিবলৈ দাবী কৰে।

নিৰ্বাচন জোৰজুলুমকৈ পাতিব খুজিলে বাধা প্ৰদান কৰিবলৈ ইতিমধ্যে এটা মানসিক দৃঢ়তাই অসমবাসীৰ মনত গা কৰি উঠিছে। ভাৰত চৰকাৰে আৰু নিৰ্বাচনী আয়ুক্তই অসমবাসীৰ দাবীৰ বিষয়ে চিন্তা কৰা দূৰৰ কথা এই আন্দোলনক কোনো মৰ্যাদাকে দিব নুখুজিলে। অসমবাসীয়ে ভাৰতৰ অংগ ৰাজ্যৰ নাগৰিকৰ মৰ্যাদা নোপোৱাটো কেৱল এক বেদনাদায়ক কথা নহয়, তেওঁলোক স্বাধীন ভাৰতৰ নাগৰিক হোৱাৰো যেন সামান্য অধিকাৰ নাই তেনে অনুভৱ কৰিবলৈ বাধ্য হৈ পৰিল। অসমৰ নাগৰিক আৰু বিদেশী নাগৰিকৰ মাজত যেন কোনো পাৰ্থক্য নাই সেই কথাকে কেন্দ্ৰীয় চৰকাৰে প্ৰতিপন্ন কৰিছে আৰু আজ্ঞাবাহী যন্ত্ৰৰ দৰে অসম চৰকাৰে তাক নিৰ্দ্বিধাই মানি লৈছে।

ইতিমধ্যে মাধ্যমিক স্কুলৰ শিক্ষকসকলে ২৫ নবেম্বৰত নিৰ্বাচন পাতিলেও নিৰ্বাচনৰ কোনো কাম নকৰে বুলি শিক্ষক সন্থাই সিদ্ধান্ত গ্ৰহণ কৰিছে।

ভাৰতীয় জাতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদকৰ পৰামৰ্শঃ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদক বঙ্ক বিহাৰী দাসে ২৫ নবেম্বৰত সকলো ৰাজনৈতিক দলৰ নেতৃবৃন্দৰ এখন সভা আহ্বান কৰি বিদেশী নাগৰিকৰ সংজ্ঞা কি হ'ব তাক নিৰূপণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায় আৰু আন্দোলনৰ নামত কোনো ভাৰতীয় নাগৰিক যাতে নিৰ্যাতনৰ সন্মুখীন নহয় তাৰ বাবে সুৰক্ষাৰ ব্যৱস্থা ল'ব লাগে। লগতে দেশৰ বাকী অংশৰ লগতে অসমতো নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে বুলি কয়। তেওঁলোকৰ দলে ১৪ খন আসনতে প্ৰতিদ্বন্দ্বিতা কৰিব বুলিও ঘোষণা কৰে। তেখেতৰ মতে নিৰ্বাচনী আয়ুক্তই বিদেশী নাগৰিকৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব বুলি কয়।

এটা সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ সাধাৰণ সম্পাদকৰ সংবিধানৰ জ্ঞান দেখিলে বিস্ময় মানিব লাগে। এওঁলোকে ভাৰতৰ জনগণক সুৰক্ষা দিব পাৰিব বুলি আৰু স্বাধীন ৰাষ্ট্ৰৰ নাগৰিকৰ প্ৰতি সংবিধানক সুৰক্ষা দি সেৱা আগবঢ়াব বুলি আশা কৰিব পৰা যাবনে?

অসম এডাল বিদেশী অজগৰৰ গৰ্ভত ঃ ২৬ নবেম্বৰত (১৯৭৯) দৈনিক ইংৰাজী কাকত "The Assam Tribune"ত দীনবন্ধুৰ নামত এখন দীঘল চিঠি প্ৰকাশ পায়। এই চিঠিখনৰ মূল কথাখিনি এনে ধৰণৰ আছিল। চৰকাৰৰ অকৰ্মণ্যতা বা অক্ষমতাৰ বাবে অসম ৰাজ্যখনক কেনেদৰে বিদেশীৰ হাতত তুলি দিয়াৰ প্ৰায় সকলো দিশ মুকলি ৰখা হৈছে আৰু তাৰ পৰিণতি হিচাবে অসমবাসীয়ে কেনে ভয়াবহতাৰ সন্মুখীন হ'বলগীয়াত পৰিছে সেয়া সকলো দেশপ্ৰাণ লোকে মৰ্মে মৰ্মে উপলব্ধি কৰিব নিশ্চয় পাৰিব।

(ক) স্বাধীন ভাৰতে দুবাৰ বিদেশী আক্ৰমণৰ বলি হয়। ১৯৬২ চনত ভাৰতৰ উত্তৰ-পূৰ্ব প্ৰান্ত অসম চীনে আক্ৰমণ কৰে আৰু ১৯৬৫ চনত ভাৰতৰ উত্তৰ-পশ্চিম প্ৰান্তত পাকিস্তানে আক্ৰমণ কৰে। উত্তৰ-পশ্চিম প্ৰান্ত আক্ৰমণ কৰোতে ভাৰতৰ সকলো ৰাজ্যই এক হৈ এই আক্ৰমণ প্ৰতিহত কৰিবলৈ সাজু হয়। আনহাতে ১৯৬২ চনত অসমৰ ওপৰত আক্ৰমণ হোৱাৰ সময়ত প্ৰধান মন্ত্ৰী জৱাহৰলালে অসমক বিদায় সম্ভাষণ জনালে।

(খ) ১৯৪৭ চনত ভাৰত স্বাধীন হোৱা সময়ৰে পৰা বৰ্তমানলৈ যিমানবোৰ বিদেশী নাগৰিক অসমত প্ৰবেশ কৰিলে সেই সকলে ১৯৬২ আৰু ১৯৬৫ চনৰ ভাৰত আক্ৰমণতকৈয়ো অধিক বিপদজনক পৰিস্থিতিৰ সৃষ্টি কৰিলে। কাৰণ অসমত প্ৰবেশ কৰা বিদেশীবোৰ স্থায়ীভাৱে বৈ গ'ল আৰু ভাৰত আক্ৰমণ কৰাৰ সময়ত বহিৰ্দেশৰ শত্ৰু সৈন্যবোৰ নিজ দেশলৈ উভতি গ'ল। বিদেশী নাগৰিকে অসমৰ বিভিন্ন ক্ষেত্ৰত কেনে প্ৰভাৱ পেলাইছে তাক নতুনকৈ ব্যাখ্যা কৰা নিষ্প্ৰয়োজন।

(গ) বিদেশী নাগৰিকৰ অপসাৰণৰ বিষয়তো জনসাধাৰণে উত্থাপন কৰাৰ প্ৰয়োজন নাছিল, ৰাজনৈতিকভাৱে দেশৰ কল্যাণৰ বাবেই কৰাৰ প্ৰয়োজন আছিল। ৰাজনৈতিক দল আৰু দলীয় নেতাৰ নিজস্ব লাভৰ বাবেই কিজানি বিদেশীক ভোট বেংক হিচাবে

ৰখাৰ প্ৰয়োজন। হীনমন্যতাও হ'ব পাৰে বা অকৰ্মন্যতা।

(ঘ) গণ সত্যাগ্ৰহৰ ব্যাপকতাই ভাৰতৰ বহু ৰাজ্যৰ জনসাধাৰণক মুঠেও সজাগ কৰা নাই তেনে নহয়; কিন্তু প্ৰতিবেশী দুখন ৰাজ্যই অসমৰ বিৰুদ্ধে অৱস্থান কৰাত সমস্যা অধিক জটিল হৈ পৰিল।

(ঙ) ৰাজনৈতিক নেতাসকলে যেনেকৈ বিদেশীৰ ভোটেৰে নিৰ্বাচন জিকি আত্মতৃপ্তি লাভ কৰে কোনো কোনো সংবাদজীৱিয়ে অসমৰ বিৰুদ্ধে প্ৰচাৰ মাধ্যমত নিজস্ব দৃষ্টিভংগী প্ৰকাশ কৰি ঘৃণনীয় আৰু ক্ৰুৰ সন্তুষ্টি লাভ কৰে।

(চ) ১৯৩১ চনত C. S. Mullan এ তেখেতৰ লোক পিয়লৰ প্ৰতিবেদনত এইদৰে মন্তব্য প্ৰকাশ কৰিছিল।

"In another 30 years the district of Sibsagar will be the only part of Assam in which an Assamese will find himself at home." তাৰ কাৰণবোৰ তলত দিয়া তালিকাখনে স্পষ্টভাৱে দাঙি ধৰে—

অসমৰ লোক পিয়ল

১ নং তালিকা

অসম	১৯৫১	১৯৬১	শতাংশ বৃদ্ধি	১৯৭১	শতাংশ বৃদ্ধি
অসম	৮০২৪৮৫৬	১০৮৩৭৩২৯	২৪.০৮	১৪৬২৫১৫২	৩৪.৯৫
কামৰূপ	১৪৯০৩২০	২০৬২৫৭২	৩৮.৪০	২৮৩৪১৮৩	৩৮.৮৬
গোৱালপাৰা	১১০৮১২৪	১৫৪৩৮৯২	৩৯.৩২	২২২৫১৬৩	৪৪.১২
নগাঁও	৮৮৬৯৬৫	১২১০৭৬১	৩৬.৫১	১৬৮০৮৯৫	৩৮.৮৩
দৰং	৯২৩৫৬২	১২৮৯৬৭০	৩৯.৬৪	১৭০৬১৮৩	৩৪.০২
শিৱসাগৰ	১২১২২২৪	১৫০৮৩৯০	২৪.৪৩	১৮৩৭৩৮৯	২১.৮১
লক্ষীমপুৰ	১১২৬২৯৪	১৫৬৩৮৪২	৩৮.৮৪	২১২২৭১৯	২৫.৭৪
সংযুক্ত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ	১৬৫৪৪০	২৭৯৭২৬	৬০.০৮	৪৫৫৩৭৫	৬২.৭৯
কাছাৰ	১১১৫৮৬৫	১৩৭৮৪৭৬	২৩.৫৮	১৭১৩৩১৮	২৪.২৯

ভাৰতৰ প্ৰতি ১০ বছৰৰ মূৰত বৃদ্ধিৰ হাৰ ২২ শতাংশ। তাৰ তুলনাত অসমৰ বৃদ্ধিৰ শতাংশ হাৰ ৩৪.৯৫ । এইটোৱে স্পষ্টকৈ প্ৰমাণ কৰে যে অসমত বিদেশী নাগৰিকৰ অবাধ প্ৰব্ৰজনৰ বাবেই বৃদ্ধি অভাৱনীয় হৈছে। গোৱালপাৰা, কামৰূপ, নগাঁও, দৰং, সংযুক্ত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰত হোৱা জনসংখ্যা বৃদ্ধিয়ে এচ. এল. ছাকধেৰ আৰু মুলানৰ মন্তব্যৰ সত্যতা প্ৰমাণ কৰিছে।

তলত দেখুৱা তালিকাৰ পৰিসংখ্যাই বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত কি পৰিমাণে প্ৰৱেশ ঘটিছে তাক সহজে অনুমান কৰিব পৰা যাব।

ভোটাৰৰ সংখ্যা আৰু বৃদ্ধি

২ নং তালিকা

চন	ভোটাৰৰ সংখ্যা	বৃদ্ধি	শতাংশ বৃদ্ধি
১৯৫৭	৪৪৯৮৩৫৭	—	—
১৯৬২	৪৯৪২৮১৬	৪,৪৯,৪৫৯	১০.০০
১৯৬৪	৫৫৮৫০৫৬	৬,৪২,২৪০	১২.৯৯
১৯৭০	৫৭০১৮০৫	১,১৬,৭৪৯	২.০৯
১৯৭১	৬২৯৬১০৮	৫,৯৪,৩৯৩	১০.৪২
১৯৭৭ (মাৰ্চ)	৭২৭৯৫৪৩	৯,৩৩,৩৪৫	১৪.৮২
১৯৭৭ (নবেম্বৰ)	৭৯,৭৪,৪৭৬	৭,৪৪,৯৩৩	১০.৩০
১৯৭৯ (খচৰা)	৮৫,৩৭,৪৯৭	৫,৬৩,০২১	৭.০৬

১৯৭০ চনলৈ পূৰ্ব পাকিস্তানলৈ বহিষ্কাৰ কৰা লোকৰ সংখ্যা- ১,৯১,৮৪৮

১৯৭৯ চনলৈ বাংলাদেশলৈ বহিষ্কাৰ কৰা লোকৰ সংখ্যা- ২,৯৭,৭৪২

২ নং তালিকাৰ পৰা এইটো দেখা গৈছে যে ১৯৫৭ চনৰ পৰা ১৯৭০ চনলৈ ভোটাৰৰ বৃদ্ধি ১২,০৮,৪৪৬ অৰ্থাৎ প্ৰতি বছৰে ৯২,৯৫৭ জন। আনহাতে ১৯৭০ ৰ পৰা ১৯৭৯ চনলৈ ভোটাৰৰ বৃদ্ধি হ'ল ২৮,৩৫,৬৯২ অৰ্থাৎ প্ৰতি বছৰে বৃদ্ধি হয় ৩,১৯,০৭৭ জনকৈ। এইটোৱে সন্দেহাতীতভাৱে প্ৰমাণ কৰিছে কি বৃহৎ পৰিমাণৰ বিদেশী লোকৰ নাম ভোটাৰ তালিকাত ঠাই পাইছে। সমগ্ৰ ভাৰতৰ বিভিন্ন ৰাজ্যৰ গড় মিলি ৪০ ৰ পৰা ৪৫ শতাংশ লোক ভোটাৰ হ'ব পৰা। অসমত যদি সৰ্বাধিক শতাংশ ৪৫ ধৰা হয় আৰু ১৯৫৭ ৰ পৰা ১৯৭০ চনলৈ ভোটাৰৰ বৃদ্ধি স্বাভাৱিক বুলি ধৰা হয় আৰু প্ৰতি বছৰত এই বৃদ্ধি যদি এক লাখ জন বুলি কোৱা হয় তেতিয়াও ১৯৭০ ৰ পৰা ১৯৭৯ চনলৈকে বিদেশীৰ সংখ্যা ৪৪ লাখৰ ওপৰত হ'ব। তাৰে যদি ৪ লাখ জন ভাৰতৰ অন্যান্য প্ৰান্তৰ লোক বুলি বিবেচনাও কৰা হয় তেতিয়াও অসমত অতি কমেও ৪০ লাখ জন বিদেশী

আছে। ৪০ লাখ বিদেশীয়ে অসমীয়া লোকক সংখ্যালঘুত পৰিণত কৰাত কিমান সময় লাগিব তাক যিকোনো লোকে হিচাব কৰি উলিয়াব পাৰিব।

ভাৰতত প্ৰতি দহ বছৰৰ মূৰত জনসংখ্যাৰ বৃদ্ধি ২২ শতাংশ এই হিচাবে অসমৰ জনসংখ্যাৰ বৃদ্ধি হিচাব কৰিলে অসমত ১৯৬১ আৰু ১৯৭১ চনত জনসংখ্যা ক্ৰমে ৯৭,৯৫,২০৪ আৰু ১,১৯,৫০,১৪৯ হয়। ১৯৭১ চনৰ লোক পিয়লত অসমৰ জনসংখ্যা হৈছে ১,৪৬,২৫১৫২ জন। ৰাষ্ট্ৰীয় গড়ৰ অনুপাতত অসমত এই সময়চোৱাত অতিৰিক্ত জনসংখ্যা হ'ল (১৪৬২৫১৫২-১,১৯,৫০,১৪৯) বা ২৬,৭৫,৪০৩ জন। এই অতিৰিক্ত ২৬,৭৫,০০০ জন লোক বিদেশী। ১৯৭১ ৰ পৰা ১৯৮১ চনলৈ এই সময়চোৱাত যদি জনসংখ্যাৰ বৃদ্ধি আগৰ ১০ বছৰৰ বৃদ্ধিৰ সমান বুলি ধৰা হয় (৩৪.৯৫) তেতিয়াও অসমৰ জনসংখ্যা হ'ব ১,৯৭,৪৩,৯৫৫ জন। এইটোৱে ইয়াকে প্ৰতিপন্ন কৰে যে ১৯৮১ চনলৈ অসমত অতি কমেও ৪৭ লাখ বিদেশী নাগৰিকে প্ৰৱেশ কৰিছে। এই হিচাবত কোনো প্ৰকাৰৰ অতিৰঞ্জিত সংখ্যা হিচাব কৰা হোৱা নাই। এই বৃহৎ বিদেশী জনসংখ্যাৰ বৃদ্ধিয়ে অসমৰ অৰ্থনৈতিক, আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত কেনে প্ৰভাব ইতিমধ্যে পেলাইছে সেই কথা অসমৰ প্ৰতিজন চিন্তাশীল লোকে গভীৰভাৱে উপলব্ধি কৰা উচিত। কেইদিনমান পাচতে গোটেই অসমখন এক বিদেশী অজগৰৰ গৰ্ভত লীন যে যাব তাত সন্দেহ কম যদিহে কোনো প্ৰকাৰৰ প্ৰতিকাৰ সাধন কৰিব পৰা নহয়। অজগৰক বচাব খুজিলে অসম নাবাচে আৰু যদি অসমক বচাবলগীয়া হয় তাৰ উপায় উদ্ভাৱন কৰাটো এক অনিবাৰ্য কৰ্তব্য হিচাবে বিবেচিত হোৱা উচিত।

সেইবাবে আসন্ন নিৰ্বাচন কেৱল অসাংবিধানিকেই নহয় যি সম্পূৰ্ণ অবৈধ। বিদেশীৰ নাম কাটি শুদ্ধ ভোটাৰ তালিকা প্ৰণয়ন নকৰালৈকে নিৰ্বাচন বন্ধ ৰখাটো প্ৰতিজন অসমীয়া আৰু ভাৰতীয় নাগৰিকৰ বাবে অৱশ্যে কৰ্তব্য হিচাবে পৰিগণিত হোৱা উচিত। এই আন্দোলন কোনো খেমালি নহয়। ই জাতীয় স্বাৰ্থ ৰক্ষাৰ বাবে দেশপ্ৰেমৰ এক জ্বলন্ত নিদৰ্শন।

৩০ নবেম্বৰত দিল্লীত আলোচনা : ২৮ নবেম্বৰত অসমৰ বিদেশী নাগৰিকসকলৰ সংজ্ঞা নিৰূপণৰ বাবে সমূহ ৰাজনৈতিক দলবোৰৰ এখন সভা আহ্বান কৰা হৈছে দিল্লীত। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদকো এই আলোচনাত অংশ গ্ৰহণ কৰাৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। অসম সাহিত্য সভাৰ বিষয়ববীয়াকো এই আলোচনাত ভাগ ল'বলৈ কৈছে। সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম গণ সংগ্ৰাম পৰিষদ আৰু অসম সাহিত্য সভাই এই আলোচনা বৰ্জন কৰে দুটা কাৰণত। প্ৰথমটো হৈছে যে ভাৰতীয় নাগৰিক আৰু বিদেশী নাগৰিকৰ কোনো নতুন সংজ্ঞা নিৰূপণৰ প্ৰশ্ন অবান্তৰ। কাৰণ এই বিষয়ে সংবিধানত তাৰ সবিশেষ বৰ্ণনা কৰা আছে। এনে এক সমস্যাৰ সমাধান উলিয়াবলৈ

ৰাজনৈতিক দলবোৰৰ সদিচ্ছা থাকিলে অসমতে এনে আলোচনা পাতিব পাৰিলেহেঁতেন; কিন্তু অসমত নাপাতিলে। তাৰ কাৰণ বুজিবলৈ সবহুপৰ নালাগে। ৰাজনৈতিক নেতাসকলৰ ভিতৰত এওঁলোকক আমন্ত্ৰণ জনোৱা হয়— যোগেন হাজৰিকা, কেশৱ গগৈ, আলতাফ হুচেইন মজুমদাৰ, ডাঃ তাৰিণী বৰুৱা, ৰমেশ চহৰীয়া, জেহিৰুল ইচলাম, মুখ্য সচিব বি. এচ. চাৱাও, গোলাপ বৰবৰা, গৌৰীশংকৰ ভট্টাচাৰ্য, শৰৎ সিংহ, প্ৰমোদ গগৈ, নন্দেশ্বৰ তালুকদাৰ, হেমেন দাস, ফণী মেধি, বানেশ্বৰ শইকীয়া, তিলক গগৈ। এই ৰাজনৈতিক নেতৃবৃন্দক মাতি নি বিদেশী সংজ্ঞা ঠিক কৰিবলৈ গৃহমন্ত্ৰীয়ে আলোচনা কৰাৰ কথা। আন্দোলনকাৰীসকলৰ নেতৃবৃন্দই ইয়াত সন্দেহ প্ৰকাশ কৰিবলৈ বাধ্য হয় এই কাৰণেই যে আন্দোলনটো ধ্বংস কৰিবলৈ এক পৰিকল্পনা হাতত লোৱা হৈছে। অসমৰ ন্যায্য দাবী মানিবলৈ কেন্দ্ৰীয় চৰকাৰ মান্তি নহয়।

২৬ নৱেম্বৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষক গোটে নিৰ্বাচন যদি জোৰকৈ জাপি দিব খোজে তেন্তিয়াহ'লে তাত অংশ গ্ৰহণ নকৰাৰ সিদ্ধান্ত লয়। ২৬ নৱেম্বৰতে অসম আন্দোলনৰ বিৰোধিতা কৰি সদৌ কাছাৰ ছাত্ৰ সংগ্ৰাম পৰিষদে সকলো কাৰ্যালয়ত পিকেটিং কৰাৰ সিদ্ধান্ত লয়। আনহাতে অসম জনতা দলৰ উপ-সভাপতি দুলাল বৰুৱাই ভোটাৰ তালিকা শুদ্ধ নকৰাকৈ অসমত নিৰ্বাচন নাপাতিবলৈ এখন স্মাৰক পত্ৰ ৰাজ্যপালৰ হাতত দিয়ে।

২৭ ৰ পৰা ৩০ নৱেম্বৰলৈ আকৌ পিকেটিঙৰ ঘোষণা ঃ চৰকাৰৰ অনমনীয়তাই অসমবাসীক আকৌ আন্দোলনৰ কাৰ্যসূচী ল'বলৈ বাধ্য কৰালে। সেই মতে ২৭ আৰু ২৮ নৱেম্বৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়ৰ সন্মুখত আৰু জিলাৰ পৰা মহকুমা পৰ্যায়ৰ সকলো কাৰ্যালয়ত ২৭ ৰ পৰা ৩০ নৱেম্বৰলৈ পিকেটিং কৰাৰ বাবে জনসাধাৰণক আহ্বান জনালে। সংবিধানৰ পবিত্ৰতা আৰু ভাৰতৰ অখণ্ডতা ৰক্ষা কৰিবলৈ সকলো নিৰ্দিষ্ট ঠাইতে জনগণে পিকেটিং সফল কৰি কাৰ্যালয়ৰ কাম-কাজ অচল কৰি পেলালে। নিৰ্বাচন সংক্ৰান্ত বিষয়াসকলে ইমান কম সময়ৰ ভিতৰত যে ভোটাৰ তালিকা শুদ্ধ কৰিব পৰা নাযাব সেই কথা বুজি নিৰ্বাচন সাময়িকভাৱে বন্ধ ৰাখিবলৈ অনুৰোধ জনালে। নিৰ্বাচনৰ কাম কৰিবলৈ বহুতে অস্বীকাৰ কৰিলে। ৩০ নৱেম্বৰৰ ভিতৰত ভোটাৰ তালিকা শুদ্ধ কৰা সম্ভৱ নহ'ল। ১২৬ টা বিধান সভা সমষ্টিৰ ভিতৰত মাত্ৰ ৩৫ টা সমষ্টিৰ ভোটাৰ তালিকা সংশোধন হোৱা বুলি চৰকাৰে প্ৰকাশ কৰিলে।

দিল্লীত পতা আলোচনা ব্যৰ্থ ঃ ৩০ নৱেম্বৰৰ দিল্লীত অনুষ্ঠিত কৰা ৰাজনৈতিক দলৰ আলোচনা ব্যৰ্থ হ'ল। তাৰ প্ৰধান কাৰণবোৰৰ ভিতৰত এটা হ'ল উপ প্ৰধানমন্ত্ৰী চৱনে ১৯৮০ ৰ ২৫ জানুৱাৰীৰ পিছলৈ নিৰ্বাচন পিচুৱাব পৰা নাযাব বুলি ক'লে। তাৰ প্ৰধান কাৰণ হিচাবে উল্লেখ কৰিলে যে তিনিখন অনুসূচীত জাতি আৰু জনজাতিৰ আসন

সংৰক্ষণৰ শেষ তাৰিখ ১৯৮০ ৰ ২৫ জানুৱাৰী।

শৰৎ সিংহৰ বক্তব্য হ'ল বিদেশী কাক বোলে তাক প্ৰথমে নিৰ্দ্ধাৰণ কৰিব লাগে ঃ অধ্যাপক অজিত কুমাৰ শৰ্মাই ১৯৫১ চনৰ ৰাষ্ট্ৰীয় পঞ্জী আৰু ১৯৫২ চনৰ ভোটাৰ তালিকাক আধাৰ হিচাবে লৈহে ভোটাৰ তালিকা শুদ্ধ কৰিব লাগে আৰু শুদ্ধ ভোটাৰ তালিকাৰ আধাৰতহে নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে বুলি দৃঢ় মত উপস্থাপন কৰে। শৰৎ সিংহ ডাঙৰীয়াই নিৰ্বাচনী আয়োগৰ সন্মুখত এইদৰে কোৱা বুলি বাতৰিৰ একাংশত প্ৰকাশ পাইছে। "If we deprive the right of franchise on the basis of language and religion we would be depriving a large number of Indian citizen from exercising their fundamental right." এসময়ৰ এজন মুখ্যমন্ত্ৰীৰ মন্তব্য বুৰঞ্জীত কেনেদৰে স্থান পায় তাক ভাবিবলগীয়া হ'ব। কাৰণ অসমৰ আন্দোলনে কোনো ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে ভোটাধিকাৰ খাৰিজ কৰাৰ দাবী কৰা নাই, বিদেশীৰ বিৰুদ্ধেহে কৰিছে। যোগেন হাজৰিকাই স্পষ্ট ভাষাত উল্লেখ কৰিছিল যে অসমত লক্ষ লক্ষ বিদেশী থকা সঁচা আৰু তেওঁলোকৰ বহুতৰে নাম ভোটাৰ তালিকাত সোমাইছে। তেতিয়ালৈকে মাত্ৰ ৩,৭৩,২০২ জনৰ দাবী আৰু আপত্তিহে নিষ্পত্তি কৰিব পৰা হৈছে। বাকী আছে বহু লাখ দাবী আৰু আপত্তি। লগতে তেখেতে এইদৰে কয় যে ভোটাৰ তালিকাত নাম থকা বাবেই তেওঁলোকক অসমত ৰখাৰ যুক্তি নাই। কাৰণ তেনে নাগৰিকে নানা সমস্যাৰ সৃষ্টি ইতিমধ্যে কৰিছে আৰু কৰাৰ সম্ভাবনা প্ৰচুৰ। গৌৰীশংকৰ ভট্টাচাৰ্যই কৈছিল যে আইনৰ ফালৰ পৰা নিৰ্বাচন পিচুৱাই দিয়াৰ কোনো অসুবিধা নাই। প্ৰমোদ গগৈয়ে শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুতকৰণ আৰু নিৰ্বাচনৰ বিষয় দুটা সুকীয়াভাৱে চাব লাগে বুলি পৰামৰ্শ দিছিল। CPI (M) ৰ সদস্য গৰাকীয়ে স্পষ্টভাৱে একো মন্তব্য দিব নোৱাৰিলে। আলোচনা ব্যৰ্থ হ'ল।

ৰাষ্ট্ৰপতিয়ে বিশেষ হস্তক্ষেপ নকৰিলে। প্ৰধানমন্ত্ৰী আৰু উপ প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ পক্ষত আৰু মুখ্য নিৰ্বাচনী আয়ুক্তও নিৰ্বাচন হোৱাৰ সপক্ষে যে আছে তাক বুজিবলৈ কাৰো বাকী নাথাকিল। তেওঁলোকে পূৰ্ব নিৰ্দ্ধাৰিত তাৰিখতে নিৰ্বাচন পাতিব বুলি ক'লে। চৰনে বল প্ৰয়োগ কৰি হ'লেও নিৰ্বাচন পতাৰ বাবে অত্যুৎসাহী হোৱা দেখা গ'ল। যোগেন হাজৰিকা ডাঙৰীয়া চৰনৰ মত গ্ৰহণ কৰি ঘূৰি আহিল। ঘূৰি আহিয়ে অসমৰ যুৱকসকলক উদ্দেশ্য কৰিয়ে বিশেষভাৱে নিৰ্বাচনত সহায় কৰি দিবলৈ আহ্বান জনালে। ইতিমধ্যে ন্যস্ত স্বাৰ্থই বিভিন্ন প্ৰকাৰে গা কৰি উঠা দেখা গৈছে। ফুলুং সংৰক্ষিত চৰণীয়া পথাৰত গুলী চালনাৰ সূত্ৰপাত হৈছে আৰু পুলিচৰ ওপৰত আক্ৰমণ পৰীক্ষামূলকভাৱে কৰা হৈছে। দুলীয়াজানৰ শিক্ষক নিৰঞ্জন দাসক আন্দোলনকাৰীয়ে হত্যা কৰা বুলি অপপ্ৰচাৰ আৰম্ভ হৈছে অথচ সেই শিক্ষক সুস্থ শৰীৰে বাচি আছে।

নাগৰিক অধিকাৰ সংৰক্ষণ সমিতিৰ মত : এই সমিতিৰ হৈ কবীৰ ৰায় প্ৰধানী, এ. এফ. গোলাম ওচমানী, আবদুচ চোভান, বিনয় ৰয়, অনিল দাস, এচ. এন. ব্ৰহ্মচাৰী, নৰেশ চন্দ্ৰ দাস, সুধিৰ কুমাৰ ৰয়, ধীৰেশ চন্দ্ৰ পুৰকায়স্থ, মুস্তাফা চাহিদুৰ ইচলামে নিৰ্বাচন বন্ধ কৰাৰ দাবী কৰিছে। এওঁলোকৰ নিৰ্বাচন বন্ধ কৰাৰ দাবী আন্দোলনকাৰীৰ দাবীৰ বিপৰীত। এওঁলোকে ভোটাৰ তালিকাৰ পৰা আচল ভোটাৰৰ নাম কোনো কাৰণ নেদেখুৱাকৈ বাদ দিয়া হৈছে বুলি অভিযোগ উত্থাপন কৰিছে। যোগেন হাজৰিকাই আকৌ কিবা প্ৰকাৰে ছাত্ৰ সন্থাক মান্তি কৰাব পাৰি নেকি চেষ্টা কৰি থকা দেখা গৈছে। "কিবা প্ৰকাৰে" এই শব্দ দুটাই বহুত অৰ্থ বহন কৰে আৰু সেইবাবে অসমৰ জীৱন মৰণ সমস্যাৰ ক্ষেত্ৰত ন্যায়সংগত পদ্ধতি অবলম্বন কৰিব পৰাটোহে সময়ৰ আহ্বান বুলি সকলো সচেতন লোকে মত পোষণ কৰিছে।

ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীয়ে দিয়া আহ্বান প্ৰত্যাখ্যান কৰে। সদৌ অসম ছাত্ৰ সন্থা আৰু উত্তৰ-পূব আঞ্চলিক ছাত্ৰ সন্থাই ৩০ নবেম্বৰত বোট ক্লাবত ১২ ঘন্টীয়া অনশন কাৰ্যসূচী পালন কৰিলে। লগতে এক সংকল্প ল'লে যে যেতিয়ালৈকে ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম বাতিল কৰি শুদ্ধ তালিকা প্ৰস্তুত নকৰে তেতিয়ালৈকে অহিংস শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক আন্দোলন চলাই যাব।

৩-৮ ডিচেম্বৰলৈ আন্দোলনৰ পৰবৰ্তী কাৰ্যসূচী : ৩, ৪ ডিচেম্বৰত ৩৪ ঘন্টীয়া অসম বন্ধ ঘোষণা কৰে আন্দোলনৰ নেতৃবৃন্দই। লগতে ৫-৮ ডিচেম্বৰলৈ পুনৰ পিকেটিঙৰ সিদ্ধান্ত লোৱা হয়। চৰকাৰৰ অনমনীয় মনোভাবৰ বাবে সমগ্ৰ অসমবাসীয়ে এই কাৰ্যসূচীলৈ সমৰ্থন আগবঢ়ায়। ৰাষ্ট্ৰপতিক নিৰ্বাচন বন্ধ কৰিবলৈ পুনৰ অনুৰোধ কৰে। ৰাষ্ট্ৰপতিয়ে যদি এই আহ্বান প্ৰত্যাখ্যান কৰে তেনেহ'লে অসমৰ ভোটাৰসকলে নিৰ্বাচনত অংশ গ্ৰহণ নকৰে বুলি অবগত কৰে। বিপ্লবী কমিউনিষ্ট পাৰ্টি আৰু জিলা কংগ্ৰেছ (আই) নিৰ্বাচন বন্ধ ৰখাৰ বাবে অনুৰোধ জনায়।

ৰাষ্ট্ৰপতিৰ নিৰ্বাচন বন্ধ নকৰাৰ ঘোষণা : ডিচেম্বৰ মাহৰ দুই তাৰিখে ৰাষ্ট্ৰপতিয়ে নিৰ্বাচন নিৰ্দ্ধাৰিত দিনত অনুষ্ঠিত হ'ব বুলি আৰু কোনো কাৰণতেই বন্ধ ৰখা নহ'ব বুলি ঘোষণা কৰিলে। চৰনেও তাকেই ক'লে। যোগেন হাজৰিকাই আন্দোলনৰ কাৰ্যসূচী বাতিল কৰিবলৈ আন্দোলনৰ উদ্যোক্তাসকলক অনুৰোধ জনালে। কাৰ্যালয়ৰ সমূহ কৰ্মচাৰীকে সাবধান কৰি দিলে যে তেওঁলোকে কোনো ধৰণৰ আন্দোলনৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰিব নোৱাৰিব আৰু কৰ্মস্থলৰ পৰা আঁতৰি থাকিব নোৱাৰিব অন্যথা উপযুক্ত শাস্তিৰ বাবে সাজু থাকিব লাগিব।

৩, ৪ ডিচেম্বৰৰ অসম বন্ধ সফল হৈছে। সকলো শ্ৰেণীৰ লোকে অসম বন্ধৰ সময়ত সহযোগিতা আগবঢ়াইছে। জনতা পাৰ্টি, চি. পি আই., আৰ. চি. পি. আই., পি. এল. পি.,

জাতীয়তাবাদী দল, বিপ্লৱী জাতীয়তাবাদী দলে নিৰ্বাচন বন্ধ ৰখাৰ পোষকতা কৰিছিল; কিন্তু কংগ্ৰেছ (আই), কংগ্ৰেছ (ইউ), চি. পি. এম. আৰু চি. পি আই. (এম. এল) দল নিৰ্বাচনৰ কাৰণে উদগ্ৰীৱ হৈ পৰিছিল। তাৰ কাৰণ বিচাৰি বহু দূৰলৈ যাবই নালাগে কাৰণ এই দলবোৰৰ বাবে অন্য লোকে ভোটদান নকৰিলেও ক্ষতি নাই, তেওঁলোকৰ প্ৰাৰ্থীৰ বাবে ভোট বেংক মজুত আছে। ইন্দিৰা গান্ধীয়ে এই আন্দোলনক মুছলমান বিৰোধী আৰু অনাঅসমীয়া বিৰোধী বুলি বালাচোৰৰ এখন সভাত ২ ডিচেম্বৰত মন্তব্য কৰে।

আন্দোলনৰ প্ৰভাৱে কংগ্ৰেছ (ইউ)ৰ অন্তত ঃ দুজন নেতাৰ ওপৰত ক্ৰিয়া কৰিছিল। প্ৰফুল্ল বৰুৱা আৰু ৰমেশ চৌধুৰীয়ে নিৰ্বাচনত অংশ গ্ৰহণ নকৰাৰ সিদ্ধান্ত লৈছিল।

আন্দোলনৰ নেতৃবৰ্গই যোগেন হাজৰিকাৰ লগত আলোচনা কৰে যদিও কোনো বুজাপৰাত উপনীত হ'ব নোৱাৰিলে। মুখ্যমন্ত্ৰীয়ে ভোটাৰ তালিকা শুদ্ধকৈ আৰু বিদেশীৰ নাম অপসাৰণ কৰি প্ৰস্তুত কৰিব পাৰিব নে নোৱাৰে সঠিককৈ ক'ব নোৱাৰে। তাৰকেশ্বৰী সিনহাই আন্দোলনকাৰীক নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়ালে। ৬ ডিচেম্বৰ তাৰিখে কাছাৰৰ থলুৱা লোকসকলে আন্দোলনৰ প্ৰতি সমৰ্থন আগবঢ়ায় আৰু নিৰ্বাচন বন্ধ কৰিব লাগে বুলি দাবী জনায়। জনতা দলে মন্ত্ৰী সভাৰ পদত্যাগ দাবী কৰে। চৰকাৰী কৰ্মচাৰীসকলে নিৰ্বাচন বৰ্জন কৰিব বুলি ঘোষণা কৰে।

মনোনয়ন পত্ৰ দাখিল ঃ মনোনয়নৰ প্ৰথম তাৰিখ আছিল ৩ ডিচেম্বৰ। সেইদিনা কোনোৱে মনোনয়ন পত্ৰ দাখিল নকৰিলে। ৬ ডিচেম্বৰত কাছাৰত এখন মনোনয়ন পত্ৰ দাখিল হোৱা বুলি প্ৰকাশ পায়। কংগ্ৰেছ (আই) ৰ প্ৰাৰ্থী বেগম আবিদাই বৰপেটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ৬ ডিচেম্বৰত মনোনয়ন পত্ৰ দাখিল কৰাৰ কথা। তাৰ বাবে লাখটকীয়াৰ ভৱনত তেখেতে বাহৰ পাতি আছে। তেখেতৰ বাস ভৱনৰ চাৰিওফালে অগনন লোকে শান্তিপূৰ্ণভাৱে অৱস্থান কৰি বেগম আবিদাক মনোনয়ন পত্ৰ দাখিল কৰাৰ পৰা বিৰত ৰাখিবলৈ যত্ন কৰিছে। পুলিচ বাহিনীৰ নেতৃত্ব বহন কৰিছে কে. পি. এচ. গিলে। বেগম আবিদাক মানুহৰ বেষ্টনীৰ পৰা বাহিৰ কৰি নিবলৈ পুলিচী প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছে। সময়ে এক ভয়ানক মূৰ্তি ধাৰণ কৰা যেন লাগিছে আৰু যিকোনো মুহূৰ্ততে এক অঘটন যেন সংঘটিত হৈ যাব পাৰে তেনে ধাৰণা বিৰাজমান। কামৰূপৰ এছ. পি. ডি. এন. এচ শ্ৰীবাস্তৱে প্ৰয়োজনীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। অৱস্থান কৰি থকা হেজাৰ হেজাৰ পুৰুষ-মহিলাক ছত্ৰভংগ কৰাবলৈ পুলিচে যৎপৰোনাস্তি চেষ্টা কৰিছে।

মুখ্যমন্ত্ৰীৰ পুনৰ আহ্বান ঃ ৬ ডিচেম্বৰ তাৰিখে মুখ্যমন্ত্ৰী যোগেন হাজৰিকাই পুনৰ প্ৰকাশ কৰে যে তেখেতে সমস্যাটো সঠিকভাৱে বুজি পাইছে আৰু ইয়াক অসমৰ অনুকূলে চূড়ান্তভাৱে নিষ্পত্তি কৰিব বুলি কৈছে। বিদেশী নাগৰিকৰ শেষজনক আঁতৰ নকৰালৈকে তেখেত ক্ষান্ত নাথাকিব বুলি কৈছে। ইতিমধ্যে চৰকাৰে ৰাষ্ট্ৰীয় পঞ্জী প্ৰস্তুত কৰাৰ কাম

আৰম্ভ কৰা বুলি কৈছে। আচল ভোটাৰক পৰিচয় পত্ৰ দি নিৰ্বাচনত অংশ গ্ৰহণ কৰিব দিয়া হ'ব বুলিও আশ্বাস দিছে। তেখেতে কৈছে যে "ৰাজ্যৰ স্বাৰ্থ জলাঞ্জলি দি বিদেশীৰ স্বাৰ্থ সুৰক্ষিত কৰা নহ'ব।"

৬ ডিচেম্বৰত ভাৰতৰ উপ প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰী চৱনে কয় যে নিৰ্বাচন হ'ব বুলি জাননী প্ৰকাশ কৰাৰ পিছত তাক কোনোপধ্যেই বন্ধ কৰিব পৰা নহ'ব। তেওঁ কয় যে সাৰ্বভৌম সংসদ গঠন প্ৰক্ৰিয়াত অসমৰ জনসাধাৰণক তেওঁলোকৰ মৌলিক অধিকাৰ ভোটদানৰ পৰা বঞ্চিত কৰিব নোৱাৰি। সেই কথাখিনি অসমৰ জনসংযোগ বিভাগৰ সঞ্চালকে জনতা ভৱনৰ পৰা পুনৰ প্ৰকাশ কৰে এইদৰে—

"In continuation of the deliberations of the conference of all political parties of Assam held on 28th Nov., 1979, I had further discussed with the C.M. of Assam. The representatives of student organisation which did not participate in the conference on Nov. 28 also met the President and myself on Dec. 1.

As a result of these discussions the Govt. of India are most anxious that all misgivings and apprehensions in regard to clandestine immigration should be speedly allayed. They have accordingly requested the Assam Govt. to review immediately the adequacy of the existing law enforcement arrangements for prevention and deletion of clandestine immigrants and initiate measures necessary to strengthen these arrangements. On the results of such a review the Govt. of India would extend all possible help to the Govt of Assam in this behalf. The two Govts. are also agreed that in initiation of such measures they would take all the possible steps to ensure that no bonafide Indian citizen is in anyway harassed and persons suspected to be clandestine immigrants are given a reasonable opportunity in the interest of natural justice to be heard by Tribunals consisting of judicial officers etc...... ."

লাখটকীয়াত সান্ধ্য আইন (পুলিচৰ আতিসহ্য) : ৮ ডিচেম্বৰৰ ৰাতিপুৱা ৩ বজাৰ পৰা বেগম আবিদাৰ আবাস গৃহৰ ২০০ গজ আঁতৰলৈ অনিৰ্দিষ্ট কালৰ বাবে প্ৰযোজ্য হোৱাকৈ সান্ধ্য আইন ঘোষণা কৰা হয়। হেজাৰ হেজাৰ অৱস্থানকাৰীৰ প্ৰতিবাদ সত্ত্বেও বেগম আবিদাই মনোনয়ন পত্ৰ দাখিল কৰিবলৈ বদ্ধ পৰিকৰ হোৱা দেখা গৈছে। কেইবাজনো স্বেচ্ছা সেৱকক পুলিচে আটক কৰিছে। আবিদাৰ কেইবাজনো নিকট আত্মীয়ই তেখেতক মনোনয়ন পত্ৰ দাখিল নকৰি দিল্লীলৈ উভতি যাবলৈ অনুৰোধ কৰিছিল; কিন্তু আবিদাই তেনে অনুৰোধ প্ৰত্যাখ্যান কৰি মনোনয়ন পত্ৰ দাখিল কৰিবলৈ সিদ্ধান্ত লৈছিল।

কংগ্ৰেছ (ইউ) এ ইতিমধ্যে যোগেন হাজৰিকাক সাৱধান কৰি দিছিল যে যদি তেখেতে নিৰ্বাচন বন্ধ ৰখাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰে তেনেহ'লে তেওঁলোকে মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিব আৰু সহযোগ উঠাই ল'ব। মুখ্য নিৰ্বাচনী আয়ুক্তই পৰিস্থিতি অধ্যয়নৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ নেতৃবৃন্দক পুনৰ আহ্বান জনাইছে। ৰাজ্যখনত তেতিয়া পিকেটিং কাৰ্য পুৰাদমে চলি আছে।

গণ সংগ্ৰাম পৰিষদে ১০ ডিচেম্বৰৰ পুৱা ৬ বজাৰ পৰা আবেলি ৫ বজালৈ অসম বন্ধৰ আহ্বান দিছে। চৰকাৰে ৯ ডিচেম্বৰৰ পৰা ১৯৮০ চনৰ জানুৱাৰীলৈকে অসমৰ স্কুল-কলেজসমূহ বন্ধ বুলি ঘোষণা কৰিছে। ২৪ ঘণ্টাৰ ভিতৰত হোষ্টেল খালি কৰি দিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ জাৰি কৰিছে। অসম আন্দোলনৰ প্ৰতি মেঘালয়ে সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ নিশ্চিতি দিছে। পূৰ্বাঞ্চলীয় লোক পৰিষদে ৭ ডিচেম্বৰত সত্যাগ্ৰহ আৰম্ভ কৰিছে। আনহাতে অসম চৰকাৰে মনোনয়ন দাখিল কৰিব খোজা প্ৰাৰ্থীক আৰক্ষীৰ সহায় আগবঢ়াব বুলি কৈছে। যোগেন হাজৰিকা প্ৰায় বিবুদ্ধিত পৰি কি কৰিব ঠিক কৰিব পৰা নাই। নিৰ্বাচন বন্ধ কৰিবলৈ প্ৰস্তাৱ কৰিছে।

হাজৰিকাৰ মন্ত্ৰীসভা পতন : নিৰ্বাচন আয়োগলৈ যোগেন হাজৰিকাই নিৰ্বাচন বন্ধ ৰখাৰ প্ৰস্তাৱ আগবঢ়োৱাৰ লগে লগে তেখেতৰ মন্ত্ৰীসভাৰ ১৩ জন সদস্যই মন্ত্ৰিত্ব ত্যাগ কৰে। বাকী সদস্যসকলৰ সৈতে হাজৰিকাৰ মত বিৰোধ হয়। ৰাজ্যখনৰ নিয়ম শৃংখলা ৰক্ষা কৰাত ব্যৰ্থ হোৱা বুলি সতীৰ্থসকলে সমালোচনা কৰে। কিছু সংখ্যক বিধায়কে আন্দোলনকাৰীৰ বচা বচা নেতাক হত্যা কৰাৰ পৰামৰ্শ দিছিল বুলি বাতৰিত প্ৰকাশ পায়। হাজৰিকাৰ এনে অৱস্থা দেখি কংগ্ৰেছ (ইউ) আৰু চি. পি. আই. এ লগ লাগি মন্ত্ৰীসভা গঠনৰ চেষ্টা কৰি ব্যৰ্থ হয়।

দেৱকান্ত বৰুৱাই মনোনয়ন পত্ৰ দাখিল কৰিবলৈ নগাঁৱৰ আৱৰ্ত ভৱনত বাহৰ পাতি আছে। আন্দোলনকাৰীয়ে বৰুৱাক মনোনয়ন দাখিল কৰিব নোৱাৰাকৈ ঘেৰি আছে। চৰকাৰে ৯ ডিচেম্বৰ তাৰিখে দেৱকান্ত বৰুৱাক মনোনয়ন পত্ৰ দিবলৈ সুবিধা কৰি দিছে সান্ধ্য আইন জাৰি কৰি। নগাঁৱৰ সংগ্ৰামী জনতাই সান্ধ্য আইন অমান্য কৰি বৰুৱাক মনোনয়ন পত্ৰ দাখিল কৰাত বাধা প্ৰদান কৰে। ৯ ডিচেম্বৰলৈ ব্ৰহ্মপুত্ৰ উপত্যকাত এখনো মনোনয়ন পত্ৰ দাখিল কৰা হোৱা নাই। ৰাজ্যপালেও নিৰ্বাচন বন্ধ ৰখা উচিত হ'ব বুলি কৈছে আৰু নিৰ্বাচনী আয়োগক তাৰ বাবে অনুৰোধ জনাইছে। এটা অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। শান্তিৰ পৰিবেশটো চূড়মাৰ কৰি দিবলৈ চক্ৰান্তকাৰীয়ে সকলো চেষ্টা অব্যাহত ৰাখিছে। আকাশ-বতাহ অনুৰণিত হৈছে "নিৰ্বাচন বন্ধ কৰক ধ্বনিৰে।" "অসমখন নজ্বলাব, নজ্বলাব। অসমখন পুৰি চাৰখাৰ নকৰিব। অসমৰ মানুহক বাচিবলৈ সুযোগ দিয়ক, জীয়াই থাকিবলৈ দিয়ক।" অনন্ত আকাশৰ বুকুত এই ধ্বনিবোৰ ক'ৰবাত বিলীন হৈ গ'ল যদিও

কম্পনবোৰে হৃদয়ত বাৰে বাৰে খুন্দিয়াই থাকিল। কাৰণ কৰ্তৃপক্ষই অসমীয়াৰ হৃদয় বিদাৰক ক্ৰন্দনৰ কোনো ভাষা বুজিবলৈ যত্নকে নকৰিলে।

মাতৃভূমিৰ ৰক্ষাৰ বাবে খৰ্গেশ্বৰে জীৱন আহুতি দিলে ঃ ১৯৭৯ চনৰ ১০ ডিচেম্বৰৰ ৰাতিপুৱাটো খৰ্গেশ্বৰ তালুকদাৰৰ বাবে কালৰাত্ৰি হৈ নামি আহিছিল। মাতৃভূমিক প্ৰাণ দি ভাল পোৱাসকলৰ বাবে শান্তি ৰক্ষাকাৰী পুলিচ বাহিনীয়ে আজ্ঞাবাহী হৈ নিৰ্যাতন বহন কৰি আনিলে। ৯ ডিচেম্বৰৰ গভীৰ নিশা পুলিচৰ পোচাক পৰিধান কৰি উচ্চ পদস্থ পুলিচ বিষয়াক ৰক্ষা কবচ হিচাবে লগত লৈ বেগম আবিদাই অসমৰ সমগ্ৰ জনগণৰ ইচ্ছাৰ বিৰুদ্ধে বৰপেটা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰিবলৈ সন্তৰ্পনে আগবাঢ়িল। অতন্দ্ৰ প্ৰহৰী অসমবাসীয়ে এই পৰিকল্পনাটোৰ বিষয়ে ৰাতিৰ ভিতৰতে গুৱাহাটীৰ পৰা বৰপেটা পৰ্যন্ত বিদ্যুৎ প্ৰবাহৰ দৰে প্ৰবাহিত কৰি দিলে। সকলো সম্ভৱপৰ স্থানতে অৱৰোধ গঢ়িবলৈ জনতাক আহ্বান জনালে। গভীৰ নিশা আবিদাক কঢ়িওৱা গাড়ীখন জালুকবাৰীত সামান্য বাধাৰ সন্মুখীন হৈছিল যদিও সাৰি যাবলৈ সক্ষম হৈছিল। প্ৰতিখন গাড়ী পৰীক্ষা কৰা হৈছিল। ৰঙিয়াত অধ্যক্ষ বীৰেণ বৰদলৈৰ সৈতে সংগ্ৰামী জনতাই বাধা প্ৰদান কৰাত তেওঁলোকক আঘাত কৰি আবিদাক লৈ গৈছিল। বৰদলৈক পানীৰ খাৱৈত বগৰাই দিয়া হৈছিল, লাঠিৰে কোবোৱা হৈছিল আৰু তাত এক পুলিচী সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। পাটাছাৰকুছিতো বাধা প্ৰদান কৰা হৈছিল আৰু তাতো অসংখ্য ছাত্ৰক চিৰজীৱনৰ বাবে ঘুনীয়া কৰিছিল পুলিচী বাহিনীয়ে। পাঠশালাতো একে পদ্ধতি অবলম্বন কৰি নিৰীহ লোকক অত্যাচাৰ কৰি আবিদাৰ গাড়ী আগবাঢ়িছিল। গাড়ী গৈ যেতিয়া ভবানীপুৰ পাইছিল তাত দেখিছিল ২০০০ ৰ অধিক জনতাৰ এক আনতিক্ৰম্য জন প্ৰাচীৰ। তাকে দেখি আবিদা আৰু পুলিচ বাহিনীৰ মূৰ গৰম হৈ.গ'ল। যিকোনো ধৰণৰ বৰ্বৰতা প্ৰকাশ কৰাৰ প্ৰৱণতা তেওঁলোকৰ হৈছিল।

ৰাতি তেতিয়া দুই বাজিছিল। জনতাৰ ভিৰ দেখি পুলিচ বাহিনীয়ে আকৌ এবাৰ ভাবি চাবলৈ বাধ্য হৈছিল। বেগম আবিদা কঢ়িওৱা গাড়ীখন হঠাৎ ৰৈ দিছিল। গাড়ীৰ পৰা পুলিচৰ উচ্চ পদস্থ পুলিচ বিষয়া ওলাই আহি হাতত থকা লাঠিৰে সন্মুখতে পোৱা খৰ্গেশ্বৰক কোবাই ধৰাশায়ী কৰি দিছিল। মূৰ ফালি খৰ্গেশ্বৰৰ দেহ ৰক্তাক্ত হৈছিল আৰু ক্ষন্তেকতে মৃত্যুক আঁকোৱালি লৈছিল। আন অসংখ্য যুৱক-ছাত্ৰৰ ওপৰত লাঠিৰ কোব পৰিছিল, গভীৰ আঘাত প্ৰাপ্ত হৈছিল। পুলিচী বৰ্বৰতাই মানুহবোৰক ছত্ৰভংগ দিয়াবলৈ সক্ষম হৈছিল এই বাবেই যে এই অৱৰোধৰ কাৰ্যসূচী আছিল সম্পূৰ্ণৰূপে অহিংস আৰু শান্তিপূৰ্ণ। মানুহখিনিয়ে কেৱল আবিদাক অনুৰোধ জনাব খুজিছিল যে প্ৰয়াত ৰাষ্ট্ৰপতিৰ পত্নীয়ে এই নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিব নালাগে। মাতৃভূমিৰ সুৰক্ষাৰ কাৰণে জনগণ আকৌ অস্থিৰ হৈ পৰিল। পুলিচী নিৰ্যাতনৰ সহায়ত গণতন্ত্ৰ বিকল কৰাৰ

কাৰণে জনগণ আকৌ অস্থিৰ হৈ পৰিল। পুলিচী নিৰ্যাতনৰ সহায়ত গণতন্ত্ৰ বিকল কৰাৰ পদ্ধতি সকলি কৰিবলৈ প্ৰতিধ্বনি উঠিল। খৰ্গেশ্বৰ শ্বহীদ হ'ল আৰু শ্বহীদৰ আত্মাই কৈ গ'ল "জীৱন দিও দেশ ৰক্ষা কৰিবা।" বেগম আবিদা পুত্ৰহত্যাৰ শাৰীত পৰিল কাৰণ মাতৃৰ মুক্তিৰ বাবে পন কৰা খৰ্গেশ্বৰৰ মৃত্যুৰ কাৰণ বেগম আবিদাৰ মনোনয়ন পত্ৰ দাখিল। দিল্লীৰ প্ৰাসাদত জীৱন নিৰ্বাহ কৰা আবিদাই অসমৰ বিদেশী নাগৰিকৰ সমস্যা অনুধাবন কৰাৰ প্ৰয়োজনীয়তাই বা কিমান? খৰ্গেশ্বৰৰ শ্বহীদ আত্মাই আজিও অতৃপ্ত বাসনা লৈ হাহাকাৰ কৰি আছে। জনমতক অশ্ৰদ্ধা কৰাৰ পৰিণতি কিমান ভয়াবহ হ'ব পাৰে সেয়া এদিন নিশ্চয় প্ৰমাণিত হ'ব কাৰণ পৃথিৱীৰ গণমুক্তিৰ অভ্যুত্থানবোৰৰ উদাহৰণবোৰ ভৰি আছে।

বেগম আবিদাৰ মনোনয়ন পত্ৰ বাতিল : ১১ ডিচেম্বৰ তাৰিখে আবিদাৰ মনোনয়ন পত্ৰ পৰীক্ষা কৰি দেখা গ'ল যে প্ৰস্তাৱকৰ আগতে প্ৰাৰ্থীয়ে স্বাক্ষৰ কৰি তাৰিখ বহুৱাইছে যিটো নিয়মৰ বাহিৰত। আবিদাৰ মনোনয়ন বাতিল হোৱা খবৰটো প্ৰচাৰ হোৱাৰ লগে লগে নানা ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ পালে। ষড়যন্ত্ৰ বুলিও সন্দেহ কৰা লোক ওলাল যদিও সঁচাকৈয়ে যে আবিদাৰ স্বাক্ষৰৰ তাৰিখ আগৰ আৰু সমৰ্থনকাৰীৰ স্বাক্ষৰৰ তাৰিখ পিছৰ সেয়া প্ৰমাণ হৈছিল। এই ক্ষেত্ৰত এটা কথা অত্যন্ত গুৰুত্বপূৰ্ণ বুলি সেইসময়ত বহুতে চিন্তা কৰিছিল। বেগম আবিদাই প্ৰকাশ মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিছিল যে তেওঁ খৰ্গেশ্বৰৰ অকাল মৃত্যুত গভীৰভাৱে ব্যথিত। তেওঁ নিজে মনোনয়ন পত্ৰ দাখিল কৰিবলৈ পুলিচৰ মাজত যোৱা নাছিল, দালালকহে মনোনয়ন পত্ৰ প্ৰেৰণৰ কাৰণে পঠিয়াইছিল। "I was not in the police convoy and I do not know why some people are blaming me for that incident As a matter of fact I have not gone out of my residence since I arrived here late from Delhi due to gherao and indisposition." ইয়াৰ বিচাৰ ভগৱানৰ হাতত।

এই সময়খিনিত কেইবাটাও উল্লেখযোগ্য ঘটনা ঘটে। মেঘালয়তো নিৰ্বাচন বন্ধ ৰখাৰ দাবীত হেজাৰ হেজাৰ লোকে ১০ ডিচেম্বৰত সত্যাগ্ৰহ পালন কৰে। অসমৰ বন্ধ কৰি ৰখা স্কুল কলেজবোৰ খুলিবলৈ নিৰ্দেশ জাৰি কৰে। দীনেশ গোস্বামীয়ে কংগ্ৰেছ (ইউ)ৰ পৰা পদত্যাগ কৰি নিৰ্দলীয় হয়। কেশৱ গগৈয়ে পশ্চাদখাতী কাৰ্যত লিপ্ত থকা বুলি জনতা পাৰ্টিৰ পৰা বহিষ্কাৰ কৰে। লাখটকীয়াত বলবৎ থকা সান্ধ্য আইন প্ৰত্যাহাৰ কৰে। সদৌ অসম ছাত্ৰ সন্থাই যিসকলে মনোনয়ন পত্ৰ দাখিল কৰিছে তেওঁলোকক মনোনয়ন পত্ৰ উঠাই ল'বলৈ আহ্বান জনায়।

ৰাজ্যপালৰ নিৰ্বাচন বন্ধ ৰখাৰ প্ৰস্তাৱ হেৰাল : ১ ডিচেম্বৰ তাৰিখে মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালে নিৰ্বাচন বন্ধ ৰাখিব লাগে বুলি দিয়া বিবৃতি প্ৰচাৰ মাধ্যমত প্ৰকাশ

হৈ গ'ল। ১২ ডিচেম্বৰত এচ.এল. চাকধৰে তেনে কোনো আবেদন পোৱা নাই বুলি বিভিন্ন বাতৰি প্ৰতিষ্ঠানৰ যোগে প্ৰচাৰ কৰিলে। ইয়াৰ পৰা এটা কথাই স্পষ্ট হয় যে নিৰ্বাচনী আয়ুক্ত বা ৰাজ্যপালে অসমৰ মানুহক সাৰ্বভৌম স্বাধীন ভাৰতৰ নাগৰিক হিচাবে যেনে মান্যতা দিয়া উচিত আছিল তেনে মান্যতা দিয়া নাছিল আৰু তাৰ বাবে অসমৰ সাংসদসকলৰ ভূমিকা আছিল দুখ লগাকৈ দুৰ্বল। অসমৰ ভৈয়াম জনজাতি পৰিষদৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক বিনয় কুমাৰ বসুমতাৰীয়ে চাকধৰৰ ডাঙৰীয়াক লগ ধৰি অসমৰ এই অগ্নিগৰ্ভা পৰিস্থিতিত নিৰ্বাচন পতা অনুচিত বুলি কয় আৰু স্থগিত ৰাখিবলৈ অনুৰোধ কৰে। চাকধৰে অসমত সেই সময়ত চলি থকা এক থৰক বৰক মন্ত্ৰীসভাৰ অনুৰোধ ৰক্ষা কৰি নিৰ্বাচন বন্ধ কৰিব নোৱাৰি বুলি মন্তব্য কৰে। এইটোৱে প্ৰমাণ কৰে যে সেই সময়লৈকে প্ৰকৃতাৰ্থত অসম ভাৰতৰ অঙ্গ হয় নে নহয় চিন্তা কৰি চাবলগীয়া কথা।

অসমত ৰাষ্ট্ৰপতিৰ শাসন প্ৰবৰ্তন : কেন্দ্ৰীয় মন্ত্ৰীসভাৰ পৰামৰ্শতে ১৩ ডিচেম্বৰত অসমত পোন প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰা হয় যদিও বিধান সভা ভঙ্গ কৰা হোৱা নাই। যোগেন হাজৰিকাৰ মন্ত্ৰীসভাৰ পৰা কংগ্ৰেছ (ইউ) আৰু চি পি আয়ে সমৰ্থন প্ৰত্যাহাৰ কৰাত হাজৰিকা আশ্ৰয়বিহীন হৈ পৰে। গোলাপ বৰবৰাও একে পদ্ধতিৰে মুখ্যমন্ত্ৰী পদৰ পৰা আতৰি যাবলৈ বাধ্য হৈছিল। তেখেতৰ মন্ত্ৰিত্বৰ সময়চোৱা হ'ল ১৯৭৮ চনৰ মাৰ্চৰ পৰা ১৯৭৯ চনৰ চেপ্তেম্বৰলৈ। হাজৰিকাৰ মুখ্যমন্ত্ৰিত্বৰ সময় প্ৰায় তিনিবছৰ আৰু তেখেতৰ অসম জনতা দল জনতা দলৰে ভগ্নাংশ।

চৈধ্যখন আসনৰ তিনিখনতহে মনোনয়ন পত্ৰ দাখিল হ'ল, এঘাৰখন খালী হৈ ৰল। দিছপুৰত ১৪৪ ধাৰা বলবৎ কৰা হৈছে। সাম্প্ৰতিক সংঘৰ্ষৰ সৃষ্টি কৰিবলৈ মানুহ আমদানী কৰা হৈছে। ১৩ ডিচেম্বৰৰ ৰাতি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মুখত ক'লা কাপোৰ বান্ধি ডাঃ অঞ্জন চক্ৰবৰ্তীক হত্যা কৰি আন্দোলনকাৰীক সাম্প্ৰদায়িক বুলি সজাবলৈ দুষ্টচক্ৰ তৎপৰ হৈছে।

সেই একে দিনাখনে বকোৰ ওচৰত মেঘালয়ৰ বিধায়ক মানিক দাস আৰু বিধায়িকা পি. মাৰাক আৰু তেওঁলোকে ব্যৱহাৰ কৰা গাড়ীখনৰ ড্ৰাইভাৰক কোনোবা অজ্ঞাত বন্দুকধাৰীয়ে গুলীয়াই হত্যা কৰিছে। সেই একে ঘটনাত ভদ্ৰেশ্বৰ কোচে মূৰত আঘাত পাইছে। ডাঃ অঞ্জন চক্ৰবৰ্তীৰ এই দুৰ্ঘটনাৰ পাছত পাণ্ডু, মালিগাওঁ এলেকাও সাংঘাতিক ধৰণে স্পৰ্শকাতৰ হৈ পৰিল। সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত হ'ব পাৰে বুলি ভাবি ১৫ ডিচেম্বৰৰ ৰাতিপুৱা ৯.৪৫ মিনিটৰ পৰা সান্ধ্য আইন বলবৎ কৰা হয়।

কলিকতাৰ পৰা প্ৰকাশ পোৱা সৰহভাগ খবৰৰ কাগজে অসমৰ পৰিস্থিতি সঠিকভাৱে অধ্যয়ন কৰিব নোৱাৰি বিভ্ৰান্তিকৰ বাতৰি পৰিবেশন কৰাৰ ফলত দিল্লীত প্ৰবীণ নেতা চন্দ্ৰ শেখৰ আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে অসমৰ বিৰুদ্ধে বিষোদগাৰ কৰিছে। এনে পৰিস্থিতিৰ মাজতে মেঘালয়ৰ দুয়োজন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ উঠাই লৈছে।

১৮ ডিচেম্বৰৰ পৰা আন্দোলনৰ পৰৱৰ্ত্তী কাৰ্যসূচী ঃ নিৰ্বাচন বন্ধ কৰা, বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া আৰু বিদেশী বহিষ্কাৰৰ দাবীত ১৮ ডিচেম্বৰৰ দিনটো প্ৰতিজ্ঞা দিবস আৰু ১৯,২০ ডিচেম্বৰত অসহযোগ দিবস হিচাবে পালন কৰাৰ কাৰ্যাসূচী লোৱা হয়। পূৰ্বাঞ্চলীয় লোক পৰিষদে অসম বিধান সভাৰ সদস্যসকলক পদত্যাগ কৰিবলৈ আহ্বান জনাইছে। প্ৰতিজ্ঞাটো আছিল— We pledge today to secrefice our lives for the national cause of Assam and promise that we will remain active participats of the national movement launched by the AASU and we will save our motherland from the clutches of the foreigners and from any other danger that may come. এই মন্ত্ৰত লক্ষ লক্ষ লোক দীক্ষিত হয় আৰু মাতৃভূমিক ৰক্ষা কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। চৰকাৰী বিৰোধ সত্বেও অসহযোগৰ কাৰ্যসূচীৰ সফল ৰূপায়ণ হয়। এনে পৰিস্থিতিত ৰাজ্যপালে পুনৰ নিৰ্বাচন স্থগিত ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰ আৰু নিৰ্বাচনী আয়ুক্তক অনুৰোধ কৰে। নিৰ্বাচন প্ৰক্ৰিয়া প্ৰায় সকলো প্ৰকাৰে বিঘ্নিত হয়। কাছাৰ জিলাৰ আলগাপুৰ সমষ্টিৰ নাগৰিক সকলে ভোটাৰ তালিকা শুদ্ধ নকৰা পৰ্যন্ত নিৰ্বাচন বন্ধ ৰখাৰ দাবী কৰে। খৰ্গেশ্বৰৰ মৃত্যুৰ বাবে আন্দোলনকাৰী সকলে নামনি অসমৰ আয়ুক্ত নৰসিংহম, ডি. আই. জি. গীল, এ. ডি. এম. মালিক, আৰক্ষী অধীক্ষক শ্ৰীবাস্তৱক দায়ী কৰে আৰু এই মৃত্যুৰ সঠিক বিচাৰ নোহোৱা পৰ্যন্ত নিলম্বিত কৰি ৰাখিবলৈ দাবী উত্থাপন কৰে। ২১ ডিচেম্বৰত জমিয়ত উলেমাই হিন্দৰ সভাপতি মৌলানা আছাদ মাচুদ মাদানীয়ে সাম্প্ৰদায়িক অশান্তি বিয়পিব পৰা বিবৃতি প্ৰদান কৰে, আন্দোলনকাৰীক সঙ্কীৰ্ণ মনোভাবৰ উগ্ৰজাতীয়তাবাদী বুলি অভিহিত কৰে আৰু আন্দোলনৰ লক্ষ্য মুছলিম আৰু অনাঅসমীয়া বিৰোধী বুলি মন্তব্য কৰে।

২৭ ডিচেম্বৰৰ পৰা পুনৰ আন্দোলন ঃ ২৭ ৰ পৰা ২৯ ডিচেম্বৰলৈ পুনৰ অসহযোগৰ কাৰ্যসূচী ঘোষণা কৰা হয়। অসম প্ৰশাসনীয় সেৱাৰ প্ৰথম শ্ৰেণীৰ বিষয়া সকলেও ২৩ ডিচেম্বৰ তাৰিখে ন্যায্য আন্দোলনলৈ সমৰ্থন আগ বঢ়াবলৈ সিদ্ধান্ত লয়। সকলো স্তৰৰ কাৰ্যালয়ৰ কাম কাজ অচল হৈ পৰে। আনকি তেল

প্ৰতিষ্ঠানৰ কাৰ্যালয়ো বাদ পৰা নাই।

২৪ জানুৱাৰী তাৰিখে কে.পি.এচ. গীলক দণ্ডাধীশৰ আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়ে। অসহযোগৰ সফল পৰিণতিত ৰাজ্য চৰকাৰ গভীৰ চিন্তাত পৰে। ইফালে জনতা দলৰ প্ৰাৰ্থী সবিতা দাসে কৰিমগঞ্জ সমষ্টিৰ আৰু যতীন্দ্ৰ চন্দ্ৰ দেৱে শিলচৰ সমষ্টিৰ পৰা মনোনয়ন পত্ৰ উঠায় লয়।

১ জানুৱাৰী, ১৯৮০ ৰ পৰা ৫৮ ঘণ্টীয়া অসম বন্ধৰ আহ্বান : চৰকাৰ আৰু নিৰ্বাচনী আয়োগে অসমৰ জনসাধাৰণৰ এক সৰ্বাত্মক প্ৰতিবাদ সত্বেও নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ দৃঢ় হৈ থকাত এইটো প্ৰতিপন্ন হ'ল যে ভাৰতীয় গণতন্ত্ৰত মহাত্মা গান্ধীয়ে যি পদ্ধতিৰে ভাৰতৰ স্বাধীনতা অৰ্জন কৰিলে তেনে অহিংস আৰু শান্তিপূৰ্ণ প্ৰতিবাদক শ্ৰদ্ধা নকৰে আৰু ভাৰতৰে এক অঙ্গ ৰাজ্যৰ গুৰুতৰ সমস্যাক সমস্যা হিচাবে মান্যতা প্ৰদান নকৰি বৈষম্যমূলক দৃষ্টিভঙ্গীৰে প্ৰকাশ ঘটিল। এইটো এনে এক উদাহৰণ হৈ ৰ'ল যিটো দেশখনৰ সাৰ্বভৌমত্বৰ কাৰণেই ক্ষতিকাৰক হোৱাৰ সম্ভাৱনা হৈ পৰিল। অসম এনেয়ে চিৰকাল অবহেলিত। তেনে অৱস্থাতেই আৰু এক দুৰ্ঘোৰ অন্যায় অসমবাসীৰ ওপৰত জাপি দিব খোজাটো কেতিয়াও গণতান্ত্ৰিক বিচাৰ হ'ব নোৱাৰে। সেইবাবে অসমবাসী আকৌ আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিবলৈ বাধ্য হৈ পৰিল।

৩০ ডিচেম্বৰত জনতা পাৰ্টিৰ বিধায়ক সকলে ১২ ঘণ্টীয়া অনশন ধৰ্মঘট পালন কৰি নিৰ্বাচন বন্ধ কৰাৰ দাবী পুনৰ উত্থাপন কৰিলে। ৩০ ডিচেম্বৰত এচ.এল. চাকধেৰে কাৰ্বি আংলঙৰ নিৰ্বাচন স্থগিত ৰখাৰ ঘোষণা কৰে। ৪৮ ঘণ্টীয়া অসম বন্ধৰ সফল সামৰণি হয়। ধীৰেন সেনে পৰৱৰ্ত্তী পৰিস্থিতিত নিৰ্বাচন অনুষ্ঠিত কৰাৰ সপক্ষে আহ্বান জনায়। জ্যোতি বসুৱে খাৰুৱা তেল সৰবৰাহ যাতে বন্ধ কৰা নহয় তাৰ বাবে অসমৰ ৰাজ্যপালক সাবধান কৰি দিয়ে।

পশ্চাদঘাতী কাৰ্যৰ আত্মপ্ৰকাশ : ১৯৭৯ চনৰ ৮ জুন তাৰিখে এক সৰ্বাত্মক গণ আন্দোলনৰ জৰিয়তে ভাৰত চৰকাৰক অসমৰ ওপৰত হোৱা বিদেশী নাগৰিকৰ এক অঘোষিত আক্ৰমণৰ বিৰুদ্ধে বিহিত ব্যৱস্থা ল'বলৈ আবেদন আৰু দাবী উত্থাপন কৰা হৈছিল। এই আন্দোলনে পৰিপূৰ্ণতা লাভ কৰিছিল আৰু প্ৰায় ছয় মাহ কাল সম্পূৰ্ণ কৰিছিল আৰু এক ন্যায্য বিচাৰ আশা কৰিছিল। অত্যন্ত পৰিতাপৰ কথা যে অসমবাসীৰ ন্যায্য দাবীৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰে কোনো বিশেষ গুৰুত্বই আৰোপ নকৰিলে বৰং আন্দোলনটো আপোনা আপুনি এটা সময়ত নিষ্ক্ৰিয় হৈ যাব বুলি ভবিলে। প্ৰকাৰন্তৰে তাকে কৰিবলৈ চৰকাৰ বদ্ধ পৰিকৰ হোৱাৰ স্পষ্ট প্ৰকাশ ঘটিবলৈ ধৰিলে। আন্দোলন ক্ৰমে এনে এটা স্তৰ পালে যে ইয়াৰ

পৰিসমাপ্তি সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছা আৰু ন্যায্যতা স্বীকাৰ কৰাৰ ওপৰত নিৰ্ভৰ হোৱা পৰিলক্ষিত হোৱা দেখা গ'ল। আনহাতে কেন্দ্ৰীয় চৰকাৰ অধিক ৰুক্ষ হোৱাৰ লক্ষণবোৰ প্ৰকাশ পাবলৈ আৰম্ভ কৰিলে। আন্দোলনটো ধ্বংস কৰিবলৈ নানা ধৰণৰ নীচ ষড়যন্ত্ৰও ৰচনা কৰা দেখা গ'ল। মলবাৰীৰ ওচৰৰ বাগান পাৰাৰ (নবম্ভি) '৮০' ৪, ৫ জানুৱাৰী তাৰিখে ছাত্ৰনেতা দিলীপ হুজুৰীক দিন দুপৰতে হত্যা কৰা হ'ল আৰু তালেকেইজন ছাত্ৰক ঘুনীয়া কৰাৰ ঘটনা ঘটিল। অৱস্থাৰ অৱনতি ঘটাৰ সম্ভাৱনা দেখি ৫ জানুৱাৰীৰ ৰাতিৰ পৰাই বলবৎ হোৱাকৈ সেই অঞ্চলত সান্ধ্য আইন প্ৰয়োগ কৰা হ'ল। দিলীপ হুজুৰীৰ হত্যাকাৰী হিচাবে অভিযুক্ত কৰি হেমন্ত সৰকাৰ আৰু হৰেন বৰ্মনক আটক কৰা হ'ল।

৬ জানুৱাৰী তাৰিখে কামৰূপ জিলা ছাত্ৰ সন্থাই হুজুৰীৰ মৃত্যুৰ বাবে শোক দিৱস পালন কৰে আৰু ৮ জানুৱাৰীত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম কৰ্মচাৰী পৰিষদৰ আহ্বানক্ৰমে সমগ্ৰ অসমতে শোক দিৱস পালন কৰা হয়। ৬, ৭ জানুৱাৰীত বৰপেটা মহকুমাৰ অন্তৰ্গত সৰ্থেবাৰী, মাটিখোৱা, নেউলাৰ ভিঠা, কাৱৈমাৰী আদি স্থানত অবৈধভাৱে বাস কৰি থকা বাংলাদেশীয়ে ওচৰৰ গাঁওবোৰত অপ্ৰৰোচিতভাৱে আক্ৰমণ কৰি হেজাৰ হেজাৰ স্থানীয় লোকৰ ঘৰবাৰী জ্বলাই দিয়ে। চিৰাজুল হকৰ উচটনিতে এনে আক্ৰমণ হোৱা বুলি পুলিচ সূত্ৰই অৱগত কৰে। অৱস্থা নিয়ন্ত্ৰণাধীন কৰিবলৈ গুলী চালনা কৰিবলৈ বাধ্য হয়। দুজন লোক মৃত্যুৰ মুখত পৰে। তৰুণ মেধি আৰু এজন লাট মণ্ডলৰ লগত উপপ্ৰতি সমাহৰ্তাই কাৱৈমাৰী ৰিজাৰ্ভৰ হেজাৰ হেজাৰ বিঘা মাটি বাংলাদেশীক আবণ্টন দিয়াৰ তথ্য পিছত পোহৰলৈ আহে। এওঁলোকৰ বাবে দেশতকৈ ধন অধিক মূল্যবান। ৭ জানুৱাৰীত মুকালমুৱাত সংঘৰ্ষ হয় আৰু দুজন লোক মৃত্যুমুখত পৰে। অঞ্চলটোত সান্ধ্য আইন জাৰি কৰে। উত্তৰ কামৰূপৰ বিভিন্ন ঠাইত সন্ত্ৰাস চৰকাৰীভাৱে জাপি দিয়াৰ অভিযোগ উত্থাপিত হয় আৰু চি. আৰ. পি. এফৰ দ্বাৰা নাৰী ধৰ্ষণৰ দৰে ঘৃণনীয় কাম সংঘটিত কৰোৱা হয়। ৮ জানুৱাৰী তাৰিখে উত্তৰ কামৰূপ অশান্ত অঞ্চল হিচাবে ঘোষিত হয়। আন্দোলনটোক সাম্প্ৰদায়িক ৰূপ দিয়াৰ বাবে বিধায়ক জেহিৰুল ইছলাম, মহম্মদ ইদ্ৰীচ, চিৰাজুল হক, মুজামীল আলি চৌধুৰী, আফ্‌জাৰুদ্দিন আহমেদ, আব্দুল কাছেম, আব্দুল লটিফ, আফজালুৰ ৰহমান, শান্তি ৰঞ্জন দাসগুপ্তৰ স্বাক্ষৰত ইন্দিৰা গান্ধী, চৰন, বহুগুণা আৰু চৈয়দ আব্দুল্লা বুখাৰীলৈ টেলিগ্ৰাম দি জনায় যে অসমত সংখ্যালঘু সম্প্ৰদায় আন্দোলনকাৰীৰ আক্ৰমণৰ বলি হৈছে।

৫ টা ৰাজনৈতিক দলৰ চৰকাৰ গঠনৰ দাবী : অসমৰ পৰিস্থিতিৰ ক্ৰমাৎ

অৱনতি ঘটাবলৈ আৰু সংঘৰ্ষ ৰচনা কৰিবলৈ এক বিস্তৃত আঁচনি যেন ৰূপায়ণ কৰি লোৱা হৈছে তেনে ধাৰণা জনগণৰ বদ্ধমূল হৈছে। ইফালে ঘোলা পানীত মাছ ধৰাৰ দৰে কোনো নীতি আদৰ্শৰ সামান্যকণ সামঞ্জস্য নথকাকৈ ৫টা ৰাজনৈতিক দলে চৰকাৰ গঠন কৰাৰ বাবে আৰ্জি পেশ কৰিছে। সেই দলকেইটা হ'ল - অসম জনতা দল, পি.ডি.পি., চি.পি.আই.এম., চি.পি.আই. আৰু লোকদল।

আন্দোলনৰ পৰৱৰ্তী কাৰ্যসূচী তেল প্ৰতিষ্ঠানত পিকেটিং : অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে সৰ্বাত্মক আন্দোলন এটা হোৱা সত্ত্বেও ক্ষমতাৰ বাঘজৰী হাতত লোৱাসকলৰ অন্তৰত কোনো প্ৰভাৱ নপৰিল। বৰং এনে আন্দোলন ৰাষ্ট্ৰবিৰোধী বুলিহে প্ৰকাৰন্তৰে বুজাবলৈ চেষ্টা কৰা দেখা গ'ল। অসমৰ সম্পদৰ ওপৰত লোলুপ দৃষ্টি সৰ্বজন বিদিত। সেইবাবে সংগ্ৰামী জনতাই তেল প্ৰতিষ্ঠানবোৰত পিকেটিং কৰিলে কেন্দ্ৰৰ গা লৰিব পাৰে বুলি ভাবি ৯ জানুৱাৰীৰ পৰা তৈলক্ষেত্ৰৰ বিভিন্ন প্ৰতিষ্ঠানত পিকেটিং কৰাৰ সিদ্ধান্ত ঘোষণা কৰা হয়। লগে লগে কেন্দ্ৰীয় চৰকাৰে সেই স্থানবোৰ সংৰক্ষিত অঞ্চল বুলি ঘোষণা কৰে। বিভিন্ন আন্দোলনৰ কাৰ্যসূচীৰ বাবে যিসকল কৰ্মচাৰীয়ে তৈলক্ষেত্ৰত সঠিকভাৱে কাম কৰিব পৰা নাছিল সেই সকলৰ দৰমহাৰ এটা অংশ আদায় নিদিয়াকৈ ৰাখে। ১০ জানুৱাৰীত প্ৰতিবাদ দিৱস পালন কৰা হয়। পিকেটিঙৰ ফলত তেল সৰবৰাহত ব্যাঘাত জন্মে। তাৰ পোটক তুলিবলৈ অসমলৈ খাদ্য কঢ়িয়াই অনা ১০০০ খন ট্ৰাকৰ অসমত প্ৰৱেশ বন্ধ কৰে। ১৯ জানুৱাৰীত ১০০০ জন পিকেটিংকাৰীক আটক কৰা হয়। ১৪ জানুৱাৰীত (৮০) ইন্দিৰা গান্ধী প্ৰধানমন্ত্ৰীৰ গাদী দখল কৰে। ১৭ জানুৱাৰীত পুনৰ প্ৰতিবাদ দিৱস পালন কৰা হয়।

ডুলীয়াজানত হত্যাকাণ্ড : ১৮ জানুৱাৰীত তেল প্ৰতিষ্ঠানত পিকেটিং কৰিবলৈ হেজাৰ হেজাৰ লোক ওলাই আহে। শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধ হৈ পিকেটিং কৰিবলৈ অহা সকলৰ ভিতৰত মহিলাসকল প্ৰথমে, তাৰ পিছত যুৱকসকল আৰু পিছত পুৰুষসকলে কাৰ্যালয়ৰ ভিতৰলৈ সোমাবলৈ সকলো কৰ্মীকে বলপূৰ্বকভাৱে যাতে একো কৰাৰ চেষ্টা নকৰে তাৰ বাবে অনুৰোধ জনায়। চি. আৰ. পি. এফ.ৰ জোৱান সকলে কেৱল উচ্চ পদস্থ বিষয়াৰ আদেশলৈ বাট চাইছে গুলী বৰ্ষণ কৰিবলৈ। নিৰস্ত্ৰ লোকৰ এক বৃহৎ মিছিলৰ ওপৰত সহস্ৰাধিক জোৱানে যুদ্ধৰ আতংকৰ পৰিৱেশ ৰচনা কৰিছে। পিকেটিংকাৰীয়ে কোনো ভয় খোৱা নাই। ডায়াৰৰ জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ কথা মনত পৰিছে। কোনো সাৱধান বাণী শুনোৱা হোৱা নাই, কোনো কন্দুৱা গেছ প্ৰয়োগ কৰি ছত্ৰভংগ দিয়াৰ ব্যৱস্থা কৰা নাই আৰু গুলী চালনা কৰিবলৈ আদেশ দিছে। নিমিষৰ ভিতৰত হাহাকাৰ কাণ্ড সংঘটিত কৰা

হ'ল। থিতাতে ৭ জনে জীৱন আহুতি দিলে। শ শ পিকেটিংকাৰী ঘূনীয়া হৈ গ'ল। অসমৰ বুৰঞ্জীত ৮০ ৰ ১৮ জানুৱাৰী তাৰিখটো জাতিৰ বাবে প্ৰাণ বিসৰ্জন দিব পৰা এক বীৰত্বৰ প্ৰকাশৰ দিন হিচাবে লিখা থাকিব। বন্দুকৰ গুলী বুকু পাতি ধৰা নগেন ডেকা, অজিত নেওগ, নৃপেন ৰৰা, কুমুদ গগৈহঁতৰ নামবোৰ কেৱল শ্বহীদ নহয় বীৰত্বৰ চানেকি হৈ ৰ'ব। সদ্য বিবাহিত নগেনৰ পত্নীৰ কপালখন উকা হৈ ৰ'ল। নুনমাটি তেল শোধনাগৰৰ পিকেটিং অব্যাহত আছে আৰু চৰকাৰে কোনো উৎকণ্ঠা প্ৰকাশ কৰাৰ লক্ষণ দেখিবলৈ পোৱা হোৱা নাই। চৰকাৰীভাৱে সংঘটিত কৰা হত্যা কাণ্ডৰ বাবে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে কোনো দুখ প্ৰকাশ কৰা নাই। কিন্তু ৰবি মিত্ৰৰ মৃত্যুত তেখেতে গভীৰ বেথা অনুভৱ কৰিছিল।

পি. চি. চেঠীৰ মন্তব্য ঃ সেই সময়ত কেন্দ্ৰীয় মন্ত্ৰী পি.চি. চেঠীৰ মন্তব্য বিশেষভাৱে প্ৰণিধানযোগ্য। গোৱালিয়ৰৰ এখন সভাত ভাষণ প্ৰসঙ্গত তেখেতে এনেদৰে কৈছিল- বিদেশীবোৰৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিলে ভাৰতৰ ঐক্য আৰু সংহতি বিনষ্ট হ'ব। কিয়নো এই বিদেশীবোৰ অসমত বহু বছৰ ধৰি আছে। অসমৰ এই আন্দোলন আবেগিক।

ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ নেতৃবৃন্দৰ অসম ভ্ৰমণ ঃ অসমৰ এই ভয়াবহ পৰিস্থিতি অধ্যয়ন কৰিবলৈ আৰু কামৰূপত হোৱা ব্যাপক নাৰী নিৰ্যাতন চি.আৰ.পি.এফৰ জোৱানৰ দ্বাৰা সংঘটিত কৰা ঘটনাবোৰৰ বুজ লবলৈ যশপাল কাপুৰ, জ্ঞানী জৈইল সিঙ, অটল বিহাৰী বাজপেয়ী, ৰবীন্দ্ৰ বৰ্মা অসমলৈ আহিছিল। বাজপেয়ীয়ে অনুভৱ কৰিছিল যে অসম অতি সোনকালে বিদেশী নাগৰিকৰ হেঁচাত কোঙা হৈ যাব। আচৰিত কথা এওঁলোকে কিন্তু বিদেশী নাগৰিকৰ সমস্যাটো সমাধান কৰাৰ বাবে একো নিশ্চিত পদক্ষেপ ল'ব নোৱাৰিলে।

প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ মন্তব্য ঃ ১৯৮০ ৰ ২৫ জানুৱাৰী তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে কৰা মন্তব্যই এইটো পুনৰ স্পষ্ট কৰে যে কংগ্ৰেছ দল আৰু এই দলৰ চৰকাৰে বিদেশী নাগৰিকৰ আৰু দেশীয় নাগৰিকৰ মাজত কোনো ব্যৱধান ৰাখিব নোখোজে। তাৰ প্ৰমাণ হিচাবে তেখেতে কৰা মন্তব্যটোৱে সাক্ষী বহন কৰে। I am willing to meet anybody who comes here to Delhi. Different section of people were calling different people as the foreigners. We have to see who is a foreigner and who is not. People who have shared joy and sorrow with us, who have voted in elections and have lived with us and who are here for long time could not be called foreigners. But if Assam is not willing to accept we have

to find other places for them."

স্মাৰক পত্ৰ ঃ উত্তৰ কামৰূপৰ ধমধমা, নগ্ৰিপাৰা, জাগাৰা. চামতা, গড়িয়া, কুমাৰীকাটা, খখৰিশাল, বনগাঁও, বৰশিমলুগুৰি, বতাহঘিলা, পশ্চিম বাস্কা, উত্তৰ বাস্কা, আদাবাৰী, বৰ্ণি, সক নৰ্দ্ধি আদি বিভিন্ন গাওঁৰ প্ৰায় ৫০,০০০ হিন্দু-মুছলমান নাৰীৰ ওপৰত পাশৱিক অত্যাচাৰ কৰা জোৱান সকলৰ বীৰত্বৰ বিষয়ে এখন স্মাৰক পত্ৰ ইন্দিৰা গান্ধীয়ে পঠিওৱা সজাতি দলৰ সদস্য যশপাল কাপুৰ আৰু আন নেতা সকলৰ হাতত অৰ্পণ কৰাৰ পিছতো প্ৰধানমন্ত্ৰীয়ে কোনো নিন্দা কৰা দেখা নগ'ল। স্বাধীন ভাৰতৰ মাতৃৰ ওপৰত হোৱা বৰ্বৰোচিত আক্ৰমণৰ বিৰুদ্ধে নাৰীকুলৰ প্ৰধানমন্ত্ৰী যদি ব্যথিতবোধ নকৰে তাতকৈ চৰম দুখৰ কথা কি হ'ব পাৰে? ভাৰতৰ স্বাধীনতা আন্দোলনত নাৰীয়ে জীৱন উছৰ্গা কৰিছিল আৰু তেনে নাৰীৰ ওপৰত স্বাধীন ভাৰতৰ জোৱানৰ পাশৱিক অত্যাচাৰ অক্ষমণীয়।

প্ৰধানমন্ত্ৰীৰ প্ৰফুল্ল মহন্তলৈ প্ৰেৰণ কৰা চিঠি ঃ ১৯৮০ ৰ ২০ জানুৱাৰী তাৰিখে প্ৰধানমন্ত্ৰীয়ে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্তলৈ লিখা চিঠিখন ইয়াত হুবহু তুলি দিয়া হৈছে।

Dear Śhri Mahanta,

I have received your letter brought by Dr. S.D. Sharma and Shri Y. Kapoor, who have also apprised me of the present situation in Assam as explained by you. They have informed me of your attitude and your anxiety to solve the problem in a peaceful manner at the earliest. I am glad to hear your emphasis on the Gandhian approach of non violence and seculariam.

We are considering your suggestions Action of some of them, like ensuring the invoilability of your borders is being urgently taken.

Thank you for inviting me to Assam. As you perhaps know Parliament is meeting from 21st and a number of foreign dignitaries are visiting us in conference and Republic Day connections with UNIDO celebrations. Therefore it is not possible for me to come to Assam as soon as I like to do. I suggest that in the meantime you and your colleagues come to Delhi for a discussion.

As you know, I always have had affection for the people of

Assam and deep concern for their welfare. Immediately after assumption of office on the 14th January, 80 I asked the Governor to come here and sent my emissaries to study the situation there so as to get full information regarding the situation.

I am anxious to find speedy solution. I am glad to know that you and your colleagues responded in a constructive manner. Now that the process of discussions and implementation of certain steps have started any activity like picketing, gherao and protest rallies have become redundant. Unfortunately it has resuled in violence and loss of human life. My thoughts go out to the bereaved families of those who are no more."

Yours sincerely.

এই চিঠিখন যদি সকলো দিশ সামৰি বিশ্লেষণ কৰা হয় তেনেহ'লে এই কথা প্ৰতীয়মান হয় যে অসমৰ এক বৃহৎ আন্দোলনে ভাৰতৰ প্ৰধানমন্ত্ৰী গৰাকীক কোনো প্ৰকাৰে প্ৰভাৱান্বিত কৰা নাই আৰু প্ৰকাৰন্তৰে অবাঞ্চিত আন্দোলনৰ ফলশ্ৰুতি হিচাবে যিসকলে মৃত্যুৰ মুখত পৰিল সেইসকলৰ প্ৰতি অনুকম্পা প্ৰকাশ পাইছে। কিন্তু এটা জাতি সত্বাৰ ভৱিষ্যৎ যে অন্ধকাৰাচ্ছন্ন হ'বলৈ লৈছে সেয়া ৰাজনৈতিক কাৰণতেই এৰাই চলাই থকা দেখা গৈছে। তাৰ মূল কাৰণ এই যে খণ্ড বিখণ্ড হোৱা অসমে ৰাষ্ট্ৰীয় ৰাজনীতিত একো প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। যিকোনো এখন বৃহৎ ৰাজ্যত এনে এটা সৰ্বাত্মক আন্দোলন হোৱাহেঁতেন কেন্দ্ৰীয় চৰকাৰ অস্থিৰ হৈ পৰিলহেঁতেন। ভাৰতীয় গণতন্ত্ৰৰ এই দুৰ্বলতা কোনো কালেই দূৰ হোৱাৰ সম্ভাৱনা নাই যেতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ নেতৃবৰ্গই মানুহক মৰ্যাদা দিবলৈ নিশিকে।

পুনৰ গণ অনশন : ১৯৮০ ৰ ১, ২ ফেব্ৰুৱাৰীত সমগ্ৰ অসমত গণ অনশন পালন কৰা হয়। মহাত্মা গান্ধীৰ ছবি সন্মুখত ৰাখি পৱিত্ৰ গীতাৰ বাণীৰে উদ্বুদ্ধ হ'বলৈ আৰু বিপদৰ সময়ত কেনেকৈ ধৈৰ্য্য ধৰা ভাল, দুৰ্যোৰ শত্ৰুতাৰ সময়ত একতাৰ কিমান প্ৰয়োজন সেই বিষয়ে সংগ্ৰামী জনতাক অৱগত কৰা হয়। লগতে কেন্দ্ৰীয় চৰকাৰক জনাই দিয়া হয় যে সমস্যাৰ সমাধান নোহোৱালৈকে শান্তিপূৰ্ণ গণ আন্দোলনৰ সামৰণি নপৰে।

২ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনা : সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত ভৃগু কুমাৰ ফুকন, ভৰত নৰহ, ললিত

ৰাজখোৱা, মনসিং ৰংপি, আবু নাছেৰ, ইক্তিখাৰ হুছেইন বৰা, ধ্রুব প্রসাদ বৈশ্য, দেৱ প্রসাদ বৰা প্রধানমন্ত্রীৰ চিঠিৰ আমন্ত্রণক্রমে দিল্লীলৈ যাত্রা কৰে। লগত অধ্যাপক কুমুদ নাথ শর্মাও যায় আৰু ১১৯ পৃষ্ঠা জোৰা এখন স্মৰাকপত্র আলোচনাৰ বাবে প্রধানমন্ত্রীলৈ লগত নিয়ে। পূর্ব নির্দ্ধাৰিতমতে সৌহার্দ্যপূর্ণ পৰিৱেশত আলোচনা হয় প্রায় ৮০ মিনিট সময়। আলোচনাত কোনো সিদ্ধান্ত নোলাল।

ইয়াৰ প্রতিক্রিয়া প্রকাশ কৰি পশ্চিমবঙ্গৰ মুখ্যমন্ত্রী জ্যোতিবসুৱে ক'লে যে যদি বিদেশী বিতাৰণত প্রধানমন্ত্রী ইন্দিৰা গান্ধী মান্তি হয় পশ্চিমবঙ্গত কোনো লোকৰ আশ্রয় নহ'ব। তেখেতে আনকি এনে মন্তব্যও নকৰাকৈ নাথাকিল যে অসম আন্দোলনৰ লগত বিদেশী শক্তিও জড়িত হৈ পৰিছে। প্রধানমন্ত্রীৰ সৈতে হোৱা আলোচনাৰ কোনো ধৰণৰ মীমাংসা নোলাল যদিও কেইটামান বিষয় মানি ল'লে।

চৰকাৰৰ ঘোষণা : ৫ ফেব্রুৱাৰী তাৰিখে সদৌ অসম ছাত্র সন্থা আৰু সদৌ অসম গণ সংগ্রাম পৰিষদৰ বিভিন্ন দাবীৰ ভিতৰত তলত উল্লেখ কৰা দাবীসমূহ চৰকাৰে মানি লব বুলি ঘোষণা কৰে।

(ক) বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা অপসাৰণ কৰা হ'ব আৰু বিদেশীসকলক বহিস্কাৰ কৰা হ'ব।

(খ) অসমত পুনৰ নির্বাচন পতাৰ আগতে সংশ্লিষ্ট ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম বাদ দিয়া হ'ব।

(গ) অসমৰ যিকোনো নির্বাচনৰ বাবে প্রস্তুত কৰি উলিয়াব লগা ভোটাৰ তালিকাত যাতে বিদেশী নাগৰিকৰ নামৰ প্রৱেশ নঘটে তাৰ বাবে এক শক্তিশালী নির্বাচনী যন্ত্র তৈয়াৰ কৰা হ'ব।

(ঘ) অসমত বাস কৰা সকলো ভাৰতীয় নাগৰিকৰ চিনাক্ত কৰাৰ বাবে পৰিচয় পত্র দিয়া হ'ব আৰু পৰিচয় পত্রৰ সৈতে ফটো সংযোজিত কৰা হ'ব।

(ঙ) প্রতিবেশী ৰাষ্ট্রৰ সৈতে থকা অসমৰ সীমাৰে যাতে কোনো বিদেশী অসমত প্রৱেশ কৰিব নোৱাৰে তাৰ বাবে ব্যৱস্থা লোৱা হ'ব।

এই ঘোষণা প্রধানমন্ত্রী ইন্দিৰা গান্ধী আৰু গৃহমন্ত্রী জাইল সিঙে কৰাৰ পিছত অসমৰ মানুহে আশা কৰিছিল যে অসমৰ এক জ্বলন্ত সমস্যা ভাৰতৰ কেন্দ্রীয় প্রশাসনে অনুভৱ কৰিব পাৰিছে আৰু এক সঠিক দিশত কেন্দ্রীয় চৰকাৰে ন্যায্য ব্যৱস্থা হাতত ল'ব। কিন্তু সময় অতিবাহিত হোৱাৰ লগে লগে এয়া স্পষ্ট হৈছিল যে এয়া আন এক গভীৰ চক্রান্ত আৰু আন্দোলনৰ গতি ৰোধ কৰা এক কুখ্যাত অভিসন্ধিৰ বাহিৰে অন্য একো নহয়।

অটল বিহাৰী বাজপেয়ী আৰু ৰবীন্দ্ৰ বৰ্মাই অৱশ্যে অসমবাসীক প্ৰশংসা কৰিয়ে মন্তব্য কৰিছিল যে এয়া ভাৰতৰ অখণ্ডতাৰ স্বাৰ্থতে অসমে এক জাতীয় আন্দোলনৰ নেতৃত্ব দিছে। কোনো ফলশ্ৰুতি নোহোৱাত আন্দোলনৰ পৰৱৰ্তী কাৰ্যসূচী ঘোষণা কৰিবলৈ আন্দোলনৰ নেতৃবৰ্গ বাধ্য হৈ পৰিল। অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰে এনে এক গভীৰ বিষয় উলংঘা কৰাটো ভাৰতীয় গণতন্ত্ৰৰ পৰিহাস হিচাবে গণ্য হ'ব বুলি ভাবিয়ে কেন্দ্ৰক উপলব্ধি কৰোৱা উচিত হ'ব বুলি বিবেচনা কৰিলে। ৰবীন্দ্ৰ বৰ্মাই আক্ষেপেৰে কয় যে যদিহে ১৯৭২ চনতে বিদেশী বিতাৰণৰ বাবে আগবঢ়োৱা পৰামৰ্শ ৰাজ্যৰ কংগ্ৰেছ চৰকাৰে পালন কৰিলেহেঁতেন তেতিয়াহলে ৰাজ্যখনৰ সংকট কমি থাকিলহেঁতেন। আনহাতে বিদেশী নাগৰিক বহিষ্কৰণ আইন বল্লভভাই পেটেলে সেই সময়ত প্ৰয়োগ কৰিবলৈ ৰাজ্য চৰকাৰক পৰামৰ্শ দিছিল। কিন্তু ৰাজ্য চৰকাৰে একো কৰিব নোৱাৰিলে। সত্যাগ্ৰহৰ কাৰ্যসূচী আগবাঢ়ি গৈ আছে। ৮ ফেব্ৰুৱাৰী তাৰিখে নগাওঁৰ নৰ্নৈৰ ১১০ বছৰীয়া বৃদ্ধা আইতা কন্দুমতী দেৱীয়েও সত্যাগ্ৰহত অংশ গ্ৰহণ কৰি মাতৃৰ মুক্তিৰ বাবে সহযোগ প্ৰকাশ কৰে। ১২ আৰু ১৩ ফেব্ৰুৱাৰীত লাখ লাখ সত্যাগ্ৰহীয়ে অংশ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। সেই সময়তে বেগম আবিদাই চুপ্ৰীম কোৰ্টত আবেদন কৰে যে তেওঁক বিনা প্ৰতিদ্বন্দিতাৰে লোকসভাৰ সদস্য হিচাবে ঘোষণা কৰিব লাগে। ১৪ ১৪ ফেব্ৰুৱাৰীলৈ আন্দোলনৰ কাৰ্যসূচী স্থগিত ৰখা হ'ল।

২২ ফেব্ৰুৱাৰী (৮০) তাৰিখে জাইল সিং আৰু চেঠিৰ আগমন ঃ গৃহ মন্ত্ৰী জাইল সিং আৰু পি.চি. চেঠীয়ে এই যাত্ৰাত বিভিন্ন সংগঠনৰ মূৰব্বীসকলৰ লগত এলানি আলোচনা কৰে আৰু আন্দোলন বন্ধ কৰিবলৈ আহ্বান জনায়। এই আন্দোলনৰ ফলত যে দেশখন বৃহৎ ক্ষতিৰ সন্মুখীন হ'বলগীয়া হৈছে তাকো প্ৰকাশ কৰে। তৈল ক্ষেত্ৰৰ পৰা পিকেটিং উঠাই ল'বলৈকেও জাইল সিঙে আবেদন জনায়। আন্দোলনৰ নেতৃবৰ্গই দিল্লীত অনুষ্ঠিত বৈঠকৰ পিছত ঘোষণা কৰা সিদ্ধান্ত সমূহ পালন কৰিবলৈ কেনে ব্যৱস্থা লৈছে জানিব বিচাৰে। সংগঠনে অসমৰ জ্বলন্ত সমস্যা সমাধানৰ পথ নোলোৱালৈকে আন্দোলন অব্যাহত ৰখা হ'ব বুলি জনায়। জ্ঞানী জাইল সিঙে অসমৰ অস্তিত্বৰ সৈতে জড়িত মূল প্ৰশ্নটোৰ মীমাংসা নিবিচাৰি পশ্চাদ অপসৰণ কৰা পৰিলক্ষিত হয়। ২৩ ফেব্ৰুৱাৰী তাৰিখে পুনৰ আলোচনাত মিলিত হয় যদিও আলোচনা ব্যৰ্থ হয়। আন্দোলনৰ কাৰ্যসূচী দীঘলীয়া হ'বলৈ বাধ্য হৈ পৰে। ২৪ ফেব্ৰুৱাৰী তাৰিখে কেন্দ্ৰই ১৯৭১ চনক ভিত্তি বছৰ হিচাবে লৈ সমস্যাটোৰ সমাধান কৰিবলৈ বিচাৰে। কিন্তু আন্দোলনৰ নেতৃবৰ্গই তাত সন্মতি প্ৰদান কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে। তাৰ মূল কাৰণ হ'ল বিদেশী নাগৰিকৰ

বাবে সংবিধানে দিয়া ব্যৱস্থা ভঙ্গ কৰাটো দেশৰ স্বাৰ্থৰ বাবেই ভয়ানক ক্ষতিকাৰক হ'ব।

পশ্চিমবঙ্গ চৰকাৰৰ প্ৰতিক্ৰিয়া : জাইল সিং আৰু চেঠীয়ে আন্দোলনৰ নেতৃবৰ্গৰ সৈতে আলোচনা কৰা দেখি আৰু এটা সিদ্ধান্তৰ কথা প্ৰকাশ কৰাৰ লগে লগে পশ্চিমবঙ্গ চৰকাৰ অস্থিৰ হোৱা পৰিলক্ষিত হয়। তাৰ কেইটামান উদাহৰণ ইয়াত সন্নিবিষ্ট কৰা হৈছে।

(ক) ড° জয়নাল আবেদিনৰ ২৬ জানুৱাৰীৰ মন্তব্য : ড° জয়নাল আবেদিনে (কং) পশ্চিমবঙ্গ বিধান সভাত বামপন্থী চৰকাৰক আহ্বান জনাই কয় যে অসম আন্দোলনৰ বিৰুদ্ধে এক অহিংস প্ৰতি আন্দোলন গঢ়ি তুলিব লাগে। লগতে প্ৰশ্ন কৰে যে গৃহমন্ত্ৰী জাইল সিঙক ১৯৭১ চনটো বিদেশী নাগৰিকক চিনাক্ত কৰণৰ ভিত্তি বছৰ হিচাবে ল'বলৈ কোনে কৰ্তৃত্ব অৰ্পণ কৰিছে? লগতে এটা আবাঞ্ছনীয় মন্তব্যও কৰা দৃষ্টি গোচৰ হ'ল।

'Who gave him the right to fix it as 1951 or 1971 as the base year? It is not the question of Bangladesh Hindus or anybody else. They are all human beings. I am with them. Please do give leadership to a non-violent movement. The whole of Bengal will rise.'

(খ) ২৮ ফেব্ৰুৱাৰীত পশ্চিমবঙ্গ বিধান সভাৰ প্ৰস্তাৱ :

'The way the non Assamese Indians are being branded as foreigners and driven out of Assam is fought with grave consequences and this house is concerned over its implications. This movement is directed against all non-Assamese Indians irrespective of religious affiliations- Hindus, Muslims, Buddhists and Christian. Indians living in Assam for a long time are all branded as foreigners.

The house considers as dangerous for the unity and consolidation of Indian entity, the act of describing Indians as foreigners without determining the definition of a foreigner constitutionally.

This movement in Assam and Meghalaya has assumed the character of aggressive nationalism provincialism and secessionism. The concept of Indian unity and integrity is being threatened by this movement.

There are different reasons to believe that secessionist forces and imperialist interests are abetting this grave situation in Assam and Meghalaya to undermine the unity and integrity of India. Their only aim is to destroy the unity and integrity of the country.'

আন্দোলনৰ পৰৱৰ্তী কাৰ্যসূচী ঃ অসমৰ বিদেশী নাগৰিকৰ সমস্যাটোৰ সমাধান বিচাৰি নেতৃত্ব দিয়া সংগ্ৰামী সকলৰ সৰহভাগেই ছাত্ৰ আৰু তেওঁলোকৰ মনত নিশ্চয় ধাৰণা বদ্ধমূল হৈছিল যে তেওঁলোকৰ ভৱিষ্যৎ ৰাজ্যখনত অসহনীয় হ'ব পাৰে বা সন্মান সহকাৰে জীয়াই থকাও কঠিন হ'ব পাৰে। যিটো সমস্যাৰ সৃষ্টি হৈছে তাৰ বাবে ৰাজনৈতিক নেতৃবৃন্দ, চৰকাৰ আৰু উপৰিপুৰুষ যে প্ৰকাৰান্তৰে দায়ী তাত তেওঁলোকৰ কোনো সন্দেহ নাই। তথাপি সমস্যাটোৰ গুৰুত্ব অনুভৱ কৰি যি সকল বয়সস্থ লোকে সহযোগ আগবঢ়াইছে তেওঁলোকক আন্দোলনকাৰীয়ে লগত থকাটো বিচাৰিছে। এইটো নিৰ্ভুলভাবে ক'ব পাৰি যে বুদ্ধিজীৱিয়ে এনে বৃহৎ সমস্যাটোৰ নেতৃত্ব দিয়াত ব্যৰ্থ হৈছে। প্ৰকৃত অৱস্থাটো ভাৰতৰ জনগণৰ মাজলৈ লৈ যাব নোৱাৰিলে। ফল স্বৰূপে আন্দোলনটো বাৰে বাৰে নানা ধৰণৰ বাধাৰ সন্মুখীন হ'বলৈ বাধ্য হৈছে। প্ৰকৃত সত্য প্ৰকাশ কৰাত ৰাজনৈতিক বাধা যিমান হৈছে ন্যস্তস্বাৰ্থ জড়িতমহলে নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ বাবে বৃহৎ স্বাৰ্থক ক্ষতিগ্ৰস্ত কৰা বাবে অসমৰ ভৱিষ্যৎ আজি অধিক সংকটাপন্ন হ'বলৈ বাধ্য হৈছে। আন্দোলনকাৰীসকলৰ সৰহভাগে স্বাধীনতা লাভৰ সময়ত জন্ম গ্ৰহণেই কৰা নাই। অথচ সেইসকলে এটা বৃহৎ আন্দোলনৰ গঢ় দিয়াৰ সময়তো অসংখ্য লোকে ইয়াৰ প্ৰতি নৈতিক সমৰ্থনো আগবঢ়োৱা নাই বৰং বহুতে কুৎসা ৰতনা কৰাহে পৰিলক্ষিত হৈছিল। এইটো আন্দোলনে প্ৰমাণ কৰিলে যে ভাৰতৰ সাৰ্বভৌমত্বৰ বিষয়ে সংবিধানৰ আধাৰত প্ৰতিষ্ঠিত পৃথিৱীৰ বৃহত্তম গণতন্ত্ৰৰ মূলা ধাৰাৰ বিষয়ে, স্বদেশী আৰু বিদেশীৰ পাৰ্থক্যৰ বিষয়ে আৰু ভাৰতীয় মহাজাতি আৰু মহাজাতিৰ উপাদান সৰু সৰু জাতিবোৰৰ নিজস্ব অস্তিত্বৰ বিষয়ে কৰা প্ৰশ্নবোৰৰ উত্তৰ ভাৰতীয় ৰাজনীতিৰ পণ্ডিত আৰু প্ৰশাসনৰ মূৰব্বীসকলে দিব নোৱাৰিলে। শাসন যন্ত্ৰই উত্তৰ পুৰুষক গাৰ বলেৰে প্ৰলোভনৰ মায়াজালেৰে, অনৈতিক ব্যৱস্থাৰে আৰু স্বাৰ্থ পূৰণৰ বাটবোৰ খোলা ৰাখি আভুৱা ভাৰিবলৈ আৰু প্ৰৱঞ্চনা কৰিবলৈ কুণ্ঠাবোধ নকৰিলে। ৰাজনৈতিক নেতৃবৃন্দৰ সৰহভাগে ভূমিপুত্ৰ সকলতকৈ অবৈধ বিদেশীৰ প্ৰতি অধিক অনুকম্পা দেখুৱা কাৰ্যই ৰাজনৈতিক চৰিত্ৰ পুনৰ উদঙাই দেখুৱাইছে আৰু ৰাজনীতি কিমান নিষ্ঠুৰ হ'ব পাৰে তাক প্ৰকাশ কৰিছে।

১৯৮০ চনৰ মাৰ্চৰ ১ তাৰিখে ইন্দিৰা গান্ধীয়ে সংসদৰ মজিয়াত বিৰোধী দলৰ

নেতৃবৃন্দক অসমৰ আন্দোলনৰ বিষয়ে আৱগত কৰে আৰু কি ব্যৱস্থা ল'লে এটা মীমাংসাত উপনীত হ'ব পৰা যাব তাৰ পৰামৰ্শ বিচাৰে। ১৯৭১ চনৰ মাৰ্চ মাহৰ ২৫ তাৰিখকে বিদেশী নাগৰিক চিনাক্ত কৰা আধাৰ বছৰ হিচাবে ল'ব লাগে বুলি সৰহভাগ নেতাই মত প্ৰকাশ কৰে। চি. পি. এম এ মানবীয় দৃষ্টিভঙ্গী ল'বলৈ কয় আৰু অসমত কোনো বিদেশী নাগৰিক নাই বুলি কয়।

১৯৮০ চনৰ মাৰ্চ মাহৰ ৭ তাৰিখে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ লগত দিল্লীত ২য় লানি আলোচনা অনুষ্ঠিত কৰা হয়। এইবাৰ সদৌ অসম ছাত্ৰ সন্থাৰ লগতে সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ সদস্যকো আহ্বান জনোৱা হয়। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে যুটীযাভাৱে প্ৰস্তুত কৰা এক চুক্তিপত্ৰ আলোচনাৰ আধাৰ হিচাবে ল'বলৈ অনুৰোধ কৰা হয়। চৰকাৰৰ পক্ষই এই আধাৰপত্ৰ গ্ৰহণ কৰিলে আন্দোলন স্থগিত ৰখাৰ কথা বিবেচনা কৰা হ'ব বুলি জনোৱা হয়। কোনো সিদ্ধান্ত নহ'ল। ১৯৭১ চনকে ভিত্তি বছৰ মানি ল'বলৈ আন্দোলনৰ নেতৃবৰ্গক সৈমান কৰিবলৈ যত্ন কৰে। এই আলোচনা ১২ মাৰ্চলৈ চলে। জাহিল সিঙে বিভিন্ন প্ৰকাৰৰ হেচাৰ বাবে বাৰে বাৰে স্থিতি সলনি কৰে বাবে সিদ্ধান্তত উপনীত হোৱা অসম্ভৱ হৈ পৰে।

এপ্ৰিল মাহৰ ১ তাৰিখে ৰাজ্যপাল লালন প্ৰসাদ সিঙে শ্বিলঙত এখন আলোচনা অনুষ্ঠিত কৰি সদৌ অসম ছাত্ৰ সন্থাক উপস্থিত থাকিবলৈ আহ্বান জনায়। আলোচনাত ৰাজ্যপাল ডাঙৰীয়াই ১৯৬৭ চনটো মানিবলৈ ছাত্ৰ সন্থাক অনুৰোধ কৰা বুলি বাতৰি প্ৰকাশ পায যদিও ৰাজ্যপালে তেনে কোনো প্ৰস্তাৱ আগবঢোৱা নাই বুলি কয আৰু আলোচনাত পুনৰ যতি পৰে।

১২ এপ্ৰিলত ইন্দিৰা গান্ধী অসম ভ্ৰমণলৈ আহে। ১৯৭১ চনটোকে ভিত্তি বছৰ হিচাবে মানি ল'বলৈ ইন্দিৰা গান্ধীয়ে পুনৰ দোহাৰে। আন্দোলনকাৰীযে এই প্ৰস্তাৱ আকৌ এবাৰ প্ৰত্যাখ্যান কৰিলে। আন্দোলন দীঘলীয়া হোৱাৰ নতুন পটভূমি ৰচনা হ'বলৈ ধৰিলে। এটা সময়ত আযাৰ্লেণ্ডক শ শ বছৰ ধৰি বৃটিছ চৰকাৰে অৱহেলা কৰিছিল, প্ৰৱঞ্চনা কৰিছিল যাৰ ফলত আযাৰ্লেণ্ডবাসী হতাশ হৈ পৰিছিল। অসমবাসীৰ অৱস্থাও তেনে হ'বলৈ বাধ্য হ'ল। পুনৰ আন্দোলনৰ পথ লোৱা হ'ল। আন্দোলনকাৰী পুনৰ নিৰ্যাতনৰ বলি হ'বলৈ বাধ্য হ'ল।

মণিপুৰৰ মুখ্যমন্ত্ৰী ৰাজকুমাৰ দৰেন্দ্ৰ সিঙে এই সময়তে মধ্যস্থতা কৰাৰ বাবে কেন্দ্ৰৰ পৰা নিৰ্দেশ লাভ কৰে। আলোচনা অনুষ্ঠিত কৰাও হয়। কিন্তু কোনো ফল লাভ নহ'ল। নিম্ন স্তৰৰ প্ৰতিনিধিৰ লগত আলোচনা আগবঢ়াই আন্দোলনকাৰীক ধৈৰ্যচ্যুত কৰিব খোজে যাতে ভুল কৰে আৰু আলোচনা স্তব্ধ হৈ যায়। যোগেন্দ্ৰ

মাকোৱানাই এবাৰ আলোচনা কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল।

১৭ ৰ পৰা ২৫ চেপ্তেম্বৰলৈ নতুন দিল্লীত আকৌ এলানি আলোচনা হয়। জাইল সিঙে আলোচনাৰ আঁত ধৰে। ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু গণ সংগ্ৰাম পৰিষদৰ আহ্বায়ক অতুল বৰাই আলোচনাত অংশ গ্ৰহণ কৰি দুখন চুক্তিপত্ৰ উত্থাপন কৰে। জাইল সিঙে সেই চুক্তিপত্ৰৰ বিষয়বস্তু মানি ল'বলৈ অস্বীকাৰ কৰে। এই চুক্তিপত্ৰ দুখনৰ এটা বিষয় আছিল ১৯৫১ চনৰ ৰাষ্ট্ৰীয় পঞ্জীৰ আধাৰত বিদেশী নাগৰিকৰ চিনাক্তকৰণ কৰিব লাগে।

১১ অক্টোবৰত আকৌ আলোচনা। আশা আৰু নিৰাশাৰে আলোচনা আৰম্ভ হয়। প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, অতুল বৰা আৰু যতীন গোস্বামীসহ মুঠ ২১ জনীয়া দল এটাই আলোচনাত অংশ গ্ৰহণ কৰিছে। জাইল সিং আৰু গৃহদপ্তৰৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত আছে। ১৯৭১ চনকে ভিত্তি বছৰ হিচাবে ল'বলৈ কেন্দ্ৰৰ ফালৰ পৰা পুনৰ পৰামৰ্শ দিছে। তাৰ আগতে অসমত প্ৰৱেশ কৰা বিদেশীসকলক বহিষ্কাৰ কৰিব পৰা নহ'ব বুলি স্পষ্টভাৱে কৈছে।

এটা বছৰ বাগৰি গ'ল। কোনো সমাধান নোলাল। অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰে অসমৰ গণ আন্দোলনটোক কোনো প্ৰকাৰৰ মৰ্যাদা দিয়া দেখা নগ'ল। অসমৰ নিৰ্বাচিত প্ৰতিনিধিয়ে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত বা সংসদৰ মজিয়াত এক উত্তাল আলোচনাও কৰিব নোৱাৰিলে।

১৯৮১ চনৰ ২০ মে' তাৰিখে নতুন দিল্লীত পুনৰ আলোচনা অনুষ্ঠিত হ'ল। গৃহমন্ত্ৰী জাইল সিং, ৰাজ্যিক গৃহমন্ত্ৰী যোগেন্দ্ৰ মাকোৱানাই অংশ গ্ৰহণ কৰিছে। প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, অতুল বৰা আৰু যতীন গোস্বামী আলোচনাত ভাগ লৈছে। ১৮ মে' তাৰিখে কেন্দ্ৰই এটা কমিটী গঠন কৰি দিয়ে আৰু এই কমিটীৰ সদস্য সকলে আন্দোলনৰ নেতৃবৰ্গক ১৯৭১ চনকে আধাৰ বছৰ হিচাবে মানিবলৈ প্ৰচণ্ড হেঁচা প্ৰয়োগ কৰে। নেতৃবৰ্গই এনে প্ৰস্তাৱ পুনৰ প্ৰত্যাখ্যান কৰে। মে' মাহৰ ২৯ তাৰিখে আন্দোলনৰ নেতৃবৰ্গ উভতি আহে। এমাহ পিছত আকৌ আলোচনা আৰম্ভ হয়। প্ৰফুল্ল মহন্ত, ভৃগু ফুকন, অতুল বৰাই অংশ গ্ৰহণ কৰে। জাইল সিঙে হিন্দুসকলক বিদেশী হিচাবে বিবেচনা কৰিব নোখোজে। আলোচনা পুনৰ অসফল হয়। আগষ্টৰ ২ তাৰিখে শ্বিলঙত আলোচনা কৰা হ'ব বুলি ঘোষণা কৰে। সেইমতে আগষ্টৰ দুই তাৰিখে শ্বিলঙত আকৌ এলানি আলোচনা হয়।

২৭ অক্টোবৰ ৮১ ত আকৌ আলোচনাৰ বাবে দিন ধাৰ্য কৰা হৈছে। এইবাৰ আলোচনাত অংশ গ্ৰহণ কৰিছে প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকনে। কৃষ্ণ

স্বামী বাও চাহাবে চৰকাৰী পক্ষক প্ৰতিনিধিত্ব কৰিছে। আগষ্ট মাহৰ ২২ তাৰিখে অসমলৈ তেখেত এবাৰ আলোচনাৰ বাবে আহিছিল যদিও কোনো বিশেষ ফল নধৰিল। তেখেতে এই আলোচনাতো ভাগ লৈছে। এই আলোচনাৰ অন্তত এখন খচৰা প্ৰস্তুত কৰি উপস্থাপন কৰা হয়। এই খচৰাত তলত উল্লেখ কৰা বিষয় কেইটা সামৰি উপস্থাপন কৰা হয়।

(১) বিদেশী নগাৰিকক সংবিধান সংশ্লিষ্ট আইন যেনে- নাগৰিকত্ব আইন (১৯৫৫), বিদেশী আইন (১৯৪৬), পাচপোর্ট আইন (১৯৫২) ৰ আধাৰত চিনাক্ত কৰিব লাগে।

(২) অসম বাংলাদেশ সীমান্তত এটা ৰাস্তা নিৰ্মাণ কৰিব লাগে।

(৩) আগৰ চুক্তিপত্ৰবোৰত উল্লেখ কৰা মতে অসমক সুৰক্ষিত কৰি ৰাখিব পৰা ব্যৱস্থাবোৰ সন্নিবিষ্ট থাকে। কোনো সিদ্ধান্ত নোহোৱাকৈ আন্দোলনৰ নেতৃবৰ্গ ভউতি আহিবলগীয়া হয়। নেতৃবৰ্গৰ কিন্তু ধৈৰ্যৰ বান্ধ শিথিল হোৱা নাই আৰু অধিক পৰিশ্ৰম আৰু ত্যাগ কষ্ট স্বীকাৰ কৰিবলৈ সাজু আছে। এটা জাতিৰ জীৱন মৰণ সমস্যাৰ সময়ত ভাগৰি পৰিলে বা ফণ্ডি বাজৰ জালত পৰিলে ভৱিষৎ প্ৰজন্মৰ যে বিপদ অনিবাৰ্য তাত কোনো সন্দেহৰ অৱকাশ নাই।

ইমান দিনে চৰকাৰ পক্ষ আৰু আন্দোলনৰ নেতৃবৰ্গৰ মাজতে আলোচনা চলি থাকিল আৰু চৰকাৰে বিৰোধী দলৰ নেতৃবৃন্দক আলোচনাত ভাগ ল'বলৈ আমন্ত্ৰণ জনোৱা নাছিল। চৰকাৰে এইবাৰ বিৰোধী পক্ষকো আলোচনাত অংশ গ্ৰহণ কৰাৰ বাবে আমন্ত্ৰণ কৰিবলৈ সিদ্ধান্ত কৰিলে। ১৯৮২ চনৰ জানুৱাৰীৰ ১৮ তাৰিখে পুনৰ ত্ৰিপাক্ষিক আলোচনা আৰম্ভ হ'ল। আলোচনাৰ মুখ্য সিদ্ধান্ত হ'ল যে বাংলাদেশ আৰু অসমৰ মাজৰ সীমা সুৰক্ষিত হ'ব লাগে যাতে কোনো বিদেশী অসমত প্ৰৱেশ কৰিব নোৱাৰে। বাকী কোনো সমস্যাৰ কথা যেনে বিদেশী নগৰিকৰ চিনাক্ত কৰণ বহিষ্কৰণ আদিৰ বিষয়ে চৰকাৰী আৰু বিৰোধী পক্ষই অবান্তৰ কথাৰ অৱতাৰণা কৰি সমস্যাটো লঘু কৰিব খোজা দেখা গ'ল। বিৰোধী দলৰ দুই এক নেতাই বিৰূপ মন্তব্য কৰাও দেখা গ'ল। আলোচনা আগ নাবাঢ়ে। ফেব্ৰুৱাৰী মাহৰ ৯ তাৰিখে পুনৰ দিল্লীত আলোচনা কৰাৰ বাবে তাৰিখ নিৰ্দ্ধাৰণ কৰা হয়। জাইল সিঙে আন্তৰ্জাতিক চুক্তিৰ বিষয়ে উল্লেখ কৰে আৰু তাক কোনো প্ৰকাৰে ভংগ কৰিব পৰা নহ'ব বুলি কয়। যি চুক্তিৰ সহায়ত শৰনাৰ্থীসকলক ভাৰতত ৰখা সিদ্ধান্ত কৰা হৈছে তেনে শৰনাৰ্থীক বিদেশী বুলি কোৱা সম্ভৱ নহ'ব বুলিও কয়। আন্দোলনৰ নেতৃবৰ্গই সেই চুক্তিখন আলোচনাৰ মেজত উপস্থাপন কৰিবলৈ অনুৰোধ জনাই যদিও তাক উপস্থাপন কৰিব নোৱাৰে। তেনে কোনো চুক্তি যে সংসদত

কোনো দিনেই অনুমোদিত হোৱা নাই সেই কথা কাৰো অবিদিত নাথাকে। আলোচনা পুনৰ নিষ্ফল হয়।

৭ এপ্ৰিলত আকৌ আলোচনা। চৰকাৰৰ কোনো সদিচ্ছা নথকাৰ বাবে এইবাৰ আলোচনাৰ কোনো ফল নধৰে। ২৬ আগষ্টত আকৌ ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত কৰা হৈছে। গৃহমন্ত্ৰী জাইল সিং ইতিমধ্যে ৰাষ্ট্ৰপতিৰ আসনত বহিছে আৰু আৰ. ভেংকটৰমণ নতুন গৃহমন্ত্ৰী হৈছে। তেখেতে চৰকাৰী পক্ষক প্ৰতিনিধিত্ব কৰিছে। এই আলোচনাত জনতা পাৰ্টিৰ সদস্য ৰবীন্দ্ৰ বৰ্মাই এটা সূত্ৰ আগবঢ়ায় আৰু তাত তলত উল্লেখ কৰা কথাখিনি সন্নিবিষ্ট কৰা হয়।

১। ১৯৫১ চনৰ অসমৰ ৰাষ্ট্ৰীয় পঞ্জী আৰু ১৯৫২ চনৰ ভোটাৰ তালিকাত নথকা মানুহৰ নামবোৰ অনুসন্ধান কৰি পৰৱৰ্তী তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে নে নাই বিচাৰ কৰি চাব লাগে।

২। এই তালিকাত থকা বা নথকা যিকোনো মানুহ ভাৰতীয় নাগৰিক নহয় বুলি সন্দেহ উপজিলে আপত্তি দৰ্শাব লাগে।

৩। কোনবোৰ মানুহ ভাৰতীয় নাগৰিক নহয় তাৰ এখন তালিকা প্ৰস্তুত কৰিব লাগে।

৪। যদি কোনোবা লোকে ভাৰতীয় নাগৰিক বুলি প্ৰমাণ কৰিব পাৰে তেনে সুবিধা প্ৰদান কৰিবলৈ সুযোগ দিব লাগে।

৫। এজন মানুহ ভাৰতীয় নাগৰিক বুলি প্ৰমাণ কৰিবলৈ মাত্ৰ এমাহ সময় দিব লাগে। যদি প্ৰমাণ হয় যে তেনে এজন মানুহ বৈধ ভাৰতীয় নাগৰিক নহয় তেতিয়াহ'লে এই বিষয়টো প্ৰতিখন বিধান সভাৰ সমষ্টিৰ তিনিজনীয়া বিচাৰকৰ দ্বাৰা গঠিত ট্ৰাইবুনেললৈ শেষ সিদ্ধান্তৰ বাবে প্ৰেৰণ কৰিব লাগে। ট্ৰাইবুনেল আইন সন্মতভাৱে প্ৰস্তুত কৰিব লাগে। চৰকাৰী পক্ষই এই প্ৰস্তাব পৰীক্ষা কৰি চাবলৈ এটা দিন বিচাৰে আৰু ২৮ আগষ্টত পুনৰ আলোচনা আৰম্ভ কৰা হয়। আন্দোলনৰ নেতৃবৰ্গই এই প্ৰস্তাৱৰ সামান্য সাল-সলনিৰ পৰামৰ্শ আগবঢ়ায়। সেইমতে এইটো চুক্তিখনত সন্নিবিষ্ট কৰিবলৈ অনুৰোধ কৰে যে যিসকল বিদেশী বুলি সাব্যস্ত হয় সেইসকলৰ যিসকলে ১৯৬১ চনৰ পিছত অসমত সোমাইছে সেইসকলৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিব লাগে আৰু অসমৰ পৰা ভাৰতৰ অন্য ঠাইলৈ স্থানান্তৰিত কৰিব লাগে আৰু ১৯৭১ চনৰ পিছত যিসকল বিদেশী অসমত সোমাল সেইসকলৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দি বহিষ্কাৰ কৰিব লাগে। চৰকাৰে এই প্ৰস্তাৱত সন্মতি প্ৰকাশ কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে। কিন্তু ভাবি চাব বুলি কয় আৰু আলোচনাৰ বাট মুকলি ৰাখে।

ইয়াৰ পিছত ১ চেপ্তেম্বৰ ৮২ ৰ পৰা ৮ চেপ্তেম্বৰৰ সময় চোৱাত এলানি আলোচনা অনুষ্ঠিত কৰা হয়। গৃহমন্ত্ৰী আৰু ভেংকেটৰমণে কেইটামান গুৰুত্বপূৰ্ণ দিশ লৈ আলোচনাত বহে। তেখেতে কয় যে এই বিষয়টোৱে এক জটিল ৰূপ ধাৰণ কৰিছে আৰু সমস্যাটো সামাধানৰ বাবে 'খণ্ড চুক্তি' Package deal ৰ পোষকতা কৰে। তেখেতে 'খণ্ড চুক্তি' অনুসৰি অসমৰ বিদেশী নাগৰিকৰ সমস্যাটো তলত উল্লেখ কৰা দিশ কেইটাক অগ্ৰাধিকাৰ দি আলোচনা আগবঢ়াব খোজে।

১। অসমৰ অস্তিত্ব, ভাষা, সংস্কৃতি অটুত ৰাখিবলৈ সাংবিধানিক সুৰক্ষাৰ ব্যৱস্থা ৰখা।

২। ১৯৬০ চনৰ পিছৰ বিদেশী নাগৰিকক কোনো নাগৰিকৰ প্ৰমাণ পত্ৰ নিদিয়াৰ ব্যৱস্থা কৰা।

৩। ১৯৭১ চনৰ পিছত সোমোৱা বিদেশীসকলক বহিষ্কাৰ কৰা।

এই প্ৰস্তাৱ কেইটাত কেন্দ্ৰীয় চৰকাৰে কিবা বিশেষ গুৰুত্ব প্ৰদান কৰিছিল নে নাই কোৱা টান। কাৰণ সামান্য সাল-সলনি কৰিবলৈ নেতৃবৃন্দই কিবা প্ৰস্তাৱ আগবঢ়ালেই চৰকাৰী পক্ষ অমান্তি হয় আৰু চৰকাৰে নিজৰ মত জোৰকৈ জাপি দিবলৈ সকলো প্ৰকাৰে যত্ন কৰে। চৰকাৰে এই সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাবে স্বীকাৰ কৰিছে। কিন্তু সমাধান উলিয়াবলৈ সদায় পিছ হোহোকা পিছলা কৰা দেখা গৈছে। আলোচনা স্থগিত কৰা হ'ল।

২৭ চেপ্তেম্বৰত আৰ ভেংকেটৰমণে আকৌ এক অনানুষ্ঠানিক আলোচনাৰ বাবে আন্দোলনৰ নেতৃবৰ্গক নিমন্ত্ৰণ জনালে। আলোচনাত কোনো বাস্তৱসন্মত সমাধান নোলাল। ৬ নৱেম্বৰত আকৌ এক ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত কৰা হ'ল। ৰবীন্দ্ৰ বাৰ্মাক এক সমাধান সূত্ৰ উদ্ভাৱন কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হয়। ৭ নৱেম্বৰত ৰবীন্দ্ৰ বাৰ্মাই এক সমাধান সূত্ৰৰ খচৰা প্ৰস্তুত কৰি বিবেচনাৰ বাবে উপস্থাপন কৰে। এই প্ৰস্তাৱমতে ১৯৬১-১৯৭১ চনৰ ভিতৰত অসমত প্ৰৱেশ কৰা বিদেশী নাগৰিকসকলক ৪ শ্ৰেণীত ভাগ কৰিব লাগে। আগৰ প্ৰস্তাৱত বাৰ্মাই তিনি শ্ৰেণীৰ নাগৰিকৰ কথা উল্লেখ কৰিছিল আৰু এইবাৰ চাৰি শ্ৰেণীৰ বিদেশী নাগৰিকৰ প্ৰস্তাৱ আগবঢ়োৱা বাবে সি সমৰ্থন যোগ্য নহ'ল। লাহে লাহে আন্দোলনকাৰীক ধৈৰ্যৰ সীমা অতিক্ৰম কৰিবলৈ মূল্যহীন আলোচনাবোৰ চলাই যোৱাৰ এটা প্ৰক্ৰিয়া জীয়াই ৰাখি আন্দোলনটো মৰীমূৰ কৰাৰ এক কৌশল ৰচনা কৰা যেন অনুভৱ হ'বলৈ ধৰিলে। ইতিমধ্যে ভেংকেটৰমণ প্ৰতিৰক্ষা মন্ত্ৰী হিচাবে আৰু পি. চি. চেঠী গৃহ দপ্তৰৰ মন্ত্ৰীত্বৰ শপত গ্ৰহণ কৰিছে। আলোচনাৰ আত প্ৰায় সোলোক ঢোলক অৱস্থা প্ৰাপ্ত হোৱাৰ দৰে হৈছে। ২৩ নৱেম্বৰত আৰ. ভেংকেটৰমন, পি. চি. চেঠী আৰু আলোচনাৰ নেতৃবৰ্গৰ সৈতে গুৱাহাটীত এক আলোচনা অনুষ্ঠিত কৰা হয়।

এই আলোচনাত বিভিন্ন বিষয়ৰ উপৰি এইটো আন্দোলনৰ নেতৃবৰ্গই মানি লয় যে অসম চৰকাৰে যিবোৰ নাগৰিকক ভাৰতীয় নাগৰিক হিচাবে প্ৰমাণ পত্ৰ দিছে সেইবোৰ মানি লোৱা হ'ব আৰু তেনে নাগৰিকক অসমত ৰখাৰ কোনো আপত্তি নাথাকিব। কিন্তু অন্য ৰাজ্যই তেনে প্ৰমাণপত্ৰ যিবোৰ দিছে সেইসকলক অসমত ৰখা অনুচিত হ'ব বুলি দাবী কৰে। আলোচনা অসম্পূৰ্ণ হৈ ৰয়। আকৌ ৬ ডিচেম্বৰত দিল্লীত আলোচনাত বহিব বুলি সিদ্ধান্ত কৰে।

ইতিমধ্যে অসমৰ স্বেচ্ছাসেৱক বাহিনীৰ মুখ্য আহ্বায়ক জয়নাথ শৰ্মাক নাছাত বন্দী কৰা হৈছে। জয়নাথ শৰ্মাক মুক্তি নিদিলে সদৌ অসম ছাত্ৰ সন্থাই আলোচনাত নবহে বুলি কৈছে। মুখ্যত আলোচনা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰাখে। আন্দোলন পুনৰ তীব্ৰভাৱে চলাই যোৱাৰ বাবে আন্দোলনকাৰীয়ে ঘোষণা কৰে আৰু সংকল্প লোৱা হয়।

জয়নাথ শৰ্মা আৰু নবেন তাঁতীক পেৰোলত মুক্তি দিয়াৰ কথা চৰকাৰে ঘোষণা কৰে। ১৯৮৩ চনৰ ৩ জানুৱাৰী তাৰিখে প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, অতুল বৰা, জয়নাথ শৰ্মা আৰু নবেন তাঁতী দিল্লীলৈ যাত্ৰা কৰে। ৪ জানুৱাৰী ১৯৮৩ ত দিল্লীত পুনৰ আলোচনা আৰম্ভ কৰাৰ বাবে সময় নিৰ্দ্ধাৰণ কৰা হৈছে। এইখনো ত্ৰিপাক্ষিক আলোচনা আছিল। আন্দোলনৰ নেতৃবৰ্গই ১৯৬১ চনৰ পিছত যিসকল বিদেশী নাগৰিক অসমত প্ৰৱেশ কৰিছে সেইসকলক বহিষ্কাৰ কৰিব লাগে বুলি দাবী কৰে। প্ৰধানমন্ত্ৰীয়ে আগতে ঘোষণা কৰা মতে সেইসকল নাগৰিকক অসমৰ পৰা স্থানান্তৰিত কৰি ভাৰতৰ অন্য ৰাজ্যত সংস্থাপিত কৰিলে আন্দোলনকাৰীৰ কোনো আপত্তি নাথাকিব। আলোচনা পুনৰ বিফল হয়।

এক সুদীৰ্ঘ অহিংস আন্দোলন অসমবাসীয়ে চলোৱাৰ পিছতো ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন ৰাজনৈতিক দলৰ নেতৃবৃন্দই এই সমস্যাটো এটা ৰাষ্ট্ৰীয় সমস্যা বুলি মানি লোৱাৰ পিছতো এটা খোলা মন লৈ আন্তৰিকতাৰে বিষয়টো নিষ্পত্তি কৰাৰ বাবে কোনো ৰাজনৈতিক দলে দৃঢ়তা প্ৰকাশ নকৰিলে। প্ৰকাৰান্তৰে অসম যে কেন্দ্ৰীয় শাসক বৰ্গৰ বাবে কোনো উৎকণ্ঠাৰ কাৰণ নহয় বা অসমবাসীয়ে ৫-৬ বছৰীয়া আন্দোলনৰ সলনি যদি ৫-৬ দশকো আন্দোলন কৰে তেতিয়াও কোনো বিশেষ গুৰুত্ব প্ৰকাশ কৰিব বুলি ধাৰণা কৰিব নোৱাৰি। ইয়াৰ প্ৰধান কাৰণ দুটা বুলি অনুমান কৰিব পাৰি।

১। অসমৰ সাংসদৰ ৰাজধানীত খলকনি তুলি হুংকাৰ দিব পৰা শক্তিশালী ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাৰ সৃষ্টি আজি পৰ্যন্ত হোৱা নাই।

২। সকলো ৰাজনৈতিক দলৰে নিজস্ব দৃষ্টিভংগী দেশৰ সুৰক্ষা প্ৰদানত মনোনিবেশ কৰাৰ সলনি ক্ষুদ্ৰ দলীয় ৰাজনৈতিক মুনাফা আদায় কেনেকৈ সম্ভৱ

হ'ব পাৰে তেনে অংককে প্ৰাধান্য দিয়াটো পৰিষ্কাৰ হৈ পৰে।

অসমতলৈ বিদেশী নাগৰিকৰ বৃহৎ অবৈধ প্ৰব্ৰজনে ভাৰতৰ সুৰক্ষা ব্যৱস্থা যে সম্পূৰ্ণৰূপে সোপাটিলা তাক প্ৰমাণ কৰিছে আৰু তাত সন্দেহৰ অৱকাশ কম। ভাৰতীয় ৰাজনৈতিক মানসিকতাই দেশৰ সুৰক্ষাতকৈও স্থিতাৱস্থা বাহাল ৰাখি নিজৰ ৰাজনৈতিক লাভালাভ যে প্ৰধান আকাংক্ষাৰ বিষয় সিও এই পৰ্যন্ত প্ৰমাণ হৈ আহিছে। ভাৰতবৰ্ষৰ ৰাজনীতি গৰকা আৰু ক্ষমতাত অধিষ্ঠিত হোৱা ব্যক্তিসকলৰ দেহ-প্ৰাণ ৰাজনীতিকৰ শৰীৰত উঠিবলৈ যে বহু সময়ৰ প্ৰয়োজন হ'ব আৰু হাড়ে হিমজুৱে দেশপ্ৰেমিক ৰাজনীতিবিদ যে সবহ এতিয়াও দেশখনত সৃষ্টি হোৱা নাই তাৰ বৰ্তমানৰ ৰাষ্ট্ৰৰ অৱস্থিতি আৰু ৰাজনৈতিক বাদানুবাদে প্ৰমাণ কৰে। যিখন দেশত এক মুঠি মানুহ আতংকিতবোধ কৰে, চকুৰ আগতে হোৱা এক বৃহৎ আক্ৰমণৰ ফলত যিখন ৰাজ্যৰ জনগাঁথনি ইতিমধ্যে অকল্পনীয়ভাৱে সলনি হোৱাত সামাজিক সমস্যাৰ সৃষ্টি হৈছে, অৰ্থনৈতিক সমস্যাৰ সৃষ্টি হৈছে আৰু নিজৰ অস্তিত্বই বিপন্ন হৈ যাব বুলি উৎকণ্ঠিত হৈছে তেতিয়াও ভাৰতীয় দুৰ্বল প্ৰশাসন যন্ত্ৰৰ উদ্দেশ্যহীন প্ৰশাসন যন্ত্ৰনাই মূল্যহীন আইনৰ জাল পাতি নতুন নতুন সমস্যাৰ সৃষ্টি কৰি ৰাষ্ট্ৰদ্ৰোহ আচৰণ কৰিছে আৰু নিজকে আইনৰ চকুত মহানুভৱ হোৱা দৃষ্টান্ত ৰাখিব পাৰিব বুলি অপচেষ্টা হাতত লোৱা দেখা গৈছে। সেই প্ৰচেষ্টাই এক কাল সৰ্পকে যে জন্ম দিছে তাক দৃষ্টিৰ অলক্ষে সযতনে পালন কৰাৰ বাহিৰে অন্য একো হিত সাধন কৰিব পৰা নাই। অসমৰ অস্তিত্ব যে বৰ্তমান সন্দিহান তাত কোনো আপত্তিৰ কাৰণ প্ৰশাসন ব্যৱস্থাই দেখা পোৱা নাই।

(৪)

১৯৮৩ চনৰ মধ্যবৰ্ত্তীকালীন নিৰ্বাচন আৰু অসম

১৯৮৩ চনৰ প্ৰথম ভাগতে অসমত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে যোজা কৰা দেখা গৈছে। অসম বিধান সভা নিষ্ক্ৰিয় কৰি ৰাখি ৰাষ্ট্ৰপতি শাসন বলবৎ কৰা হৈছে আৰু সেইবাবে ছয় মাহৰ ভিতৰতে নিৰ্বাচন অনুষ্ঠিত কৰাটো সাংবিধানিকভাবে বাধ্যতামূলক হ'ব বুলি ৰাজনৈতিক পণ্ডিত সকলে মত পোষণ কৰিছে। নিৰ্বাচনী আয়োগে এই বিষয়ত চিন্তা চৰ্চ্চা কৰা বুলি সময়ে সময়ে প্ৰচাৰ মাধ্যমত প্ৰকাশ পাইছে।

১৯৮২ চনৰ অক্টোবৰ মাহৰ ২৯ তাৰিখে জনতা দলৰ সাংসদ ড° সুব্ৰমনিয়ম স্বামী যোৰহাটলৈ আহে আৰু তাত এখন সভাত ভাষণ প্ৰসঙ্গত উল্লেখ কৰে যে অসমত নিৰ্বাচন পতাৰ আগতে শুদ্ধ ভোটাৰৰ তালিকা প্ৰস্তুত কৰি উলিওৱা প্ৰয়োজন হ'ব আৰু সকলো অবৈধ বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা অপসাৰণ কৰিহে নিৰ্বাচন পতা উচিত হ'ব বুলি মত প্ৰকাশ কৰে।

১৯৮২ চনৰ ৩০ নবেম্বৰত গুৱাহাটীত এখন সভাত ভাৰতীয় জনতা পাৰ্টিৰ সাংসদ যশোবন্ত সিঙে মন্তব্য কৰিছিল যে বাংলাদেশ আৰু অসমৰ মাজৰ সীমান্তবৰ্ত্তী এলেকা সম্পূৰ্ণৰূপে উন্মুক্ত আৰু সেইবাবে বাংলাদেশৰ পৰা অসমলৈ প্ৰব্ৰজনৰ সোঁত বৈ আছে আৰু প্ৰকাৰান্তৰে ই আক্ৰমণৰ এক নামান্তৰ হৈছে। ২৯ নবেম্বৰত তেখেতে সীমান্ত অঞ্চল ভ্ৰমণ কৰি নিজ অভিজ্ঞতাৰ পৰাই এই কথা জানে বুলি কয়। সেই সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী পি. চি. ষেঠি আৰু প্ৰতিৰক্ষা মন্ত্ৰী আৰ. ভেংকটৰমণে সীমান্ত সুৰক্ষিত বুলি যি দাবী কৰিছিল তাক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল আৰু দায়িত্বহীন বুলি উল্লেখ কৰিছিল। আনকি ১৯৮২ চনৰ ২০ জানুৱাৰীত অনুষ্ঠিত কৰা ত্ৰিপাক্ষিক আলোচনাত সীমা সুৰক্ষিত কৰি ৰখাৰ যি আশ্বাস দিছিল তাক পালন নকৰি অসমবাসীক বিশ্বাসঘাতকতা কৰা বুলি খেদ প্ৰকাশ কৰিছিল।

নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ভিতৰি ভিতৰি যে প্ৰস্তুতি আৰম্ভ কৰা হ'ব ধৰিছে সি আৰু লুকাই নাথাকিল। সেইবাবে আন্দোলন তীব্ৰতৰ কৰিবলৈ আন্দোলনকাৰীয়ে পুনৰ সংকল্প ল'বলৈ বাধ্য হ'ল। ইতিমধ্যে আন্দোলনৰ কাৰ্যসূচীত অংশ গ্ৰহণ

কৰিবলৈ আহোতে ৮ জন কৰ্মচাৰীও মৃত্যুবৰণ কৰিছে। তেওঁলোক হ'ল- (১) কুমুদ গগৈ, (২) মদন বৈশ্য, (৩) হেমেন দাস, (৪) দীলিপ চক্ৰবৰ্তী, (৫) প্ৰবীন মহন্ত, (৬) কন্দ্ৰনাথ ভট্টাচাৰ্য্য, (৭) প্ৰফুল্ল বড়ো আৰু (৮) অনুকূল কাকতি। আন্দোলনৰ কাৰ্যসূচীত যোগদান কৰা বাবে অনিল কুমাৰ মোদক, চফিকুউল আলম চৌধুৰী, বিভাষ চক্ৰবৰ্তী, হৰেন্দ্ৰ চন্দ্ৰ মহাপাত্ৰ, শ্ৰীমতী চিনু দে, ৰমেশ চন্দ্ৰ দাস, গগন চন্দ্ৰ ৰয়, ৰামলাল শৰ্মাক নিলম্বিত কৰা হৈছে। আনহাতে আন্দোলনকাৰীৰ ওপৰত অংকুশ লগাবলৈ বুলি সাব্ধ্য আইন জাৰি কৰিছে। উৎপাদন ক্ষেত্ৰ, যোগান বিভাগ, পানী যোগান, বিদ্যুত বিভাগ আদি বিষয়বোৰ অত্যাবশ্যকীয় সেৱাৰ বিষয় হিচাবে প্ৰতিৰক্ষা মন্ত্ৰী বিভাগে ঘোষণা কৰিছে। শিৱসাগৰত Disturbed Area Act, 1955. আৰু Armed Forces (Special Power) Act, 1953 বলবৎ কৰা হৈছে। এনেবোৰ ব্যৱস্থা লোৱা সত্বেও ন্যায্য দাবীৰ সঠিক ৰূপায়ণ নোহোৱালৈকে আন্দোলনৰ কাৰ্যসূচী অব্যাহত ৰখা হৈছে। কেতিয়াবা সম্পূৰ্ণৰূপে বাতি অন্ধকাৰাচ্ছন্ন [Complete Black Out] কৰি ৰখা হৈছে। কেতিয়াবা ধ্বনিৰ সহায়ত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে। পোষ্টাৰ কেম্পেইন কৰা হৈছে। চৰকাৰে পোষ্টাৰবোৰ গুচাবলৈ ঝা নষ্ট কৰিবলৈ মানুহ লগাইছে। দেৱাল লিখনিবোৰ মচিবলৈ হাজিৰা কৰ্মী নিযুক্ত কৰিছে।

নিৰ্বাচনৰ সম্ভাৱনা পৰীক্ষা : ১৯৮৩ চনৰ মাৰ্চ মাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ সম্ভাৱনীয়তা বিচাৰ কৰি চাবলৈ এখন বিশেষ সভা পতা হয় আৰু সেই সভাত কেন্দ্ৰীয় বিশেষ সচিব (গৃহ) পি.পি. নায়াৰ, অসমৰ মুখ্য সচিব ৰমেশ চন্দ্ৰ, আৰক্ষী সঞ্চালক পি.চি. দাস, গৃহ আয়ুক্ত গোপাল কৃষ্ণ নাইডু আৰু আৰক্ষী মহাপৰিদৰ্শক কে. পি. এচ গিল উপস্থিত থাকে। অসমৰ বিভিন্ন স্তৰৰ বিষয়াৰ সৈতে আলোচনা কৰাৰ অন্তত তেওঁলোকে এটা বিশ্লেষণ কৰি উলিয়াই আৰু সেই অনুসৰি ২৯ টা সমষ্টিত নিৰ্বাচন সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে কৰিব পৰা হ'ব; বাকী ৯৭ টা সমষ্টিত কিছু অশান্তিকৰ পৰিস্থিতি হ'ব পাৰে আৰু তাৰ ভিতৰত ২০ টা সমষ্টিত নিৰ্বাচন বৰ্জন কৰা হ'ব পাৰে বুলি ভাবে। নিৰ্বাচন পাতিলে সামৰিক বাহিনীৰ ২০-২৫ টা বেটেলিয়ানৰ প্ৰয়োজন হ'ব বুলি অনুভৱ কৰে। ১৯৭৯ চনৰ ভোটাৰ তালিকাকে মুখ্য সচিবে ব্যৱহাৰ কৰিব পৰা হ'ব বুলি ভাবে।

এই তথ্যবোৰ প্ৰকাশ পোৱাৰ লগে লগে জনগণৰ মাজত অস্থিৰতা বৃদ্ধি পায়। হাজোত কাৰ্ফিউ জাৰি কৰা হয় আৰু হাজাৰ হাজাৰ মানুহ আৰক্ষীৰ দ্বাৰা আক্ৰান্ত হয়। তেনে লোকক শিবিৰত আশ্ৰয় দিব লগা হয়। বিশেষকৈ ৰাজ্যৰ কৰ্মচাৰী সকলে নিৰ্বাচনত অংশ গ্ৰহণ নকৰাৰ সিদ্ধান্ত জানিব পাৰি চৰকাৰ অস্থিৰ হৈ পৰে আৰু তেনে পৰিস্থিতিৰ সৃষ্টি হ'লে ৰাজ্যৰ বাহিৰৰ পৰা কৰ্মচাৰী আনি হ'লেও

নির্বাচন পতাৰ পোষকতা কৰাত পৰিস্থিতি অধিক অস্থিৰ হৈ পৰে। আন্দোলনকাৰী সকলে নানা ধৰণৰ যেনে : অনশন কৰি, মৌনতা অৱলম্বন কৰি সমস্যা সমাধান নকৰাকৈ অসমত নির্বাচন পতাৰ সিদ্ধান্তনলবলৈ কেন্দ্ৰক বাৰে বাৰে আহ্বান জনোৱা সত্বেও কেন্দ্ৰই বিষয়টোত যে গুৰুত্ব আৰোপ কৰা নাই সেয়া প্ৰমাণিত হয়।

১৯৮৩ চনৰ ৫ জানুৱাৰী তাৰিখে মাননীয় চুপ্ৰীম কোৰ্টৰ খণ্ডপীঠৰ ৩ জনীয়া বিচাৰকৰ এখন বেঞ্চে অসমৰ ভোটাৰ তাৰিকা সংক্ৰান্তত এটা গোচৰ শুনে। ইয়াত সভাপতিত্ব কৰিছিল ছুপ্ৰীম কোৰ্টৰ মুখ্য ন্যায়াধীশ যশোৱন্ত বিষ্ণু চন্দ্ৰচূড়ে। তেওঁলোকে এটা ৰায় প্ৰদান কৰি কৈছিল যে অসমৰ ভোটাৰ তালিকাৰ পৰা সকলো বিদেশী নাগৰিকৰ নাম অপসাৰণ কৰিহে ভোটাৰ তালিকা প্ৰস্তুত কৰি উলিয়াব লাগে আৰু তাৰ পিছতহে নির্বাচন পাতিব লাগে। ৰাজহুৱা স্বাৰ্থ জড়িত এই লেখ আবেদন কৰিছিল ড° পি. নল্লা থাম্পিয়ে আৰু সেই আবেদনত সীমান্তৰ আৰক্ষী বাহিনী আৰু সামৰিক বাহিনীৰ সহায়ত বাংলাদেশ আৰু নেপালৰ সীমান্তৰে যাতে কোনো অবৈধ অনুপ্ৰবেশকাৰী ভাৰতত প্ৰবেশ কৰিব নোৱাৰে তাৰ বাবে কেন্দ্ৰীয় চৰকাৰক নির্দেশ দিবলৈ কোৱা হৈছিল।

নির্বাচনৰ তাৰিখ ঘোষণা : ১৯৮৩ চনৰ ৬ জানুৱাৰী তাৰিখে নির্বাচনী আয়োগে অসমত ১৪,১৭ আৰু ২০ ফেব্ৰুৱাৰীত তিনি খলপীয়া নির্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে। লগতে মেঘালয়তো নির্বাচন হ'ব বুলি ঘোষণা কৰা হয়। কাৰণ মেঘালয় বিধান সভাৰ কাৰ্যকাল ১৩ মাৰ্চত অন্ত পৰিব।

নির্বাচন আয়োগৰ সচিবে (কে. গণেশন) আন্দোলনকাৰীয়ে নির্বাচন অনুষ্ঠিত কৰাৰ বিৰুদ্ধাচৰণ কৰাৰ ঘোষণাৰ এক প্ৰত্যাহ্বান হিচাবে লোৱা বুলি ঘোষণা কৰে আৰু কয় যে ভোটাৰ তালিকাৰ কোনো প্ৰকাৰৰ সংশোধন নঘটোৱাকৈ ১৯৭৯ চনত যি তালিকা প্ৰস্তুত কৰা হৈছিল তাৰ ওপৰত ভিত্তি কৰিয়ে সাংবিধানিক দায়িত্ব পালন কৰিবলৈ নির্বাচন পতা হব বুলি গৰ্ব কৰা পৰিলক্ষিত হ'ল।

ভাৰতীয় সংবিধান মানি চলিবলৈ শপত লোৱা লোক সকলে জনগণৰ মৌলিক সমস্যা সমাধানতকৈ সংবিধানৰ নির্দেশ পালন কৰাৰ বাবে যিমান দায়বদ্ধ আৰু কেনে অদ্ভুত বিচাৰ কৰে সেই অবিশ্বাস্য ঘটনাবোৰ অসমত ঘটিবলৈ দিয়াত কোনো দ্বিধাবোধ কৰা দেখা নগ'ল। নির্বাচন পতাটো সাংবিধানিক দায়িত্ব, আনহাতে বিদেশী নাগৰিকে ভোটদান কৰাটো যে সংবিধান বিৰুদ্ধ সেই কথাত ভাৰতীয় শাসন ব্যৱস্থাৰ প্ৰজ্ঞাৰ মৃত্যু হোৱা যেন লাগে।

'৮৩ ৰ নিৰ্বাচনৰ বিৰুদ্ধে আন্দোলনকাৰীসকলৰ সিদ্ধান্ত :
এই নিৰ্বাচন অসমবাসীৰ বাবে এক বৃহৎ আঘাত :

সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃবৃন্দই অসমবাসীৰ ওপৰত জোৰ জুলুমকৈ জাপি দিব খোজা নিৰ্বাচন এক গণতান্ত্ৰিক প্ৰহসন বুলি অভিহিত কৰিছে। সংবিধানৰ প্ৰমূল্য ৰক্ষা কৰাৰ নামত সংবিধানক চূড়ান্তভাৱে অপমান কৰা বুলি মন্তব্য কৰি অসম বাসীক আহ্বান জনাইছে যে এই নিৰ্বাচনে অসমবাসীৰ ভৱিষ্যৎ অন্ধকাৰ কৰি পেলাব। এনে নিৰ্বাচন কোনো প্ৰকাৰেই অনুষ্ঠিত কৰিব দিব নোৱাৰি। এই নিৰ্বাচন পতাৰ বিৰুদ্ধে সকলো একগোট হোৱা উচিত হ'ব। নেতৃবৰ্গই বামপন্থী আৰু বাকী সকলো দলৰ নেতৃবৃন্দকো এই নিৰ্বাচন বৰ্জন কৰিবলৈ আহ্বান জনাইছে। এই নিৰ্বাচনৰ সহায়ত নেতৃবৃন্দই কেন্দ্ৰীয় চৰকাৰে যে অসম বিদেশীৰ কবলত পৰাটোকে বিচাৰিছে সেয়া পুনৰবাৰ প্ৰতিপন্ন কৰিলে বুলি দাবী কৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ নেতা অটল বিহাৰী বাজপেয়ীয়ে আন্দোলনকাৰীসকলৰ আহ্বানক্ৰমে নিৰ্বাচনত অংশ গ্ৰহণ নকৰিব বুলি সদৰি কৰিছে।

আনহাতে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ছাত্ৰ নেতাসকলক সামান্য অজুহাততে আটক কৰি জেলত নিক্ষেপ কৰা দেখা গৈছে। ৬ জানুৱাৰীত হিতেন গোস্বামী আৰু যতীন মালিক আটক কৰা হৈছিল। ফল স্বৰূপে আন্দোলনটো আকৌ গভীৰ হ'বলৈ আৰম্ভ কৰিলে। ৮ জানুৱাৰীৰ ৰাতিপুৱা ৯ বজালৈ ৭ জানুৱাৰীৰ পুৱা ৯ বজাৰ পৰা গুৱাহাটী বন্ধৰ আহ্বান দিয়া হৈছে। সন্ধিয়া টৰ্চ জ্বলাই, জোৰ লৈ সমদল যাত্ৰা কৰি নিৰ্বাচন বন্ধৰ দাবী সমগ্ৰ অসমতে কৰা হৈছে।

ইতিমধ্যে পূৰ্বাঞ্চলীয় লোক পৰিষদৰ প্ৰাক্তন সভাপতি নিবাৰণ বৰাই মুখ্য নিৰ্বাচনী আয়ুক্তলৈ ১৯৭৯ চনৰ ভোটাৰ তালিকাৰে পাতিব খোজা ১৯৮৩ চনৰ নিৰ্বাচনে যে সংবিধানৰ ৩২৬ আৰু ৩২৭ ধাৰাক উলংঘা কৰিব সেই বিষয়ে সকীয়াই দিছে আৰু নিৰ্বাচনৰ অধিসূচনাৰ ৫ নং প্ৰ-পত্ৰৰ নিৰ্দেশনাৰ বিষয়ে উল্লেখ কৰি কৈছে যে কেৱল মাত্ৰ ভাৰতীয় নাগৰিকেহে নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ অধিকাৰ আছে আৰু ভোটাৰজন যে ভাৰতীয় নাগৰিক হয় তাকেই প্ৰ-পত্ৰৰ জৰিয়তে ঘোষণা কৰিব লাগে। ১৯৫০ চনৰ জনপ্ৰতিনিধিত্ব আইন অনুসৰি এয়া বাধ্যতামূলক। অটল বিহাৰী বাজপেয়ী, জনতা পাৰ্টিৰ নেতৃবৃন্দই লোকদল আৰু কংগ্ৰেছ (এচ) ৰ নেতাসকলে অসমত ভোটাৰ তালিকা শুদ্ধ নকৰাকৈ নিৰ্বাচন পতাৰ বিৰোধিতা কৰে আৰু সংসদৰ মজিয়াত তেনে প্ৰক্ৰিয়া সম্পন্ন কৰাৰ বাবে প্ৰয়োজন হ'লে ৰাষ্ট্ৰপতিৰ শাসন বৃদ্ধি কৰিবলৈ সহযোগ কৰিব বুলি আশ্বাস দিয়ে।

ইতিমধ্যে অসমৰ প্ৰেছৰ ওপৰত ১৯৬০ চনৰ Assam Special Power (Press) Act, 1960 প্ৰয়োগ কৰে ৭ জানুৱাৰী '৮৩ ৰ পৰা বলবৎ হ'ব পৰাকৈ যাৰ ফলত বাতৰি কাকতে সকলো ধৰণৰ খবৰ পৰিবেশন কৰিব নোৱাৰিব। গণতন্ত্ৰৰ ৪ৰ্থ স্তম্ভৰ ওপৰত এনে আক্ৰমণে কেন্দ্ৰীয় চৰকাৰৰ স্বেচ্ছাচাৰী মনোবৃত্তিৰ পুনৰ প্ৰকাশ ঘটালে। নিৰ্দেশৰ পাঠ "Where as the Governor of Assam is satisfied that a situation exists whereby the maintenance of communal harmony is threatened affecting public order and by reason thereof it is necessary to use the special powers under the Assam Special Power (Press) Act, 1960 (Assam Act, No. III of 1961) to prevent and combat activities affecting or likely to affect public order and whereas the Governor of Assam has made a declaration to this affect vide Home Dept. notification no. HMB 868/82/27 dt. 7 Jan, 1983."

Now therefore, in exercise of the powers confered by clause (a) of the sub section 2 of the said Act read with Govt's Notification HMD 868/82/29 dated the 7th Jan, 1983, it is hereby ordered that the printer / publisher Tribune are hereby prohibited to print or publish any document or any class of documents or matters relating to the following subjects for a period of two months from the date of this order in any issue of the news papers called the Assam Tribune and published from Guwahati (iv)(a) All matters including news reports, editorials, articles, letters to the editors, cartoons, comments, advertisiments and photographs relating to the current agitation in Assam over the issue of foreign nationals in the state which is or are likely to agravate or otherwise affect the situation aforesaid further affecting public order.:

(b) All matters that may in whatever form create cause or incite or tend to incite communal disharmony, ill will, distrust, alarm and fear in the minds of person, persons or a group of persons on grounds of religion race caste, community, place of birth or residence, language that may cause or likely to cause threat to public order."

৮ জানুৱাৰী তাৰিখে সম্পাদকে নিজৰ মতামত প্ৰকাশ নকৰিলে। এই সম্পাদকীয় স্তম্ভ খালী ৰখাটোৱে বহুত কথাৰ প্ৰকাশ কৰিলে ভাৰতীয় গণতন্ত্ৰৰ মাহাত্ম্য সম্পৰ্কে, দুৰ্বলতাৰ বিষয়ে।

সংবিধান বিষেষজ্ঞৰ প্ৰতিক্ৰিয়া : এচ. এল. ছাকধেৰে ১৯৭৯ চনত কৈছিল যে ভোটাৰ তালিকাৰ পৰা বিদেশীসকলৰ নাম অপসাৰণ কৰি শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰিহে নিৰ্বাচন পাতিব পৰা হ'ব। সংবিধান বিশেষজ্ঞসকলে ১৯৮৩ চনত পাতিব খোজা নিৰ্বাচনৰ ঘোষণা আৰু নিৰ্বাচনী আয়োগৰ ১৯৭৯ চনৰ ভোটাৰ তালিকা শুদ্ধ নকৰাকৈয়ে পাতিব খোজা সিদ্ধান্ত অসাংবিধানিক হ'ব বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মূলত : ৩ টা কাৰণত। যেনে :—

(১) এই ভোটাৰ তালিকাত ২১ বছৰ সম্পূৰ্ণ কৰা লাখ লাখ ভোটাৰৰ নাম নোসোমোৱাকৈ বৈ যাব, (২) ইতিমধ্যে মৃত্যু হোৱা হেজাৰ হেজাৰ লোকৰ নাম ভোটাৰ তালিকাত বৈ যাব আৰু (৩) লাখ লাখ বিদেশী লোকৰ নাম থকা ভোটাৰ তালিকাৰে নিৰ্বাচন পতা আইন বিৰুদ্ধ হ'ব।

অসমবাসীৰ প্ৰতিক্ৰিয়া : সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে নিৰ্বাচন বৰ্জন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে; কিন্তু কংগ্ৰেছ (আই), চি.পি.এম আৰু চি.পি.আয়ে নিৰ্বাচনৰ প্ৰতি সমৰ্থন আগবঢ়ায়।

সেই সময়ত কংগ্ৰেছ (আই) প্ৰেছিডেণ্ট (অসমত) আছিল হৰেণ তালুকদাৰ। তেওঁ ঘোষণা কৰে যে তেঁওলোকে ১২৬ খন বিধান সভা সমষ্টিত আৰু লোক সভাৰ ১২ খন আসনতে প্ৰতিদ্বন্দ্বিতা কৰিব। ১০০০ জন কংগ্ৰেছ কৰ্মীয়ে নিৰ্বাচনত প্ৰাৰ্থিত্বৰ বাবে আবেদন জনাইছে।

জনতা পাৰ্টি, ভাৰতীয় জনতা পাৰ্টি আৰু লোকদলে নিৰ্বাচন বৰ্জন কৰাৰ সিদ্ধান্ত কৰে। মূল কাৰণ হিচাবে তেওঁলোকে কৈছে যে অসংশোধিত আৰু অশুদ্ধ ভোটাৰ তালিকাৰে পতা নিৰ্বাচন আইন বিৰুদ্ধই নহয় ই গণতন্ত্ৰৰ চৰম পৰিপন্থী কাৰ্য অথচ ৰাজেন্দ্ৰ কুমাৰী বাজপেয়ী (Cong-I) নিৰ্বাচনৰ বাবে অত্যুতসাহী হোৱা দেখা গৈছিল।

স্বাধীনতা যুঁজাৰুসকলৰ সংগঠনে আৰু অসম যুৱক সমাজে অসমত জোৰকৈ পাতিব খোজা নিৰ্বাচন বন্ধ কৰিবলৈ দাবী জনায় আৰু মহাত্মা গান্ধীৰ দেশত সংবিধান বিৰুদ্ধ কাম নকৰিবলৈ অনুৰোধ জনায়। সকলো প্ৰকাৰৰ কেন্দ্ৰীয় অৰ্দ্ধকেন্দ্ৰীয় ৰাজ্যিক আৰু ব্যক্তিগত খণ্ডৰ কৰ্মচাৰী সকলে নিৰ্বাচনৰ বিৰোধিতা কৰে। ভি. এম. তাৰকুণ্ডে এই নিৰ্বাচন অনুষ্ঠিত নকৰিবলৈ আহ্বান জনায় আৰু ভোটাৰ তালিকা সংশোধন নকৰাকৈ নিৰ্বাচন পতাটো আইন বিৰুদ্ধ কাম হ'ব বুলি কয়।

বাতৰি কাকতৰ ওপৰত লগোৱা প্ৰতিবন্ধকতাৰ বাবে ৰাষ্ট্ৰীয় সাংবাদিক সংঘই [National Union of Journalist] দুৰ্যোৰ আপত্তি দৰ্শাইছে। প্ৰেছ ট্ৰাষ্ট অব্ ইণ্ডিয়াই ভাৰত চৰকাৰক অসমৰ বাতৰি কাকতৰ ওপৰত বলবৎ কৰা আইনৰ বাবে উদাসীন হ'ব নোৱাৰে বুলি মন্তব্য কৰে কাৰণ বাতৰি কাকতৰ স্বাধীনতা খৰ্ব কৰা মানে গণতন্ত্ৰকে হত্যা কৰা হ'ব। বাতৰি কাকতৰ সকলো কৰ্মীয়ে ১১ জানুৱাৰী, ১৯৮৩ কৰ্ম বিৰতি পালন কৰে আৰু ১২ জানুৱাৰীত ১২ ঘণ্টীয়া অনশন পালন কৰে। জনসাধাৰণৰ ইচ্ছাৰ বিৰুদ্ধে নিৰ্বাচন নাপাতিবলৈ বিশ্ব গোস্বামী, ৰবীন কাকতি আৰু দীনেশ গোস্বামীয়ে নিৰ্বাচনী আয়োগলৈ আবেদন জনায়। সাংসদ অজিত কুমাৰ শৰ্মাই নিৰ্বাচন আয়োগক অধিসূচনা জাৰি নকৰিবলৈ বুলি প্ৰধান মন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

১২ জানুৱাৰী তাৰিখে The Assam Tribune কাকত প্ৰকাশ নাপালে।

ইন্দ্ৰজিত বৰুৱাৰ আবেদনৰ ওপৰত উচ্চ ন্যায়ালয়ৰ ৰায় প্ৰদান : অসংশোধিত ভোটাৰ তালিকাৰে নিৰ্বাচন অনুষ্ঠিত কৰাৰ নিৰ্বাচনী আয়োগৰ ঘোষণাক প্ৰত্যাহ্বান জনাই ইন্দ্ৰজিত বৰুৱাই দাখিল কৰা আবেদন উচ্চ ন্যায়ালয়ে বিচাৰ কৰি ৰায় দান দিয়ে যে এই গোচৰটো সংক্ৰান্তত তেওঁলোকৰ কৰিবলগীয়া বিশেষ একো নাই কাৰণ ইতিমধ্যে নিৰ্বাচন ঘোষণা কৰা হৈছে।

১২ জানুৱাৰী তাৰিখে ৰাষ্ট্ৰপতি জাইল সিঙে লোক সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে আৰু ৰাজ্যপালে বিধান সভাৰ বাবে অধিসূচনা জাৰি কৰে। ১৪,১৭,২০ ফেব্ৰুৱাৰীত নিৰ্বাচন পতা হ'ব।

অটল বিহাৰী বাজপেয়ীএ এই নিৰ্বাচন বৰ্জন কৰা উচিত বুলি মন্তব্য কৰে আৰু তেওঁৰ দলে অসমবাসীৰ সৈতে থাকিব বুলি ঘোষণা কৰে।

ৰাজ্য চৰকাৰৰ হৰ্তাল নিষিদ্ধকৰণৰ ঘোষণা : ১৬ জানুৱাৰী তাৰিখে ৰাজ্য চৰকাৰে এই ঘোষণা প্ৰচাৰ কৰে—

'In exercise of the power conferred by sub-section of section 3 of the Essential Services Maintenance Act, 1981 (40 of 1981) read with Govt of India, Ministry of Home Affairs notification No. 664(E) dt. New Delhi, the September, 1982 under which the function of the Central Govt. have been entrusted to the Govt. of Assam in making orders of the nature specified in section 3 in so far as they relate to any service in connection with elections to the legislature of the state specified in sub- clause (xv) of clause (a)

sub section (1) of section 2................

লোক দলৰ প্ৰতিবাদ : লোক দলৰ সাধাৰণ সম্পাদক এচ.এন. মিশ্ৰই এই নিৰ্বাচন বন্ধ কৰিবলৈ পুনৰ দাবী কৰে আৰু কয় যে এই নিৰ্বাচন ন্যায়ৰ বিপৰীতে আৰু সংবিধানৰ ব্যৱস্থাৰ বিৰুদ্ধে হ'ব।

প্ৰাৰ্থীৰ ভিৰ : ১৫ জানুৱাৰী তাৰিখতে ৩৬ জনে মনোনয়ন পত্ৰ দাখিল কৰে। তাৰ ভিতৰত কেশব গগৈ, আনোৱাৰা টাইমুৰ, হৰেন তালুকদাৰ, দেৱকান্ত বৰুৱা আৰু বাহাৰুল ইচলামো আছে। চুপ্ৰীম কোৰ্টৰ বিচাৰপতিৰ পদ ত্যাগ কৰি বৰপেটাৰ পৰা প্ৰতিদ্বন্দিতা কৰিবলৈ বাহাৰুল ইচলামে মনোনয়ন পত্ৰ দাখিল কৰে।

নিহাৰ ৰঞ্জন লস্কাৰৰ মন্তব্য : ১৬ জানুৱাৰী তাৰিখে শিলচৰৰ এখন সভাত তেখেতে কয় যে নিৰ্বাচন ঘোষণা কৰা তাৰিখমতে শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰা হ'ব। অটল বিহাৰী বাজপেয়ী আৰু অন্যান্য বিৰোধী দলৰ নেতৃবৰ্গই আনাহকতে সমস্যাটো জটিল কৰিব বিচাৰিছে। তেঁওৰ মতে অসমৰ এই নিৰ্বাচন সকলো লোকে বিচাৰিছে কেৱল বিচ্ছিন্নতাবাদী সকলক ভাৰতীয় জনতা পাৰ্টি আদিয়ে উৎসাহিত কৰিছে।

নিৰ্বাচনৰ প্ৰতিবাদ : অসম সাহিত্য সভাৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই নিৰ্বাচনৰ বাবে লগা সংশোধিত ভোটাৰ তালিকা প্ৰস্তুত নকৰাকৈ নিৰ্বাচন পতাৰ বিৰুদ্ধে মত দাঙি ধৰে। লগতে ব্যক্তি স্বাধীনতা, প্ৰকাশ মাধ্যমৰ স্বাধীনতা কাঢ়ি নলৈ নিৰ্বাচনত প্ৰকৃত গণতান্ত্ৰিক প্ৰক্ৰিয়া প্ৰবৰ্তনত গুৰুত্ব আৰোপ কৰে।

৬ দলীয় মৰ্চা : আনহাতে কংগ্ৰেছ (এচ), চি.পি (এম), চি.পি. আই, আৰ. চি.পি. আই, এচ.ইউ.চি.আই আৰু এচ.পিয়ে এক মৰ্চা গঠন কৰি ১২৬ খন আসনত উমৈহতীয়া কাৰ্য্যসূচী লৈ নিৰ্বাচন খেলাৰ সিদ্ধান্ত লয়। কংগ্ৰেছ এচ (৫০খন), চি.পি.এম (৩১ খন), চি.পি. আই (২৮ খন), আৰু বাকী ১৭ খন আসনত অন্যকেইটা দলৰ প্ৰাৰ্থী দিয়াৰ সিদ্ধান্ত কৰে। লোক সভাৰ ৮ খনত কংগ্ৰেছ (এচ) আৰু বাকী দলবোৰে ৪ খনত প্ৰতিদ্বন্দ্বিতা কৰিব। মৰ্চাৰ আহ্বায়ক শৰৎ চন্দ্ৰ সিংহ চাপৰৰ পৰা প্ৰতিদ্বন্দ্বিতাত নামিব।

১৮, ১৯, ২০ জানুৱাৰী তাৰিখে অসম ট্ৰিবিউনৰ প্ৰকাশ বাতৰি কাকতৰ ওপৰত বলবৎ কৰা ক্ৰুৰ আইন প্ৰয়োগৰ প্ৰতিবাদ কল্পে বন্ধ ৰখা হয়।

বিধান সভাৰ বাবে ৬১৯ খন মনোনয়ন আৰু লোক সভাৰ বাবে ৫০ খন মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ ওপৰত নিৰ্ভৰ কৰি ৰাজ্যৰ মুখ্য সচিব ৰমেশ চন্দ্ৰ আৰু ৰাজেন্দ্ৰ কুমাৰী বাজপেয়ীয়ে মত প্ৰকাশ কৰে যে অসমত শান্তিপূৰ্ণভাৱে নিৰ্বাচন হ'ব আৰু অসমত নিৰ্বাচন পতাটো জনসাধাৰণে বিচাৰিছে। ৰাজেন্দ্ৰ কুমাৰী

বাজপেয়ীয়ে অসমৰ সৰ্বাঙ্গীন বিকাশৰ বাবে আৰু সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে নিৰ্বাচনৰ মুখ্য লক্ষ্য হিচাবে আগবঢ়াব বুলি ঘোষণা কৰে। তেখেতৰ লগত একেলগে ৰাজেশ পাইলট আৰু সন্তোষ মোহন দেৱেও একে সুৰতেই মন্তব্য কৰে।

ইতিমধ্যে ৰকো অনুসূচীত জাতিৰ বাবে সংৰক্ষিত আসনত উপেন দাসে আৰু পাটাছাৰকুছিত ৰবিৰাম দাস বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হৈছে। দুয়োজনেই কংগ্ৰেছ (আই) সদস্য।

ই. এচ নাম্বুদ্ৰিপাদৰ মন্তব্য : নাম্বুদ্ৰিপাদে কয় যে ৰাষ্ট্ৰপতিৰ শাসনতকৈ নিৰ্বাচনৰ জৰিয়তে পঠিওৱা প্ৰতিনিধিৰ শাসন ভাল; কিন্তু অসাংবিধানিক আৰু বেআইনীভাৱে অনুষ্ঠিত কৰা নিৰ্বাচন বৰ্জনীয় আৰু তেনেকৈ নিৰ্বাচন পাতিলে তাতকৈ আৰু কোনো বেয়া কাম থাকিব নোৱাৰে। প্ৰায় ৮ লক্ষ্য প্ৰকৃত ভোটাৰৰ নাম নথকা আৰু বহুলাখ বিদেশীৰ নাম থকা ভোটাৰ তালিকাৰে পতা নিৰ্বাচন গণতন্ত্ৰৰ বাবে এক চূড়ান্ত প্ৰহসন। এচ.এন. মিশ্ৰই এই নিৰ্বাচনক এক জালিযাতী বুলি মত পোষণ কৰে।

অসমৰ পৰা প্ৰকাশ পোৱা The Assam Tribune আৰু The Dainik Asom কাকত দুখনৰ ওপৰত প্ৰয়োগ কৰা আইন প্ৰত্যাহাৰৰ বাবে ছুপ্ৰীম কোৰ্টত প্ৰত্যাহ্বান জনোৱা হয়। (২০ জানুৱাৰী, ৮৩)

পাটনাৰ সৰ্বোদয় নেতা- ত্ৰিপুৰাৰী চৰণ, দেৱানন্দ মিশ্ৰ, কেশৱ মিশ্ৰ, ৰাম চন্দ্ৰ চৌধুৰীয়ে শিৱ চৰণ সিং আৰু প্ৰমোদ কুমাৰ প্ৰেমে অসমৰ বৃহৎ সংখ্যক লোকৰ মতক উপেক্ষা কৰি ভোটাৰ তালিকা সংশোধন নকৰাকৈ নিৰ্বাচন পাতিলে গণতন্ত্ৰৰ বাবে ই এক বিপদ মাতি আনিব বুলি মন্তব্য কৰে আৰু প্ৰকৃতভাৱে নিকা নিৰ্বাচনৰ পৰিৱেশ নোহোৱালৈকে ইয়াক বন্ধ ৰাখিবলৈ দাবী জনায়।

নিৰ্বাচন স্থগিতকৰণৰ বাবে ছুপ্ৰীম কোৰ্টত দাখিল কৰা ৰিট্ আবেদন জানুৱাৰীৰ ২১ তাৰিখে নাকচ কৰা হয়। এই আবেদন পূৰ্বৰ মুখ্যমন্ত্ৰী যোগেন হাজৰিকাই কৰিছিল। নাকচ কৰাৰ কাৰণ হিচাবে জনপ্ৰতিনিধিত্ব আইনৰ (১৯৫১) ৩২৯ (খ) ধাৰাৰ আধাৰত আৰু পশ্চিমবঙ্গৰ উদাহৰণ লোৱা হয়।

ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত নিৰ্বাচন বিৰোধী অভিযান অব্যাহত থাকে। চৰকাৰ পক্ষই নানা কুট কৌশল অৱলম্বন কৰে। বাতৰি কাকতৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ আৰোপ কৰাত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰতিবাদ সাব্যস্ত কৰা হয়। কোনো কোনো ঠাইত অগ্নি সংযোগ কৰা আৰু দলং ধ্বংস কৰাৰ বাতৰি প্ৰকাশ পায়। কমলাবাৰী আদি ঠাইত বিভিন্ন ধৰণৰ যেনে কাঠৰ দোকান জ্বলাই দিয়া ঘটনা সংঘটিত হয় বুলি প্ৰকাশ পায়। কাৰ্বি আংলং জিলাত চৰকাৰী বিষয়াই নিৰ্বাচনত

অংশ গ্ৰহণ নকৰো বুলি কোৱা বাবে অত্যাৱশ্যকীয় সেৱা আইন [ESA]ৰ আধাৰত ২১ জানুৱাৰী তাৰিখে তেওঁলোকক আটক কৰা হয়। দিল্লীৰ এখন সাংবাদিক মেলত জনতা পার্টিৰ সাংসদ ৰবীন্দ্ৰ বার্মাই ভোটাৰসকলৰ ওপৰত নানা ধৰণৰ আইন বিৰুদ্ধ পদ্ধতি অৱলম্বন কৰি বল প্ৰয়োগৰ সহায়ত নির্বাচন অনুষ্ঠিত কৰাৰ বিৰোধিতা কৰে আৰু আন্দোলনৰ নেতৃবর্গক কাৰাগাৰত আৱদ্ধ ৰাখি অনুষ্ঠিত কৰিব খোজা নির্বাচন এক চূড়ান্ত প্ৰহসন বুলি অভিহিত কৰে। দিল্লীৰ সাংবাদিক সংঘই অসমৰ বাতৰি কাকতৰ ওপৰত প্ৰয়োগ কৰা "জৰুৰীকালীন নিষ্পেষণ" বন্ধ কৰিবলৈ দাবী উত্থাপন কৰে।

জানুৱাৰী ২৩, ৮৩ : সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্তক ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (NSA) ৰ অধীনত কাৰাগাৰত ৰখা হয় ধুবুৰীত। তাত তেখেতৰ স্বাস্থ্যৰ অৱনতি ঘটে আৰু ধুবুৰী চৰকাৰী হস্পিতালত গুৱাহাটী মেডিকেল কলেজৰ চিকিৎসকৰ সহায়ত পুলিচ আবেষ্টনীৰ মাজত চিকিৎসা প্ৰদান কৰা হয়। উচ্চ ৰক্তচাপ আৰু আন্ত্ৰিক যন্ত্ৰণা ভোগ কৰিছিল।

নির্বাচনৰ সবিশেষ : বাজ্যিক মুখ্য নির্বাচনী বিষয়াই প্ৰকাশ কৰা মতে ৰাজ্যখনৰ মুঠ ১২,২৮০ টা ভোট কেন্দ্ৰ স্থাপিত কৰা হয়। মুঠ ৬২১ জন প্ৰার্থীৰ মনোনয়ন বৈধ বুলি প্ৰকাশ পাইছে। তাৰে ৯৭ জনে নির্বাচনৰ প্ৰতিদ্বন্দ্বিতাৰ পৰা বিৰত থকাত ৫৬২ জনে প্ৰতিদ্বন্দ্বিতাত নামিব। লোক সভাৰ বাবে ৪২ জনে প্ৰতিদ্বন্দিতা কৰাটো নিশ্চিত হৈছে।

লোক সভাৰ প্ৰার্থী আৰু সমষ্টিবোৰ :

১। ***উত্তৰ কাছাৰ মিকিৰ পাহাৰ :*** বীৰেন সিং ইংটি (কং আই), আৰ হৰোনামাল (নি), ৰি. আৰ. চিংনাৰ (নিঃ), ডি. হোজাই (নিঃ)

২। ***ধুবুৰী :*** নুৰুল ইচলাম (কং), আহমদ হুচেইন (কংসঃ), নুৰ জামাল শ্বেখ (নিঃ)

৩। ***বৰপেটা :*** বাহাৰুল ইচলাম (কং), গোলাম ওচমানী (নিঃ), মৌলবী মুজাৰ আলি (নিঃ)

৪। ***মঙ্গলদৈ :*** ধৰণীধৰ দাস (কং), কামিনী মোহন শর্মা (চিপিআই), সীমান বার্কি (পি. টি. চি. এ)

৫। ***তেজপুৰ :*** কামাখ্যা প্ৰসাদ ত্ৰিপাঠী (কং), পূর্ণ বসুমতাৰী (পি.টি.চি.এ.), পুনু ওৰাং (নিঃ), বিলাসী চেত্ৰী (নিঃ)

৬। ***নগাওঁ :*** লক্ষ্মী প্ৰসাদ গোস্বামী (কং), দেৱকান্ত বৰুৱা (কং.এচ)

৭। ***কলিয়াবৰ :*** বিষ্ণু প্ৰসাদ (কং), দেৱব্ৰত বৰুৱা (কং.এচ), মহঃ টফজুদ্দিন (নিঃ)

৮। ***ডিব্ৰুগড় :*** হৰেন ভুমিজ (কং), খোলক গগৈ (কং এচ), সীতাৰাম বুকুলদীয়া (নিঃ)

৯। *যোৰহাট* : তৰুণ গগৈ (কং), চন্দ্ৰ ভুঞা (চি.পি.আই), পূৰ্ণকান্ত ফুকন (আৰ.চি.পি.আই)

১০। *লক্ষীমপুৰ* : ললিত কুমাৰ দলে (কং), নৰেন্দ্ৰ গোঁহাই (কংএচ), ৰামেশ্বৰ পেগু (চি.পি.আই), টংকেশ্বৰ চেতীয়া (চি.পি.এম), মোহন চন্দ্ৰচায়েঙ্গিয়া (পি.টি.চি.এ), বিশ্ব নাৰায়ণ সাস্ত্ৰী (নিঃ)

১১। *গুৱাহাটী* : ভুবনেশ্বৰ ভূঞা (কং), উদ্ধৱ বৰ্মন (চি.পি.এম), গুমতি প্ৰসাদগিৰি (নিঃ), ধৰমবীৰ সিং (নিঃ)

১২। *বোকবাঝাৰ* : উত্তম ব্ৰহ্ম (কং), চৰণ নাৰ্জাৰী (পি.টি.চি.এ), কনকেশ্বৰ নাৰ্জাৰী নিঃ)

অবিভক্ত কামৰূপ জিলাৰ ২৪খন বিধান সভাৰ আসনৰ প্ৰাৰ্থীসক'ল :

১। *সৰভোগ* : মহিন্দ্ৰ সাহা (কং), হেমেন দাস (চি.পি.এম), যোগেশ্বৰ বড়ো (চি.পি.এম.এল) বীৰেন ব্ৰহ্ম (পি.টি.চি.এ), চামচুল হক (নিঃ), লক্ষী প্ৰসাদ (নিঃ), আশ্ৰফ আলি (নিঃ)

২। *বাঘবৰ* : ইব্ৰাহীম আলি (কং), মুজিবুৰ ৰহমান (কং.এচ), জালালুদ্দিন আহমেদ (নিঃ)

৩। *চেঙ্গা* : দানেশ আলি (কং), আব্দুল কুদ্দুচ (নিঃ), লিয়াকট খান (নিঃ)

৪। *জনীয়া* : ফৈজুল্লা খাঁ (কং), ইদ্ৰিচ আলি (কং.এচ), বাদল খা (নিঃ), আব্দুল চেলিম (নিঃ), বদৰুল ৰচিদ মিয়া (নিঃ), আবদুল জলিল তালুকদাৰ (নিঃ), জালালুদ্দিন (নিঃ), মহঃ ইউচুদ্দিন (নিঃ), আবদুল হুচেইন (নিঃ), আবদুল জাফৰ (নিঃ), মফিজুদ্দিন আহমেদ (নিঃ), আব্দুল লটিফ (নিঃ)

৫। *সৰুক্ষেত্ৰী* : আমীৰ হৰমুজ তালুকদাৰ (কং), নিজামুদ্দিন খান (নিঃ),

৬। বৰক্ষেত্ৰী : চান্দ মহম্মদ (কং), সোনা ভৰালি (কং.এচ), সুৰেশ মহন্ত, তুলসী দাস (নিঃ), চুলেমান আলি (নিঃ), আলি আহমেদ (নিঃ)

৭। *চাপাগুৰি* : পদ্ম বড়ো (কং), ঘনকান্ত বড়ো (আৰ.চি.পি.আই), বিমল ব্ৰহ্ম গয়াৰী (পি.টি.চি.এ), ৰামদাস বড়ো (নিঃ), খৰ্গেশ্বৰ ডেকা (নিঃ)

৮। *বৰপেটা* : আব্দুল লটিফ (কং), ইচমাইল হুচেইন খাঁ (নিঃ), চিৰাজুল হক (নিঃ), মৌলবী মুকটাৰ আলি (নিঃ), আব্দুল কুদ্দুচ (নিঃ), চাবেদ আলি (নিঃ)

৯। *পাটাছাৰকুছি* : ৰবিৰাম দাস (কং) বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত

১০। *ভবানীপুৰ* : মীৰ আবদুল হালিম (কং), পুৰ্ণানন্দ খুকাটাৰী (আৰ.চি.পি.আই), গৰ্গ নাৰায়ণ নাৰ্জাৰী (পি.টি.চি.এ), কাচিম আলি (নিঃ), চামচুল হক (নিঃ), জন্মেজয় নাৰ্জাৰী (নিঃ)

১১। *তামুলপুৰ :* পদম বাহাদুৰ চৌহান (কং), পি. মুৰম (চি.পি.আই), বলভদ্র বড়ো (চি.পি.এম), অভিৰাম বড়ো (পি.টি.চি.এ), অশোক মুখাৰ্জী (এপ.বি), অম্বৰীশ লাহিৰী (নিঃ), মনেশ্বৰ বড়ো (নিঃ), ফণীধৰ চৌধুৰী (নিঃ)

১২। *নলবাৰী :* টিকেন দাস (কং), নৰেন দত্ত (চি.পি.এম), চন্দ্রধৰ কলিতা (চি.পি.এম.এল), বলেন বড়ো (পি.টি.চি.এ), জালালুদ্দিন আহমেদ (নিঃ)

১৩। *ধৰ্মপুৰ :* ভূমিধৰ বৰ্মন (কং), যোগেন বৰ্মন (চি.পি.আই), এহচান আলি (নিঃ)

১৪। *বৰমা :* বৈকুণ্ঠ দাস (কং), এচ. এন. দাস (কং.এচ), অজিৎ (পি.টি.চি.এ)

১৫। *বকো :* উপেন দাস (কং) বিনা প্রতিদ্বন্দ্বিতাই নিৰ্বাচিত

১৬। *ছয়গাওঁ :* হৰেন তালুকদাৰ (কং), চাহজাহান আলি (নিঃ), মখলিব আলি (নিঃ)

১৭। *পলাশবাৰী :* মোহন বসুমতাৰী (কং), উমাকান্ত দাস (চি.পি.এম)

১৮। *জালুকবাৰী :* ছাহ জালালুদ্দিন আহমেদ (কং), চৌকট আলি (নিঃ), ডাঃ কমল দাস (চি.পি.এম)

১৯। *দিশপুৰ :* ডাঃ তাৰিণী বৰুৱা (কং), উমেশ চন্দ্র ভট্টাচাৰ্য (চি.পি.আই), প্রণয় কুমাৰ মুচাহাৰী (নিঃ), ধীৰেন লিংদো (নিঃ)

২০। *গুৱাহাটী পূব :* মুনীন শৰ্মা (কং), ধ্রুৱনাৰায়ণ বৰুৱা (কং. এচ), দিলীপ চক্রৱৰ্ত্তী (নিঃ),

২১। *গুৱাহাটী পশ্চিম :* তাৰিণী বৰা (কং), প্রাণেশ্বৰ কলিতা (চি.পি.এম)

২২। *হাজো :* বৰকট উল্লা (কং), মুকিবৰ ৰহমান (চি.পি.আই), মুছলিম আলি (নিঃ)

২৩। *কমলপুৰ :* বেণুধৰ কলিতা (কং), মথুৰা ডেকা (চি.পি.আই), আশ্রফ আলি (নিঃ), ফৈজনুৰ আলি (নিঃ)

২৪। *ৰঙিয়া :* হ'লধৰ কলিতা (কং), পুৰ্ণ বড়ো (চি.পি.এম), গোলাপ বসুমতাৰী (নিঃ)

ৰাজ্যখনৰ অস্বাভাবিক পৰিস্থিতি : গণতন্ত্রৰ ৪ৰ্থ স্তম্ভ বুলি স্বীকৃত বাতৰি কাকতৰ ওপৰত কঠোৰ নিয়ন্ত্রণ প্রবৰ্তন কৰাত ৰাজ্যখনৰ জনসাধাৰণে উল্লেখযোগ্য ঘটনা প্রবাহৰ বিষয়ে অৱগত হোৱাত প্রচণ্ড বাধাৰ সৃষ্টি হয়। বাতৰি কাকতৰ ওপৰত ৰাজ্য চৰকাৰে লগোৱা আৰোপত ছুপ্রীম কোৰ্টে নিষেধাজ্ঞা জাৰি কৰে আৰু ৰাজ্যপাল গৰাকীৰ দায়িত্ব আৰু কৰ্ত্তব্যৰ সীমা অতিক্রম নকৰিবলৈ নিৰ্দেশ দিয়ে। নিৰ্বাচনৰ বাবে সামৰিক বাহিনীৰ প্রয়োগৰ পৃষ্ঠপোষকতা কৰা দেখা যায় যাৰ ফলত জনগণ তীব্র সন্ত্রাসৰ কবলত পৰিব বুলি অনুভৱ কৰে। প্রধান মন্ত্রী ইন্দিৰা গান্ধী নিৰ্বাচনৰ আগে আগে অসমলৈ আহিব বুলি প্রকাশ পোৱাৰ লগে লগে আন্দোলনকাৰীসকলে জনতা সান্ধ্য আইন, ৰাস্তা বন্ধ, প্রতিবাদী সমদল উলিওৱা

আদি বিভিন্ন কাৰ্যসূচী হাতত লয়। ২৬ জানুৱাৰী তাৰিখে ৰাতিপুৱা ৬ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ জনতা কাৰ্ফিউ প্ৰৱৰ্তন কৰে আৰু ২৭ জানুৱাৰীৰ পৰা ফেব্ৰুৱাৰীৰ ১ তাৰিখলৈ নিৰ্বাচন বৰ্জনৰ বাবে ঘৰে ঘৰে গৈ ভোটাৰ সকলক অনুৰোধ কৰাৰ সিদ্ধান্ত কাৰ্যকৰী কৰা হয়। মুক্তি যুঁজাৰু, স্বাধীনতা সংগ্ৰামী, উকীল, মহিলা, শিক্ষক সকলোৱে সমদল উলিয়াই নিৰ্বাচন বৰ্জনৰ আহ্বান দিয়ে। ১-৪ ফেব্ৰুৱাৰীৰ সময়চোৱাত মুখ্য নিৰ্বাচনী আয়ুক্তক নিৰ্বাচন স্থগিত কৰিবলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়। ৬ ফেব্ৰুৱাৰীত ১ ঘণ্টীয়া টৰ্চ লাইট সমদল উলিওৱা হয় আৰু ৩ ঘণ্টাৰ বাবে ব্ৰেক আউট পালন কৰা হয়। সদৌ অসম জনজাতি যুৱ সন্থাই নিৰ্বাচন বৰ্জনৰ আহ্বান জনায়। মুখ্য নিৰ্বাচনী আয়ুক্ত আৰু অসমৰ আইন শৃংখলা আৰু নিৰাপত্তাৰ দায়িত্বত থকা ব্যক্তিসকলে অসমবাসীৰ মতক শ্ৰদ্ধা কৰিব নোৱাৰিলে আৰু এখন বিজিত দেশৰ নাগৰিকৰ বৃথা আস্ফালন বুলি অসমীয়াৰ ক্ৰন্দনক উপহাস কৰি নিৰ্বাচনৰ বাবে বন্দুক সাজু কৰা দৃষ্টিগোচৰ হ'ল।

দৰং জিলাৰ ঘাহী গাৱঁত পুলিচ থানা আক্ৰমণ কৰিবলৈ উদ্যত হোৱা বুলি এটা সমদলকাৰীৰ ওপৰত গুলি বৰ্ষণ কৰে। জীৱন লাহন নামৰ মানুহ এজন মৃত্যুৰ মুখত পৰে। ডি.আই.জি জি.এল. শ্ৰীবাস্তৱৰ উপস্থিতিতে চেঙাৰ এখন সভাত গোট খোৱা প্ৰায় ৫০০ জন মানুহৰ ওপৰত পুলিচে গুলি চালনা কৰে। জানুৱাৰীৰ ২২ তাৰিখে দুখন জীপ গাড়ী জ্বলাই দিয়া হয় ডিব্ৰুগড়ত। ২৩ জানুৱাৰী তাৰিখে তিনিচুকীয়াত পৰিদৰ্শন বাংলোৰ ওপৰত আক্ৰমণ হোৱাৰ বাতৰি প্ৰকাশ পায়। মঙ্গলদৈৰ কংগ্ৰেছ প্ৰাৰ্থী কাৰ্তিক চৰকাৰৰ ঘৰত জুই দিয়া বুলি বাতৰি ওলায়। অসম বিদ্যুৎ পৰিষদৰ চক'লা ঘাটত থকা এটা ট্ৰেঞ্চফৰ্মাৰ জ্বলোৱা বাতৰিত প্ৰচাৰ হয়। গোকু'ল কলিতা, ৰাজেন বৰা, বিষ্ণু বৰাক অপহৰণ কৰা বুলি খবৰ পোৱা হয়। কামপুৰৰ তেতেলি চৰাত পুলিচৰ গুলি চালনাৰ ফলত ৪ জন ছাত্ৰ আহত হয় আৰু নগাওঁ চৰকাৰী হাস্পাতালত ভৰ্তি কৰা হয়। সেই ছাত্ৰ কেইজন হ'ল নিৰ্মল দাস (১৬), ললিত দাস (১৫) দিব্যজ্যোতি দাস (১২)। কাছাৰ জিলাৰ ভূমি পুত্ৰসকলে নিৰ্বাচন স্থগিত ৰাখিবলৈ পুনৰ আবেদন জনায়। নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নানা ঠাইত বিক্ষোভ প্ৰদৰ্শন কৰা বাবে শৰৎ সিংহ, নন্দেশ্বৰ তালুকদাৰ, প্ৰমোদ গগৈ, অশীত ভট্টাচাৰ্যই বিক্ষোভকাৰীক তীব্ৰ ভাষাত নিন্দা কৰে আৰু গণতন্ত্ৰ ধ্বংস কৰে বুলি মত সাব্যস্ত কৰে। লগতে জনতা পাৰ্টি আৰু বিজেপিক কঠোৰ ভাষাত সমালোচনা কৰে নিৰ্বাচনত অংশ গ্ৰহণ নকৰা বাবে। আনহাতে পলাশবাৰী সমষ্টিৰ চি.পি.এম প্ৰাৰ্থী উমাকান্ত দাসে প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰি আহিবলৈ সিদ্ধান্ত লয় জনগণৰ মতক শ্ৰদ্ধা জনাই।

২৬ জানুৱাৰীৰ গণতন্ত্ৰ দিৱস পালনৰ বাবে চৰকাৰে প্ৰায় সামৰিক প্ৰস্তুতি গ্ৰহণ কৰে যদিও আছু আৰু আগছুৱে সেই দিনটো জনতা কাৰ্ফিউৰ দিন হিচাবে ঘোষণা কৰাত ৰাজ্যজুৰি স্তব্ধ হৈ পৰে। গৌহাটী বিশ্ববিদ্যালয় চৌহদৰ পৰা আছুৰ মূল্যবান নথি-পত্ৰ আৰক্ষীয়ে জোৰজুলুমকৈ কাঢ়ি লয় আৰু সন্ত্ৰাসৰ সৃষ্টি কৰে। ৰাজ্যখনৰ বিভিন্ন স্থানত নানা ধৰণৰ বিক্ষিপ্ত ঘটনা ঘটে। ৰেল লাইনৰ ফিচ প্লেট গুচোৱা, কোনো কোনো প্ৰাৰ্থীৰ ঘৰত অগ্নি সংযোগ কৰাৰ দৰে ঘটনা ঘটাই আন্দোলনকাৰীৰ ওপৰত অপযশ জাপিবলৈ চেষ্টা কৰা দেখা যায়। ইতিমধ্যে নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলবোৰে কঁকালত কাপোৰ বান্ধি সাজু হয়। পৰিসংখ্যা এনে ধৰণৰ—

১। বিধান সভাৰ বাবে ৫২৩ জনে প্ৰতিদ্বন্দ্বিতা কৰিব।

২। লোক সভাৰ বাবে ৩৯ জনে।

ৰাজনৈতিক দল ঃ

	বিধান সভা	লোকসভা
১। কংগ্ৰেছ -	১২২+৪	১২
২। কংগ্ৰেছ (এচ)	৩৭	৬
৩। চি. পি. আই	২৮	২
৪। চি. পি. এম	২৮	২
৫। পি. টি. চি. এ	২৭	৩
৬। আৰ.চি.পি.আই	১০	
৭। এচ. ইউ. চি. আই	৪	
৮। আৰ. এচ. পি.	২	
৯। চি.পি.আই.এম.এল	৭	
১০। আমৰা বঙালী	১	
১১। অন্য নিৰ্দলীয	২৫২	

আছুৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত অসুস্থ। ধুবুৰী হাস্পাতালৰ পৰা গুৱাহাটীলৈ স্থানান্তৰ কৰাৰ নিৰ্দেশ দিয়া হৈছে। মহন্তৰ আশু আৰোগ্য কামনাৰ বাবে অসমৰ বিভিন্ন ঠাইত নাম-প্ৰসঙ্গ আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা হৈছে। ৰাজ্যজুৰি নিৰ্বাচন প্ৰতিৰোধ কৰাৰ বাবে নানা ধৰণৰ কাৰ্যসূচী আৰু প্ৰস্তাৱ লোৱা হৈছে। আনহাতে ঠায়ে ঠায়ে কিছুমান ঘটনা সাধন হৈছে। গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক গোটে নিৰ্বাচন বন্ধ, কৰিবলৈ সৰ্বাত্মক প্ৰচেষ্টা লবলৈ অসমবাসীক আহ্বান জনাইছে। বিশ্ববিদ্যালয়ৰ চৌহদত ৰখা চি. আৰ. পি এফৰ জোৱান আতৰাবলৈ দাবী জনাইছে।

অসম চৰকাৰে কোনো বিষয়া কৰ্মচাৰী নিৰ্বাচনৰ কাম কৰোতে মৃত্যুবৰণ কৰিলে তেওঁৰ নিকট আত্মীয়ক উপযুক্ত ক্ষতিপূৰণ দিব বুলি বাতৰি প্ৰচাৰ কৰিছে। গেজেটেড বিষয়া হ'লে ক্ষতিপূৰণ ১ লাখ টকা আৰু অনা গেজেটেড হ'লে ৫০,০০০/- টকা। নিৰ্বাচনে মানুহৰ মূল্য এনেকৈ অৱনমিত কৰিও চৰকাৰে গণতন্ত্ৰৰ ধ্বজা উৰুৱাৰ প্ৰবৃত্তি দেখিলে বিস্ময় মানিব লাগে। নিৰ্বাচনী আয়োগে ২৮ জানুৱাৰী তাৰিখে নিৰ্বাচনৰ কামত নিয়োজিত লোকৰ মৃত্যুৰ বাবে পোন প্ৰথমবাৰৰ বাবে গ্ৰুপ ইন্সিওৰেঞ্চ প্ৰবৰ্তন কৰাৰ কথা ঘোষণা কৰিছে। ভাৰতীয় গণতন্ত্ৰৰ ৰক্ষক সকল কিমান নিষ্ঠুৰ হ'ব পাৰে সেয়া এক জ্বলন্ত উদাহৰণ হৈ ৰ'ব চিৰ কালৰ বাবে। কেন্দ্ৰীয় চৰকাৰে বিহাৰৰ কৰ্মচাৰীক অসমলৈ আমদানি কৰি নিৰ্বাচন পৰিচালনা কৰাৰ এটা সিদ্ধান্ত লৈছে। ইয়াৰ প্ৰতিবাদত জনতা পাৰ্টিয়ে পাটনাত ২৪ ঘণ্টীয়া ধৰ্ণা পালন কৰিছে। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে জানুৱাৰীৰ ৩১ পৰা ফেব্ৰুৱাৰীৰ ৪ তাৰিখলৈ বিহাৰৰ কোনো কৰ্মচাৰীয়ে যাতে অংশ গ্ৰহণ কৰিব নোৱাৰে তাক নিশ্চিত কৰিবলৈ ব্যৱস্থা লব বুলি দৃঢ়তা প্ৰকাশ কৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক পৰ্যায়ৰ নেতৃবৰ্গয়ো বিহাৰৰ কোনো কৰ্মচাৰীয়ে যাতে নিৰ্বাচনত ভাগ নলয় তাৰ বাবে আহ্বান জনাইছে আৰু 'আসাম' সপ্তাহ পালনৰ সিদ্ধান্ত লৈছে।

ৰাজ্যজুৰি চি.আৰ.পি.এফে সন্ত্ৰাসৰ সৃষ্টি কৰিছে. দীনেশ গোস্বামী. বিশ্ব গোস্বামী, ৰেণুকা দেৱী বৰকটকী, আজিত কুমাৰ শৰ্মা, গোলাপ বৰবৰাই ৰাজ্য সন্ত্ৰাসৰ অৱসান ঘটাবলৈ আহ্বান জনাইছে আৰু সন্ত্ৰাসৰ দ্বাৰা অসমত অনুষ্ঠিত কৰিব খোজা নিৰ্বাচন স্থগিত কৰিবলৈ প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিলৈ আবেদন জনাইছে। গুৱাহাটীক প্ৰায় অবৰোধ কৰাৰ দৰে পৰিস্থিতি বিৰাজ কৰিছে।ডেমক্ৰেটিক চ'চিয়েলিষ্ট পাৰ্টিৰ নেতা ৰাজনাৰায়ণে নিৰ্বাচন স্থগিত কৰাৰ বাবে চুপ্ৰীম ক'ৰ্টত আবেদন জনাইছে। তেখেতে এক জুডিচিয়েল কমিচন গঠন কৰি পৰিস্থিতি অধ্যয়ন কৰিবলৈ আহ্বান জনাইছে।

অসম ৰাজ্যিক মুক্তিযুঁজাৰুসকলৰ স্মাৰকপত্ৰ : ৮টা বিশেষ গুৰুত্বপূৰ্ণ বিষয় সম্বলিত এখন স্মাৰকপত্ৰ অসমৰ মুক্তিযোদ্ধা সংগঠনৰ পৰা কাৰ্যকৰী সভাপতি হৰেন্দ্ৰ নাথ বৰুৱাৰ স্বাক্ষৰত প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰি কৈছে যে তলত উল্লেখ কৰা বিষয়কেইটা নিষ্পত্তি নোহোৱালৈকে অসমত নিৰ্বাচন স্থগিত ৰাখিব লাগে। সেই বিষয়কেইটা হ'ল-

১। সংবিধানৰ আধাৰত ১৯৫১ চনৰ পৰা অসমত প্ৰৱেশ কৰা সকলো বিদেশীৰ চিনাক্ত কৰিব লাগে।

২। ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ আধাৰত বিদেশী চিনাক্ত হ'ব লাগে।

৩। ১৯৫২ চনৰ ভোটাৰ তালিকা আৰু অন্যান্য জৰুৰী দলিল আধাৰ হ'ব লাগে।

৪। নাগৰিকৰ প্ৰমাণ-পত্ৰ কেন্দ্ৰীয় চৰকাৰে দিয়াৰ ব্যৱস্থা হ'ব লাগে আৰু ৰাজ্যবোৰক তেনে ক্ষমতা ৰোহিত কৰিব লাগে।

৫। সীমান্ত সুৰক্ষিত কৰি প্ৰব্ৰজন বন্ধ কৰিব লাগে।

৬। পৰিচয়-পত্ৰ, জন্ম-মৃত্যুৰ প্ৰমাণ-পত্ৰ আৰু বৈবাহিক কাৰ্য্যৰ সঠিক নথিপত্ৰ যুগুটোৱাৰ ব্যৱস্থা ল'ব লাগে।

৭। সাংবিধানিক সুৰক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে।

৮। অসমৰ সুৰক্ষা আৰু অখণ্ডতাৰ বাবে যথোচিত ব্যৱস্থা ল'ব লাগে।

পশ্চিমবঙ্গৰ কলিকতাৰ পৰা প্ৰকাশ পোৱা বাতৰি মতে অসমৰ নিৰ্বাচন বন্ধ কৰিবলৈ লোৱা দাবীক গৰিহণা দিয়াৰ লগতে যিকোনো ক্ষমতা প্ৰয়োগ কৰি নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে কেন্দ্ৰৰ ওচৰত চি.পি.এম দলে আৰ্জি পেচ কৰিছে।

ৰাজ্যখনৰ বিভিন্ন স্থানত আৰক্ষী বাহিনী আৰু চি.আৰ.পি. বাহিনীয়ে শান্তিপ্ৰিয় জনসাধাৰণৰ ওপৰত নানা অত্যাচাৰ অবিচাৰ কৰা পৰিলক্ষিত হৈছে। সাধাৰণ বেহা-ব্যৱসায় কৰা লোক সকলো নিৰ্যাতনৰ বলি হৈছে। উচ্চ ন্যায়ালয়ে তাৰ বিচাৰ কৰাৰ পৰিস্থিতি হৈছে আৰু উচ্চ ন্যায়ালয়ে সাৱধান কৰি দিবলগীয়া হৈছে যাতে শান্তি ৰক্ষকে কোনো ধৰণৰ আতিসহ্যৰ আশ্ৰয় নলয়।

ৰাজ্য চৰকাৰে ১৮৬১ চনৰ পুলিচ এক্টৰ ১৭ নং দফা কাৰ্যকৰী কৰিছে। ৰাজ্যখনত আইন শৃংখলা বজাই ৰখাৰ নামত চৰকাৰে ১৭ নং দফা কাৰ্যকৰী কৰাৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিছে সেয়ে স্পষ্টকৈ প্ৰমাণ কৰিছে যে ৰাজ্যৰ জনসাধাৰণক বিশৃংখলাৰ সৃষ্টিকাৰী, আইন অমান্যকাৰী আৰু দেশদ্ৰোহী হিচাবে চিনাক্ত কৰিছে। এনে এক ব্যৱস্থাই চৰকাৰৰ দুৰ্বলতাকে প্ৰকাশ কৰিছে। এইখন আইনৰ অধীনত পোন প্ৰথমে পাণ্ডু, মালিগাওঁ এলেকাৰ ১৫ জন যুৱকক বিশেষ পুলিচ বিষয়া চিনাক্ত কৰিছে। সেই কেইজন হ'ল- ১। বিকাশ শৰ্মা, ২। ৰবীন মজুমদাৰ, ৩। প্ৰমোদ কলিতা, ৪। যোগেন ডেকা, ৫। চামচুল হক, ৬। তপন ডেকা, ৭। আনন্দ কুমাৰ, ৮। জগদীশ কুমাৰ, ৯। মুকুল দাস, ১০। উৎপল শৰ্মা, ১১। সমৰ শৰ্মা, ১২। বীৰেন কলিতা, ১৩। বাবুল দাস, ১৪। কাৰ্তিক দাস, ১৫। শংকৰ ৰাজবংশী।

বোমা বিস্ফোৰণ : ৰাজ্য জুৰি বিভিন্ন প্ৰকাৰৰ হিংসাত্মক কাৰ্য সংঘটিত কৰি আন্দোলনৰ ওপৰত কলংক জাপি দিবলৈ ব্যৰ্থ প্ৰয়াস কৰা দেখা গৈছে। লামডিং

ৰেলৰে ষ্টেচনত বোমা বিস্ফোৰণ ঘটোৱা হৈছে। ঠায়ে ঠায়ে কোনো বিশেষ ৰাজনৈতিক দলৰ ঘৰত অগ্নি সংযোগ কৰোৱা হৈছে। গনিখান চৌধুৰী (কং)এ অসমৰ সংখ্যালঘু অধ্যুষিত অঞ্চলবোৰলৈ·গৈ বিস্ফোৰক ভাষণ·দি ৰাজ্যখনৰ বাতাবৰণ বিষাক্ত কৰি পেলাইছে আৰু সাম্প্রদায়িক বিষবাষ্প বিয়পাই দিয়া দেখা গৈছে। কাৰ্যবাহী দণ্ডাধীশ [Executive Magistrate] সকলক বিশেষ ক্ষমতা অৰ্পণ কৰি পৰিস্থিতি ক্ৰমাৎ জটিল কৰি তোলা হৈছে। বাবু জগজীৱন ৰামে অসমৰ এই নিৰ্বাচনক অসমৰ জনগণৰ বাবে এক ব্যভিচাৰ (Fraud on the people of Assam) বুলি বৰ্ণনা কৰিছে। বিহাৰৰ কৰ্মচাৰী সকলে অসমৰ নিৰ্বাচনত কোনো প্ৰকাৰে অংশ গ্ৰহণ নকৰে বুলি প্ৰকাশ কৰিছে আৰু বাবু জগজীৱনে তেনে সিদ্ধান্তক আদৰণি জনাইছে। তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ ১৪ জন কৰ্মচাৰীক ১৮ আৰু ১৯ জানুৱাৰীত ঘোষণা কৰা অসম বন্ধৰ সময়ত কাৰ্যালয়ত উপস্থিত হ'ব নোৱাৰাৰ বাবে নিলম্বিত কৰা হৈছে। মালিগাঁও গোশালাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক কোনো লোকে আক্ৰমণ কৰা বুলি পদুম বৰীৰ ৬ জন লোকক আটক কৰা হৈছে। বিশেষ আৰক্ষী বিষয়া হ'বলৈ অস্বীকাৰ কৰা বাবে বিকাশ শৰ্মাক আটক কৰিছে। বিহাৰৰ মুখ্যমন্ত্ৰী জগন্নাথ মিশ্ৰই বিহাৰৰ বিষয়াক অসমৰ নিৰ্বাচনত বিশেষ দায়িত্ব পালন কৰাত মৃত্যু হ'লে চাকৰিকালৰ বাকী সময়চোৱাৰ বাবে সম্পূৰ্ণ খৰচ পৰিয়াললৈ দিয়া হ'ব বুলি বিবৃতি প্ৰকাশ কৰি বিষয়াক আকৰ্ষণ কৰিবলৈ এক হীন ষড়যন্ত্ৰত লিপ্ত হোৱা দেখা গৈছে। এইটোৱে ৰাজনীতিকৰ ধাৰণা যে অসমত নিৰ্বাচন ৰক্তাক্ত হোৱা সম্ভাৱনাই দেখা দিছে, তাক প্ৰকাৰান্তৰে মানি লৈয়ো নিৰ্বাচন পতাৰ বাবে পক্ষ লৈছে। অথচ সমস্যা সামাধানত আগ্ৰহী নহয়। বিহাৰৰ লোক দলৰ সভাপতি অধ্যাপক ৰাঘৱ প্ৰসাদ, পশু চিকিৎসা বিভাগৰ কৰ্মচাৰী সন্থাৰ সদস্যসকল বিহাৰৰ ৰাজপত্ৰিত বিষয়া সকলৰ প্ৰতিনিধি জনতা পাৰ্টিৰ সদস্য সকলে অসমৰ নিৰ্বাচনত অংশ গ্ৰহণ নকৰিবলৈ আহ্বান জনাইছে আৰু নিৰ্বাচন বন্ধ কৰাৰ দাবী জনাইছে। কামৰূপৰ বিভিন্ন স্থানত, নগাঁও, শিৱসাগৰৰ ভালেমান ঠাইত নিৰীহ লোক আতিশয্যাৰ বলি হ'ব লগা হৈছে চি. আৰ. পি. এফৰ। কলেজ অধ্যক্ষ পৰিষদৰ ফালৰ পৰা বৰ্বৰোচিত আক্ৰমণ বন্ধ কৰিবলৈ তীব্ৰ ভাষাত প্ৰতিবাদ কৰা হৈছে। পাণ্ডু কলেজৰ অধ্যক্ষ ড° প্ৰবীণ শৰ্মাক নজৰ বন্দী কৰা হৈছে আৰু ওলাব সোমাব নোৱাৰা কৰা হৈছে। ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (এন.এচ.এ.) অধীনত ডাঃ বসন্ত ৰাজখোৱা (গেলেকি) যোগানন্দ গোস্বামী (জে. বি. কলেজৰ অধ্যাপক), সুৰেন্দ্ৰ নাথ বৰদলৈ (অধ্যাপক ডি.চি.বি. ছোৱালী মহাবিদ্যালয়), মৃগেন্দ্ৰ মাধৱ বৰপূজাৰী, জীৱন পূজাৰী আৰু নৰেন তাতীক আটক

কৰা হৈছে। মঙ্গলদৈ কলেজৰ অধ্যাপিকা বিজয়া চক্ৰৱৰ্তীকো এন. এচ. এত আটক কৰা হৈছে। অসমৰ বিভিন্ন প্ৰান্তত বোমা বিস্ফোৰণ ঘটোৱা দেখা গৈছে। আনহাতে জনতা পাৰ্টিৰ অধ্যক্ষ চন্দ্ৰশেখৰে প্ৰধানমন্ত্ৰীক মানবীয়তাৰ খাতিৰতে নিৰ্বাচন স্থগিত কৰিবলৈ আহ্বান জনাইছে। He appealed personally to the Prime Minister of India to postpone the election in Assam even now and join hands to amend the Constitution to impose President rule to find out a solution 'Whatever the results (of election) the price shall have to be paid in human life in fragmentation and alienation of the prople of Assam. The reports are alarming and the state is virtually in a state of seize. We stand against violence but election forced upon the people on the point of gun shall inevitably take its toll in human life. The CEC also hinted about this in the press review'. লোক দলৰ এচ. এন মিশ্ৰই একে সুৰতে এইদৰে জাপি দিব খোজা নিৰ্বাচনৰ বিৰোধিতা কৰিছে। আৰু কৈছে- নিৰ্বাচনৰ মূল বিষয় কেইটি যেনে- সম্পূৰ্ণ শান্তিপূৰ্ণ, মুক্ত হোৱাৰ লক্ষণ ইয়াত নাই।

দৈনিক অসমৰ সংবাদসেৱী জ্যোতিষ বৰুৱাক চি.আৰ.পি.এফৰ জোৱানে শাৰীৰিকভাৱে আঘাত কৰে। অসমৰ কলেজবোৰত চিআৰ.পি.এফৰ জোৱান ৰাখি এক সমৰ সদৃশ পৰিস্থিতিৰ সৃষ্টি কৰাত শিক্ষা ব্যৱস্থা অচল হৈ পৰে। শিক্ষক সন্থা, ছাত্ৰ সন্থা আৰু অন্যান্য কোনো সন্থাৰে কোনো প্ৰকাৰৰ আবেদন বিচাৰ কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰাত ৰাজ্যখন প্ৰায় অধিগৃহীত ৰাজ্যত পৰিণত হয়। গণতন্ত্ৰৰ নামত ৰাজ্যখনত সামৰিক ব্যৱস্থা প্ৰচলনৰ দৰেহে হৈ পৰে। কোনোৱে কোনো ধৰণৰ অভিযোগ উত্থাপিত কৰাৰ সুযোগ নোহোৱা হৈ পৰে। মানুহবোৰ প্ৰায় কৃতদাসত পৰিণত হোৱাৰ অৱস্থা। চৰকাৰে কোনো ধৰণৰ হৰতাল কৰিব নোৱাৰিব বুলি আদেশ জাৰি কৰি মানুহৰ স্বাধীনতা অপহৰণ কৰি ল'লে। অত্যাবশ্যকীয় সেৱা আইন [ESMA ACT,1982, 40 of 1951] বলবৎ কৰে। বিজনী অঞ্চলৰ বহুতো গাঁৱত ডেকা ল'ৰা ঘৰৰ ভিতৰত থকা নিৰাপদ নোহোৱা হৈ পৰে। মহিলা-পুৰুষক আক্ৰমণ কৰি নিৰ্যাতন কৰাৰ বাতৰি প্ৰকাশ পায়। হৰেশ্বৰ ৰয়ে চিআৰ.পিএফৰ আক্ৰমণৰ পৰা নিজক ৰক্ষা কৰিবলৈ চেষ্টা কৰোতে মৃত্যুৰ মুখত পৰে। ৩১ জানুৱাৰী তাৰিখে নগাঁৱত নিষ্প্ৰদীপ পালন কৰা হয় ৮০ বছৰীয়া আইটী তামুলীৰ করুণ মৃত্যুৰ বাবে। চিআৰপিএফৰ বৰ্বৰতাই ৮০ বছৰীয়া বৃদ্ধাকো ৰেহাই দিয়া নাই। তেখেতক ভাৰতীয় শ্বহীদ ঘোষণা কৰা হয়।

ৰাজ্য জুৰি জনতা পাৰ্টি, ভাৰতীয় জনতা পাৰ্টি আৰু লোকদলে নিৰ্বাচন বিৰোধ শক্তিশালী কৰি তোলে। তেনে নিৰ্বাচন গণতন্ত্ৰ ধ্বংস কৰাৰ এক অভিনৱ কৌশল বুলি অভিহিত কৰে। যশোৱন্ত সিঙে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সভা-সমিতিৰ যোগে গণতন্ত্ৰ ধ্বংসকাৰী ব্যৱস্থাৰ বিৰুদ্ধাচাৰণ কৰিবলৈ আহ্বান জনায়। অসমৰ কৰ্মচাৰী পৰিষদে বাহিৰৰ ৰাজ্যৰ কৰ্মচাৰীক অসমৰ অৱস্থা বুজিবলৈ অনুৰোধ কৰে আৰু নিৰ্বাচনত যি কোনো প্ৰৰোচনা নেওচি দায়িত্ব নলবলৈ আহ্বান জনায়। সকলো প্ৰকাৰৰ আবেদন নিবেদন অগ্ৰাহ্য কৰি ব্যৱসায়ী প্ৰতিষ্ঠান, ব্যক্তিগত লোকৰ গাড়ী অধিগ্ৰহণ কৰি ৰাজ্যখনত এক সমৰ সদৃশ অৱস্থাৰ সৃষ্টি কৰে।

গুৱাহাটী আৰু লামডিঙৰ মাজত হাওৰাইপুৰ নামচাখা ষ্টেচনৰ মাজত কাছাৰ ভেলি এক্সপ্ৰেছ ট্ৰেইন বোমা বিস্ফোৰণৰ ফলত ক্ষতিগ্ৰস্ত হয় (১ ফেব্ৰুৱাৰী, ৮৩)। ৰাজ্যখনৰ বিভিন্ন স্থানত সন্দেহজনকভাৱে বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বাতৰি আহে। গৱৰ্ণমেণ্ট প্ৰেছ (গুৱাহাটী) জলোৱাৰ বাতৰি প্ৰকাশ পায়। ঢেকীয়াজুলি, ৰঙিয়া, মৰিগাঁও, শিৱসাগৰ আদি ঠাইত দলং জ্বলোৱাৰ বাতৰি প্ৰকাশ পায়। সংখ্যালঘু ছাত্ৰ সন্থাই গণতন্ত্ৰ জীয়াই ৰাখিবলৈ ব্যাপক হাৰত ভোট দিয়াৰ বাবে আবেদন জনায়। এই আবেদনত চহী কৰে মুক্তাৰ হুচেইন খান আৰু উৎপল নন্দীয়ে। অসমৰ সমূহ জনজাতীয়ই নিৰ্বাচনত অংশ গ্ৰহণৰ বাবে সদৌ অসম জাতীয় সুৰক্ষা কাৰ্যনিৰ্বাহকে আহ্বান দিয়ে। ফেব্ৰুৱাৰীৰ ২ তাৰিখে দৰং জিলাৰ ছিপাঝাৰত আৰক্ষীৰ গুলি চালনাত ৫ জনে মৃত্যু বৰণ কৰে আৰু ৮ জন গুৰুতৰভাৱে আহত হয়। মৃতকসকলৰ তিনিজন জানাৰাম পেগু আৰু ২ জন বৰদৌলগুড়িৰ। দৰং জিলা ছাত্ৰ সন্থাই ৪ ফেব্ৰুৱাৰীত ১৬ ঘণ্টীয়া জনতা সান্ধ্য আইন আৰু ১২ ঘণ্টীয়া দৰং বন্ধৰ আহ্বান দিয়ে হত্যাৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ। সমগ্ৰ অসমতে স্কুলৰ শিক্ষক সকলে ৪ ফেব্ৰুৱাৰীত সমদল যাত্ৰা কৰি নিৰ্বাচন স্থগিত ৰাখিবলৈ জনসাধাৰণক আহ্বান জনায়। ৫ ফেব্ৰুৱাৰী তাৰিখে টৰ্চ লাইট লৈ সমদল উলিওৱা হয়। ৬ ফেব্ৰুৱাৰীত ৩ ঘণ্টীয়া নিষ্প্ৰদীপ পালন কৰা হয়।

নগালেণ্ডৰ সাংসদ আলিবা ইম্‌টিয়ে প্ৰধানমন্ত্ৰীক এই নিৰ্বাচন স্থগিত কৰিবলৈ হস্তক্ষেপ কৰা উচিত বুলি মন্তব্য কৰে। যি নিৰ্বাচনত ১০% ভোটাৰেও অংশ গ্ৰহণ কৰাৰ সম্ভাৱনা নাই সি গণতন্ত্ৰৰ বাবে এক প্ৰহসনৰ বাহিৰে অন্য একো নহ'ব বুলি কয়।

নিৰ্বাচন বন্ধ ৰখাৰ দাবীত অসমৰ প্ৰায় সকলো প্ৰান্ততে স্পষ্ট প্ৰতিবাদ সাব্যস্ত হৈছে। কোনো কোনো ঠাইত বাছত অগ্নি সংযোগৰ ঘটনা ঘটিছে। থানাৰ আৰক্ষীয়ে অত্যাচাৰ উৎপীড়ন কৰাৰ কাহিনী প্ৰকাশ পাইছে। ৰাজনৈতিক নেতাৰ

ওপৰত আক্ৰমণ হোৱা বুলিও বাতৰি ওলাইছে। ভাৰতৰ বিভিন্ন প্ৰান্তৰ বিশিষ্ট ৰাজনীতিবিদে এনে নিৰ্বাচন বন্ধ ৰখাৰ বাবে আবেদন জনাইছে। প্ৰঃ মধু দণ্ডাভাট, পিলু মোদী, বীৰেন্দ্ৰ বাৰ্মাই প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীক অনুৰোধ জনাইছে নিৰ্বাচন বন্ধ ৰখাৰ বাবে।

৩ ফেব্ৰুৱাৰী তাৰিখে মহিলা সংগঠন, শিক্ষক সন্থাই টৰ্চ লৈ সমদল যাত্ৰা উলিয়াই নিৰ্বাচন বন্ধ ৰখাৰ দাবী কৰিছে। ৫-৬ ফেব্ৰুৱাৰীত ৩ ঘণ্টাকৈ নিষ্প্ৰদীপৰ কাৰ্যসূচী লৈছে। কানপুৰৰ পৰা অসমৰ নিৰ্বাচন বন্ধ ৰখাৰ দাবীত হৰভজন সিং ভাল্লাই [Cong-J] আবেদন জনাইছে। বাতৰি কাকতৰ ওপৰত লগোৱা প্ৰতিবন্ধকতা [Assam Special Power Press Act, 1980, Assam Act-III 1981] আইন বলবৎ নকৰিবলৈ ছুপ্ৰীম কোৰ্টে অসম চৰকাৰক নিৰ্দেশ দিছে। ইতিমধ্যে বিহাৰ চৰকাৰৰ বিষয়া-কৰ্মচাৰীক নিৰ্বাচনৰ কামত লগাবলৈ চৰকাৰে দিয়া আদেশ পাটনা হাই কোৰ্টে বানচাল কৰিছে। কাৰণ নিৰ্বাচন আয়োগে তেওঁলোকক নিয়োগ কৰিবলৈ নিৰ্দেশ দিয়া নাই। আনহাতে অসমৰ ১৮৭ জন আইনজীৱিক নিৰ্বাচন বন্ধৰ দাবীত স্মাৰক পত্ৰ-দিবলৈ যোৱাৰ সময়ত গুৱাহাটীত আটক কৰা হৈছে। গণিখা চৌধুৰীয়ে অসমৰ বিভিন্ন স্থানত উত্তেজনাৰ সৃষ্টি কৰিব পৰা সামাজিক শৃংখলা ভংগ কৰিব পৰা ভাষণ ৰাখি নিৰ্বাচনৰ সপক্ষে বক্তব্য ৰাখিছে। হায়দৰাবাদত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে নিৰ্বাচন বন্ধ ৰাখিবলৈ প্ৰতিবাদ সাব্যস্ত কৰিছে প্ৰধানমন্ত্ৰীৰ মূৰ্ত্তি দাহ কৰি।

যুদ্ধৰ পৰিৱেশ : কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ সহযোগত অসমৰ নিৰীহ জনসাধাৰণৰ কণ্ঠ ৰোধ কৰিবলৈ জাতি এটাৰ ভৱিষ্যৎ অনিশ্চিত আৰু অন্ধকাৰাচ্ছান্ন কৰিবলৈ সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আনহাতে নিৰ্বাচন বৰ্জন কৰাৰ দাবীত আৰু বন্ধ কৰাৰ বাবে প্ৰায় সকলো ঠাইতে জনসাধাৰণ অস্থিৰ হৈ গৈছে। যিমানে সময় ওচৰ চাপিছে আৰু চৰকাৰৰ ফালৰ পৰা জনসাধাৰণৰ আবেদনক তুচ্ছ জ্ঞান কৰা হৈছে সিমানে সন্মানৰ প্ৰশ্ন লৈ উত্তেজনা বৃদ্ধি পোৱা দেখা গৈছে।

ফেব্ৰুৱাৰীৰ ২ তাৰিখে দৰং জিলাৰ বিভিন্ন স্থানত আৰক্ষীৰ আক্ৰমণত ৭ জন লোক নিহত হৈছে আৰু বহু সংখ্যক লোক আহত হৈছে বুলেটৰ আঘাতত। বাহাৰুল ইচলামৰ গাড়ীৰ ক্ষতিগ্ৰস্ত হৈছে বুলি চৰকাৰীভাৱে বাতৰি পৰিৱেশন কৰিছে। মঙ্গলদৈত সান্ধ্য আইন জাৰি কৰা হৈছে। ননৈ, বিৰিণাচুক, ভেটুৱা, পাথৰিঘাট, গাভৰু আদি ঠাইত গভীৰ উত্তেজনা বিৰাজ কৰিছে। কলাইগাঁৱত গুলিয়াগুলী চলিছে আৰু এজন মানুহ মৃত্যুৰ মুখত পৰিছে। সামৰিক বাহিনী আৰু

অৰ্দ্ধ সামৰিক বাহিনী নিয়োগ কৰা হৈছে।

ইতিমধ্যে নিৰ্বাচনী আয়োগে নিৰ্বাচন পাতিবলৈ লোৱা পূৰ্বৰ সিদ্ধান্তত অটল থাকি বিহাৰ চৰকাৰক ৰাজ্যখনৰ বিষয়া-কৰ্মচাৰীক পঠিয়াবলৈ নিৰ্দেশ জাৰি কৰিছে। কিন্তু বিহাৰৰ কোনো কৰ্মচাৰীয়ে অসমৰ নিৰ্বাচনত অংশ গ্ৰহণ নকৰে বুলি আৰু বৰ্জন কৰিব বুলি সিদ্ধান্ত লৈছে। কৰ্পূৰী ঠাকুৰে অসমত এনে পৰিস্থিতিত পাতিব খোজা নিৰ্বাচন কেৱল অগণতান্ত্ৰিকেই নহয় বৰং জনবিৰোধী বুলি প্ৰধানমন্ত্ৰীক সমালোচনা কৰিছে, তেওঁক স্বেচ্ছাচাৰী স্বয়ম্ভু বুলি মন্তব্য কৰিছে। এই নিৰ্বাচনে দেশখনৰ অখণ্ডতাৰ ওপৰত কঠোৰ আঘাত হানিব বুলি কৈছে।

কাৰ্বি ছাত্ৰ সন্থাই ৩৬ ঘণ্টীয়া বন্ধৰ আহ্বান জনাই নিৰ্বাচন বন্ধ কৰিবলৈ আহ্বান জনাইছে। (৫ ফেব্ৰুৱাৰী পুৱা ৫ বজাৰ পৰা ৬ ফেব্ৰুৱাৰী সন্ধিয়া ৫ বজালৈ) সাংসদ অটল বিহাৰী বাজপেয়ীয়ে ৰাষ্ট্ৰপতিক এই নিৰ্বাচনত হস্তক্ষেপ কৰি বন্ধ ৰাখিবলৈ আবেদন জনাইছে। অন্য ৰাজ্যৰ পৰা কৰ্মচাৰী নি নিৰ্বাচন পতাটো দেশৰ স্বাৰ্থৰ বাবেই ভয়ানক ক্ষতিকাৰক হ'ব বুলি কৈছে। যশোৱন্ত সিঙে সামৰিক আৰু অৰ্দ্ধ সামৰিক বাহিনীৰ আতিসাহ্যে নিৰ্বাচন পতা সাংঘাতিক ধৰণৰ মুক্ত নিৰ্বাচনৰ বিৰোধী হ'ব বুলি মত প্ৰকাশ কৰিছে।

৩ ফেব্ৰুৱাৰী তাৰিখে কেইবা হেজাৰ মহিলাই গুৱাহাটীৰ পথত সমদল যাত্ৰা উলিয়াই নিৰ্বাচন বন্ধৰ দাবী কৰিছে আৰু উপায়ুক্তৰ হাতত স্মাৰক পত্ৰ প্ৰদান কৰিছে। চি.আৰ.পি.এফ আৰু আৰক্ষীয়ে বিভিন্ন স্থানত বাট ভেটি ধৰিছে। কোনো কোনো ঠাইত লাঠীৰে কোবাইছে। ৮৭ জনী মহিলাক আটক কৰা হৈছে। যশোৱন্ত সিঙে জজ খেলপথাৰত শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰিব পৰা অধিকাৰ আছে বুলি সমবেত মহিলাসকলক সম্বোধন কৰিছে। জালুকবাৰীত ১৪৪ ধাৰা ভঙ্গ কৰা বাবে মহিলা সকলক উৎপীড়ন কৰিছে আৰু সন্ধিয়া ৮ বজালৈ জেলত ৰাখিছে। পি.আৰ. বন্দতহে খালাচ দিয়া হৈছে। টিহুত ১০,০০০ মহিলাৰ ওপৰত লাঠী চালনা কৰা হৈছে। বঙাইগাৱঁতো একে ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বইটামাৰীতো মহিলাই সমদল যাত্ৰা উলিয়াই নিৰ্বাচন বন্ধৰ দাবী কৰিছে।

চৰকাৰী সন্ত্ৰাস বৃদ্ধি : কাৰ্বি আংলঙৰ তথ্য আৰু প্ৰচাৰ বিভাগৰ বিষয়া ৰঞ্জিত কুমাৰ শৰ্মাই নিৰ্বাচনৰ দায়িত্ব পালন কৰিবলৈ অপাৰগ বুলি কোৱা বাবে তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। পিছত NSA ত আটক কৰি ৰখা হৈছে নগাওঁ জেলত। যোগানন্দ গোস্বামীকো আটক কৰা হৈছে নিৰ্বাচনৰ বিৰোধিতা কৰা বাবে। এনে কাৰ্যৰ বাবে উচ্চ ন্যায়ালয়ে চৰকাৰক সাৱধান কৰি দিছে যাতে সংবিধানৰ দায়িত্ব সঠিকভাৱে পালন কৰে। 'No fault can be found in the democratic

set up to which we are wedded if people criticise the Govt. for making preparation to hold election without solving the foreigners issue'.

৩ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় চৰকাৰৰ বিৰোধী দলসমূহে জজ খেল পথাৰত সমবেত হৈ নিৰ্বাচন বন্ধ ৰখাৰ বাবে এক আহ্বান জনায়।

৪ ফেব্ৰুৱাৰীত আছু আৰু আগছুৱে নিৰ্বাচনৰ ক্ষেত্ৰত সৰ্বাত্মক অসহযোগৰ আহ্বান দিয়ে। ফেব্ৰুৱাৰীৰ ৪ তাৰিখৰ পৰা ১২ তাৰিখলৈ নিৰ্বাচন সংক্ৰান্তীয় কোনো কামতে যোগদান নকৰিবলৈ অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণলৈ আহ্বান জনোৱা হয়। ৰাজ্যিক, কেন্দ্ৰীয়, অৰ্দ্ধকেন্দ্ৰীয় সকলো শ্ৰেণীৰ কৰ্মচাৰীক নিৰ্বাচনৰ কোনো কাম নকৰিবলৈ অনুৰোধ কৰা হয়। পানী যোগান, বিদ্যুৎ যোগান, গাখীৰ যোগান, দূৰভাষ. টেলিগ্ৰাফ, স্বাস্থ্যসেৱা, পশু চিকিৎসা, ফাৰ্মাচী, বাতৰি কাকত, হাইকোৰ্ট আদি অত্যাৱশ্যকীয় সেৱা সমূহ বাদ দিয়া হয়। আৰক্ষী বিভাগৰ দায়িত্ব পালনৰ ক্ষেত্ৰত যাতে কোনো অমানৱীয় আচৰণ নকৰে তাৰ বাবে অনুৰোধ জনোৱা হয়। চাহ-শ্ৰমিকক তেওঁলোকৰ কামত যোগদান কৰাত বাধা প্ৰদান কৰা নহয়। ফেব্ৰুৱাৰীৰ ১৬ পৰা ২০ লৈ ৰাস্তা বন্ধৰ আহ্বান দিয়া হয়। ১৪,১৭,২০ ফেব্ৰুৱাৰীত বাহিৰে বাকী দিনকেইটাত দুচকীয়া যান বাহন চলাব পৰা অনুমতি দিয়া হয়।

জনশূন্য অঞ্চল গঢ়াৰ বাবে আবেদন ঃ ভোট কেন্দ্ৰৰ পৰা ৫০ গজ আঁতৰৰ পৰা জনশূন্যস্থান গঢ়ি তুলিবলৈ আবেদন জনোৱা হয় যাতে নিৰ্বাচনৰ বাবে নিৰ্দ্ধাৰিত কৰা তাৰিখ ১৪,১৭ আৰু ২০ ফেব্ৰুৱাৰীত কোনো লোকে নিৰ্বাচন কেন্দ্ৰলৈ নাযায়। লগতে নিৰ্বাচনৰ তাৰিখে প্ৰধানমন্ত্ৰী আৰু মুখ্য নিৰ্বাচনী আয়ুক্তৰ মূৰ্ত্তি দাহ কৰাৰ বাবে ঘোষণা কৰা হয় ভোট কেন্দ্ৰৰ জনশূন্য অঞ্চলৰ বাহিৰত। ৭ ফেব্ৰুৱাৰী তাৰিখে কামৰূপ বন্ধ, ৰাস্তা বন্ধৰ আহ্বান দিয়া হয় যাতে LDA (Left and Democretic Alliance) পাৰ্টি সভা অনুষ্ঠিত কৰিব নোৱাৰে। লগতে জনতা কাৰ্ফিউ ঘোষণা কৰে। ২ ফেব্ৰুৱাৰী তাৰিখে ছিপাঝাৰত পুলিচৰ গুলি চালনাত আহত হোৱা লোকসকলক চিকিৎসা কৰিবলৈ মেডিকেল কলেজৰ ডাক্তৰসকলক চৰকাৰে অনুমতি প্ৰদান নকৰাত এক বিষম সমস্যাৰ সৃষ্টি হয়।

জনগণৰ সৰ্বাত্মক আহ্বান নেওচি নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত ঃ অসমৰ জনসাধাৰণৰ মতক কোনো ধৰণৰ সন্মান প্ৰদৰ্শন নকৰি অসমৰ অস্তিত্ব পুনৰ সন্দিহান কৰি তুলি অসমৰ জনগণৰ সন্মানক তুচ্ছ জ্ঞান কৰি আৰু সৰ্বপ্ৰকাৰৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে গঢ়ি তোলা প্ৰতিৰোধৰ কোনো গুৰুত্ব প্ৰকাশ নকৰি কেন্দ্ৰীয় চৰকাৰে ন্যায় আৰু যুক্তিৰ বিপৰীতে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰয়োজনবোধে

অসমত আভ্যন্তৰীণ জৰুৰী কালীন অৱস্থা ঘোষণা কৰাৰ মানসিকতাও পোষণ কৰাত ভাৰতীয় গণতন্ত্ৰ যে স্বৈৰতান্ত্ৰিক ব্যৱস্থাৰে নামান্তৰ তাক সহজে অনুমান কৰিব পৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে অসমৰ পৰিস্থিতি, নিৰ্ব্বাচনৰ পৰিৱেশ অধ্যয়নৰ বাবে অসমৰ ৰাজ্যপালৰ উপদেষ্টা আৰ.ভি. সুব্ৰমনীয়ম আৰু মুখ্য সচিবে এক আলোচনা অনুষ্ঠিত কৰে। তাত কেবিনেট কমিটিৰ সদস্য আৰ ভেংকটৰমণ, পি.চি. চেঠী, শিৱ শংকৰ, প্ৰধান মন্ত্ৰীৰ সচিব, গৃহমন্ত্ৰীৰ সচিব উপস্থিত থাকে। তেওঁলোকে সিদ্ধান্ত লয় যে কোনো পৰিস্থিতিতেই অসমৰ নিৰ্বাচন বাতিল কৰা নহ'ব। তেওঁলোকে লগতে এনে মতো প্ৰকাশ কৰে যে নিৰ্বাচনৰ প্ৰাৰ্থী সকলৰ সকলো প্ৰকাৰৰ সুৰক্ষা, ভোট কেন্দ্ৰ নিৰাপদ কৰা, ভোটাৰৰ ভোটাধিকাৰ সাব্যস্ত কৰাৰ অধিকাৰ সুনিশ্চিত কৰা আৰু মুক্ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। প্ৰয়োজনবোধে সৈন্য বাহিনীক সাজু কৰি ৰখা বুলিও বক্তব্যত কোৱা হয়। ভাৰতীয় গণতন্ত্ৰৰ বিকাশ কিমান সাধন হৈছে তাক সময়ে নিশ্চয় সাক্ষ্য বহন কৰিব।

নিৰ্বাচন অনুষ্ঠিত হোৱাৰ আগতে ইতিমধ্যে অসমৰ বিভিন্ন প্ৰান্তত ৭ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু তাৰে ৫ জন পুলিচৰ গুলি চালনাৰ ফলত আৰু ২০ জন গুৰুতৰভাৱে আহত হৈছে। সেইবাবে ৰবীন্দ্ৰ ভাৰ্মাই এক ৰক্তাক্ত নিৰ্বাচন অসম্ভৱ বুলি বাৰে বাৰে মত পোষণ কৰিছে। ৰাজনাৰায়ণে গুৱাহাটীৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ৫ ফেব্ৰুৱাৰী তাৰিখে অনশন পালন কৰাৰ সিদ্ধান্ত লৈছে। বহুগুণাই কেন্দ্ৰীয় চৰকাৰক উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণক দেশখনৰ বৃহত্তৰ স্বাৰ্থতেই সন্মান কৰা উচিত আৰু শেষ মুহূৰ্তত হলেও নিৰ্বাচন বন্ধ কৰাৰ বাবে আবেদন জনায়। লোক দলৰ নেতা সুৰেন্দ্ৰ মোহনেও নিৰ্বাচন জোৰকৈ জাপি নিদিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰে। ন্যায্য দাবী দেশখনৰ স্বাৰ্থতেই পালন কৰা উচিত বুলি মন্তব্য কৰে। এনে পাশৱিক প্ৰবৃত্তিৰেই জাপি দিয়া নিৰ্বাচনে অসমীয়াক কেন্দ্ৰৰ পৰা অধিক দূৰলৈ ঠেলি দিব বুলি কয়। পুলিচ, চি. আৰ. পি, সামৰিক বাহিনী প্ৰয়োগ কৰা নিৰ্বাচন গণতন্ত্ৰ বিৰোধী বুলি আখ্যা দিয়ে। উকীলসকলক কাৰাগাৰত ৰাখি ভোটাৰৰ মুখ বন্ধ কৰি নাৰীৰ সন্মানক অৱজ্ঞা কৰি হেজাৰ হেজাৰ লোকক জেলত ভৰাই কি নিৰ্বাচন পতা হ'ব সেই বিষয়ত আচৰ্য প্ৰকাশ কৰিছে। ইয়াক শাসন বোলাতকৈ শোষণ বুলি কোৱাহে উচিত হ'ব, মুক্ত বেলট বোলাতকৈ মুক্ত বুলেটহে অধিক প্ৰযোজ্য হ'ব বুলি প্ৰকাশ কৰে গুৱাহাটীৰ জজ খেল পথাৰত অনুষ্ঠিত বিৰাট জনসভাত। এওঁলোকে নলবাৰীতো এখন সভাত সম্বোধন কৰোতে আচৰিত হৈ যেনেকৈ গৰুৰ পাল খেদি নিয়াৰ দৰে নিৰ্বাচনৰ প্ৰাৰ্থীক মনোনয়ন

দিবলৈ পুলিচ পহৰাত নিব লগীয়া হৈছিল আৰু তাতকৈ অধিক আচৰিত হৈছিল কেনেকৈ বিচনাতে বহি নিৰ্বাচনৰ প্ৰ-পত্ৰ পূৰা কৰাৰ দৃষ্টান্ত দেখা পাইছিল। তেতিয়াৰ চৰকাৰে মানৱতা হনন কৰাৰ বাবে যিকোনো প্ৰক্ৰিয়াকে অৱলম্বন কৰিব পাৰে বুলি অনুভৱ কৰিছিল অসমত নিৰ্বাচনৰ নামত যিবোৰ কাণ্ড-কাৰখানা কৰিছিল। মানুহৰ যিকোনো প্ৰকাৰৰ স্বাধীনতা যে চৰকাৰে কাঢ়ি লব পাৰে তাক দেখি দুখ প্ৰকাশ কৰিছিল। এনে নিৰ্বাচনত অংশ গ্ৰহণ কৰাটো যে পাপ, অনাচাৰ আৰু বিশ্বাসঘাতকতাৰ নামান্তৰ তাৰ বাবে সুৰেন্দ্ৰ মোহন আৰু আৰ. ভাৰ্মাই গভীৰ খেদ প্ৰকাশ কৰিছিল আৰু দেশৰ প্ৰমূল্যই যে হেৰাই যাব সেই কথা ভাবি ম্ৰিয়মান হৈছিল।

সদৌ অসম কৰ্মচাৰী পৰিষদৰ অসহযোগৰ আহ্বান : সদৌ অসম কৰ্মচাৰী পৰিষদে অসমৰ সকলো শ্ৰেণীৰ কৰ্মচাৰীকে ৰাজপত্ৰিত কৰ্মচাৰীকে ধৰি ৫ ফেব্ৰুৱাৰীৰ পৰা ২২ ফেব্ৰুৱাৰীলৈ অসহযোগ আগবঢ়াবলৈ পুনৰ আহ্বান জনাইছে আৰু নিৰ্বাচনৰ কোনো কাম নকৰিবলৈ অনুৰোধ জনাইছে। জোৰ জুলুম কৰিব খুজিলে তাৰ বিৰুদ্ধে সজাগ আৰু সংঘবদ্ধ হ'বলৈ আহ্বান দিছে আৰু নিৰ্বাচনৰ দিনা তেনে অত্যাচাৰ কৰিলে অনশনত বহিবলৈ কোৱা হৈছে।

অধিক সংগঠনৰ অসহযোগলৈ সমৰ্থন : নিৰ্বাচনত অংশ গ্ৰহণ নকৰিবলৈ সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে আহ্বান দিয়া অসহযোগলৈ তলত উল্লেখ কৰা সংগঠনসমূহেও সহযোগ আগবঢ়াবলৈ আগবাঢ়ি আহে।

১। পশুধনৰ লগত জড়িত কৰ্মচাৰীসকল।
২। সদৌ অসম বেঙ্ক কৰ্মচাৰী সংঘ।
৩। অসম কৃষি বিশ্ববিদ্যালয় কৰ্মী সন্থা।
৪। অসম চিকিৎসা সেৱা সন্থা।
৫। গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ সমন্বয়ৰক্ষী সমিতি।
৬। অসম চৰকাৰৰ অনুমোদিত কৰ্মী সংঘ।
৭। অসমৰ পৰ্বত ভৈয়াম জনজাতি ছাত্ৰ সন্থা আৰু লোকসকল।
৮। যোৰহাট উকীল সন্থা।

১২ ফেব্ৰুৱাৰীৰ পৰা বৰক্ষেত্ৰীত ৪৮ ঘণ্টীয়া জনতা সান্ধ্য আইন বলবৎ কৰিবলৈ সিদ্ধান্ত লোৱা হয় নিৰ্বাচনৰ প্ৰতিবাদ কল্পে।

অসমৰ চাহ কৰ্মচাৰীসকলে নিৰ্বাচনত অংশ গ্ৰহণ নকৰিবলৈ সিদ্ধান্ত লয়। পৱন সিং ঘাটোৱাৰে কংগ্ৰেছে আগবঢ়োৱা মনোনয়ন প্ৰত্যাখ্যান কৰে।

টংলাত পুলিচৰ গুলিবৰ্ষণত ৪ জন নিহত : টংলা পুলিচ থানাত প্ৰায় ১৫০০

জন লোকে আক্ৰমণ কৰা অভিযোগ কৰি গুলী বৰ্ষণ কৰোতে ৫ ফেব্ৰুৱাৰী তাৰিখে ৪ জন নিৰীহ লোক মৃত্যুৰ মুখত পৰে।

নাগিনীমৰাতো পুলিচৰ গুলী চালনা সংঘটিত হয়। বোকাখাটতো পুলিচে গুলী চালনা কৰে। নাওবৈচাতো গুলী বৰ্ষণ কৰে। নিৰ্বাচন বন্ধ কৰিবলৈ নানা ঠাইত নানা প্ৰকাৰৰ ঘটনা ঘটে। ক'ৰবাত বোমা বিস্ফোৰণ হয়, ক'ৰবাত ৰেলৰ ডবাত অগ্নি সংযোগ কৰে, আৰু আন আন ঠাইত কাৰ্যালয় ভস্মিভূত হয়।

এল. কে. আদবানী : এল. কে. আদবানীয়ে ৰাষ্ট্ৰপতিক সংবিধান সংশোধন কৰি অসমৰ নিৰ্বাচন স্থগিত ৰাখিবলৈ পৰামৰ্শ আগবঢ়ায়। বন্দুকৰ গুলীৰ আগত নিৰ্বাচন পতাটো অগণতান্ত্ৰিক কাৰ্য বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰীক মিছলীয়া বুলি সমালোচনা কৰে, বিৰোধী দল সংবিধান সংশোধনৰ পক্ষপাতী নহয় বুলি কোৱা হয় বাবে লোকদলৰ নেতা চৰণ সিঙে ৫ জানুৱাৰীত ইন্দিৰা গান্ধীক নিৰ্বাচন বন্ধ কৰিবলৈ অনুৰোধ কৰে। কংগ্ৰেছ (এচ) সভাপতি শাৰদ পাৱাৰে নিৰ্বাচন মুক্ত আৰু নিকা হোৱাৰ সম্ভাৱনা নাই বাবে ইয়াক বন্ধ কৰিবলৈ প্ৰধানমন্ত্ৰীক আহ্বান জনায়। ৰাজ্যিক প্ৰশাসনীয় যন্ত্ৰক আৰু ৰাজ্যপালৰ অনুষ্ঠানকো কং (ই) ক্ষমতাত অধিষ্ঠিত কৰিবলৈ ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰে। ৰাজ্যখনৰ ৮ জন বিশিষ্ট নাগৰিক যেনে- মহেন্দ্ৰ পাঠক (প্ৰাক্তন মুখ্য ন্যায়াধীশ), অমল প্ৰভা দাস (সৰ্বোদয় নেত্ৰী), ৰেণুকা দেৱী বৰকটকী (প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী), ডাঃ ঘনশ্যাম দাস, ইন্দিৰা মিৰি, পুষ্পলতা দাস, সতীশ চন্দ্ৰ কাকতী আৰু অধ্যাপক ৰায়হান শ্বাহে নিৰ্বাচন স্থগিত কৰিবলৈ আবেদন জনায়।

৬ ফেব্ৰুৱাৰীৰ সন্ধিয়া ৫-৮ বজালৈ নিষ্প্ৰদীপ কাৰ্যসূচী সফলৰূপে পালন কৰা হয়। ৭ ফেব্ৰুৱাৰী তাৰিখৰ সন্ধিয়া ১০ বজাৰ পৰা পুৱা ৬ বজালৈ পথ বন্ধৰ আহ্বান দিয়া হয় আৰু কাৰ্যসূচী সফল হয়। জনতা কাৰ্ফিউ আহ্বান কৰা হয়। ৰাজ্যখনৰ অফিচ কাছাৰী, স্কুল কলেজতো সকলো প্ৰকাৰৰ কামকাজ বন্ধ থাকে। আনহাতে পুলিচে অত্যাচাৰ কৰে। উত্তৰ গুৱাহাটীৰ কেইজনমান শিক্ষকক হাৰাশাস্তি কৰা হয়। চৰকাৰে নিৰ্বাচনৰ কামত যোগদান কৰাৰ অৰ্থে এমাহৰ দৰমহা মাননী হিচাবে দিব বুলি বিজ্ঞাপন দি কৰ্মচাৰীক ব্যৱহাৰ কৰাৰ বাবে প্ৰলোভনো দেখুৱায়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ অতি কমেও ১০ ঠাইত পুলিচী নিৰ্যাতন কৰা হয়। শিৱসাগৰ জিলাৰ ৰঙালী সংৰক্ষিত বনাঞ্চলত দুজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। অসমৰ বিভিন্ন প্ৰান্তত নানা ধৰণৰ শান্তি বিঘ্নিত হোৱা ঘটনাবোৰ ঘটে। "অপাৰেশ্যন আৰ্মি"ৰ দ্বাৰা প্ৰশাসনে জনজীৱন দুৰ্বিষহ কৰি তোলে। ভি.এম তাৰকুণ্ডে, অটল বিহাৰী বাজপেয়ী, দীনেশ গোস্বামী, অজিৎ কুমাৰ শৰ্মা, চৌধাৰী চৰণ সিঙ, চন্দ্ৰ

শেখৰে অসমৰ বৰ্বৰ শাসনৰ প্ৰাদুৰ্ভাৱত আইন অপহৃত কৰা হৈছে বুলি মন্তব্য কৰিছে। বিহাৰৰ সকলো শ্ৰেণীৰ লোকৰ আবেদন সত্ত্বেও ৭ ফেব্ৰুৱাৰী তাৰিখে বিহাৰৰ পৰা ১৮৮ জন ভাৰতীয় সেৱা বিভাগৰ বিষয়া অসমলৈ আগমন কৰিছে আৰু এনেহেজাৰ বিভিন্ন পৰ্যায়ৰ কৰ্মচাৰীক নিৰ্বাচনৰ কামৰ বাবে প্ৰেৰণ কৰা হৈছে। কেন্দ্ৰই অতিৰিক্ত ৩০ টা C.R.P.F. কোম্পানী পঠিয়াইছে। স্বাধীনতা যুঁজাৰুৱে নিৰ্বাচন বন্ধ কৰাৰ আহ্বানক কোনো প্ৰকাৰৰ মূল্য দিয়া হোৱা নাই। তাৰ মাজতে ইন্দ্ৰজিৎ গুপ্ত (CPI), ই. এচ. নাম্বুদ্ৰিপাদে নিৰ্বাচন যিকোনো প্ৰকাৰে পাতিবলৈ জজ খেল পথাৰত চৰকাৰক দাবী কৰিছে ৭ ফেব্ৰুৱাৰী তাৰিখে। ঐইখন সভাত শৰৎ সিংহই সভাপতিৰ আসনত বহে। নন্দেশ্বৰ তালুকদাৰ, ধীৰেশ্বৰ কলিতায়ো ভাষণ ৰাখে।

নিৰ্বাচন জাপি দিয়াৰ প্ৰতিবাদ কল্পে ৰাজ্যৰ বিভিন্ন লোক, অনুষ্ঠান প্ৰতিষ্ঠান আৰু সংগঠনৰ বাহিৰেও ভাৰতৰ বিশিষ্ট ৰাজনীতবিদসকলে নানা প্ৰকাৰে প্ৰতিবাদ সাব্যস্ত কৰিছে। কোনো কোনো অঞ্চলত নিৰ্বাচনৰ বিৰুদ্ধে সৰব হোৱা লোকক কাৰাগাৰত বন্দী কৰি ৰাখিছে। সভা সমিতিবোৰ যাতে পাতিব নোৱাৰে তাৰ বাবে গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰি নজিৰবিহীন অৱস্থাৰ সৃষ্টি কৰিছে। মঙ্গলদৈত প্ৰাক্তন এম.এল.এ. নগেন শৰ্মা আৰু মাধৱ ৰাজবংশীক আটক কৰিছে। বাজপেয়ী, চৰণ সিঙে গুৱাহাটীৰ জজ খেল পথাৰত ৮ ফেব্ৰুৱাৰী তাৰিখে জোৰকৈ জাপি দিব খোজা নিৰ্বাচনৰ বিৰোধিতা কৰাৰ সিদ্ধান্ত লৈছে। আনহাতে ত্ৰিপুৰাৰ বামপন্থী দলৰ মুখ্য মন্ত্ৰীয়ে আন্দোলনৰ নেতৃবৰ্গক তীব্ৰ ভাষাত সমালোচনা কৰিছে। তেজপুৰৰ ছাগলীয়াত নিৰ্বাচনৰ প্ৰাৰ্থীৰ সমৰ্থকৰ মাজত হোৱা কাজিয়াৰ সূত্ৰপাত হোৱাত এজন পুলিচ এচ আই. নিহত হৈছে। চিপাঝাৰত সংঘটিত হোৱা পুলিচৰ গুলী চালনাত আহত হোৱা লোকক গুৱাহাটী মেডিকেল কলেজলৈ অনা হৈছে। তেনে লোকৰ সংখ্যা ১৮ জনলৈ বৃদ্ধি পাইছে। অগ্নিদগ্ধ হোৱা এজন লোকৰ হাস্পাতালত মৃত্যু হৈছে। যোৰহাটৰ কাৰ্যবাহী দণ্ডাধীশ নুৰুল হকৰ নিৰুদ্দেশ হোৱা ঘটনাই গুৰুতৰ অৱস্থাৰ কথাকে প্ৰকাশ কৰিছে। নিৰ্বাচনত অংশ গ্ৰহণ নকৰা বাবে ডিফু কলেজৰ চাৰিজন শিক্ষকক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন.টি ৰামাৰাৱে বিদেশী নাগৰিকৰ সমস্যা সামাধানৰ বাবে কেন্দ্ৰক অনুৰোধ জনাইছে আৰু নিৰ্বাচন স্থগিত ৰাখিবলৈ অনুৰোধ কৰিছে। ৮ ফেব্ৰুৱাৰী তাৰিখে বেলশৰত পুলিচৰ গুলী চালনাত আৰু ৭ জন লোকে প্ৰাণ আহুতি দিবলগীয়া হৈছে। সেই দিনালৈ মুঠ ২৭ জন লোকে প্ৰাণ বিসৰ্জন দিব লগীয়া হৈছে নিৰ্বাচনৰ বিৰোধিতা কৰা বাবে। বেলশৰত হোৱা গুলী চালনাত আন ১০ জন গুৰুতৰভাৱে আহত

হৈছে। নগাঁৱৰ মণ্টু কলিতা নামৰ প্ৰাক্ স্নাতক বিজ্ঞান শাখাৰ এজন ছাত্ৰ পুলিচৰ গুলীত মৃত্যুৰ মুখত পৰে ৮ ফেব্ৰুৱাৰীত। ৯ ফেব্ৰুৱাৰী তাৰিখে নগাৱঁত কাৰ্ফিউ জাৰি কৰা হয়। লংকোৰ মাছ বজাৰত বোমা বিস্ফোৰণ হয় আৰু ৩ জন মৃত্যুৰ মুখত পৰে, ১৫ জন গুৰুতৰভাৱে আহত হয়। হাজোত পুলিচে গুলী চালনা কৰে। আনহাতে ৰাজ্যখনৰ চৰকাৰী কাৰ্যালয়, স্কুল-কলেজ সম্পূৰ্ণৰূপে অচল হৈ থাকে। ৰাজ্য চৰকাৰে (১) ৰাজ্যিক পৰিবহন, (২) উৎপাদনৰ লগত জড়িত থকা প্ৰতিষ্ঠান, (৩) যোগান বিভাগ, (৪) স্বাস্থ্য বিভাগ, (৫) জনসেৱাৰ লগত সম্বন্ধ থকা সকলো শ্ৰেণীৰ চাকৰিকে অত্যাৱশ্যকীয় সেৱাৰ অধীনত বুলি ঘোষণা কৰে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে পি.পি. নায়াৰৰ নেতৃত্বত এক বিশেষ দল অসমৰ নিৰ্বাচনৰ পৰিস্থিতিৰ বুজ্ লবলৈ প্ৰেৰণ কৰে। লগত আহে গৃহমন্ত্ৰালয়ৰ বিষয়াসকল আৰু আলোচনা কৰে ৰাজ্যপালৰ সৈতে। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে নিৰ্বাচন প্ৰচাৰৰ বাবে ১০ ফেব্ৰুৱাৰীত আহে। চাৰিটা বিৰোধী দলে এক বিৰাট গণ সমাবেশত প্ৰধানমন্ত্ৰীক নিৰ্বাচন স্থগিত ৰাখিবলৈ আহ্বান জনায়। কেন্দ্ৰই দেৱালৰ লিখন অধ্যয়ন কৰা উচিত হ'ব বুলি সাৱধান কৰি দিয়ে আৰু এক "অবৈধ নিৰ্বাচন" জাপি নিদিবলৈ আহ্বান জনায়। অটল বিহাৰী বাজপেয়ীয়ে "মগজুৰ নিৰ্দেশত বিবেকৰ দ্বাৰা পৰিচালিত হ'বলৈ পৰামৰ্শ আগবঢ়ায় আৰু জনসাধাৰণৰ জীৱনৰ মূল্য দিয়া উচিত হ'ব বুলি সকীয়াই দিয়ে। ১৯৬১ চনৰ পুলিচ এক্টৰ প্ৰয়োগ আৰু ৬০ টা অৰ্দ্ধ সামৰিক বাহিনীৰ প্ৰয়োগে মুক্ত নিৰ্বাচনৰ নিৰ্দেশ নকৰে বুলি কয় আৰু অসমত "Jungle Law" বিৰাজ কৰা বুলি দোহাৰে। দিল্লীৰ পৰা আলোচনাত অংশ গ্ৰহণ কৰি উভতি অহাৰ সময়তে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গক বৰঝাৰ বিমান বন্দৰতে আটক কৰে আৰু গণতন্ত্ৰৰ স্বৰূপ প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে ৭০০০ চাকৰিয়ালক নিৰ্বাচনৰ বাবে নিযুক্তি দিয়া বুলি ঘোষণা কৰে আৰু তাৰ ভিতৰত ১৪০০ জন IAS বিষয়া বুলি কোৱা হয়। অসমৰ এনে ভয়ঙ্কৰ পৰিস্থিতিত চাহ জনজাতীয় যুৱকসকলে ভয়ানক উৎকণ্ঠা অনুভৱ কৰে আৰু নিৰ্বাচন বন্ধ ৰখাৰ বাবে দাবী জনায়।

সদৌ অসম ছাত্ৰ সন্থাই আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে নিৰ্বাচন প্ৰতিৰোধ কাৰ্যসূচী পালন কৰোতে পুলিচৰ গুলীত মৃত্যুবৰণ কৰা লোক সকলৰ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে এদিন উপবাস ব্ৰত পালন কৰিবলৈ অসমবাসীলৈ আবেদন জনায়। সেই উপবাসৰ বাবে ৰাহি হোৱা পৰিমাণৰ ধন সহায় হিচাবে আগবঢ়াবলৈকো অনুৰোধ কৰা হয়।

এনে পৰিস্থিতিত ডিব্ৰুগড় জিলাৰ যুৱক কংগ্ৰেছৰ সভাপতি আৰু ৫২৭ জন

সদস্যই পদত্যাগ কৰে। আনহাতে পঞ্জাবৰ জলন্ধৰৰ পৰা C.P.I. এ নিৰ্বাচন বন্ধ কৰাৰ বিৰুদ্ধে মত দিয়ে। অখিল ভাৰত নেপালী প্ৰাদেশিক সন্থাই নিৰ্বাচনৰ বিৰোধিতা কৰে।

১০ ফেব্ৰুৱাৰীত পুলিচী নিৰ্যাতন আৰু চৰকাৰী সন্ত্ৰাস বৃদ্ধি পায়। সতমা সত্ৰত পুলিচৰ গুলী চালনাত দুজন আৰু হাজোত এজনে মৃত্যুবৰণ কৰে। দৰং জিলাৰ হাৰাজানত পুলিচে গুলী চালনা কৰে ফলত ৪ জন গুৰুতৰভাৱে আহত হয়। চিংৰাৰ বেণুধৰ কলিতাক নিৰ্বাচনত অংশ গ্ৰহণ নকৰিবলৈ ৫০০০ তকৈয়ো অধিক লোকে অনুৰোধ জনাওতে পুলিচে গুলী চালনা কৰে। তেওঁ কংগ্ৰেছ প্ৰাৰ্থী হিচাবে মনোনয়ন লাভ কৰিছিল। ডিব্ৰুগড়ৰ বৰকুৰিহাত এজনী মহিলা মৃত্যুমুখত পৰে আৰু আন দুজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আন্দোলনকাৰীৰ ওপৰত কালিমা সানিবলৈ স্কুল ঘৰ জ্বলাই দিয়ে, দলঙৰ ক্ষতি সাধন কৰে, এটা ভড়াল ঘৰত জুই লগাই দিয়ে। সেই দিনাই নগাঁৱত ৫ বজাৰ পৰা বন্ধ পালন কৰা হয় আৰু গুৱাহাটীত জনতা সান্ধ্য আইন বলবৎ কৰা হয়। দীনেশ গোস্বামী, বিশ্ব গোস্বামী, অজিৎ শৰ্মাই অসমত গণহত্যাৰ প্ৰক্ৰিয়া বন্ধ কৰিবলৈ প্ৰধান মন্ত্ৰী, গৃহমন্ত্ৰী আৰু নিৰ্বাচনী আয়োগলৈ টেলিগ্ৰাম পঠিয়াই।

বেলশৰত ৮ ফেব্ৰুৱাৰীত পুলিচৰ গুলী চালনাত মৃত্যুবৰণ কৰা শ্ৰীকান্ত বৰ্মন (৩০), কায়াৰাম দাস (৩৩), মহেশ তালুকদাৰ (৫৫), প্ৰতাপ বৰ্মন (৪৫), আৰু অৱসৰ প্ৰাপ্ত শিক্ষক উপেন দাসৰ ল'ৰা আইন কলেজৰ ছাত্ৰ বীৰেন দাসৰ (২০) ৰ মৃতদেহবোৰ নলবাৰী হাস্পাতালৰ পৰা নিয়া হয় আৰু প্ৰায় ৫০০০ লোকৰ উপস্থিতিত শোকাকুল পৰিৱেশতে, হৃদয় বিদাৰক অৱস্থাৰ মাজত শেষকৃত্য সমাপন কৰা হয়। নলবাৰী হাস্পাতালত আহত হৈ চিকিৎসাধীন হোৱা লোকসকলৰ বুজ লয় আটল বিহাৰী বাজপেয়ী, যশোৱন্ত সিংহা, বংশীলাল যোশী আদিয়ে আৰু বেলশৰৰ পৰিস্থিতিৰ বিতং অধ্যয়ন কৰে। এই গুলী চালনাৰ প্ৰতিবাদত ১২ ঘণ্টীয়া নলবাৰী বন্ধ পালন কৰা হয়। শাসন যন্ত্ৰ ইমান নিষ্ঠুৰ হৈ পৰে যে ৰেডক্ৰচ চোচাইটিক আঘাত পোৱা লোক সকলৰ চিকিৎসা সাহায্য আৰু দৰৱ পাতিও দিবলৈ অনুমতি দিয়া হোৱা নাছিল। ৰেডক্ৰচ সূত্ৰই এই কথাও প্ৰকাশ কৰিছে যে মৃতক সকলৰ আত্মীয় সকলক শেষকৃত্য সমাপন কৰাৰ সময়তো উপস্থিত থাকিবলৈ প্ৰশাসন যন্ত্ৰই বাধা প্ৰদান কৰে।

লোকদলৰ সভাপতি চৌধাৰী চৰণ সিঙে ভাৰতৰ দুৰ্দিন বুলি অভিহিত কৰে। অসমৰ বুকুত তেজৰ নদী বোৱা মানে ভাৰতৰ বুকুৰ পৰাই তেজৰ সোঁত নিৰ্গত হোৱা বুজায়। কংগ্ৰেছ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে তাৰ বাবে জগৰীয়া।

চৌধাৰী চৰণ সিঙে জোৱান সকলক নিৰীহ জনসাধাৰণৰ ওপৰত অত্যাচাৰ নকৰিবলৈ আহ্বান জনাইছিল, ভাৰতৰ সকলো প্ৰান্তৰ লোকক অসমৰ জনগণৰ প্ৰকৃত সমস্যা অনুধাৱন কৰিবলৈ অনুৰোধ জনাইছিল আৰু অসমে যে কেৱল বিদেশী নাগৰিকৰ বিৰুদ্ধেহে সংগ্ৰামত অৱতীৰ্ণ হৈছে সেই কথা উপলব্ধি কৰিবলৈ অনুৰোধ জনাইছিল। বিদেশীৰ দ্বাৰা যে ভাৰত ৰাষ্ট্ৰৰে ক্ষতি সাধন হ'ব সেই কথা বুজিবলৈ দৃঢ়তাৰে জনাইছিল। এনে অৱস্থাত অসমত জোৰকৈ নিৰ্বাচন পতা মানে যে ক্ষমতাৰ সৰ্বগ্ৰাসী আকাংক্ষাই কংগ্ৰেছক বলীয়া কৰিছে তাত কোনো সন্দেহ নাই বুলি মত পোষণ কৰিছিল। এনে নিৰ্বাচনে অসমৰ বা ভাৰতৰ কাৰো উপকাৰ সাধন নকৰে।

উভতি যোৱাৰ সময়ত বাজপেয়ীয়ে পাটনাত সাংবাদিকসকলক সম্বোধন কৰি কয় যে সংবিধান সংশোধন কৰি নিৰ্বাচন পিচুৱাই দিয়াৰ এতিয়াও সময় উকলি যোৱা নাই। "Assam is in turmoil, police firing and killing of innocent people is the order of the day." ১৮৬১ চনৰ বৰ্বৰ পুলিচী আইন অসমত স্বাধীনতাৰ ৩৫ বছৰ পিছত প্ৰথমবাৰৰ বাবে প্ৰয়োগ কৰি জনজীৱন অস্থিৰ কৰা হৈছে। এয়া দেশৰ বাবে এক ভাবুকি স্বৰূপ আৰু সেইবাবে ভাৰতীয় জনতা পাৰ্টিৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক জয়পুৰত ১২, ১৩ ফেব্ৰুৱাৰী তাৰিখে অনুষ্ঠিত কৰি এক আন্দোলনক গঢ় দিয়াৰ প্ৰয়োজন আছে বুলি বাজপেয়ীয়ে সংবাদ মাধ্যমক অৱগত কৰিছিল। একোজন দণ্ডাধীশৰ দ্বাৰা সকলো কাৰ্য সম্পাদন কৰিব পৰা ক্ষমতা গণতন্ত্ৰৰ বাবে এক অভিশাপ আৰু তেনে পৰিস্থিতিত মুক্ত আৰু নিকা নিৰ্বাচন অসম্ভৱ বুলি বাজপেয়ীয়ে দেশৰ জনগণক সাৱধান কৰি দিছিল। আনহে নেলাগে বাজপেয়ী, যশোৱন্ত সিন্‌হা আৰু অন্যান্য সাংসদ সকলো পুলিচী নিৰ্যাতনৰ বলি হোৱাৰ উপক্ৰম হৈছিল। এনে অৱস্থাত সাধাৰণ লোকৰ বিলৈ কেনে হ'ব পাৰে তাক সহজে অনুমান কৰিব পাৰি।

৮ ফেব্ৰুৱাৰী তাৰিখে নগাঁৱৰ নৰ্নৈত মণ্টু কলিতাৰ মৃত্যু ঘটে। তেওঁক জাতীয় শ্বহীদ ঘোষণা কৰা হয়। এই শ্বহীদৰ শেষ ক্ৰিয়া সম্পাদন কৰা পিতৃ আৰু পৰিয়ালৰ সদস্যক আটক কৰি ৰখাৰ কাৰণে অযথা বিলম্ব ঘটে। বৰ্বৰতা কিমানদূৰ শিপাইছে ই এটা উদাহৰণ হৈ ৰব। প্ৰভাত শৰ্মাক পাশৱিক প্ৰক্ৰিয়াৰে হত্যা কৰা হয়। মৃতকৰ শৱদেহ পৰিয়ালক গটাই নিদিবলৈ পুলিচে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে চিভিল লিবাৰ্টিজ এচোচিয়েচনে হাইকোৰ্টত আবেদন জনাবলৈ বাধ্য হয়। উচ্চ ন্যায়ালয়ে শৱদেহ চমজাই দিবলৈ নিৰ্দেশ দিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছিল। "It is the basic freedom of religion guarenteed by the Constitution

to perform the last rites by the family members according to Hindu Law, the Gauhati High Court consisting of Justice T.N. Singh, observed today the 9th Feb, 1983 while granting an hebeas corpus petition with a prayer for handing over the dead body of Prabhat Sarma to the family members." This petition was filed by S.N. Medhi, N.N. Saikia, P. Pathak on behalf of Civil Liberties Association."

ভাৰতৰ বিভিন্ন ৰাজনৈতিক দলৰ নেতৃবৃন্দই, বুদ্ধিজীৱিয়ে নিৰ্বাচন স্থগিত ৰাখিবলৈ দিয়া কোনো প্ৰকাৰৰ পৰামৰ্শ গ্ৰহণ নকৰি ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বদ্ধ পৰিকৰ হৈ পৰে। ১৯৭৫ চনত যেনেকৈ সংবিধানকে মূল্যহীন কৰি দি অন্তৰ্বৰ্তীকালীন জৰুৰী অৱস্থা ঘোষণা কৰিছিল ঠিক তেনে এক মনোবৃত্তিৰে অসমৰ জনমতক উলংঘা কৰি নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ কঠোৰ স্থিতি অৱলম্বন কৰাত গণতন্ত্ৰক পুনৰ মূল্যহীন কৰি দিয়ে। নানা ধৰণৰ প্ৰতিবাদ আৰু প্ৰতিৰোধ উপেক্ষা কৰি নিৰ্বাচন পাতিবলৈ এক হিংস্ৰ মনোবৃত্তি প্ৰকাশ পোৱাত অসমবাসীৰ অপমানৰ সীমা নোহোৱা অৱস্থা হ'ল। তাৰ মাজতে ইন্দিৰা গান্ধীয়ে অসমত নিৰ্বাচন পতাৰ কাৰ্য চলাবলৈ এক অভিযান আৰম্ভ কৰে। যাৰ ফলত উত্তেজনা ক্ৰমাৎ বৃদ্ধি পায়। হিংসাত্মক ঘটনা সংঘটিত কৰাবলৈ ষড়যন্ত্ৰবোৰ গভীৰ হয়। তাৰ মাজত চি.পি.আই. এম.এলৰ দুজন সদস্য মৃত্যু মুখত পৰে। সেই সংগঠনে পুনৰ দোহাৰে যে যিকোনো ত্যাগৰ বিনিময়ত তেওঁলোকে অসমত নিৰ্বাচনৰ পক্ষে যুঁজ দিব আৰু অসমৰ "চৌভিনিজমৰ" বিৰোধিতা কৰিব। আসাম ট্ৰিবিউনে সম্পাদকীয়ৰ জৰিয়তে ১০ ফেব্ৰুৱাৰীত পুনৰ আবেদন জনায় আৰু কয় যে নিৰ্বাচন পিচুৱাবলৈ এতিয়াও বহু পলম হোৱা নাই।

ইন্দিৰা গান্ধীৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যৰ ফলত ৰাজ্যখনত অস্থিৰতা বৃদ্ধি পায়। হিংসাত্মক ঘটনাবোৰ সংঘটিত কৰাবলৈ প্ৰৰোচনাও বৃদ্ধি পায়। প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন আৰু জয়নাথ শৰ্মাক চিভিল লিবাৰ্টিজ এচোচিয়েচনৰ আবেদন ক্ৰমে নিৰাপত্তাৰ বাবে নগাঁও জেললৈ স্থানান্তৰ কৰাৰ নিৰ্দেশ উলিওৱা হয়।

১০ ফেব্ৰুৱাৰী তাৰিখে অতি কমেও ১২ জন লোকৰ মৃত্যুৰ সংবাদ বিয়পি পৰে। মুঠ মৃতকৰ সংখ্যা এই পৰ্যন্ত ৪৮ জনলৈ বৃদ্ধি পায়। পুলিচৰ গুলী চালনাত ৰঙিয়াৰ ওচৰত বালিসত্ৰত এজন নিহত হয়। ৯ ফেব্ৰুৱাৰীত পুলিচৰ গুলী চালনাত চামতাত দুজন লোকৰ মৃত্যু ঘটে। পাঠশালাৰ ওচৰত কঠালগুৰীত পুলিচৰ গুলী চালনাত এজনৰ মৃত্যু হয় আৰু এজন গুৰুতৰভাৱে আহত হয়। হাজো সমষ্টিৰ

নির্দলীয় প্ৰাৰ্থী মুছলিম আলিৰ ঘৰৰ কাষত পুলিচৰ গুলী চালনাত এজনৰ মৃত্যু হয় আৰু এজন আহত হয়। ডিব্ৰুগড়ৰ টেঙাখাটত এক শোভাযাত্ৰীৰ সমদলৰ ওপৰত পুলিচৰ গুলী চালনা কৰাৰ ফলত বহু লোক আহত হয়। কামৰূপ জিলাৰ চৌখুটি আৰু মৈৰাবাৰীতো পুলিচে গুলী চালনা কৰে। আন্দোলনকাৰীৰ ওপৰত ক'লংক জাপি দিয়াৰ বাবে নানা প্ৰকাৰৰ কুঠাৰাঘাতমূলক কাৰ্য কৰোৱা হয়। ট্ৰেইন বগৰাই দিয়া হয়, ৰেলৰ লাইনত বোমা বিস্ফোৰণ ঘটোৱা হয়, দলং ধ্বংস কৰা হয়, কাৰ্যালয় বিনষ্ট কৰা হয়। লুটপাতো কৰোৱা হয়।

এনে পৰিস্থিতিত সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বায়ক পবীন্দ্ৰ ডেকাই ৰাষ্ট্ৰ সংঘৰ মানব অধিকাৰ আয়োগলৈ এক বাৰ্তা পঠিয়াই নিৰ্বাচন পতাৰ নামত অসমৰ শান্তিপ্ৰিয় লোকৰ ওপৰত কেনে নিৰ্যাতন জাপি দিয়া হৈছে তাৰ সাক্ষ্য বহন কৰিবলৈ আৰু নিপীড়ন বন্ধ কৰিবলৈ অনুৰোধ কৰে। "The UN Human Right Commission, the Red Cross Society and the news correspondents have enoromous responsibilities in upholding and safeguarding the dignity of the individual and the Assamese community which have been trampled down time and again."

অসমৰ নিৰ্বাচনী প্ৰক্ৰিয়াত চৰকাৰী সন্ত্ৰাসৰ বিষয়ে উল্লেখ কৰি নিৰ্বাচনী আয়োগক নিজ চকুৰে অসমৰ অৱস্থা অধ্যয়ন কৰিবলৈ পুনৰবাৰ আহ্বান জনায় ৰবীন্দ্ৰ বাৰ্মাই অন্যথা অসমৰ এই জ্বলন্ত সমস্যাৰ বাবে নিৰ্বাচনী আয়োগ জগৰীয়া হ'বলৈ বাধ্য হ'ব। অসমত এক সমৰ সদৃশ পৰিৱেশ ৰচনা হৈছে আৰু সামৰিক সন্ত্ৰাসৰ সমতুল্য হোৱা বুলি বৰ্ণনা কৰিছে আৰু তেখেতৰ চকুৰ আগতে যোৰহাটত পুলিচী নিৰ্যাতন জনতাৰ ওপৰত কৰা দেখি অহা বিৱৰণ দাঙি ধৰিছে।

ৰাজ্যখনৰ সকলো প্ৰান্ততে নিৰ্বাচন বিৰোধৰ প্ৰক্ৰিয়া অব্যাহত ৰখা হৈছে। নিষ্প্ৰদীপ (Blackout) জনতা সান্ধ্য আইন সমগ্ৰ অসমতে কাৰ্যসূচী হিচাবে সফল কৰি তোলা হৈছে।

নিৰ্বাচনত অংশ গ্ৰহণ কৰিব নোখোজা তেল আৰু প্ৰাকৃতিক গেচ নিগমৰ (ONGC) কৰ্মীসকলৰ ওপৰত নিৰ্বাচনী হেঁচা জাপি দিব খোজাত ১৫০ গৰাকী কাৰ্যবাহী বিষয়াই পদত্যাগ পত্ৰ দাখিল কৰিছে। নিগমৰ সকলো কৰ্মীয়ে অসহযোগত সৰ্বাত্মক সমৰ্থন জনায়।

বাতৰি প্ৰতিষ্ঠান আৰু অন্যান্য সংবাদ মাধ্যমে অসমৰ নিৰ্বাচনৰ আগৰ পৰিস্থিতি বৰ্ণনা কৰিবলৈ এনেবোৰ শব্দ প্ৰয়োগ কৰিছে "Extra ordinary, special, Grave and serious." কংগ্ৰেছে প্ৰধানকৈ বামপন্থীকে ধৰি অন্যান্য গণভিত্তি নথকা দুই

এটা দলে "গণতান্ত্রিক কার্য" কৰাৰ বাবে বন্ধ পৰিকৰ হোৱা দেখা গৈছে। বাকী শক্তিশালী বিৰোধী দলে নিৰ্বাচন 'বয়কট' কৰাৰ সিদ্ধান্ত লৈছে। আনহাতে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে নিৰ্বাচনী প্ৰচাৰ অভিযান চলাইছে আৰু শিলচৰত প্ৰকাশ কৰিছে যে নিৰ্বাচন বন্ধ ৰখা সম্ভৱ নহ'ব। নিৰ্বাচন বৰ্জনৰ সিদ্ধান্তও বেআইনী বুলি বৰ্ণনা কৰে। নিৰ্বাচন বৰ্জনৰ বাবে লোৱা প্ৰচেষ্টা সজ আচৰণ নহয় বুলিও মন্তব্য কৰে। বিদেশী নাগৰিক বিতাৰণৰ ক্ষেত্ৰত কয় যে "The question of deportation of those who had come recently was also a complicated one and its humanitarian aspect could not be overlooked."

ৰাজ্যখনত সামৰিক আৰু অৰ্দ্ধসামৰিক বাহিনীৰ হাতত অসমৰ বিভিন্ন প্ৰান্তত নিৰীহ লোকে প্ৰাণ হেৰুৱাইছে। নিৰস্ত্ৰ লোকৰ ওপৰত পুলিচী নিৰ্যাতন ক্ৰমে বৃদ্ধি পাইছে। ১১ ফেব্ৰুৱাৰীত আৰু ৮ জন লোকৰ প্ৰাণ নাশ হৈছে। তাৰে ৭ জনেই পুলিচৰ গুলী চালনাত। সেই মৃতকসকলৰ ৪ জন লক্ষীমপুৰৰ, কামৰূপৰ দুজন আৰু এজন শিৱসাগৰৰ। দলীয় কণ্ডলৰ বাবে লক্ষীমপুৰত আন এজনে মৃত্যু বৰণ কৰে। এনে পৰিস্থিতিতো অসমৰ মুখ্য সচিবে অসমৰ আইন শৃংখলা অটুত আছে বুলি মন্তব্য কৰিছে। নিৰ্বাচন শান্তিপূৰ্ণ হ'বনে বুলি সোধাত মুখ্য সচিব ৰমেশ চন্দ্ৰই সেই বিষয়ে নিৰ্বাচনী আয়োগে ক'ব পাৰিব বুলি এৰা দিয়া পৰিলক্ষিত হৈছে। সামৰিক বাহিনী মোতায়েন কৰা নকৰাৰ প্ৰশ্ন উত্থাপন কৰোতে পুলিচৰ সহায়তে ঠাণ্ডা কৰিব পাৰিব বুলি মত প্ৰকাশ কৰে। চাকৰিৰ খাতিৰত দায়িত্বশীল বিষয়াই কেনে আচৰণ কৰে ভাবিলে আচৰিত হ'ব লাগে। অসমত মৃতকৰ সংখ্যা ৫৬ জনলৈ বৃদ্ধি পালে।

ইতিমধ্যে পুলিচৰ গুলী চালনাত মৃত্যু ঘটা কৰুণা দাস (২২) আৰু অমল ভট্টৰ (২২) ৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ১০ ফেব্ৰুৱাৰী তাৰিখে নলবাৰী হাস্পাতাললৈ অনা হয়। মঞ্জুৰ আলি (২৫), অনিল কলিতাৰ (২০) মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা তেতিয়াও সম্ভৱ হোৱা নাই। পাটাছাৰকুছিত পুলিচৰ গুলী চালনাত ১২ জন গুৰুতৰভাৱে আহত হৈছিল। তেওঁলোকৰ ৫ জনক নলবাৰী হাস্পাতালত ৰাখি ৭ জনক গুৱাহাটী মেডিকেল কলেজলৈ প্ৰেৰণ কৰা হয়। ধমধমা আৰু মুছলপুৰত নিৰ্বাচনক লৈ ভয়াবহ সংঘৰ্ষৰ বাতৰি প্ৰচাৰ হৈ পৰে। চিপাঝাৰৰ ১২ বছৰীয়া চিত্ত বৰুৱাৰ মৃতদেহ নৱগ্ৰহ শ্মশানত ভস্মিভূত কৰা হয় অগণন লোকৰ শোকাশ্ৰু ভৰা সমাৱেশৰ মাজত।

গুৱাহাটী উচ্চন্যায়ালয়ৰ নিৰ্দেশ : বঙিয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৪৮ জন শিক্ষকক নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ অমান্তি হোৱা বাবে আটক কৰা হয় আৰু

হজোতত ৰখা হয়। ন্যায় বিচাৰি আবেদন জনোৱাত উচ্চ ন্যায়ালয়ে অসম চৰকাৰক তেওঁলোকক মুকলি কৰিবলৈ নির্দেশ দিয়ে।

সদৌ অসম ছাত্র সন্থাই পুনৰবাৰ মনত পেলাই দিয়ে যে এই নির্বাচনৰ লগত কোনো প্রকাৰৰ ধর্মীয় চেতনাৰ যাতে সংঘাট নঘটে তালৈ সকলো সম্প্রদায়ৰ লোক আৰু সংগঠনক অনুৰোধ জনায়। এই আন্দোলন কোনো ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে নহয় বুলি পুনৰ দৃঢ়তাৰে প্রকাশ কৰে। কংগ্রেছৰ প্রৰোচনাৰ বলি নহ'বলৈ সাৱধান কৰি দিয়ে। ১২ ফেব্রুৱাৰী তাৰিখে গুৱাহাটীৰ মালিগাৱঁত ইন্দিৰা গান্ধীৰ নির্বাচনী প্রচাৰ অভিযানৰ বিৰোধিতা কৰিবলৈ সেই তাৰিখত ১২ ঘণ্টীয়া গুৱাহাটী বন্ধৰ আহ্বান দিয়া হয়।

OIL ৰ প্রায় ২৫০০ কর্মীয়ে নির্বাচনৰ কোনো কামত সহযোগ নকৰিবলৈ সিদ্ধান্ত লয়। যিমানে বিভিন্ন সংগঠনে নির্বাচনৰ কামত সহযোগ নকৰিবলৈ সিদ্ধান্ত লয় সিমানে চৰকাৰৰ আক্রোশ বৃদ্ধি পায় আৰু অত্যাচাৰ উৎপীড়ন বাঢ়ি যায়। সদৌ অসম ছাত্র সন্থাই Amnesty International ৰ ভাৰতৰ দিল্লী আৰু লণ্ডনৰ কার্যালয়লৈকে তাৰবার্তা প্রেৰণ কৰি অসমত কেনে নৃশংস অৱস্থাৰ সৃষ্টি কৰা হৈছে তাক পৰীক্ষা কৰি চাবলৈ জৰুৰী আবেদন (SOS) জনোৱা হয়। তাৰ বার্তাত কোৱা হয় "to investigate torture, arbitrary killings and grave violation of human rights in Assam" লগতে World Red Cross Society and International Human Rights Commission ক অসমলৈ আহি অসমত কেনে বর্বৰ প্রক্রিয়া চৰকাৰে চলাই আছে তাক প্রত্যক্ষভাৱে বুজিবলৈ আহিবলৈ থানেশ্বৰ বড়োৱে আহ্বান জনায়।

ছিলঙৰ পৰা প্রকাশিত ইন্দিৰা গান্ধীৰ মন্তব্য : ফেব্রুৱাৰীৰ ১১ তাৰিখে প্রধানমন্ত্রী ইন্দিৰা গান্ধীয়ে এনেদৰে কয়- "1971 as the cut off year while she had earlier suggested was not the final solution of the foreigners issue in Assam. She said that the matter may be worked out and the door of discussion is open. She said that the decision should not go against the interest of the minority. She also admitted that her more election meetings will invite more violence ''There is no use inviting more violence''. P.T.I. adds from Hailakandi 'No foreigners will be allowed to enter Assam now. We are always prepared to talk to them (students). They are our children."

১২ ফেব্ৰুৱাৰী তাৰিখে আসাম ট্ৰিবিউনৰ সম্পাদকীয়ত "Cry in wilderness" শিৰোনামাত দুখ, খেদ প্ৰকাশ কৰি আৰু অসমবাসীৰ ক্ৰন্দন প্ৰতিবাদ যে মূল্যহীন হৈছে আৰু ঘড়ীয়ালৰ চকুপানীকে কেন্দ্ৰই বোৱাইছে, অসমক যে বাৰম্বাৰ প্ৰতাৰণা কৰা হৈছে, অসম যে বৈষম্যৰ বলি হৈছে তাক প্ৰকাশ কৰে। অজস্ৰজনে নানা ধৰণে অসমবাসীৰ হৃদয়ৰ কথা, মনৰ কথা জনোৱা সত্বেও কেন্দ্ৰ কিমান নিৰ্বিকাৰ হ'ব পাৰে তাৰ উদাহৰণ পোৱা সহজ নহ'ব। সেইবাবে অসমবাসীয়ে আকৌ এবাৰ চিন্তা কৰিবলৈ বাধ্য হৈছিল ই কেনেধৰণৰ ভাৰতীয় গণতন্ত্ৰ আৰু স্বাধীন ভাৰতৰ অঙ্গৰাজ্য অসমৰ মৰ্যাদা কিমান?

আকৌ অসমৰ বিভিন্ন স্থানত ১৪ জন লোকে প্ৰাণ বিসৰ্জন দিবলগীয়া হয়। বকোৰ ওচৰত চমৰীয়াত অগ্নি সংযোগ আৰু আক্ৰমণৰ ফলত ৫ জন লোকৰ মৃত্যু ঘটে। প্ৰায় ৫০০ জনীয়া এটা আক্ৰমণকাৰীৰ দলে বকো আৰক্ষী থানাৰ অন্তৰ্গত চমৰীয়া আক্ৰমণ কৰে। সিদ্ধেশ্বৰ নামৰ এজন আৰক্ষী, উদয় দাস, আন এজন গুৰুতৰভাৱে আহত হোৱাত গুৱাহাটী মেডিকেল কলেজলৈ স্থানান্তৰ কৰা হয়। পুলিচে গুলী চালনা কৰে। পুলিচে টীয়ক ৰাইদিঙ্গিয়া আৰু জুৰীয়াত গুলী চালনা কৰাৰ ফলত একোজন মানুহৰ মৃত্যু হয়। উত্তৰ লক্ষীমপুৰত পুলিচৰ গুলীত আন দুজন লোক মৃত্যুৰ মুখত পৰে। বামুন গাওঁৰ আন এজন লোক দেহৰক্ষীৰ গুলীত মৃত্যু বৰণ কৰে। উত্তৰ লক্ষীমপুৰত সান্ধ্য আইন বলবৎ কৰা হয়। দুজন নগাওঁৰ কম বয়সীয়া ল'ৰা মাছ মাৰিবলৈ যাওঁতে দুৰ্বৃত্তই হত্যা কৰে। কামৰূপৰ তামুলপুৰত অগ্নি সংযোগ সংঘটিত কৰি আন্দোলকাৰীৰ ওপৰত কালিমা সানিবলৈ প্ৰয়াস কৰা হয়। গোবিন্দ ডেকা (৪৫) নামৰ লোক এজনৰ মৃতদেহ উদ্ধাৰ হয়। নানা ঠাইত নিৰীহ লোকৰ ওপৰত আক্ৰমণ হোৱাৰ বাতৰি পোৱা যায়। লামডিং-গুৱাহাটীৰ মাজৰ ৰেল চলাচল বাতিল কৰা হয়। যমুনামুখ আৰু কামপুৰৰ মাজত ৰেল লাইনত বোমা বিস্ফোৰণ ঘটে।

আছুৰ আবেদন ঃ আছুৱে নিৰ্বাচনী আয়োগক ইয়াৰ স্বাধীনতা আৰু নিৰপেক্ষতা অৱলম্বন কৰি বেআইনীভাৱে জাপি দিয়া নিৰ্বাচন প্ৰক্ৰিয়া শেষ মুহূৰ্তত হলেও বন্ধ ৰাখিবলৈ পুনৰ আহ্বান জনায়। "The repeated declaration of the Election Commission in favour of holding election in Assam only to avoid constitutional crisis cannot be accepted. The E.C. has overlooked other constitutional obligations. The Constitution does not allow a non-citizen to vote but the existing electoral rolls of 1979 contain lakhs of non-citizens and excludes names of lakhs of eligible vot-

ers who have attained the age of 21 years after 1979."

As this illegal election has been opposed by almost all the citizens of India living in Assam it implies that this election would be participated by the foreign voters mainly. It has become very clear that even P.M. had to address election meetings mostly in the areas dominated by the foreigners. Due to total non co-operation by the people of Assam the E.C. had to bring in persons from outside the State to run the election and therefore the election will not be just, free, fair and proper.

Situation not conducive to hold election in Assam : Bangalore : Feb. 12 The Assam situation is reminiscent of the Martial Law conditions that prevailed in Punjab in 1918 and if the poll is not put off there will be a holocaust on the election day" said Janata Party National Executive (PTI)

'There were about 100 battalions of CRPF and BSF and they tortured every suspected citizen. There were hundreds of police firings. Even the Election Commission failed to discharge its statutory duties and responsibilities by not making an independent assessment of the situation. If elections are held it will be a farce and a fraud on the Constitution."

মালিগাঁৱত নিৰ্বাচনী প্ৰচাৰ অভিযানত ইন্দিৰা গান্ধীৰ বক্তব্য ঃ (Feb.12) :- (Staff Reporter : Assam Tribune :- নিৰ্বাচনী প্ৰচাৰ অভিযানৰ শেষৰখন সভা মালিগাঁৱত অনুষ্ঠিত কৰা হয় য'ত ইন্দিৰা গান্ধীয়ে ভাষণ দিয়ে। সভাত উপস্থিত জনতাৰ অধিকাংশ এক বিশেষ সম্প্ৰদায়ৰ বুলি ভাবি প্ৰথমে বঙলা ভাষাতে ভাষণ আৰম্ভ কৰি পিছত হিন্দী ভাষাত ভাষণ ৰাখে। তাত তেঁও এনেদৰে বক্তব্য ৰাখে— "যিকোনো সময়তে আন্দোলন কাৰীৰ সৈতে তেওঁ আলোচনা কৰিবলৈ ৰাজি আছে।"

"Whatever the solution it should keep the humanitarian aspect of the problem in view and that the interest of the minority be safe guarded". She said that if anybody is not interested in .. they should not be forced to vote but none has the right to prevent a

willing person from voting. She said that the election could not be postponed by ammending the constitution for non-cooperation of the oppsition parties.

'Those who are agitating are like my children but no injustice should be done to any children in an obligue reference to the Assam movement. She said that there was need to form a stable Govt. in Assam to solve the problems of Assam including the foreigners issue.'

'These people from Bangladesh came and settled down here and their children subsequently exercised their franchese and now they could not be deprived. A solution to the problem would have to be found out keeping in view that only a minimum number of people was affected and minimum trouble caused to them. The right of the Muslims and Bengali Hindus would be protected."

শেষ মুহূৰ্তত নিৰ্বাচন বন্ধ ৰখাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° মথুৰা নাথ গোস্বামী, ডিব্ৰুগড়ৰ প্ৰাক্তন উপাচাৰ্য জিতেন দাস, সাংসদ অজিৎ কুমাৰ শৰ্মা, দেৱ কুমাৰ কাকতী, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কিৰণ বেজবৰুৱা আদিয়ে উপ মুখ্য নিৰ্বাচনী আয়ুক্ত আৰু নিৰ্বাচনী আয়োগৰ সচিবক লগ ধৰি নিৰ্বাচন বন্ধ ৰখাৰ আহ্বান জনাইও বিফল হয়।

প্ৰধান মন্ত্ৰীৰ ব্যক্তিগত পৰাজয় : 'সদৌ অসম ছাত্ৰ সন্থাই' ইন্দিৰা গান্ধীয়ে নিজৰ দলকহে কেৱল প্ৰতিনিধিত্ব কৰে আৰু সমাজৰ সমগ্ৰ জনগণৰ মতক কোনো মূল্য দিয়া নাই বাবে এয়া তেওঁৰ ব্যক্তিগত পৰাজয়।

'Absence of party's courage to include major places of Assam in her election tour proved that the ruling as well as the left parties were mainly dependent on the foreigners votes for their existence and the P. M. has not solved the foreigners issue only because of her party interest.'

অসমৰ বঙ্গবাসী সমাজৰ ৩০ জনে অসমবাসীৰ মতক শ্ৰদ্ধা কৰি নিৰ্বাচনত অংশ গ্ৰহণ নকৰিবলৈ বঙালী সম্প্ৰদায়ৰ লোকক আহ্বান জনায়। লগতে প্ৰধানমন্ত্ৰী আৰু এ.বি.এ. গণিখান চৌধুৰীৰ নিৰ্বাচনী ভাষণক কটু সমালোচনা কৰে।

চিপাঝাৰত অগ্নিদগ্ধ হোৱা তপন বৰুৱা নামৰ ১৬ বছৰীয়া কিশোৰ জনে মৃত্যু

৯ ফেব্ৰুৱাৰীত।

জনতা পাৰ্টিৰ নেতা হাৰিয়ানাৰ স্বামী অগ্নিবেশে অনিৰ্দিষ্ট কালৰ বাবে অনশন আৰম্ভ কৰিছে আৰু নিৰ্বাচন স্থগিত ৰাখিবলৈ পুনৰ আহ্বান জনাইছে আৰু কৈছে- "there can be no greater fraud on the Indian democracy than holding election in Assam with lakh of foreigners names in the voters lists'.

নলবাৰীত ৮ জনক দাহ কৰা আৰু এজনক কবৰ দিয়া হয় : এক শোকাকুল পৰিবেশত ৯ ফেব্ৰুৱাৰী তাৰিখে পুলিচৰ গুলী চালনাত মৃত্যু বৰণ কৰা ৫ জন আৰু ১১ ফেব্ৰুৱাৰীত ৫ জনৰ মৃতদেহ একত্ৰিত কৰি হিন্দু সম্প্ৰদায়ৰ মাধৱ গোস্বামী (বালিসত্ৰ), কৰুণা নাথ (উলাবৰী), অমল ভট্ট (আৰাংমৌৰ), অনিল কলিতা (সানেকুছি), ধীৰেন দাস (বৰিকাদঙ্গা), ধৰ্মেশ্বৰ কলিতা (বালিসত্ৰ), গোলক দাস (তালকুছি), গহীন ডেকা (গ'লবিল)ক নলবাৰীৰ টাউন ক্লাব পথাৰত দাহ কৰা হয় আৰু মহঃ মাহমৰ আলি (লৰমা)ক কবৰ দিয়া হয়।

নিৰ্বাচনৰ তাৰিখ ১৪, ১৭ আৰু ২০ ফেব্ৰুৱাৰী : ইতিমধ্যে অসমৰ আৰু ১০০ জন নাগৰিকে মুখ্য নিৰ্বাচনী আয়ুক্তক নিৰ্বাচন বন্ধ ৰাখিবলৈ আহ্বান জনাইছে। বি. জে. পিৰ এল. কে. আদৱানীয়ে নিজে মুখ্য নিৰ্বাচনী আয়ুক্তক এটা সজাতি দলৰ নেতৃত্ব বহন কৰি নিৰ্বাচন বন্ধ ৰখাৰ আহ্বান জনাইছে। ইফালে ১৩ ফেব্ৰুৱাৰীত ৰাজ্যখনৰ বিভিন্ন স্থানত বিক্ষিপ্ত ঘটনা সংঘটিত হৈছে। সেইদিনা অতি কমেও দহ জন লোকৰ মৃত্যু ঘটিছে আৰু তাৰে দুজনী গাভৰু। অসংখ্য লোক আঘাত প্ৰাপ্ত হোৱাৰ বাতৰি আহিছে। (পি. টি. আই.) বকোৰ চৰ অঞ্চলৰ পৰা ওচৰৰ গাঁওবাসীৰ ওপৰত অতৰ্কিত আক্ৰমণ হৈছে। অসংখ্য লোকৰ ঘৰবাৰী জ্বলাই দিছে আৰু বহু মানুহ গৃহহাৰা হৈছে। নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ সময়ৰ পৰা অতি কমেও ৮১ জন লোকৰ প্ৰাণ নাশ হৈছে আৰু ২০০ ৰো অধিক আহত হৈছে। জাগীৰোডত সংঘৰ্ষ হৈছে, লক্ষীমপুৰতো হোৱাৰ বাতৰি পোৱা গৈছে। নগাঁৰৰ আমোলাপট্টিত দুজন লোকৰ প্ৰাণ নাশ হৈছে।

নগাঁৱৰ দন্দুৱাত পুলিচৰ গুলী চালনাত তিনিজন লোকে প্ৰাণ হেৰুৱায়। মৰিগাৱঁত পুলিচৰ গুলী চালনাত এগৰাকী মহিলাকে ধৰি চাৰি জন লোকৰ প্ৰাণ নাশ হয় আৰু বহু সংখ্যক লোক আহত হয়। বাবুল গগৈ নামৰ ৭ বছৰীয়া এজন কিশোৰ লক্ষীমপুৰত পুলিচৰ গুলী চালনাত নিহত হয়। পুলিচৰ গুলী চালনাত চি. পি. এম. কৰ্মী ৰাজেন গোহাঁইৰ মৃত্যু হয়। বিহপুৰীয়াত তুলসী নাৰায়ণ গোস্বামীৰ পুলিচৰ গুলীত মৃত্যু হয়। গোগামুখত অতি কমেও ৫ জন লোকৰ পুলিচৰ গুলীত

মৃত্যু হয়। ৰহাত পুলিচে গুলী চালনা কৰে আৰু দুজন গুৰুতৰভাবে আহত হয়। জাগীৰোডত চাৰিজনৰ মৃত্যু হয় আৰু ১৫ জন আহত হয়। নগাওঁ ছোৱালী কলেজ হোষ্টেলত বোমা বিস্ফোৰণ ঘটে। দৰং জিলাত পুলিচৰ গুলী চালনাত বহু লোক আহত হয়। ধিঙত বোমা বিস্ফোৰণৰ বাতৰি পোৱা যায়। বকুলগুড়িত সংঘৰ্ষত পাঁচজন লোকে প্ৰাণ হেৰুৱাৰ বাতৰি পোৱা হয়। নগাওঁত মৃত্যু হোৱা লোক দুজনৰ নাম প্ৰমোদ বৰা আৰু শংকৰ কাকতি। তেওঁলোকৰ মৃত্যুত নগাওঁত শোকৰ ছাঁ পৰে। এই ঘটনাবোৰৰ সৰহভাগ ১৩ ফেব্ৰুৱাৰী তাৰিখে সংঘটিত হয় আৰু ১৬ ফেব্ৰুৱাৰীত ৬১ টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা হৈছে (প্ৰথম পৰ্যায়)।

১৩ ফেব্ৰুৱাৰী তাৰিখে বকোত বাংলাদেশীৰ আক্ৰমণ ঃ (ষ্টাফ ৰিপোৰ্টাৰ) ঃ- নিৰ্বাচনৰ আগমুহূৰ্তত বকোৰ ওচৰৰ বিভিন্ন চৰ এলেকাত বাস কৰা বাংলাদেশী নাগৰিকৰ প্ৰায় ৩০,০০০ লোকৰ সমদল উলিয়াই অসমীয়া লোকৰ গাওঁবোৰত আক্ৰমণ কৰাৰ বাতৰি প্ৰকাশ হয়। এই আক্ৰমণত জামবাৰী, দেওঁচৰ, ত্ৰিলোচন আৰু ধেলাচৰৰ লোকসকলৰ প্ৰাণ নাশ হোৱাৰ সম্ভাৱনা দেখি ঘৰ এৰি পলায়ন কৰে। বহুতৰে ঘৰবাৰী জ্বলাই দিয়ে আৰু লুণ্ঠন কৰে। এইবোৰ চমৰীয়াৰ ওচৰৰ সৰু সৰু অসমীয়া গাওঁ। এই আক্ৰমণত গঙ্গা কলিতা, (বকো কলেজৰ ছাত্ৰী), মঞ্জু মহন্ত (হাইস্কুলৰ ছাত্ৰী) আৰু আন এগৰাকী বৃদ্ধাই প্ৰাণ হেৰুৱায়। মীৰা কলিতা নামৰ এজনী গাভৰুক আক্ৰমণ কৰে। ইয়াৰ বাহিৰেও অন্য এজনী মহিলাক হত্যা কৰি পেলাই থোৱা হয়। অৰ্দ্ধ সামৰিক বাহিনী পঠিওৱা হৈছে বহুত পলমকৈ আৰু সেইবাবে আক্ৰমণকাৰী পলাই গৈ মনদিবাৰ আশেপাশে সোমাই পৰে যিটো অঞ্চল বাংলাদেশী নাগৰিকৰ স্বৰ্গৰাজ্য। পুলিচ বিষয়াই পৰ্যাপ্ত পৰিমাণৰ আৰক্ষী নথকা কথাটো স্বীকাৰ কৰে, কাৰণ সৰহভাগকে নিৰ্বাচনৰ কামত পঠিওৱা হৈছিল। পুলিচ বিষয়াই এইটোও স্বীকাৰ কৰে যে আক্ৰমণকাৰীয়ে খিলঞ্জীয়া লোকৰ বাসস্থানবোৰ বলপূৰ্বকভাৱে বেদখল কৰিবলৈ দলবান্ধি আহিছিল, লুটপাত কৰিছিল আৰু বহুতো ঠাইত অগ্নি সংযোগ কৰি ঘৰবোৰ পুৰি পেলাইছিল। বাংলাদেশীয়ে অতি কমেও ৭০ টা বসতি স্থানত জুই জ্বলাইছিল। এয়া পূৰ্বপৰিকল্পিতভাৱে কৰা হৈছিল বুলি কোৱা হৈছে কাৰণ আক্ৰমণকাৰীয়ে জানিছিল যে এই সময়ত শান্তি শৃংখলা ৰক্ষা কৰিবলৈ কোনো অসামৰিক বা সামৰিক বা অৰ্দ্ধসামৰিক বাহিনীৰ জোৱানক সহজে কামত লগাব পৰা নহ'ব। হেজাৰ হেজাৰ গৃহহীন লোকে ছয়গাওঁৰ বিভিন্ন ঠাইত আশ্ৰয় ল'বলৈ বাধ্য হৈছিল। আক্ৰমণটো সোণতলী, গৰৈমাৰী, চৰপাৰা, বিহাপুৰ, শিঙিমাৰী আদি বাংলাদেশী অধ্যুসিত অঞ্চলৰ পৰা হৈছিল। ইয়ে অসমৰ খিলঞ্জীয়া লোকৰ নিৰাপত্তাহীনতাৰ কথাকে স্পষ্ট কৰি দিয়ে।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীলসকলৰ এটা সজাতি দলে ওপৰত বৰ্ণনা কৰা সমস্ত কথা নিজ চকুৰে চাই ৰাজ্যপালৰ উপদেষ্টা ভি. ভেংকটৰমণ আৰু কামৰূপৰ উপায়ুক্তক স্মাৰক পত্র যোগে বিৱৰি কয়। প্রধান মন্ত্রী, গৃহমন্ত্রীক জনসাধাৰণৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰিবলৈ আহ্বান জনায়। এই দলটোত আছিল সত্যেন ডেকা, হবিবুৰ ৰহমান, পৰমানন্দ চৌধুৰী, দীনেশ গোস্বামী আৰু ৰবীন কাকতি।

জয়পুৰত ভাৰতীয় জনতা পাৰ্টিয়ে কেন্দ্রীয় কাৰ্যনির্বাহকৰ সভাত এক প্রস্তাৱ গ্রহণ কৰি অসমত বলপূৰ্বকভাৱে পতা নির্বাচনৰ বিৰোধিতা কৰে- "While the state burns, the ruling party goes about in resolute pursuit of petty electoral gains" Its cynicism callousness and contempt for democratic process call for nationwide condemnation". Expressing deep concern on the part of CEC, charged it guilty of grave deriliction of the constitutional obligations

'The Election Commission must countermand the election as it did on Garhwal constituency under much less compelling circumstances. It was the duty of E.C. to prevent mockery of democratic process in Assam."

এই সভাত এনে মন্তব্যও কৰা হৈছিল- "Srimati Indira Gandhi wished to steal a formal and hollow victory in Assam facing the defeat in most States. Her temporary illegitimate gain will be severe and a permanent blow to the democratic process in India and alinate the people of Assam from the national mainstream."

কাৰ্বি আংলং চাহ মজদুৰ সংঘৰ সভাপতি ভদ্রেশ্বৰ তাঁতীয়ে সমূহ চাহ বাগানৰ কৰ্মীসকলক নির্বাচনত অংশ গ্রহণ নকৰিবলৈ আহ্বান জনাই বিবৃতি প্রেৰণ কৰিছে।

গুৱাহাটীৰ ৬০ জন মুছলিম বিশিষ্ট নাগৰিকে অসমৰ মুছলমান সকলক নির্বাচনত অংশ গ্রহণ নকৰিবলৈ আহ্বান জনাইছে।

সদৌ অসম ছাত্র সন্থাই অসমৰ সকলো শ্রেণীৰ জনগোষ্ঠীয় লোকক শান্তি-সম্প্রীতি আৰু শৃংখলা বজাই ৰাখিবলৈ আহ্বান জনাইছে।

অসমৰ মহিলা আৰু ছাত্র সজাতি দল এটাই নতুন দিল্লীত মুখ্য নির্বাচনী আয়ুক্তক নির্বাচন বন্ধ ৰখাৰ দাবীত স্মৰাক পত্র দিবলৈ যাওঁতে তেওঁলোকক আটক কৰি ৰখা হয়।

চিপাঝাৰত এক অগ্নি সংযোগ কাৰ্যত অগ্নিদগ্ধ কৰি মাৰিব খোজা ঘটনাত

কেইবাজনো ছাত্র মৃত্যুৰ মুখত পৰে। তেওঁলোকৰ আন এজন তপন বৰুৱাৰ গুৱাহাটী মেডিকেল কলেজত মৃত্যু হয় ১১ ফেব্ৰুৱাৰীত। পুলিচৰ গুলীচালনাত (১০ ফেব্ৰুৱাৰীত) কেন্দুগুড়িত আহত হোৱা মুনীন বৰুৱাৰ ১১ ফেব্ৰুৱাৰীত গুৱাহাটী মেডিকেল কলেজত মৃত্যু হয়। মৃতকৰ শৱ দেহ নৱগ্ৰহ শ্মশানত দাহন কৰাৰ বাবে আয়োজন কৰা হৈছিল য'ত দহ হেজাৰৰো অধিক লোক সমবেত হৈছিল। কিন্তু পুলিচে মৃতদেহৰ সৎকাৰ কৰিবলৈ নিদিলে।

১৪ তাৰিখে প্ৰথম পৰ্যায়ৰ নিৰ্বাচন আৰম্ভ হ'ল। নানা ধৰণৰ প্ৰতিবাদ সত্বেও ভোটাৰ সক'লক জন্তুৰ দৰে আচৰণ কৰা হৈছিল আৰু মনোনীত প্ৰাৰ্থীক ৰখা হৈছিল বন্য প্ৰাণী সংৰক্ষণ প্ৰক্ৰিয়াৰ দৰে। নিৰ্বাচনৰ দিনাখনো অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বিক্ষিপ্ত ঘটনাৰ খবৰবোৰ আহিছিল। তাৰ ভিতৰত গহপুৰত অতি কমেও ৮ জন লোকৰ মৃত্যুৰ সংবাদ ভাহি আহিছিল। ডিব্ৰুগড় দীঘল দলঙৰ কাষত পুলিচৰ গুলী চালনাত ৬ জন লোকৰ মৃত্যুৰ বাতৰি পোৱা হৈছিল। তামুলপুৰত দুজন লোকৰ প্ৰাণ নাশ হোৱাৰ খবৰ পোৱা গৈছে। গান্ধী বজাৰ জ্বলাই দিয়াৰ বাতৰি প্ৰকাশ পাইছে। নগাঁৱৰ টকাই পথাৰত ২০ টা ঘৰ জ্বলোৱাৰ বাতৰি পোৱা হৈছে। বঙাইগাঁৱত পুলিচৰ গুলী চালনাত দুজন লোকৰ প্ৰাণ নাশ হোৱা বাতৰি পোৱা হৈছে। নগাঁৱৰ জাজৰিত পুলিচৰ গুলী চালনাত এজন লোকৰ মৃত্যু ঘটে। নগাঁৱৰ শিলপুখুৰীত ২০ টা ঘৰ ভস্মিভূত হয়। সংঘৰ্ষ নানা ঠাইত হোৱাৰ বাতৰি পোৱা যায় তাৰ ভিতৰত ধণ্ডাপাৰৰ ঘটনা গুৰুতৰ। ইয়াৰ বাহিৰেও অসমৰ বিভিন্ন স্থানত সংঘৰ্ষ হয়। নগাঁও জাজৰিত মৃত্যু হোৱাজন নগাঁও কলেজৰ ছাত্ৰ চন্দন সিঙৰ বুলি পিছত নিশ্চিত কৰা হয়। ৰহাৰ ওচৰৰ বাতামাৰীৰ পুনম বৰদলৈৰ পুলিচৰ গুলীত মৃত্যু হয়। নগাঁও গোৰাজান, বেলোগুৰি আৰু কাঙালমাৰীত লুটপাত হোৱাৰ বাতৰি পোৱা হয়। ইয়াৰ বাহিৰেও আমতোলা আৰু জাগীৰোডৰ ওচৰৰ কেইবাখনো গাঁৱত সংঘৰ্ষ ঘটে। কামৰূপ জিলাৰ খৈলাচা গাঁৱৰ বিৰিঞ্চি পাটোৱাৰী (১৬)ৰ মৃতদেহ মেটেকাৰ তলত উদ্ধাৰ কৰা হয়।

গুৱাহাটীৰ বিভিন্ন প্ৰান্তত সংঘৰ্ষ ঘটে ফটাশিল আমবাৰী, কুমাৰপাৰা, ধীৰেণপাৰা, আঠগাঁও, বিহাবাৰীত সম্পূৰ্ণ উত্তেজনাময় হৈ ৰয়। আমবাৰীত হোৱা সংঘৰ্ষৰ পিছত চাইকেল ফেক্টৰীত এটা অংশৰ ক্ষতি সাধন হয়। মালিগাওঁ ৰেলৱে ষ্টেচনত এটা বোমা বিস্ফোৰণ হয়। যাৰ ফলত ১৮ জন আহত হয় আৰু তাৰে চাৰিজন গুৰুতৰভাৱে। বিশ্বনাথৰ কংগ্ৰেছ প্ৰাৰ্থী সত্য নাৰায়ণ ৰামৰ মৃত্যু ঘটে ১৫ ফেব্ৰুৱাৰীত বাজাৰখনৰ বিভিন্ন স্থানত আহত হোৱা লোকৰ চিকিৎসাৰ বাবে লগোৱা চৰকাৰী প্ৰতিবন্ধকতাৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ে আদেশ জাৰি কৰিবলগীয়াত

পৰে। নিৰ্বাচনত অংশ গ্ৰহণ নকৰা বাবে ৫ জন কৰ্মচাৰীক নিলম্বিত কৰা হয়। অনাতাঁৰ আৰু দূৰদৰ্শন কেন্দ্ৰই সঠিক ভূমিকা পালন কৰিব নোৱাৰা বাবে এল.কে. আদৱানীয়ে সমালোচনা কৰিবলগীয়াত পৰে। অতি কমেও ১০০ টা নিৰ্বাচনী কেন্দ্ৰত বিঘিনি ঘটে। জাতীয় মহাসভাই (অসম) নিৰ্বাচন বৰ্জনৰ বাবে পুনৰ আহ্বান জনায়। স্বামী অগ্নিবেশে অনশনৰ চতুৰ্থ দিনত নিৰ্বাচনৰ বাকী দুটা পৰ্যায়ো বন্ধ ৰখাৰ বাবে প্ৰধানমন্ত্ৰীক আবেদন জনায়। বাতৰি কাকতৰ সম্পাদকীয়ত অসমৰ অৱস্থা ভয়ানক জটিল আৰু ক্ৰমে অৱনতি ঘটা বুলি বৰ্ণনা কৰে। ১৪ আৰু ১৫ ফেব্ৰুৱাৰীৰ এই সময়ছোৱাত ব্ৰহ্মপুত্ৰ উপত্যকাত অতি কমেও ১৩ জন লোকৰ প্ৰাণ নাশ হয়। ১৫ ফেব্ৰুৱাৰীত মঙ্গলদৈৰ ওচৰৰ বিভিন্ন স্থানত সংঘৰ্ষ ঘটে আৰু তিনিজন লোকৰ মৃত্যু হয়। চাউলখোৱা, খেৰচালি, বাতাপুৰ চাপৰি, গোবিন্দ বস্তি, হাজৰিকাপাৰা, গৰুখুঁটি, ৰঙামাটি আদি ঠাইত ব্যাপক সংঘৰ্ষ হয়। মঙ্গলদৈ চহৰৰ ভিতৰতো সংঘৰ্ষ হয়। পাথৰিঘাটৰ সংঘৰ্ষ গুৰুতৰ হয়। যোৰাহাটৰ ওচৰৰ শালকাঠনি চাহ বাগিচাত পুলিচে গুলী চালনা কৰে।

গোৱালপাৰা, কৰাইখোৱা, খৰমোজা, নালস্যা, বৰদামাল আদি ঠাইত সংঘৰ্ষ হয় আৰু শ শ ঘৰ জ্বলে। পুলিচৰ গুলী চালনাত টেঙাইথানত এজন ডেকা বয়সৰ লোক আৰু এজন ১৫ বছৰীয়া কিশোৰৰ মৃত্যু হয়। ঢিঙত পুলিচৰ গুলী চালনাত এজন নিহত হয়। গোলকগঞ্জৰ আশেপাশে ঘৰত অগ্নি সংযোগ ঘটে।

যশোৱন্তৰ ৰাজ্যপালক বৰ্খাস্তৰ আহ্বান ঃ নিৰ্বাচন পতাৰ বাবে ৰাজ্যখনত এক অস্থিৰ অৱস্থাই বিৰাজ কৰে। ভাৰতীয় গণতন্ত্ৰ কিমান থুনুকা আৰু গণতন্ত্ৰৰ বাবে জনগণৰ কেনে হাহাকাৰ তাক বৰ্ণনা কৰিবলৈ ভাষাৰে নাটনি। ভাৰতীয় জনতা পাটিৰ নেতা যশোৱন্ত সিংহই দুখেৰে মন্তব্য কৰিবলৈ বাধ্য হৈছে যে সমগ্ৰ অসম জ্বলাবলৈ আৰম্ভ কৰিছে নিৰ্বাচন পতাৰ বাবে অথচ চৰকাৰৰ মনোবৃত্তিৰ কোনো পৰিবৰ্তন হোৱা নাই। তেখেতে আকৌ কৈছে যে অসমত স্বাভাৱিক অৱস্থা ঘূৰাই আনিবলৈ হ'লে তলৰ কাম কেইটা কৰাটো অত্যন্ত জৰুৰী।

১। ৰাজ্যখন সম্প্ৰতি ৰাষ্ট্ৰপতি শাসনত পৰিচালিত হ'ব লাগে।

২। বৰ্তমানৰ ৰাজ্যপাল গৰাকী আৰু তেঁওৰ উপদেষ্টাক তৎকালে বৰ্খাস্ত কৰিব লাগে।

৩। ৰাজনৈতিকভাৱে নিৰপেক্ষ এজন অসমীয়া লোকক ৰাজ্যপাল পাতিব লাগে।

৪। এখন পৰামৰ্শ কমিটি পাতিব লাগে যাতে এনে এজন ৰাজ্যপালক সহায় কৰিব পাৰে।

বি.জে.পি আৰু জনতা পাৰ্টিয়ে ৰাষ্ট্ৰপতিৰ ভাষণ বৰ্জনৰ সিদ্ধান্ত লৈছে ঃ

অসমৰ নির্বাচনক লৈ ভাৰতৰ বিভিন্ন প্ৰান্তত নানা প্ৰকাৰৰ প্ৰক্ৰিয়া প্ৰকাশ পাইছে আৰু এনে নির্বাচন গণতন্ত্ৰৰ বাবে ভাবুকি বুলি মত প্ৰকাশ কৰিছে। ভাৰতীয় জনতা পার্টি আৰু জনতা পার্টিয়ে ১৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া পার্লিয়ামেণ্টৰ অধিবেশনত ৰাষ্ট্ৰপতিৰ ভাষণ বৰ্জন কৰাৰ সিদ্ধান্ত লৈছে কাৰণ অসমৰ এক জ্বলন্ত সমস্যাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিয়ে কোনো হস্তক্ষেপ নকৰিলে।

প্ৰথম পৰ্যায়ৰ নির্বাচনৰ পিছদিনাখন জাহিৰপুৰত ভয়ানক সংঘৰ্ষ হয়। ফল স্বৰূপে তিনিজন লোকৰ মৃত্যু হয় আৰু ৪৫১ টা পৰিয়ালৰ ঘৰ-দুৱাৰৰ ক্ষতি সাধন হয়। গুমিত আশ্ৰয় শিবিৰ স্থাপন কৰা হয়। ১৩ টা ভোট কেন্দ্ৰৰ পুনৰ নিৰ্বাচন ঘোষণা কৰিবলগীয়াত পৰে আৰু ১৬ টা সমষ্টিত নানা প্ৰকাৰৰ খেলিমেলিৰ সৃষ্টি হয়। ব্যাপক হাৰত অনিয়ম হোৱা বাবে আৰক্ষীয়ে হস্তক্ষেপ কৰিবলগীয়াত পৰে। ১৭ ফেব্ৰুৱাৰীত ৩৬ টা বিধান সভা সমষ্টিত নির্বাচন ঘোষণা কৰা আছে। ১৬ ফেব্ৰুৱাৰীত আৰক্ষীৰ গুলী চালনাত গোৱালপাৰাত চাৰিজন চি আৰ পি ৰ জোৱান নিহত হয় আৰু এক প্ৰচণ্ড সংঘৰ্ষৰ সূত্ৰপাত হয়।

Save Assam, Save India they call : ১৮ ফেব্ৰুৱাৰীত Save Assam, Save Country দিৱস পালন কৰিবলৈ স্বামী অগ্নিবেশে আহ্বান জনায়। আনহাতে সদৌ অসম ছাত্ৰ সন্থাৰ ফালৰ পৰা স্বামী অগ্নিবেশক অনশন ভঙ্গ কৰিবলৈ আহ্বান জনায় অসমৰ কল্যাণৰ বাবে তেখেতে আগবঢোৱা সহায়ৰ বাবে ধন্যবাদ জনোৱা হয়। জজ ফাৰ্নাণ্ডেজে অসম চৰকাৰক গহপুৰৰ নৃশংস হত্যা আৰু অসমত সংঘটিত কৰা পুলিচী নিৰ্যাতনৰ বাবে কটু সমালোচনা কৰে ৰাজ্যখনত যাতে অধিক অশান্তি বিয়পাব নোৱাৰে তাৰ বাবে সাৱধান হৈ থাকিবলৈ সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ ফালৰ পৰা আহ্বান জনোৱা হয় প্ৰাক্তন বিধায়ক নগেন শৰ্মাই গুৱাহাটী উচ্চ ন্যায়ালত অসমৰ নির্বাচনৰ প্ৰত্যাহ্বান জনায়। ২২৬ ৰ অধীনত এক আবেদন জনায়।

১৫ ফেব্ৰুৱাৰী তাৰিখে অসম চৰকাৰে স্বীকাৰ কৰিবলৈ বাধ্য হয় যে ১২ ফেব্ৰুৱাৰীত গহপুৰত ব্যাপকভাবে পুলিচি নির্যাতন হৈছিল যাৰ ফলত অতি কমেও ১৩ জন লোকৰ প্ৰাণ হানি হৈছিল।

১৬ ১৭ ফেব্ৰুৱাৰীত ২৪ ঘণ্টাত অতি কমেও মঙ্গলদৈ আৰু অন্যান্য ঠাইত ৩২ জন লোকৰ প্ৰাণ নাশ হয়। যাৰ ফলস্বৰূপে মঙ্গলদৈত অনির্দিষ্ট কালৰ বাবে সান্ধ্য আইন প্ৰবৰ্তন কৰা হয়। গোৱালপাৰাৰ লক্ষীমপুৰত দুইজন, তিনিজন সৰভোগত মৃত্যুৰ মুখত পৰে আৰু পুলিচৰ গুলী চালনাত আন দুজনৰ মৃত্যু হয়। পুলিচৰ গুলী চালনাত তিতাবৰত এজনক আৰু বোকাখাতত এজনকৈ নিহত হয়। ডিব্ৰুগড়ত

পুলিচৰ গুলীত দুজন আৰু চি আৰ পিৰ এজন হাবিলদাৰ গুলী চালনাত নিহত হয় বঙাইগাঁৱত এটা শক্তিশালী বোমা বিস্ফোৰণ ঘটে। শিৱসাগৰ আৰু নগাওৰ বিভিন্ন ঠাইত পুলিচৰ গুলী চালনাৰ ফলত অসংখ্য লোক হতাহত হয়। ১৬ ফেব্ৰুৱাৰী পৰ্যন্ত নগাঁৱত অতি কমেও ৪৮ জন লোকৰ মৃতদেহ নগাঁও চৰকাৰী হাস্পাতাললৈ অনা হয়।

অসমৰ আন্দোলনকাৰীৰ দৃঢ়তা দেখি আৰু ভাৰতৰ প্ৰতিষ্ঠিত ৰাজনৈতিক দলৰ নেতৃবৃন্দৰ প্ৰত্যাহ্বান দেখি ১৭ ফেব্ৰুৱাৰী তাৰিখে ইন্দিৰা গান্ধীয়ে বিদেশী নাগৰিকৰ সমস্যাটো সমাধান কৰাৰ কোনো ধৰণৰ আকোৰগোজ মনোবৃত্তি নলয় বুলি বিবৃতি প্ৰদান কৰে। অসমৰ নিৰ্বাচন এক বাধ্যবাধকতাৰ বাবে পতা বুলি মন্তব্য কৰে।

ৰাজ্যখনত ইফালে চৰকাৰী সন্ত্ৰাস বৃদ্ধি পাইছে। ১৪ জন ৰাজপত্ৰিত বিষয়াক নিৰ্বাচনৰ কামত অংশ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰাত বৰ্খাস্ত কৰা হৈছে। তাৰ ভিতৰত দুজন অধ্যক্ষ, এজন উপ-পৰিদৰ্শক, তিনিজন কাৰ্যবাহী অভিযন্তা, ৬ জন এচ ডি অ', এজন সহকাৰী বন সংৰক্ষক আৰু এজন সহকাৰী অভিযন্তা।

কামাখ্যা প্ৰসাদ ত্ৰিপাঠিৰ ভাতৃ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি মৃত্যুবৰণ কৰে। ইন্দিৰা গান্ধীয়ে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। কিন্তু শ শ নিৰীহ লোকৰ মৃত্যুত তেখেতে কোনো প্ৰকাৰৰ দুখ প্ৰকাশ নকৰাটো ৰাজনৈতিক নিষ্ঠুৰতা কিমান গভীৰ হ'ব পাৰে তাৰ এটা উমান পাব পাৰি।

১০৯ টা ভোট কেন্দ্ৰত ব্যাপক অনিয়ম হোৱা বাবে ১৯ ফেব্ৰুৱাৰীত পুনৰ ভোট গ্ৰহণৰ বাবে ব্যৱস্থা কৰিছে। ১৮ ফেব্ৰুৱাৰী তাৰিখে লোক সভা অধিবেশনৰ যুটীয়া সভাত ৰাষ্ট্ৰপতিৰ ভাষণ বৰ্জন কৰিবলৈ পাঁচটা দলে সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে নিৰ্বাচনত বিৰোধিতা কৰাসকলক ন্যায্য সুৰক্ষা নিদিয়াত আৰু নিৰ্বাচনত অংশ গ্ৰহণ কৰা লোকৰ বিশেষ সুৰক্ষা প্ৰদান কৰা বুলি বৃহৎ অভিযোগ উত্থাপন হৈছিল যদিও চৰকাৰ নিৰ্বিকাৰ হৈ ৰৈছে।

১৫ ফেব্ৰুৱাৰী তাৰিখে সৰ্থেবাৰীৰ ওচৰৰ পাটাচাৰকুছিত মহেন্দ্ৰ হালৈ (স্নাতক শ্ৰেণীৰ ছাত্ৰ), উপেন কলিতা (বাগানৰ তাবি প্ৰাক স্নাতক শ্ৰেণীৰ ছাত্ৰ) আৰু প্ৰফুল্ল ডেকা (২৪), মাখিবাহা গাঁও) ক পুলিচে গুলীয়াই হত্যা কৰে। ইয়াত বাহিৰেও অতি কমেও ২০ জন লোক গুৰুতৰভাৱে আহত হয়। তেওঁলোকক গুৱাহাটী মেডিকেল কলেজ হাস্পাতাল আৰু নলবাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। মৃতক সকলক শ্বহীদ ঘোষণা কৰা হয়।

মাৰ্ক্সবাদী কমিউনিষ্ট নেতা নাম্বুদিৰি পাদৰ মন্তব্য ঃ EMS Namboodiripad condemned the poll violence in Assam and criticised the role played

by BJP and Janata Party stating that it would abet the trouble makers.' The Assamese speaking population had some genuine grievances and the solution was not treating the Bengali speaking section as foreigners." তেখেতৰ নিচিনা এজন ৰাজনীতিবিদে অসমত বিদেশী নাগৰিকৰ সমস্যাৰ বিষয়ে নাজানে। এক ভ্ৰান্ত ধাৰণাৰ দ্বাৰা প্ৰভাবান্বিত হোৱা দেখা গ'ল। তেনে ক্ষেত্ৰত সাধাৰণ বামপন্থী নেতাৰ কি ধাৰণা হ'ব পাৰে তাক সহজে অনুমান কৰিব পাৰি।

তেখেতৰ আন এক মন্তব্যই The grievances of the Assamese speaking population were of a linguistic and economic nature and the solution to them could be found out on the basis of the 16 point formula adopted by the CPI(M) and its Left front allies." সমস্যা সমাধান দূৰৈৰ কথা বিষয়টোকে যে তেখেতে উপলব্ধি কৰিব পৰা নাই তাকে প্ৰমাণ কৰে। ভাৰতৰ এনে ৰাজনীতিবিদ সকলে ভাৰতবাসীক প্ৰতাৰণা কৰাকে প্ৰতিপন্ন কৰা যেন লাগে। ৰাজনৈতিক মতাদৰ্শই একোটা জাতিকে নিশ্চিহ্ন কৰি পেলোৱাত এনে মতে সহায় নকৰিবনে?

নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে সংঘৰ্ষ কৰিবলৈ যিবোৰ ৰাজনৈতিক প্ৰচেষ্টা চলোৱা হৈছিল সেইবোৰ কাৰ্যকৰী হোৱা দেখা গৈছে আৰু নিৰীহ জনসাধাৰণ তাৰ ভুক্তভোগী হৈছে। সমগ্ৰ অসমতে হিংসাৰ দাবানল জ্বলাই দিয়া হৈছে আৰু প্ৰতি মূহূৰ্তে মুহূৰ্তে মৃত্যু, ধ্বংস আৰু সংঘাতৰ বাতৰিয়ে অসম অশান্ত কৰি তুলিছে। গহপুৰৰ পুলিচৰ গুলী চালনাত মৃত্যুৰ পিছত নানা ঠাইত সংঘৰ্ষ হৈছে আৰু সংঘৰ্ষ সমগ্ৰ অসম বিয়পি পৰাৰ ভয় হৈছে। নগাওঁৰ গগোলমাৰীত ৭ জনৰ, লাহৰিঘাটত দুজনৰ, মিকিৰ ভেটাত তিনিজনৰ, তেহালিত দুজনৰ আৰু ছয়গাঁৱত দুজনৰ মৃত্যু ঘটিছে। শিলচৰত সাম্প্ৰদায়িক সংঘৰ্ষ হৈছে। বৰখোলাত হিংসাত্মক ঘটনা ঘটিছে আৰু চাৰিজন আহত হৈছে।

অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ৫০ জনক আটক কৰা হৈছে। হিৰণ্য ভট্টাচাৰ্য আৰু প্ৰবোধ শৰ্মাক ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (এন.এচ.এ)ৰ অধীনত কাৰাবন্দী কৰা হৈছে।

নিৰ্বাচনত নিয়োজিত বিষয়াসকলে জনাইছে যে ছয়গাঁৱৰ অসংখ্য ভোট কেন্দ্ৰত কোনো লোকে ভোটদান কৰিবলৈ অহা নাই। চি . পি. আই. এমৰ নেতা আদিত্য কুমাৰ ভট্টাচাৰ্যীয়ে কংগ্ৰেছে ভোট কেন্দ্ৰত ৰিগিং কৰিছে বুলি দাবী কৰিছে আৰু নিৰ্বাচনী আয়োগক আপত্তি দৰ্শাইছে।

চেন্নাইত সাংবাদিক আৰু সাহিত্যিক সকলে অসমৰ নিৰ্বাচন সামৰিক আৰু অৰ্দ্ধ

সামৰিক বাহিনীৰ অপপ্ৰয়োগেৰে পতাত দুৰ্ঘোৰ আপত্তি কৰিছে আৰু নিৰ্বাচন বন্ধ কৰিবলৈ ১৪ ফেব্ৰুৱাৰীত আহ্বান জনাইছে। সেই সকলৰ ভিতৰত মিছ দুৰ্গা ভাগৱত, অশোক চাহানী, ৰঘু দণ্ডভট, গণেশ মন্ত্ৰী, সুৰেশ জৈন, বিনোদ মেহ্‌তা, দীনেশ্বৰ নাদকাৰ্নী আৰু নাৰায়ণ পাদনেকৰো আছিল।

স্বামী অগ্নিবেশে মুখ্য নিৰ্বাচনী আয়ুক্তৰ ইস্তফা দাবী কৰিছে। He had lost the confidence of the democratic forces in the country by following a pro-ruling party line. The former CEC S.L. Sakdher had exercised his right to postpone the bye-election in Garhwal Parliamentary constituency, but Mr. R.K. Trivedi was not prepared to do so in Assam where the situation was far more serious. Mr. Trivedi should therefore resign and Election Commission be reconstituted."

পুলিচৰ গুলী চালনাত বজালীত মৃত্যু ঘটা ধীৰেন বড়ো, প্ৰভাত পাটগিৰী, গিৰিশ সুত, গোবিন্দ দাসৰ মৃতদেহ গান্ধী ময়দানত দাহ কৰা বুলি প্ৰতিবেদকে জনাইছে। প্ৰায় ২৫০০০ লোক উপস্থিত আছিল। বৰমাত পুলিচৰ গুলীত আহত হোৱা লোহিত পাঠকৰ হাস্পতালত মৃত্যু ঘটে।

শিলাকতি মাউতগাওঁৰ সত্য হাজৰিকা, বৰহাটৰ প্ৰাণেশ্বৰ বড়ো আৰু বিমল গগৈ (ডিম্বেশ্বৰ গগৈৰ ল'ৰা, দশমমান শ্ৰেণী) পুলিচৰ গুলীত মৃত্যু বৰণ কৰে আৰু কম বয়সীয়া আন দুজন ল'ৰা গুৰুতৰভাৱে আহত হয়। দামাল বিল আৰু কপিলি নদীৰ মাজত অৱস্থিত নেলীৰ উত্তৰাঞ্চলত এক গুৰুতৰ সংঘৰ্ষ হয় আৰু বহুত লোক মৃত্যুৰ মুখত পৰে। প্ৰায় ৫০০০ জনতাৰ এটা আক্ৰমণ নিৰ্বাচন বিৰোধী লোকৰ ওপৰত কৰা বুলি প্ৰচাৰ হয়। ৪০ টা ঘৰ ভস্মীভূত হয়। মৃতকৰ সংখ্যা ২০ জনমান হ'ব বুলি ঠাৱৰ কৰা হয়। ৰাজনৈতিক দলৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ বাবে এনে ঘটনাৰ সূত্ৰপাত বুলি অনুমান কৰিব পাৰি। কাৰণ এই ঘটনাক সাম্প্ৰদায়িক ৰূপ দিয়াৰ বাবে চেষ্টা চলোৱা হৈছিল বুলি ভাবিবৰ থল আছে। ২০ ফেব্ৰুৱাৰীত গুৱাহাটী বন্ধৰ আহ্বান দিয়া হৈছে। ১৮ ফেব্ৰুৱাৰীত ভাৰতীয় জনতা পাৰ্টি, জনতা পাৰ্টি, লোকদল (চিং.) ডি.এচ.পি. আৰু আকালী দলে ৰাষ্ট্ৰপতিৰ ভাষণ বৰ্জন কৰে। ডাক-তাঁৰ বিভাগৰ ১১০০ জন কৰ্মীক নিৰ্বাচনৰ কামত অংশ গ্ৰহণ নকৰাৰ বাবে অনুশাসনমূলক ব্যৱস্থা ল'বলৈ নিৰ্দেশ জাৰি কৰা হৈছে। স্বামী অগ্নিবেশে সাত দিন অনশন পালন কৰাৰ পাছত আন্দোলনকাৰীৰ অনুৰোধ ক্ৰমে অনশন ভঙ্গ কৰে।

বাজপেয়ীৰ প্ৰধানমন্ত্ৰীক সমালোচনা ঃ The current election in Assam is conducted at gunpoint by deploying over lakh of paramilitary

fources. Election is not a ritual but commitment to democrarcy. This process in Assam expressed the hollowness of P.M. and her commitment to democracy. She was indulging in a sinister game by inciting different linguistic, religious ethnic groups to win election. 15 Feb Dibrugarh correspondent.

১৭, ১৮ ফেব্ৰুৱাৰীত ৰাজ্যখনত অতি কমেও ১০০ জনৰ মৃত্যু হয় : নেলীৰ মৃতকৰ সংখ্যা ৫০ জনলৈ বৃদ্ধি পোৱাৰ বাতৰি প্ৰকাশ হৈছে। ভস্মিভূত হোৱা ঘৰৰ সংখ্যাও বহু বেছি। তাত সান্ধ্য আইন বলবৎ কৰা হৈছে আৰু সামৰিক বাহিনী নিয়োজিত হৈছে।

মঙ্গলদৈৰ বিভিন্ন ঠাইত মৃত্যু হোৱা লোকৰ সংখ্যা ৭০ জনলৈ বৃদ্ধি পাইছে। ৬৫ জনৰ মৃতদেহ মঙ্গলদৈ হাস্পতাললৈ অনা হৈছে। ধূলাৰ ওচৰত ৬ জনৰ মৃতদেহ ৰাস্তাৰ কাষতে পৰি আছে। খিঙত ৫ জন লোকৰ পুলিচৰ গুলী চালনাত মৃত্যু হৈছে। (১৯ ফেব্ৰুৱাৰী) অনিৰ্দিষ্ট কালৰ বাবে তাত সান্ধ্য আইন জাৰি কৰা হৈছে। যোৰহাটৰ ওচৰৰ নাওজানত ৪ জন লোকৰ মৃত্যু হৈছ। তাৰে দুজন পুলিচৰ গুলীত। কামপুৰত পুলিচৰ গুলী চালনাত তিনিজনৰ মৃত্যু হৈছে। গোৰেশ্বৰত পুলিচৰ গুলী চালনাত ১৫ জনৰ মৃত্যু হৈছে। অতি কমেও ১৫০০ ঘৰ ভস্মিভূত হৈছে। গোৰেশ্বৰ কলেজৰ ছাত্ৰ ইউনিয়নৰ সম্পাদক প্ৰভাত নাথ গুৰুতৰভাৱে পুলিচৰ গুলীত আহত হৈছে আৰু গুৱাহাটী মেডিকেল কলেজত চিকিৎসাধীন হৈছে। PTI Tally : At least 320 persons have been killed, about 200 in police firing alone, more than 1000 injured and thousands of houses gutted. This includes the 17 dead at Gahpur tragedy. The official source remained tight lipped and no imformation could be obtained even after repeated queries. Unofficial sources put the figure much bigger. ৬৩ জন চৰকাৰী বিষয়াক চাকৰিচ্যুত কৰাৰ নিৰ্দেশ জাৰি কৰিছে। তাৰ ভিতৰত ৫৩ জন ৰাজপত্ৰিত বিষয়া, ১৩ জন অৰাজপত্ৰিত। ৩৬২ জন চাকৰিয়ালক নিলম্বিত কৰি ৰখা হৈছে।

সাংসদ কৰণ সিঙে প্ৰধানমন্ত্ৰীক চিঠি প্ৰেৰণ কৰিছে আৰু কৈছে- "The local administration was incapable to ensure safety to the people and that the present situation would leave a scar which could take a long time to heal."

নলবাৰীলৈ নিৰ্বাচনৰ কামত যোৱা দিল্লীৰ শিক্ষামন্ত্ৰালয়ৰ বিষয়া আই.এন.

মেলহোত্রা (৫৩), পি. টানেজা (৪৮), আৰু ৰাজীব ভাটীয়া (৫৩) গুৰুতৰভাবে আহত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্ত্তি হ'ব লগীয়া হৈছে।

ৰঙিয়া, পলাশবাৰী আৰু পাটছাৰকুছিত নিৰ্বাচন ২৮ ফেব্ৰুৱাৰীলৈ পিচুৱাই দিয়া হৈছে। হাইদৰাবাদত Radical Students Union এ প্ৰধানমন্ত্ৰীৰ মূৰ্ত্তি দাহ কৰিছে আৰু imposed election and blood bath in Assam be stopped বুলি প্ৰতিবাদ জনাইছে।

ৰাজস্থানৰ পূৰ্ব্বৰ মুখ্য মন্ত্ৰী ভৈৰো সিং শেখাৱটে ৰাজস্থানী আৰ্মদ কন্সটেবুলাৰীয়ে এই নিৰ্বাচনৰ কামত নিয়োজিত কৰাত লজ্জা অনুভৱ কৰা বুলি বিবৃতি প্ৰদান কৰিছে।

বিভিন্ন সংগঠনে অসমৰ নিৰ্বাচনক এক প্ৰহসন, অবাঞ্চিত বুলি আখ্যা দিয়াৰ লগতে বন্ধ কৰিবলৈ দাবী জনাইছে। বাতৰি কাকতৰ সম্পাদকীয়ত ইয়াক এক "Night mare" আখ্যা দিছে। (২০ ফেব্ৰুৱাৰী) হেমনন্দন বহুগুনাই কেন্দ্ৰই অসমক পুনৰ প্ৰতাৰণা কৰা বুলি কৈছে।

২১ ফেব্ৰুৱাৰীৰ আসাম ট্ৰিবিউন কাকতত পি.টি.আয়ে পৰিৱেশন কৰা এক সমীক্ষাত কৈছে যে নেলী আৰু মৰিগাওঁৰ বিভিন্ন অঞ্চলত নিৰ্বাচনক কেন্দ্ৰ কৰি হোৱা সংঘৰ্ষত কমেও ১০০০ জনৰ মৃত্যু হৈছে আৰু তাৰ ভিতৰত প্ৰায় ৫৩০ জনেই নেলীৰ। এক কিলোমিটাৰ দৈৰ্ঘ্যৰ এক বিস্তৃত অঞ্চলত লোমহৰ্ষক কাণ্ড সংঘটিত হয়। ২০ টা আশ্ৰয় শিবিৰত প্ৰায় ১০,০০০ জন লোকক ৰখা হৈছে। চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ সুৰক্ষা সময়মতে দিয়া হোৱা নাই বুলি আশ্ৰয় শিবিৰৰ শৰণাৰ্থীসকলে আক্ষেপ কৰিছে।

২০ ফেব্ৰুৱাৰী তাৰিখে পাটনাত জনতা পাৰ্টিৰ নেতা কপূৰী ঠাকুৰে প্ৰধানমন্ত্ৰীৰ পদত্যাগ দাবী কৰিছে আৰু অসমৰ ৰাজ্যপালৰ বৰ্খাস্তও হোৱাটো বিচাৰিছে কাৰণ তেওঁলোক অসমৰ জনগণক নিৰাপত্তা প্ৰদান কৰাত বিফল হৈছে। তেখেতে মুখ্য নিৰ্বাচনী আয়োগক পক্ষপাতিত্ব কৰা বুলি আৰোপ কৰিছে। তেখেতে আৰু কৈছে- "While Assam is burning Smti Indira Gandhi is fiddling Assam. Not only Assam but the entire nation is in peril. The integrity and solidarity of India was never so much in danger as it is today, PTI

২১ ফেব্ৰুৱাৰীত অসমৰ বিষয়ে ৰাজ্যসভাত আলোচনা কৰাৰ সিদ্ধান্ত হৈছে- Prof. Ajit Kumar Sarma M.P. said Sri Indira Gandhi is criminally responsible for the mass killing in Assam and it will be difficult to wash off the hot blood of a thousand young men and women of

Assam from her hands." অধ্যাপক অজিত কুমাৰ শৰ্মাই বিত্তমন্ত্ৰী প্ৰণৱ মুখাৰ্জী, গৃহমন্ত্ৰী পি. চি. শেঠী, অসমৰ ৰাজ্যপাল প্ৰকাশ মেলহোত্ৰা, ৰেলৱে মন্ত্ৰী এ.বি. গানিখান চৌধুৰী, নিৰ্বাচনী আয়ুক্ত আৰ.কে. ত্ৰিবেদীকো উমৈহতীয়াভাৱে জগৰীয়া কৰে অসমৰ এই ৰক্তক্ষয়ী অৱস্থাৰ প্ৰৱৰ্তনৰ বাবে।

প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, কুমুদ নাথ শৰ্মা, বিৰাজ কুমাৰ শৰ্মাক ২৩ ফেব্ৰুৱাৰীত উপদেষ্টা বোৰ্ডৰ লগত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে।

২১ ফেব্ৰুৱাৰী তাৰিখে (পি.টি.আই) সংসদৰ উভয় সদনত অসমত সংঘতিত কৰা হত্যাকাণ্ড, লুটপাত, অগ্নি সংযোগ আদি ঘটনাৰ বাবে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। লোক সভাৰ প্ৰশ্নকাল আৰম্ভ হোৱাৰ আগতে স্পষ্টীকৰণ বিচাৰি সংসদ উত্তাল কৰা হয়। ৰাজ্যসভাতো একেই পৰিস্থিতি বিৰাজ কৰে। যিসকলে মৃত্যু বৰণ কৰিলে তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি মৌনতা অৱলম্বন কৰা হয়। মৃতকৰ সংখ্যা ২০০০ ৰ কম নহ'ব বুলি ঠাৱৰ কৰা হয়। বিৰোধী দলে শাসনাধিষ্ঠিত দলক এই হত্যাকাণ্ড আৰু ৰক্তাক্ত নিৰ্বাচনৰ বাবে জগৰীয়া কৰে। ৪ পৃষ্ঠাজোৰা প্ৰতিবেদনত ব্যক্ত কৰে যে অসমৰ ওপৰত জাপি দিয়া নিৰ্বাচন শান্তিপূৰ্ণ হোৱা নাই। শান্তি ঘূৰাই আনিবলৈ "What is now needed is not accrimony but a healing touch .... and convey our deep felt sympathies to the victims of Assam" এনে সমবেদনাৰ অন্তৰালত যি গভীৰ বিদ্বেশ লুকাই আছে আৰু জনসাধাৰণৰ মতক উপেক্ষা কৰিবলৈ জিঘাংসু ৰাজনৈতিক দলৰ নেতাই ক্ষমতা দখলৰ বাবে কেনে পথ গ্ৰহণ কৰিব পাৰে সেয়া এক সৰ্বকালৰ বাবে উদাহৰণ হৈ ৰ'ব। বিৰোধী পক্ষই অসমত কিমান লোকে এই নিৰ্বাচনত প্ৰাণ হেৰুৱালে তাৰ হিচাব বিচাৰোতে মন্ত্ৰীগৰাকীয়ে মৌনতা অৱলম্বন কৰা দেখা গৈছিল। যিকোনো জঘন্য হত্যাকাণ্ড সংঘতিত কৰি হ'লেও অসমত ক্ষমতা দখল কৰাৰ বাবে লোৱা প্ৰচেষ্টাক অটল বিহাৰী বাজপেয়ীয়ে প্ৰধানমন্ত্ৰীক দুৰ্ঘোৰ সমালোচনা কৰিছিল। প্ৰফেচৰ মধু দণ্ডৱতে প্ৰধানমন্ত্ৰীৰ পদত্যাগ দাখিল কৰাটো নৈতিক দায়িত্ব হ'ব বুলি আলোচনা আৰম্ভ কৰিছিল। কাৰণ অন্য যিকোনো ৰাষ্ট্ৰতে এনে অৱস্থাত প্ৰধানমন্ত্ৰীয়ে তেনে কৰিলেহেঁতেন। প্ৰধানমন্ত্ৰী সম্পূৰ্ণৰূপে মিছাৰ আশ্ৰয় লৈ এই নিৰ্বাচনৰ বাবে হত্যাকাণ্ড সংঘতিত কৰিছিল। "by resorting to blatant untruth only to seek her party's hold in Assam over the bodies of those killed in agitation" চেন্সৰ মোচনত (কেন্দ্ৰৰ বিৰুদ্ধে) অধ্যক্ষই অনুমোদন নিদিয়াত তেখেতে দুখ প্ৰকাশ কৰে। দণ্ডাভাটে অসমৰ নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত ৰেলৱে মন্ত্ৰী গনিখান চৌধুৰীৰ পৰা মন্তব্য those who want to live in Assam must vote in

favour of Cong (I)ৰ সমালোচনা কৰে। চি.এম. ষ্টিফেনে এক গৰিহণাৰযোগ্য ভাষণ ৰাখে।

চি. পি. এমৰ সদস্য অমৰ মুখাৰ্জীয়ে আছুক তীব্ৰ ভাষাত সমালোচনা কৰে। তেখেতে আৰু কয় The movement conducted by AASU, he said was secessionist etc. ধুলা, গোৰেশ্বৰ আদিত সংঘৰ্ষৰ ফলত অসংখ্য লোক মৃত্যু বৰণ কৰা, ঘৰ জ্বলাই দিয়াৰ বাতৰি প্ৰকাশ পায়। ধুলাত কমেও ৬০ জনৰ মৃত্যু হোৱাৰ বাতৰি প্ৰকাশ পায়, ৫০০ ৰো অধিক ঘৰত অগ্নি সংযোগ হয়। গোৰেশ্বৰত ১০০ লোকৰ মৃত্যুৰ আশংকা কৰা হয়। এই ঘটনা ১৭ ফেব্ৰুৱাৰীত সংঘটিত হয়। ২০ ফেব্ৰুৱাৰী তাৰিখে কেইবা হেজাৰ লোকে খিঙৰ ওচৰৰ শলোগুড়িত চি.আৰ.পি.এফৰ জোৱানৰ ওপৰত আক্ৰমণ কৰে। ঘটনাত ৬ জনৰ মৃত্যু হয়। বাবু জগজীৱন ৰামে প্ৰধানমন্ত্ৰীক কঠোৰ ভাষাত সমালোচনা কৰে আৰু এই নিৰ্বাচনৰ মূল্য নিদি বিধান পৰিষদ গঠন কৰিবলৈ পৰামৰ্শ দিয়ে।

সদৌ অসম ছাত্ৰ সন্থাই প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী, ই. এম. এচ. নাম্বুদ্ৰিপাদ, ইন্দ্ৰজিৎ গুপ্ত, এবিএ খানিখান চৌধৰী, প্ৰণৱ মুখাৰ্জী, প্ৰকাশ মেলহোত্ৰাক আৰু নিৰ্বাচনী আয়োগক এই হত্যাকাণ্ডৰ বাবে দায়ী কৰে কাৰণ নিৰ্বাচনী প্ৰচাৰত তেঁওলোকে বিদেশী সকলক উত্তেজিত কৰিব পৰাকৈ ভাষণ ৰাখে। সংবাদ জগতে এই নিৰ্বাচনক Shame Election আখ্যা দিয়ে।

২১ ফেব্ৰুৱাৰী তাৰিখে প্ৰধানমন্ত্ৰীয়ে অসমৰ নেলী, গহপুৰ ভ্ৰমণ কৰাৰ সময়ত ৯ ঘণ্টীয়া অসম বন্ধ পালন কৰা হয়। প্ৰধানমন্ত্ৰীয়ে আৰক্ষীয়ে কৰ্ত্তব্য পালন কৰাত ত্ৰুটি কৰা বুলি দোষাৰোপ কৰে।

২২ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰসংঘই অসমৰ ঘটনাসমূহৰ সন্দৰ্ভত উৎকণ্ঠা প্ৰকাশ কৰে আৰু সচিব প্ৰধান পেৰেজ ডি কুৱেলাৰে সমন্বয়ৰ সহায়ত শান্তিৰ বাতাবৰণ ৰক্ষা কৰিবলৈ আহ্বান জনায়। আমেৰিকাৰ বাতৰি কাকত আৰু টেলিভিচনত অসমৰ ঘটনাবোৰৰ বিষদ বিৱৰণ দাঙি ধৰে। ২২ ফেব্ৰুৱাৰীতে ৰবীন্দ্ৰ ভাৰ্মাই এই বিবৃতি প্ৰেৰণ কৰে। Every step in the current parody of Election in Assam proves what a sanctimonious eyewash it has been counting on and the results are being announced. But the total number of voter polled by each candidate is not being announced, obviously for fear that it will reveal that only an infinitesimal percentage of voters has voted. Have the Returning Officers been instructed to depart from the normal practice and keep these figures a secret? If so is not

the Election Commission proving yet again that it has authorised departures from all normal practices and procedures to serve the interest of the ruling party? Why should the Election Commission help the Govt. to make elections a 'Cloak and Bayonet affair'?

প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে সদনৰ মজিয়াত আৰু বাহিৰত নানা প্ৰশ্নবানৰ সন্মুখীন হ'বলৈ বাধ্য হয়। অসমৰ মালিগাওঁৰ এখন নিৰ্বাচনী সভাত তেওঁক বঙালী ভাষাত আৰম্ভ কৰিবলৈ পৰামৰ্শ দিয়াত তেওঁ তাকে কৰিছিল। কিয় তেনে কৰিলে বুলি সোধাত কৈছিল যে তামিলনাডুত তেওঁ 'মনাকাম্' বুলি সম্বোধন কৰে। ক'ৰবাত আকৌ 'খোদা হাফিজ' বুলি কয়। কৰবাত জয়হিন্দ বুলি কয় বাবে তেনে বক্তব্যৰ ওপৰত বিশেষ কোনো স্বাৰ্থ আৰোপ কৰিব নালাগে বুলি কয়। কিন্তু তলত কোৱা কথাখিনিয়ে অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ বাবে কিমান ক্ষতিকাৰক হ'ব পাৰে আৰু ভোট কেন্দ্ৰৰ বাবে তেওঁ কেনেদৰে বাংলাদেশীৰ ওপৰত নিৰ্ভৰশীল সেই কথাৰ প্ৰমাণ স্পষ্ট পোৱা যায়।

"I have said to the student leader that there are great difficultes in moving large population. Where will we put these people? Where will they go? Which state in India will accept them and which country outside will take them."

"These children who were born in India, are under the constitution, Indian Citizens' We cannot send them out. I have said nothing (in Assam) more than that what I have said in this house of Parliament."

"The Tribals claimed to be the original people of the state who they said had been conquered by Assamese people, she said."

এই বক্তব্যটো সদনৰ মজিয়াত ৰাখোতে প্ৰধানমন্ত্ৰীয়ে বুৰঞ্জী যে নাজানে, সংবিধানমতে ভাৰতীয় নাগৰিক কাক বোলে যে নাজানে সিয়ে প্ৰমাণ কৰে। এইসকল শাসকবৰ্গৰ অসমীয়া মানুহৰ ওপৰত থকা ধাৰণা আৰু ৰাষ্ট্ৰ প্ৰশাসনৰ বাবে বৈষম্যবিহীন প্ৰক্ৰিয়া কেনে অদ্ভুত ধৰণৰ হ'ব পাৰে। বিৰোধী পক্ষয়ো প্ৰধানমন্ত্ৰীৰ ভ্ৰান্ত ধাৰণা শুধৰাই দিবলৈ পাহৰি গ'ল।

২২ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটী উচ্চ ন্যায়ালতে 'Citizens Civil Liberties

Association' এ ৰুজু কৰা আবেদনৰ শুনানী গ্ৰহণ কৰি জানুৱাৰীৰ ৭ তাৰিখে আটক কৰা নেতৃবৃন্দক- প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, বিৰাজ কুমাৰ শৰ্মা আৰু অতুল বৰাক মুকলি কৰি দিয়াৰ নিৰ্দেশ দিয়ে।

ৰাজ্য চৰকাৰে ২২ ফেব্ৰুৱাৰী তাৰিখে এক নিৰ্দেশযোগে বিভিন্ন ঠাইত সংঘটিত হোৱা হিংসাত্মক ঘটনা আৰু সংঘৰ্ষ ৰোধ কৰাৰ বাবে সৈন্যবাহিনীক দায়িত্ব অৰ্পণ কৰে। গোৱালপাৰা আৰু নগাঁৱত সৈনিক জোৱানক ইতিমধ্যে নিয়োগ কৰাৰ বাতৰি প্ৰকাশ পায়। তাৰ মাজতো দলগাঁৱত ২১ ফেব্ৰুৱাৰীত পুলিচৰ গুলীত এজন লোকে প্ৰাণ হেৰুৱায়। নগাঁৱৰ চাপানালাত সংঘৰ্ষত ১৩ জন লোক মৃত্যুৰ মুখত পৰে, ১০০ টা ঘৰ জুইত ভস্মীভূত হয়।

২৪ ফেব্ৰুৱাৰীৰ পৰা ৫ মাৰ্চলৈ সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত সাহায্য প্ৰদান কৰা হয় যিবোৰ অঞ্চলত সংঘৰ্ষৰ ফলত ক্ষতি সাধন হয়। বিদেশী নাগৰিকৰ ভোটেৰে জয়ী হোৱা বিধায়কৰ দ্বাৰা মন্ত্ৰী সভা গঠনৰ বাতৰি প্ৰকাশ হোৱাৰ লগে লগে ২৪ ঘণ্টীয়া অসহযোগ কাৰ্যসূচী ২২ ফেব্ৰুৱাৰীত পালন কৰাৰ আহ্বান জনোৱা হয়।

২৬ ফেব্ৰুৱাৰী তাৰিখে শোক সভা আৰু সাহায্য বিতৰণ দিন হিচাবে ঘোষণা কৰা হয়। সেইদিনা এসাজ ভাত লঘোণ দিয়াৰ বাবেও আহ্বান জনোৱা হয়। ডাক্তৰ, নাৰ্চ আৰু অন্যান্য সাহায্য সামগ্ৰী লৈ পুলিচৰ গুলী চালনাত, নগাঁও, মিকিৰভেটা, জাগীভকতগাঁও, মঙ্গলদৈ, গোৱালপাৰা, আগীয়া, কেতেকীবাৰী, চমৰীয়া, গোৰেশ্বৰ, নানকাটা, ছিপাঝাৰ, ধিং, নেলী আদি ঠাই ভ্ৰমণ কৰি সহায় আগবঢ়ায়। কোনো কোনো ঠাইত আৰক্ষীৰ পৰা বাধাপ্ৰাপ্ত হয়।

ৰেডক্ৰচ চোচাইটিক সাহায্য বিতৰণ কৰাত চৰকাৰে বাধা আৰোপ কৰে আৰু এনে আচৰণক তীব্ৰ ভাষাত নিন্দা কৰা হয়।

সংসদৰ মজিয়াত প্ৰধানমন্ত্ৰীক অসমৰ ৰক্তাক্ত নিৰ্বাচনৰ বাবে দায়ী কৰা হয় যেতিয়া গৃহমন্ত্ৰীয়ে ২২ ফেব্ৰুৱাৰীত অসমৰ ওপৰত বক্তব্য ৰাখে।

জনগণৰ মতৰ বিৰুদ্ধে সিদ্ধান্ত লৈ এক অগণতান্ত্ৰিক প্ৰতিক্ৰিয়াৰ সহায়ত শ শ লোকৰ মৃতদেহৰ ওপৰত আঘাত হানি নিৰ্বাচন কোনোবা বৰ্বৰ চৰকাৰেহে অনুষ্ঠিত কৰিব পাৰে। সংবিধানৰ ৰক্ষা কৰ্তাসকলে সংবিধানকে পদানত কৰা ৰাষ্ট্ৰদ্ৰোহ আচৰণ কাৰীয়ে অসমৰ নিৰীহ লোকৰ মৃত্যুত কোনো উদ্বিগ্নতা প্ৰকাশ নকৰে আৰু সমবেদনাও তেওঁলোকৰ ঘৰীয়ালৰ চকুপানীতকৈ অন্য একো নহয়। এনে এক অবাঞ্চিত নিৰ্বাচনে অসম বা ভাৰতৰ কি স্বাৰ্থ ৰক্ষা কৰিব তাক সময়ত ইতিহাসে ৰায় দিব। নিৰ্বাচন শেষ হ'ল, মৃত্যুৰ শেষ নহ'ল।

আমগুড়িত পুলিচৰ উপ-পৰিদৰ্শক এজনৰ মৃত্যু হয়। চামগুড়ি আৰু চিলাপথাৰত সৈন্য বাহিনী নিয়োগ কৰিব লগীয়াত পৰে। চামগুড়িত পুলিচৰ গুলী চালনাত দুজন লোক নিহত হয়। নগাঁও জিলাৰ লামডিঙত, দৰং জিলাৰ খৈৰাবাৰীত হিংসাত্মক ঘটনা ঘটে। চতিয়াত ১৪ জন লোকে প্ৰাণ হেৰুৱায়। নগাঁৱৰ মণিপুৰী গাঁৱত সংঘৰ্ষ হয়। লক্ষীমপুৰ জিলাৰ চাপৰিত ৪ জন লোকৰ মৃত্যু হয়। নগাওৰ মৃত পুলিচ এচ আই. জনৰ নাম দ্বিজেন নাথ বুলি বাতৰি পৰিৱেশকৰ পৰা জনা যায়। কেইবাখনো গাওঁৰ লোকৰ ওপৰত চামগুড়িত আক্ৰমণৰ বাতৰি আছে।

১৮ দিনৰ মূৰত কাৰ্যালয়ত চাকৰিয়াল : ২৩ ফেব্ৰুৱাৰী তাৰিখে ১৮ দিনৰ মূৰত অসহযোগৰ অন্ত পৰাত কাৰ্যালয়বোৰ খোলে। নিৰ্বাচনত অংশ গ্ৰহণ নকৰিবলৈ বুলি কৰ্মচাৰী সকলে প্ৰায় আত্মগোপন কৰি থকাৰ দৰে অৱস্থা হৈছিল। বেংক. দোকান-পোহাৰ খুলিবলৈ আৰম্ভ কৰে, বাছ চলিবলৈ মালিকসকলে সিদ্ধান্ত কৰে আৰু চৰকাৰী অধিগ্ৰহণত মালিকে সহযোগ নকৰিলে।

সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে প্ৰধানমন্ত্ৰীক ষড়যন্ত্ৰকাৰী আখ্যা দিয়ে।

চি আৰ. পি. এফ. কেম্পত বেলট বাকচ পূৰ্ণ কৰা হৈছিল : ২৩ ফেব্ৰুৱাৰী তাৰিখে বৰঝাৰ বিমান বন্দৰত ১১ টা বেলট বাকচ জমা দিয়া হয়। এইবোৰ ক'ৰ পৰা কেনেকৈ আহিল কোনোৱে ক'ব নোৱাৰে। দিল্লীৰ পৰা পঠিওৱা বুলি চাব মোহৰ মৰা আছে। বহুত নিৰ্বাচনৰ কামত অংশ গ্ৰহণ কৰিবলগীয়া বাহিৰৰ কৰ্মীয়ে নিৰ্বাচনৰ স্থান নেপালে। প্ৰায় ৭০০০ কৰ্মচাৰী দিল্লীৰ পৰা অনা হৈছিল বুলি বাতৰিত প্ৰকাশ। তেওঁলোক উভতি যোৱাৰ সময়ত কলিকতাৰ পৰা কিনি অনা ৪ লাখ টকাৰ উপঢৌকন দিয়া হয়।

অসমৰ নিৰ্বাচনৰ সময়ত হোৱা ব্যাপক ক্ষয়-ক্ষতি আৰু জনসাধাৰণৰ অসহযোগৰ বিষয়টো ৰাজ্য চৰকাৰে সাধাৰণ প্ৰতিৰোধ বুলি কেন্দ্ৰক অৱগত কৰে। প্ৰশ্ন হ'ল ইমান বিৰোধিতা কৰা এটা নিৰ্বাচন শান্তিপূৰ্ণভাৱে নিয়াৰিকৈ সম্পাদন হৈছে নে নাই তাক সুনিশ্চিত কৰাটো নিৰ্বাচনী আয়োগৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব। অসমবাসীক আকৌ এবাৰ প্ৰতাৰণা কৰা হ'ল। এয়া প্ৰধানমন্ত্ৰীৰ ক্ষমতাৰ অপব্যৱহাৰত বাহিৰে অন্য একো হ'ব নোৱাৰে।

২২ ফেব্ৰুৱাৰী ৰাতি ৰেলৰে কৰ্মচাৰী, বেলশৰৰ ভুবন মোহন গোস্বামীক, লামডিঙত কামৰ পৰা উভতি অহাৰ সময়ত হত্যা কৰে। লগত থকা আন দুজন কৰ্মচাৰীও গুৰুতৰভাৱে আঘাত প্ৰাপ্ত হয়। ২৩ ফেব্ৰুৱাৰী তাৰিখে ফটাশিল আমবাৰী (গুৱাহাটী) এলেকাত পুলিচ আৰু চি. আৰ. পি.ৰ জোৱানে এক সন্ত্ৰাসৰ সৃষ্টি কৰে।

১১৭ জন লোকক আটক কৰে। তাৰ ভিতৰত প্ৰাক্তন এম. এল. এ. ৰবীন মালাকৰো আছিল।

সন্ত হৰচান্দ সিং লাঙ্গোৱালৰ মন্তব্য ঃ আকালী দলৰ সভাপতি সন্ত হৰচান্দ সিং লাঙ্গোৱালে অসমৰ ৰক্তাক্ত পৰিৱেশৰ বাবে কেন্দ্ৰীয় চৰকাৰক জগৰীয়া কৰে আৰু কয়- "Unimaginative leadership had failed to resolve the issue even after years of negotiation and engineered violence and group clashes in Assam to meet narrow ends and vested interests. It is the first bloody election in the history of the country. The E.C. was a tool in the hands of the ruling Party."

পুনেৰ লোক সেৱক দলে ২২ ফেব্ৰুৱাৰীত অনশন ব্ৰত পালন কৰি শান্তিৰ বাবে প্ৰাৰ্থনা কৰে।

জনতা পাৰ্টিৰ বৰিষ্ঠ নেতা এন. জি গোৰে অসমৰ নেলীৰ ঘটনাৰ বাবে প্ৰধানমন্ত্ৰীক জগৰীয়া কৰে আৰু কয়- "The message in Assam revived the bitter memories of the infamous General Dyer and the Jallianwalabag memories of 1919 on Feb. 13. While the Dyer was the hatchman of the colonial British Regime, Indira Gandhi is the democratically elected Head of the Govt. It is indeed most unfortunate that Mrs. Gandhi seems to have forgotten this vital difference."

আনকি ৰাষ্ট্ৰপতি জাইল সিঙেও অসমৰ সমস্যা উপলব্ধি কৰিব নোৱাৰি অসমৰ অশান্ত পৰিস্থিতিৰ বিৰূপ মন্তব্য কৰি 'পেৰোকিয়েল' আখ্যা দিয়া দেখা গ'ল।

নিৰ্বাচনৰ ৰেহৰূপ ঃ ২৩ ফেব্ৰুৱাৰীত প্ৰকাশিত বাতৰিমতে নলবাৰী আৰু ধৰ্মপুৰ সমষ্টিৰ ২০ ফেব্ৰুৱাৰীত হোৱা নিৰ্বাচনৰ মুঠ ২২৮ টা ভোট কেন্দ্ৰৰ ভিতৰত ১৮ টাহে ভোট কেন্দ্ৰ খোলা থাকে। তাৰে ধৰ্মপুৰৰ ৯৭ টা কেন্দ্ৰৰ ভিতৰত মাত্ৰ পাঁচটা কেন্দ্ৰ খোলা হৈছিল। কোনো ঠাইতে ভোটাৰো যোৱা নাই। নিৰ্বাচনী বিষয়াও উপস্থিত হোৱা নাই। বৰক্ষেত্ৰী সমষ্টিৰ নিৰ্দলীয়া চেখ চুলেমান আলীয়ে নিৰ্বাচনী আয়োগলৈ পত্ৰ প্ৰেৰণ কৰি কৈছে যে এইটো সমষ্টিৰ ১৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত কৰা নিৰ্বাচনৰ বাবে ৮৩ টা ভোট কেন্দ্ৰত বেলট বাকচ পঠিওৱা হোৱা নাছিল। নলবাৰীৰ প্ৰাৰ্থী চি. পি. আই (এম. এল) চন্দ্ৰধৰ কলিতায়ো বহু ভোট কেন্দ্ৰলৈ কোনো বেলট পেপাৰ আৰু বেলট বাকচ নোপোৱা বুলি অভিযোগ কৰে।

আকৌ সংঘৰ্ষ ঃ সংঘৰ্ষৰ ফলত চিলাপথাৰত ৫২ জন লোকে প্ৰাণ হেৰুৱাৰ

আশংকা কৰা হয়। (পি.টি.আই ২৪ ফেব্ৰুৱাৰী) দৰং জিলাৰ খৈৰাবাৰীত মৃতকৰ সংখ্যা ৩০ জনলৈ বৃদ্ধি পায়। বাংলাদেশী লোকৰ দহ হাজাৰ জনতকৈয়ো বেছি লোকৰ সমদলে নগাও জিলাৰ উলুখগুৰী, লংকাপুৰীয়া, লংকাগাওঁ, খেৰণি, লামাৰি, চামোগাই, সেনগাওঁ, টোপাকুছি, জাজৰি, উজানগাওঁ, পুতৰগাওঁ, বকুলগুৰি, কেন্দুগুৰি, মাটিখলীয়া, দোমাইহাগী, বৰপুখুৰী, মাজগাও আদি গাওঁত আক্ৰমণ কৰে। ২২ খন গাওঁৰ লোকৰ ঘৰ-দুৱাৰ জ্বলাই দিয়ে। এইবোৰ স্থানীয় জনজাতি লোকৰ বসতি অঞ্চল। বাজীৰ গাঁৱত পাঁচজনক থেকেচি মৰা হয় আৰু তাৰে দুজনী মহিলা। ২০ ফেব্ৰুৱাৰীত ভৱানীপুৰ সমষ্টিত জালাহ ব্লকৰ অন্তৰ্গত চান্দৰভিঠাত পাঁচজনক চি. আৰ. পিএ গুলীয়াই হত্যা কৰে।

২৪ ফেব্ৰুৱাৰী তাৰখে এম.জি আৰ.এ. এক টিপ্পনি কৰে If there is none to oppose in the election naturally I will be the winner সুব্ৰমনিয়ম স্বামী আৰু চাহাবুদ্দিনে এনেদৰে কয়— "Govt. shall resume a dialogue on the foreigners question without imposing an unrepresentative Govt in Assam." Assam today is in a state of chaos and crisis fractured fragmented and alienated. It will take a long time to heal the wounds but heal it If the integrity of Assam and the country is to be maintained."

২৭ ফেব্ৰুৱাৰীত অনশন ৰাষ্ট্ৰব্যাপী ঃ ২৭ ফেব্ৰুৱাৰীত গান্ধীবাদী আৰু সমাজৰ অগ্ৰণী পুৰুষ ঠাকুৰদাস বং (সৰ্বসেৱা সংঘৰ সভাপতি), ৰাধাকৃষ্ণ (গান্ধী পিচ ফাউণ্ডেশ্যনৰ সম্পাদক), জে.চি. চাহ (চুপ্ৰীম কোৰ্টৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ), শ্ৰীপ্ৰভু দাস পাটোৱাৰী (পূৰ্বৰ তামিলনাডুৰ ৰাজ্যপাল), গোপালৰাও একবোল (অন্ধ্ৰপ্ৰদেশ হাই কোৰ্টৰ ন্যায়াধীশ), ৰবীশংকৰ মহাৰাজ (গুজৰাট) আৰু পি.জি. মাভলাঙ্কাৰে ভাৰতৰ সকলো শ্ৰেণীৰ লোকক এই দিনটো অসমৰ শান্তিৰ বাবে ৰাষ্ট্ৰীয় অনশন ব্ৰত পালন কৰিবলৈ আহ্বান জনায়।

"We appeal to all to help immediately restore peace which is the crying need of the hour. The tragedy perhaps could be avoided had an honorable solution of the foreigners issue been found in time and elections were not forced down the throat of an unwilling populace."

জনতা পাৰ্টিৰ সম্পাদক ৰবীন্দ্ৰ ভাৰ্মাই প্ৰধানমন্ত্ৰীক জগৰীয়া কৰি ২৪ ফেব্ৰুৱাৰীত কয়— "The Prime Minister must bear political administra-

tive and moral responsibility for the widespread and calamitous eruption of internecine warfare in Assam." ২৪ ফেব্ৰুৱাৰীত বামপন্থী গণতান্ত্ৰিক মৰ্চাই (Left Democratic Alliance) এনেদৰে কয়— এটা নিৰপেক্ষ ন্যায়িক তদন্ত লাগে। শৰৎ চন্দ্ৰ সিংহই এই বিবৃতি প্ৰকাশ কৰে– "The representatives of the LDA are extremely grieved at the violent and tragic incident of last weeks. The carnage has brought large scale destruction; hundreds of villages have been burnt down and pillaged, thousands of people including women and children have been killed and tens of thousands have been driven from their hearths and homes. It is deplorable that such preplanned large scale killings and destruction could take place not withstanding the fact that there were warning about such possible happenings. The carnage clearly indicates that the Govt. of India led by Indira Gandhi instead of solving the problem of the common people indirectly conceived at their massacre."

প্ৰফুল্ল মহন্ত, ভৃগু ফুকনৰ অসমবাসীলৈ আহ্বান : ২৩ ফেব্ৰুৱাৰী তাৰিখে প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনে (সভাপতি, সম্পাদক, সঃঅঃছাঃসঃ) অসমবাসীলৈ বিনম্ৰ অনুৰোধ জনাইছে আৰু সদ্যসমাপ্ত নিৰ্বাচনৰ জৰিয়তে পতা চৰকাৰৰ সৈতে কোনো প্ৰকাৰৰ সহযোগ আগ নবঢ়াবলৈ আবেদন জনাইছে। "গণহত্যা আৰু ধ্বংস স্তুপৰ ওপৰত জন্মলাভ কৰা চৰকাৰে জনগণক প্ৰতিনিধিত্ব কৰিব নোৱাৰে।" অসমবাসীৰ ওপৰত কৰা এনে অত্যাচাৰ উৎপীড়নে ইয়াৰ অন্তৰালত থকা গভীৰ ষড়যন্ত্ৰকে প্ৰতিপন্ন কৰিলে আৰু বিদেশীৰ হাতত অসমক অৰ্পণ কৰাৰ ই এক হীন কৌশল মাত্ৰ।"

পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰীৰ বিবেদগাৰ : অসমৰ বিদেশী নাগৰিকৰ সমস্যাটো ৰাষ্ট্ৰীয় সংহতিৰ বাবে জৰুৰীভাবে বিবেচনা কৰা ভাল। ইয়াক আকালিৰ আন্দোলনৰ লগত তুলনা কৰিব পাৰি। সাংবাদিকক তেখেতে এই বিষয়ত ভাৰতীয় সংবিধান আৰু ৰাষ্ট্ৰ বিভাজনৰ সময়ত কৰা চুক্তিৰ কথা মনত ৰাখিহে সমাধান বিচৰা উচিত হ'ব বুলি মন্তব্য কৰে। আন্দোলনকাৰীৰ দাবী চি.পি.আই(এম) এ মানি ল'ব নোৱাৰে আৰু কেন্দ্ৰীয় চৰকাৰেও নোৱাৰে।

অথচ উৰিষ্যাৰ চি.পি.আই.এম. নেতা অৰুণ দে ভুৱনেশ্বৰৰ পৰা প্ৰকাশ কৰা বিবৃতি এনে ধৰণৰ - "That the leadership of both CPI and CPI(M)

should apologise to the nation for the wrong stand they are taking in respect of Assam. The CPI and CPI(M) participating in the Assam election only helped the Cong. (I) and Indira Gandhi to improve her sagging image after her party's debacle in Andhra and Karnataka.

২৩ ফেব্ৰুৱাৰী তাৰিখে বাজিয়াৰ গাঁৱত মৃত্যুবৰণ কৰা লোক কেইজনৰ নাম—(১) উমা বৰকাকতি (৭০), (২) ফুলমাই বৰকাকতি (৫০), (৩) নিৰ্মলা বৰকাকতি, (৪) হলধৰ বৰা (৭০), (৫) দধীৰাম বৰা (৭২) এওঁলোকৰ হত্যাকাৰীয়ে স্বয়ংচালিত অস্ত্ৰৰ প্ৰয়োগ কৰা প্ৰত্যক্ষদৰ্শী আছিল। পুলিচ ঘটনাস্থলী পাওতে দেৰি কৰিছিল। সৈন্যবাহিনীয়ে অনুসৰণ কৰিছিল আৰু আক্ৰমণকাৰীৰ চাৰিজনক গুলিয়াই হত্যা কৰিছিল। চামগুড়িত সাহায্য বিতৰণ কৰিবলৈ যোৱা আছু সদস্য দ্বিগেন বৰা, প্ৰদীপ বাৰ্মা, অতুল শৰ্মা, ধীৰেন হাজৰিকাক চি.আৰ.পি.এফে নিৰ্যাতন কৰে আৰু নগাওঁ চিভিল হাস্পাতালত ভৰ্তি কৰা হয়।

ডুমডুমাত তিনিজনক গুলীয়াই হত্যা কৰা বাতৰি আহে। নগাওঁৰ বৰঙাবাৰীত পুলিচৰ গুলীত চাৰিজনে প্ৰাণ হেৰুৱাই।

অসম আৰু মেঘালয়ৰ লালুং দৰবাৰে এক বিবৃতিত জনাইছে যে গাওঁৰ পিছত লালুং গাওঁ বাংলাদেশীয়ে আক্ৰমণ কৰিছে, ঘৰত জুই দিছে আৰু মাৰণাস্ত্ৰৰে আক্ৰমণ কৰি বহুলোকক হত্যা কৰিছে আৰু এওঁলোকৰ মাটি বেদখল কৰিছে। এই আক্ৰমণ ১৩ ফেব্ৰুৱাৰীতে আৰম্ভ হয় আৰু ২৫ ফেব্ৰুৱাৰীলৈ অবাধে চলি থাকে।

হিতেশ্বৰ শইকীয়া বিধায়িনী দলৰ নেতা নিৰ্বাচিত ঃ কংগ্ৰেছে ভীষ্ম নাৰায়ণ সিঙক পৰ্যবেক্ষক হিচাবে নিয়োগ কৰিছে। (ফেব্ৰুৱাৰী ২৫)। অসমৰ কংগ্ৰেছৰ সভাপতি হৰেন্দ্ৰ নাথ তালুকদাৰে হিতেশ্বৰ শইকীয়াৰ নাম বিধায়িনী দলৰ নেতা হিচাবে প্ৰস্তাৱ কৰিছে আৰু কেশৱ গগৈ, আনোৱাৰা টাইমুৰে সমৰ্থন জনাইছে। সন্তোষ মোহন দেৱ আৰু ৰাজেশ পাইলটো উপস্থিত আছে। ৮৯ জন বিধায়কৰ ভিতৰত ৮৭ জন উপস্থিত আছে।

সদৌ অসম ছাত্ৰ সন্থাই এই চৰকাৰক কোনো ধৰণৰ সহযোগ নিদিবলৈ অসমবাসীলৈ আহ্বান জনাইছে। প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনে ৰাজ্যখনত শান্তি সম্প্ৰীতিৰ বাতাবৰণ যাতে কোনোৱে বিনষ্ট কৰিব নোৱাৰে তাৰ বাবে সকলো জনগোষ্ঠীৰ লোকক আবেদন জনাইছে। উচ্চ ন্যায়ালয়ৰ নিৰ্দেশক্ৰমে কাৰাগাৰৰ পৰা মুকলি হৈ আহি আবেদন জনাইছে। কেন্দ্ৰীয় চৰকাৰে এটা গণতান্ত্ৰিক

প্ৰমূল্যৰ ওপৰত নিৰ্ভৰ কৰি শান্তিপূৰ্ণভাৱে কৰা আন্দোলনক কালিমা সানি ধ্বংস কৰি যিবোৰ নাৰকীয় ঘটনাৰ সৃষ্টি কৰিলে তাৰ বাবে অসমবাসীক অনুৰোধ জনাইছে যাতে নিৰ্দ্ধাৰিত লক্ষ্যৰ পৰা আন্দোলনটোক কোনো প্ৰকাৰে বিঘ্নিত কৰিব নোৱাৰে। কোনো কোনো ৰাজনৈতিক দলে কেন্দ্ৰীয় চৰকাৰক হিংসাত্মক কামত সহযোগ কৰাও পৰিলক্ষিত হৈছে বুলি উল্লেখ কৰা হৈছে।

২৬ জানুৱাৰীত চন্দন সিঙৰ আদ্যশ্ৰাদ্ধ : অসমীয়া শিখ সম্প্ৰদায়ৰ মোহন কৌৰৰ ১৮ বছৰীয়া পুত্ৰ চন্দন সিং বীৰ শ্বহীদ বুলি ঘোষিত হৈছে (নগাওঁৰ বৰকোলা গাওঁৰ) আৰু তেওঁৰ সমূহীয়া আদ্যশ্ৰাদ্ধ পালন কৰা হৈছে। কে.পি. শ্ৰীবাস্তৱৰ প্ৰকাশ পোৱা ডায়েৰীমতে অসমৰ নিৰ্বাচনৰ সময়ত অতি কমেও ২৫০০ জন লোকৰ প্ৰাণ নাশ হোৱা বুলি কোৱা হৈছে।

ডিব্ৰুগড়ত পুলিচৰ গুলীত নিহত হোৱা তিনিজনৰ দুজনৰ নাম উদ্ধাৰ কৰা হৈছে। তেওঁলোক হ'ল- বিপিন বৰা (২৭) ২৪ ফেব্ৰুৱাৰীত মৃত্যু হয়। নবীন গগৈ (১৮), তৃতীয়জনৰ বয়স ৫০ বছৰমান হ'ব পাৰে বুলি ঠাৱৰ কৰা হৈছে। শিৱসাগৰত পুলিচৰ গুলী চালনাত মৃত্যু হোৱা ছাত্ৰজন হ'ল আকাশ বৰুৱা (দশমমান শ্ৰেণীৰ ছাত্ৰ) ২৫ ফেব্ৰুৱাৰীত খৈৰাবাৰীত বোমা নিক্ষেপ কৰাৰ ফলত এজনী ছোৱালীৰ মৃত্যু হয়।

২৫ ফেব্ৰুৱাৰীত নগাওঁৰ সীমান্তবৰ্তী গাঁৱত আক্ৰমণ আৰু লুটপাত : গাঁৱৰ পিছত গাওঁ সামৰিক পোছাক পৰিহিত লোকে আক্ৰমণ কৰে আৰু লুটপাত কৰি সামগ্ৰীবোৰ কঢ়িয়ায়। এখন হেলিকপ্তাৰ নামে আৰু তাৰ পৰা ৰহস্যজনকভাৱে মাৰণাস্ত্ৰ লৈ সামৰিক পোছাকত কিছুমান দুৰ্বৃত্তই ত্ৰাসৰ সৃষ্টি কৰে। প্ৰায় ২০ জন লোক আহত হয় আৰু নগাওঁ হাস্পতালত ভৰ্তি কৰোৱা হয়। পাঁচজন লোকৰ মৃত্যু হয়। গহপুৰতো সংঘৰ্ষ হয় আৰু পুলিচৰ গুলী চালনাত প্ৰেমানন্দ বৰা, (স্নাতক শিক্ষক) আৰু পুষ্পা মহন্ত (ছাত্ৰ) মৃত্যুৰ মুখত পৰে।

জনীয়া সমষ্টিৰ কংগ্ৰেছ (স) পাৰ্টিৰ প্ৰাৰ্থী ইদ্ৰিচ আলীয়ে লুটপাত আৰু ঘৰত জুই দিয়া কাৰ্যত জড়িত হোৱা বুলি সৰভোগত আটক কৰে। প্ৰায় ১৩০০ লোকৰ এই আক্ৰমণকাৰীক পুলিচে প্ৰথমে কোনো বাধা প্ৰদান নকৰাত চাৰিখন গাওঁ সম্পূৰ্ণৰূপে বিধ্বস্ত হয়। আঠজন যুৱক প্ৰথমে সন্ধানহীন হোৱা বুলি কোৱা হয় যদিও তেওঁলোক পিছত মৃত বুলি প্ৰমাণ হয়। ইফালে নগাওঁ জিলাৰ পৰিস্থিতি ক্ৰমাৎ জটিল হৈ পৰে। লামডিঙৰ ৰেলৰ গেংমেন নীলা পোচাক পৰিধান কৰি এক বিশেষ ৰাজনৈতিক দলৰ কৰ্মীৰ দ্বাৰা মাৰণাস্ত্ৰৰে সজ্জিত হৈ এটা দল গঠন কৰে আৰু সন্ত্ৰাসৰ সৃষ্টি কৰে। ধৃত এজন সদস্যাই নগাওঁ জিলাত কুটাঘাতমূলক কাম

কৰিবলৈ পূৰ্বতে এক আঁচনি যুগুত কৰা কথা পোহৰলৈ আহে আৰু এই আঁচনি নদিয়া জিলাত (বাংলাদেশ) কৰা হয়। প্ৰশিক্ষণপ্ৰাপ্ত তিনিহাজাৰ সন্ত্ৰাস সৃষ্টিকাৰীক অসমৰ বিভিন্ন প্ৰান্তত কূটাঘাতমূলক কামত নিয়োগ কৰা হয়।

২৬ ফেব্ৰুৱাৰী তাৰিখে সাংসদ ৰবীন কাকতিয়ে ৰাজ্যসভাত সংবিধানৰ বিভিন্ন ধাৰা উলংঘা কৰি আৰু জনসাধাৰণৰ মতৰ বিৰুদ্ধে অনুষ্ঠিত কৰা নিৰ্বাচন অবৈধ আৰু তেনেদৰে নিৰ্বাচিত প্ৰতিনিধিৰে গঠিত চৰকাৰ ভঙ্গ কৰাৰ বাবে প্ৰশ্ন উত্থাপন কৰে। এল. কে. আদবানীয়ে অসমৰ ৰাজ্যপালৰ অপসাৰণৰ বাবে দাবী জনায়। চিকন্দৰ বখত আৰু কে.কে. গোৱেলে তেখেতক সমৰ্থন কৰে। অসমৰ নিৰ্বাচনক এক প্ৰহসন বুলি মন্তব্য কৰে। সকলো প্ৰকাৰৰ দাবী সত্বেও ২৭ ফেব্ৰুৱাৰীত মন্ত্ৰীসভাই শপত লয়। তাৰ প্ৰতিবাদত সমগ্ৰ অসমতে ৪-৩০ বজাৰ আৰম্ভ কৰি ২৪ ঘণ্টাৰ বাবে সৰ্বাত্মক অসহযোগ আৰু নিষ্প্ৰদীপৰ আহ্বান জনোৱা হয়। ফল স্বৰূপে সমগ্ৰ অসম অন্ধকাৰত ডুবি থাকে। কাৰণ কোনোৱে বিদ্যুতৰ কাৰখানা কাৰ্যালয়লৈ যোৱা নাই।

প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনে প্ৰধানমন্ত্ৰীয়ে সংসদৰ মজিয়াত জনজাতি আৰু অজনজাতিৰ মাজত বিৰোধৰ সৃষ্টি কৰিব খোজা মন্তব্যক কঠোৰ ভাষাৰে সমালোচনা কৰে আৰু কয় যে এই আন্দোলনলৈ সকলো জনজাতিয়ে সমৰ্থন আগবঢ়াইছে। জনজাতি সংগঠন সমূহেও প্ৰধানমন্ত্ৰী আৰু বামপন্থী দলবোৰক কঠোৰ ভাষাত নিন্দা কৰে আৰু কয় যে জনজাতি সকলক কংগ্ৰেছ আৰু বামপন্থী দলবোৰে চৰম বিশ্বাসঘাতকতা কৰিছে। বিদেশী নাগৰিকে ট্ৰাইবেল অঞ্চল যে বেদখল কৰি আছে তাৰ বিৰোধিতা নকৰা বুলিও এই দলবোৰক সমালোচনা কৰে।

২০ ফেব্ৰুৱাৰী তাৰিখে E.M.S. Namboodiripad ৰ মন্তব্য অসম আন্দোলনকাৰীৰ বিৰুদ্ধে হোৱা বাবে কেৰেলা নিবাসী ভি. পাঠিয়ে মাৰ্চ মাহৰ ১ তাৰিখে নাম্বুদিৰিপাদৰ মন্তব্য বিৰোধিতা এনে ধৰণে কৰে- "Letters to the Editor, As a fellow Keralite I am a bit embarrassed and ashamed of the utterance of E.M.S. Namboodiripad, the erstwhile C.M. of Karala. Unlike E.M.S., whose political opportunism brought him to Assam for a few days. I have been living in Assam for a number of years, associated myself with the people and their culture.

The unprecedented mass movement is based on a genuine national cause. It is not secessionist as seen by E.M.S. Nor has there been any demand for driving out any non Assamese Indians. In-

deed people living in Assam coming from other parts of the country are supporting the movement for identification deletion of the illegal migrants from erstwhile East Pakistan (Now Bangladesh). Pakistanis living in Kashmir are without voting rights, why not in Assam...?"

ফেব্ৰুৱাৰীৰ ২৫ তাৰিখে (১৯৮৩) লোক দল, জনতা পাৰ্টি আৰু ভাৰতীয় জনতা পাৰ্টিৰ নেতৃবৰ্গই ৰাষ্ট্ৰপতি জাইল সিঙক এখন স্মাৰক পত্ৰৰ যোগে অসমৰ চৰকাৰক বৰ্খাস্ত কৰিবলৈ বিধান সভা ভঙ্গ কৰিবলৈ আবেদন জনাই অসমত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰিবলৈ অনুৰোধ কৰে আৰু ৰাজ্যপালে সাংবিধানিক দায়িত্ব পালন কৰাত ব্যৰ্থ হোৱা বাবে বৰ্খাস্ত কৰাৰ দাবী উত্থাপন কৰে। নিৰ্বাচনী আয়োগ পুনৰ গঠনৰ দাবীও তোলে কাৰণ আয়োগে দায়িত্ব পালনত ব্যৰ্থ হৈছে। এওঁলোকে অসমবাসীৰ প্ৰতি সহৃদয়তা প্ৰকাশ কৰে আৰু বিদেশী নাগৰিকৰ প্ৰশ্নটো সন্মানজনকভাৱে সমাধান হোৱাটো বিচাৰে। অটল বিহাৰী বাজপেয়ী, মধু দণ্ডৱত আৰু চৰণ সিঙে লগতে ৰাষ্ট্ৰজোৰা আন্দোলন কৰিবলৈ আহ্বান জনায়।

বিহাৰৰ কৰ্পূৰী ঠাকুৰ আৰু ৰোমানিকা গুপ্তাই ইন্দিৰা গান্ধীক ৰাষ্ট্ৰদ্ৰোহী আৰু মানৱতা হননকাৰী বুলি কয়। The Govt. born out of the womb of the bloody election shall never be duly constitutional. It will be an illegitimate child of power drunk, obstinate, short sighted and irresponsible Mrs. Gandhi..."

২৫ ফেব্ৰুৱাৰী তাৰিখে কান্দুলীবাৰীত কৰুণভাবে মৃত্যুবৰণ কৰা লোহিত দাসৰ সামূহিকভাৱে আদ্যশ্ৰাদ্ধ পালন কৰা হয়। তেওঁক শ্বহীদ ঘোষণা কৰা হয়।

অসমৰ বিভিন্ন ঠাইত পুনৰ সংঘৰ্ষ হয় আৰু অতি কমেও ২৮ জন লোকে মৃত্যু বৰণ কৰে। নগাওঁ, দৰং, লক্ষীমপুৰ, বিজনী, বঙাইগাঁও, অভয়াপুৰী, সৰভোগ, নলবাৰী, ৰঙিয়া, কমলপুৰ, হাজো, ক্ষেত্ৰী, টিয়ক, যোৰহাট, সৰুপথাৰ, গোলাঘাট, টিংখং, নাহৰকটীয়া, নামৰূপ, মৰাণ আদি স্থানখ উপদ্ৰুত অঞ্চল হিচাবে ঘোষণা কৰা হৈছে।

আজকালৰ সম্পাদকৰ বিৰুদ্ধে গোচৰ ৰুজু : 'আজকাল'ৰ সম্পাদক আৰু সংবাদদাতা হোমেন বৰগোহাঁইৰ বিৰুদ্ধে আছুৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্তই অসমত জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ পোষকতা কৰাৰ বাবে আই. পি. চিৰ ৫০০ ধাৰাৰ অধীনত এটা গোচৰ ৰজু কৰে মাৰ্চৰ তিনি তাৰিখে। তিনি মাৰ্চতে নগাওঁ জেলত আবদ্ধ কৰি সেৱা দলৰ মুখ্য আহ্বায়ক জয়নাথ শৰ্মাক মুকলি কৰি দিয়াৰ

পিছত পুনৰ আটক কৰে। তিনি মাৰ্চতে ৰাজ্যসভাত অসমৰ আন্দোলন সম্পৰ্কীয় গৃহ মন্ত্ৰালয়ৰ এক গুৰুত্বপূৰ্ণ নথি ১৯৮২ চনৰ এপ্ৰিলৰ পৰা উদ্ধাৰ কৰিব নোৱাৰা তথ্য প্ৰকাশ পায়। এই নথিত কল্যাণ ৰয়ে (চি.পি.আই) অভিযোগ কৰে যে ২১ জন লোকে বিদেশী ধনেৰে অসমৰ সন্ত্ৰাসবাদীক ধনৰ যোগান ধৰা সম্পৰ্কে উল্লেখ আছিল। Lt. Gen. Vaidya, G.O.C. Eastern Command এ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক সৈন্যবাহিনী উপদ্ৰুত অঞ্চললৈ পঠিওৱাৰ বাবে প্ৰয়োজন হোৱা বুলি কয় মাৰ্চৰ দুই তাৰিখে। কপিলীৰ দক্ষিণপাৰে বাংলাদেশী লোকে ৭০ জন লোকৰ প্ৰাণ নাশ কৰাৰ বাতৰি প্ৰকাশ পায়। গৃহমন্ত্ৰী পি. চি. চেঠীয়ে এই নিৰ্বাচনৰ সময়চোৱাত ব্যাপকভাৱে অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি হয় বুলি কয় আৰু প্ৰায় আঢ়ৈ লাখ লোক পশ্চিমবঙ্গ আৰু অৰুণাচলৰ আশ্ৰয় শিবিৰত ৰখা হয়। (মাৰ্চৰ তিনি, পি.টি.আই)

আদ্যশ্ৰাদ্ধ : ৯ ফেব্ৰুৱাৰী তাৰিখে মৃত্যুবৰণ কৰা শ্বহীদ (১) মহনুৰ আলি, (২) কৰুণা দাস, (৩) মাধৱ গোস্বামী, (৪) অমল ভট্টাচাৰ্য, (৫) অনিল কলিতা, (৬) টংকেশ্বৰ ডেকা আৰু বাবুল মজুমদাৰৰ আদ্যশ্ৰাদ্ধ বৰভাগত সমূহীয়াভাৱে পালন কৰা হয় দুই মাৰ্চত।

মাৰ্চৰ ২ তাৰিখে নগাঁৱৰ জামুগুটি আৰু অন্যান্য ঠাইত পাঁচজন স্কুল- কলেজৰ ছাত্ৰক হত্যা কৰে। তেওঁলোক হ'ল- (ক) টংকেশ্বৰ ডেকা (প্ৰাঃ স্নাঃ শ্ৰেঃ) (খ) গিৰিবালা ডেকা (উচ্চ মাধ্যমিক), (গ) কুসুম ডেকা (উঃ মাঃ), (ঘ) নীলকান্ত ডেকা (৬ বছৰীয়া) আটায়ে বিষ্ণু ডেকাৰ ল'ৰা ছোৱালী আৰু (ঙ) ফণীধৰ ডেকা মৃতকৰ খুৰাক।

সদৌ অসম ছাত্ৰ সন্থাই চিৰযুগমীয়া শান্তি সম্প্ৰীতি ধ্বংস নকৰিবলৈ আৰু ৰাজ্যখনত এক সুস্থিৰ বাতাবৰণ প্ৰতিষ্ঠা কৰিবলৈ জাতি, বৰ্ণ, ভাষা, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকলৈ আহ্বান জনায়। লগতে কোনো বিদেশী নাগৰিকক যিসকলে এই সময়ত ৰাজ্য এৰি পলায়ন কৰিছে, তেওঁলোকক পুনৰ সংস্থাপনৰ ৰাজনীতি নকৰিবলৈ কংগ্ৰেছ আৰু বামপন্থী দলবোৰক সাৱধান কৰি দিয়ে।

মাৰ্চ মাহৰ ৭ তাৰিখে ধেমাজী আৰু নাহৰকটীয়াত পুনৰ হত্যাকাণ্ড সংঘটিত হোৱাৰ বাতৰি প্ৰকাশ পায়। মুঠতে ৭ জন লোকৰ মৃত্যু হোৱা বুলি ৮ মাৰ্চৰ বাতৰিত প্ৰকাশ পায়। শৰনাৰ্থী শিবিৰৰ কিছুসংখ্যক লোকে পোৱা সাহায্য সামগ্ৰী বিক্ৰী কৰাৰ বাতৰিও প্ৰকাশ পায়। মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যক স্থানীয় লোকৰ শিবিৰত প্ৰৱেশ নকৰিবলৈ সাৱধান কৰি দিয়ে। পলাশবাৰীৰ ওচৰৰ গৰলত চি.আৰ পি এফ এ গুলী চালনা কৰে আৰু ৮ জন

লোক আহত হয়। আহতসকলৰ সৰহভাগে স্কুলৰ ছাত্ৰ। তেওঁলোক হ'ল (১) যতীন বৰুৱা, (২) অনিল দাস, (৩) মনেশ্বৰ দাস, (৪) গিৰিশ দাস, (৫) থানেশ্বৰ দাস, (৬) অশ্বিনী দাস, (৭) প্ৰদীপ দাস, (৮) হৰকান্ত দাস। ইয়াৰ প্ৰতিবাদত ৮ মাৰ্চত দক্ষিণ কামৰূপ বন্ধ পালন কৰা হয়। কেউফালে এক অশান্ত অৱস্থা চলি থাকে। লালুং দৰবাৰ সভাপতি জে.এচ. দেওৰীয়ে জনজাতি ব্লক আৰু বেল্টবোৰৰ পৰা বিদেশী মুক্ত কৰি তেওঁলোকৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ কেন্দ্ৰক আহ্বান জনায়। ডিব্ৰুগড়লৈ যোৱা মন্ত্ৰী কেশৱ গগৈৰ বিৰুদ্ধে তাত নিষ্প্ৰদীপ পালন কৰা হয় ৭ মাৰ্চত। শিৱসাগৰৰ বেলেগ বেলেগ ঠাইত সংঘটিত হোৱা সংঘৰ্ষত আৰু ৪ জন লোকৰ প্ৰাণ নাশ হোৱাৰ বাতৰি প্ৰকাশ পায়। নগাঁৱৰ বিভিন্ন স্থানতো সংঘৰ্ষ হয় আৰু উত্তেজনাই বিৰাজ কৰে। ডিব্ৰুগড়ত পুলিচৰ গুলীত এজনৰ মৃত্যু হয় আৰু ৫ জন আঘাতপ্ৰাপ্ত হয়। কলিকতাত National Welfare Organisation (CNWO) এক লিখিত আবেদন প্ৰচাৰ কৰি কয় যে অসমৰ এই আন্দোলনক পশ্চিম বঙ্গৰ বঙালী লোক সকলে পূৰ্ণ সমৰ্থন জনাব লাগে। তাৰ স্বাক্ষৰকাৰীসকল হ'ল - (১) অজয় হাজ্ৰা, (২) ড° শক্তি চক্ৰবৰ্ত্তী, (৩) ড° দেৱাশীষ দত্ত, (৪) ড° চঞ্চল সুৰ, (৫) ড° শশাঙ্ক সমন্ত, (৬) শ্ৰীমতী উমা বসু, (৭) পাৰ্থ পোদ্দাৰ, (৮) ড° কমলেন্দু চক্ৰবৰ্ত্তী, (৯) নাৰায়ণ দাস, (১০) ড° সুকুমাৰ মুখাৰ্জী। অসমত বঙালী সকলকো ভাতৃত্বৰ ভাব গঢ়িবলৈ আবেদন জনায়।

মাৰ্চৰ ১০ তাৰিখে মাজুলীত পুলিচৰ গুলীচালনাত তিনিজনৰ মৃত্যু হয় আৰু আন ৮ জন গুৰুতৰভাৱে আহত হয়। তাৰে তিনিজনৰ অৱস্থা সংকটজনক (পি. টি আই)। একে দিনাই কাৰ্বি আংলঙত তিনি জনৰ মৃত্যু হয়। ৰাজনৈতিকভাৱে সৃষ্টি কৰা সংঘৰ্ষৰ ফলত কেৱল নগাওঁ জিলাত ৩৩০০০ ৰো অধিক লোক ক্ষতিগ্ৰস্ত হয়, ১১৫ জনে পুলিচৰ গুলী আৰু সংঘৰ্ষত মৃত্যু বৰণ কৰে। নিৰ্বাচনত অংশ গ্ৰহণ নকৰাৰ অপৰাধত বিশ্বনাথৰ কাৰ্যবাহী অভিযন্তা এচ.ডি. দত্তক চাকৰিৰ পৰা অপসাৰণ কৰে যাৰ ফলত প্ৰচণ্ড প্ৰতিবাদ সাব্যস্ত কৰা হয়। মহঃ মুস্তাফিজুৰ ৰহমানকো চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয় (কাৰ্যবাহী অভিযন্তা)।

তলত উল্লে কৰা বিভিন্ন স্থানত মৃত্যু বৰণ কৰা আৰু শ্বহীদ ঘোষণা কৰা লোকসকলৰ আদ্যশ্ৰাদ্ধ পালন কৰা হয়। সত্যজিৎ হাজৰিকা (মহতগাওঁ স্কুলীয়া ছাত্ৰ), ১৬ ফেব্ৰুৱাৰীত পুলিচৰ গুলীত ঢেকীয়াজুলিত মৃত্যু হয় আৰু ২৭ ফেব্ৰুৱাৰীত আদ্যশ্ৰাদ্ধ ৮০০০ লোকৰ উপস্থিতিত পালন কৰা হয়।

টিহু অঞ্চলৰ (১) মহেন্দ্ৰ হালৈ (কলেজৰ ছাত্ৰ) (২) উপেন কলিতা (কলেজৰ ছাত্ৰ), (৩) প্ৰফুল্ল ডেকা (কলেজৰ ছাত্ৰ), (৪) চিদানন্দ ডেকাৰ আদ্যশ্ৰাদ্ধত হেজাৰ

হেজাৰ লোকে সমূহীয়াকৈ মাখিবাহাত পতা অনুষ্ঠানত যোগদান কৰে।

জিহালত - গিৰিশ সুত, গোবিন্দ দাস, উপেন দাস, ভগবান শৰ্মা, ধীৰেন বড়োৰ আদ্যশ্ৰদ্ধ পতা হয় (উত্তৰ কামৰূপৰ বিভিন্ন স্থানত চি.আৰ.পি.এফৰ দ্বাৰা হত্যা কৰা) প্ৰায় ১০০০০ লোক উপস্থিত থাকে। জীৱন লাহনৰ আদ্যশ্ৰাদ্ধ ৩ ফেব্ৰুৱাৰীত সম্পন্ন হয় আৰু শ্বহীদ হয় ২০ জানুৱাৰীত।

নিৰ্বাচনৰ নামত ৰাজ্যখনত এক অৰাজকতাৰ সৃষ্টি হয়। জনজীৱন পৰিকল্পিতভাৱে অস্থিৰ কৰা হয়। ভাতৃভাতী সংঘৰ্ষৰ জন্ম দিয়া হয় আৰু নিৰীহ লোকৰ ওপৰত পুলিচ আৰু অৰ্দ্ধ সামৰিক বাহিনীৰ বৰ্বৰ অত্যাচাৰ কৰিবলৈ মেলি দিয়া হয়। স্কুল-কলেজবোৰত সামৰিক আৰু অৰ্দ্ধসামৰিক বাহিনীৰ চাউনী বনোৱাত ৰাজ্যখনৰ শিক্ষা ব্যৱস্থাৰ অভাৱনীয ক্ষতি সাধন কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাই স্কুল-কলেজৰ পৰা সৈন্যবাহিনী আঁতৰ কৰিবলৈ দাবী কৰে।

কংগ্ৰেছৰ সভাপতি বাবু জগজীৱন ৰামে অসমত প্ৰকৃততে পুলিচীৰাজ বিৰাজ কৰা বুলি কয় (১৩ মাৰ্চ) আৰু নিৰ্বাচিত প্ৰতিনিধিয়ে জনসাধাৰণৰ লগ পোৱাৰ সাহস গোটাব পৰা নাই। সেইবাবে অসমত এতিযা ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন হ'ব লাগে যিহেতু সাংবিধানিক প্ৰয়োজনীয়তাৰ অন্ত পৰিছে।

নেলী হত্যাকাণ্ডৰ বিষয়ে বাতৰি পৰিৱেশকে এনেদৰে মন্তব্য কৰে (১৩ মাৰ্চ) : নেলীত কমেও ৬৯৭ জন লোকৰ মৃত্যু হয়। লাহৰীঘাট পুলিচ থানাৰ অন্তৰ্গত ৰাভাবাৰীত ১৩ ফেব্ৰুৱাৰীত সংঘটিত কৰা ঘটনাৰ প্ৰতিশোধ লোৱাৰ বাবেই আৰু তাৰ পিছত দুজনী ছোৱালী অপহৰণ কৰি হত্যা কৰাৰ প্ৰতিবাদতেই নেলীত এই ধ্বংসলীলা সংঘটিত হয়। এক ত্ৰিভুজাকৃতিৰ ঠাইত আক্ৰমণকাৰীয়ে আক্ৰান্ত হৈ যায়। সেই ঠাইখিনিৰ উত্তৰে কপিলী নদী, কিলিং নদী পশ্চিমে আৰু দক্ষিণত ডেমাবিল। মৃতকবোৰক এই অঞ্চলৰ পৰা সংগ্ৰহ কৰি অনা হয়। এই অঞ্চলতে ১০০০ ৰ অধিক ঘৰ ভষ্মীভূত কৰা হয়। ঘটনাৰ বলি হোৱা গাওঁকেইখন হ'ল- ভুটুনীমৰা, ইন্দনৰমাৰা, সতিপৰ্বত, ১,২ আৰু ৩; বামুনবাৰী ১,২; মুলাধাৰী ১,২, শিলভেটা আৰু আলিচিগাৰ একাংশ। অন্য এটা অংশৰ ২৩০ টা ঘৰ ভষ্মীভূত হয়। সেই গাওঁকেইখন হ'ল- বৰটলা, ভোগসৰা হাবি, ভোগদবা বীল, বৈহালী। নেলীৰ আশেপাশে ৭০ টা ঘৰ ভষ্মীভূত হয় আৰু নেলীৰ পূৱত ৯৫ টা ঘৰ জ্বলে কিন্তু মৃতক নাই। প্ৰায় ৬০০০ লোক ক্ষতিগ্ৰস্ত হয়। তেওঁলোকৰ সৰহভাগ ৬ মাৰ্চত নিজৰ নিজৰ ঘৰলৈ উভতি আহে আঘাত প্ৰাপ্ত ৩২৩ জনৰ বাহিৰে। তাৰে ৩ জনৰ পিছত নেলীৰ শিবিৰত মৃত্যু হয়। ইয়াৰ পিছত নগাঁৱত আৰক্ষী অধীক্ষক হিচাবে বি. পি. ৰাওক নিযুক্তি দিয়া হয়; কিন্তু তেখেতৰ দুৰ্নীতি আৰু বৈষম্যমূলক আচৰণৰ

বাবে আঁতৰ কৰা হয়।

ইয়াৰ পিছত গোৰেশ্বৰত ১৩ মাৰ্চত সংঘৰ্ষ হয় আৰু বহু ঘৰবাৰী জ্বলাই দিয়ে দুবৃত্তই। কোনো লোক হতাহত হোৱা নাই।

বাবুল পাটৰৰ আদ্যশ্ৰাদ্ধ : ধৰমতুলৰ বাবুল পাটৰক শ্বহীদ ঘোষণা কৰা হয়। তেওঁৰ নিজ বাসভৱনত আদ্যশ্ৰাদ্ধ সম্পন্ন হয় ১৩ মাৰ্চত।

নিৰ্বাচনত অসমৰ বাহিৰৰ পৰা অনা কৰ্মচাৰী : ৰক্তাক্ত নিৰ্বাচন পৰিচালনা কৰিবলৈ বাহিৰৰ পৰা মুঠ ৬৬৩১ জন লোক অনা বুলি প্ৰকাশ পাইছে। তাৰ ভিতৰত ৫২৭ জন ড্ৰাইভাৰ আছিল। এয়া গৃহমন্ত্ৰী পি. চি. চেঠীয়ে সদনত প্ৰকাশ কৰা তথ্য।

এক আদেশযোগে কামৰূপ জিলাৰ সকলো নাগৰিকক ৩১ মাৰ্চৰ ভিতৰত তেওঁলোকৰ হাতত থকা বন্দুক আৰু বন্দুকৰ লাইচেন্স জমা দিবলৈ নিৰ্দেশ জাৰি কৰিছে ১৯৫৯ চনৰ আৰ্ম এক্তৰ অধীনত।

পি টি আইৰ বাতৰি মতে চৰকাৰে নিৰ্বাচনৰ সময়ত হোৱা ব্যাপক সংঘাত আৰু সংঘৰ্ষৰ তদন্ত কৰিবলৈ সিদ্ধান্ত কৰে। চৰকাৰৰ বিদেশী নাগৰিকৰ স্থিতিও প্ৰকাশ কৰে। P.C. Shethi (Home Minister) . "The issue was there and nobody could deny it but we cannot say that those who were in 1951 or 1961 should be detected and deported. Foreigners had to be detected by law and deported peace is to be restored first ... then take up the issue in right earnest whether the talks start or not."

ইন্দ্ৰজিৎ বৰুৱাৰ উচ্চ ন্যায়ালয়ত আবেদন : তেখেতে ১৯৭৯ চনৰ ভোটাৰ তালিকাৰ প্ৰস্তুতিৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্বাচন পতাৰ বৈধতাৰ প্ৰশ্ন তোলে আৰু কিয় এনে নিৰ্বাচনৰ সকলো প্ৰক্ৰিয়া বাতিল কৰা নহ'ব সেই বিষয়ে উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰে ১৫ মাৰ্চত। উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ শ্ৰী শইকীয়াই আবেদন গ্ৰহণ কৰি দুমাহৰ ভিতৰত আবেদনৰ ওপৰত চৰকাৰ আৰু সংশ্লিষ্ট অনুষ্ঠানলৈ জাননী প্ৰেৰণ কৰে। আবেদনৰ অংশ এটা হ'ল— "if any election is held in Assam with the illegal, invalid and unconstitutional rolls of 1979, such election will be highly unconstitutional and grossly illegal "

শান্তি প্ৰতিষ্ঠাৰ বাবে প্ৰচেষ্টা অব্যাহত থকা সত্ত্বেও ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত সংঘৰ্ষৰ বাতৰি প্ৰকাশ পাই আছে। কামপুৰত এক অস্থিৰতা বিৰাজ কৰিছে।

তেজপুৰত এটা বোমা বিস্ফোৰণ ঘটাইছে। বিজনী, মানকাছাৰ আৰু বঙাইগাঁৱৰ পৰা সংঘৰ্ষৰ বাতৰি প্ৰকাশ পাইছে। চৰকাৰে আৰু ১৭ টা পুলিচ থানাৰ অন্তৰ্গত অঞ্চল উপদ্ৰুত বুলি ঘোষণা কৰিছে। মুঠতে ৭২ টা পুলিচ থানাৰ অঞ্চলক উপদ্ৰুত অঞ্চল বুলি ঘোষণা কৰা কাৰ্যই প্ৰমাণ কৰিছে যে ৰাজ্যখনলৈ সুস্থিৰতা ঘূৰি অহা নাই। তাত সহায় কৰিছে ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰে। ঘণিখান চৌধুৰীয়ে লামডিং ভ্ৰমণ কৰাৰ সময়ত পানীখাইতিত কাছাৰ এক্সপ্ৰেছত বোমা বিস্ফোৰণ ঘটে আৰু ৬ জন লোক আহত হয়। চৌধুৰীয়ে লামডিঙত জনসাধাৰণক সম্বোধি কয় যে তেওঁ পশ্চিম বঙ্গৰ মানুহ। যদি কোনোবাই আমাৰ এজনক হত্যা কৰে তেনেহ'লে দুজনক হত্যা কৰা উচিত হ'ব। ৰক্তৰ সলনি ৰক্তপাত কৰাটো তেওঁ বিচাৰে বুলি ৰাজ্যসভাত এল. কে. আদবানীয়ে কয়। ইয়াৰ দ্বাৰা অসমৰ ৰক্তাক্ত সংঘৰ্ষৰ কোনো সৃষ্টি কৰ্তা সেয়া বুজিবলৈ কোনো অসুবিধা নাথাকে।

নিৰ্বাচনী আয়োগ আৰু কেন্দ্ৰীয় আইনমন্ত্ৰী : অসমৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচন মুক্ত আৰু নিকা নোহোৱা বুলি কেন্দ্ৰীয় নিৰ্বাচনী আয়োগে জানিছিল আৰু সেইবাবে আয়োগে আইনমন্ত্ৰী জে কৌশললৈ এখন চিঠি প্ৰেৰণ কৰি মুক্ত নিৰ্বাচন অসমত সম্ভৱ নহ'ব বুলি পতিয়ন গৈছিল আৰু সেইবাবে পৰৱৰ্তী পৰ্যায়ত নিৰ্বাচন বন্ধ ৰখাৰ এক ইংগিত দিছিল। অথচ কৌশলে তেনে চিঠি পোৱা নাই বুলি সদনৰ মজিয়াত ১৫ মাৰ্চত মিছা মাতিছিল। তাৰ বাবে গৃহমন্ত্ৰী যে জগৰীয়া সেই কথাও প্ৰতিপন্ন হৈছিল আৰু অসমক যে কেন্দ্ৰীয় চৰকাৰে কোনো সন্মানিত ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰা নাই তাৰ স্পষ্ট প্ৰমাণ এই জোৰকৈ জাপি দিয়া নিৰ্বাচন। অটল বিহাৰী বাজপেয়ীয়ে সদনক প্ৰতাৰণা কৰিছে, বিপথে পৰিচালিত কৰাৰ প্ৰয়াস কৰিছে বুলি চৰকাৰী পক্ষই অভিযোগ কৰিছে।

নীহাৰ ৰঞ্জন লস্কৰে অসমত বছৰটোৰ প্ৰথম দুমাহত পুলিচৰ গুলী চালনাৰ ঘটনা ২০৬ টা বুলি অধ্যাপক মধু দণ্ডৱটেৰ প্ৰশ্নৰ লিখিত উত্তৰ দিয়ে। এনে উত্তৰে ইয়াকে প্ৰমাণ কৰে যে অসমৰ সকলো লোক গুলীত নিহত হ'লেও কেন্দ্ৰই উদ্বিগ্নতা প্ৰকাশ নকৰে। নিৰ্বাচন জাপি দি শাসন প্ৰক্ৰিয়া চলাব খোজে এক বিদেশী শাসনৰ মনোবৃত্তিৰে। নিৰ্বাচন পৰিচালনা কৰিবলৈ বাহিৰৰ পৰা ৩১২ টা কোম্পানীক প্ৰয়োগ কৰা হয়। নিকা মুক্ত নিৰ্বাচন এনে ব্যৱস্থাই সমৰ্থন কৰে নে? ৫১ টা সমষ্টিৰ ভোটাধিকাৰৰ শতাংশ হাৰ আছিল এনে ধৰণৰ (নিৰ্বাচনী আয়োগৰ পৰা পোৱা : ২১টা সমষ্টিত ৫% তকৈ কম; ৮ টা সমষ্টিত ৫-৮%; ১১ টাত ১০-১৫%; ৭ টাত ১৫-২০% আৰু বাকী ৪ টাত ২০-২৫%। ধৰ্মপুৰ সমষ্টিত ৬৯৩০৩ জন ভোটাৰৰ মাত্ৰ ১৭ জনে ভোট দান কৰে আৰু প্ৰকাশ কৰা হয় ২৬৭ জন

বুলি। এই ক্ষেত্ৰত বাহিৰৰ পৰা অনা বিষয়ায়ো। চৰকাৰৰ এনে মিছা কথাৰ বাবে আশ্চৰ্য প্ৰকাশ কৰে।

গৃহমন্ত্ৰী পি.চি. চেঠীৰ নিচিনা লোকে যে সদনত এনে বক্তব্য ৰাখিব পাৰে এই কথা তেওঁৰ ভূপালৰ চুইমিং পুলত আৰু এগৰাকী উৰা জাহাজৰ পৰিচাৰিকাক কৰা আচৰণে প্ৰমাণ কৰি ৰাখিছে বুলি সদনত মন্তব্য কৰা দেখা গ'ল। যেতিয়া অসমৰ বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ বাবে তেখেতে কি চিন্তা কৰিছে বুলি প্ৰশ্ন কৰা হৈছিল "Such a Home Minister could not solve the problem and the attitude of Dispur was also reflected through the Home Minister's statement." গৃহমন্ত্ৰী গৰাকীয়ে মন্তব্য কৰিছিল যে এই আন্দোলন কেৱল বিদেশী নাগৰিকৰ বহিষ্কাৰৰ বাবে নহয় অনা অসমীয়া লোকৰ বিৰুদ্ধেও। এওঁৰ এই বক্তব্যক 'ফ্লিপেণ্ট'- দায়িত্বহীন বুলি কোৱা হৈছিল। সেই সময়ৰ চৰকাৰী কাম-কাজ কেনে ধৰণে চলিছিল তাৰ এটা নমুনা হ'ল যেতিয়া ৰাজ্য চৰকাৰে অতিৰিক্ত ৭২ টা পুলিচ থানাৰ অন্তৰ্গত স্থানক উপদ্ৰুত অঞ্চল বুলি ঘোষণা কৰিছিল সেই তালিকাত দিছপুৰো আছিল। সেই কথা আঙুলিয়াই দি প্ৰশ্ন কৰিছিল কেনেকৈ ৰাজ্য প্ৰশাসন চলোৱা হৈছে। তেতিয়াহে দিচপুৰ বাদ বুলি ৰাজ্যপালে স্পষ্টীকৰণ দিবলগীয়াত পৰিছিল।

মাৰ্চৰ ১৫ তাৰিখে হিতেশ্বৰ শইকীয়াৰ নিকত সম্পৰ্কীয় কেশৱ শইকীয়াক (১৮) ক কোনোবা দুৰ্বৃত্তই চুৰীকাঘাত কৰি হত্যা কৰে। তেওঁ তিনিচুকীয়া কলেজৰ ছাত্ৰ আছিল। অন্যান্য ঠাইৰ পৰা নানা প্ৰকাৰৰ অশান্তিকৰ পৰিস্থিতিৰ বাতৰি আহি আছে। নানা ঠাইত ডাক্তৰবোৰক সীমাহীন নিৰ্যাতন কৰা হৈছে। পাঠশালাত এজন ডাক্তৰক পুলিচে অত্যাচাৰ কৰে। সংবাদসেৱীসকলে বিধান সভাৰ ২১ তাৰিখৰ প্ৰথম দিনৰ কামকাজৰ কোনো কাৰ্যসূচীত অংশ গ্ৰহণ নকৰে বুলি ১৫ মাৰ্চত প্ৰকাশ কৰিছে।

বেলশৰত পুলিচৰ গুলীত মৃত্যুবৰণ কৰা (১) প্ৰতাপ বৰ্মন, (২) মহেশ তালুকদাৰ, (৩) বীৰেন দাস, (৪) শ্ৰীকান্ত বৰ্মন আৰু (৫) কায়াৰাম দাসৰ আদ্যশ্ৰাদ্ধ মাৰ্চ মাহৰ ৮ তাৰিখে পালন কৰা হয়।

তলত উল্লেখ কৰা গোলাঘাটৰ কৰ্মচাৰীসকলক যোৰহাটৰ উপায়ুক্তই নিলম্বিত কৰে নিৰ্বাচনত অংশ গ্ৰহণ নকৰা বাবে। (১) বেণুধৰ লাহন, (২) হৰিচন্দ্ৰ দাস, (৩) মৃদুল বৰঠাকুৰ, (৪) পদ্ম শৰ্মা (গোলাঘাট এচ.ডি.চি কাৰ্যালয়ৰ)। আনহাতে ১। ৰঞ্জিত বৰা, ২। দেবেন্দ্ৰ নাথ বৰা, ৩। হেমধৰ চুতীয়া, ৪। বাবুল হাজৰিকা, ৫। বিলাশ দয়াং, ৬। তৰুণ শৰ্মাক চাকৰিৰ পৰা অপসাৰণ কৰে।

ইতিমধ্যে সদনৰ মজিয়াত উত্তাল বিতৰ্ক হয়। অটল বিহাৰী বাজপেয়ীয়ে

গৃহমন্ত্ৰীলৈ লিখা মুখ্য নিৰ্বাচনী আয়ুক্তৰ চিঠিখন পঢ়ি দিবলৈ কোৱাত চেঠীয়ে অন্য এখন চিঠিহে পাঠ কৰাত সদন উত্তাল হৈ পৰে। এই সন্দৰ্ভত এটৰ্ণি জেনেৰেলক যিয়ে এই বিষয়ে জানে তেখেতক সদনত সাক্ষী দিবলৈ বাজপেয়ীয়ে অনুৰোধ কৰে। কিন্তু চেঠীয়ে অমান্তি হয় আৰু বাৰে বাৰে অসত্যৰ আশ্ৰয় লোৱা দেখা যায়। মুখ্য নিৰ্বাচনী আয়ুক্তই এই চিঠিত কৈছিল যে যিহেতু সাংবিধানিক দায়িত্ব প্ৰথম পৰ্যায়ৰ নিৰ্বাচন পতাত্তে পালন কৰা হৈছে মানুহক হত্যা কৰি ৰক্তাক্ত নিৰ্বাচনৰ পিছত দুটা পৰ্যায় অনুসৰণ নকৰিলেও সংবিধান অৱমাননা কৰা নুবুজায়। পি. চি. চেঠীয়ে এই চিঠিখন প্ৰকাশ কৰাৰ সাহ গোটাব নোৱাৰিলে আৰু সদনক ইয়াৰ দ্বাৰা অপমান কৰাৰ সাহ পালে। এনে প্ৰক্ৰিয়াই গণতন্ত্ৰৰ মহান আদৰ্শ প্ৰকাশ নকৰে। স্বেচ্ছাচাৰিটাৰ ইয়াতকৈ আৰু কি ডাঙৰ উদাহৰণ হ'ব পাৰে।

গৃহমন্ত্ৰী চেঠীয়ে অসম সম্পৰ্কে কৰা মন্তব্যবোৰ ৰাজনীতিৰ বাবে কলংক আৰু অসমৰ প্ৰতি কৰা এক দুৰ্ঘোৰ অবিচাৰ ঃ তেওঁ কৈছে যে তেওঁ অসমবাসীয়ে সৃষ্টি কৰা সন্ত্ৰাস (Terror) আৰু ভয়ানক কাণ্ডৰ (Mayhem) ওচৰত সেও নামানে। মাৰ্চ মাহৰ ৭ তাৰিখে ৰাজ্যসভাত কৰা স্বগতোক্তি ঃ PTI - Suo-moto statement to accept such demands would mean submission to reign of terror and mayhem." He said further "The agitation in Assam was really aimed at removing all outsiders- the citizens and the foreigners. He said further that documental instructions were issued by AASU and AAGSP to the volunteer forces to boycott the shops owned by non Assamese people and co-operative stores be opened."

".......... foreigners/non-Assamese/anti Assamese employees be removed and in their place local Assamese were appointed, he said, "should the parochial groups be allowed to keep the other minority groups under their mercy," he asked.

He stated again, 272 people were killed before election was held, 1400 cases of assaults took place, 425 cases of arson 946 cases of intimidation, 828 cases of mischiefs, 147 cases of kidnapping and 330 cases of explosions took place. He remarked India's freedom cannot be tartarred. He had the real intent expressed, 4 years gone so what if some 40 years go in agitation so that nothing

remains of the state of Assam."

মন্ত্ৰীগৰাকীৰ মন্তব্যৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰা হৈছিল; বিশেষকৈ বিশ্ব গোস্বামী আৰু দীনেশ গোস্বামীয়ে অসমবাসীৰ ওপৰত কৰা এনে অপমান জনক মন্তব্যৰ বাবে মন্ত্ৰী গৰাকীক কঠোৰ ভাষাত প্ৰত্যুত্তৰ দিছিল। বিজয়কৃষ্ণ সন্দিকৈ ডাঙৰীয়াই আকৌ আন্দোলনকাৰী সকলৰ ওপৰতে সকলো দোষ জাপি দিবলৈ ব্যৰ্থ প্ৰয়াস কৰা দেখা গৈছিল। অশ্চিনী কুমাৰে অসমৰ আইন ভঙ্গ কৰি অনিয়মৰ আশ্ৰয় লৈ প্ৰতিষ্ঠা কৰা চৰকাৰখন ৰাজনীতিৰ উৰ্দ্ধত থাকি ভঙ্গ কৰি দিবলৈ দাবী কৰিছিল। অসমবাসীৰ ওপৰত অন্যায় আৰু নিষ্ঠুৰতা জাপি দিবলৈ কংগ্ৰেছে কৰা প্ৰচেষ্টাৰ বিৰুদ্ধে সেইবাবে এটা প্ৰতিৰোধ সমিতি গঠন কৰা হৈছিল তলত উল্লেখ কৰা সদস্য সকলক লৈ।

(১) ভি.এম. তাৰকুণ্ডে (সভাপতি) (২) চন্দ্ৰ শেখৰ, (৩) চৰণ সি, (৪) অটল বিহাৰী বাজপেয়ী, (৫) কিষান পাটনায়ক, (৬) ৰাজা ৰাম (Indian people Front ৰ সভাপতি)। এই কমিটীৰ লগত একেলগে কাম কৰিব (১) ছাত্ৰ যুৱ সংঘৰ্ষ বাহিনী, (২) মহিলা দক্ষিতা সমিতি, (৩) অসম ছাত্ৰ ফেডাৰেচন, (৪) পিপুলচ্ ইউনিয়ন অৱ চিভিল লিবাৰ্টিজ, (৫) পিপুলচ ইউনিয়ন অব ডেম'ক্ৰেটিক ৰাইটচ, (৬) ভাৰতীয় মজদূৰ সংঘ, (৭) হিন্দ মজদুৰ সভা, (৮) আই এফ টি ইউ., (৯) অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, (১০) যুৱ জনতা আৰু বিদ্যাৰ্থী মৰ্চা আৰু ইয়াৰ সাধাৰণ সম্পাদক হ'ব স্বামী অগ্নিবেশ। এই কমিটীয়ে এপ্ৰিলৰ ১৩ তাৰিখটো জালিয়ানাবাগৰ হত্যাকাণ্ড বছেৰেকীয়া তিথিত অসম দিৱস সমগ্ৰ ৰাজ্য জুৰি পালন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ১৯৮৩ৰ মাৰ্চৰ ১৬ তাৰিখে ৫০ জনীয়া এটা ছাত্ৰ সমদল চাইকেলেৰে ১৩ এপ্ৰিলত দিল্লীৰ পৰা যাত্ৰা কৰি ভাৰতৰ বিভিন্ন প্ৰান্ত অতিক্ৰম কৰি অসমৰ সমস্যা বৰ্ণনা কৰি অসমৰ অবৈধ চৰকাৰ বৰ্খাস্ত কৰা বাবে সদ্য সমাপ্ত নিৰ্বাচন অৰ্থহীন (Void) বুলি দাবী কৰিব আৰু দুৰ্গতসকলক সাহায্য বিতৰণৰ বাবে ব্যৱস্থা ল'ব, বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।

তিনিচুকীয়াৰ এজন কলেজীয়া ছাত্ৰ কেশৱ শইকীয়াই দুৰ্বৃত্তৰ হাতত মৃত্যুবৰণ কৰে ফেব্ৰুৱাৰীৰ ১৫ তাৰিখে। তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰি ১৭ মাৰ্চ তাৰিখে শ্বহীদ ঘোষণা কৰা হয়।

ইফালে ২১ মাৰ্চত প্ৰথমখন বিধান সভাৰ অধিবেশনত সদস্যসকলে শপত লোৱাৰ প্ৰতিবাদত সেই তাৰিখে ২৪ ঘণ্টীয়া অসহযোগ কাৰ্যসূচীৰ সিদ্ধান্ত লোৱা হয় আৰু কৰ্মচাৰী পৰিষদেও সেই মতক সমৰ্থন জনায়।

ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত নানা প্ৰকাৰৰ সংঘৰ্ষ আৰু হিংসাত্মক ঘটনা প্ৰতিদিনে ঘটিব ধৰিছে। ১৭ মাৰ্চত সৰভোগ পুলিচ থানাৰ অন্তৰ্গত তিনিখন গাঁৱৰ

এশতকৈয়ো অধিক ঘৰ ভস্মীভূত কৰি পোৰা হয়। ১৭-১৮ মাৰ্চত ৩৬ ঘণ্টা সময়ৰ ভিতৰত অসমৰ বিভিন্ন প্ৰান্তত হিংসাত্মক ঘটনাত চাৰিজন লোকৰ প্ৰাণ নাশ হয়, ঘৰ জ্বলাই দিয়া হয় আৰু বোমা বিস্ফোৰণ ঘটে।

Tribunals to be appointed to detect post 1971 aliens : নতুন দিল্লীৰ পৰা পোন প্ৰথমবাৰৰ বাবে ১৯৭১ চনৰ পিছত প্ৰবেশ কৰা বিদেশী নাগৰিকক চিনাক্ত কৰাৰ বাবে প্ৰতিটো বিধান সভা সমষ্টিত ট্ৰিবিউনেল গঠন কৰাৰ মন্ত্ৰ প্ৰকাশ পায় স্বয়ং মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ মুখত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত। সেই জুই আজিও জ্বলি আছে। ইয়াত বহুতে দগ্ধ হৈছে আৰু বাকী সকলৰ অসম ভাল পোৱা, অসমীয়া জাতিসত্তাৰ প্ৰতি সন্মান জনাব খোজা অসংখ্য লোকে এই জুইতে পুৰি মৰাৰ সম্ভাৱনা আজি কুৰি বছৰ পিছতো সম্পূৰ্ণ অব্যাহত আছে। লগতে শইকীয়া ডাঙৰীয়াই অকপটভাৱে স্বীকাৰ কৰিছে যে প্ৰধানমন্ত্ৰীয়ে এই প্ৰস্তাৱত সন্মতি প্ৰকাশ কৰিছে।

PTI from New Delhi, 18 Mar : ইছলামিক মুভমেন্টৰ শ শ ছাত্ৰই আজি দিল্লীৰ বোট-ক্লাবত শোভাযাত্ৰা উলিয়াই আৰু অসমত মুছলমানক হত্যা কৰাৰ প্ৰতিবাদ সাব্যস্ত কৰে। ইফালে ৰাজ্যসভাত জে.পি. মথুৰে (বিজেপি) বৃটিছ বাতৰি কাকতবোৰত অসমৰ ঘটনাক মুছলমানৰ বিৰুদ্ধে হিন্দুৰ দ্বাৰা হত্যা লীলা বুলি বৰ্ণনা কৰাৰ প্ৰতিবাদ সাব্যস্ত কৰে।

এনে সময়তে ছুপ্ৰীম কোৰ্টৰ এজন মাননীয় অৱসৰপ্ৰাপ্ত ন্যায়াধীশে এক গুৰুত্বপূৰ্ণ মন্তব্য কৰে। Many of the politicians are a discredited lot and the hands of some of them are stained with blood in these tragic and gory episodes in Assam আৰু সেই বাবেই প্ৰথম কাম হ'ব শান্তি সম্প্ৰীতি বজাই ৰখাৰ।

হিংসাত্মক ঘটনা অন্তহীন হৈ চলি আছে। ১৯-২০ মাৰ্চৰ ভিতৰত অসমৰ বিভিন্ন ঠাইত হিংসাত্মক ঘটনা ঘটে। দৰং জিলাৰ জামুগুৰিহাট আৰু পাণপুৰত দুজন আছু নেতাকে ধৰি ২৫ জনক হত্যা কৰা হয়। অসংখ্য ঘৰত অগ্নি সংযোগ ঘটে। বোমা বিস্ফোৰণ হয়। গুৱাহাটীৰ পল্টন বজাৰত বোমা বিস্ফোৰণৰ ঘটনাত পাঁচজন আহত হয় আৰু মালিগাঁৱত বোমা বিস্ফোৰণৰ ফলত দুজন লোক আহত হয়। পানপুৰত দুজন লোকক বিচাৰি পোৱা হোৱা নাই। মৰিয়নিৰ এটা প্লাইউড্ ফেক্টৰীৰ সন্মুখত বোমা বিস্ফোৰণ ঘটে আৰু ন জন লোক আহত হয়। ক'ৰবাত ক'ৰবাত সদ্য নিৰ্বচিত বিধায়কৰ ঘৰত বোমা নিক্ষেপ কৰে।

নিৰ্বাচনী আয়োগৰ বিশ্লেষণ : পি. টি. আই. ২১ টা সমষ্টিত ৫% তকৈ কম

সংখ্যকে ভোটদান কৰে। ১০৯ টা সমষ্টিতহে ভোটিং হয়। ধৰ্মপুৰ, বিহপুৰীয়া, ঢকুৱাখানা, ধেমাজীত শতাংৰ হাৰ ১ তকৈ কম।

less than 1% বিশ্বনাথৰ নিৰ্বাচন স্থগিত ৰখা হয়। (Countemanded) আৰু আন ১৬ টা সমষ্টিত নিৰ্বাচন পাতিবই নোৱাৰিলে। লোক সভাৰ দুখন আসনত ভোটাৰৰ সংখ্যা পাঁচ শতাংশতকৈ কম। ৭ টা লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা হোৱা নাই। ধৰ্মপুৰ সমষ্টিত ২৬৭ জনে (৬৯,৩০৮ৰ) ভোট দান কৰে। (০.৩৮%) মানকাছাৰত ৫১.৩৯৩/৬৪.৬৮৫ ৰ ভিতৰত (৭৯.৪৮%) আটাইতকৈ বেছি।

২১ মাৰ্চত ছাত্ৰ নেতা ললিত ৰাজখোৱা, কাৰ্ত্তিক হাজৰিকা আৰু সঞ্জীৱ শৰ্মা ঠাকুৰক লক্ষীমপুৰত আটক কৰে। ৰাজঘাটত দিল্লীৰ ছাত্ৰসকলে মৃতকসকলৰ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে অবৈধ নিৰ্বাচনৰ জৰিয়তে নিৰ্বাচিত সাংসদসকলক বয়কট কৰাৰ সিদ্ধান্ত লয়। ৰাজ্যখনৰ নিৰ্বাচন সংক্ৰান্তত সংঘটিত হোৱা হিংসাত্মক ঘটনাৰ তদন্ত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক হেঁচা প্ৰয়োগ কৰা হয় আৰু এজন চুপ্ৰীম কোৰ্টৰ ন্যায়াধীশৰ জৰিয়তে তদন্ত কৰাৰ বাবে বিৰোধী দলে একগোট হয় আৰু চৰকাৰে মান্তি নোহোৱাত সদনকক্ষ ত্যাগ কৰে। ৰাজ্য চৰকাৰে প্ৰশাসনীয় তদন্ত কৰিবলৈ লোৱা সিদ্ধান্ত মূল্যহীন বুলি কয়। ন্যায়িক তদন্তৰ বাবে চৰকাৰে কিয় ভয় খাইছে সেই কথা নিহাৰ ৰঞ্জন সৰকাৰে সদুত্তৰ দিব নোৱাৰিলে। সংঘৰ্ষৰ অৱসান হোৱা নাই। নগাওঁৰ শগুনবাহীত চাৰিজন লোকৰ প্ৰাণ নাশ হয়। বোমা বিস্ফোৰণৰ ফলত কেইবা ঠাইতো সন্ত্ৰাস বিৰাজ কৰে। খোৱাঙত এজন বৃদ্ধ লোক মৃত্যুৰ মুখত পৰে। কলং নদীৰ ওপৰত দুজন অচিনাক্ত লোকৰ মৃতুদহে উদ্ধাৰ হয়। জামুগুৰিহাটত হৰিপদ দাস নামৰ এজন লোকৰ মৃতদেহ ৰাস্তাৰ কাষত উদ্ধাৰ হয়। ৰাজ্য চৰকাৰে ১৮ জন পুলিচ বিষয়াক বৰ্খাস্ত কৰে। অতুল বৰা, ললিত ৰাজখোৱা, হবিবুৰ ৰহমান, ফজলুল হক শইকীয়া, তিলক বৰুৱাক পুলিচে কোনো কাৰণ নোহোৱাকৈ আটক কৰে। ফেব্ৰুৱাৰীৰ ১১ তাৰিখে পুলিচৰ গুলীত মৃত্যু বৰণ কৰা বাঘমৰাৰ গিৰিশ সুত, গোবিন্দ দাস, উপেন দাসক শ্বহীদ ঘোষণা কৰা হয়।

ইতিমধ্যে নিৰ্বাচনী আয়োগৰ গৃহমন্ত্ৰালয়লৈ প্ৰেৰণ কৰা এক সুদীৰ্ঘ টোকা (অসমৰ নিৰ্বাচনৰ সম্পৰ্ক) অটল বিহাৰী বাজপেয়ীয়ে পি. চি. চেঠীৰ অসহযোগ আৰু মিছাৰ আশ্ৰয় লোৱা সত্ত্বেও সদনত দাখিল কৰে আৰু কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মনোবৃত্তি উদং কৰিবলৈ সক্ষম হয়।

"The E.C. was firmly of the view that efforts should continue to resolve urgently the burning problem of foreign nationals before

the electoral rolls were finally revised intensively. The complex and legal question of citizenship cannot be determined under the representation of peoples Act of 1951 alone unless positive documentary evidence based on relevant provisions of law governing citizenship was forth coming. Once the election process starts the E.C. could not interfere with it. The normal requirement for adjornment of the poll in specified constituencies was that the presiding officers or the returning officers to first adjourn it and approach to Commission for fixing a date for the adjourned poll or repoll. Thus the first legal initiative lies on the P.O. or R.O. or CEO who should take action for adjournment and see ex-post facto approval of the E.C.

ৰাজ্যিক পৰ্যায়ৰ নিৰ্বাচনী মুখ্য বিষয়া বা ৰিটাৰ্ণিং বিযয়াসকলে অসমৰ জনসাধাৰণৰ মতক শ্ৰদ্ধা কৰি বৰং অৱজ্ঞা কৰি কোনো ৰাজনৈতিক দলক সহায় কৰা বাবে যি কাম কৰিলে তাৰ বাবে তেওঁলোক নিশ্চয এদিন অনুতপ্ত হ'ব নাইবা এইসকল বিষয়াই নিৰ্বাচনী আয়োগৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই নিৰ্বাচন বন্ধ কৰাৰ বাবেও সাহ গোটাব নোৱাৰি এক লোমহৰ্যক ৰক্তাক্ত নিৰ্বাচনত গুৰুত্ব দিলে তাৰ বাবেও এদিন তেওঁৰ কোনোবা উত্তৰ পুৰুষে জবাব দিবলৈ বাধ্য হ'ব ই নিশ্চিত। গণতন্ত্ৰত প্ৰজাৰ মতক অশ্ৰদ্ধা কৰা বাবে বহু সময়ত বহুজনে মূল্য দিবলৈ বাধ্য হৈছিল। পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ লোকে তেওঁলোকৰ ৰাষ্ট্ৰদূতাবাসৰ সন্মুখত বা অন্য ঠাইত অসমত নিৰ্বাচন জাপি দিয়া অবৰ্ণনীয় ধ্বংস যজ্ঞৰ বাবে কেন্দ্ৰীয় চৰকাৰক দোষাৰোপ কৰে আৰু অসমবাসীক সমবেদনা জনায় আৰু অসমৰ আন্দোলনক সমগ্ৰ পৃথিৱীতে এক বিৰল ঘটনা বুলি বৰ্ণনা কৰে।

লাল কৃষ্ণ আদৱনীয়ে ৰাজ্যসভাত অসমৰ নিৰ্বাচনক এক অতি ভয়াবহ আৰু সবাতকৈ ৰক্তাক্ত নিৰ্বাচন বুলি বৰ্ণনা কৰে আৰু নিৰ্বাচনী আয়োগৰ টোকাৰ প্ৰতি চৰকাৰে কোনো গুৰুত্ব প্ৰদান নকৰাত চৰকাৰক জগৰীয়া কৰে।

"The Election Commission clearly told the Govt. on many occasions that the situation in Assam was not ideal for holding election but they were conducting it only because the state administration insisted that polling could be organised." P.T.I.

সদৌ অসম ছাত্ৰ সন্থাৰ ঘোষণা ঃ ১৯৮৩ চনৰ এপ্ৰিল মাহৰ এক তাৰিখৰ পৰা

ৰাজ্যখনত শান্তি প্ৰতিষ্ঠাৰ বাবে এক সক্ৰিয় কাৰ্যসূচী লয় আৰু আন্দোলনৰ কাৰ্যসূচী স্থগিত ৰাখে। শান্তি সম্প্ৰীতিৰ বাবে ১। সাহায্য বিতৰণ, ২। পুনৰ সংস্থাপন আৰু ৩। সংহতিৰ বাবে কাম কৰিবলৈ অসমৰ সমূহ জনগণক বিশেষকৈ ছাত্ৰ সমাজক আহ্বান জনায়। কোনো কোনো বিশেষ স্থানলৈ সদিচ্ছা প্ৰকাশৰ বাবে যাবলৈ আৰু পৰেক জোৰা কাৰ্যসূচী ল'বলৈ স্থিৰ কৰে। এই সদিচ্ছামূলক ভ্ৰমণৰ সময়ত বিভিন্ন সম্প্ৰদায়ৰ লোকৰ দ্বাৰা ভাগ কৰি যাবলৈ প্ৰস্তুতি চলোৱা হয়। স্কুল-কলেজৰ স্বাভাৱিক অৱস্থা ঘূৰাই আনিবলৈ চৰকাৰক দাবী জনোৱা হয়। লগতে অবৈধ চৰকাৰৰ লগত কোনো প্ৰকাৰৰ সহযোগ নকৰাৰ সিদ্ধান্ত বাহাল ৰাখে। ৩০ মাৰ্চত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী ভ্ৰমণলৈ আহোতে কোনো প্ৰকাৰৰ সহঁাৰি নজনাবলৈ আহ্বান জনোৱা হয় আৰু ক'লা পতাকা প্ৰদৰ্শন কৰাৰ সিদ্ধান্ত লোৱা হয়। ৩০ মাৰ্চৰ দিনটো শোকৰ দিন হিচাবে পালন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনোৱা হয় আৰু সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰাৰ ঘোষণা কৰে। এক এপ্ৰিল ১৯৮৩ ত নুমলীগড়ৰ ওচৰৰ পংকাত ৭ জন নিৰীহ যুৱকক গুলীয়াই হত্যা কৰা হয়।

১৩ এপ্ৰিল তাৰিখে অসম আৰু ভাৰতৰ বিভিন্ন প্ৰান্তত অসমৰ অন্যায় বিৰোধী কমিটীয়ে অসম দিৱস হিচাবে পালন কৰাৰ সিদ্ধান্ত পুনৰ ঘোষণা কৰে। এই দিনটোতে কুখ্যাত জালিয়ানৱালাবাগৰ শোকাবহ ঘটনা সংঘটিত হৈছিল। এই দিৱসতে ৰাজ্যখনৰ অবৈধ চৰকাৰ ভঙ্গ কৰাৰ দাবী কৰাৰ বাবেও ঘোষণা কৰে স্বামী অগ্নিবেশে যাতে অসমৰ কোনো লোকে অকলশৰীয়া অনুভৱ কৰিবলগীয়া নহয়। ২৭ মাৰ্চ তাৰিখে কংগ্ৰেছ (চোচিয়েলিষ্ট) দলৰ কাৰ্যনিৰ্বাহকে (পি. টি. আই) এটা প্ৰস্তাৱ গ্ৰহণ কৰে আৰু তাত দাবী কৰে- "a thorough probe by a sitting Supreme Court Judge and called upon E.C. to refer the charges to the S.C. about the massive abuse and violation of the electoral process in Assam so that people's faith in free and fair election can be restored and the perpetrators of fraud could be found out."

শান্তিৰ বাতাবৰণ ঘূৰাই আনিবলৈ সংগ্ৰামী সকলে কৰা আপ্ৰাণ চেষ্টা সত্বেও ৰাজ্যখনত বিভিন্ন প্ৰান্তত হিংসাত্মক ঘটনা অব্যাহত আছে। নিজ খিঙৰ দুজন কৃষকক অস্ত্ৰধাৰী লোকে নিহত কৰে। গোলাঘাটৰ ওচৰত ২৯ মাৰ্চত ১১ জন লোকে মৃত্যু বৰণ কৰে। ১০ জন আহত হয়। ৫০ টা ঘৰ ভস্মীভূত কৰা হয়। বৰবিলাত ৩১ টা জুপুৰীত অগ্নি সংযোগ কৰে। হাজোৰ ওচৰত দুটা শক্তিশালী বোমা নিক্ষেপ কৰাৰ ফলত দহ জন লোকৰ প্ৰাণ নাশ হয় আৰু পোন্ধৰজন আহত হয়। কামপুৰত ৰেল দুৰ্ঘটনা সংঘতিত কৰাৰ ফলত পাঁচজন লোক আহত হয়।

মাৰ্চৰ ৩০ তাৰিখে ভূপেন ডেকাৰ আদ্যশ্ৰাদ্ধ পালন কৰা হয়। গোৱালপাৰাৰ ছাত্ৰ সন্থাই ২৭ জনক শ্বহীদ ঘোষণা কৰে। তেওঁলোক হ'ল- হৰেশ্বৰ ৰয়, মণিকান্ত ৰয়, বনমালী সিনহা, গোকলং ৰাভা, উমাচৰণ ৰাভা, হিৰেন্দ্ৰ কুমাৰ ৰাভা, পৰমেশ্বৰ ৰাভা, ফাগুনা ৰাভা, জেলপান ৰাভা, কৰ্ম ৰাভা, ক্ষিৰোদ তামাং, পানীয়া ৰয়, ৰুদ্ৰমোহন ৰয়, নৰেশ্বৰ দাস, নবীন চন্দ্ৰ বৰুৱা, বীৰেন ৰয়, জোলাৰাম সূত্ৰধাৰ, মহেন্দ্ৰ ৰাভা, লাটুৰাম ৰয়, কালিয়া সূত্ৰধাৰ, ধৰণীধৰ ৰয়, নৱকুমাৰ ৰয়, কবিন ৰয়, অনিল বৰুৱা, পিৰেন ৰয়, হৰেন দাস, তগৰু সূত্ৰধৰ।

তলত উল্লেখ কৰা লোকসকল নিৰুদ্দেশ হৈ ৰয়।

চেফাতু বৰ্মন, নৰেশ্বৰ ৰয়, যোৎস্না মেধি, মালতী দাস, বিকৰ্ণৰ নাথ।

বালবিজয়ৰ আবেদন ঃ মাৰ্চ ৩০- বিনোৱাজিৰ মুখ্য সচিব বালবিজয়ীয়ে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি সংঘৰ্ষ জৰ্জৰিত অসমৰ অৱস্থা অধ্যয়ন কৰি এক অতি গুৰুত্বপূৰ্ণ মন্তব্য কৰে।

12 years ago Vinobaji had given a hint of a problem that might arise out of the ceaseless foreigners infiltration into Assam and I was worried and pained to see that the problem had actually taken place and it has assumed a dreadful shape today.

It is a matter of pride that the young men of AASU have been able to draw the attention of the whole country and the Central Govt. to this great national problem by their firm and nonviolent movement. He further added that Gram Sabhas will have to be formed in all villages and fearless Shanti Sena will have to be formed in every village to protect the state from aggression.

বিদেশমন্ত্ৰী পি. ভি. নৰসিংহৰাওৰ স্পষ্টীকৰণ (৩১ মাৰ্চ, পি. টি. আই) ঃ অসমৰ জ্বলন্ত বিদেশী নাগৰিকৰ সমস্যাটোৱে কি ৰূপ ধাৰণ কৰিছে আৰু সেই ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে কেনে নিষ্ঠুৰতা অৱলম্বন কৰি গণতান্ত্ৰিক প্ৰক্ৰিয়াকে ধ্বংস কৰিছে সেই কথা ৰাষ্ট্ৰসংঘত যে ভাৰতীয় ৰাষ্ট্ৰদুতে ক'বলৈ বাধ্য হৈছে। তাৰ এটা বক্তব্য বিদেশ মন্ত্ৰী পি.ভি. নৰসিংহ ৰাৱে লোকসভাত এইদৰে দিয়ে- The Indian Ambassador in the United States did not appear before the Human Right Sub-committee of the House of Representatives, but he met ref. members of the Congress together some congressional aides on Capital Hill on March 24. Of the Congres men

present. Mr. Lavine of California be longed to the International Organisation and Human Rights sub-committee. ইয়াক যেনে ধৰণে লুকাবলৈ চেষ্টা নকৰক কিয় কেন্দ্ৰীয় চৰকাৰে এই অপবাদৰ পৰা নিস্কৃতি কোনো কালেই লাভ কৰিব নোৱাৰিব।

গুৱাহাটী উচ্চ ন্যায়ালয়ত অসমৰ নিৰ্বাচনক প্ৰত্যাহ্বান জনায় লক্ষেশ্বৰ গোহাঁইয়ে ঃ সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ আধাৰত ভাৰতীয় জনতা পাৰ্টিৰ অসম ৰাজ্যিক সভাপতি নিৰ্বাচনী প্ৰক্ৰিয়াক প্ৰত্যাহ্বান জনায় আৰু ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশে নিৰ্বাচনী আয়োগক তলৰ বিষয়কেইটাৰ ওপৰত কাৰণ দৰ্শাবলৈ নিৰ্দেশ দিয়ে।

১। ভোটাৰ তালিকা সংশোধন নকৰাকৈ কেনেকৈ নিৰ্বাচন পাতি প্ৰতিনিধি নিৰ্বাচিত কৰিব পাৰি।

২। তেনেদৰে নিৰ্বাচিত প্ৰতিনিধি ন্যায় সঙ্গত আৰু নীতিগতভাৱে কাম কৰাৰ অধিকাৰ আছেনে?

৩। এক বৃহৎ সংখ্যক বিদেশী নাগৰিকে ১৯৭৯ চনৰ ভোটাৰ তালিকাত অবৈধভাৱে নাম সুমুৱাইছে যিটো কথা নিৰ্বাচনী আয়োগে ১৯৭৮ চনত নিজে স্বীকাৰ কৰিছে।

৪। নিৰ্বাচনৰ সময়ত ৰাজ্যখনত মুক্ত আৰু নিকা নিৰ্বাচন হোৱাৰ কোনো সম্ভাৱনা নাছিল আৰু বন্দুকৰ গুলীৰ আগত এই নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল।

গোলাঘাটৰ ৰজাবাৰীত (পংকা হত্যাকাণ্ড হিচাবে জনাজাত) এক এপ্ৰিল ৮৩ ত পুলিচৰ গুলী চালনাত সাতজন লোকৰ মৃত্যু হয় আৰু তেৰজন আহত হয়। এইয়া নিৰ্বিচাৰ গুলীৰ পৰিণতি। আচলতে নিজ গাওঁত পহৰা দিয়া লোকৰ ওপৰত গুলী চালনা কৰি এই মৃত্যু ঘটায়। মৃতসকল হ'ল- হৰেন শইকীয়া, ভদ্ৰেশ্বৰ শইকীয়া, জিতেন শইকীয়া, মণি শইকীয়া, দীনেশ্বৰ শইকীয়া, বলো কাটোৱাল, তিখৰ বৰুৱা। (পি.টি.আই তিনি এপ্ৰিলৰ বাতৰি)।

গৃহমন্ত্ৰীৰ স্বীকাৰোক্তি ঃ তিনি এপ্ৰিলত পি. টি. আইৰ বাতৰিত প্ৰকাশ যে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে সংসদৰ মজিয়াত যি প্ৰতিবেদন দাখিল কৰে তাত দুখ প্ৰকাশ কৰি কয় যে এটা সৰ্বসন্মত সমাধান উলিয়াব পৰা নগ'ল যাৰ সহায়ত অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ এটা সুমীমাংসা হ'ব পাৰে। গৃহমন্ত্ৰালয়ে প্ৰকাশ কৰে যে ১৯৭১ চনৰ পিছত অসমত প্ৰৱেশ কৰা ১৪৭৫ জনক বহিস্কাৰ কৰা হৈছে আৰু ৪১৮৯ জনক বিদেশী বুলি চিনাক্ত কৰা হৈছে ১৯৮২ চনৰ ১৫ ডিচেম্বৰৰ ভিতৰত।

প্ৰফুল্ল মহন্ত আৰু ভৃগু ফুকনৰ মন্তব্য ঃ এই ছাত্ৰনেতা দুজনে দাবী কৰে যে

১৯৮৩ চনৰ ফেব্ৰুৱাৰীৰ ১০ তাৰিখলৈ অসমৰ আন্দোলন সম্পূৰ্ণৰূপে হিংসামুক্ত আছিল আৰু ১১ ফেব্ৰুৱাৰীৰ পৰা ক্ৰমাম্বয়ে হিংসাই এক ভয়ানক ৰূপ ধাৰণ কৰে। তাৰ প্ৰকৃত কাৰণ উলিয়াবলৈ ভাৰতৰ সাংসদ সকলক অনুৰোধ জনায় যাতে এটা নিৰপেক্ষ তদন্তৰ সহায়ত ইয়াৰ কাৰণ নিশ্চিত কৰিব পাৰে। চমৰীয়া আৰু গহপুৰত একে সময়তে কেনেকৈ এক ভয়ানক সংঘৰ্ষ হ'ব পালে আৰু নেলীত তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ পালে তাকো নিশ্চিত কৰিবলৈ নিষ্ঠাবান আৰু সৎ বিষয়াৰ দ্বাৰা তদন্ত কৰিবলৈ আবেদন জনায়। নেতা দুজনে আৰু কয় যে ১১ ফেব্ৰুৱাৰীতেই এজন নেতাই ৰক্তৰ সলনি ৰক্তৰে প্ৰত্যুত্তৰ দিবলৈ বিদেশী নাগৰিকক উচটনি দিছিল আৰু নিৰ্বাচনত অংশ গ্ৰহণ কৰা ৰাজনৈতিক দলবোৰৰ নেতা-নেত্ৰীসকলে অসমত জুই জ্বলোৱাৰ বাবে যে দায়ী তাত অকণো সন্দেহ নাই। সেই বাবে 'ইফ দেয়াৰ হেশুচ আৰ ক্লিন' নিৰপেক্ষ বিচাৰ কৰাত কোনো ধৰণৰ সংকোচ কৰাৰ প্ৰশ্ন নুঠে।

ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত এতিয়াও হিংসাত্মক ঘটনা ঘটাৰ বাতৰি প্ৰকাশ পাইছে। ৭ এপ্ৰিলত প্ৰকাশ পোৱা বাতৰি মতে গোৱালপাৰা জিলাৰ কোকৰাঝাৰ আৰু বিজনীত সংঘৰ্ষ হয়। এঠাইত দহজনে মৃত্যুবৰণ কৰে আৰু এঠাইত দুজনে মৃত্যু বৰণ কৰে। ৫০০০ মানুহ গৃহহীন হৈ পৰে আৰু ১২০০ ঘৰ ভস্মীভূত কৰা হয়। এই মৃতকসকলৰ দুজন পুলিচৰ গুলীত নিহত হয়। উত্তৰ লক্ষীমপুৰৰ বঙালপাৰাত এটা বোমা বিস্ফোৰণ ঘটে এপ্ৰিলৰ ৬ তাৰিখে। দুজন মানুহৰ মৃত্যু হয়। এটি শিশু আহত হয়। তেজপুৰৰ হাজৰাপাৰাত এজন শ্ৰমিকৰ মৃত্যু হয়। আনহাতে (আমছু)ৱে অসমৰ ঘটনাৰ বাবে আন্দোলনৰ নেতৃবৰ্গক দায়ী কৰে আৰু তদন্তৰ দাবী জনায়।

এপ্ৰিলৰ ৬ তাৰিখে অধ্যাপক মধু দণ্ডাৱতে গুৱাহাটীৰ জজ খেলপথাৰত জনসাধাৰণক সম্বোধন কৰিবলৈ আগতীয়াকৈ প্ৰচাৰ কৰিছিল কিন্তু কংগ্ৰেছ চৰকাৰে অনুমতি প্ৰদান নকৰিলে।

প্ৰধানমন্ত্ৰীয়ে তদন্ত নকৰে ঃ প্ৰধানমন্ত্ৰীয়ে নিৰ্বাচনৰ সময়ত কৰা মন্তব্য আৰু তেওঁ প্ৰেৰণ কৰা নেতৃবৰ্গৰ প্ৰচাৰ অভিযানৰ ভাষণে অসমত কি ভয়ানক সমস্যাৰ সৃষ্টি কৰিলে এই কথা যে নিৰপেক্ষ তদন্তৰ দ্বাৰা প্ৰকাশ পাব আৰু জনসাধাৰণৰ ইচ্ছাৰ বিৰুদ্ধে জাপি দিয়া নিৰ্বাচন যে তেওঁৰ জীৱনৰ অন্য এক চৰম কলংক হিচাবে পৰিগণিত হ'ব সেই কথা জানিয়ে Indian Institute of Mass Communication ৰ কেইবাগৰাকী বিশেষজ্ঞই প্ৰধানমন্ত্ৰীক এক নিৰপেক্ষ তদন্তৰ দাবী কৰোতে কোনো বিশেষ যুক্তি নোহোৱাকৈ তাক প্ৰত্যাখ্যান কৰে আৰু বিৰোধী দলবোৰক সমালোচনা কৰে। আন্দোলনৰ নেতৃবৰ্গকো বেয়াকৈ সমালোচনা কৰে। ভাৰতৰ স্বাধীনোত্তৰ কালত এনে প্ৰধানমন্ত্ৰীয়ে জাতিটোৰ প্ৰ' তৰ সলনি যে ধ্বংসহে মাতি অনাৰ বাবে

বদ্ধপৰিকৰ, দেশখন থানবান কৰাৰ এয়া এক বিকৃত মানসিকতাৰ উদাহৰণ তাক অধিক ভাষাৰে বুজোৱাৰ কোনো প্ৰয়োজন নাই।

৭ এপ্ৰিলৰ কৰুণ ঘটনা ঃ দক্ষিণ শৰণীয়াত কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি হলধৰ পাঠকৰ ঘৰত এটা শক্তিশালী বোমা বিস্ফোৰণ হয়। ইয়াৰ ফলত আৰ্য্য বিদ্যাপীঠ কলেজৰ অনিল ডেকা (বি.এ. দ্বিতীয়বাৰ্ষিক) আৰু মহঃ মতিউৰ ৰহমান (আৰ্য্য বিদ্যাপীঠ উঃমাঃকৰ একাদশ শ্ৰেণীৰ ছাত্ৰৰ মৃত্যু হয়) পাঠকৰ ল'ৰা শৈলেন পাঠক গুৰুতৰ ভাৱে আহত হয়।

অসম চৰকাৰৰ কাণ্ড ঃ ৭ জন ৰাজপত্ৰিত বিষয়াক অসম চৰকাৰে বৰ্খাস্ত কৰে। তেওঁলোক হ'ল- কে.কে. হাজৰিকা, টি. শৰ্মা, কে. ঠাকুৰীয়া, আৰ. শইকীয়া, শ্ৰীমতী আৰ. শইকীয়া, এম. মিশ্ৰ, জে.পি. চেতিয়া।

আকৌ মৃত্যু ঃ গোৱালপাৰা জিলাৰ পলাশ কান্দি আৰু ভবানীপুৰত ১৫০ জনীয়া দলৰ আক্ৰমণত চাৰিজন লোকৰ মৃত্যু হয় ৮ এপ্ৰিল তাৰিখে। ৫০ টা ঘৰ জ্বলাই দিয়া হয়। চাপৰত অন্য এটা ঘটনাত ১০০ টা ঘৰ জ্বলাই দিয়ে। পুলিচৰ গুলী চালনাত এজনে মৃত্যুবৰণ কৰে, তিনিজন আহত হয়।

মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ মন্তব্য ঃ পি. টি আই "এপ্ৰিলৰ ১০ তাৰিখে আছু আ গছুৰ ভিতৰত সন্ত্ৰাসবাদীও আছে। (এক্সট্ৰিমিষ্ট এলিমেণ্টচ্) আৰু তেওঁলোকে অসমৰ বিভিন্ন ঠাইত সংঘৰ্ষবোৰ ঘটাইছে। এই সংগঠনৰ সৈতে বহু পৰিমাণে (আৰ.এচ.এচৰ) প্ৰত্যক্ষ সহযোগ আছে। There are definite evidence that murders are commited in a planned way with trained hands behind." হাজো আৰু দক্ষিণ শৰণীয়াৰ ঘটনাই তাক প্ৰমাণ কৰে বুলি কয়। গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ পৰা উদ্ধাৰ কৰা এখন কাগজত ৫০০০ শত্ৰুক নেলীত নিধন কৰা বুলি তাত উল্লেখ থকা বুলি কয়।

হোমেন বৰগোহাঁই আৰু আজকালৰ সম্পাদকক জাননী জাৰি ঃ হোমেন বৰগোহাঁই আৰু আজকালৰ সম্পাদকক প্ৰফুল্ল মহন্তই কৰা আবেদনৰ ওপৰত শুনানীৰ বাবে জাননী জাৰি কৰে নগাঁৱৰ প্ৰথম শ্ৰেণীৰ দণ্ডাধীশ হৰেশ্বৰ বৰুৱাই ভাৰতীয় দণ্ডবিধি আইনৰ ৫০০ নম্বৰ ধাৰাত, ২৯ এপ্ৰিল তাৰিখে।

চিত্ত বসুৰ মন্তব্য (পি. টি. আই, ১১ এপ্ৰিল) ঃ ফৰওৱাৰ্ড ব্লকৰ সাংসদ চিত্ত বসুৱে সংসদৰ মজিয়াত আছু আৰু আ গছুৰ সৈতে ফলপ্ৰসু আলোচনাৰ বাবে বিভিন্ন ৰাজনৈতিক দলে দিয়া পৰামৰ্শৰ বিপৰীতে এক অদ্ভুত মন্তব্য কৰে। ভাৰত চৰকাৰে দুবাৰ চিন্তা কৰি চোৱা উচিত আলোচনা কৰাৰ আগতে। কাৰণ এই দুয়োটা সংগঠনে দেশৰ স্বাৰ্থত কাম কৰা নাই বৰং ব্ৰহ্মপুত্ৰ উপত্যকাত গেৰিলা যুদ্ধহে আৰ.এছ.এচৰ

সৈতে কৰাত সহযোগ আগবঢ়াইছে। সন্তোষ মোহন দেৱে এই মতক সমৰ্থন কৰা নাছিল বৰং পি. টি. চি. এ. আৰু সংখ্যালঘুৰ প্ৰতিনিধিক আমন্ত্ৰণ কৰিবলৈ পৰামৰ্শ দিছিল।

স্বেচ্ছাসেৱী দলৰ ভাৰত ভ্ৰমণ চাইকেল যাত্ৰাৰে : (১১ এপ্ৰিল, পি. টি. আই)- ৰাজঘাটৰ পৰা আৰম্ভ কৰি এপ্ৰিলৰ ১৩ তাৰিখে এক স্বেচ্ছাসেৱী দলে মথুৰা, আগৰা, টোৱা, কানপুৰ, এলাহাবাদ, বাৰানসী, পাটনা, শিলিগুৰি, কোচবিহাৰহৈ গুৱাহাটীলৈ যাত্ৰা কৰিছে আৰু ভাৰতবাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছে যে যদিহে অসমৰ বিদেশী নাগৰিকৰ সমস্যাটো ভাৰতবাসীয়ে অনুভৱ কৰি কাৰ্য ব্যৱস্থা নলয় তেনেহ'লে অসম ভাৰতীয় মানচিত্ৰৰ পৰা নিশ্চিহ্ন হৈ যোৱাৰ সম্ভাৱনা আছে।

Pan Islamic conspiracy with institutional links exist : এজন মুখ্যমন্ত্ৰীৰ দ্বাৰা ষড়যন্ত্ৰ কিমান গভীৰ হ'ব পাৰে তাৰ প্ৰকাশ ঘটে বিভিন্ন বাতৰি মাধ্যমত।

হিতেশ্বৰ শইকীয়াৰ দ্বাৰা পৰিৱেশন কৰা পৰিসংখ্যা :

১৪৮৩ জনৰ মৃত্যু (জানুৱাৰী ৭ ৰ পৰা মাৰ্চৰ ২৮ লৈ)

পুলিচৰ গুলী চালনা -	১৫৭ টা
সংঘৰ্ষ-	১৩২৬ টা
আহত লোকৰ সংখ্যা-	৮০৫ জন।
আক্ৰমণৰ ঘটনা-	৩৬ টা মাৰ্চ মাহত।
ভস্মীভুত ঘৰৰ সংখ্যা-	১৯৫৭ টা মাৰ্চ মাহত
ক্ষতিগ্ৰস্ত পৰিয়াল-	২৩৪ টা, মাৰ্চ মাহত।
বোমা বিস্ফোৰণ-	৩৭ টা
আটক কৰা লোকৰ সংখ্যা-	৯৮৯ জন।
মাৰণাস্ত্ৰ উদ্ধাৰ-	৩৯ টা।

নিবাৰণ বৰাই ১৩ এপ্ৰিলত অসমৰ নিৰ্বাচন "ভয়দ" বুলি ৰিট আবেদন উচ্চ ন্যায়ালয়ত দাখিল কৰে।

১৩ এপ্ৰিলত পবীন্দ্ৰ ডেকাক এন. এচ. এত আটক কৰে। এইবাৰ বহাগ বিহুৰ কেৱল সন্মান ৰক্ষা কৰা হ'ব আৰু কোনো ধৰণৰ উলহ-মালহ আৰু বৰ্ণাঢ্য অনুষ্ঠান নহ'ব বুলি সিদ্ধান্ত লোৱা হয়। ইয়াৰ মূল কাৰণ এনে হ'ব পাৰে যে যদিহে অসম থাকে অসমীয়াও থাকিব আৰু তেতিয়া দুৰ্দিন অতিক্ৰম কৰি বাপতি সাহোন সজাব পৰা যাব আৰু যদি অসম নাথাকে কোনেনো বহাগক আদৰিব? অসমবাসীৰ সন্মুখত সেই প্ৰত্যাহ্বান।

Peoples Union of Civil Liberties (PUCL) ৰ আহ্বান : অসমৰ

প্ৰতি যে এক দুৰ্যোৰ অন্যায় কৰা হ'ল, ভাৰতীয় গণতন্ত্ৰৰ মৰ্যাদা যে অৱনমিত কৰা হ'ল আৰু অসমবাসীৰ ওপৰত এখন অবৈধ চৰকাৰ জাপি দিয়া হ'ল তাৰ প্ৰতিবাদত পি. ইউ. চি. এল. এ. এক আহ্বান জনাইছে। অবৈধ চৰকাৰখন বৰ্খাস্ত কৰিবলৈ ভি. এম. তাৰকুন্দে, কুলদীপ নায়াৰ আৰু কে. জি. কুন্নাইৰামে অসমৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি দুৰ্গত সকলৰ লগত কথা পাতি কেইটামান ভাল পৰামৰ্শ আগবঢ়াইছে।

১। অসমৰ বিধান সভা ভঙ্গ কৰি দিব লাগে বা নিলম্বিত কৰি ৰাখিব লাগে, যেতিয়ালৈকে এক সন্মানজনক সমাধান নোলায়।

২। আন্দোলনৰ নেতৃবৰ্গৰ লগত ফলপ্ৰসূ আলোচনাৰ ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰিব লাগে।

৩। ১৯৭১ চনৰ পিছত ৰাজ্যখনত প্ৰৱেশ কৰা বিদেশীবোৰ বিতাৰণ কৰিব লাগে।

৪। ১৯৬১-১৯৭১ চনত প্ৰৱেশ কৰা বিদেশী নাগৰিকক বিভিন্ন ৰাজ্যত সংস্থাপিত কৰিব লাগে।

৫। প্ৰতিটো বিধান সভা সমষ্টিতে ট্ৰিবিউনেল গঠন কৰিব লাগে আৰু তাৰ সভাপতি গৰাকী অসমীয়া বা বঙালী সম্প্ৰদায়ৰ হ'ব নালাগে।

ভাৰতীয় জনতা পাৰ্টিৰ কাৰ্যনিৰ্বাহকেও ত্ৰিপাক্ষিক আলোচনা আৰম্ভ কৰি অসমৰ জ্বলন্ত সমস্যাটো সমাধান কৰিবলৈ আহ্বান কৰিছে আৰু আন্দোলনৰ নেতৃবৰ্গৰ বিৰুদ্ধে মেন্দাচিয়াচ প্ৰপাগেন্দাৰ বিৰুদ্ধে সাৱধান কৰি দিছে। ১৭ এপ্ৰিল তাৰিখে অটল বিহাৰী বাজপেয়ীয়ে এইদৰে কয়— the grievous blows being dealt to the body and soul of India by Indira Gandhi Govt. could well become irreversible if that party continued in power for long. Who but she was responsible for holding the elections in Assam which had led to so much bloodshed.

৭ জনীয়া দলৰ অসমলৈ সদিচ্ছামূলক ভ্ৰমণ ঃ পি. টি. আই ১৭ এপ্ৰিল- অসমৰ পৰিস্থিতি অধ্যয়ন কৰিবলৈ National Convention of Assam's Crisis গঠন কৰা হৈছিল আৰু সেই সমিতিৰ এটা সাতজনীয়া দলে ১৯ ৰ পৰা ২৫ এপ্ৰিলৰ ভিতৰত অসমৰ অৱস্থা অধ্যয়ন কৰে। এই দলৰ সদ্যস্যসকল হ'ল— চি.এচ. ৰামস্বামী, (তামিল মেগাজিন টুগলকৰ সম্পাদক, ৰামপাল সিং পূৰ্ব ভাৰত টাইম সহঃ সম্পাদক, চি.ইউ. মেহতা হিমাচল প্ৰদেশৰ মধ্য ন্যায়াধীশৰ প্ৰতিনিধি, নাৰায়ণ ৰাও বৈদ্য, মাননিহাঙ্কাৰ সম্পাদক, অধ্যাপক শেব গিৰিৰাও ওচমানীয়া বিশ্ববিদ্যালয়, অ'. পি. কহলি সভাপতি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, এইচ দত্ত

ট্ৰায়ে অখিল ভাৰতীয় বিঃ পঃ সাঃ সম্পাদক)।

অসমৰ বিভিন্ন ঠাইত স্বাভাৱিক অৱস্থা ঘূৰাই অনাত সহায় কৰিবলৈ ড° ভূপেন হাজৰিকা, ড° বি.কে. ভট্টাচাৰ্যই এটা দলক প্ৰতিনিধিত্ব কৰে। ১৭ এপ্ৰিলত অনিল ডেকা আৰু মতিউৰ ৰহমানক শ্বহীদ ঘোষণা কৰা হয় আৰু আদ্যশ্ৰাদ্ধ পাতি শ্ৰদ্ধা নিবেদন কৰে।

অসমৰ বিভিন্ন জনগোষ্ঠীয় ছাত্ৰ সংগঠনে অসম আন্দোলনলৈ পূৰ্ণ সমৰ্থন আগবঢ়াই আহিছে। ৰাজাবাৰীৰ ঘটনাৰ এক ব্যক্তিগত তদন্তৰ দাবী কৰিছে। ইফালে চৰকাৰে আন্দোলনৰ নেতৃবৰ্গক সমালোচনা কৰিছে শান্তি শৃংখলা বিনষ্ট কৰা বুলি। প্ৰফুল্ল কুমাৰ মহন্তই তাৰ তীব্ৰ বিৰোধিতা কৰিছে আৰু প্ৰত্যাহ্বান জনাইছে সত্য ঘটনা উদঘাটন কৰিবলৈ। সমস্যা সমাধান নকৰা পৰ্যন্ত অহিংস আন্দোলন চলাই যাবলৈ আচুৱে সিদ্ধান্ত লৈছে। জয়নাথ শৰ্মাক আৰ.এচ.এচ.ৰ লগত সম্পৰ্ক থকা বুলি অভিযোগ কৰিছে আৰু শৰ্মাই তাক প্ৰমাণ কৰিবলৈ প্ৰত্যাহ্বান জনাইছে।

১৯৮০ চনত বৰপেটাত পুলিচৰ গুলীত আহত হোৱা প্ৰবীন দাসে ১২ এপ্ৰিলত মৃত্যু বৰণ কৰে এক গুৰুতৰ অস্ত্ৰোপচাৰৰ অন্তত। তেঁওক শ্বহীদ ঘোষণা কৰা হয়।

Cought Red handed while planting Bomb : শিৱসাগৰত বোমা বিস্ফোৰণৰ বাবে চেষ্টা কৰোতে এজন বাংলাদেশী হাতে লোটে ধৰা পৰে। তাৰ স্বীকাৰোক্তিত প্ৰকাশ পায় যে তাৰ লগত এটা দলে অসমৰ বিভিন্ন ঠাইত বিশেষকৈ লামডিঙত, মৰিয়নী আৰু আমগুড়িত কাম কৰি আছে।

মাদাৰ টেৰেছাৰ আহ্বান : ১৮ এপ্ৰিলত মাদাৰ টেৰেছাই অসমৰ সকলো শ্ৰেণীৰ লোকক প্ৰেম বিনিময় কৰি শান্তি প্ৰতিষ্ঠা কৰাৰ বাবে আহ্বান জনায়। অনাথ শিশুক তেখেতে স্নেহালয়ত ৰখাৰ ইচ্ছা প্ৰকাশ কৰে যদিহে আপত্তি নাথাকে।

পাঠশালা আৰু নাহৰবাৰীত সংঘৰ্ষৰ ফলত ৪ জন লোকৰ প্ৰাণ নাশ হয় এপ্ৰিলৰ ১৮ তাৰিখে। কলং নদীত এটা মৃতদেহ ১৭ এপ্ৰিলত উদ্ধাৰ হয়। গোৱালপাৰাৰ বিভিন্ন ঠাইত হিংসাত্মক ঘটনা ঘটে আৰু পুলিচৰ গুলীত ৬৫ বছৰীয়া ভোলা ৰায় আহত হয় আৰু পিছত মৃত্যু হয়। খোৱাঙত ৫ জনক আক্ৰমণকাৰীয়ে হত্যা কৰে।

ব্ৰহ্মপুত্ৰৰ পানী উলিয়াই নিয়াৰ পৰিকল্পনা : এনেয়ে অসমৰ অৱস্থা সংকটজনক ভাৱে আকৌ ব্ৰহ্মপুত্ৰৰ পানী ফাৰাক্কালৈ বোৱাই নিয়াৰ এক আঁচনিৰ কথা প্ৰকাশ পায়। অসমৰ জনসাধাৰণ শঙ্কিত হৈ পৰে। থানেশ্বৰ বড়োই তাৰ প্ৰতিবাদ কৰে (সভাপতি, পি. এল. পি.)

আটছাৰ প্ৰতিক্ৰিয়া : আটছাৰ সাধাৰণ সম্পাদক ৰনোজ পেগুৰ জনজাতি সম্প্ৰদায় সকলৰ সমস্যা আৰু অসমৰ বৰ্তমানৰ সমস্যাৰ বিষয়ে আলোচনা কৰে। এই আলোচনাত জনজাতীয় সম্প্ৰদায়ৰ ভাষা সংস্কৃতি আৰু ৰাজনৈতিক অধিকাৰৰ বিষয়টোৱেও ঠাই পায়। এই আন্দোলনে অসমৰ জনগোষ্ঠী সকলৰ আশা আকাংক্ষা আৰু অধিকাৰৰ ভালেমান নতুন দিশ মুকলি কৰে আৰু সমাধানৰ পথ অধিক কষ্টসাধ্য হোৱাৰ ইঙ্গিত বহন কৰে।

Committee on Peaceful and Democratic Solution : PTI. April 12 : কমিটী এটা গঠন হয় শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে অসমৰ সমস্যা সমাধানৰ বাবে। এই সমিতিয়ে প্ৰধানমন্ত্ৰীক সমস্যা সমাধানৰ বাবে আহ্বান জনায়। তেওঁলোকে বিদেশী নাগৰিকৰ প্ৰৱেশ ৰোধ কৰিবলৈ সীমান্ত বন্ধ কৰিব লাগে আৰু ১৯৭১ চনৰ পিছত প্ৰৱেশ কৰা বাংলাদেশীবোৰক বিতাৰণ কৰিব লাগে বুলি দাবী কৰে। এই কমিটীৰ দুজন সদস্য হৰেশ্বৰ ব্ৰহ্ম আৰু অমিতাভ ৰাভাই আন্দোলনকাৰীক সমালোচনা কৰে আৰু (চৌভিনিষ্ট) বুলি অভিহিত কৰে।

নাগৰিকৰ স্বাধীনতা হৰণ : ২২ এপ্ৰিলৰ পৰা প্ৰয়োগ হোৱাকৈ এমাহৰ বাবে অসমত সন্ধিয়া ছয় বজাৰ পৰা পিচদিনা ৰাতিপুৱা আঠ বজালৈ কোনোৱে মটৰ চাইকেল, স্কুটাৰ, মপেদ, অটোৰিক্সা আদি চলাব নোৱাৰিব বুলি আদেশ জাৰি কৰা হয়। এনে সিদ্ধান্তই ৰাজ্যখনৰ ওপৰত প্ৰকাৰন্তৰে জৰুৰী কালীন অৱস্থা প্ৰয়োগৰ দৰে কৰিলে। নাগৰিকৰ স্বাধীনতা স্বাধীন ভাৰতত কেনেদৰে খৰ্ব কৰিব খোজা হৈছে তাক ভাবিলেই আচৰিত হ'ব লাগে। এনে এক পৰিস্থিতিৰ মাজতে নগাওঁৰ মৰিকলং চাৰিআলিত নিৰ্মাণ কৰা শ্বহীদ স্তম্ভ এটা পুলিচে বৰ্বৰতাৰে ভাঙি চুড়মাৰ কৰে। স্বাধীনতা সংগ্ৰামত বৃটিছ সৈন্যবাহিনীয়ে কৰা নিৰ্যাতনৰ ই এক অনুৰূপ অৱস্থা। পাৰ্থক্য হ'ল বৃটিছে পৰাধীন ভাৰতীয়ৰ ওপৰত দেশীয় পুলিচৰ হতুৱাই কৰাইছিল আৰু হিতেশ্বৰ শইকীয়াই স্বাধীন ভাৰতৰ পুলিচৰ হতুৱাই স্বাধীন ভাৰতৰ নাগৰিকৰ ওপৰত এনে বীৰত্ব প্ৰকাশ কৰিছে। ইহঁতে কিন্তু বিদেশীৰ নোম এডালকে লৰাব পৰা নাই। আনহাতে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে জনসাধাৰণক বিপথে পৰিচালিত কৰিব পৰাকৈ ৰাজ্য চৰকাৰ আৰু আন্দোলনৰ নেতৃবৰ্গই আলোচনাত অংশ গ্ৰহণৰ বাবে সম্পৰ্ক ৰক্ষা কৰা বুলি বাতৰি পৰিৱেশন কৰা দেখা গৈছে। আন্দোলনৰ নেতৃবৰ্গ বিশেষকৈ প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনে অসমৰ অবৈধ চৰকাৰৰ লগত কোনো প্ৰকাৰৰ সহযোগ আগ নবঢ়াব বুলি স্পষ্টভাৱে প্ৰকাশ কৰিছে।

ইফালে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত বিক্ষিপ্ত ঘটনাবোৰ ঘটি থকাত শান্তি যে বিঘ্নিত হৈছে তাত কোনো সন্দেহ নাই। প্ৰকাৰন্তৰে এনে ঘটনা ৰাজ্য চৰকাৰৰ

পৃষ্ঠপোষকতাতে কৰা হৈছিল, কিয়নো আৰ.চি.পি আই সভ্য কেহোৰাম শইকীয়াক এটা সংঘৰ্ষত হত্যা কৰা হৈছে, জনমভূমিৰ সম্পাদকক ১৫৩ (ক) অপৰাধ শাখাৰ দণ্ডবিধি আইনৰ অধীনত আটক কৰা হৈছে (প্ৰফুল্ল বৰুৱা) অশান্তি বিয়পোৱা বুলি।

Goodwill Mission Plea for Talks : National Convention on Assam's crisis ৰ বাবে গঠন কৰা মিশ্যনে আলোচনাৰ পথ প্ৰশস্ত কৰিবলৈ বিধান সভা ভঙ্গ কৰাৰ, ন্যায়িক তদন্তৰ ব্যৱস্থা কৰা, সীমান্ত বন্ধ কৰা, ১৯৫১ চনৰ এন.আৰ.চি. আৰু ১৯৫২ চনৰ ভোটাৰ তালিকাৰ ভেটিত বিদেশী নাগৰিকক চিনাক্ত কৰণ আৰু ১৯৭১ চনৰ পিছত অসমত প্ৰৱেশ কৰা নাগৰিকক বহিস্কাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

Good will Missionৰ সদস্য সকলে এই গুৰুত্বপূৰ্ণ মন্তব্য কৰে ঃ "The problems of Assam can no longer be neglected if India is serious in defending her hard won freedom and it is not too late for the rest of India to express their solidarity with the Assamese brothers by taking some concrete and positive steps towards the solution of the problem."

NSA ত বন্দী ঃ যতীন মালি, হিৰণ্য ভট্টাচাৰ্য, অনিল কলিতা, মনিদীপ দত্ত, প্ৰিন্স হাজৰিকা, হৰিপ্ৰসন্ন মহন্ত, হীতেন গোস্বামীকো এন এচ.এ.ত আটক কৰা হৈছে। তেওঁলোকৰ মুক্তিৰ দাবী কৰা হৈছে। ললিত ৰাজখোৱাক তেখেতৰ স্বাধীনতা যুঁজাৰু ককাক ৰোসেশ্বৰ ৰাজখোৱাৰ মৃত্যু হোৱা বাবে ১০ দিনৰ পেৰোলত মুক্তি দিয়া হৈছে।

২৬ এপ্ৰিলত নগাঁৱৰ নৈনত ১৬ জন মৃতকৰ গলিত শৰীৰ উদ্ধাৰ হয়। এই হত্যাকাণ্ড, সংঘৰ্ষৰ ফল বুলি ধাৰণা কৰা হৈছে। কলিয়াবৰৰ মালৈবাৰীত এজনৰ মৃতদেহ উদ্ধাৰ হয়। এজন উচ্চ পদস্থ পুলিচ বিষয়াৰ মতে এনে ঘটনা নকমে বৰং বাৰিষা আৰু বৃদ্ধি পাব পাৰে। এই আগজাননীয়ে পুনৰ অসমক ৰক্তাক্ত পৰিৱেশলৈ চৰকাৰীভাৱে পৰিৱেশন কৰা হ'ব বুলিয়ে ইঙ্গিত বহন কৰে কাৰণ এই চৰকাৰৰ হাত ইতিমধ্যে তেজৰ দাগেৰে ৰঞ্জিত হৈ আছে।

নাগৰিকত্ব আইন সংশোধনৰ দাবী ঃ এপ্ৰিল ২৬ পি. টি. আই- অসমৰ বিভিন্ন সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰতিনিধিয়ে অসম আন্দোলনৰ নেতৃবৰ্গৰ ওপৰত পুনৰ এক অভিযোগ উত্থাপন কৰি নাগৰিকত্ব আইন সংশোধন কৰিবলৈ দাবী কৰে। তেওঁলোকে Fatal and Dangerous action লোৱা বুলি আন্দোলনকাৰীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে। এটা প্ৰতিনিধি দল, তেওঁলোকৰ অধিকাৰ সম্বন্ধে কেন্দ্ৰীয়

চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিবলৈ, পঠিয়াবলৈ সিদ্ধান্ত লয় আৰু কয় All Assam Minority Right Committee at a two day convention demanded for

(1) Amendment of Citizenship Act

(2) Formation of a Minority Development Corporation or Directorate

(3) Impartial judicial process

(4) Proper rehabilitation of the affected people in recent disturbances. The convention made a 20 member decision making body.

আনহাতে ৰেলৰে মন্ত্ৰী গণিখান চৌধুৰীয়ে এখন গোপন চাৰ্কুলাৰৰ দ্বাৰা উত্তৰ পূৱ সীমান্ত ৰেলৰ চিগনেলাৰ নিযুক্তিৰ বাবে প্ৰয়োজন হোৱা প্ৰশিক্ষণৰ বাবে কেৱল মাত্ৰ মালদাৰ যুৱককহে নিৰ্বাচন কৰিবলৈ পৰামৰ্শ দিয়ে। ইয়াৰ দ্বাৰা এইটো প্ৰমাণিত হৈছে যে অসমৰ ওপৰত সকলো প্ৰকাৰৰ অবৈধ দখল সাব্যস্ত কৰিবলৈ এক ভীষণ ষড়যন্ত্ৰ ৰচনা কৰা হৈছিল। সেই ষড়যন্ত্ৰৰ আজিও অন্ত পৰা নাই আৰু ফলস্বৰূপে অসমৰ অৱস্থা ক্ৰমাৎ জটিলৰ পৰা জটিল হৈ গৈ আছে।

আছুৰ উপ-সমিতিবোৰ ভঙ্গ কৰি দিয়া হৈছে : ভালেমান দুৰ্বলতাৰ বাবে আৰু কোনো কোনো ঠাইত সদস্যসকলে আছুৰ নিয়ম-শৃংখলা আৰু নিৰ্দেশ অমান্য কৰাৰ বাতৰি প্ৰকাশ হোৱাত কেন্দ্ৰীয় কমিটীয়ে উপ-সমিতিবোৰ ভঙ্গ কৰি দিয়ে। নুৰুল হুচেইনক উপ-সভাপতি পদৰ পৰা আছুৰ নিৰ্দেশ অমান্য কৰা বাবে অপসাৰণ কৰা হয়।

অসমৰ বিভিন্ন ঠাইত ক্ষতিগ্ৰস্ত লোক সকলৰ বাবে পুনৰ সংস্থাপন প্ৰক্ৰিয়াত আছুৱে সৰ্বাত্মক ভাৱে কামত লাগে। জনসাধাৰণক লগত লৈ সকলো অঞ্চলতে দিন ৰাতিৰ পাৰ্থক্য নৰখাকৈ দুৰ্গত সকলৰ কাষত থিয় হৈ সহায়ৰ হাত আগবঢ়ায়। ধুলা, ঠেকেৰাগুড়ি আদি অঞ্চললৈ পাণ্ডু কলেজৰ শিক্ষক ছাত্ৰৰ দ্বাৰা গঠিত এটা বৃহৎ দলে সহায় আগবঢ়ায় আৰু তাত সংঘটিত ঘটনাৰ প্ৰত্যক্ষ অভিজ্ঞতা অৰ্জন কৰাৰ বাবে এই গ্ৰন্থকাৰৰ সুযোগ মিলে।

ধুলাত ৪০ টা পৰিয়ালক অগ্নিদগ্ধ কৰে, ১২ জনৰ মৃত্যু হয়। খৰ্গেশ্বৰ বৰুৱা আৰু লোকনাথ বৰুৱা দুই ভাই ককায়েকক পকা ঘৰৰ ভিতৰত সোমাই আক্ৰমণকাৰীয়ে হত্যা কৰে। সেই পৰিয়ালৰ ৮ জন লোক নিহত হয়। ঘৰ-দুৱাৰ পুৰি ছাই কৰা হয়। কান্তিৰাম নাথক কেইবা হেজাৰ লোকে আক্ৰমণ কৰি হত্যা কৰে। মাধব নাথৰ ওপৰত আক্ৰমণ আৰম্ভ হয় তেওঁৰ চাকৰ জনৰ নেতৃত্বত।

আন্দোলন শেষ কৰিবলৈ আছু নেতাক হত্যা কৰাৰ পৰিকল্পনা ঃ ৩০ এপ্ৰিল- সেই সময়ত আৰক্ষীৰ সঞ্চালক প্ৰধান আছিল প্ৰদীপ দাস। প্ৰাক্তন আৰক্ষী অধীক্ষক প্ৰেমকান্ত মহন্তই এটা লোমহৰ্ষক বাতৰি পৰিৱেশন কৰে। তেওঁ বিশেষ সূত্ৰৰ পৰা জানিব পাৰিছে যে অসমৰ আন্দোলন "ঠাণ্ডা" কৰি দিবলৈ সৰহপৰ নালাগে। বচা বচা কেইজনমান ছাত্ৰ নেতাক 'সংঘৰ্ষত' বা 'পুলিচৰ জিম্মাৰ' পৰা পলাবলৈ চেষ্টা কৰোতে মৃত্যু বৰণ কৰে বুলি বিবৃতি প্ৰদান কৰিলেই লেঠা চিণ্ডি যাব। প্ৰদীপ দাসে এই গোপন আঁচনিৰ সন্দৰ্ভত বিশেষ মন্তব্য একো নকৰিলে যেতিয়া বিষয়টো তেখেতৰ দৃষ্টিগোচৰ কৰা হয়।

আছুৰ আবেদন ঃ সদৌ অসম ছাত্ৰ সন্থাই সকলো শ্ৰেণীৰ লোককে শান্তি সম্প্ৰীতি বজাই ৰাখিবলৈ পুনৰবাৰ আহ্বান জনায়। পৰীক্ষাৰ্থী সকলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ অনুৰোধ কৰে।

সদৌ অসম ছাত্ৰ সন্থাক সকীয়নি ঃ নুৰুল হুচেইনক উপসভাপতি পদৰ পৰা অপসাৰণ কৰা কাৰ্যক নিন্দা কৰা হয় আৰু এক পক্ষীয় বুলি ৪ জনীয়া নেতাৰ যুতীয়া বিবৃতি প্ৰকাশ কৰা হয়। সেই নেতা কেইজন হ'ল (১) নেকিবুৰ জামান (২) জেহিৰুল ইচলাম (৩) এম আহমেদ (গোৱালপাৰা) (৪) নজিৰুল ইচলাম, বোকাখাট। তেওঁলোকে আছুক সাৱধান কৰি দি কয় যে নুৰুল হুচেইনৰ ওপৰত লোৱা কাৰ্য ৰাজ্যখনৰ স্বাৰ্থত উঠাই নললে তেওঁলোকে সহযোগ প্ৰত্যাহাৰ কৰিব। এইটোৱে জনসাধাৰণক পতিয়ন নিয়াবলৈ বাধ্য কৰিলে যে সদৌ অসম ছাত্ৰ সন্থাৰ এটা অংশই সংগঠনৰ ওপৰত এক সাম্প্ৰদায়িক অভিযোগ জাপি দিবলৈ নিৰন্তৰে চেষ্টা কৰি আছে। হুচেইনৰ ওপৰত লোৱা কাৰ্য সংগঠনৰ আদৰ্শৰ পৰিপন্থী বুলি কোৱা হৈছে আৰু সেই পৰিপন্থী কাৰ্য প্ৰমাণিত নহ'লে দলৰ কেইজনমান ছাত্ৰ নেতাই প্ৰতিবাদ কৰাৰ সলনি সামগ্ৰিকভাৱে সংগঠনৰ মজিয়াতহে বিচাৰ হোৱাৰ প্ৰয়োজন আছিল।

ছাত্ৰ সংগঠনৰ সন্মুখত এক প্ৰত্যাহ্বান ঃ সদৌ অসম ছাত্ৰ সন্থা ভঙাৰ যে উপক্ৰম হৈছে আৰু আন্দোলনটো মৰ্যীমূৰ কৰিবলৈ ৰাজনৈতিক চক্ৰই দিবা নিশা কাম কৰিবলৈ আৰম্ভ কৰিছে তাৰ প্ৰমাণ লাহে লাহে পোহৰলৈ আহি আছে। সদৌ অসম ছাত্ৰ সন্থাই সুদীৰ্ঘ চাৰি বছৰ নিৰ্দ্বন্দ্ব আন্দোলনৰ পথ অতিক্ৰম কৰাৰ পিছত সংগঠনে কি নীতিৰ আধাৰত আন্দোলন কৰিব লগীয়া হৈছে তাক প্ৰকাশ কৰিবলৈ এখন স্মাৰক পত্ৰ যোগে মে' মাহৰ ১ তাৰিখে দাখিল কৰিবলৈ তলত উল্লেখ কৰা সদস্য সকলে দাবী জনাইছে। স্মাৰকপত্ৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনলৈ প্ৰেৰণ কৰিছে। স্বাক্ষৰকাৰী সকল হ'ল – (১) নুৰুল হুচেইন (২) মতিয়ৰ ৰহমান (৩) নেকিবুৰ জামান (৪) জেহিৰুল ইচলাম (৫) পীয়াৰুদ্দিন আহমেদ (৬) নবীৰুল ইচলাম আৰু আন ৫ জনে। এওঁলোকে

আছুক সাবধান কৰি দি কৈছে যে পুনৰ আছুৰ সংগ্ৰামৰ নীতি ঘোষণা কৰিব লাগে কিহৰ ভিত্তিত বিদেশী নাগৰিক চিনাক্ত কৰা আৰু বহিষ্কাৰ কৰা হ'ব। জয়নাথ শৰ্মাক সংগঠনৰ পৰা বহিষ্কাৰ কৰিবলৈ দাবী কৰা হয়। লগতে আছুৱে বিজেপি, লোকদল আৰু জনতা পাৰ্টিৰ লগত কোনো প্ৰকাৰৰ সম্পৰ্ক ৰক্ষা কৰিব নোৱাৰিব বুলি সাবধান কৰি দিয়ে।

Foreigners in Assam is a big human problem : May 1, 83: PTI : প্ৰধান মন্ত্ৰীয়ে অসম আন্দোলনৰ যথাৰ্থতা উপলব্ধি নকৰিলে। বৰং সমগ্ৰ অসমবাসীক প্ৰতাৰণা কৰাৰ এটা নতুন কৌশল অৱলম্বন কৰি মানৱতাৰ প্ৰশ্নই কেৱল নহয়, সাংবিধানিক প্ৰশ্ন এটা সন্দেহৰ আৱৰ্তলৈকে লৈ যোৱা দেখা গল আৰু সংবিধানৰ নিৰ্দেশ ভঙ্গ কৰাৰ প্ৰৱনতাও প্ৰকাশ কৰিলে। "The foreigners in Assam is a big human problem. Where can we send them. There are no real statistics about who came when. The people who came years back and their children who have grown up here, are citizens under the Constitution of India."

ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীৰ এনে মন্তব্যই কিহৰ ইঙ্গিত বহন কৰে?

(১) ভাৰতলৈ যিয়ে য'ৰে পৰা নাহক কিয় কিছুকাল থকাৰ পিছত ভাৰতীয় হৈ যাব পাৰে প্ৰধানমন্ত্ৰীৰ মতে?

(২) তেনেলোকক মানবীয় দৃষ্টি-ভঙ্গীৰে চাই গ্ৰহণ কৰিব লাগে কেৱল অসমত।

(৩) সংবিধানখনৰ আচলতে বিদেশীৰ সংজ্ঞা নিৰ্ণায়ক কৰ্তৃত্ব নাই বা থাকিলেও তাৰ অৰ্থ সালসলনি কৰিব পাৰি? অদ্ভুত যুক্তি।

প্ৰধানমন্ত্ৰীয়ে পুনৰ কৈছে— Bangladesh says that nobody has gone there from Bangladesh but that is not true because the border is such that people are constantly going and coming"...................... "India agreed to accept them as refugees in early fifties. Such infiltration continued since long and contitued to infiltrate." She also referred to a slogan at Agra "save Assam today to Save India tomorrow".

All Party National Convention On Alien Issue : May 7.

S.M. Joshi, Mohan Dharia, Devdatta Dalholkar suggested to all national parties to thrash out a solution over the 4 yr long agitation on the foreigners as a time bound programme and urged upon to resolve it so that the crisis is not further deepened. The mob attacking Samaria village near Boko started the alogan" Sonar Bangla Bokoi seema".

সমস্যা সমাধানৰ বাবে আৰ. কে. পাটিলৰ পৰামৰ্শ ঃ

তেখেতে ভাৰত চৰকাৰ আৰু আন্দোলনকাৰীক নিম্ন প্ৰস্তাৱিত পৰামৰ্শৰ আধাৰত বিদেশী নাগৰিকৰ সমস্যাটোৰ সমাধান উলিয়াবলৈ নিষ্ঠাসহকাৰে আগবঢ়াৰ বাবে আবেদন জনায়।

(১) ১৯৭১ চনৰ ২৪ মাৰ্চৰ পিছত অসমত প্ৰবেশ কৰা হিন্দু মুছলমান উভয় সম্প্ৰদায়ৰ লোকক চিনাক্ত কৰি বহিষ্কাৰ কৰিব লাগে।

(২) ১৯৬৮-১৯৭১ চনৰ সময় চোৱাত ২.৮ লাখ মুছলমান সম্প্ৰদায়ৰ লোকৰ ক্ষেত্ৰত বিতাৰণ কৰাৰ যি আদেশ ইতিমধ্যে দিয়া হৈছে তাক সফলভাবে ৰূপায়ন কৰিব লাগে।

(৩) অসমত বিদেশী নাগৰিক প্ৰবেশ কৰাৰ সঠিক সময় নিৰ্দ্ধাৰণ কৰিবলৈ অনা অসমীয়াৰে পৰিচালিত বিশেষ আদালত গঠন কৰাৰ সুবিধা দিব লাগে।

(৪) উভয় পক্ষক মাত্ৰ এবাৰহে আইনৰ সুযোগ গ্ৰহণ কৰাৰ সুবিধা দিব লাগে।

(৫) সীমান্তৰে প্ৰবেশ কৰিব নোৱাৰাকৈ পথ অৱৰোধৰ ব্যৱস্থা কৰিব লাগে সীমান্ত বন্ধ কৰি।

(৬) নদীৰে প্ৰবেশ কৰিব নোৱাৰাকৈ পহৰাদাৰী নাও ব্যৱহাৰ কৰিব লাগে।

(৭) অসমীয়া সংস্কৃতি ৰক্ষাৰ বাবে ব্যৱস্থা কৰিব লাগে।

(৮) জনজাতি লোকৰ সুৰক্ষা নিশ্চিত কৰিব লাগে।

(৯) বিধান সভা সমষ্টিৰ সীমা পুনৰ নিৰ্দ্ধাৰণ কৰিব লাগে যাতে অসমীয়াৰ হাতৰ পৰা শাসন কাঢ়ি ল'ব নোৱাৰে।

(১০) যিসকলে ভাৰতত জন্ম লাভ কৰিছে তেওঁলোকে ভাৰতীয় নাগৰিক হ'ব? পাটিলৰ গণনামতে ১৯৬১-৭১ সময় চোৱাত বিদেশী নাগৰিকৰ সংখ্যা এনে ধৰণৰ ঃ

(১) শৰনাৰ্থী ২,১৫,০০০ (এওঁলোক হিন্দু) পঞ্জীয়নবদ্ধ চৰকাৰী সাহায্য লাভ কৰিছে।

(২) স্থানান্তৰিত লোক ৬,৫০,০০০ পঞ্জীয়ন হোৱা নাই কিন্তু হিন্দু

(৩) অবৈধ অনুপ্ৰৱেশকাৰী ২৭,০০০ (মুছলমান)। আন্দোলনকাৰীক ৮,৬৫,০০০ বিদেশীক অসমত ৰখাত সন্মত কৰাব লাগে।

May 22. Assam Tribune : Assam Poll : High Price Low Yield : Poll Analysis

স্বাধীনতা যুঁজাৰুসকলৰ আঁচনি ঃ প্ৰধানমন্ত্ৰীলৈ ঃ May 23.PTI

তেওঁলোকে প্ৰধানমন্ত্ৰীলৈ এক ৯ দফীয়া কাৰ্যসূচী বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ বাবে প্ৰেৰণ কৰে।

(১) সংবিধানৰ আধাৰত নিৰ্দ্দিষ্ট আইনৰ সীমাৰ ভিতৰত থাকি ১৯৫১ চনৰ ৰাষ্ট্ৰীয় পঞ্জীক মূল প্ৰতিপাদ্য হিচাবে লৈ বিদেশী চিনাক্তকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগে।

(২)১৯৭১ চনৰ পিচত অসমত প্ৰবেশ কৰা বিদেশী নাগৰিকৰ চিনাক্তকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগে।

(৩) ১৯৫১ ৰ পৰা ১৯৬০ চনৰ সময়চোৱাত যিসকল বিদেশী নাগৰিক অসমত প্ৰবেশ কৰিলে সেইসকলক মানবীয় দৃষ্টিভঙ্গী আগত ৰাখি ভাৰতীয় নাগৰিকৰ মৰ্যাদা দি অসমতে ৰখাৰ ব্যৱস্থা কৰিব লাগে।

(৪) ১৯৬১-১৯৭১ এই সময় চোৱাত যিবোৰ বিদেশী অসমত সোমাল সেই সকলক অসমৰ পৰা স্থানান্তৰিত কৰি ভাৰতৰ অন্য ৰাজ্যত সংস্থাপিত কৰিব লাগে যাতে অসমৰ ভাষিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক সমস্যাৰ সৃষ্টি নহয়।

(৫) ১৯৬১ ৰ পৰা ১৯৬৫ চনৰ ভিতৰত যিসকল বিদেশীক অসমত শৰনাৰ্থী হিচাবে ৰখা হ'ল সেই সকলক আন্তৰ্জাতিক চুক্তি অনুসৰি অসমত ৰাখিব লাগে।

(৬) পুনৰ প্ৰবেশ যাতে কোনো বিদেশীয়ে অবৈধভাবে কৰিব নোৱাৰে তাৰ ব্যৱস্থা সুনিশ্চিত কৰিব লাগে।

(৭) অসমৰ অস্তিত্ব বিপন্ন কৰিব নোৱাৰাকৈ সাংবিধানিক সুৰক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(৮) ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ ব্যৱস্থা কেবল কেন্দ্ৰীয় চৰকাৰৰ হাতত ৰাখিব লাগে।

এই পৰামৰ্শবোৰ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা নাই আৰু কোনো ধৰণৰ গুৰুত্ব আৰোপ কৰা নাই। বৰং অসমবাসীক, ন্যায্য দাবী উত্থাপন কৰি গণতান্ত্ৰিক আন্দোলন অহিংসাভাবে কৰা বাবে আন্দোলনকাৰীৰ ওপৰত এখন অবৈধ চৰকাৰ জাপি দি নিৰ্যাতন আৰম্ভ কৰিছে পৰিকল্পিতভাৱে আৰু কোনো কালেই যাতে অসমবাসীয়ে কোনো প্ৰকাৰৰ দাবী উত্থাপন কৰিব নোৱাৰে তাৰ বাবে নিখুঁট আঁচনি ৰূপায়ন কৰি সকলো দোষ জাপি দিয়াৰ ব্যৱস্থা লৈছে। ঠায়ে ঠায়ে আন্দোলনকাৰীৰ ওপৰত আক্ৰোশমূলকভাবে অত্যাচাৰ জাপি দিয়া, নিষ্ঠুৰতা প্ৰকাশ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কৈছে অসমৰ হত্যাকাণ্ড "ৰাজনৈতিক" ভাবে কৰা হৈছে। আন্দোলনৰ বাবে যি সকল সাংঘাটিকভাবে ক্ষতিগ্ৰস্ত হ'ল তেওঁলোক কেৱল মুছলমান নহয় তেওঁলোকৰ একাংশ বঙালী হিন্দু "it was amply borne out by the fact that the victims were not only Muslims but also Bangali speaking people against whom the agitation in Assam was directed."

অথচ অবৈধ নিৰ্বাচনত অংশ গ্ৰহণ কৰা ৪১ গৰাকী বিধায়কে কৈছে যে বৰ্তমান চৰাকাৰৰ দিনত কোনো সংখ্যালঘু সম্প্ৰদায়ৰ লোক অসুৰক্ষিত নহয়। ইয়াত স্বাক্ষৰকাৰী সকলৰ এজন বাহাৰুল ইছলামো।

দিল্লীত ১০৮ ঘন্টীয়া ৰিলে অনশন পালন : PTI. June 1 : AASU

অসমৰ অবৈধ চৰকাৰৰ নিপীড়নৰ প্ৰতিবাদ কল্পে দিল্লীত আছুৱে ১০৮ ঘন্টীয়া ৰিলে অনশন পালন কৰে। ৫ জুনৰ সন্ধিয়া ৬ বজাত সামৰণি পৰে। দুটাকৈ দলে ১২

ঘণ্টাকৈ দিনে অনশনত বহে

The talks that failed : অসমৰ বিদেশী নাগৰিকৰ সমস্যাটো কেন্দ্ৰীয় চৰকাৰে কিয় গুৰুত্ব সহকাৰে লব খোজা নাই তাৰ প্ৰধান কাৰণ যে ভোট বেঙ্কক তাত কোনো সন্দেহ নাই আৰু ক্ষমতা দখল নিগাজি কৰিবলৈ যে কুখ্যাত উক্তি "আলি কুলি" কংগ্ৰেছ আৰু বামপন্থী দলৰ বাবে একোটা জাতিৰ অস্তিত্বতকৈয়ো অধিক গুৰুত্বপূৰ্ণ সম্পদ তাক আৰু দোহাৰিবৰ প্ৰয়োজন নাই। আমি স্বীকাৰ কৰা ভাল হ'ব যে জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে আমাৰ ৰাজনৈতিক চেতনাও যে ভয়ানক দুৰ্বল তাত সন্দেহৰ অৱকাশ কম। আৰু এটা কথা অতি গভীৰ ভাবে উপলব্ধি কৰা ভাল হ'ব যে আমাৰ মাজত থকা দুৰ্বলতা কংগ্ৰেছৰ বাবে এক বিৰাট সবলতা। জাত্যাভিমান নথকা, আত্মসন্মানৰ বাবে দাবী উত্থাপন নকৰা আৰু কৰ্মবিমুখ কোনো জাতি পৃথিৱীত জীয়াই থকাৰ উদাহৰণ নাই। সেইবাবে এটা বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰা অভূতপূৰ্ব গণ আন্দোলন কেনেকৈ নাশ কৰি দিব পাৰি তাৰ প্ৰমাণ হ'ল কেন্দ্ৰীয় চৰকাৰৰ মনোবৃত্তি। অসম বিৰোধী এটা শক্তিশালী চক্ৰই অহৰ্নিশে কাম কৰি আছে। বাৰে বাৰে আন্দোলন বিপথগামী কৰিবলৈ যত্ন কৰা হৈছে। তাৰ কেইটামান ইয়াত উল্লেখ কৰা হৈছে ভৱিষ্যৎ প্ৰজন্মৰ বাবে কিজানিবা কামত আহে।

১৯৮০ চনৰ জানুৱাৰী মাহৰ শেষভাগত দিল্লীত আলোচনা হ'ব। প্ৰধানমন্ত্ৰী আলোচনাত অংশ গ্ৰহণ কৰাৰ কথা। ২৮ জানুৱাৰী তাৰিখে আন্দোলনৰ নেতা প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, ললিত ৰাজখোৱা আৰু কুমুদ নাথ শৰ্মা দিল্লীত উপস্থিত হৈছে।

২ ফেব্ৰুৱাৰী তাৰিখে প্ৰধানমন্ত্ৰীযে প্ৰতিনিধি সকলৰ লগত আলোচনাত বহিছে। প্ৰধানমন্ত্ৰীযে কুমুদ নাথ শৰ্মাই আলোচনাত অংশ গ্ৰহণ কৰাটো ভাল পোৱা নাই। আলোচনাৰ আৰম্ভণিতে নেতৃবৃন্দই অসমৰ আন্দোলনৰ বাবে মৃত্যু বৰণ কৰা শ্বহীদ সকলৰ স্মৃতিত এক মিনিট সময় মৌনতা অৱলম্বন কৰে। অপ্ৰস্তুত প্ৰধানমন্ত্ৰীও মৌনতা অৱলম্বন কৰিবলৈ বাধ্য হৈ পৰে। তাতে এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয় আন্দোলনৰ লক্ষ্য আৰু উদ্দেশ্য বৰ্ণনা কৰি। প্ৰধান মন্ত্ৰীয়ে সেইখন গ্ৰহণ কৰি সভাত উপস্থিত থকা গৃহমন্ত্ৰী জাইল সিঙক বাকী আলোচনা আগবঢ়াবলৈ দিয়ে।

৫, ৬ ফেব্ৰুৱাৰীত আকৌ আলোচনাত বহে। স্মাৰক পত্ৰৰ বাকী কথা মানি লয় কিন্তু তলত উল্লেখ কৰা বিষয় কেইটা মানি লব নোখোজে।

(১) ১৯৭১ চনৰ মাৰ্চ মাহৰ ২৫ তাৰিখৰ আগৰ কোনো তাৰিখক কেন্দ্ৰই গ্ৰহণ নকৰে।

(২) সাংবিধানিক সুৰক্ষাৰ বাবে সন্মত নহয়।

(৩) নাগৰিকত্ব প্ৰদানৰ বিষয়টো কেন্দ্ৰৰ বিষয় হিচাবে মানি নলয়। আলোচনা ব্যৰ্থ হয়।

২৩-২৫ ফেব্ৰুৱাৰীত গুৱাহাটীত জ্ঞানী জাইল সিঙে পুনৰ আন্দোলনকাৰীৰ লগত

আলোচনাত বহে।

(১) ১৯৭১ চনৰ ২৪ মাৰ্চলৈ অসমলৈ অহা বিদেশীক অসমত ৰাখিব লাগে বুলি কয় আৰু ইয়াত মান্তি হ'বলৈ জোৰ দিয়ে।

(২) নেতৃবৰ্গৰ সৈতে আলোচনা আগবঢ়াই নিয়াৰ এটা মুহূৰ্তত জাইল সিঙে ১৯৫১ চনৰ ৰাষ্ট্ৰীয় পঞ্জী আৰু ১৯৫২ চনৰ ভোটাৰ তালিকাৰ আধাৰত বিদেশী নাগৰিক চিনাক্ত কৰাৰ বাবে মান্তি হয়। কিন্তু বিভিন্ন শক্তিৰ হেঁচাত জাইল সিঙে সেইটো মানি লব নোৱাৰিব বুলি প্ৰত্যাগমন কৰে। আলোচনা ব্যৰ্থ হয়।

১ মাৰ্চ ১৯৮০, তাৰিখে প্ৰধানমন্ত্ৰীয়ে বিৰোধী ৰাজনৈতিক দলৰ নেতৃবৃন্দৰ সৈতে এক আলোচনাত বহে। প্ৰধানমন্ত্ৰীৰ ২৫ মাৰ্চ, ১৯৭১ চনৰ প্ৰস্তাৱ তেওঁলোকে সমৰ্থন কৰিছে। লগতে সীমা সুৰক্ষাৰ বাবে অতিৰিক্ত সীমান্তৰক্ষী বাহিনী পঠিয়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। লগতে অসমৰ অৰ্থনৈতিক দুৰ্বলতাৰ দিশটো অধ্যয়ন কৰিবলৈ এক শক্তিশালী দল পঠিয়াব বুলি সন্মতি প্ৰকাশ কৰে। ইয়াৰ অন্তৰালত অসম আন্দোলনটো নিঃশেষ কৰাৰ ষড়যন্ত্ৰ নিহিত থাকে।

১৯৮০, ৭ মাৰ্চত আন্দোলনৰ নেতৃবৃন্দই প্ৰধানমন্ত্ৰীক ২ য় বাৰ দিল্লীত লগ পায় আৰু আলোচনাত বহে। দুদিন ধৰি হোৱা আলোচনাৰ অন্তত নেতৃবৃন্দই সমস্যা সমাধানৰ বাবে লোৱা প্ৰয়োজনীয় ব্যৱস্থাত আছুক প্ৰতিনিধিত্ব কৰাৰ সুযোগ দিব লাগে বুলি দাবী কৰে। চৰকাৰে সন্মতি প্ৰকাশ কৰে। আন্দোলনৰ নেতৃবৃন্দই এখন চুক্তিপত্ৰ প্ৰস্তুত কৰি দাখিল কৰে। আন্দোলন বন্ধ কৰিলে সেই চুক্তিপত্ৰ বিবেচনা কৰি চাব বুলি কয়।

১০-১২ মাৰ্চত জাইল সিঙৰ লগত পুনৰ আলোচনাত বহে। জাইল সিঙে ১৯৭১ চনৰ ২৫ মাৰ্চ আৰু আন্দোলনৰ নেতৃবৃন্দই ১৯৫১ চনৰ ৰাষ্ট্ৰীয় পঞ্জীত লাগি থকা বাবে আলোচনা পুনৰ ব্যৰ্থ হয়।

১ এপ্ৰিল তাৰিখে ৰাজ্যপাল এল. পি. সিঙে আছুলৈ এক জৰুৰী বাৰ্তা প্ৰেৰণ কৰি আমন্ত্ৰণ কৰে। প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন আৰু কুমুদ নাথ শৰ্মা শ্বিলঙলৈ যাত্ৰা কৰে। ৩১ মাৰ্চত ৰাজ্যপালে গুৱাহাটীত গণসংগ্ৰাম পৰিষদৰ নেতৃবৃন্দৰ লগত আলোচনা কৰিছিল আৰু ১৯৬৭ চন মানি লবলৈ আহ্বান জনাইছিল। কেন্দ্ৰই মানি নললে আৰু আলোচনা ব্যৰ্থ হয়।

১২ এপ্ৰিলত প্ৰধান মন্ত্ৰী অসমলৈ আহে আৰু আছু, আগছুৰ নেতৃবৃন্দৰ লগত এলানি আলোচনাত বহে। প্ৰধান মন্ত্ৰীয়ে ১৯৭১ চনত আকোৰগোজ হৈ লাগি থাকে। আলোচনা পুনৰ ব্যৰ্থ হয়। ১৮ আগষ্টত মনিপুৰৰ মুখ্যমন্ত্ৰী ৰাজকুমাৰ দৰেন্দ্ৰ সিঙৰ মধ্যস্থতাত যোগেন্দ্ৰ মাক্ৱানৰ সৈতে আলোচনা অনুষ্ঠিত কৰা হৈছিল। তাৰ আগতে ২৭ জুন আৰু ৪ আগষ্টৰ মাজৰ সময়চোৱাত ৰাজকুমাৰ দৰেন্দ্ৰ সিঙে সমস্যাটোৰ এক সমাধান সূত্ৰ উলিয়াবলৈ

আন্দোলনকাৰী সকলৰ লগত আলোচনাত মিলিত হৈছিল। আলোচনা যেতিয়া ১৮ আগষ্টত শ্বিলঙত পুনৰ আৰম্ভ কৰা হৈছিল তেতিয়া আন্দোলনকাৰীসকলৰ ওপৰত "Carrof and Stick" নীতি যে আৰম্ভ কৰিছে তাক জানিব বিচাৰে। ৰাজ্য চৰকাৰে সমস্যাটোৰ এটা মীমাংসা কৰিবলৈ কেন্দ্ৰ সন্মত আছে নে নাই প্ৰথমে সেই কথা জানিব বিচাৰে। এই সনেন্দহৰ মূল কাৰণ আছিল ৰাজ্য চৰকাৰে নিৰ্বিচাৰে আন্দোলনকাৰীৰ ওপৰত অত্যাচাৰ চলাইছিল। আলোচনা কোনো প্ৰকাৰে আগ নাবাঢ়িল।

১৭-২৫ চেপ্তেম্বৰ সময়চোৱাত আছুৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু গণসংগ্ৰাম পৰিষদৰ নেতা অতুল বৰাই প্ৰতিটো সংগঠনৰ ১০ জনকৈ সদস্য লৈ কেন্দ্ৰীয় নেতৃবৰ্গৰ লগত পুনৰ আলোচনাত বহে। দুখন খছৰা চুক্তিপত্ৰ দাখিল কৰা হয় আৰু দুয়োখনতে ১৯৫১ চনক ভিত্তি বছৰ হিচাবে ৰখা হয় বিদেশী বিতাৰণৰ সময় সীমা হিচাবে। চৰকাৰে ইয়াক গ্ৰহণ কৰাৰ আগতে আকৌ এবাৰ ভাবি চাব বুলি কয় আৰু আলোচনা স্থগিত ৰখা হয়।

১১ অক্টোবৰত দিল্লীত আকৌ এবাৰ আলোচনা কৰাৰ বাবে ঠিক কৰা হয়। প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, অতুল বৰা যতীন গোস্বামী জাইল সিঙৰ সৈতে আলোচনাত বহে। গৃহ মন্ত্ৰালয়ৰ কৰ্মচাৰীও উপস্থিত থাকে। কেন্দ্ৰীয় চৰকাৰে ১৯৭১ চনৰ আগতে অসমত প্ৰবেশ কৰা কোনো লোককে বহিষ্কাৰ কৰিব নোৱাৰে বুলি দৃঢ়তা প্ৰকাশ কৰে আৰু তেনে যুক্তি "Falacious" বুলি বৰ্ণনা কৰে। আলোচনা ব্যৰ্থ হয়।

ইয়াৰ পিছত সুদীৰ্ঘকাল কোনো ধৰণৰ আলোচনা কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত অনুষ্ঠিত কৰা হোৱা নাই। প্ৰায় ৭ মাহৰ মূৰত ১৯৮১ চনৰ মে' মাহৰ ১৬ তাৰিখে গৃহমন্ত্ৰী জাইল সিং, গৃহ ৰাজ্যমন্ত্ৰী যোগেন্দ্ৰ মাক্‌ৱান্‌াৰ সৈতে প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, অতুল বৰা, যতীন গোস্বামীয়ে আলোচনাত বহে। কোনো ধৰণৰ ফলপ্ৰসু আলোচনা নহয় আৰু শেষত ব্যৰ্থ হৈ যায়। ১৮-২৯ মে'ৰ ভিতৰত দুয়ো পক্ষৰ মাজত বিশেষকৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ বিষয়া আৰু আন্দোলনৰ নেতৃবৰ্গই বিদেশী বহিষ্কৰণৰ প্ৰক্ৰিয়া কেনেদৰে কৰা উচিত হ'ব সেই বিষয়ে এলানি দীঘলীয়া আলোচনা হয়; কিন্তু গৃহ মন্ত্ৰালয়ে ১৯৭১ চনৰ আগৰ অনুপ্ৰবেশকাৰীক বিতাৰণ কৰাৰ প্ৰশ্ন নুঠে বুলি কোৱাত আলোচনা মূল্যহীন হৈ পৰে। আন্দোলনকাৰীৰ ধৈৰ্য্যৰ সীমা পাৰ কৰাবলৈ আৰু ইতিমধ্যে আন্দোলন নিস্তেজ কৰিবলৈ কেন্দ্ৰই যে এক পৰিকল্পিত ষড়যন্ত্ৰত লিপ্ত হৈছে সেয়া বুজিবলৈ বাকী নাথাকিল। কাৰণ আন্দোলন দীৰ্ঘস্থায়ী যাতে নহয় তাৰ বাবে ৰাজ্যখনৰ পৰাও কেন্দ্ৰক উৎসাহিত কৰিবলৈ ৰাজনৈতিক ষড়যন্ত্ৰ অব্যাহত ৰখা হৈছে।

২৯ জুনৰ পৰা ১৫ জুলাইলৈকে আৰু এলানি আলোচনা কৰা হয় দিল্লীত। ২৭ জনীয়া দল এটাই অংশ গ্ৰহণ কৰে। নেতৃত্ব বহন কৰে প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন আৰু

অতুল বৰাই। কেন্দ্ৰক প্ৰতিনিধিত্ব কৰে জাইল সিঙে আৰু বিষয়াবৰ্গই গৃহমন্ত্ৰীয়ে বিদেশী নাগৰিকৰ সংজ্ঞাকে বিচাৰি নাপালে। তেওঁ ক'লে যে হিন্দুসকল অসমত শৰণাৰ্থী হিচাবে থাকিব আৰু ভাৰতীয় নাগৰিকত্ব লাভ কৰিব। আলোচনা স্থগিত কৰা হয় আৰু ২ আগষ্টত শ্বিলঙত পৰবৰ্ত্তী আলোচনা কৰা হ'ব বুলি ঘোষণা কৰে।

এয়া ভাৰতবৰ্ষৰ বাবে কিমান দুৰ্ভাগ্যজনক যে ভাৰতৰ গৃহমন্ত্ৰীয়ে বিদেশী নাগৰিক কাক বোলে ক'ব নোৱাৰে, প্ৰধানমন্ত্ৰীয়ে ক'ব নোৱাৰে, ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে ক'ব নোৱাৰে আৰু আমোলায়ো ক'ব নোৱাৰে। এনে উদাসীনতাই দেশখনৰ বাবে কিমান বিপদ মাতি আনিছে ভাবিলে স্তম্ভিত হৈ যাব লাগে। ভাৰতীয় সংবিধানকে এওঁলোকে ভৰিৰে মোহাৰি পেলাইছিল। এয়া কংগ্ৰেছৰ বাবেহে সম্ভৱ।

২আগষ্টত শ্বিলঙত আলোচনা অনুষ্ঠিত কৰা হ'ল; কিন্তু কোনো প্ৰকাৰৰ সিদ্ধান্ত নোলাল।

২২ আগষ্টত দিল্লীত পুনৰ আলোচনা আৰম্ভ হয়। প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, অতুল বৰা, যতীন গোস্বামী আলোচনাত ভাগ লয়। এম. আৰ. কৃষ্ণস্বামী ৰাও চাহিবে ১৯৬১-৭১ চনৰ ভিতৰত প্ৰৱেশ কৰা অনুপ্ৰবেশকাৰী সকলক দুভাগত ভাগ কৰাৰ প্ৰস্তাৱ দিয়ে। এভাগ ভাৰতীয আনভাগ বিদেশী। ইয়াক ইচ্ছাকৃতভাবে কৰা হৈছিল এই বাবেই যাতে আন্দোলনকাৰীসকলক সাম্প্ৰদায়িক ৰঙেৰে ৰঞ্জিত কৰি সমগ্ৰ প্ৰক্ৰিয়াটোকে ধ্বংস কৰি দিব পাৰে। আলোচনাৰ কোনো ফল নধৰিলে আৰু ব্যৰ্থ হয়।

২৭ অক্টোবৰত কৃষ্ণস্বামী ৰাও চাহিবে আৰু প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন সহ ৬ জনীয়া এটা দলে আলোচনাত বহে। তাত ১৫ টা দফা সন্নিবিষ্ট এক প্ৰস্তাৱ দাখিল কৰা হয়। তাত কোৱা হয় যে ভাৰতীয় সংবিধানৰ নিৰ্দেশমৰ্মে বিদেশী নাগৰিকক চিনাক্ত কৰিব লাগে। লগতে সংশ্লিষ্ট আইন, যেনে নাগৰিকত্ব আইন ১৯৫৫, বিদেশী নাগৰিক আইন ১৯৪৬ আৰু ১৯৫২ চনৰ পাচপোৰ্ট আইনৰ প্ৰয়োগ কৰি ব্যৱস্থা লব লাগে।

প্ৰস্তাৱত আৰু কোৱা হয় যে ভাৰত বাংলাদেশৰ সীমাৰ এক সমান্তৰাল ৰাস্তা বনাব লাগে, কাঁটা তাৰৰ বেৰ নিৰ্মাণ কৰিব লাগে আদি। আলোচনা বিফল হয় কেন্দ্ৰীয় চৰকাৰে সংবিধান মানিব নোখোজে।

১০ ডিচেম্বৰলৈ আলোচনাৰ পথ প্ৰায অৱৰুদ্ধ হৈ থাকে। সেই তাৰিখত কেন্দ্ৰই বিৰোধী দলৰ নেতৃবৰ্গক আলোচনাত অংশ গ্ৰহণ কৰিবলৈ উঠা দাবীৰ পিছত ত্ৰিপাক্ষিক আলোচনা হোৱাৰ এটা পৰিবেশ হয।

১৯৮২ চনৰ ১৮ জানুৱাৰী তাৰিখে ত্ৰিপাক্ষিক আলোচনা নতুন দিল্লীত পতা হয়। প্ৰথম পদক্ষেপ হিচাবে সীমান্ত সুৰক্ষিত কৰিবলৈ আৰু অনুপ্ৰবেশ ৰোধ কৰিবলৈ এটা সিদ্ধান্তত উপনীত হয়।

৯ ফেব্ৰুৱাৰীত পুনৰ ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত কৰা হয় সেই সভাত জাইল সিংএ দৃঢ়মত পোষণ কৰে যে ভাৰতে যি আন্তৰ্জাতিক আৰু জাতীয় দায়বদ্ধতা পালনৰ প্ৰতিশ্ৰুতি দিছে তাৰ বিষয়ে চাবলৈ হ'লে শৰণাৰ্থীৰ মৰ্যাদা যি সকলক দিয়া হৈছে সেইবোৰক ঘূৰাই পঠিওৱাৰ কোনো প্ৰকাৰে সম্ভৱ নহ'ব। এনে অৱস্থাত আলোচনাৰ গতি আকৌ স্তব্ধ হৈ যায়। গণতান্ত্ৰিক দেশৰ এনে স্থিতিয়ে অসমৰ নিচিনা ৰাজ্য নিশ্চিহ্ন হৈ গ'লেও কোনো উদবিগ্নতাৰ সৃষ্টি নকৰে ইয়াৰ নিহিত কাৰণ যে ভোট বেঙ্ক, তাত কোনো সন্দেহ নাই জৱাহৰলাল নেহেৰুৱে ভাৰতৰ পৰা অসমক চীনৰ অধীনলৈ যোৱাৰ সময়ৰ যিটো মানসিকতা ইন্দিৰা গান্ধীৰ মানসিকতাৰ কোনো পাৰ্থক্য নাই।

৭ এপ্ৰিলত পুনৰ ত্ৰিপাক্ষিক বৈঠক বহে ইতিমধ্যে আন্দোলনৰ সময় ২ বছৰ ৪ মাহ অতীত হৈছে আলোচনাৰ কোনো উচিত সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰে উলিয়াব পৰা নাই বৰং আন্দোলনটো ধ্বংস কৰিবলৈ নানা কৌশল অবলম্বন কৰা দেখা গৈছে

২৩ আগষ্টত আকৌ এবাৰ ত্ৰিপাক্ষিক বৈঠক আহ্বান কৰা হৈছে অধ্যক্ষতা কৰিছে গৃহমন্ত্ৰী আৰু ভেঙ্কটৰমনে জনতা পাৰ্টিৰ সদস্য ৰবীন্দ্ৰ ভাৰ্মাই এটা সমাধান সূত্ৰ আগবঢ়াইছে- তাৰ মূল কথা কেইটা এনে ধৰণৰ

১) ১৯৫১ চনৰ ৰাষ্ট্ৰীয় পঞ্জী আৰু ১৯৫২ চনৰ ভোটাৰ তালিকাত যিসকলৰ নাম নাই অথচ অসমত বাস কৰিছে সেইলোকৰ এখন তালিকা প্ৰস্তুত কৰিব লাগে আৰু কিয় নাম সোমোৱা নাই তাৰ কাৰণ জানিব লাগে

(২) এখন ৰাষ্ট্ৰীয় তালিকা হিচাপে বাতৰিকাকত প্ৰকাশ কৰিব লাগে আৰু তেনে তালিকাত নাম থকা লোকৰ বিৰুদ্ধে প্ৰমাণৰ ওচৰত যিকোনো লোকে আপত্তি দৰ্শাব পাৰিব যে তেনে লোক ভাৰতীয় নাগৰিক নহয়

(৩)এনে ৰাষ্ট্ৰীয় তালিকাৰ সহায়ত বিদেশী আৰু ভাৰতীয় নাগৰিকৰ প্ৰকৃত তথ্য উদ্ধাৰ কৰা সহজ হ'ব

(৪) আপত্তি পেছ কৰিব লাগে লগে এজন মানুহ ভাৰতীয় নাগৰিক নে বিদেশী তাৰ অনুসন্ধান কৰিব

(৫) তেনে আপত্তি দৰ্শোৱা মানুহজনে এমাহৰ ভিতৰত প্ৰকৃত তথ্যৰ আধাৰত প্ৰমাণ কৰিব লাগিব যে তেওঁ ভাৰতীয় বিদেশী বুলি চিনাক্ত হোৱাৰ পিছত তেওঁক তিনিজনীয়া সদস্যৰে গঠিত ট্ৰাইবুনেললৈ প্ৰেৰণ কৰিব লাগিব। ট্ৰাইবুনেলে আইনৰ আধাৰত ব্যৱস্থা লব। প্ৰতিটো বিধান সভা সমষ্টিত তেনে ট্ৰাইবুনেল গঠন কৰিব। এই প্ৰস্তাৱটো বিচাৰ কৰিবলৈ সকলোৱে সন্মতি প্ৰকাশ কৰে। ৰবীন্দ্ৰ বাৰ্মাই আগবঢ়োৱা সমাধান সূত্ৰটোৰ ভবিষ্যতে এটা সুমীমাংসাত উপনীত হোৱাৰ বাবে এটা সংশোধন আগবঢ়োৱা হয় আন্দোলনকাৰী সকলৰ ফালৰ পৰা সেই সংশোধনী ঘটাবলৈ দিয়া প্ৰস্তাৱত কোৱা হয়

যে (১) সকলো বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা অপসাৰণ কৰিব লাগে (২) ১৯৬১-৭১ চনৰ সময়চোৰাত প্ৰবেশ কৰা বিদেশী সকলক ৰাষ্ট্ৰখনৰ বিভিন্ন ৰাজ্যত ভাগ বতৰা কৰি লব লাগে আৰু (৩) ১৯৭১ চনৰ পিছত প্ৰবেশ কৰা সকলো বিদেশী নাগৰিকক বিতাৰণ কৰিব লাগে। কোনো সিদ্ধান্ত নোলাল।

চেপ্তেম্বৰৰ ১ ৰ পৰা ৮ তাৰিখৰ ভিতৰত আৰু এলানি আলোচনা আৰ ভেঙ্কটাৰমন (গৃহমন্ত্ৰী)ৰ অধ্যক্ষতাত অনুষ্ঠিত হয় আৰু সেই আলোচনাত (১) অসমক সাংবিধানিক সুৰক্ষা প্ৰদান (২) অসমৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক সুৰক্ষাৰ ব্যৱস্থা আৰু (৩) ১৯৬০ চনৰ পিছত অসমত প্ৰবেশ কৰা কোনো বিদেশী নাগৰিকক ভাৰতীয় নাগৰিকৰ প্ৰমাণ পত্ৰ দিয়াৰ ব্যৱস্থা, সমস্যাটোৰ সমাধান নোলোৱালৈ বন্ধ ৰখাৰ সিদ্ধান্ত লব লাগে বুলি মত পোষণ কৰা হয়। কোনো সঠিক মীমাংসা নোলাল।

২৭ চেপ্তেম্বৰত গৃহমন্ত্ৰী পি. চি. চেঠীয়ে দিল্লীত এক আলোচনা আৰম্ভ কৰি ট্ৰাইবুনেল গঠন কৰাৰ কথা প্ৰকাশ কৰে। আন্দোলনকাৰীৰ সৈতে মতভেদ হয় -- (১) কেন্দ্ৰই যিসকল ভাৰতীয় নাগৰিক হোৱাৰ যোগ্য বুলি ভাবে তেওঁলোকক ভোটাধিকাৰৰ পৰা বঞ্চিত নকৰে; (২) কিন্তু আন্দোলনকাৰী সকলে দাবী কৰে যে ট্ৰাইবুনেলৰ দ্বাৰা বাংলাদেশৰ নাগৰিকৰ স্থিতিহে স্থিৰ কৰিব পাৰিব তাত বাহিৰে অন্য কোনো সিদ্ধান্ত দিব নোৱাৰিব। আলোচনা আকৌ নিষ্ফল হ'ল।

৬ নবেম্বৰত আকৌ ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত হয়। তাতো বিশেষ একো ফলশ্ৰুতি নোলাল। ৰবীন্দ্ৰ বাৰ্মাক এক নতুন সমাধান সূত্ৰ উদ্ভাৱনৰ বাবে অনুৰোধ কৰা হয়। ৭ নবেম্বৰত বাৰ্মাই ৭ দফীয়া এক সূত্ৰ উপস্থাপন কৰে। ১৯৬১-১৯৭১ চনৰ ভিতৰত প্ৰবেশ কৰা অনুপ্ৰৱেশকাৰীসকলক তেখেতে পূৰ্বতে উল্লেখ কৰা মতে তিনি শ্ৰেণীৰ সলনি চাৰি শ্ৰেণীত বিভক্ত কৰাৰ প্ৰস্তাৱত আন্দোলনকাৰীসকলে সমৰ্থন জনাব নোৱাৰিলে। আলোচনা বিফল হয়।

২৩ নবেম্বৰত নতুন গৃহমন্ত্ৰী পি. চি. চেঠী, প্ৰতিৰক্ষামন্ত্ৰী আৰ. ভেঙ্কটাৰমনৰ লগত আৰু এলানি অনানুষ্ঠানিক আলোচনা কৰা হ'ল। সেই আলোচনাত আন্দোলনকাৰীসকলে ১৯৬১-১৯৭১ চনৰ সময়চোৱাত অনুপ্ৰৱেশ কৰা বিদেশী নাগৰিকৰ ক্ষেত্ৰত যিসকলক অসম চৰকাৰে ভাৰতীয় নাগৰিকৰ প্ৰমাণ পত্ৰ দিছে সেই সকলক অসমত ৰখাৰ পোষকতা কৰে, অন্য ৰাজ্যত দিয়া প্ৰমাণ পত্ৰ গ্ৰহণ কৰাৰ বিৰোধিতা কৰে।

১৯৮২ চনৰ ডিচেম্বৰৰ ৬ তাৰিখে আন্দোলনৰ নেতৃবৰ্গক পুনৰ আলোচনালৈ আমন্ত্ৰণ কৰা হয়; কিন্তু আন্দোলনৰ অন্যতম নেতা জয়নাথ শৰ্মাক মুক্তি নিদিয়াৰ ফলত নেতৃবৃন্দই আলোচনাত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত থাকে আৰু আন্দোলন তীব্ৰতৰ কৰিবলৈ সিদ্ধান্ত লয়।

১৯৮৩ চনৰ জানুৱাৰীৰ ২ তাৰিখে জয়নাথ শৰ্মাক জেলৰ পৰা মুকলি কৰি দিয়া হয়। ১৯৮৩ চনৰ ৫ জানুৱাৰী তাৰিখে পুনৰ আলোচনাত বহে। আন্দোলনৰ নেতৃবৰ্গই ১৯৬১ চনৰ পিছত প্ৰবেশ কৰা বিদেশী নাগৰিক সকলৰ নাম ভোটাৰ তালিকাৰ পৰা অপসাৰণ কৰাৰ দাবী উত্থাপন কৰে। আলোচনা ব্যৰ্থ হয়।

এই ব্যৰ্থ হোৱা আলোচনাবোৰ ইয়াত সন্নিবিষ্ট কৰাৰ মূল কাৰণ হ'ল অসমৰ জনসাধাৰণে গভীৰভাবে উপলব্ধি কৰাৰ প্ৰয়োজন আছে যে স্বধীনতা অৰ্জনৰ ৩৫ বছৰ পিছতো কেন্দ্ৰীয় চৰকাৰে অসমৰ অস্তিত্ব কেনে ধৰণে বিপন্ন হৈছে সেই কথা অনুভব কৰিব খোজা নাই। এই অভাবনীয় বিদেশী প্ৰব্ৰজনে যে এদিন কেৱল অসমৰ বাবে নহয় সমগ্ৰ ৰাষ্ট্ৰখনৰ বাবেই বিশেষ উদ্বিগ্নতাৰ কাৰণ হৈ পৰিব পাৰে সেই কথাৰ মৰ্ম অনুভব কৰিব পৰা নাই। সবাতোকৈ আচৰিত লাগে যে কেন্দ্ৰীয় চৰকাৰে সংবিধানৰ কোনো ধাৰাকে সন্মান কৰিব নোখোজে। এনে প্ৰৱণতাই স্পষ্টকৈ প্ৰমাণ নকৰে নে যে ভাৰতীয় সংবিধানৰ লক্ষ্য আহৰণ কৰাৰ বাবে ভাৰতৰ সবাতকৈ পুৰণি ৰাজনৈতিক দলটোৱে পক্ষপাতিতা কৰিছে? বিদেশী নাগৰিক বহিষ্কাৰ দূৰৰ কথা চিনাক্তও কৰিব নোখোজে, ইয়াৰ প্ৰকৃত কাৰণ কি হ'ব পাৰে? (১) প্ৰশাসনীয় অপৰিপক্কতা (২) ৰাজনৈতিক অদূৰদৰ্শিতা (৩) ৰাজনৈতিক অভিসন্ধি (৪) বিদেশীৰ ভোটেৰে ক্ষমতা দখল কৰাৰ এক হীন মনোবৃত্তি। এই প্ৰশ্নবোৰ কালৰ বুকুত চিৰকালৰ বাবে হেৰাই নাযাব। এদিন নহয় এদিন ইয়াৰ উত্তৰ দিবলৈ প্ৰশাসন বাধ্য হব। ইয়াৰ বাবে সংশ্লিষ্ট ৰাজনৈতিক দল আৰু দলৰ কৰ্মীয়ে প্ৰাপ্য মূল্যও ভৰিব লাগিব তাত সন্দেহ নাই; কিন্তু অৱলীলাক্ৰমে যদি এটা জাতিৰ ওপৰত এক অঘোষিত আক্ৰমণৰ প্ৰভাব পৰি পৰি জাতিটো নিশ্চিহ্ন হৈ যায় তাৰ প্ৰায়চিত্ত কোনে বহন কৰিব? ক্ষমতাৰ লালসাই সাময়িক আকাংক্ষাহে পূৰণ কৰে, তাৰ দ্বাৰা জাতীয় আকাংক্ষা পূৰণ নহ'লে, এটা জাতি কালৰ বুকুত হেৰাই গ'লেও বুৰঞ্জীয়ে কিন্তু সঠিক সিদ্ধান্তকে ল'ব, জাতিৰ প্ৰধান শত্ৰু কোন? অসমত অবৈধ নিৰ্বাচন অনুষ্ঠিত কৰাৰ কেইটামান বিশেষ মন্তব্য আৰু প্ৰতিক্ৰিয়া কেনে ধৰণে প্ৰকাশ পাইছিল ইয়াত উল্লেখ কৰি থোৱাৰ লোভ সামৰিব পৰা নহ'ল।

Week আলোচনীৰ সংবাদদাতা ঘনশ্যাম পৰদেশীৰ নিৰ্বাচন বিশ্লেষণ আৰু শইকীয়াৰ চৰকাৰ (১৩-১৯ মাৰ্চ, ১৯৮৩) ঃ

The Saikia Govt. in Assam, a morally illegitimate progeny of a senseless election, has only pretensions of being a representative Govt. and should it last, would depend upon the cunningness of the C.M. in keeping the people divided and he is considered to be a great divider.

February elections had turned Assam into a slaughter house and Saikia

would further scatter to the wild winds whatever remains of the communal and social harmony in the strife torn state. If he is to survive, division of the people is his only life boat.

Compared to Keshab Gogoi and Harendra Nath Talukdar, Hiteswar was considered an ideal choice for his toughness. While mentioning his first job for rehabilitation and releif and the solution of the problems of Assam, he failed to mention in this list his first work to isolate the upper classes from the tribals, the Ahoms from the sub-tribes like Chutiyas and Mattacks. He is likely to succeed in splitting AASU and AAGSP and the business community; but his ministry backs the support of parts of upper Assam. Bengalees of Cacher, Goalpara and the immigrant Muslim. Still Saikia can derive inspiration from a "martyr" of the party, Satya Narayan Ram, the cong (I) candidate who was killed after February 12 massacre of over 100 Assamese by tribals at Gohpur, has shown him the way. Reportedly Satya Narayan Ram asked the tribals to make a preemptive strike on the Assamese with the skill at command if they attempted them to prevent from voting. Cong (I) instigation to the tribals to launch the merciless massacre upon the anti election agitators was confirmed from the dying declaration made by Padma Bordoloi, a supporter of a Cong (I) candidate in the Tezpur hospital. He said that he was given a sum of Rs. 40,000.00 to be given to some middleman to purchage daos (Choppers) and bows and arrows for distribution among the tribals. A good part of the amount was spent for purchase of country liquour to get them intoxicated to get the clutch courage on that fateful night. Bordoloi died of stab injuries after the killing of Satya Narayan Ram.

This was a deliberate attempt of Cong (I) to create an impression outside Assam that the tribals were against the anti-election campaign which was not a truth. The conspiracy of the LDA, PTCA compounded with that of Cong(I) tried to alienate the tribals from the non-tribals and to demand for Udayachal........................

Even by a conservative estimate not less than 2500 people have lost

their lives, around 300 student agitators were killed by police firing and hundreds were tortured and harassed by police.

It is reported that a group of infiltrators, freely armed with sten guns, is roaming in Nagaon district. Moirabari of Nagaon witnessed a pitch battle between CRPF Jowans and the armed infiltrators on Feb 22,'83 who were camping at Garo Hills.............................. .... The state administration run by a coterie never cared to make a realistic and objective assessment of the situation. .... CPI and CPM tried to keep the Centre in dark."

A primary school teacher remarked "they first took away our land and now they wanted to be our political masters".

Election statistics : Strange tales . Dubious Records :

Dr. Bhumidhar Barman, Cong (I), polled 99.62% of the votes polled. Only 0.333% of the voters cast their votes, a new record to pass into the Gunness Book, 266 voted out of 267 votes polled with an electorate of 69,309. The lone vote which denied Barman was a cancelled vote. His opponent Jogen Barman (CPI) and the Independent candidate Ashan Ali failed to cast their own votes. (Jogen Barman's case was rather a tragedy". In some constituenceies in Cachar and Goalpara districts inhabited largely by Bengalee people 80% votes were polled where as not the Brahaputra Velley, dominated by Assamese people.

জনজাতীয় সমষ্টিবোৰতো ভোটদাতা ওলাই নাহিল। মাত্ৰ দুজনহে PTCA ৰ সদস্য নিৰ্বাচিত হ'ল। ১৯৭৮ চনত তেওঁলোকৰ ৪ জন বিধায়ক আছিল। সচাৰচৰ বঙালী হিন্দুসকলে চি. পি. এমকে সমৰ্থন দি অহাটো এটা নিয়ম হৈছিল; এইবাৰ তেওঁলোকে কংগ্ৰেছকে সমৰ্থন কৰিলে নিৰাপত্তাকে মুখ্য কাৰণ হিচাবে লৈ। সাম্যবাদ বাদ পৰিল; নিৰ্বাচনত জয়লাভ কৰা প্ৰাৰ্থী সকলে জীৱনটো বুকুত বান্ধি ৰাখে, বাহিৰলৈ ওলাবলৈ ভয় কৰে; কাৰণ বহু সমষ্টিত ভোটদাতাৰ সংখ্যাতকৈ মৃতকৰ সংখ্যা সৰহ আছিল। এতিয়াও মৰণৰ ভয় বিদ্যমান। মৃত্যুৱেও ভোটাৰ আৰু বিধায়কৰ মাজত ব্যৱধান নাৰাখে।

এই মন্তব্যবোৰ Week আলোচনীৰ সংবাদাতাৰ।

ঘনশ্যাম পৰদেশীয়ে নেলীৰ ঘটনাৰ আৰৰ কাহিনী কেনেকৈ বৰ্ণনা কৰে ঃ

"There were hundreds of corpses thrown all over the fields, strik-

ing and frightening, the last expression of horror in their faces. Mothers clutching their babies in close embrace, were also seen. When the murderers came the men were away. The women could not run fast with thier babies in their laps. The 3000 odd - some say more - dead in Assam perhaps do not know the sin they had committed to invite such punishment.

Nellie went to polls on 14. Nobody went to booths. The ballot boxes remained empty and the roads were full of cops. Days later police left the roads and these were full of dead bodies. Police guarded the ballot boxes and the people were butchered in their homes. Over 1000 dead in Nellie, a ghlastly massacre; Gohpur, Chamaria, the places of other massacres in Gandhian India.

Nellie is a mixed populated area of the Hindus and the Muslim. Some of them are Assamese and some immigrants Hindus are smaller in number of Lalung, Kocharis, Mikirs and Mantas ethnic groups. .... some of the villages were the areas of settlement of the people coming from East Bengal and the Cong (I) political leaders used them as their vote banks. These immigrants were encouraged by the Cong (I) leaders to oppose anti-election campaign and vote. "Nothing will happen to you if you vote us to power; you have nothing to lose except fear." Anti poll agitators were killed by pro-poll persons and the police and tribals were attacked. Talahi was burnt down, an Assamese village, Aharam and Nafaram Bordoloi killed. Rumours spread like wild fire and the hell broke.

প্ৰনিধানযোগ্য মন্তব্য ঃ প্ৰান্তিক — (১৬-৩১ মাৰ্চ, ১৯৮৩)

(১) "নিৰীহ নাগৰিকৰ বাবে জীৱনৰ নিৰাপত্তাতকৈ অধিক প্ৰয়োজনীয় অধিকাৰ একোৱে হ'ব নোৱাৰে। দেশৰ সংবিধানৰ স্ৰষ্টাসকলেও এই নিৰাপত্তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল; কিন্তু সেইখন সংবিধান ৰাজনৈতিক দিশৰ পৰা ৰক্ষা কৰাৰ নামত কুৎচিত ৰাজনৈতিক চতুৰালিৰে জাতি বৰ্ণ ভাষা নিৰ্বিশেষে অসমৰ বহুতকে মেৰিয়াই ধৰা হ'ল। ফলস্বৰূপে হেজাৰ হেজাৰ নিৰীহ লোকে চকুৰ আগতে নিজ বাসস্থান, সম্পত্তি ভস্মীভুত হোৱা দেখিলে, দেখিলে আত্মীয় স্বজনৰ কৰুণ মৃত্যু আৰু লগে লগে জন্ম হ'ল হিংসা

প্ৰতিশোধৰ ক্ষয়ংকাৰী মনোভাব"

(২) স্মৰণীয় ঃ

ক) ইন্দিৰা গান্ধীয়ে তেলৰ সোঁত বন্ধ কৰিব খোজা সময়ত অসমৰ তেল নহ'লেও চলিব পাৰিম বুলি মন্তব্য কৰিছিল। যদি তেল, কাঠ আদি নহ'লে চলিব পাৰে অসমৰ নিস্বাৰ্থ মানুহবোৰ ইন্দিৰা গান্ধীৰ বাবে নিশ্চয় অবৰ্জনাতকৈয়ো অধিক আপদীয়া হ'ব।

খ) মাতৃভাষাৰ প্ৰতি মানুহৰ এটা আকৰ্ষণ থকাতো স্বাভাৱিক আৰু সেইকাৰণে অসমৰ বিদেশী নাগৰিকৰ সমস্যা সমাধান কৰিব খোজোতে CPI (M) দলে এই বিদেশীবোৰক বহিষ্কাৰ কৰিব নোখোজে। নাম্বুদ্ৰিপাদ আৰু সমৰ মুখাৰ্জীৰ লগত মিল বহুত। নীহাৰ ৰঞ্জনৰ কথা বাদেই।

(৩) বিবিচিৰ বাতৰি মতে গণহত্যা মুঠতে ছটা -- গহপুৰ, নেলী, চাউলখোৱা চাপৰি, খৈৰাবাৰী, কামপুৰ, হাতীশাল। ইয়াৰ লগত চমৰীয়া আৰু চিলাপথাৰ যোগ দিলে দুটা বাঢ়িব।

(৪) Telegraph ত কোবাল বাৰ্মাই অসম আন্দোলন সম্পৰ্কে মাৰ্ক্সবাদী সকলে কৰা ধাৰণাৰ বিপৰীতে--

"কমিউনিষ্ট পাৰ্টি দুটাই অসমৰ সমস্যাটো বঙালী আৰু পশ্চিম বঙ্গৰ দৃষ্টি-ভঙ্গীৰে চালে, অসমীয়া জাতি সত্বাৰ সমস্যা হিচাবে মাৰ্ক্সীয় পদ্ধতিৰে নাচালে। তেওঁলোকে বঙালী আৰু সংখ্যালঘুৰ প্ৰতিক্ৰিয়াৰ সহায়ত কিছু মুনাফা আদায় কৰিব পাৰিব বুলি ভাবিছিল। ১৯৮০ চনত অনুষ্ঠিত কৰা এখন আলোচনা চক্ৰত অসমৰ সমস্যাটো মাৰ্ক্সীয় দৃষ্টিভঙ্গীত কেনে ধৰণে বিবেচিত হ'ব তাৰ এটা সিদ্ধান্ত দিছিল চোভিয়েট ভাবাতত্ববিদ ড° কটভ্স্কিয়ে। তেও কৈছিল যে জাতিসত্বাটোৰ এটা নাম যদি এখন ৰাষ্ট্ৰাঞ্চলৰ পৰিচয় হয়, তেতিয়াহ'লে সেই জাতিসত্বাটোৰ এটা ৰাজনৈতিক ক্ষমতা থাকিবই লাগিব। গণতন্ত্ৰৰ দোহাই দি সেই জাতিসত্বাটোক ক্ষমতাৰ পৰা বঞ্চিত কৰিলে সেইটো প্ৰকৃত গণতন্ত্ৰ নহৈ নকল গণতন্ত্ৰহে (Phoney) হ'ব। সেই জাতিসত্বাটোক ক্ষমতাৰ পৰা বঞ্চিত কৰিলে সি নিজৰ সকলো ক্ষমতাৰে তাত বাধা দিব।

(৫) বেইৰুটৰ তদন্ত হ'ল কিন্তু (Statesman কাকতত মিনুমাছানী) ঃ-

যদি ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেগিন জগৰীয়া তেনেহ'লে ইন্দিৰা গান্ধীয়ো জগৰীয়া। বেইৰুট হত্যাকাণ্ড সম্পৰ্কে এটা উচ্চ পৰ্যায়ৰ তদন্ত অনুষ্ঠিত কৰাৰ কাৰণে ইজ্ৰাইল প্ৰশংসা পাবৰ যোগ্য। সেই তদন্তৰ পৰিণতি হিচাবে ইজ্ৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰীজনক কামৰ অবহেলাৰ কাৰণে আতৰ কৰা হৈছিল। এই প্ৰশংসনীয় আদৰ্শৰ অনুকৰণ অসমৰ ক্ষেত্ৰত দিল্লীয়ে এতিয়াও দেখুৱাবলৈ বাকী।

(৬) প্ৰফুল্ল কুমাৰ মহন্ত ঃ আনন্দ বাজাৰ প্ৰক্ৰিয়াত প্ৰকাশ পোৱা চিঠি ঃ মহন্তই The

Assam Bengal Students Association লৈ পঠিওৱা চিঠি এখন আনন্দ বাজাৰ পত্ৰিকাত প্ৰকাশ কৰিছিল। তাৰ অংশ বিশেষ অসমীয়া "ন্যাশ্যনেলিটিৰ মানত আইডেনটিৰ প্ৰশ্নটো অৰ্থনৈতিক উন্নয়ণৰ প্ৰশ্নতকৈ ডাঙৰ। বহুতে কয় অসম সমস্যাৰ সমাধান ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়ণত; কিন্তু অসমৰ প্ৰশ্ন বুজিবলৈ আচলতে অধিক অৰ্ন্তদৃষ্টিৰ প্ৰয়োজন।"

১৫ এপ্ৰিল ১৯৮৩ ঃ অৰুণ খোৰি ঃ খহীদ তৰ্পণ অনুষ্ঠানত খোৰিয়ে কোৱা কেইটামান কথা গুৰুত্বপূৰ্ণ। প্ৰান্তিক (১৬-৩১ মে')।

"অসমৰ বাবে এইটো এটা ডাঙৰ ট্ৰেজেদি, যি কোনো প্ৰকাৰে পৰিণতি যিয়েই নহওক কিয়, নিৰ্বাচন পাতিব লাগে"। তেখেতে মহাত্মা গান্ধীৰ উপলব্ধিৰ কেইটামান কথাও উল্লেখ কৰে –

"প্ৰতিটো ভাল আন্দোলনেই পাচোটা স্তৰৰ মাজেৰে আগুৱাই যায়ঃ উদাসীনতা, উপহাস, নিন্দা, অত্যাচাৰ উৎপীড়ণ আৰু শ্ৰদ্ধা। অসহযোগ আন্দোলন প্ৰথম কেইমাহমান আমি উদাসীন হৈ আছিলো। ইয়াকে দেখি ভাইচৰয় ডাঙৰীয়াই আমালৈ বিদ্ৰুপেৰে হাঁহিছিল।"

"ইয়াৰ পিছত আমাক নিন্দা কৰাটো দৈনন্দিন কাম হৈ পৰিল। নিন্দা কৰাৰ পিছত অপপ্ৰচাৰো কৰা হ'ল। ভাৰত স্বাধীন হোৱাৰ আগতে থকা প্ৰাদেশিক গভৰ্নৰ সকলে আৰু অসহযোগ বিৰোধী বাতৰি কাকতবোৰে আমাক পাৰেমানে নিন্দা কৰিলে।"

"তাৰ পিছত চলিল অত্যাচাৰ, উৎপীড়ন। প্ৰথমতে অৱশ্যে লঘু অত্যাচাৰ, উৎপীড়ন। এই স্তৰ পাৰ হৈ যাব পাৰিলেই আন্দোলনৰ কৃতকাৰ্যতাও আহি পৰে।"

"আমি যদি সততাৰে থাকো, এনে অত্যাচাৰ উৎপীড়নকেই আমাৰ আগন্তুক জয়ৰ সূচনা বুলি লব পাৰো। আমি যদি শুদ্ধ পথত থাকো আমাক কেতিয়াও হাৰ মনাব নোৱাৰে। আমি কেতিয়াও খঙেৰে প্ৰতিশোধ লবলৈ নাযাও আৰু আমি কেতিয়াও হিংসাৰ পথো নলও। হিংসাৰ পথ লোৱা আৰু আত্মহত্যা কৰা একে কথা।"

"আমি জনা উচিত, কোনোৱে সহজে ক্ষমতাচ্যুত হ'ব নোখোজে। অত্যাচাৰ উৎপীড়ন কৰিও বৰ্ত্তি থাকিবলৈ চৰকাৰে বিচৰাটো একো অস্বাভাৱিক নহয়। এনে সংকটময় সময়ত সম্পূৰ্ণ আত্মসংযমেহে কৃতকাৰ্যতাৰ পথ খৰতকীয়াকৈ মুকলি কৰিব।"

(৫)

ভাৰতীয় সংবিধানৰ অবমাননা আৰু অসমবাসীক প্ৰৱঞ্চনা

এটা অবৈধ নিৰ্বাচন অসমবাসীৰ ওপৰত জাপি দি ভাৰতীয় সংবিধানৰ কেৱল অবমাননাই নহয়, যি গণতান্ত্ৰিক প্ৰমূল্যক প্ৰাধান্য দি ভাৰতীয় প্ৰশাসনৰ সংকল্প গ্ৰহণ কৰা হ'ল তাক আকৌ এবাৰ ধ্বংস কৰা হ'ল। অসমবাসীয়ে এটা নায্য দাবী উত্থাপন কৰিছিল সংবিধানৰ প্ৰতি সম্পূৰ্ণ সন্মান জনাই যে নিৰ্বাচনত কোনো বিদেশী নাগৰিকে ভোট দিব পৰা ব্যৱস্থা থাকিব নালাগে আৰু ভোটৰ তালিকাত ভাৰতীয় নাগৰিকৰহে নাম থাকিব লাগে। কেৱল প্ৰাৰ্থনা জনাই নহয়, যুক্তি প্ৰদৰ্শন কৰিও কোৱা হৈছিল যে অসমখনক এক চৰণীয়া পথাৰ হিচাবে ব্যৱহাৰ কৰিব নালাগে। স্বাধীনতা উপাৰ্জনৰ আগৰে পৰা অসমবাসীৰ সৰলতাৰ সুযোগ গ্ৰহণ কৰি এক দুৰ্ঘোৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছিল। এটা সময়ত অসমৰ স্থায়ী আৰু ভূমি পুত্ৰক উচ্ছেদ কৰি ইয়াৰ ওপৰত এটা অঘোষিত আক্ৰমনক উৎসাহিত কৰা হৈছিল। এই আক্ৰমন শ্ৰমিকৰ সহায়ত কৰা হৈছিল আৰু শ্ৰম বিমুখতাকে এক দুৰ্বলতা হিচাবে চিহ্নিত কৰি প্ৰথমে আক্ৰমন আৰম্ভ হৈছিল কৃষি ক্ষেত্ৰত।

১৯৩১ চনৰ লোক পিয়লৰ তথ্যৰ আধাৰত চি. এচ মোলানে কৰা মন্তব্যটোত অসমবাসীয়ে কোনো বিশেষ গুৰুত্ব প্ৰদান কৰা দেখা নগ'ল। তেখেতে কৈছিল যে, "অসমলৈ হোৱা শ্ৰমিক প্ৰব্ৰজনে এনে এটা ভয়ঙ্কৰ পৰিস্থিতিৰ জন্ম দিছে যে ১৮২০ চনত বাৰ্মা আক্ৰমন কাৰীয়ে যি অৱস্থাৰ সৃষ্টি কৰিছিল তাতকৈয়ো ই ভয়াবহ। এই অৱস্থা চলি থাকিবলৈ দিলে অসমৰ ভৱিষ্যত সম্পূৰ্ণৰূপে সলনি হৈ যাব। অসমৰ সভ্যতা, সংস্কৃতি সম্পূৰ্ণৰূপে বিলীন হৈ যাব যদিহে পূৰ্ববঙ্গৰ প্ৰব্ৰজন অব্যাহত থাকে। ইতিমধ্যে, নামনি অসম ময়মনসিঙৰ এটা কলোনী হিচাবে পৰিগণিত হৈছেই।

পূৰ্ববঙ্গৰ পৰা শ্ৰমিক সকলে নিজা উদ্যমত যেনেকৈ অসমলৈ আহিছিল, তেওঁলোকক আনিবলৈ মাতব্বৰ সকলেও বিশেষ যত্ন লৈছিল। সেইবাবে স্থানীয় জনজাতীয়, অনুসূচীত জাতি আৰু কৃষক শ্ৰেণীৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি হেজাৰ হেজাৰ পূৰ্ববঙ্গৰ শ্ৰমিক আহি অসম ভৰি পৰিল। তেওঁলোকৰে সৰহভাগ মাটিৰ মালিক হৈ পৰিল আৰু স্থানীয় ভূমিপুত্ৰ ক্ৰমাৎ গৃহহাৰা হ'বলৈ বাধ্য হ'ল।

১৯৩৬ চনত এনে অৱস্থাৰ বিৰুদ্ধে এক সৰব প্ৰতিধ্বনি প্ৰকাশো পালে আৰু তাৰ প্ৰতিবাদ কল্পে পূৰ্বতে থকা লাইন প্ৰথা উঠাই দিয়াৰো দাবী উত্থাপন হ'ল। ১৯৩৭ চনৰ

নিৰ্বাচনৰ পিছত ১৯৩৮ চনত কংগ্ৰেছে মৰ্চা চৰকাৰ গঠন কৰে। তেতিয়া এটা প্ৰস্তাৱ লোৱা হৈছিল যে জনজাতীয় লোকৰ বসতি অঞ্চলত যাতে কোনো বাহিৰৰ পৰা অহা লোকক পট্টন দিয়া নহয় তাৰ সুবন্দোবস্ত কৰিব লাগে। লগতে যি বোৰ সংৰক্ষিত চৰণীয়া পথাৰ সেইবোৰত পট্টন দিয়া ৰোধ কৰিবলৈ প্ৰস্তাৱ লোৱা হয়। অত্যন্ত দুখ আৰু পৰিতাপৰ কথা যে ভূমিৰ ওপৰত প্ৰচণ্ড আক্ৰমন চলি থাকিল আৰু পৰ্যায়ক্ৰমে নৃতত্বৰ নিয়ম অনুসাৰে জনজাতীয় লোকে ক্ৰমে আশ্ৰয়বিহীন হৈ নতুন আশ্ৰয়ৰ স্থান বিচাৰি দিহিঙে দিপাঙে আঁতৰি যাবলৈ বাধ্য হ'ল।

১৯৪১ চনৰ জুলাইত লীগ মন্ত্ৰীসভা গঠন হয়। তেওঁলোকে এক নতুন ভূমি উন্নয়ন "Land Development Scheme" আঁচনি যুগুত কৰে ভূমিহীন ভূমিপুত্ৰ আৰু ১৯৩৮ চনৰ আগতে অসমলৈ অহা পূৰ্ববঙ্গৰ শ্ৰমিকসকলৰ বাবে। এই আঁচনিৰ জৰিয়তে পুনৰ লাইন প্ৰথা বিলোপ কৰাৰ ব্যৱস্থা ৰখা হ'ল।

ৰাজ্যখনত ইয়াৰ প্ৰতিক্ৰিয়া যেতিয়া ব্যাপক হ'ল তেতিয়া ৰাজ্যপালে অধ্যাদেশ জাৰি কৰি ভূমি বন্দোবস্তিৰ নতুন "ভূমি উন্নযণ আঁচনি" বন্ধ কৰিলে আৰু ক'লে যে অসমত কোনো পতিত মাটি নাই (Waste land) য'ত মাটিৰ পট্টন দিব পৰা হ'ব। পুনৰ মন্ত্ৰীসভা গঠন হ'ল আৰু লগে লগে ৰাজ্যপালৰ অধ্যাদেশ বাতিল কৰা হ'ল। অন্যহে নালাগে সংৰক্ষিত বনাঞ্চল আৰু সংৰক্ষিত চৰণীয়া পথাবো বাদ নপৰিল। এই ব্যৱস্থাৰে পূৰ্ববঙ্গৰ শ্ৰমিকে কিমান মাটিৰ মালিক হ'ল তাৰ এটা উদাহৰণ হ'ল (Heap of Broken Image ৰ পৰা লোৱা)-

১৯০১	-	১৯২১	৭.৩ লাখ একৰ
১৯২১	--	১৯৩১	- ৭ ৩ লাখ একৰ
১৯৩১	--	১৯৫১	--১৫.০০ „ „
		মুঠ –	২৯.৬ লাখ একৰ

এই পৰিমাণৰ মাটি ভূমিপুত্ৰ সকলক বঞ্চিত কৰাৰ পিছতো, ভাৰতবৰ্ষ এখন সাৰ্বভৌম ৰাষ্ট্ৰ হোৱাৰ পাচতো, আজি অসমবাসীয়ে সমস্যা অনুভৱ কৰিব নোৱাৰিলে, ভাৰতীয় নাগৰিকৰ ওপৰত হোৱা এক অঘোষিত আক্ৰমণ হৈ থকাৰ পিছতো অসমৰ এক জ্বলন্ত সমস্যা সমাধানৰ পথ নোলাল। মুখ্য ৰাজনৈতিক দল কংগ্ৰেছ, যিয়ে স্বাধীনতা উপাৰ্জনৰ বাটকটীয়াবুলি গৌৰব কৰে। এইটোও সঁচা যে বৰেণ্য লোকে এই দলক এটা সময়ত সন্মানিত কৰিছিল। সেই দলেই অসমৰ স্বাধীনতা যে অপহৰণ হ'ল সেই কথাত গুৰুত্ব আৰোপ কৰা দেখা নগ'ল। এইটো দলে অসম যদি সম্পূৰ্ণৰূপে বিদেশী নাগৰিকৰ দ্বাৰা সম্পূৰ্ণৰূপে বিধ্বস্ত হয় আৰু ভূমিপুত্ৰই উপায়ন্তৰ হৈ নিশ্চিহ্নও হৈ যায় তেতিয়া হ'লেও সামান্যভাবে বিচলিত হ'ব বুলি ভবাৰ কোনো অৱকাশ নোহোৱা হ'ল। বামপন্থী দলবোৰে

অসমৰ ক্ষেত্ৰত যি ভূমিকা পালন কৰি আহিছে সেই বিষয়ে আৰু কিবা বিশেষ মন্তব্যৰ প্ৰয়োজন হ'ব বুলি আমি অনুভৱ কৰা নাই। এনে এক দুৰ্যোগ সংকটৰ মাজত জীৱন নিৰ্বাহ কৰা সত্বেও আজিও অসমবাসীৰ চেতনা যেন লাভ হোৱা নাই সেই কথাই মনত বাৰে বাৰে আঘাত হানে। যাৰ বাবে আজি অসমবাসী বাৰে বাৰে লাঞ্চিত, অপমানিত সেই দলকে বাৰে বাৰে কোনে ক্ষমতা প্ৰদান কৰিছে সেই কথা উপলব্ধি কৰিব নোৱাৰিলে, অসমৰ ভৱিষ্যৎ কি হ'ব তাক চিন্তা কৰা উচিত নহ'বনে?

ভাৰতীয় নাগৰিক কোন? Citizenship at the commencement of the Constitution.

At the commencement of this Constitution, every person who has his domicile in the teritory of India and

a) Who was born in the territory of India or

b) Either of whose parents was born in the territory of India : or

c) Who has been ordinarily resident in the territory of India for not less than five years immediately preceding such commencement, shall be a citizen of India.

পবিত্ৰ সংবিধানখনৰ ৫ নং অনুচ্ছেদত পৰিস্কাৰকৈ বৰ্ণনা কৰাৰ পিছতো ভাৰতীয় নাগৰিক কোন হয় বা নহয় তাৰ প্ৰশ্নটো এটা ৰাজনৈতিক ভ্ৰষ্টাচাৰ আৰু দুৰ্নীতিৰ বাহিৰে অন্য কিবা হ'ব পাৰেনে? ভাৰতীয় নাগৰিক যি সকল নহয় সেইসকলক সংবিধানমতে ভাৰতীয় নাগৰিক বুলি অভিহিত কৰিব নোৱাৰি আৰু যদি কোনোৱাই ইয়াৰ বিশ্লেষণ বিচাৰ বা বিপৰীত যুক্তি প্ৰদৰ্শন কৰিব খোজে সেয়া নিত্যান্তই সংবিধান বিৰোধী কাৰ্য বুলি প্ৰমাণিত হ'ব।

ভাৰতীয় নাগৰিকৰ বাবেহে ৰাষ্ট্ৰখনত কিছুমান ক্ষমতা নিৰ্দিষ্ট কৰা আছে আৰু অধিকাৰ দিয়া আছে আৰু যি সকলক ভাৰতীয় নাগৰিক বুলি গণ্য কৰিব নোৱাৰি তেওঁলোকক তেনে ক্ষমতা প্ৰদান কৰিব নোৱাৰি। ভাৰতীয় নাগৰিকৰ সুবিধা আৰু অধিকাৰ লাভৰ বাবে সংবিধানৰ ৬ নং অনুচ্ছেদৰ গণ্ডিতহে সম্ভৱ হ'ব পাৰিব আৰু তাৰ বাবে কোনোৱা পাকিস্তানী লোকে এই অনুচ্ছেদৰ নিৰ্দেশ অমান্য কৰিব নোৱাৰিব।

সংবিধানৰ ৯ নং অনুচ্ছেদত এইটো স্পষ্ট কৰি দিয়া আছে যে অনুচ্ছেদ ৫, ৬ বা ৮ নং অনুচ্ছেদত থকা সুবিধা কোনো নাগৰিকে নাপাব যদি তেনে নাগৰিকে কোনোৱা বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্ব স্বইচ্ছাই লাভ কৰিছে।

সংবিধানৰ ৭ নং অনুচ্ছেদত এইটো দ্বিধাহীন ভাষাত স্পষ্ট কৰি দিয়া হৈছে যে যিসকলে ১৯৪৭ চনৰ মাৰ্চৰ ১ তাৰিখৰ পিছত ভাৰতৰ পৰা পাকিস্তানলৈ গৈছে তেওঁলোকে ৫

আৰু ৬ নং অনুচ্ছেদৰ সুযোগ গ্ৰহণ কৰি ভাৰতীয় নাগৰিক হ'ব নোৱাৰিব। অৱশ্যে ১৯ জুলাই ১৯৪৮ চনৰ আগতে বিশেষ প্ৰাৰ্থনাৰ জৰিয়তে আইনৰ নিৰ্দেশত ভাৰতীয় নাগৰিকত্ব লোৱাৰ এক ব্যৱস্থা ৰখা হৈছিল যদিহে তেওঁৰ পঞ্জীয়ন বিধিমতে সম্পন্ন কৰা হৈছে।

ইয়াত ব্যতিৰেকে যি সকল লোক ভাৰতত অবৈধভাৱে আছে বা নানা প্ৰক্ৰিয়াৰে কোনো বিধি নমনাকৈ ভাৰতত প্ৰবেশ কৰিছে তেনে লোকে ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ লাভ কৰাৰ ব্যৱস্থা নাই। সেই মৌলিক অধিকাৰবোৰৰ যিটো ৰাজনৈতিকভাৱে অত্যন্ত গুৰুত্বপূৰ্ণ সেইটোৱে হৈছে ভোটাধিকাৰ।

সংবিধানৰ ১৩ নং অনুচ্ছেদে আনকি এনেদৰে স্পষ্টকৈ কৈছে যে ৰাষ্ট্ৰই এনে কোনো আইন প্ৰণয়ন নকৰিব যাৰ সহায়ত ভাৰতীয় নাগৰিকৰ ক্ষমতা বা সুবিধাৰ অন্তৰায় হ'ব পাৰে বা সীমিত কৰিব পাৰে বা এই সংবিধানৰ নিৰ্দেশৰ পৰিপন্থী হ'ব পাৰে। সংবিধানৰ অনুচ্ছেদ ৩৬৮ য়ে সংসদক এনে কোনো ক্ষমতা প্ৰদান নকৰে যাৰ সহায়ত সংশোধন (সংবিধান) প্ৰক্ৰিয়াৰে ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে যাব পাৰে।

Illegal Migrants (Determination by Tribunals) Act, 1983 : ভাৰতৰ নিচিনা এখন সৰ্ববৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰত, প্ৰখ্যাত ৰাজনীতিবিদৰ জন্মভূমিত, প্ৰখ্যাত আইনজ্ঞৰ দ্বাৰা পৰিচালিত আদালত, য'ত বৰ্তমান সেইখন দেশতে এনে এখন আইন বিদেশী নাগৰিকৰ স্বাৰ্থত প্ৰয়োগ কৰা হ'ল, ভাবিলে তবধ মানিব লাগে। এই আইনখন ভাৰতৰ বহুবোৰ বিতৰ্কিত আইনৰ ভিতৰত এখন আটাইতকৈ বেয়া আইন যিখনে বিদেশীনাগৰিকক ৰক্ষণাবেক্ষন দিয়াতে কেৱল সীমাবদ্ধ নকৰে, এই আইনখনে বিদেশী নাগৰিকক যি কোনো পদ্ধতি অবলম্বন কৰি ভাৰতত প্ৰবেশ কৰাৰ বাবে হাতবাউল দি মাতে কাৰণ ভাৰত সম্প্ৰতি এনে এখন ৰাষ্ট্ৰ য'ত ভাৰতীয় নাগৰিকৰ হাতৰ পৰা ক্ষমতা কাঢ়ি লৈ ক্ষমতাত অধিষ্ঠিত হ'ব পৰা পৃথিৱীৰ একমাত্ৰ ৰাষ্ট্ৰ।

এই আইনখন অসম ৰাজপত্ৰ অসাধাৰণ (The Assam Gazette, Extraordinary) ত প্ৰকাশ কৰা হয় ১৯৮৪ চনৰ ৯ ফেব্ৰুৱাৰী, ২০ মাঘ, ১৯০৫ শক তাৰিখে। সংখ্যাৰ নং ৩৩। এই আইনখনৰ বিতং বিবৰণ ইয়াত সন্নিবিষ্ট কৰিব খোজা হোৱা নাই, কিন্তু কেইটামান বিশেষ বিশেষ কাৰণত এই আইনখন যে পক্ষপাতমূলক, বিতৰ্কমূলক আৰু ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে বিদেশী নাগৰিকৰ ৰক্ষণা-বেক্ষণৰ এক কুখ্যাত অস্ত্ৰ আৰু আইনৰ ফালৰ পৰা ত্ৰুটিপূৰ্ণ বৰং ৰাজনৈতিক অসাধুতা দীৰ্ঘস্থায়ী কৰাৰ এক ঘৃণনীয় হাতিয়াৰ তাৰ কথাহে সংক্ষিপ্তভাৱে প্ৰকাশ কৰা হ'ল।

Ministry of Law, Justice and Company Affairs.

(Legislative Department)

New Delhi, the 26th December, 1983/Pausa 5, 1905 (saka)

The following Act of Parliament received the assent of the President on the 25th December, 1883 and is herely published for general information :

The Illegal Migrant (Determination by Tribunals) Act, 1983 No. 39 of 1983 (25th December,1983),

An Act to provide for the establishment of Tribunals for the determination, in a fair manner, of the question whether a person is an illegal migrant to enable the Central Govt. to expel illegal migrants from India and for matters connected herewith or incidental thereto.

Whereas a good number of the foreigners who migrated into India across the borders of the Eastern and the North Eastern regions of the country on and after the 25th day of March, 1971, have, by taking the advantage of the circumstances of such migration and their ethnic similarities and other connections with the people of India and without having in their possession any lawful authority to do so illegally remained in India.

And whereas the continuance of such foreigners in India is detrimental to the interests of the public of India:

And whereas on account of the number of such foreigners and the manner in which such foreigners have clandestinely been trying to pass off as citizens of India and all other relevant circumstances, it make special provisions for the detection of such foreigners in Assam and also in other part of the country in which such foreigners may be found to have remained illegally,

Be it enacted by Parliament in the thirty year of the Republic of India as follows:

এই আইনখনৰ আধাৰপত্ৰই হৈছে সংবিধানৰ নিৰ্দেশ অমান্য কৰি কৰা এক অবাস্তৱ ভেটি। আমাৰ সংবিধানত বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ বাবে বিশেষ ব্যৱস্থা ৰখা আছে। ভাৰতীয় নাগৰিক কোন হ'ব পাৰে বা নোৱাৰে তাৰ বিতং ব্যাখ্যা সংবিধানত দ্বিধাহীনভাৱে দিয়া হৈছে। সেইবাবে ১৯৭১ চনৰ পিছত ২৫ মাৰ্চ তাৰিখৰ সীমা কৰি লৈ বিদেশী নাগৰিক চিনাক্তকৰণৰ বাবে কোনো আইন আগতে থকা সাংবিধানিক ব্যৱস্থা সলনি নকৰাকৈ কোনো

সংশোধন হ'ব নোৱাৰে। যিকোনো পৰৰাষ্ট্ৰৰ পৰা ভাৰতত প্ৰবেশ কৰা বিদেশী নাগৰিকক অসমত ভাৰতীয় নাগৰিক হিচাবে গণ্য কৰাটো কেবল সংবিধান বিৰোধী কাৰ্য নহয় ই অসমবাসীৰ বাবে কৰা এক চূড়ান্ত অবিচাৰ আৰু প্ৰতাৰণা। ই কেবল সংবিধানৰ বাবেই ভয়ানক ক্ষতিকাৰক হোৱা নাই বৰং ভাৰতীয় সাৰ্বভৌমত্বৰ ওপৰত কৰা এক অপ্ৰত্যাশিত সংসদী আক্ৰমণ। সেইবাবে এনে আইনক পৃথিৱীৰ যিকোনো গণতান্ত্ৰিক প্ৰমূল্যক সন্মান কৰা ৰাষ্ট্ৰই সন্দেহৰ চকুৰে চাব আৰু ভাৰতীয় গণতন্ত্ৰৰ অদূৰদাৰ্শিতাক সমালোচনা কৰিব। এইখন দেশত বিদেশী নাগৰিকক চিনাক্ত কৰাৰ পৰ্য্যপ্ত ব্যৱস্থা আছে আৰু সেই ব্যৱস্থাবোৰ অসমৰ বাবে প্ৰযোজ্য কৰিব নোৱাৰা ব্যৱস্থাটোৰ অন্তৰালত এক ৰাজনৈতিক গভীৰ ষড়যন্ত্ৰত বাহিৰে অন্য কোনো নৈতিক আধাৰ থাকিব নোৱাৰে। এই ৰাজনৈতিক ষড়যন্ত্ৰৰ উদ্ধাৰ নোহোৱাকৈ থকা নাই। ইয়াৰ প্ৰধান কাৰণ হৈছে কোনো ৰাজনৈতিক দলে বিদেশীৰ ভোটৰ ওপৰত নিৰ্ভৰ কৰি ক্ষমতা দখল কৰাৰ এক কুৎচিত অভিসন্ধি।

অসমবাসীয়ে এই আইনৰ বিৰুদ্ধাচৰণ কৰিছে আৰু ইয়াক বাতিল কৰিবলৈ বাৰম্বাৰ অনুৰোধ জনাইছে; কিন্তু কোনো বিশেষ সম্প্ৰদায় হাৰাশাস্তি ভোগ কৰিব বুলি এক অবান্তৰ যুক্তি প্ৰদৰ্শন কৰি সংসদে এখন সংবিধানকে মূল্যহীন কৰাৰ বাবে অপচেষ্টা কৰি থকা দেখা গৈছে। এই আইনখন যিমান দিনলৈ থাকিব সিমান দিনলৈ অসমে গণতান্ত্ৰিক অধিকাৰৰ পৰাই কেবল প্ৰবঞ্চিত হৈ নৰব, অসমৰ ভৱিষ্যতো যে অন্ধকাৰ হৈ যাব তাত সামন্যকনো সন্দেহৰ অৱকাশ নাই।

এই আইনখনৰ বিস্তৃতি সমগ্ৰ ভাৰত বুলি প্ৰথম অধ্যায়ৰ ১ নং সূচীৰ (২) অনুসূচীত প্ৰকাশ কৰিছে যদিও (৩) নং অনুসূচীত কোৱা হৈছে যে ই অসমত ১৫ অক্টোবৰ, ১৯৮৩ ৰ পৰাই বলবৎ হ'ব আৰু ৰাজ্যবোৰত কেন্দ্ৰীয় চৰকাৰে যেতিয়া নিৰ্দেশ কৰিব যেতিয়াহে প্ৰয়োগ সিদ্ধ হ'ব। ইয়াৰ দ্বাৰা এইটো জলজল পটপটকৈ পৰিস্কাৰ হৈছে যে কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে আৰু এক ঘৃননীয় অবিচাৰ কৰাত কোনো দ্বিধা বোধ নকৰিলে। সংসদে প্ৰণয়ন কৰা আইন এক পক্ষপাতমূলক হোৱাটো ভাৰতীয় আদালতে সমৰ্থন কৰিবনে? এটৰ্নি জেনেৰেলে এই বৈষম্যমূলক আইন প্ৰয়োগ কৰাৰ ক্ষেত্ৰত মহামান্য আদালতক দৃষ্টিগোচৰ নকৰাটো কেবল আইনগতভাৱে জুদিচিয়েৰীৰ সন্মান ৰক্ষা কৰাৰ বাবে নহয়, এখন জাল আইন প্ৰণয়ন কৰি ভাৰতীয় নাগৰিকক যে বিভাগ কৰা উচিত নহ'ব সেই কথা পতিয়ন নিওৱাৰ দায়িত্ব পালন কৰাও নহ'ল।

এই অনীতিপূৰ্ণ আইন খনতো খণ্ড ৩ ৰ অন্তৰ্গত (খ)ত কোৱা হৈছে যে বিদেশী নাগৰিক বুলি সেইজনকে কোৱা হব যিসকলক ১৯৪৬ ৰ বিদেশী নাগৰিক আইন (31 of 1946) মতে বিদেশী বুলি চিহ্নিত কৰা হৈছিল আৰু এই খণ্ডৰে (গ)ৰ উপ-খণ্ড (১), (২), বা (৩) ৰ দফা নিৰ্দিষ্ট কৰিব পৰা হৈছে। যদি সেইটোৱে হয় এজন বিদেশীয়ে অসমত

ভাৰতীয় নাগৰিক হিচাবে থাকিবলৈ ৩৫ বছৰতকৈয়ো বেছি সময় পাইছে যেতিয়া তেওঁৰ সতিসন্ততি জন্মসূত্রে ভাৰতীয় হৈ যাব ? আনহাতে অন্য ৰাজ্যত বিদেশী বুলি খেদি পঠিওৱাৰ পাচত অসমত পুনৰ প্রবেশ কৰি সি ভাৰতীয় নাগৰিক হৈ যাব পাৰিব।

বিদেশী নাগৰিক চিনাক্ত কৰাৰ দায়িত্ব চৰকাৰৰ হাতত। এইখন আইনৰ দ্বাৰা যে বিদেশী নাগৰিক চিনাক্তও কৰিব নোৱাৰি আৰু বিতাৰণো কৰিব নোৱাৰি তাৰ প্রধান কাৰণবোৰ হল এটা অঞ্চলত বাস কৰা নাগৰিকে ১০ টকা মাচুল দি দুজনক সাক্ষী ৰাখি বিদেশীৰ বিৰুদ্ধে নির্দ্দিষ্ট প্রপত্রত আপত্তি দাখিল কৰি প্রমাণ কৰিব লাগিব যে ব্যক্তিজন বিদেশী হয়। যাক বিদেশী বুলি কোৱা হৈছে সি ভাৰতীয় নাগৰিক বুলি প্রমাণ কৰিব নালাগে। এইখন আইনেৰে বিদেশী চিনাক্ত কৰিব কোনো কালেই নোৱাৰিব আৰু সেইবাবে ১৯৭১ চনৰ মাৰ্চ মাহৰ ২৫ তাৰিখ নালাগে ২০০৩ চনত প্রবেশ কৰা বিদেশীকো খেদিব নোৱাৰিব কাৰণ বিদেশী চিনাক্ত কৰণৰ দায়িত্ব সাধাৰণ নাগৰিকৰ ওপৰত দিয়া হৈছে।

অসমত উগ্রপন্থীৰ সমস্যা বৃদ্ধি হোৱাৰ ভালেমান কাৰণৰ ভিতৰত কেন্দ্রীয় চৰকাৰৰ পক্ষপাতিতা, অদূৰদর্শিতা আৰু চূড়ান্ত অবহেলা। যেনেকৈ একো একোটা কাৰণত কেন্দ্রই অসম যদি ভাৰতৰ পৰা কিবা প্রকাৰে ওলাই যোৱাৰ উপক্রমো হয় তেতিয়াও খুব দুখ পাব বুলি ভবা টান। এই কথাবোৰ অসমবাসীয়ে গুৰুত্ব সহকাৰে চিন্তা নকৰিলে, আত্মৰক্ষাৰ উপায় উদ্ভাৱন কৰিব নোৱাৰিলে, লোকচান আমাৰ নিজৰ হ'ব। ইয়াৰ পৰিত্রাণৰ উপায় নিজে উদ্‌ভাৱন কৰাটো সময়ৰ এক বৃহৎ আহ্বান।

এই আইনখনৰ ৮ নং খণ্ডৰ অন্তর্গত (২) আৰু (৩) ৰ সংযোজনে এইটো সন্দেহাতীতভাৱে প্রমাণ কৰিছে এই আইনখনৰ প্রকৃত স্বৰূপ। কাৰণ হাতৰ ধন ভৰি আদালতৰ ওচৰত শপতনামা দাখিল কৰি সাক্ষী গোটাই নির্দিষ্ট পুলিচ থানাৰ অন্তর্গত কোনো বিদেশীকে ট্রাইবুনেলত আপত্তি দৰ্শোৱা সম্ভৱ নহয় বাস্তৱ কাৰণত। ৮(২) খণ্ডত উল্লেখ কৰা মতে যেতিয়া কোনো লোকে নির্দিষ্ট প্রপত্রত বিদেশী নাগৰিকজনৰ বিৰুদ্ধে দৰ্খাস্ত কৰিব তেওঁ

(১) বিদেশী নাগৰিকজন ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত প্রবেশ কৰা বুলি নিশ্চিত হ'ব লাগিব।

(২) কোন তাৰিখে সোমাইছে ক'ব পাৰিব লাগিব।

(৩) বিদেশী বুলি জানিব লাগিব।

(৪) কোনো বৈধ পাৰপত্র আছে নে নাই জানিব লাগিব।

(৫) নির্দিষ্ট এলেকাত বাস কৰাটো নিশ্চিত কৰিব লাগিব।

(৬) কিমান দিনৰ পৰা সেই স্থানৰ বাসিন্দা ক'ব পাৰিব লাগিব।

(৭) শপতনামাত স্বীকাৰোক্তি কৰা মানুহৰ নাম ঠিকনা প্রকাশ কৰিব লাগিব।

পৃথিবীৰ কোনো ৰাষ্ট্রতে এনেকৈ বিদেশী নাগৰিক চিনাক্ত কৰিব পাৰি বুলি

আমাৰ বিশ্বাস নহয়। সেইবাবে এনে আইন অসমবাসীৰ বাবে এক বৃহৎ প্ৰবঞ্চনা। ইয়াক বাতিল নকৰা পৰ্যন্ত পৰিত্ৰান পোৱাৰ কোনো সম্ভৱনা নাই।

এই আইনখনৰ প্ৰসংগত তলৰ কথাখিনি সংযোগ কৰা হ'ল।

পৰিশিষ্টত চাব ঃ

পুনঃ এই গ্ৰন্থখনৰ ৰচনাকাল ২০০১-২০০৫ ৰ ভিতৰত। O.P. Saxena and a group of Delhi based lawyers submitted a writ petition as a PIL in the Hon'ble Supreme Court for repeal of the controversial IM (DT) Act and subsequently by Shri S. Sonowal.

১২ জুলাই, ২০০৫ ত মহামান্য চুপ্ৰীম কোৰ্টে ৩ জনীয়া বিচাৰপীঠে সৰ্ব্বসন্মত ভাবে (বিচাৰপতি সকল আৰ. চি. লাহতি, জি. পি. মাথুৰ আৰু পি.কে. সুব্ৰমনম) ৰায় দান কৰে যে

(১) এই আইনখন সংবিধান বিৰোধী - (Uncoustitutional)

(২) এই আইনখন আৰু নিয়মনীতি বোৰক বিধিৰ দ্বাৰা প্ৰতিষ্ঠাপিত ব্যৱস্থাৰ অন্তৰ্গত নহয় (Ultravires the Coustitution) আৰু আইনখন বাতিল কৰা হৈছে।

অসমৰ বিদেশী নাগৰিকৰ চিনাক্তকৰণ প্ৰক্ৰিয়া ১৯৪৬ চনৰ বিদেশী নাগৰিক আইনৰ আৰু প্ৰয়োজনীয় আইনৰ ব্যৱস্থাৰে কৰা হ'ব।

৬ (ক)

১৯৮৩ ৰ অবৈধ নিৰ্বাচনৰ পিছত অসম গণ পৰিষদৰ জন্ম লাভৰ পাতনি

আমি ওপৰত বিস্তৃত বিৱৰণ তথ্য সহকাৰে উপস্থাপন কৰিবলৈ যত্ন কৰিছো যে অসমক বিদেশী নাগৰিকে প্ৰায় গিলি পেলোৱাৰ উপক্ৰম কৰিছে। অসমৰ নিচিনা সকলো প্ৰকাৰে স্বাবলম্বী ৰাজ্য এখনৰ যিবোৰ মূল আধাৰ তাক তিল তিলকৈ নিঃশেষ কৰি পেলোৱাৰ এটা দীৰ্ঘম্যাদী ষড়যন্ত্ৰ ৰচনা কৰা হৈছে। সেই মূল আধাৰ কেইটাৰ সৰ্বপ্ৰথমটোৱে হ'ল শ্ৰম। শ্ৰম কৰি জীৱিকা নিৰ্বাহ কৰাতকৈ বিনা পৰিশ্ৰমে জীয়াই থকাটোৱে সুখদায়ক বুলি যিটো ধাৰণা সেইটো অসমত প্ৰথমে প্ৰৱেশ কৰে কানিৰ যোগেৰে আৰু পিছত সুৰাৰ ব্যাপক প্ৰচলনৰ সহায়ত। সকলো পদাৰ্থই স্থিৰতাত থাকিব বিচৰাৰ দৰে জীৱধাৰী মানুহেও বহি, নিষ্ক্ৰিয় হৈ থাকি, দুবেলা দুমুঠি লাঞ্চনা সহিও খাই জীয়াই থকাৰ প্ৰবনতাই অসমীয়া জাতি এটাৰ শ্ৰমিক শ্ৰেণীটো প্ৰায় নিঃশেষ কৰি পেলালে আৰু তাৰ ঠাইত আমদানি কৰিলে সস্তীয়া বহিৰ্দেশীয় কঠোৰ শ্ৰমিকক। লাখ লাখ অসমীয়া শ্ৰমজীৱি লোক পথৰ ভিক্ষাৰীত পৰিণত হ'ল তথাপি চেতনা লাভ নহ'ল। বাওধান, আহুধান, মৰাপাট, কুহিয়াৰ আদিৰ খেতি অসমীয়াই নকৰা হ'ল। মাটিত নিজৰ হালোৱা গৰুৰে খেতি নকৰা হ'ল। মাছ মাৰি খোৱাতকৈ কিনি খোৱা মৰ্যাদা পূৰ্ণ বুলি ভাবিবলৈ আৰম্ভ কৰা পৰিস্থিতিৰ সৃষ্টি হ'ল। জীৱিকাৰ অন্য কোনো পথ নোহোৱা হোৱাত পৈতৃক সম্পত্তি প্ৰথমে বন্ধকত আৰু পিছত বিক্ৰী কৰি আলিবাটত নামিল। সৰ্বস্বান্ত হোৱাৰ পথ নিজে বাচি ললো। কোনোমতে স্কুললৈ যোৱা ল'ৰাই পিয়নৰ চাকৰিৰ বাবে হাবাথুৰি খোৱা দেখা গ'ল। সকলো প্ৰকাৰ শ্ৰমৰ জৰিয়তে জীৱিকা লাভ কৰিব পৰা পথবোৰ বিজতৰীয়াৰ হাতলৈ গুচি গ'ল। মাটিবাৰী কাৰ হাতলৈ গ'ল তাক আজিও যেন আমি অনুভৱ কৰিব পৰা নাই। যি সকলে পৰিশ্ৰম কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে আৰু সস্তীয়া শ্ৰম ক্ৰয় কৰিব খোজে সেই জাতিৰ অৰ্থনৈতিক ভৱিষ্যৎ যে ধ্বংসৰ গৰাহত পতিত হ'ব তাক যি কোনো সাধাৰণ জ্ঞান থকা লোকেই অনুভৱ কৰিব পাৰিব।

অৰ্থনৈতিক উন্মেষৰ বুনিয়াদটো ভাঙি পেলোৱাৰ পিছত বাকী কামটো হৈছে ৰাজনৈতিক ক্ষমতা দখল কৰাটো। পৰিকল্পিত আঁচনি যুগুত কৰি য'তে দুৰ্বলতা সৰহ তাতেই প্ৰথম আক্ৰমণ কৰা হৈছে। যিসকলে খেতি পথাৰ বিদেশীক এৰি দিলে সেইসকলেই তাত

ৰাজনীতিকৰ আশ্ৰয়ত নিগাজিকৈ বিদেশীক ভোট দানৰ অধিকাৰ দি বিধায়ক মন্ত্ৰী হোৱাৰো পথ মুকলি কৰি দিলে। ৰাজনৈতিক দালালবোৰেও নিজৰ ক্ষমতাৰ স্বাৰ্থত বিদেশীক ৰক্ষণা-বেক্ষণ দিয়ালে, ভোটাধিকাৰ পাবলৈ ভোটাৰ তালিকাত নাম সুমুৱাই লৈ ভাৰতীয় নাগৰিক হৈ পৰিল আৰু তেওঁলোকক এই মন্ত্ৰত দীক্ষিত কৰা হ'ল যে, "ভোট এশ শতাংশই দিবা যাতে তোমালোকক কোনেও বিতাৰণৰ প্ৰশ্ন উত্থাপন কৰাৰ সাহস গোটাব নোৱাৰে"।

অসমীয়া মানুহ কেৱল শ্ৰম বিমুখেই নহয় অসমীয়া মানুহে ৰাজনৈতিক ভাবেও সম্পূৰ্ণভাবে অসচেতন। ফলশ্ৰুতি আজি আৰু কাৰো অবিদিত নহয়; কিন্তু পৰিস্থিতিৰ বিশেষ যে সলনি ঘটিছে তেনে নহয়। বিগত এক বৃহৎ অসম আন্দোলনৰ প্ৰাৰম্ভতে আমি শ্ৰমক অগ্ৰাধিকাৰ দিম বুলি এটা প্ৰতিজ্ঞাও ললো। হাতে কামে আগবাঢ়ি যোৱাৰ বাবে এটা জাগৰণ সৃষ্টি নোহোৱাও নহয়। ভাল ভাল পৰিয়ালৰ ল'ৰাই জোতা চিলাইৰ কাম, ঝাড়ু দিয়াৰ কামো কৰবাত ক'ৰবাত কৰা দেখা পোৱা গ'ল। পথাৰত ভুঁই ৰোৱা, ধান কটা আৰু আন ধৰণে কৃষিশ্ৰমত নিযুক্ত হোৱাৰো এটা বাতাবৰণ হৈ উঠা যেনো লাগিল। বোৱনী শিপিনী বাঢ়িল। গুৱাহাটীৰ কেইবাটাও প্ৰান্তত কান্ধত ভাড় কঢ়িয়াই আনি বয়বস্তু বিক্ৰী কৰা, দোকান পোহাৰ দি জীৱিকা আহৰণ কৰাৰ বাবে যেন এটা বৃহৎ উদ্যোগ আৰম্ভ হৈ গ'ল। মনলৈ এটা ধাৰণা নহাও নহয় যে যদি চাকৰিৰ সহায়ত জীৱন আৰম্ভ কৰা সম্ভৱ নহয়, তেনেহ'লে অন্য শ্ৰমৰ সহায়তো অসমীয়া ল'ৰা-ছোৱালী আত্মনিৰ্ভৰশীল হ'বলৈ সাহস গোটাব পাৰিব।

আন্দোলনৰ নেতৃবৃন্দই আদৰ্শৰ পথ বিসৰ্জন নকৰা বাবে জনসাধাৰণেও এই ছাত্ৰনেতা সকলক যথেষ্ট সন্মান কৰা দেখা গ'ল। জাতিৰ মুক্তিৰ আন্দোলনত ব্ৰতী সকলক শ্ৰদ্ধা কৰাটো সমীচীনো আছিল। কিন্তু অসমীয়া মানুহৰ ধৈৰ্য কম যেন লাগে আৰু আত্ম বিস্মৃত হয় সোনকালে। এইটো জনা কথা যে ৰাজনীতিৰ ধুৰন্ধৰ নায়কসকলে ক্ষমতা দখলৰ বাবে জাতি ধ্বংস কৰি, মানবতা হনন কৰি, আত্মীয় স্বজনক নিঃশেষ কৰিও কাৰ্যসিদ্ধি কৰিবলৈ কোনো কাৰ্পন্য নকৰে। সেইবাবেই কোনো ৰাজনৈতিক দলৰ দালালসকলে নীতি আৰু আদৰ্শৰ বাবে কৰা মৃত্যুপনকো কেনেকৈ নিঃশেষ কৰিব পাৰি তাৰ বাবে নতুন পৰিকল্পনা অতি গুপুতে কৰি আদৰ্শৰে অপমৃত্যু ঘটাবলৈ চেষ্টা কৰে। সেইবাবে এটা বৃহৎ আন্দোলনৰ পৰিসমাপ্তি প্ৰকৃততে ৰাজ্যখনৰ বৃহৎ স্বাৰ্থৰ অনুকূলে হ'ব বুলি অসমবাসীয়ে গভীৰভাৱে আশা কৰিছিল। বিভিন্ন ৰাজনৈতিক দলৰ নেতৃবৰ্গই অসমবাসীৰ প্ৰকৃত সমস্যা ক'ত আৰু এই সৰু জাতিটো অন্য নহ'লেও নৃতাত্বিক গুৰুত্বৰ বাবে হ'লেও যে জীয়াই থকাৰ এটা অধিকাৰ লাভ কৰে তাক অনুভৱ কৰিব বুলি আশা কৰছিল। ৰাজ্যখনৰ এক বৃহৎ আন্দোলনত ছাত্ৰ-ছাত্ৰীৰ ক্ষতি হ'ল প্ৰচুৰ, অৰ্থনৈতিকভাৱেও ক্ষতি স্বীকাৰ কৰা হ'ল অপৰিসীম আৰু মনলৈ আহিল এক ভয়ানক সন্দেহ আৰু অবিশ্বাসৰ। জাতিটোৰ সন্মুখত

দেখা দিয়া গভীৰ সমস্যাটো ক্ষমতাধীন চৰকাৰে সমাধান নকৰে বৰং বিদেশী নাগৰিকৰ পক্ষতহে থিয় দিয়ে। ইয়ে বাৰু ৰাজনৈতিক দলৰ প্ৰকৃত চৰিত্ৰ উদ্‌ঘাটন কৰা নাইনে? তেনেহলে এনে দলক আকৌ বিশ্বাসঘাতকতা কৰিবলৈ অসমবাসীয়ে সুযোগ দিয়া উচিত হ'বনে? এই অনুভৱ কেৱল অসমবাসীৰ নহৈ আচলতে সমগ্ৰ ভাৰতবাসীৰ হ'ব লাগে। বহুতো শুভানুধ্যায়ী লোকে মন্তব্য প্ৰকাশ নকৰাও নহয়; কিন্তু অসমবাসীৰ গভীৰ সমস্যা সমাধানৰ পথ নোলাল। অসমবাসীক আকৌ এবাৰ অকলশৰীয়া কৰাৰ ব্যৱস্থাকে কেন্দ্ৰীয় চৰকাৰে কৰিলে। প্ৰথম কাম হ'ল আদৰ্শবান ছাত্ৰ-নেতাৰ মাজত বিভাজন ঘটাবলৈ এক মাৰাত্মক প্ৰচেষ্টা। এই প্ৰচেষ্টা বহুকোনৰ পৰা কৰা হ'ল। নেতৃত্বক প্ৰলোভিত কৰি কাৰ্যসিদ্ধিৰ বাট সৰ্বদা মুকলি ৰখা হ'ল। ইমান প্ৰলোভন দিয়া হ'ল যে মানবীয় আকাংক্ষা থকা লোকে তাক প্ৰত্যাখ্যান কৰা সহজ নহয়। ছাত্ৰনেতাক প্ৰত্যক্ষভাবে যেতিয়া নোৱাৰি তেতিয়া তেওঁলোকৰ মাজত নানা প্ৰকাৰৰ ভেদভাব অনাৰ প্ৰচেষ্টাও অব্যাহত ৰখা হ'ল। আটাইতকৈ প্ৰচণ্ড চাপ প্ৰয়োগ কৰা হ'ল অভিভাৱকৰ ফালৰ পৰা। সেই সময়ত জাতিৰ ভৱিষ্যৎ সুদৃঢ় কৰাৰ ত্যাগক এক বাতুলতা আৰু ভ্ৰান্ত আবেগ বুলি বিশ্ববিদ্যালয়ৰ অধ্যাপকেও দীঘলীয়া প্ৰবন্ধ প্ৰণয়ন কৰিবলৈ লোৱা দেখা গ'ল। জনসাধাৰণৰ প্ৰাথমিক আৱেগক নানা প্ৰকাৰে সমালোচনা কৰি ছাত্ৰৰ ভৱিষ্যৎ নিৰ্মাণৰ বাবে এক প্ৰত্যাহ্বানৰ জন্ম দিয়া হ'ল। এটা অবৈধ নিৰ্বাচনৰ জৰিয়তে অসমৰ নিস্বাৰ্থ কৰ্মচাৰী সকলৰ ওপৰত এনে এক মাধমাৰ দিয়া হ'ল যে অসমবাসী কক্‌বকাবলৈ আৰম্ভ কৰোতে আন্দোলনৰ গতিধাৰা স্তব্ধ কৰি দিবলৈ সুযোগান্বেষী সকলে উঠি পৰি লাগিল। আঢ্যবন্ত ঘৰৰ ল'ৰা-ছোৱালী অসমৰ বিদ্যালয় এৰি ভাৰতৰ অন্যত্ৰ বিদ্যালাভ কৰিবলৈ আৰম্ভ কৰিলে। কোনো কোনোৱে কৰ্মৰ স্থানৰো পৰিবৰ্তন কৰিলে। তেওঁলোকে জনসাধাৰণৰ মাজত এক বিৰাট প্ৰভাব বিস্তাৰ কৰিবলৈ সক্ষম হ'ল "সন্তানৰ ভৱিষ্যৎ লৈ খেলা নকৰিব। আন্দোলন বন্ধ কৰক আৰু সন্তানৰ ভৱিষ্যৎ নিৰাপদ কৰক। ভাল বিদ্যালাভ হ'লে পৃথিৱীয়ে সিহঁতৰ ঘৰ হ'ব"। মাতৃহৃদয় ব্যথিত হ'ল আৰু ক্ৰমে আন্দোলনৰ গতি যেন সামান্য স্তিমিত হ'ল। এনে প্ৰৱনতাৰ প্ৰতিবাদ কৰা হ'ল; কিন্তু লাহে লাহে বৃহৎ স্বাৰ্থৰ তুলনাত ব্যক্তি স্বাৰ্থই যেন প্ৰাধান্য পাবলৈ আৰম্ভ কৰিলে। বিশ্ববিদ্যালয়, মহাবিদ্যালয়, ইঞ্জিনীয়েৰিং কলেজ, মেডিকেল কলেজত নিৰ্বিঘ্নে, বিদ্যালাভৰ বাবে ছাত্ৰ-ছাত্ৰী বাহিৰলৈ ব্যাপক হাৰত যোৱাৰ উপক্ৰম হ'ল। সেই ছাত্ৰ-ছাত্ৰীসকলেই আকৌ নিয়োগৰ ক্ষেত্ৰও দখল কৰিবলৈ লোৱাত ব্যাপক অশান্তিয়ে দেখা দিলে। চৰকাৰী হেচাত কৰ্মচাৰী ইতস্ততঃ কৰিবলৈ বাধ্য হ'ল। সামান্য অজুহাততে চাকৰীয়ালৰ ওপৰত নিৰ্যাতন আৰম্ভ হ'ল। ধাৰাবাহিকতা চাকৰিৰ ক্ষেত্ৰত এক মূল্যবান বিষয় আৰু ধাৰাবাহিকতা ভঙ্গ হোৱা মানেই বিপদ বহু ক্ষেত্ৰত। তেনে এক নিপীড়ন চৰকাৰে প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰাত কৰ্মচাৰী সকলৰ এক বুজন অংশই ইতস্ততঃ

কৰিবলৈ আৰম্ভ কৰিলে সামান্য কথাতে স্থানান্তৰ কৰা হ'ল পদোন্নতি বাধাগ্ৰস্ত কৰিলে আৰু নিলম্বনকে ধৰি বৰ্খাস্তও কৰিলে পৰিয়ালৰ পোহপালনৰ বাবে বহুতৰ সমস্যাও হ'ল। উচ্চ পদবীধাৰী সকলৰ সৰহভাগৰে আন্দোলনৰ প্ৰতি সমৰ্থন থাকিলেও অংশ গ্ৰহণ নকৰা অৱস্থা হ'ল দুখীয়া মাক বাপেকৰ বাবে শিক্ষানীয় সময় বৃদ্ধি হোৱাটো অসহনীয় হ'ল। ইয়াৰ লগতে চৰকাৰী হেচা আৰু ষড়যন্ত্ৰৰ বলি হৈ বহুতে এটা সুদীৰ্ঘ কালৰ আন্দোলনৰ বাবে অপেক্ষা কৰিব নোৱাৰা অৱস্থা হ'ল আন্দোলনকাৰী সকলৰ বহুতৰে নিজৰ নিজৰ ক্ষেত্ৰত মনোযোগ কমি যোৱাত প্ৰতিযোগিতাও কৰিব নোৱাৰা অৱস্থা হ'ল। ফলস্বৰূপে আন্দোলনৰ পূৰ্বৰ গতি সামান্য পৰিমানে হলেও যে দুৰ্বল হবলৈ আৰম্ভ কৰিলে তাত কোনো সন্দেহ নাই ৰাজনৈতিকভাবে কুটনীতিত যিসকলে অভিজ্ঞ সেই সকলে ভালদৰে জানে যে এক বৃহৎ আন্দোলন সকলো মানুহৰ সমৰ্থন লৈ সৰহ দিন চলাই থকাত বহুবোৰ অসুবিধা আছে আৰু সেইবাবে কুটপ্ৰক্ৰিয়া অৱলম্বন কৰি একোটা কৃতকাৰ্য আন্দোলনো নিঃশেষ কৰি দিব পাৰি বুলি সেইসকল পেচাদাৰী আৰু ক্ষমতাৰ যুঁজত আত্মনিয়োগ কৰা সকলে জানে। তেওঁলোকে জানে যে কোনো কৃতী ছাত্ৰই জীৱন নগঢ়াকৈ আন্দোলনত চিৰকাল ব্ৰতী হোৱাৰ সম্ভৱনাও নাই আৰু তেওঁলোকৰ হাতত সময়ো নাথাকে।

সময় অতীত হোৱাৰ লগে লগে কৰ্মচাৰী পৰিষদৰ মাজত বিভাজনে দেখা দিলে আৰু প্ৰমোচনৰ নতুন অঙ্ক আৰম্ভ হ'ল। ছাত্ৰ সমাজক বিভিন্ন প্ৰকাৰে ভাগ কৰাৰ কৌশল উদ্ভাৱন হ'ল আৰু ৰাজনীতিত প্ৰবেশ কৰাৰ নতুন আঁচনি প্ৰণয়ন হ'ল। বাতৰি কাকতৰ ওপৰত কৰা অবিৰত হেচাৰ ফলত বাতৰি কাকতৰ মালিক সকলো থমকি ৰ'ল আৰু ব্যৱসায় বন্ধ কৰাতকৈ উদাসীন হোৱা উচিত অনুভৱ কৰিলে। সমাজক ভাগ ভাগ কৰা হ'ল আৰু জাতি সত্তাৰ নতুন নতুন সংজ্ঞা তথাকথিত বুদ্ধিজীৱিৰ দ্বাৰা প্ৰচাৰ কৰা হ'ল শতধা বিভক্ত অসমৰ ভিন ভিন সম্প্ৰদায়ক উত্তেজিত কৰা হ'ল আৰু সকলোৰে বাবে সমান আৰু ন্যায্য অধিকাৰৰ দাবীত প্ৰতিবাদী আন্দোলন গঢ়িবলৈ ৰাজনৈতিক উদ্যোগ লোৱা দেখা গ'ল। বাতৰি কাকত আৰু নিৰপেক্ষ সাংবাদিক, সম্পাদকেও থমকি ৰবলৈ অৱকাশ বিচাৰি চালে। এটা বৃহৎ আন্দোলনৰ পৰিসমাপ্তি কৰুণ হবলৈ আৰম্ভ কৰিলে শত্ৰুক ক্ৰমে শক্তিশালী কৰাৰ বাবে প্ৰত্যক্ষ আৰু পৰোক্ষ সুবিধা প্ৰদান কৰিলে শাসনৰ গাদী দখল কৰা সকলে। সেই সময়ৰ অবৈধ মুখ্যমন্ত্ৰীক অচ্যুত কৰাৰ ব্যৱস্থা কৰা হ'ল আৰু মুখ্যমন্ত্ৰী এলাগী হোৱাৰ লগে লগে ক্ৰমে অধিক হিংস্ৰ হোৱা দেখা গ'ল আৰু প্ৰয়োজন বুলি অনুভৱ কৰিলে অসম সম্পূৰ্ণৰূপে ধ্বংস কৰাৰ বাবে। তাৰ মাজতে বিভিন্ন ছাত্ৰ সমাজে তেনে মুখ্যমন্ত্ৰীৰ কৃপা আৰু আশিস ধন্য হবলৈ স্কুল কলেজলৈ মুখ্য অতিথি আৰু উদ্বোধক হিচাবে নিমন্ত্ৰণ জনোৱা হ'ল। মহাবিদ্যালয়ৰ অধ্যক্ষ নথকাকৈয়ো নৱাগত আদৰণী সভা আৰু বছেৰেকীয়া সপ্তাহ উদ্যাপন সম্পাদিত হোৱাৰ ঘটনা ঘটিবলৈ ধৰিলে

মুখ্যমন্ত্ৰীক মুখ্য অতিথি হিচাবে লৈ। কোনো কোনো কলেজৰ অধ্যক্ষক পৰিচালনা সমিতিৰ সভাপতিৰ দ্বাৰা ভাবুকি প্ৰদান কৰাও হ'ল আৰু নিৰ্বিচাৰেকৈয়ো কোনো কোনো কলেজক এককালীন সাহায্য দিবলৈ মুখ্যমন্ত্ৰী আগ্ৰহী হোৱা দেখা গ'ল। ইয়াৰ মাজতো কিন্তু আন্দোলনটো সম্পূৰ্ণৰূপে ধ্বংস কৰিব পৰা নহ'ল। সুবুদ্ধি থকা লোকে অনুভৱ কৰিবলৈ আৰম্ভ কৰিলে যে জাতিৰ প্ৰতি সম্পূৰ্ণ আনুগত্য থকা লোকৰ ওপৰত নিপীড়ন হয়তো জাপি দিব পাৰি; কিন্তু মৃত্যু নঘটালে তেনে লোকৰ আত্মপ্ৰত্যয়ক চিৰদিনৰ বাবে ধ্বংস কৰি দিব নোৱাৰি। ১৯৮৩ চনৰ বছৰটো পাৰ হোৱাত ১৯৮৪ চনত কেন্দ্ৰৰ প্ৰশাসনত এক ভয়ঙ্কৰ প্ৰলয়ৰ সূচনা আৰম্ভ হয়। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক তেওঁৰ বাসভৱনত নিজৰ প্ৰতিৰক্ষা বাহিনীৰ জোৱানে হত্যা কৰে। ভাৰতীয় ৰাজনীতিত ১৯৬৯ চনৰ পৰা ১৯৮৪ চনৰ এই পোন্ধৰ বছৰ এক অন্ধকাৰ যুগ বুলি খ্যাত হৈ ৰ'ব আৰু এই সময়চোৱা অসমৰ জাতীয়, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক বিবৰ্ত্তনৰ এক অবিস্মৰণীয় অধ্যায় হোৱাটো সময়ে সাক্ষ্য বহন কৰাটো ধ্ৰুৱ।

১৯৮০ চনৰ ফেব্ৰুৱাৰী, মাৰ্চ, এপ্ৰিল, মে' এই মাহকেইটাই অসমৰ ৰাজনৈতিক বুৰঞ্জীত এটা মচিব নোৱাৰা দাগ কটাই নহয়, ৰাজনীতি কিমান নিষ্ঠুৰ হ'ব পাৰে, ৰাজনৈতিক দল কিমান ক্ৰুৰ আৰু জনবৈৰী হ'ব পাৰে, কোনো কুণ্ঠাবোধ নকৰাকৈ জনসাধাৰণৰ ওপৰত নিৰ্বিচাৰে অত্যাচাৰ আৰু নিপীড়ন জাপি দিব পাৰে, গণতান্ত্ৰিক প্ৰক্ৰিয়াক কেনেদৰে মূল্যহীন কৰি দিব পাৰে আৰু জনগনৰ বৃহৎ প্ৰতিৰোধকো ক্ষমতাৰ লালসাই কিভাবে কঠোৰ হাতেৰে দমন কৰিবলৈ উদ্যত হ'ব পাৰে সেই কথা স্পষ্ট হৈ ৰ'ব। নিষ্ঠাবান বুৰঞ্জী বিশেষজ্ঞ আৰু গৱেষক সকলে এই কথা পৰিস্কাৰকৈ লিপিবদ্ধ কৰিব যে সৰ্বগ্ৰাসী ক্ষমতাত অন্ধ প্ৰধানমন্ত্ৰীয়ে নিজৰ বাবে এনে কোনো কাম নাই যাক কৰিব নোৱাৰে। সেইবাবে অসম ভাৰতৰ এক অঙ্গ ৰাজ্য হোৱাৰ পিছতো প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে অসমবাসীৰ ওপৰত গণহত্যা কৰিও যি চৰম অপমান দিলে, গণতন্ত্ৰৰ প্ৰমূল্যক কবৰ দিলে সেইকথা অসমক মনে প্ৰাণে ভাল পোৱা কোনো অসমবাসীয়ে কোনো দিনে পাহৰিব নোৱাৰিব। দেশৰ শাসন ব্যৱস্থাৰ বাবে ৰাজনীতি এটা প্ৰক্ৰিয়াহে আৰু এই প্ৰক্ৰিয়াত যেতিয়াই প্ৰজাৰ বৃহত্তৰ অংশৰ সৰ্বনশীয়া অৱস্থাৰ সৃষ্টি হ'ব তেতিয়াই তেনে ৰাজনীতিকক, সি প্ৰধান মন্ত্ৰীয়ে হওক বা মুখ্যমন্ত্ৰীয়ে হওক, জনগণেই তাৰ উচিত বিচাৰ কৰিব, এয়া প্ৰকৃতিৰো নিয়ম আৰু বিজ্ঞানৰো চৰম সত্য। সেইবাবে প্ৰয়াত প্ৰধানমন্ত্ৰীক অসমৰ বৃহৎ জনগণে ক্ষমা কৰাৰ প্ৰশ্নও নাই আৰু তেওঁৰ আত্মাও এক অভিশপ্ত আত্মা হিচাবেই বুৰঞ্জীত স্থান পোৱাটো নিশ্চিত। ৰজাই যেনেকৈ প্ৰজাৰ অমঙ্গল সাধন কৰিব নোৱাৰে প্ৰধানমন্ত্ৰীয়েও নাগৰিকৰ অহিত সাধন কৰিব নোৱাৰে। এয়া ৰাজনৈতিক ধৰ্ম।

সময় বা কাল, অসহনীয় অত্যাচাৰৰো মহা নিদান। মাতৃৰ বুকুৰ পৰা পুত্ৰ কাঢ়ি লৈ

কৰা হত্যা, স্বামীৰ সন্মুখত পত্নীক কৰা অনির্বচনীয় আচৰণ, পুত্র, কন্যা, স্ত্ৰীৰ সন্মুখত পিতৃহত্যা, দেশৰক্ষাৰ কামত নিযুক্ত, সুৰক্ষা প্ৰদানৰ বাবে নিয়োজিত আৰক্ষী হ'ক জোৱানে নির্বিচাৰে নিৰপৰাধী ছাত্ৰ-ছাত্ৰী, ল'ৰা-ছোৱালীক বৰ্বৰৰ দৰে কৰা অত্যাচাৰ কেনে অৱস্থাত সম্ভৱ হ'ব পাৰে সেই কথা নিশ্চয় অসমবাসীয়ে আকৌ এবাৰ ভাবি চাবলৈ সময় পাব। মানৱ অত্যাচাৰ এই ৰাজ্যত ঘটিছিল, কিন্তু কংগ্ৰেছী অপশাসনে তেনে অত্যাচাৰ লুণ্ঠনকো ম্লান কৰি পেলালে স্বাধীন ভাৰতৰ -- অঙ্গ ৰাজ্য অসমৰ ওপৰত এক ক্ষমতা লাভৰ নিকৃষ্ট আকাংক্ষাৰে। সেই নির্বাচন নপতা হ'লে সার্বভৌম ভাৰতৰ কি ক্ষতি হ'লহেঁতেন আৰু কোনখন আকাশ খহি পৰি ভাৰতবৰ্ষ নিশ্চিহ্ন হ'লহেঁতেন (!) বুলি এক প্ৰশ্ন সৰ্বতিকালৰ বাবে ১৯৮৩ চনৰ অবৈধ নির্বাচনে উত্তৰপুৰুষক বাবে বাবে সোঁৱৰাই দিব। আচৰিত ঘটনা যে তেনে নির্বাচনৰ হকেও ওকালতি কৰিলে ৰাজনৈতিক দলৰ নেতাই, যিসকলে পৰম নিষ্ঠাৰে সমাজ সেৱাৰ ব্ৰতত দীক্ষিত বুলি বহুল প্ৰচাৰ কৰে, দাবী কৰে। ৰাজনীতিক কোনো কালেই ব্যৱসায় হিচাবে প্ৰত্যায়িত কৰা হোৱা নাই। ৰাজনীতি কলঙ্কিত কৰাৰ বাবে কোনো সংবিধানো ৰচনা হোৱা নাই। সেইবাবে সংবিধানেহে ৰাজনীতিকক নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা নাথাকিলে আৰু আইন প্ৰণয়নৰ দ্বাৰাই দুৰ্দান্ত ৰাজনীতিকক সংযত কৰিব নোৱাৰিলে মৃত্যু আৰু লাঞ্চনা নিৰীহ জনগণে চিৰকাল বহন কৰিব লাগিব।

ইন্দিৰা গান্ধীৰ মৃত্যু অস্বাভাবিক আৰু এই মৃত্যুৰ বাবে যে কোনোৱে দুখ পোৱা নাই এনে নহয়; কিন্তু এনে মৃত্যুৱে বহুতো ৰাজনৈতিক সিদ্ধান্তৰ দুৱাৰ যে মুকলি কৰিছে সেই কথাত বহুমত থকাৰ সম্ভৱনা কম। ৰাজনীতিৰ মূল প্ৰতিপাদ্য বিষয় হৈছে পক্ষপাত বিহীনভাবে বৃহৎ সংখ্যাৰ লোকৰ বাবে বৃহৎ পৰিমাণৰ কল্যান সাধন কৰা তাৰ বাবে সুস্থ নীতিৰ আধাৰত কৰা এক ব্যৱস্থা। হীনদেৰি হবই আৰু এশ শতাংশই শুদ্ধ সিদ্ধান্ত হ'ব বুলি আশা কৰিবও নোৱাৰি; কিন্তু স্বতঃপ্ৰণোদিতভাবে ব্যক্তিগত লাভৰ আশাত অন্য কোনো লোকৰ ভয়ানক ক্ষতি হব পৰা সিদ্ধান্তৰ বিপৰীতে প্ৰতিবাদী কণ্ঠস্বৰ প্ৰকাশ পোৱা অস্বাভাবিক নহয় আৰু তাৰ বাবে কেতিয়াবা বৃহৎ ক্ষতি কৰাৰ মানসিকতাৰ জন্ম লাভ হোৱাটোও অস্বাভাৱিক নহয়। ১৯৮৩ চনৰ এই অবৈধ নির্বাচনে কেইটামান ৰাজনৈতিক দলৰ ক্ষমতা বিস্তাৰৰ আৰু ক্ষমতা লাভৰ বাবে কৰা নির্লজ্জ লালসাৰ জঘন্যতম উদাহৰণ মহান ভাৰতৰ সংসদে ৰখাৰ কোনো নৈতিক কাৰণ প্ৰতিষ্ঠা কৰিব নালাগিছিল। সেইবাবে এই নির্বাচনটো সৰ্বকালৰ বাবে এক আমানবীয় ৰাজনৈতিক দৃষ্টান্ত হিচাবেই কেৱল ৰৈ যাব এনে নহয়, সময়ৰ বুকুত এই নির্বাচনটোৱে মানবতা হনন কৰাৰ বাবে কেনে ধৰণে হত্যালীলাক এক কলা হিচাবে ৰাজনৈতিক দলে জন্ম দিব পাৰে তাৰো এটা বিৰল উদাহৰণ হৈ ৰ'ব। এই নির্বাচনটোৰ গভীৰতাত প্ৰবেশ নকৰিলে অসমবাসীয়ে আৰু ভয়ানক মূল্য দিয়াৰো অৱকাশ ঘটিব পাৰে। এই নির্বাচন পৰিচালনা সংক্ৰান্তৰ প্ৰতিটো পদক্ষেপ আৰু

কাৰ্যসূচী তন্ন তন্নকৈ বিচাৰ কৰি ল'লেহে অসমবাসীয়ে নিজৰ পৰিচয় ৰক্ষা কৰাৰ সুযোগ পাব। ইয়াক কেবল এটা সাধাৰণ ৰাজনৈতিক ঘটনা হিচাবে বিবেচনা কৰি, নিৰ্বাচন পতা হয় বা নহয় আৰু মানুহ এনেয়েও মৰে বুলি নিৰ্লিপ্ত থাকিলে তেওঁলোক কালৰ বুকুত এনেয়ে অবলীলা ক্ৰমে ক্ষয়প্ৰাপ্ত হ'ব আৰু সেই দিনটোৱে হ'ব অসমবাসীৰ বাবে চৰম অমৰ্যদাকৰ। কাৰণ তেতিয়া অসমবাসীৰ কাষত ঠিয় হবলৈ কোনো আত্ম সন্মান থকা লোক পোৱা নাযাব। অসমবাসীক অসমীয়া হিচাবে জীযাই থাকিবলৈ বাধা দিয়াৰ শক্তি এই বিশ্বত কোনোৱে লাভ কৰা নাই। তাৰ বাবে কোনো প্ৰধানমন্ত্ৰীৰো জন্ম হ'ব নোৱাৰে আৰু কোনো ৰাষ্ট্ৰ শক্তিৰো উন্মেষ হ'ব নোৱাৰে। যদি তেনে প্ৰক্ৰিয়াৰ সম্ভাৱনাই দেখা দিয়ে তেতিয়াও এটা জীয়া পৰাধীন জীৱৰ দৰে সকলো যন্ত্ৰণা মূৰ পাতি ল'বলৈ প্ৰস্তুত হ'ব লাগিব। ভাৰতবৰ্ষৰ অংশীদাৰ ৰাজ্য হিচাবে অসমে ন্যায্য প্ৰাপ্য দাবী কৰিবই লাগিব। ভাৰতবৰ্ষ এই মহান দেশত সৰ্বকালৰ বাবে মনুষ্যত্ব বিহীন প্ৰধানমন্ত্ৰী বা বিবেচনা বিহীন কাৰ্যবাহী সৰ্বকালৰ বাবে হোৱাৰ কোনো সম্ভৱনা নাই। এইটো ঠিক যে অসমৰ ক্ষতিসাধন কৰিব পৰা লোক ৰাজ্যখনতে জন্ম হ'ব পাৰে আৰু তেনে লোকে ৰাজ্যখনৰ বৃহৎ জনগণক যাতে বাৰে বাৰে প্ৰতাৰণা কৰিব নোৱাৰে তাৰ বাবে ঐক্যবদ্ধ সংগ্ৰামৰ প্ৰয়োজন হ'ব আৰু অতন্দ্ৰ প্ৰহৰীৰো জন্ম লাভ হ'ব লাগিব।

ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই চিৰকালৰ বাবে যে এক কুখ্যাতি কঢ়িয়ালে তাত কোনো সন্দেহ নাই। বুৰঞ্জীৰ ছাত্ৰ হিচাবে কোন বুৰঞ্জী নায়কে তেখেতৰ চিন্তা আৰু কাৰ্যক সাৰ পানী দি জিপাল কৰিলে কোৱা টান। অসমবাসীৰ লগত একাত্মতা প্ৰকাশ কৰি অসমৰ বৃহত্তৰ স্বাৰ্থৰ বাবে সদস্যভূক্ত ৰাজনৈতিক দলক প্ৰত্যাখ্যান কৰিব পৰা হেতেন তেখেতে হয়তো এজন বৰেণ্য ৰাজনৈতিক নেতা হোৱাৰে যোগ্যতা অৰ্জন কৰিলেহেতেন। অসমৰ বুকুত সৰ্বত্ৰ তেখেতক এলাগী কৰা হ'ল। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী, কাম কৰে ৰাজ্যৰ বিৰুদ্ধে থিয় হোৱা লোকৰ বাবে। সেইবাবে তেখেতক কোনেও মুখ্যমন্ত্ৰীৰ মৰ্যাদা নিদিয়ে, এয়া এক কম অপমান নহয় আৰু অপমানৰ কাৰণ তেখেত নিজেই। অবৈধভাবে হোৱা নিৰ্বাচন আৰু তাৰ দ্বাৰা গঠিত হোৱা মন্ত্ৰীসভা ভঙ্গ কৰাৰ বাবে, ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসনৰ বাবে প্ৰতিদিনে কাৰ্যসূচী লৈছে অসমবাসীয়ে। আন্দোলনৰ নেতৃবৰ্গই জনোৱা আবেদনৰ প্ৰতি অসম ভাল পোৱা সকলো শ্ৰেণীৰ লোকে আৰু প্ৰতিষ্ঠান বোৰে অবৈধ চৰকাৰ ভঙ্গ কৰাৰ দাবী উত্থাপন কৰিছে। জনগণৰ প্ৰতিনিধি জনগণৰ পৰা বিচ্ছিন্ন হৈ পলৰীয়া চোৰৰ দৰে লোকচক্ষুৰ আতৰত এক নিকৃষ্ট জীৱন যাপন কৰিছে। সংবিধানৰ ৰক্ষাৰ বাবে পতা নিৰ্বাচনে জনসাধাৰণৰ কাষ চাপিব নোৱাৰা অৱস্থাই গণতন্ত্ৰৰ প্ৰয়োগক, স্বৈৰাচাৰী আৰু স্বেছাচাৰী মনোবৃত্তিক, কেনে ধৰণে বলিশালত বন্দী কৰিছে ভাবিলে বিস্ময় মানিব লাগে। এই অবৈধ নিৰ্বাচনটোৱে অসমবাসীৰ বাবে, অসমৰ প্ৰগতিৰ বাবে

কিমান সৰ্বনাশ কৰিলে সেইকথা গভীৰভাৱে উপলব্ধি কৰিবলৈ ভাৰতীয় ৰাজনীতিবিদ সকলৰ প্ৰজ্ঞাৰ ভালেখিনি অভাৱ দেখা গ'ল। মুখ্যমন্ত্ৰী গৰাকী প্ৰতিশোধ পৰায়ন হৈ পৰিল। ৰাজ্যখনৰ সমূহ জনগোষ্ঠীৰ মাজত অসম বিদ্বেষী মনোভাব প্ৰকাশ পালে। ইয়াক থান বান কৰাৰ বাবে সকলো প্ৰকাৰৰ কুট কৌশল অৱলম্বন কৰাত আৰু কেন্দ্ৰীয় স্তৰৰ কংগ্ৰেছী নেতাৰ প্ৰত্যক্ষ সমৰ্থন আৰু সহযোগত ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীক এনেভাবে উচতনি দিয়া হ'ল আৰু স্বকীয় অধিকাৰ দাবী কৰিবলৈ প্ৰত্যক্ষভাৱে প্ৰৰোচিত কৰা হ'ল যাৰ ফলত এই শান্তিকামী ৰাজ্যখন অভাবনীয়ভাৱে এক অস্থিৰতাৰ গহ্বৰত প্ৰবেশ কৰিবলৈ বাধ্য হ'ল। ৰাজ্যখনক সাত ভাগত নহয় ২৫ ভাগত বিভক্ত কৰি হ'লেও ক্ষমতাত বৰ্তি থকাৰ এক হীন পৰিকল্পনা ৰচনা কৰা হ'ল। সেই ভাঙোনৰ শৃংখল বিক্ৰিয়াই যে এদিন ৰাজ্য নহয় দেশখনৰ বাবেই ক্ষতিকাৰক হ'ব তাক তথাকথিত নেতাসকলে অনুধাৱন কৰিব নোৱাৰিলে আৰু তাৰ পৰিণতি হিচাবে সেই কুখ্যাত ৰাজনৈতিক নেতাসকলক সময়ে যে কোনো কালে ক্ষমা নকৰে তাক ৰাজনীতিৰ ৰাগিয়ে বিস্মৃত কৰিলে। সোণৰ অসম পুৰি চাৰখাৰ কৰাৰ এটা বীভৎস প্ৰক্ৰিয়াৰ জন্ম হ'ল। সময় একেবাৰে উকলি যোৱাৰ আগতে ৰাজ্যখন ৰক্ষা কৰিবলৈ আন্দোলনটো চলাই ৰখা হ'ল। তথাপি ইয়াৰ তেজ ক্ৰমে কমিল, উত্তাল নোহোৱা হ'ল।

ৰাজীৱ গান্ধী ইন্দিৰা গান্ধীৰ মৃত্যুৰ পিছত প্ৰধানমন্ত্ৰী কিয় হ'ল আৰু কেনেকৈ সেইকথাবোৰ ভাৰতবাসীয়ে নিজে নিজে বিশ্লেষণ কৰি লব। ৰাজনীতিৰ লগত মুঠেও সম্পৰ্ক নৰখা লোক ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী হোৱাৰ প্ৰথম সূচনা ৰাজীৱ গান্ধীতে আৰম্ভ হ'ল। স্বাধীনতাৰ দীঘলীয়া আন্দোলনৰ ফলশ্ৰুতি কেবল প্ৰধানমন্ত্ৰীৰ নিযুক্তিতে সীমাবদ্ধ ৰাখিলে স্বাধীনতাই মূল্যহীন হৈ যায় আৰু গণতন্ত্ৰৰ অপমৃত্যু হয়। এটা সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ সুদীৰ্ঘকালৰ অভিজ্ঞতাৰে পুষ্ট ৰাজনীতিকৰ যোগ্যতা কাৰ কিমান আছে বা নাই সেই কথা কেবল দলৰ কৰ্মীয়েহে জানে এনে কথা নাই, দেশখনৰ নাগৰিক সকলোৰো বৰেণ্য নেতাৰ অবদান আৰু যোগ্যতাৰ বিষয়ে স্পষ্ট মত আৰু ধাৰণা থাকে। পুত্ৰ কন্যা স্ত্ৰী, ভাতৃ, ভগ্নীবোৰ দলীয় কৰ্মী হ'ব পাৰে আৰু বহুতৰ যোগ্যতাও থাকিব পাৰে; "Et Tu Brute" ৰ সম্ভাবনাও ৰাজনীতিত যে প্ৰবল সেই কথাও নুই কৰিব নোৱাৰি। সেইবাবে বহুত সময়ত যোগ্যতাবিহীন লোকৰ নেতৃত্বত ৰাজনীতি কলঙ্কিত কৰা হৈছে বাবে সাধাৰণ লোকৰ স্বাৰ্থত প্ৰতিষ্ঠিত চৰকাৰেও গণবিক্ষোভৰ জন্ম দিছে আৰু ব্যক্তিস্বাৰ্থক প্ৰাধান্য দি যাৰ দ্বাৰা চৰকাৰ গঠন হয় তাক প্ৰবঞ্চিত কৰা হৈছে।

সেইবাবে ৰাজীৱ গান্ধীয়ে বাৰে বাৰে আন্দোলনৰ নেতৃবৃন্দৰ লগত আলোচনা অনুষ্ঠিত কৰাৰ পিছতো কোনো সুফল লাভ কৰিব পৰা হোৱা নাই। দলীয় স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ বাবেই অবৈধ চৰকাৰৰ পতন সম্ভৱ হোৱা নাই আৰু বিদেশী নাগৰিকৰ সমস্যাটো সংবিধানৰ

আধাৰত মীমাংসা হোৱা নাই। দাবী ভালেখিনি শিথিল কৰিও ৰাজ্যখনৰ বৃহৎ স্বাৰ্থ ৰক্ষাৰ বাবে এখন অবাঞ্ছিত আইন বাতিল কৰাৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই। বৰং বিদেশী নাগৰিকৰ সুৰক্ষাৰ বাবহে গৃহমন্ত্ৰী বুটা সিঙৰ দ্বাৰা এটা সংশোধনী আনে যাক গ্ৰহণ কৰাৰ কোনো কাৰণ থাকিব নোৱাৰে। অৰ্থাৎ ৰাজীৱ গান্ধীয়েও প্ৰধানমন্ত্ৰীত্ব গ্ৰহণ কৰি ইন্দিৰা গান্ধীৰ নীতিকে অনুসৰণ কৰা দেখা গ'ল আৰু ৰাজ্যখনৰ জ্বলন্ত সমস্যা সমাধান কৰাত ব্যৰ্থ হ'ল। অসমবাসীক জৱাহৰলালে বাৰে বাৰে প্ৰতাৰণা কৰাৰ বহু অভিযোগ আছে। সেই কথা অসমবাসীয়ে পুনৰ স্মৰণ কৰিবলৈ ললে। ইন্দিৰা গান্ধীয়ে অসমবাসীকো চূড়ান্ত প্ৰবঞ্চনা কৰাৰ স্মৃতি মাৰ যোৱাৰ আগতে ৰাজীৱ গান্ধীৰো যে অসমবাসীৰ প্ৰতি এক বিদ্বেষ আছে আৰু অসমক যদি বিদেশীয়ে সম্পূৰ্ণৰূপে গ্ৰাস কৰি পেলায় তেতিয়াও যে ৰাজীৱ গান্ধীৰ মূৰৰ বিষ নুঠে সেই কথা তেওঁৰ কাৰ্যকলাপে পুনৰ প্ৰমাণ কৰিলে। অসমবাসীৰ অধিৰ আগ্ৰহ আৰু প্ৰতীক্ষাক কোনো মূল্য নিদি এখন চুক্তি ৰূপায়ণৰ জৰিয়তে অসম ৰক্ষাৰ প্ৰস্তাবো বাৰে বাৰে হীনচক্ৰৰ ওচৰত আত্ম সমৰ্পন কৰি নসাৎ কৰাৰ ব্যৱস্থা অব্যাহত ৰাখিলে আৰু আন্দোলনৰ সমগ্ৰ প্ৰক্ৰিয়াটোকে 'Fizzle out' কৰাৰ প্ৰযত্ন ললে। এইবোৰ এতিয়া বুৰঞ্জী হৈছে।

আন্দোলনৰ নেতৃবৃন্দ আৰু তাৰ সমৰ্থক সকলে সঠিকভাবে জানিছিল যে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত ৰাজ্যখনৰ অবৈধ চৰকাৰে নানা প্ৰকাৰৰ ষড়যন্ত্ৰ কৰি আন্দোলনটো সম্পূৰ্ণৰূপে ধ্বংস কৰিবলৈ চেষ্টা অব্যাহত ৰাখিব। ছাত্ৰসকলক ভাগ ভাগ কৰি, অভিভাৱক সকলক বিভক্ত কৰি, কৰ্মচাৰীৰ ওপৰত নানা প্ৰকাৰৰ নিপীড়ন জাপি দি বিশেষ বিশেষ গুৰুত্বপূৰ্ণ বিষয়াক নিগৃহীত কৰি এক অৰাজকতাৰ সৃষ্টি কৰা দৃষ্টি গোচৰ হ'ল। মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া যেন প্ৰতিহিংসাপৰায়ন মনোবৃত্তিৰ হ'ল তেনে প্ৰকাশ দেখা পোৱা গ'ল। কেন্দ্ৰকো এনেদৰে আশ্বস্ত কৰিবলৈ যত্ন কৰিলে যে এয়া মাত্ৰ সময়ৰ প্ৰয়োজন, আন্দোলন সকলো প্ৰকাৰে ধ্বংস হৈ যাব। এনে প্ৰবনতা যে বিদেশীৰ প্ৰত্যক্ষ আক্ৰমণতকৈয়ো অধিক ক্ষতিকাৰক হ'ব পাৰে সেইকথা কেন্দ্ৰক ভালেসংখ্যক জাতীয়প্ৰাণ বুদ্ধিজীৱীয়ে অৱশ্যে সোঁৱৰাই দিছে আৰু এই আন্দোলনটোৰ এটা সন্মানজনক মীমাংসা উলিয়াবলৈ পৰামৰ্শ আগবঢ়াইছে। অন্যথা অসম আৰু লগতে পূৰ্বাঞ্চল সম্পূৰ্ণৰূপে ভাৰতৰ পৰা আতৰি যোৱাৰ পথো ৰচনা হৈ যাব পাৰে। কোৱাই বাহুল্য কেন্দ্ৰীয় চৰকাৰৰ অৱহেলা, পক্ষপাতিত্বমূলক বিবেচনা আৰু বৃহৎ সমস্যাবোৰৰ প্ৰকৃত কাৰণবোৰ অনুধাৱন কৰাৰ ব্যৰ্থতাই অঞ্চলটোত সন্ত্ৰাসবাদৰো জন্ম দিছে। নতুনকৈ প্ৰধানমন্ত্ৰীৰ আসনত বহা ৰাজীৱ গান্ধীৰ আন নহ'লেও তেওঁৰ মাতৃয়েই যাতে সৰ্বকালৰ বাবে এক অক্ষমনীয় অপৰাধৰ মূল নায়িকা হিচাবে কলংক বহন কৰিব লগীয়াত নপৰে তাৰ বাবে অৱশেষত এখন চুক্তিৰ দ্বাৰা সমস্যাটো ৰাজনৈতিকভাৱে জীয়াই ৰখাৰ, দৰদাম কৰাৰ এক কৌশল অৱলম্বন কৰি

এখন চুক্তিৰ কথা ঘোষণা কৰে চুক্তিখন সম্পাদন কৰিলে আন্দোলনটো বন্ধ হৈ যাব বুলি সকলোৱে অনুভৱ কৰিলে সেই চুক্তিৰ দফাবোৰ আদায় কৰিবলৈ এক নিৰন্তৰ ব্যৱস্থাও প্ৰৱৰ্ত্তিত হৈ ৰব। কাৰণ চৰকাৰে এনে বহুত চুক্তিত স্বাক্ষৰ কৰিছে যিবোৰৰ ৰূপায়নৰ বাবে বছৰৰ পিছত বছৰ দাবী চলি আহিছে আৰু কেন্দ্ৰই তাক এক সন্মানৰ প্ৰশ্ন বুলি কেতিয়াবা সামান্য সমাধান কৰিছে আৰু দমনৰ বাবে এপাত অস্ত্ৰ হিচাবে ভাণ্ডাৰত জমা ৰাখিছে। সেইবাবে পাঞ্জাব চুক্তি, গুজৰাট চুক্তি, আন্তঃৰাষ্ট্ৰীয় চুক্তি, চিমলা চুক্তি আদি নানা চুক্তিৰ অৱতাৰণা কৰি অসম চুক্তি স্বাক্ষৰিত কৰাৰ বাবে ১৯৮৫ চনৰ ১৫ আগষ্ট তাৰিখটো নিৰ্বাচন কৰা হৈছে। এই চুক্তিৰ সপক্ষে সৰহলোকে সমৰ্থন জনাইছে। কেবল যিসকলে জানে যে যিটো সমস্যা কোনো চুক্তি সম্পাদন নকৰাকৈ ভাৰতীয় সংবিধানৰ আধাৰত সম্পাদন কেন্দ্ৰই কৰিব পাৰে তাৰবাবে চুক্তি এখনৰ প্ৰয়োজন ক'ত। সেই সকলে উচিতভাৱেই সন্দেহ প্ৰকাশ কৰে। তেওঁলোক নিশ্চিত যে অসমবাসীক এখন চুক্তি পত্ৰত আৱদ্ধ কৰি মূল সমস্যা সমাধান নকৰি, এক বিতৰ্ক জীয়াই ৰাখি পুনৰ প্ৰৱঞ্চনা কৰাৰ পথ মুকলি ৰখাৰ এক ব্যৱস্থা কৰা হ'ব। তথাপি এই কথা স্বীকাৰ কৰিবই লাগিব যে চুক্তি এখন সম্পূৰ্ণৰূপে মূল্যহীন কৰিবলৈ কেন্দ্ৰই সাহস গোটাব নোৱাৰিব কাৰণ কেন্দ্ৰতো পৰিবৰ্তন যে হ'ব যি নিশ্চিত।

৬ (খ)

অসম চুক্তি সম্পাদন ঃ The Assam Accord

অসম চুক্তি (The Assam Accord) এখনৰ খচৰা প্ৰস্তুত কৰা হৈছে। অসম আন্দোলনৰ নেতৃবৰ্গৰ সমন্বয়ৰক্ষী সমিতিৰ ৪৫ জনীয়া সদস্যৰ এটা শক্তিশালী দলে দিল্লীত খচৰাখন বাৰে বাৰে অধ্যয়ন কৰিছে আৰু তাক চূড়ান্ত ৰূপ দিয়াৰ ক্ষেত্ৰত বাৰে বাৰে উজুতি খাব লগীয়া হৈছে। চুক্তিত সন্নিবিষ্ট দফাবোৰে অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান কৰিব নে নকৰে, ৰাজ্যখনৰ অস্তিত্ব, ভাষা সংস্কৃতি সুৰক্ষিত হ'ব নে নহয়, অৰ্থনৈতিক উন্মেষৰ বাবে কেনে ধৰণৰ সম্পদ অসমে আহৰণ কৰিব এই কথাবিলাক তন্ন তন্নকৈ বিচাৰ কৰা যে উচিত হ'ব তাক কোৱাই নিষ্প্ৰয়োজন। এটা প্ৰধান সমস্যা শেষ পৰ্যন্ত সমাধান নোহোৱাকৈ ৰৈ আছে। অবৈধ মন্ত্ৰীসভাখন বৰ্খাস্ত হ'ব নে নহয়। এই বিষয়টোত কেন্দ্ৰীয় চৰকাৰ এক দুৰ্ঘোৰ বিপদত পৰে। যি নিৰ্বাচনৰ বিৰুদ্ধে অসমবাসীয়ে প্ৰতিৰোধ কৰিছে, যি নিৰ্বাচন হেজাৰ হেজাৰ লোকক হত্যা কৰি কেন্দ্ৰই জোৰকৈ পাতি দিছে, সেই নিৰ্বাচনেই পাতি দিয়া চৰকাৰ এটা সময়ত শাসনাধিষ্ঠিত কংগ্ৰেছ দলে নিজ শাসনকালত বৰ্খাস্ত কৰিব লগীয়াত পৰে তেনেহ'লে দলৰ মৰ্যাদা যে হানি হ'ব তাত কোনো সন্দেহ নাই। চৰকাৰ বৰ্খাস্ত নহ'লে চুক্তিও যে সম্পাদন কৰিব পৰা নহ'ব সেই কথা কেন্দ্ৰয়ো দেৰিকৈ হ'লেও সম্যকভাবে উপলব্ধি কৰিছে। আটাইতকৈ প্ৰয়োজনীয় উপলব্ধি কেন্দ্ৰৰ হৈছে যে এই নিৰ্বাচনটোৰ দ্বাৰা কোনো প্ৰয়োজন পূৰণ কৰিব পৰা হোৱা নাই। ই ৰাজনৈতিকভাবে এক বিৰাট প্ৰহসন হিচাবে ইতিমধ্যে পৰিগণিত হৈছে আৰু গণতন্ত্ৰৰ এক অভাবনীয় স্খলন সাধন কৰা কৰা হৈছে।

১৫ আগষ্ট, ১৯৮৫ চনৰ আবেলি আন্দোলনৰ নেতৃবৰ্গৰ ৫ জনীয়া প্ৰতিনিধি দলটোৰ প্ৰফুল্ল কুমাৰ মহন্তই নেতৃত্ব দিয়ে আৰু আবেলি প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ সৈতে পুনৰ আলোচনাত বহে। ইয়াৰ আগতে তেওঁলোকে গৃহমন্ত্ৰী এচ. বি. চবনৰ লগত এলানি আলোচনা কৰে আৰু তেখেতৰ পৰামৰ্শক্ৰমে প্ৰধানমন্ত্ৰীক এই পাচজনীয়া দলটোৱে আলোচনাত অংশ গ্ৰহণ কৰাৰ বাবে অনুৰোধ কৰে। আলোচনাৰ শেষত গৃহসচিব আৰ. ডি. প্ৰধানৰ লগত দীঘলীয়া আলোচনাত বহে। সেইদিনাই সন্ধিয়া নেতৃবৰ্গই প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ লগত একেলগে এবাৰ আলোচনাত বহে। সেই আলোচনাত বিদেশী নাগৰিকৰ ক্ষেত্ৰত দুটা সিদ্ধান্তত একমত প্ৰকাশ কৰে- (১) ১৯৬৬ চনৰ ১ জানুৱাৰী আৰু

১৯৭১ চনৰ ২৪ মাৰ্চৰ ভিতৰত অসমত প্ৰৱেশ কৰা বিদেশী নাগৰিকবোৰে ১০ বছৰলৈ ভোটাধিকাৰ ৰহিত হৈ থাকিব আৰু (২) ১৯৭১ চনৰ ২৫ মাৰ্চকে ধৰি তাৰ পিছত অবৈধভাৱে প্ৰৱেশ কৰা সকলো বিদেশী নাগৰিকক ৰাজ্যখনৰ পৰা বহিষ্কাৰ কৰা হ'ব। লগতে নিৰ্বাচিত চৰকাৰ অবৈধ বুলি বৰ্খাস্ত কৰা হ'ব আৰু নবেম্বৰ মাহত ৰাজ্য বিধানসভা আৰু লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সম্মতি আদায় কৰা হয়। ১৯৭১ চনৰ ভোটাৰ তালিকাৰে ব্যৱহাৰ হ'ব যদিও এই তালিকাৰ পৰা চুক্তি মতে ১৯৬৬ চনৰ ১ জানুৱাৰীৰ পিছত প্ৰৱেশ কৰা লোকসকলৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হ'ব আৰু "D" লিখা থাকিব— অৰ্থাৎ dropped.

প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উপস্থিতিত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত, সৃঃ অঃ ছাঃ সঃ ৰ সম্পাদক ভৃগু কুমাৰ ফুকন, সঃ অঃ গঃ সঃ পঃ ৰ আহ্বায়ক বিৰাজ কুমাৰ শৰ্মাই চুক্তিখনত স্বাক্ষৰ কৰে। গৃহ দপ্তৰৰ সচিব আৰ. ডি. প্ৰধান আৰু অসমৰ মুখ্য সচিব শ্ৰীমতী পি. পি. ত্ৰিবেদীয়েও চুক্তিখনত স্বাক্ষৰ কৰে। এই চুক্তিখনত স্বাক্ষৰ কৰা সময়ত ৰাতি গভীৰ হয় আৰু ভাৰত স্বাধীন হোৱাৰ Instrument of Independence স্বাক্ষৰ কৰাৰ দৰেই অসম আৰু দিল্লীত এক গভীৰ উৎকণ্ঠাই বিৰাজ কৰে। কোৱাই বাহুল্য যে এই চুক্তিখন স্বাক্ষৰ কৰাৰ সপক্ষে যেনেকৈঅসংখ্য লোকৰ এক আশাবাদী সমৰ্থন আছে তেনেকৈ আশা আৰু ৰাজনীতি কৰাৰ সুচল মাটি হ'ব বুলি বিৰুদ্ধাচৰণ কৰা এটা অংশও আছে। সংসদত ইয়াক বিপুলভাৱে সমৰ্থন জনাইছে আৰু এটা বৃহৎ আন্দোলনৰ পৰিসমাপ্তি ঘটা বুলি বহুতে আশান্বিত হৈছে। এটা দুৰ্যোৰ অন্যায়ৰ অৱসান ঘটিব পাৰে আৰু ভাৰতৰ অঙ্গৰাজ্য এখনৰ লোকসকলে, ভাৰতবাসীও যে তেওঁলোকৰ লগতে আছে তাৰ এটা গভীৰ বিশ্বাস আৰু আত্মপ্ৰত্যয় জন্মিব পাৰে। চুক্তি স্বাক্ষৰ হোৱাত অসমৰ ৰাজনীতিত যে এটা যুগান্তকাৰী পৰিবৰ্তন ঘটিব পাৰে তাকো চতুৰ ৰাজনীতিকসকলে অনুধাৱন নকৰাকৈ নাথাকিল। বিশ্বাসঘাতক ৰাজনীতিকবোৰে সদায়ে সময়ৰ প্ৰয়োজনত নিজ নিজ স্থিতি অবলম্বন কৰি পুনৰ জনগণৰ মাজত প্ৰতিষ্ঠা লাভৰ বাবে নানা অভিসন্ধি কৰে আৰু নিৰীহ জনগণক প্ৰতাৰণা কৰিবলৈ কৌশল ৰচনা কৰে। চুক্তি স্বাক্ষৰ হোৱাৰ লগে লগে অসমতো এক বৃহৎ উৎকণ্ঠাৰ সামৰণি পৰে। এটা গণবিপ্লৱ সফল কৰা আৰু আৰম্ভণীৰে পৰা শেষ পৰ্যায়লৈ তাক ধৰি ৰখা কিমান টান কাম সেই কথা নিন্দুক সকলত বাহিৰে, হীন আৰু কপট লোকৰ বাহিৰে, সহৃদয় আৰু মহানুভৱ লোকসকলে সহজে মানি লব তাত সন্দেহ নাই। সেইবাবে অসমত এক আনন্দৰ জোৱাৰ উঠে। চয়তান ৰাজনীতিকবোৰ স্তম্ভিত আৰু ভীতগ্ৰস্ত হৈ আত্মগোপন কৰাও দেখা গ'ল। আনন্দৰ বন্যাত ৰাজ্যখন টলমল কৰাৰ সময়তে ৰাজ্যশত্ৰুবোৰ আতঙ্কিত হৈ পৰে। পৰিণতি কিমান ভয়াবহ হ'ব পাৰে সেই লৈয়ো চিন্তিত হৈ পৰে। অভিভাৱকৰ সৰহভাগে এটা অধ্যায়ৰ অন্ত হোৱাত নতুন আশাৰ ৰেঙনি দেখিবলৈ পায। শিক্ষ-নুষ্ঠান, কাৰ্যালয়, ব্যৱসায়িক প্ৰতিষ্ঠান সকলোতে এক উদ্দীপনাই

বিৰাজ কৰে। চুক্তিপত্ৰৰ স্বাক্ষৰ বহনকাৰীয়ে যেতিয়া ঘৰলৈ উভতি আহে সেইদিনা ভাৰত স্বাধীন হোৱাৰ আনন্দও যেন কম তেনে এক পৰিবেশ ৰচনা হয়। জজ খেল পথাৰত নেতৃবৃন্দক আদৰিবলৈ অগণণ লোকৰ সমাবেশ ঘটে। কেইবালাখ মানুহে মহন্ত-ফুকনক মূৰৰ চুলি চিঙি আশীৰ্বাদ দিয়ে। ধূপ-ধূনা আৰু সেন্দুৰৰ আৰতি কৰি মহন্ত-ফুকনক আহ্বান জনায়। লোকে লোকাৰণ্য হৈ পৰে। তেওঁলোকৰ মুখৰ পৰা স্বাক্ষৰ কৰা চুক্তিৰ বিবৰণ শুনিবলৈ লক্ষ লক্ষ লোক নিঃশব্দ হৈ পৰে। নানা দেশাত্মবোধক সঙ্গীত, জাতীয় ভাবাপন্ন সঙ্গীতৰ ধ্বনিত দশোদিক প্লাবিত হৈ যায়। অসম অমৰ ৰহে, প্ৰফুল্ল মহন্ত জিন্দাবাদ, ভৃগু ফুকন জিন্দাবাদ ধ্বনিত আকাশ বতাহ নিনাদিত হৈ পৰে। মৰে অসম জীয়ে কোন, জীয়ে অসম মৰে কোন ধ্বনিয়ে অসমলৈ এক নতুন আশা কঢ়িয়াই আনে। মহন্ত-ফুকনে অসমবাসীক সম্বোধন কৰি আন্দোলনৰ জয়ক জনগণৰ জয় বুলি অভিহিত কৰে। অসমবাসীৰ ত্যাগক অপৰিমেয় বুলি বৰ্ণনা কৰে আৰু শ্বহীদৰ ত্যাগক শ্ৰদ্ধাৰে, চকুলোৰে স্মৰণ কৰি ভাষণন ৰাখে আৰু চুক্তিখনৰ মূল কথা বৰ্ণনা কৰে।

এই চুক্তিখন সম্পাদন কৰাত প্ৰফুল্ল কুমাৰ মহন্তই প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক প্ৰশংসা কৰে আৰু অনুৰোধ কৰে যে এই চুক্তিখন এখন পাঞ্জাবৰ বাবে কৰা চুক্তিৰ দৰে "A memorandum of settlement" হিচাবে গণ্য কৰিব লাগে। ভাৰত চৰকাৰৰ পক্ষে কিছু পৰিমানে ৰক্ষণশীলতা অবলম্বন কৰি গৃহমন্ত্ৰীয়ে এইদৰে কয় যে "প্ৰকৃতাৰ্থত এইখন এখন "Memorandum of Understanding" হ'ব লাগে বুলি কোৱাত মহন্ত আৰু সহযোগী সকলে আপত্তি প্ৰদৰ্শন কৰে। তেতিয়া প্ৰধানমন্ত্ৰী ৰাজীব গান্ধীয়ে ইয়াক এখন "Memorandum of Settlement" হিচাবে গণ্য কৰে আৰু সেইবাবে প্ৰফুল্ল মহন্তই ৰাজীৱ গান্ধীক প্ৰশংসা কৰে।

দেশখনৰ কেইবাজনো আগশাৰীৰ নেতাই এই চুক্তিখন সম্পাদন হোৱাত সন্তোষ প্ৰকাশ কৰে। তেলেগু দেশমৰ নেতা এন. টি. ৰাম ৰাও, মুখ্য নিৰ্বাচনী আয়ুক্ত আৰ. কে. ত্ৰিবেদী, ৰবীন্দ্ৰ বৰ্মা, পি. উপেন্দ্ৰ, কংগ্ৰেছৰ সভাপতি শাৰদ পাৱাৰ, কেপটেইন উলিয়ামচন চাংমা, শ্ৰীবেঙ্গল ৰাও. মুৰলী দেওৰা, এল. কে আদবানী, ফাৰুক আব্দুল্লা, আদিয়ে এই চুক্তিখন সম্পাদন হোৱাত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে অসমৰ জ্বলন্ত সমস্যাটো সঠিকভাবে উপলব্ধি কৰা বুলি অভিমত প্ৰকাশ কৰে আৰু এয়া জনসাধাৰণৰ ৰায় বুলি অভিহিত কৰে।

সদৌ অসম গণ সংগ্ৰামৰ অংশীদাৰ (১) পূৰ্বাঞ্চলীয় লোক পৰিষদ (PLP), (২) তৰুণ উকীল সন্থা (YLF) (৩) All Assam Tribal Youth Union (AATYA) ৰ ক্ৰমে সভাপতি অধ্যাপক থানেশ্বৰ বড়ো, সম্পাদক হেমকান্ত শৰ্মা আৰু ভাৰপ্ৰাপ্ত সভাপতি লব ৰাভাই এই চুক্তিখনৰ বিৰোধিতা কৰে আৰু বিৰাজ কুমাৰ শৰ্মাক চুক্তিখনত স্বাক্ষৰ

কৰাৰ কোনো কর্তৃত্ব দিয়া নাই বাবে তেওঁ চুক্তিৰ অংশীদাৰ হ'ব নোৱাৰে বুলি মত প্ৰকাশ কৰে।

১৭ আগষ্টত সমগ্ৰ অসমত ৰাতিপুৱা শ্বহীদ তৰ্পণ কৰা হয়। গুৱাহাটীৰ জজ খেল পথাৰত অন্তহীন জনতাৰ মাজত চুক্তি স্বাক্ষৰকাৰীক আনুষ্ঠানিক অভিনন্দন আৰু সম্বৰ্দ্ধনা জনোৱা হয়। সন্ধিয়া শ্বহীদ সকলৰ সোঁৱৰণত আৰু ৰাজ্যত শান্তি প্ৰতিষ্ঠাৰ বাবে বন্তি প্ৰজ্বলনৰ কাৰ্যসূচী পালন কৰা হয়। ৰাজ্যখনলৈ হঠাতে এক অকল্পনীয় শান্তিৰ বাতাবৰণ নামি আহে। ৰাজ্যখনৰ সকলো শ্ৰেণীৰ লোকৰ মাজত এটা নতুন আশাই জন্ম লাভ কৰে। নতুন প্ৰজন্মৰ সাহস আৰু বিক্ৰমত অসমবাসী মুগ্ধ হৈ পৰে। প্ৰফুল্ল-ভৃগুক দেৱদূত বুলি বৰ্ণনা কৰা হয়। অসমৰ ওপৰত কেন্দ্ৰৰ উদাসীন মনোভাবৰ যেন ইয়াতে অন্ত পৰিল তেনে এক চেতনা অসমবাসীৰ মনত ঠাই পালে। অতি সন্তৰ্পনে ভৱিষ্যৎ কাৰ্যপন্থাৰো যেন এটা আৰম্ভণি হ'ল সেই বিষয়েও মানুহে চিন্তাচৰ্চা কৰিবলৈ আৰম্ভ কৰিলে। অসম চুক্তিখন ইয়াৰ এক অবিচ্ছিন্ন দলিল হিচাবে পৰিশিষ্টত সংযোগ কৰি ৰখা হ'ল পঢ়ুৱৈ সকলৰ সুবিধাৰ বাবে, অধ্যয়ন আৰু বিশ্লেষণ কৰাৰ বাবে। এই চুক্তিখন সমস্যাৰ সমাধান সূত্ৰ হ'ব পাৰে আৰু সুদীৰ্ঘ কালৰ প্ৰৱঞ্চনা ৰোধৰ এক ঐতিহাসিক দলিলো হ'ব পাৰে। ৰাজনৈতিক পৰিবৰ্তনৰ বাবে এক নতুন বাতাবৰণ ঃ অসম চুক্তিখন স্বাক্ষৰিত হোৱাৰ পিছত (ৰাতি ২.৪৫ মিনিটত) লালকিল্লাৰ পৰা প্ৰধানমন্ত্ৰী ৰাজীব গান্ধীয়ে সগৌৰৱে ঘোষণা কৰে যে "অসমৰ এক জ্বলন্ত সমস্যাৰ সমাধান কল্পে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ প্ৰতিনিধি সকলৰ লগতে কেন্দ্ৰীয় গৃহসচিব আৰু ৰাজ্যৰ মুখ্যসচিবে মোৰ উপস্থিতিত স্বাক্ষৰ কৰে"। ইয়াৰ লগে লগে সমগ্ৰ অসমত এক বিজুলি প্ৰবাহ বৈ যায় কাৰণ ঘোষণা নকৰা পৰ্যন্ত চুক্তিখনত প্ৰকৃতাৰ্থত স্বাক্ষৰ কৰা হ'ল নে নাই সকলোৰে জনা সম্ভৱ নাছিল। ভাৰতৰ বিভিন্ন প্ৰান্ততো এই সন্মানৰ চুক্তি পত্ৰখনে এক দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান উলিয়াব পাৰিব। ১৭ আগষ্ট তাৰিখৰ অসম ট্ৰিবিউন কাকতৰ সম্পাদকেও সম্পাদকীয়ত আশা প্ৰকাশ কৰে যে এই চুক্তিখন সঁচা অৰ্থত প্ৰয়োগ কৰক। লগতে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সদ্‌ভাব সম্প্ৰীতি পুনৰ সংস্থাপিত হওক। নিৰ্বাচনী আয়োগৰ গধুৰ দায়িত্ব পালন কৰি ভোটাৰ তালিকা শুদ্ধভাবে প্ৰকাশ কৰক য'ত কেবল ভাৰতীয় নাগৰিকৰ নাম থাকিব। নবেম্বৰ-ডিচেম্বৰত হ'বলগীয়া নিৰ্বাচনৰ বাবে ন্যায়নিষ্ঠ পৰ্যব্যক্ষণৰ দ্বাৰা পৰিচালিত হোৱাটোও কামনা কৰা হয়।

অসম চুক্তিখনৰ মুখ্য প্ৰতিপাদ্য বিষয়কেইটা ইয়াতে সংযোগ কৰি দিয়া উচিত হ'ব বুলি বিবেচনা কৰা হ'ল।

Memorandum of Settlement :

1 The Govt have long been most anxious to find a satisfactory

solution to the problems of foreigners in Assam.

2. The AASU in their memorandum to P.M. in 1980 (February) conveyed their profound sense of apprehension regarding the influx of the foreign nationals............. .... and adverse affect on political, social, cultural and economy..............

3. Several rounds of discussions failed from 1980 to 1985.

4. Keeping all prospects of the problems including constitutional, legal, international agreements and national commitments and humanitarain consideration the settlement is agreed upon.

5. (1) Base date of detection and delition is 1.1.1966.

5. (2) Foreigners who entered after 1.1.66 and upto 24.3.1971 shall be detected in accordance with the provisions of the Foreigner's Act 1946 and the Foreigner's (Tribunal) Orders 1964.

5. (4) The names of the foreigners so detected will be deleted from the electoral rolls in force. Such persons will be required to register themselves before the Registration Officers in the respective districts in accordance with Registration of Foreigners Act, 1939 and Registration of Foreigners Rules 1939.

5.(5) For this purpose the Govt. will strengthen the machinery.

5.(6) On the expiry of 10 (ten) years following the date of detection of their names, deleted from the voters lists will be restored.

5.(7) All persons who were once expelled would be expelled if their names appeared or re-entered.

5.(8) The foreigners who entered Assam on or after 25.3.1971 shall be detected, deleted and deported in accordance with the law. Immediate and practical steps shall be taken to such foreigners.

5. (9) The Govt. will give due consideration to certain difficulties expressed by AASU/AAGSP regarding the implmentation of the IM(DT)Act, 1983.

এই চুক্তিখনত উল্লেখ কৰামতে বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ ক্ষেত্ৰত এক বিৰোধ আছে। ১৯৬৬ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৭১ চনৰ ২৪ জানুৱাৰী পৰ্যন্ত সকলো

বিদেশী চিনাক্ত কৰিবলৈ দেশৰ সৰ্বত্ৰ প্ৰচলিত আইনৰ প্ৰয়োগ কৰিবলৈ চৰকাৰে দায়িত্ব গ্ৰহণ কৰিছে। আনহাতে ১৯৭১ চনৰ মাৰ্চৰ ২৫ তাৰিখৰ পৰা বিদেশী নাগৰিকৰ ক্ষেত্ৰত প্ৰকাৰান্তৰে IM (DT) Act, 1983 ৰ প্ৰযোগ কৰিবলৈ কৈছে এই আইনখন কেবলমাত্ৰ অসমৰ বাবে প্ৰযোজ্য কৰাৰ সিদ্ধান্তটোৱে সংবিধানৰ আদৰ্শ উলংঘা কৰিছে। এই বিৰোধ থাকেমানে আৰু যেতিয়ালৈকে IM(DT) Act, 1983 বাতিল কৰা নহ'ব তেতিয়ালৈকে অসমৰ বিদেশী নাগৰিকৰ সমস্যা সমাধান কৰিব পৰা নাযাব ইযাত কোনো সন্দেহ নাই।
অৰ্থনীতি উন্নত কৰাৰ ব্যৱস্থা আৰু সাংবিধানিক সুৰক্ষাঃ

6. Constitutional, legislative and administrative safegurds shall be provided.

7. The Govt. will make speedy economic development measures and also strengthen education, science and technology by establishing institutions.

ইয়াত বাহিৰেও চুক্তিখনত আন আন প্ৰাথমিক কথাবোৰ সন্নিবিষ্ট কৰি লোৱা হয়। স্বাক্ষৰকাৰী সকলে বিশ্বাস কৰে যে সভ্যলোকৰ উপস্থিতিত চুক্তি সম্পাদন কৰা হৈছে কেবল অসমৰ হিতৰ কথা ভাবি নহয় সমগ্ৰ দেশখনৰ কথা ভাবিয়ে কৰা হৈছিল।

Saikia to seek fresh mandate :- এই আন্দোলনটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ফলশ্ৰুতি আছিল আমাৰ দৃষ্টিত এনে ধৰণৰঃ

১। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে পতা ১৯৮৩ চনৰ নিৰ্বাচনটো যে বৈধ নাছিল তাৰ প্ৰমাণ হৈছিল ১৯৮৫ চনৰ ১৫ আগষ্টত যিদিনা সেই সময়ৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই অসমৰ জনগণৰ নতুন ৰায় মানি লবলৈ স্বীকাৰ কৰিছিল।

২। এই বিশ্ববিখ্যাত আন্দোলনটোৱে অসমবাসীক পূৰ্বৰ তুলনাত অধিকভাবে ৰাজনৈতিক সচেতনতা অনাত সহায় কৰিছিল।

৩। দাম্ভিক কেন্দ্ৰীয় চৰকাৰৰ নিৰ্বিচাৰ নীতিক অসমৰ যুবসমাজে নানা ধৰণে প্ৰভাবান্বিত কৰি অনমনীয় অৱস্থাৰ পৰিবৰ্তন ঘটাবলৈ সক্ষম হৈছিল আৰু লিখিতভাবে স্বীকাৰ কৰিবলৈ বাধ্য কৰাইছিল যে অসমত বিদেশী নাগৰিক বহু পৰিমানে থকাটো সঁচা।

৪। এই আন্দোলনে আঞ্চলিকতাবাদৰ প্ৰাসঙ্গিকতা অধিক শক্তিশালী কৰিবলৈ সক্ষম হৈছিল।

প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ১৯৮৫ চনৰ ১৫ আগষ্টৰ মানসিক অৱস্থা কেনে আছিল বিশ্লেষণ কৰি চাব পাৰি। জনসাধাৰণৰ প্ৰবল মতকো উপেক্ষা কৰিলে কি নিৰ্যাতন ভোগ কৰিব লগীয়া হ'ব পাৰে, তাৰ পৰিনাম কি হ'ব পাৰে আৰু ৰাজনৈতিক নেতাই এনে পৰিস্থিতিত কেনে শিক্ষা লোৱা উচিত হ'ব তাৰ এটা আভাষ পোৱা যাব পাৰে।

১৬ আগষ্ট, ১৯৮৫ তাৰিখে প্ৰয়াত হিতেশ্বৰ শইকীয়াই কংগ্ৰেছ (আই) দলৰ সভাপতিলৈ লিখিতভাবে জনাইছে যে ১৯৭১ চনটোকে বিদেশী নাগৰিকৰ চিনাক্ত কৰণৰ বাবে আধাৰ হিচাবে লোৱা বাবে তেওঁ সুখী আৰু তেওঁ অসমবাসীৰ পৰা পুনৰ আস্থা বিচাৰিব।

"I have made a commitment that I shall seek a mandate of the people on this accord if thay agree to 1971 as the cut off year" and he was highly satisfied" with the agreement between the Prime Minister Rajeev Gandhi and the leaders of Assam agitation on foreigners issue and declared in a press conference that the Assembly and Parliamentary elections would be held together in November-December next."

He assured that except the criminal cases all other charges would be withdrawn, suspension would be vacated and dismissed etc. would be reopened, section 144 would be lifted and solicited cooperation from AASU and AAGSP in holding the elections peacefully.

মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই দেৰিকৈ হ'লেও উপলব্ধি কৰা যেন লাগে যে তেওঁ অসমৰ কাৰণে এক দুৰ্ঘোৰ অপৰাধ ইতিমধ্যে কৰিলে। তাৰ বাবে তেওঁ কিমান অনুতপ্ত হ'ল বা নহ'ল কোৱা টান হ'ব কাৰণ জনমতৰ প্ৰবল বিৰোধীতাকো কোনো ধৰণৰ মূল্য নিদিয়া এইজন ৰাজনীতিকে জনসাধাৰণৰ ওচৰত কোনো ধৰণৰ ক্ষমা প্ৰাৰ্থনা কৰা নাই, দুখ প্ৰকাশো কৰা নাই আৰু জনসাধাৰণৰ ওপৰত কৰা নিৰ্যাতন যেন এক ৰাজনৈতিক অধিকাৰ তাৰহে প্ৰকাশ ঘটিছিল কাৰণ আকৌ আস্থা স্থাপনৰ বাবে আকৌ নিৰ্বাচনত অৱতীৰ্ন হ'ব বুলি সদৰি কৰিছে। এনে এজন নেতাই যি দলকে প্ৰতিনিধিত্ব নকৰক কিয় তেওঁ জনগণৰ বাবে কেনে সেৱা আগবঢ়াব বুলি আশা কৰিব পাৰি? এনে এজন নেতাই যদি নিৰ্বাচন জিকি আকৌ শাসনৰ অধিকাৰ লাভ কৰে তেনেহ'লে জনসাধাৰণে ভোগ কৰা চৰম নিৰ্যাতনৰ বাবে তেওঁক পুৰস্কৃত কৰাহে উচিত হ'ব, এনে সিদ্ধান্ত লব নেকি? যদি কিবা প্ৰকাৰে জয় লাভ কৰে তাৰ অৰ্থ এনে হ'ব নেকি যে তেওঁলোকে বিদেশী ভোটাৰৰ ক্ষমতাৰ ওচৰত ইতিমধ্যে আত্মসমৰ্পন কৰিলেই? যদি সেয়া সঁচা হোৱা উচিত নহয় তেনেহলে নিজৰ ভবিষ্যতৰ সুৰক্ষাৰ বাবে কি সুদূৰ প্ৰসাৰি ব্যৱস্থাৰ প্ৰৱৰ্তন আৱশ্যম্ভাবী হ'ব, তাৰ উদ্‌ভাৱন হ'ব লাগে।

The Assam Accord: পৰিশিষ্টত ৰখা হৈছে

(গ) অসম গণ পৰিষদ দল গঠনৰ বাবে গণ অভিবৰ্ত্তন ঃ

সৰ্বভাৰতীয় ৰাজনৈতিক দল কংগ্ৰেছে অসমক যেনে ধৰণে প্ৰৱঞ্চনা কৰি আহিছে, এই দলে নিজৰ ৰাজনৈতিক লাভৰ বাবে যে সকলো ধৰণৰ কাম কৰিব পাৰে আৰু সকলো প্ৰকাৰৰ কুট কৌশলৰ আশ্ৰয় ল'ব যে পাৰে সেই বিষয়ত কাৰো মনত সন্দেহ নোহোৱা অৱস্থাৰ প্ৰৱৰ্ত্তন হৈ গ'ল। ক্ষমতা লাভ কৰি গণ প্ৰতাৰণা কৰাটো এইটো দলৰ বাবে অতি সহজ কাম বুলি সকলোৱে বিশ্বাস কৰি লোৱাত এই দলটোৰ প্ৰতি অসমৰ এক বৃহৎ অংশৰ আস্থা নোহোৱা হ'ল। এটা জাতিৰ ভবিষ্যৎ অন্ধকাৰ বুলি জানিও কংগ্ৰেছে অসমবাসীক কৰা বিশ্বাসঘাতকতাৰ বাবে সমাজ হিতৈষী আৰু জাতীয়প্ৰাণ লোকে অসমৰ অস্তিত্ব বিপন্ন নকৰিবলৈ এটা আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম দিবলৈ আন্দোলনৰ নেতৃবৰ্গকে অনুৰোধ জনালে। অসমৰ এক বিশেষ সন্ধিক্ষণত যদি ৰাজনৈতিকভাৱে এক বৃহৎ পদক্ষেপ লোৱাৰ পৰিবেশ ৰচনা কৰি ল'ব নোৱাৰে তেনেহলে এই ৰাজ্যখনৰ ভবিষ্যৎ যে অনিশ্চিত হৈ যাব তাত কোনো সন্দেহ নাথাকিব আৰু সেইবাবে সকলো মননশীল লোকে এটা আঞ্চলিক দলৰ জন্ম দিয়াটোত গুৰুত্ব আৰোপ কৰিলে যিটো দলে অসমৰ বাবে বৰণীযা কৃষ্টি সংস্কৃতি ৰক্ষা কৰিব পাৰে; ভাষা-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে তেওঁলোকৰ স্বকীয় বৈশিষ্ট্য অটুট ৰাখিও বৰ অসমৰ মান ৰক্ষা কৰিব পাৰে আৰু তেওঁলোকৰ আশা আকাংক্ষা পূৰণ কৰাত সহায় কৰিব পাৰে। স্বাধীনতাৰ আগৰ অসম আৰু স্বাধীনতাৰ পিছত অসমৰ ব্যৱধানবোৰ অসমবাসীয়ে আকৌ এবাৰ তুলনা কৰি চালে। বৃটিছ চৰকাৰে নিজৰ সম্পদ আহৰণ কৰি ৰাজ্যখনৰ বৃহৎ সম্পদ গঢ়াত কিমান গুৰুত্ব দিছিল আৰু স্বাধীনতাৰ পিছত নিজ দেশৰ কেন্দ্ৰীয় চৰকাৰে এই ৰাজ্যখনৰ বিকাশৰ বাবে কেনে গুৰুত্ব বহন কৰিলে তাক তুলনাৰ পৰা সহজেই অনুমান কৰিব পাৰি। ৰাজ্যখনৰ ওপৰত দ্বিখণ্ডিত ভাৰতৰ পৰা হোৱা প্ৰব্ৰজনে অৰ্থনীতি, ৰাজনীতি আৰু সামাজিক ভাৰসাম্য কেনেদৰে বিঘ্নিত কৰিলে তাত কেন্দ্ৰীয় চৰকাৰে কোনো ধৰণৰ গুৰুত্ব যে আৰোপ কৰা নাই তাক পুনৰ উত্থাপন কৰাৰ প্ৰশ্নই নুঠে। ৰাজ্যখনৰ সম্পদৰাজি ৰাজ্যখনৰ বিকাশত প্ৰয়োগ নকৰাত এক বৃহৎ ব্যৱধানৰ সৃষ্টি হ'ল যাৰ ফল স্বৰূপে এইখন ৰাজ্যৰ নিবনুৱা সমস্যাই এক গুৰুতৰ ৰূপ ধাৰণ কৰিব যিটো আজি স্পষ্টভাবে দেখা পোৱা গৈছে। ৰাজ্যখনৰ খণ্ডিত কৰণ প্ৰক্ৰিযাই এনে এটা প্ৰৱণতাৰ জন্ম দিলে আৰু এনে প্ৰৱনতাক কংগ্ৰেছ দলে এক ৰাজনৈতিক

হাতিয়াৰ হিচাবে "Divide and Rule" ৰ মাৰাত্মক সৃষ্টিক উৎসাহ যোগালে যাৰ পৰিণতি অসমৰ বাবে চিৰকাল এক উদ্‌বেগৰ কাৰণ হৈ ৰব আৰু এনে সময়ো সমাগত হ'ব পাৰে যেতিয়া স্বাধীনতাৰ সময়ৰ অসমৰ মানচিত্ৰখন তাৰ পিছৰ পুৰুষে চিনাক্ত কৰিব নোৱাৰিব। ৰাজ্যখনৰ অভিন্ন সমাজখন ভাগি চুড়মাৰ হৈ যোৱাৰ পিছত ভায়ে ভায়ে সংঘাতত প্ৰবৃত্ত হ'ব আৰু ৰাজ্যখনৰ স্থিতি হৈ পৰিব ক্ৰমাৎ দুৰ্বলৰ পৰা দুৰ্বলতৰ। এটা নিৰ্ভিক জাতিৰ সন্মুখত সেইবাবে সৃষ্টি হ'ল এক বৃহৎ প্ৰত্যাহ্বানৰ আৰু এই প্ৰত্যাহ্বানৰ মুখামুখি হবলৈ প্ৰফুল্ল-ভৃগুৰ নেতৃত্বতে দিন তাৰিখ ঠিক কৰা হ'ল এক গণ অভিবৰ্তনৰ। স্থান হ'ল গোলাঘাট। ১৯৮৫ ৰ অক্টোবৰৰ ১৪ তাৰিখে জন্ম লাভ কৰিলে "অসম গণ পৰিষদ" এক আঞ্চলিক ৰাজনৈতিক দলে।

পৃথিবীৰ বুৰঞ্জীত ৰাজনৈতিক চৰিত্ৰ অধ্যয়ন কৰিলে সময়ে সময়ে এনে ধাৰণাই মনলৈ আহে যে মানবতা, মানবীয় মূল্যবোধ, মানুহৰ মৌলিক স্বাধীনতা, মানবীয় বিকাশ সাধনৰ বাবে লগা ত্যাগ আৰু সেবাৰ ব্ৰত সেইবোৰৰ কোনো অৰ্থই নাথাকে। ক্ষমতালাভৰ বাবে থকা অদম্য পাশবিক প্ৰক্ৰিয়াই সময়ত এনে এটা প্ৰৱণতা লাভ কৰে যে এজন প্ৰকৃত জন সেৱকো ৰাজনীতিৰ নাগ পাশত আবদ্ধ হৈ কেতিয়াবা গণহত্যাকাৰী হিচাবে প্ৰতিষ্ঠিত হৈ যায়। তেনে শাসকৰ বাবে মানব সভ্যতাৰ চৰম বিকাশ কেনেকৈ আৰম্ভ হোৱা উচিত আৰু কি পদক্ষেপ ললে যি সম্ভৱ হ'ব পাৰে তাক প্ৰয়োগ কৰাৰ সলনি এক অভাবনীয় ক্ষমতা প্ৰদৰ্শনৰ তাড়নাত সভ্যতাকে বন্দীশালত আৱদ্ধ কৰি ৰাখিব খোজে।

ডেৰ কৌটি অসমবাসীয়ে সমস্বৰে দাবী কৰিলে আৰু সেয়া এক আইন সন্মত যুক্তিসিদ্ধ দাবী যে অসমত বিদেশী নাগৰিকৰ অবাধ আৰু অবৈধ প্ৰব্ৰজনে এক ভাৰসাম্যহীন অৱস্থাৰ সৃষ্টি অসাংবিধানিকভাবে কৰিছে আৰু তাৰ এটা উচিত মীমাংসা হ'ব লাগে। ৰাজনৈতিক ক্ষমতাৰ লালসা ইমান ঘৃনণীয়ভাৱে প্ৰকট হ'ল যে কংগ্ৰেছ (আই), কং (স) চিপি আই, চি পি এম আদি তথাকথিত ৰাজনৈতিক দলৰ বিদগ্ধ নেতৃবৃন্দই তাক বিচাৰ কৰা দূৰৰ কথা, অসমবাসীক নিশ্ছন্ন কৰি হ'লেও তেনে এক যুক্তিসংগত দাবীক ধ্বংস কৰাৰ বাবে, নানা বাক চাতুৰীৰ অবতাৰণা কৰিলে, সংবিধান নমনা অৱস্থাৰ সৃষ্টি কৰিলে আৰু সেইদলবোৰে অসমবাসীক অকলশৰীয়া কৰিবলৈকো সামান্যভাবে বিচলিত নহল। এনে দলৰ নেতাই যেতিয়া ভাৰতীয় নাগৰিকক সভ্যতাৰ মানদণ্ড জুখি-শাসকৰ গাদীত আৰোহন কৰি ন্যায্য প্ৰাপ্য হস্তান্তৰ কৰাৰ সিদ্ধান্ত ল'ব লাগে সিহঁতে বৈষম্যবিহীন বিচাৰ কৰিব পাৰিব নে? বগাছালৰ বনীয়াকুলে যেনেকৈ ক'লাছালৰ মানুহক এটা সময়ত অস্পৃশ্য বুলি অনুভৱ কৰি দম্ভ প্ৰকাশ কৰিছিল, ভাৰতীয় সমাজৰে একাংশ তথাকথিত আগবঢ়াসকলেও অসমবাসীক বন্য জন্তুৰ দৰে যে ব্যবহাৰ কৰাৰ ধৃষ্টতা পোষণ কৰিছিল সেই কথা এই আন্দোলনটোৱে অসমবাসীক পুনৰবাৰ হাড়ে হাড়ে শিকালে। এনে দলবোৰে বিশ্বমানবৰ জয়গান গায়

আৰু বিশ্ববাসীক সেৱা কৰাৰ ব্ৰত ৰাখে কেৱল নিজৰ লাভৰ বাবে। এওঁলোকৰ ভড়ালৰ যাতে কোনো সামান্যকন ক্ষতিও সাধন নহয় তাৰ বাবে অৱশ্যে সদা ব্যগ্ৰ হৈ থাকে। এওঁলোক প্ৰগল্‌ভ। এওঁলোকে ন্যায়ৰ পৰাকাষ্ঠাত আশ্ৰয় লৈ অন্যায় কৰে; নিয়ম আৰু আইন ভঙ্গ কৰিও এওঁলোকে ব্যৱহাৰ কৰি থকা সুবিধাৰ পৰা স্থিতি সলনি নকৰে। এই পৰিস্থিতিৰ সলনি কৰিব নোৱাৰিলে, কেৱল অসমীয়াবোৰে মানবতাৰ জয়গান গাই - নিজৰ সকলো সম্পদ অভ্যাগতক দান কৰি দিলে নিজে বাটৰ ভিকহু হৈ মৃত্যুবৰণ কৰাত বাহিৰে কোনো বিকল্প নাথাকিব সেয়া সন্দেহাতীতভাৱে নিশ্চিত। "উপায়ং চিন্তয়েৎ প্ৰাজ্ঞঃ অপায়মপি চিন্তয়েৎ"। এয়া এক শ্বাস্বত নীতি। আততায়ীয়ে বধ কৰিবলৈ উদ্যত হ'লে নিজক ৰক্ষা কৰাৰ উপায় উদ্‌ভাৱন কৰাটো কেৱল বুদ্ধিমানৰ কাম নহয় এয়া এক অবিনশ্বৰ সত্য। সত্যৰ মুখামুখি হ'ব নোৱাৰিলে, সাহসৰ সহায়ত জীৱন নিৰ্বাহ কৰাৰ কৌশল অৱলম্বন নকৰিলে আন কোনেও আনৰ বাবে মৃত্যু স্বেচ্ছাই বৰণ নকৰে। দধীচীয়েও বৃত্ৰাসুৰ বধৰ বাবেহে জীৱন দান কৰিছিল। এই কথা অসমবাসীয়ে পুনৰ গুৰুত্ব সহকাৰে লৈ জীৱন আৰম্ভ কৰক। ইয়াত ৰাজনীতিও জড়িত হৈ থাকিব।

১৯৮৫ চনৰ ১৪ অক্টোবৰ তাৰিখটো অসমৰ ৰাজনৈতিক বুৰঞ্জীত এক অবিস্মৰণীয় ঘটনা। সমগ্ৰ অসমৰ সকলো শ্ৰেণীৰ লোকৰ প্ৰতিনিধিয়ে এই তাৰিখটোতে গোলাঘাটত উপস্থিত হৈ, সকলো শ্ৰেণীৰ বুদ্ধিজীৱিয়ে অংশ গ্ৰহণ কৰি, সকলো জাতীয়তাবোধ থকা লোকে এটা আশা ৰোপন কৰিলে। সকলো আঞ্চলিক ৰাজনৈতিক দলৰ নেতৃবৰ্গ গণ অভিৱৰ্ত্তনত যোগদান কৰি অসমৰ পুনৰ নিৰ্মাণৰ সংকল্প লৈ, অসমৰ ওপৰত হোৱা অবিচাৰৰ বিৰুদ্ধে সজাগ প্ৰহৰীৰ ভূমিকা পালন কৰিবলৈ, অন্যায়ৰ বিৰুদ্ধে নৈতিক যুদ্ধত অৱতীৰ্ণ হ'বলৈ এটা আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম দিলে- "অসম গণ পৰিষদ"। ইমান সুন্দৰ ৰাজনৈতিক নাম পৃথিৱীৰ কোনো ৰাষ্ট্ৰতে সৃষ্টি হোৱা নাই। এই ৰাজনৈতিক দলত অন্যান্য কেইবাটাও ৰাজনৈতিক দলে নিজৰ পৰিচয় লোপ কৰিও একলগ হ'ল, এক মহান আদৰ্শ প্ৰতিষ্ঠা কৰিলে - লক্ষ্য হ'ল অসম মাতৃৰ সকলো শ্ৰেণীৰ লোকৰ বাবে ঐক্য, শান্তি আৰু প্ৰগতি লাভ কৰা; বিশ্বৰ দৰবাৰত অসমক নকৈ প্ৰতিষ্ঠা কৰা। এই মহান দলটোৰ মুখ্য দায়িত্ব অৰ্পন কৰা হ'ল যুব নেতা প্ৰফুল্ল কুমাৰ মহন্তৰ ওপৰত মুখ্য সভাপতিৰূপে। এইটো কম বিশ্বাসৰ কথা নহয়; এয়া কম সন্মানৰ কথা নহয়; এয়া কম দায়িত্বৰ কথা নহয়। এনে সন্মান অসমৰ কোনো ৰাজনৈতিক নেতাই লাভ কৰিবলৈ সক্ষম হোৱা নাই। অসমীয়া ৰাজনৈতিক নেতাক ৰাষ্ট্ৰপতি পাতি দিয়া হৈছে; অন্যান্য সন্মান যেনে ৰাজ্যপাল, কেন্দ্ৰীয় মন্ত্ৰী আদিও হৈছে; ৩২ বছৰীয়া যুৱকক যি জনে কোনোদিন ৰাজনৈতিক দলৰ কোনো প্ৰাথমিক সদস্যও হোৱা নাই তেনে এজন যুৱকক অসমৰ গণ অভিৱৰ্ত্তনৰ প্ৰস্তাৱমৰ্মে অসমক বচাবলৈ. অসম নিৰ্মাণ কৰিবলৈ, ব্যৱধান কমাবলৈ আৰু বৈষম্যৰ

বিৰুদ্ধে শক্তি সঞ্চয় কৰি আসুৰিক শক্তিৰ অৱসান ঘটাবলৈ মহন্তৰ ওপৰত আস্থা স্থাপন কৰা হৈছে। এই সন্মান এক বিৰল সন্মান আৰু সেইবাবেই এই সন্মানৰ দায়িত্ব হ'ল অপৰিসীম। আহক আমি আটায়ে মিলি মহন্তৰ নেতৃত্বতে এখন "অসমা সুষমা নিৰুপমা জননী"ৰ সেৱা আগবঢ়াওঁ। "......All is not lost; the unconquerable will ..... And courage never to submit or yield, and, what is else, not to be overcome".

এনে এক গভীৰ প্ৰত্যয় লৈ ৰাজনৈতিক নবজাতক ভূমিষ্ঠ হ'ল। দানবৰো কলৰব আৰম্ভ হ'ল। নৰৰক্ত পিপাসুবোৰৰ কলিজা ঢপঢপাবলৈ আৰম্ভ কৰিলে। চয়তানবোৰে ৰং সলাবলৈ আৰম্ভ কৰিলে। ৰাতিৰ ভিতৰতে শিবিৰ সলনি কৰি মাতৃদ্ৰোহীবোৰে স্বদেশ প্ৰেমৰ কি পন্থা লোৱা উচিত হ'ব তৎক্ষণাৎ একো নিৰ্ণয় কৰিব নোৱাৰি সময়ৰ সুযোগলৈ বাট চালে। কেন্দ্ৰীয় চৰকাৰে এনে এটা দল যে হঠাতে গঠন হৈ যাব পাৰে তাৰ বাবে অৱশ্যে ভাবিব পৰা নাছিল। বিশেষ অৰাজনৈতিক সংগঠনৰ নেতৃবৃন্দই যে ৰাজনৈতিক দলটোৰ নেতৃত্ব বহন কৰিব এনে ধাৰণা কৰিব পৰা নাছিল যেন অনুমান হয় আৰু দ্ৰুত গতিত এনে পৰিবৰ্তন দেখি কংগ্ৰেছ দলটোৱে আটাইতকৈ বেছি শংকিত হৈ পৰে। ইমান দিনৰ এক শাসন-শোষণৰ নীতি সলনি হৈ যাব নেকি? কংগ্ৰেছৰ সমৰ্থক সকলে হঠাতে এটা ৰাজনৈতিক পৰিবৰ্তন কল্পনাই কৰিব পৰা নাছিল। কাৰণ বহুলোকে স্বাধীনতাৰ পিছত কংগ্ৰেছক শাসক হোৱাটো যেনেকৈ বিচৰা নাছিল ছাত্ৰ সকলকো ৰাজনীতি নিয়ন্ত্ৰিত কৰিবলৈহে পৰামৰ্শ দিছিল, চৰকাৰ গঠনৰ বাবে নহয়। দলটো গঠন হোৱাৰ লগে লগে নেতৃবৃন্দই সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল চুক্তিখনৰ বিষয়বোৰত। তাৰ ভিতৰতে আটাইতকৈ বেছি গুৰুত্ব প্ৰকাশ কৰা হৈছিল প্ৰস্তাৱিত নিৰ্বাচনটোৰ বাবে এখন শুদ্ধ ভোটাৰ তালিকা প্ৰকাশ কৰাত। প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত ৰাজ্যপাল ভীষ্ম নাৰায়ন সিংহৰ হাতত ২২ অক্টোবৰ, ১৯৮৫ তাৰিখে এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয়। সেই স্মাৰক পত্ৰত অসম চুক্তিখনৰ ৰূপায়ন সম্পূৰ্ণৰূপে কৰিবলৈ আৰু এখন শুদ্ধ ভোটাৰ তালিকা প্ৰণয়ন কৰি উলিয়াবলৈ আবেদন জনোৱা হয়। কতৃপক্ষই যে ভোটাৰ তালিকা শুদ্ধ কৰাত বিশেষ গুৰুত্ব আৰোপ কৰা নাই তাকো উল্লেখ কৰে। এইখন স্মাৰক পত্ৰতে বিদেশী নাগৰিকৰ বিৰুদ্ধে অভিযোগ দাখিল কৰাৰ সময়ত তেনে লোকৰ সুৰক্ষা যাতে সন্দেহাতীতভাৱে কৰা নহয় সেই বিষয়েও বিতংভাৱে কোৱা হয়। চুক্তিমতে যিসকল লোকৰ ওপৰত আক্ৰোশমূলকভাৱে চৰকাৰে শাস্তিৰ ব্যৱস্থা লৈছে তাকো প্ৰত্যাহাৰ নকৰা বুলি অভিযোগ কৰে। শ্বহীদৰ পৰিয়ালবৰ্গলৈ সাহায্য আগবঢ়োৱাৰ যি প্ৰতিশ্ৰুতি সেয়াও যে পালন কৰা হোৱা নাই সেই বিষয়ে ৰাজ্যপালক অৱগত কৰোৱা হয়। ৰাজ্যপালে সজাতি দলৰ সদস্য সকলক সকলো কাম সুচাৰুৰূপে কৰাৰ আশ্বাস দিয়ে। চুক্তি সম্পাদন হোৱাৰ পিছত অসমৰ অবৈধ বিদেশী নাগৰিক সকল সচকিত হৈ পৰে। ইয়াৰ পিছত সিহঁতে লাভ কৰি থকা সুবিধাবোৰৰ পৰা প্ৰৱঞ্চিত হ'ব

বুলি ভয়ো নোখোৱা নহয়। সেইবাবে তেওঁলোকৰ মুখ্য ৰাজনৈতিক পৃষ্ঠপোষক সকলৰ ওচৰত তেনে লোকে উধাতু খাই দৌৰা দৌৰি আৰম্ভ কৰে। ৰাজনীতিৰ দালালসকলে অৱশ্যে ভয় নাখাবলৈ সিহঁতবোৰক কয় যে নিৰ্বাচনত এবাৰ ভোট দিয়াৰ ব্যৱস্থা হৈ গ'লে সিহঁতক কোনো শক্তিয়ে লৰচৰ কৰিব নোৱাৰাৰ আশ্বাস দিয়ে আৰু সিহঁতক সাবধান কৰি দিয়া হয় যে এশ শতাংশই ভোট দান কৰিব আৰু মাত্ৰ সিহঁতক পৰিত্ৰাণ কৰিব পৰা দলটোকহে ভোটদান কৰিব। এই মহামন্ত্ৰত দীক্ষিত কৰি কংগ্ৰেছ দল নিশ্চিত হৈ ৰৈছে যে পৃথিৱীত এনে কোনো শক্তিৰ জন্ম লাভ হোৱা নাই যিয়ে এই দলক পৰাভূত কৰিব পাৰে? ইফালে বাংলাদেশৰ লেফ্‌টেনান্ট জেনেৰেল এইচ. এম. এৰছাদে দোহাৰি কৈছে (ঢাকা - ৬ নবেম্বৰ ১৯৮৩) যে ভাৰত বাংলাদেশৰ সম্পৰ্ক বিঘ্নিত হোৱাৰ সম্ভাবনা প্ৰচুৰ যদিহে বিদেশী নাগৰিকৰ প্ৰব্ৰজন কৰাৰ নামত সীমান্তত কাটাতাৰৰ বেৰ নিৰ্মাণৰ প্ৰকল্প কাৰ্যকৰী কৰা হয়। এয়া চুক্তি সম্পাদনৰ প্ৰায় দুই বছৰ পূৰ্বতে কৰা এক ঘোষণা আৰু এই ঘোষণাই সন্দেহাতীতভাবে প্ৰমাণ কৰে যে বাংলাদেশৰ পৰা অবৈধ প্ৰব্ৰজন বাংলাদেশ চৰকাৰৰ পক্ষৰ পৰাই উৎসাহিত কৰি থকা হৈছে আৰু তেনে প্ৰব্ৰজনৰ ৰোধ যাতে কৰিব নোৱাৰে সেই বিষয়ত সদা সতৰ্ক হৈ আছিল।

হেজাৰ বাধা অতিক্ৰম কৰি হ'লেও অসমবাসীয়ে এক গভীৰ আত্ম প্ৰত্যয় লৈ এক গুৰুত্বপূৰ্ণ সময়ত এক দিক্ নিৰ্ণায়ক সিদ্ধান্ত লবলৈ সক্ষম হ'ল যে অসমক ৰক্ষা কৰিবলৈ হ'লে, অসমৰ বিকাশ ৰচনা কৰিবলৈ হ'লে, অসমৰ ৰাজনীতিৰ সোঁত সম্পূৰ্ণৰূপে সলনি কৰাৰ প্ৰয়োজন হৈছে। ১৬ ডিচেম্বৰত (১৯৮৫) নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু তাৰ বাবে অসম গণ পৰিষদ, প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত সাজু হৈছে।

(ঘ) ১৯৮৫ চনৰ নিৰ্বাচন ঃ অগপ চৰকাৰ গঠন

বিভিন্ন সমষ্টিত অসম গণ পৰিষদৰ প্ৰাৰ্থীৰ তালিকা ঃ

অসম গণ পৰিষদ দল ৰাজনীতিত প্ৰবেশ কৰাৰ লগে লগে জন সাধাৰণৰ মাজত প্ৰায় এক বিদ্যুৎ প্ৰবাহিত হোৱাদি হ'ল। ৰাজনীতিত অংশ গ্ৰহণ কৰিবলৈ আৰু নিষ্ঠাবান কাৰ্যদক্ষ প্ৰতিনিধি নিৰ্বাচন কৰাটো বৰ সহজ কাম হোৱা নাছিল। দলীয় কৰ্মীৰ ভিতৰত যিসকলে আন্দোলনৰ সময়ত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল তেওঁলোকৰ মাজৰ পৰাই বাচি প্ৰতিনিধি উলিওৱা কামো বৰ সহজ নাছিল। দিন ৰাতিয়ে কৰা পৰিশ্ৰমৰ ফল স্বৰূপে এখন তালিকা প্ৰস্তুত কৰা হৈছিল। দলীয় সংবিধান এখন প্ৰস্তুত কৰাও কঠিন কাম আছিল। যদিও ভাৰতীয় সংবিধানৰ আধাৰতে সংবিধান প্ৰস্তুত কৰাটো নিয়ম, সেয়াও সম্ভব হৈ উঠিল। দলীয় পতাকাও ত্ৰিৰঙ্গই হল। মাজত সৰ্বসিদ্ধিদাতা গণেশৰ প্ৰতীক হাতীকে নিৰ্বাচন কৰা হল। এইকামবোৰ সম্পূৰ্ণ কৰোতে যিবোৰ সৰুসুৰা মতভেদ হৈছিল সেইবোৰৰ বিতং বিবৰণ ইয়াত সন্নিবিষ্ট কৰাৰ আমাৰ কোনো অভিপ্ৰায় নাই। দলীয় মনোনয়ন দিযাত কিমান অসুবিধাৰ সৃষ্টি হৈছিল সেইবোৰৰ বিবৰণো আমি ইয়াত যোগ দিয়াৰ কথা ভবা নাই ইচ্ছাকৃতভাৱে। সকলো ৰাজনৈতিক দলত থকাৰ দৰে এই দলতো প্ৰাৰম্ভিক অৱস্থাত কিছু মতবিৰোধ যে আছিল তাক যিকোনো বুদ্ধিমান লোকে বিচাৰ কৰি ল'ব পাৰিব। ১৯৮৫ চনৰ ১৬ ডিচেম্বৰত অনুষ্ঠিত নিৰ্বাচনৰ বাবে অসম গণ পৰিষদৰ তালিকাখন আৰু মূল প্ৰতিদ্বন্দী কংগ্ৰেছ বা অন্য কোন দলৰ মাজত আমাৰ প্ৰকৃতাৰ্থত নিৰ্বাচনী যুদ্ধখন হ'ল তাক ভোটৰ সংখ্যা সহকাৰে ইয়াত প্ৰকাশ কৰা হল। যিবিলাক সমষ্টিত অগপৰ নিজা প্ৰাৰ্থী নাই আৰু প্ৰতিদ্বন্দিতা সেইবাবে এই দলৰ লগত হোৱাৰ সম্ভবনাই নাই তাকো ইয়াত দেখুৱা হৈছে।

এই নিৰ্বাচনটো ৮ ম সাধাৰণ নিৰ্বাচন আছিল। ইয়াত অংশ গ্ৰহণ কৰা ৰাজনৈতিক দল কেইটা হ'ল।

1. A.G.P.................. Asom Gana Parishad. (Elephant Symbol)
2. I.N.C.................. Indian National Congress (Hand)
3. I.C.S .... Indian Congress (Socialist (Chakra)
4. C.P.I .... Communist Party of India (Corn & sickle)
5. C.P.I (M)..................Communist Party of India (Marxist) (Hammer,

sickle & star)

6. B.J.P .... Bhartiya Janata Party (Lotus)

7. J.N.P Janata Party (Chakra Haladhar)

8. L.K.D.................... Lok Dal (Farmer ploughing field)

9. U.M.F. .... United Minority Front (Ladder)

১৯৮৫ চনত মুঠ জিলা আছিল ১৭ খন আৰু মহকুমাৰ সংখ্যা আছিল ৩৪ টা। এই ১৭ খন জিলাৰ ভিতৰতে দুখন স্বায়ত্ব শাসিত জিলাত ৩ টা মহকুমা আৰু ইয়াত ৫ টা বিধান সভাৰ সমষ্টি আৰু এখন লোকসভাৰ আসন। বাকী ১৫ খন ভৈয়ামৰ জিলা আৰু তাত ৩১ টা মহকুমা আছিল। এই কেইখন জিলাত মুঠ ১২১ টা বিধান সভাৰ সমষ্টি আৰু ১৩ খন লোক সভাৰ আসন নিৰ্দ্ধাৰিত কৰা আছিল।

নিৰ্বাচনী প্ৰক্ৰিয়াৰ উল্লেখযোগ্য পৰিসংখ্যা আৰু বিবৰণ ঃ
১৯৮৫ চনৰ নিৰ্বাচনত

(১) মুঠ ভোট দাতাৰ সংখ্যা	৯৮,৮৩,৩০৪ জন
(২) মুঠ ভোটাধিকাৰ সাব্যস্ত কৰিলে	৭৭,৬৯,২৩৩ জনে
(৩) ভোট দাতাৰ শতাংশ হাৰ	৭৯%
(৪) অগ্ৰাহ্য ভোট (Invalid vote)	৪,০৬,৪৩৬ জন
(৫) অগ্ৰাহ্য ভোটাৰৰ শতাংশ হাৰ	৫%
(৬) গ্ৰহণযোগ্য ভোটৰ সংখ্যা	৭৩, ৬২,৭৯৭ জন
(৭) গ্ৰহণযোগ্য ভোটৰ শতাংশ হাৰ	৯৫%

১৯৮৫ চনৰ ১৫ নবেম্বৰত ১৪ খন লোকসভাৰ আৰু ১২৬ খন বিধান সভাৰ আসনৰ নিৰ্বাচনৰ বাবে অধীসূচনা জাৰি কৰা হয়।

১। ২২ নবেম্বৰ' ৮৫ (শুক্ৰবাৰ) মনোনয়ন পত্ৰ দাখিলৰ শেষ তাৰিখ।

২। ২৩ নবেম্বৰ' ৮৫ (শনিবাৰ) মনোনয়ন পত্ৰ পৰীক্ষা কৰা শেষ তাৰিখ।

৩। ২৫ নবেম্বৰ' ৮৫ (সোমবাৰ) মনোনয়ন প্ৰত্যাহাৰৰ দিন।

৪। ২৬ ডিচেম্বৰ' ৮৫ (সোমবাৰ) নিৰ্বাচনৰ দিন।

৫। ২০ ডিচেম্বৰ' ৮৫ (শুক্ৰবাৰ) নিৰ্বাচনৰ ফলাফল ঘোষণাৰ দিন নিৰ্দ্ধাৰিত কৰা হয়।

এই নিৰ্বাচন পৰিচালনাৰ বাবে ১৩৭০৫ টা কেন্দ্ৰ স্থাপন কৰা হয়। ১৬ ডিচেম্বৰত নিৰ্বাচন সম্পূৰ্ণ কৰা হয়। ২৫ নং গোলকগঞ্জ সমষ্টিৰ নিৰ্বাচন স্থগিত কৰিবলগীয়া হয় সেই সমষ্টিৰ জনতা পাৰ্টিৰ মনোনীত প্ৰাৰ্থীৰ মৃত্যু ঘটা বাবে।

১২৬ টা সমষ্টিৰ বাবে মুঠ প্ৰাৰ্থীৰ সংখ্যা আছিল ১৪৫২ জন। তাৰ ভিতৰৰ ৫৩

জনৰ মনোনয়ন আসোঁৱাহৰ বাবে বাতিল কৰা হয়। ২৭১ জন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। নিৰ্বাচনত অংশ গ্ৰহণ কৰে ১১২৮ জনে। ১২৫ নং মৰাণ সমষ্টিত সৰ্বাধিক ২১ জন প্ৰতিদ্বন্দ্বীয়ে নিৰ্বাচনত অৱতীৰ্ণ হয়। ১ নং ৰাতাবাৰীত মাত্ৰ ৩ জন প্ৰাৰ্থী আছিল।

১৪ খন লোক সভাৰ আসনৰ বাবে মুঠ মনোনয়ন পত্ৰ দাখিল কৰিছিল ১২৩ জন প্ৰাৰ্থীয়ে। তাৰ ভিতৰত দুজনৰ মনোনয়ন বাতিল কৰা হয়। ১৫ জনে মনোনয়ন প্ৰত্যাহাৰ কৰে আৰু ১০৬ জন প্ৰতিযোগিতাত অৱতীৰ্ণ হয়।

হাফলং আৰু ডিফুত বাহিৰে বাকী সকলো সমষ্টিৰ ভোট গণনা ১৭ ডিচেম্বৰত আৰু বাকী ১৮ ডিচেম্বৰত গণনা কৰা হয়। ২১ ডিচেম্বৰত গণনা শেষ কৰা হয়।

লোকসভাত/বিধানসভাত অংশ গ্ৰহণ কৰা দল আৰু দলৰ মনোনীত প্ৰাৰ্থীৰ সংখ্যাঃ

	লোক সভা	বিধান সভা
১। ভাৰতীয় জাতীয় কংগ্ৰেছ	১৩	১২৫
২। জনতা পাৰ্টি	৯	৮৭
৩। অসম গণ পৰিষদ	১০	১০৭
৪। কংগ্ৰেছ (স)	৮	৭৩
৫। ইউ. এম. এফ.	৪	৫৯
৬। লোক দল	৩	১৯
৭। পি. টি. চি	৩	২৮
৮। এচ. ইউ. চি. আই	৩	৬
৯। চি. পি. এম	২	৩৯
১০। চি. পি. আই	২	২০
১১। বি. জে. পি.	২	৩৭
১২। আৰ. চি. পি. আই	২	১৩
১৩। ইউ. টি. এন. এল. এফ.	১	১৩
১৪। নিৰ্দলীয়	৪৪ নিৰ্দলীয় অন্যান্য	৪৯৫
১৫। চি. পি. আই. (এম. এল)		৭
	১০৬	১১২৮

বিধান সভাৰ ১২৫ খন আসনৰ বিভিন্ন শ্ৰেণীৰ বাবে থকা সংখ্যা আৰু প্ৰাৰ্থীঃ

১। সাধাৰণ আসন ১০১ .....মনোনীত প্ৰাৰ্থী ১২৪০ ......প্ৰতিযোগিতত থকা ৯৬০

২। অনুসূচীত জাতিৰ বাবে ৮.....মনোনীত প্ৰাৰ্থী ৬৬ প্ৰতিযোগিতত থকা ৫৩

৩। অনুসূচীত জনজাতি ১৬ ....মনোনীত প্ৰাৰ্থী ১৪৬ প্ৰতিযোগিতত থকা ১১৫ মুঠ ১১২৮

লোক সভাত নিৰ্বাচিত বিভিন্ন দলৰ সদস্য সংখ্যা আৰু ভোটাৰৰ শতাংশ হাৰ ঃ

মুঠ ভোট

১। অসম গণ পৰিষদ .....৭..........৩৩.৫৫%.....২৫,০৫,৩৭৭

২। ভাৰতীয় জাতীয় কংগ্ৰেছ..৪...২৩.৪৩%...১৭,৪৯,৬৮৮

৩। কংগ্ৰেছ (স)............১..........৬.১৩%......৪,৫৭,৭০৫

৪। ইউ.এম.এফ............১............১৩.০১%...৯,৭১,৬৬৩

৫। পি. টি. চি.................১............৪.১৫%......৩,১০,১৫০

বিধান সভাত বিভিন্ন দলৰ নিৰ্বাচিত প্ৰাৰ্থীৰ সংখ্যা আৰু ভোটৰ পৰিমাণ

	লাভ কৰা আসন	*লাভ কৰা ভোটৰ শতাংশ হাৰ*	*মুঠ ভোট*
১। অ.গ.প	৬৩	৩৪.৫৪%	২৫,৪৩,১০২
২। কংগ্ৰেছ.	২৫	২৩.৪৭%	১৭,২৮,০৪৩
৩। চিপিএম	২	৪.৩৪%	৩,১৯,৮৩২
৪। ইউ.এম.এফ	১৭	১০.৮৫%	৭,৯৮,৫৫৮
৫। পিটিচি	৩	৩.৬৪%	২,৬৭,৬৪০
৬। ইউ. টি.এল.এফ	১		
৭। চি পি আই	০	০.৯৯%	৭২,৮৭৭
৮। লোক দল	০	০.২৩%	১৬,৮০৬
৯। কংগ্ৰেছ (স)	৪	৩.২০%	২,৩৫,৫৭২
১০। নিৰ্দলীয়	১০	১৬.২২%	১১,৯৪,২২২
মুঠ	১২৫		

অসম গণ পৰিষদৰ লোকসভা আৰু বিধানসভালৈ নিৰ্বাচিত প্ৰাৰ্থীসকল ঃ

<u>লোক সভা ঃ</u>

১। বৰপেটা — আটাউৰ ৰহমান

২। গুৱাহাটী — দীনেশ গোস্বামী

৩। মঙ্গলদৈ — চৈফুদ্দিন শইকীয়া

৪। নগাওঁ — মুহিৰাম শইকীয়া

৫। কলিয়াবৰ — ভদ্ৰেশ্বৰ তাঁতী

৬। যোৰহাট — পৰাগ চলিহা

৭। লক্ষীমপুৰ — গকুল শইকীয়া

বিধান সভা ঃ

১। গৌৰীপুৰ	অনিৰুদ্ধ সিংহ চৌধুৰী
২। বঙ্গাইগাঁও	ফনী ভূষণ চৌধুৰী
৩। দুধনৈ	অকন ৰাভা
৪। ভবানীপুৰ	সুৰেন্দ্ৰ নাথ মেধি
৫। পাটাচাৰকুছি	পবিন্দ্ৰ চন্দ্ৰ ডেকা
৬। ছয়গাওঁ	কমলা কলিতা
৭। পলাশবাৰী	যতীন মালি
৮। জালুকবাৰী	ভৃগু কুমাৰ ফুকন
৯। দিচপুৰ	অতুল বৰা
১০। গুৱাহাটী পুব	বিৰাজ কুমাৰ শৰ্মা
১১। গুৱাহাটী পশ্চিম	ৰমেন্দ্ৰ নাৰায়ন কলিতা
১২। হাজো	কামাখ্যা চৰণ চৌধুৰী
১৩। কমলপুৰ	ময়িদুল ইছলাম বৰা
১৪। ৰঙ্গিয়া	থানেশ্বৰ বড়ো
১৫। তামুলপুৰ	ভবেন নাৰ্জি
১৬। নলবাৰী	নগেন শৰ্মা
১৭। বৰক্ষেত্ৰী	পুলকেশ বৰুৱা
১৮। ধৰ্মপুৰ	চন্দ্ৰ মোহন পাটোৱাৰী
১৯। বৰমা	ৰেখা ৰাণী দাস বড়ো
২০। চাপাগুড়ি	সুৰেণ স্বৰ্গীয়াৰী
২১। পানেৰী	দুৰ্গাদাস বড়ো
২২। কলাই গাওঁ	মহেন্দ্ৰ মোহন চৌধুৰী
২৩। চিপাঝাৰ	জয় নাথ শৰ্মা
২৪। মঙ্গলদৈ	নীলমনি দাস
২৫। বৰচলা	প্ৰফুল্ল গোস্বামী
২৬। তেজপুৰ	বৃন্দাবন গোস্বামী
২৭। চতিয়া	ৰবীন শইকীয়া
২৮। জাগীৰোড	মতি দাস
২৯। মৰিগাঁও	হৰেন্দ্ৰ বৰা
৩০। ৰহা	উমেশ চন্দ্ৰ দাস

৩১। বটদ্ৰৱা	দীগেন চন্দ্ৰ বৰা
৩২। নগাওঁ	প্ৰফুল্ল কুমাৰ মহন্ত
৩৩। বৰহমপুৰ	গিৰীন্দ্ৰ কুমাৰ বৰুৱা
৩৪। কলিয়াবৰ	প্ৰফুল্ল কুমাৰ মহন্ত
৩৫। বোকাখাট	বলভদ্ৰ তামুলী
৩৬। সৰুপথাৰ	বিনোদ গোৱালা
৩৭। গোলাঘাট	দেবেশ্বৰ বৰা
৩৮। খুমটাই	প্ৰবীন গগৈ
৩৯। ডেৰগাওঁ	ভবেন্দ্ৰ নাথ ভড়ালী
৪০। যোৰহাট	অভিজিৎ শৰ্মা
৪১। মাজুলি	পদ্মেশ্বৰ দলে
৪২। তিতাবৰ	দেব কুমাৰ বৰা
৪৩। মৰিয়নী	নৰেন তাঁতী
৪৪। টিয়ক	ললিত চন্দ্ৰ ৰাজখোৱা
৪৫। আমগুৰি	প্ৰদীপ হাজৰিকা
৪৬। মাহমৰা	চন্দ্ৰ আৰান্ধৰা
৪৭। সোনাৰী	ভদ্ৰেশ্বৰ বুঢ়াগোহাঁই
৪৮। থাওৰা	বাৰ্কিপ্ৰসাদ তেলেঙা
৪৯। শিৱসাগৰ	প্ৰদীপ গগৈ
৫০। বিহপুৰীয়া	কেশৰাম বৰা
৫১। নাওবৈচা	জগৎ হাজৰিকা
৫২। লক্ষীমপুৰ	উৎপল দত্ত
৫৩। ঢকুৱাখানা	ভৰত নৰহ
৫৪। ধেমাজী	দিলীপ শইকীয়া সোনোৱাল
৫৫। জোনাই	ফণী টায়েং
৫৬। মৰাণ	কিৰণ কুমাৰ গগৈ
৫৭। লাহোৱাল	দ্বীপেন তাঁতী
৫৮। টিংখং	অতুল কোচ
৫৯। নাহৰকটীয়া	কুসুম্বৰ টাইৰাই
৬০। চাবুৱা	ভবেন বৰুৱা
৬১। শদিয়া	জোৎস্না সোণোৱাল

নিৰ্দলীয় প্ৰাৰ্থী জয়লাভ কৰি অগপ দলত যোগদান কৰা সদস্য

১। কৰিমগঞ্জ	চিৰাজুল হক চৌধুৰী
২। আলগাপুৰ	চহিদুল আলম চৌধুৰী
৩। উদাৰবন্দ	জয় প্ৰকাশ চৌধুৰী
৪। হাওৰাঘাট	খৰচিং ইং টি
৫। ডিফু	চামচিং হান্সে
৬। বইথালাংচু	হলিৰাম টেৰাং
৭। মানকাচাৰ	আমিনুল ইচলাম
৮। অভয়াপুৰি দক্ষিণ	ৰত্নেশ্বৰ সৰকাৰ
৯। গোৱালপাৰা পূব	
১০। গোৱালপাৰা পশ্চিম	
১১। বিশ্বনাথ	পদ্ম কৈৰী
১২। গহপুৰ	গণেশ কুটুম

প্ৰফুল্ল মহন্তই নগাওঁ সমষ্টি ৰখাৰ সিদ্ধান্ত লয় আৰু কলিয়াবৰ সমষ্টি এৰি দিয়ে। ইয়াৰ বাবে নিৰ্বাচন যেতিয়া অনুষ্ঠিত কৰা হয় তেতিয়া গুণীন হাজৰিকাক দলৰ মনোনয়ন দিয়া হয়। হাজৰিকা নিৰ্বাচিত হয়। লগতে গোলকগঞ্জৰ স্থগিত হোৱা নিৰ্বাচনত দলৰ মনোনীত প্ৰাৰ্থী ডালিম ৰায়ে প্ৰতিদ্বন্দ্বিতা কৰি নিৰ্বাচন জিকে।

ইমান বিস্তৃত আৰু ব্যাপক আন্দোলন এটা হৈ যোৱাৰ পিছতো, বিভিন্ন প্ৰান্তত অসম গণ পৰিষদ দলৰ বাবে জনসাধাৰণৰ সৰ্বাত্মক সহযোগিতাৰ পিছতো দলে মাথোঁ নিজাববীয়াকৈ ৬৩ খন আসন লাভ কৰি সৰ্ববৃহৎ সংখ্যা লাভ কৰিলেও এই কথা নিশ্চিতভাৱে ক'ব পাৰি যে জনগণৰ এই দলটোকে বেছ কিছু অংশই সমৰ্থন কৰা নাই আৰু এই দলটো ক্ষমতাত অধিষ্ঠিত হোৱাতো কামনা কৰা নাই। কংগ্ৰেছে যদিও ১২৬ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছিল তেওঁলোকে মাত্ৰ ২৫ খন লাভ কৰিয়ে সন্তুষ্ট থাকিবলগীয়া হ'ল। আনহাতে এইটো দলে অসমবাসীৰ ওপৰত জাপি দিয়া নিৰ্যাতন আৰু এইটো দলৰে কেন্দ্ৰীয় চৰকাৰৰ চৰম বিশ্বাস ঘাতকতাৰ অন্তত মুঠেও আসন লাভ কৰিব পৰা অৱস্থা হ'ব নালাগিছিল। এইটোৱে সন্দেহাতীত ভাবে প্ৰমাণ কৰে যে কংগ্ৰেছে লাভ কৰা ভোটাৰ সকলে অসমৰ ন্যায্য গণ আন্দোলনক সমৰ্থন কোনো কালেই নকৰে। আনহাতে ইউ. এম. এফে ৫৬ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰি ১৭ খন আসন লাভ কৰাটো এক বিশেষ সাফল্য বুলি অভিহিত কৰিব পাৰি। এই ফলাফলে আৰু এটা কথা প্ৰতিপন্ন কৰে যে অসমৰ জনসাধাৰণ ৰাজ্যখনৰ সামগ্ৰিক জাতিসত্বাটোক সম্পূৰ্ণৰূপে অক্ষত ৰখাৰ যি সংকল্প লোৱা উচিত আছিল সেয়া এই গণ আন্দোলনৰ শেহান্তত অনুষ্ঠিত হোৱা বা ৰাজ্যিক সত্বাটোৰ

বিকাশৰ বাবে কৰিবলগীয়া কাম আৰম্ভ যি ধৰণে হ'ল তাৰ দ্বাৰা অসমৰ মূল শত্ৰুৰ পৰাজয় নহ'ল আৰু সেইবাবেই অসমবাসীয়ে অশেষ নিকাৰ ভুঞ্জিব যে লাগিব তাত সন্দেহৰ অৱকাশ কম।

এই গুৰুত্বপূৰ্ণ নিৰ্বাচনত বিভিন্ন দলৰ ভোট লাভৰ শতাংশ হাৰ তলত উল্লেখ কৰা হৈছে।

মুঠ ভোটাৰৰ ৭৩,৬২,৭৯৭ জনে ভোট দান কৰে।

কংগ্ৰেছ (আইৰ ভোট) ১৭,২৮,০৪৩ জন ঃ	শতাংশ হাৰ ২৩.৪৭%
অসম গণ পৰিষদৰ ২৫,৪৩,১০২ জন ঃ	শতাংশ হাৰ ৩৪.৫৪%
ইউ.এম.এফৰ ৭,৯৮,৫৫৮ জন ঃ	শতাংশ হাৰ ১০.৮৫%
চিপিএম ৩,১৯,৮৩২ জন ঃ	শতাংশ হাৰ ৪.৩৪%
পিটিচি ২,৬৭,৬৪০ জন ঃ	শতাংশ হাৰ ৩.৬৪%
কংগ্ৰেছ (স) ২,৩৫,৫৭২ জন ঃ	শতাংশ হাৰ ৩ ২০%
জনতা পাৰ্টি ১,০৭,০৭৭ জন ঃ	শতাংশ হাৰ ১ ৪৫%
ভাৰতীয় জনাতা পাৰ্টি ৭৯,০৬৮ জন ঃ	শতাংশ হাৰ ১ ০৭%
চি পি আই ৭২,৮৭৭ জন ঃ	শতাংশ হাৰ ০ ৯৯%
লোক দল ১৬,৮০৬ জন ঃ	শতাংশ হাৰ ০ ২৩%
নিৰ্দলীয় ১১,৯৪,২২২ জন ঃ	শতাংশ হাৰ ১৬.২২ %

বামপন্থী দলৰ স্থিতি অসমত যে ক্ৰমাৎ দুৰ্বল হৈছে সেযা এইটো নিৰ্বাচনে প্ৰমাণ কৰিছে আৰু ভাৰতীয় জনসাধাৰণৰ লগতে অসমৰ ভোটাৰ সকলে বামপন্থী দলৰ আদৰ্শক মনে প্ৰাণে গ্ৰহণ কৰিব পৰা নাই। জনতা দলে এবাৰ শাসনত অধিষ্ঠিত হোৱা সত্বেও এইটো দলৰ আদৰ্শয়ো জনগণক ধৰি ৰাখিব নোৱাৰিলে। ১৯৮৫ চনলৈ ভাৰতীয় জনতা পাৰ্টিৰ অৱস্থা অসমত অত্যন্ত পুতৌলগা আছিল।

যুৱ নেতা প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত অগপ চৰকাৰ— এক প্ৰত্যাহ্বান গ্ৰহণ

এক সুদুদীৰ্ঘ আন্দোলনৰ সমাপ্তি এখন চুক্তিত আবদ্ধ হ'ল। ক্ৰমাগতভাবে কেন্দ্ৰীয় চৰকাৰৰ বঞ্চনাই যেনেকৈ এটা জাতিৰ অস্তিত্ব সন্দিহান কৰিলে, তেনেকৈ বাধাহীনভাবে ৰাজ্যখনলৈ প্ৰবাহিত কৰিলে বিদেশী নাগৰিকৰ সোঁত। জনগাঁথনি সলনি হৈ গ'ল, অৰ্থনীতি চূড়মাৰ হৈ গ'ল। নিৰ্বাচন, শক্তি প্ৰয়োগ কৰি পতাৰ পৰিবেশ ৰচনা কৰি গণতন্ত্ৰকে কবৰ দিয়াৰ ব্যৱস্থা কৰিলে কংগ্ৰেছী অপশাসনে। বামপন্থী দল আৰু কংগ্ৰেছ (স) ও সংবিধানক মৰ্যাদা নিদিবলৈ একে মতত উপনীত হ'ল। অসমবাসীয়ে নানা ষড়যন্ত্ৰ মষিমূৰ কৰি কংগ্ৰেছৰ নিকৃষ্ট ৰাজনীতিক বলিশালত তুলি দিবলৈ সক্ষম হ'ল। ১৯৮৫ চনৰ ডিচেম্বৰ মাহৰ ১৬ তাৰিখটো এক বিজয় দিবস হিচাবে অসম বুৰঞ্জীত লিপিবদ্ধ হৈ ৰ'ব। এই দিনটোতে পোন প্ৰথমবাৰৰ বাবে অসমৰ জনগণে নিজে প্ৰতিষ্ঠা কৰা এটা ৰাজনৈতিক দল অসম গণ পৰিষদে প্ৰবল প্ৰতাপী ৰাজনৈতিক দল কংগ্ৰেছক ধৰাশায়ী কৰিবলৈ সক্ষম হ'ল। চতুৰ আৰু দুৰ্নীতিপৰায়ন নেতাবোৰক গণ উত্থানে ভূলুণ্ঠিত কৰিবলৈ কোনো সুযোগ নেৰিলে। আঞ্চলিক ৰাজনৈতিক দলটোৰ সন্মুখত তিষ্ঠিব নোৱাৰি মুখ ঢাকিবলৈ, লজ্জা নিবাৰণ কৰিবলৈ বাট বিচাৰি নোপোৱা অৱস্থা হ'ল। হীন ষড়যন্ত্ৰ খহি পৰাত আতঙ্কিত বোধ কৰিলে আৰু নিজৰ কৃতকৰ্মৰ বাবে অনুশোচনাত দগ্ধ হ'ল। অমানুষিক হত্যাকাণ্ড সংঘটিত কৰা ব্যক্তিৰ বিৰুদ্ধে প্ৰেতাত্মায়ো যে এদিন প্ৰতিশোধ পৰায়ণ হ'ব পাৰে, নিৰ্যাতিত, নিষ্পেষিত সকলৰ আত্মায়ো যে অভিশাপ দিব পাৰে সেই কথা পামৰ সকলে মুঠেও অনুভব কৰা নাই তেনে বুলি বিশ্বাস নহয়; কিন্তু আত্ম দংশন কেতিয়া হয় যেতিয়া উপলব্ধি সম্পূৰ্ণ হয়, তেতিয়াহে। ৰাজনৈতিক ভণ্ডবোৰৰ আত্মশুদ্ধি অৱশ্যে বিৰল।

২৪ ডিচেম্বৰ, ১৯৮৫। সোণালী প্ৰভাতৰ প্ৰাৰম্ভ। দিনমনিয়ে স্নিগ্ধ সমীৰণৰ বোকাচাত উঠি চৌদিশ উদ্‌ভাসিত কৰিছে। গন্তব্যস্থান নেহেৰু ষ্টেডিয়াম। কেউফালৰ পৰা এক অবিৰত জনস্ৰোত। গেলাৰীত তিল ধাৰণৰ ঠাই নাই। পথাৰৰ মাজভাগলৈ মানুহৰ ভীৰ। কভাৰ্‌ড গেলাৰীত সদ্য সমাপ্ত নিৰ্বাচনত জিকি অহা সদস্য সকলে স্থান গ্ৰহণ কৰিছে। পৰাজিত সদস্য সকলোৰো কিছু সংখ্যাকে শপত গ্ৰহণ অনুষ্ঠানত ভাগ লবলৈ আহিছে। ৰাজ্যপালে শপত লোৱাৰ বাবে আনুষ্ঠানিকতা সমাপন কৰাৰ বাবে নিৰ্দ্ধাৰিত প্ৰক্ৰিয়ালৈ মানুহে অধীৰ ভাবে অপেক্ষা কৰিছে। "জীয়ে অসম মৰে কোন" 'জয় আই অসম' অসম

গণ পৰিষদ জিন্দাবাদ, প্ৰফুল্ল মহন্ত জিন্দাবাদ ধ্বনিৰে চৌপাশ প্ৰতিধ্বনিত হৈছে। এক অবিস্মৰণীয় পৰিবেশ ৰচনা হৈছে। ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ ভিতৰত অসমৰ আটাইতকৈ কম বয়সীয়া, ৩২ বছৰীয়া চফল ডেকা প্ৰফুল্ল কুমাৰ মহন্তই ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ শপত লৈছে। জাউৰীয়ে জাউৰীয়ে আশীৰ্বাদ আৰু শুভেচ্ছা বৰ্ষণ কৰা হৈছে। গণ্য মান্য ব্যক্তি সকলে অভিনন্দন জ্ঞাপন কৰিছে। এজন এজনকৈ উপস্থিত থকা বিধান সভাৰ সদস্য সকলে শপত বাক্য পাঠ কৰিছে। মন্ত্ৰী সকলৰ এখন চমু তালিকা প্ৰকাশ কৰিছে। তেওঁলোক আটায়ে সংবিধানৰ প্ৰতি শ্ৰদ্ধা ৰাখিব বুলি প্ৰতিশ্ৰুতিবদ্ধ হৈছে। এটা নতুন অধ্যায় আৰম্ভ হৈ গ'ল।

অসম গণ পৰিষদ দলৰ নিৰ্বাচনী ইস্তাহাৰত কেইটামান মূল বিষয় সন্নিবিষ্ট কৰা হৈছিল। "অসমৰ জন সাধাৰণৰ ৰাজনৈতিক অধিকাৰ ৰক্ষা কৰিবলৈ, অৰ্থনৈতিক সমৃদ্ধি সাধন কৰিবলৈ, অসমৰ সাংস্কৃতিক স্বাৰ্থ আৰু পৰিচয় ৰক্ষা কৰিবলৈ অসম গণ পৰিষেদে প্ৰতিশ্ৰুতিবদ্ধ হৈ ৰাইজৰ ওচৰত থিয় হৈছে আৰু

১। অসম চুক্তি ৰূপায়ন কৰিবলৈ

২। ভেদনীতিৰ নিৰ্মূল সাধন কৰিবলৈ

৩। দমন নীতিৰ অৱসান ঘটাবলৈ

৪। নিকা আৰু স্বচ্ছ প্ৰশাসন দিবলৈ আৰু

৫। অৰ্থনৈতিক উন্মেষ ঘটাবলৈ অসম গণ পৰিষদ দায়বদ্ধ"।

এই সমূহ কৰ্ত্তব্য পালনত বাহিৰেও অসম গণ পৰিষদে

৬। শ্বহীদ পৰিয়াললৈ এককালীন সাহায্য আৰু সম্ভৱ ক্ষেত্ৰত অৰ্হতাসম্পন্ন ব্যক্তিৰ বাবে চাকৰিৰ ব্যৱস্থা

৭। আন্দোলনত অংশ গ্ৰহণ কৰি ঘূনীয়া হোৱা ব্যক্তিৰ উপযুক্ত চিকিৎসা আৰু সংস্থাপন আগবঢ়োৱা

৮। আন্দোলনত অংশ গ্ৰহণ কৰি শাস্তিভোগ কৰা কৰ্মচাৰীক পুনৰ চাকৰিৰ সকলো হৃত প্ৰাপ্য আদায় দিয়া

৯। আন্দোলনত অংশ গ্ৰহণ কৰা সকলো কৰ্মচাৰীৰ বিৰুদ্ধে থকা গোচৰ প্ৰত্যাহাৰ কৰা

১০। ধৰ্ম, ভাষা, সম্প্ৰদায়, জনগোষ্ঠী নিৰ্বিশেষে সকলোৰে প্ৰতি সমান সুবিধা প্ৰদান নিশ্চিত কৰা

১১। জনজাতীয় বেল্ট, ব্লকৰ সম্পূৰ্ণ সুৰক্ষা প্ৰদান কৰা

১২। কুটীৰ শিল্পৰ উন্নতি সাধন কৰা

১৩। চাহ শ্ৰমিকৰ ন্যায্য প্ৰাপ্য আদায়ৰ ব্যৱস্থা কৰা

১৪। শিক্ষা ব্যৱস্থা শক্তিশালী কৰা

১৫। থলুৱা ভাষা-সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশৰ বাবে ব্যৱস্থা লোৱা

১৬। ৰুগ্ন উদ্যোগবোৰক সঞ্জীৱিত কৰা

১৭। যোগাযোগ আৰু যাতায়াত ব্যৱস্থাৰ উন্নতি সাধন কৰা

১৮। নিবনুৱা যুবকৰ বাবে কৰ্মসংস্থানৰ ক্ষেত্ৰ নিৰ্মাণ কৰা আৰু অন্যান্য ভালেমান প্ৰগতিশীল কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছিল। সেই অনুসৰি যুবনেতৃত্বত অসম গণ পৰিষদ দলে জনসাধাৰণৰ আশীৰ্বাদ শীৰত তুলি লৈ স্নেহৰ আলিঙ্গনত আশাবাদী হৈ এক স্বপ্নময় ভৱিষ্যতৰ কল্পনাত বন্দী হৈ কামত হাত দিলে। হেজাৰ শত্ৰুৰ ষড়যন্ত্ৰ ধ্বংস কৰি এক নব জাগৰণৰ সূচনা আৰম্ভ কৰিলে। পৰম কৰুণাময়ৰ আশীৰ্বাদ ইয়াত নিহিত আছে আৰু আদেশো দিয়া আছে - “কাৰ্যৰ সাধন কিম্বা শৰীৰ পতন” “জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী”।

পৰ্য্যায়ক্ৰমে কামবোৰ সম্পূৰ্ণ কৰাৰ বাবে বিভাগীয় কৰ্মচাৰীৰ সহযোগ বিচৰা হৈছে। সম্পূৰ্ণ আত্মপ্ৰত্যয় সহকাৰে কামবোৰ সমাধা কৰাৰ বাবে দিন ৰাতিৰ পাৰ্থক্য নৰখাকৈ ডেকা শক্তিক কামত লগোৱা দেখা গৈছে। জনসাধৰণৰ মাজলৈ আত্মবিশ্বাস ঘুৰি অহা পৰিলক্ষিত হৈছে। এটা কৰ্মদ্যোগ হঠাতে গঢ়ি উঠিছে। সকলো কামৰ ভিতৰত প্ৰথমে চুক্তিৰ দফাবোৰ ৰূপায়ন কৰাৰ বাবে কেন্দ্ৰৰ সহায় সহযোগ ঘাইকৈ নিৰ্ভৰ কৰিছে। এইটো ঠিক যে ৰাজীৱ গান্ধীয়ে প্ৰফুল্ল মহন্তক নিজৰ দলৰ স্বাৰ্থ জলাঞ্জলি দি ৰাজনীতি কৰিবলৈ সহজে এৰি নিদিয়ে এয়া সহজেই অনুমেয়। তথাপি মহন্ত চৰকাৰ থমকি ৰোৱা নাই। প্ৰথম ডেৰ বছৰৰ কাম কাজৰ এখন খতিয়ান প্ৰস্তুত কৰা উচিত হ'ব বুলি ভাবি ১৯৮৭ চনৰ ২৪ জুন তাৰিখে এখন পুস্তিকা প্ৰকাশ কৰাৰ ব্যৱস্থা কৰে। তাত প্ৰথম পদক্ষেপ হিচাবে হাতত লোৱা কামৰ এটা বিবৰণ এনে ধৰণৰ —

১। অসম চুক্তি ৰূপায়ন ঃ এই গুৰুত্বপূৰ্ণ বিষয়টো সঠিকভাৱে পৰিচালিত কৰিবলৈ এটা বিভাগ খোলা হয়। এই বিভাগে (১) নাগৰিকত্ব সংশোধনী অধিনিয়ম (Citizenship Ammendment Rules) (২) বিদেশী নাগৰিক ট্ৰাইবুনেল নিৰ্দেশ [Foreign nationals (Determination by Tribunal) Ammendment Rules, 1964], ১৯৬৪ সংশোধন কৰা হয়।

(২) বাংলাদেশ সীমান্তত পহৰাৰ ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ কেন্দ্ৰৰ ওপৰত হেচা প্ৰয়োগ কৰা হয়। সীমান্তৰ পৰ্য্যব্যক্ষণ চকী, তালাচী চকীৰ সম্প্ৰসাৰণ কৰা হয়।

(৩) সীমান্তত পথ নিৰ্মানৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। ১০০১ ৰ পৰা ১০০৬ নম্বৰ খুটি পৰ্য্যন্ত ১২৬ বিঘা মাটি সীমান্ত পথ নিৰ্মান সংমগুলক হস্তান্তৰ কৰা হৈছে।

(৪) ৩১-৫-৮৭ লৈকে ২,৮৬,৫৯৬ জন অনুপ্ৰবেশকাৰীৰ তদন্ত আৰম্ভ কৰা হৈছে

আৰু ট্ৰাইবুনেললৈ পঠিওৱা ৯৯৯৯ টা গোচৰৰ ভিতৰত ১২৪২ জনক বিদেশী বুলি চিনাক্ত কৰা হৈছে।

(৫) পুনৰ প্ৰবেশ কৰা বিদেশী নাগৰিকৰ ৩৩৩২ জনক ধৰা পেলোৱা হৈছে।

২। ভেদনীতি নিৰ্মূল কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ভাষা ধৰ্ম-বৰ্ণ গোষ্ঠী সম্প্ৰদায় আৰু জাত পাতৰ দ্বাৰা সমাজখনক বিভক্ত কৰি ৰখাৰ যি ৰাজনৈতিক দুৰভিসন্ধিৰ জন্ম দিয়া হৈছিল সেই বিষয়টো অত্যন্ত স্পৰ্শকাতৰ আৰু সেইবাবে এক নিৰলস প্ৰচেষ্টাৰেহে ইতিমধ্যে সমাজৰ যি বৃহৎ ক্ষতিসাধন কৰা হ'ল তাৰ প্ৰতিকাৰ কৰা সম্ভৱ হ'ব। এই বিষয়ত পদক্ষেপ লোৱা হৈছে।

৩। দমননীতিৰ অৱসান ঃ আন্দোলনত অংশ গ্ৰহণ কৰা বাবে যিসকল কৰ্মীক চাকৰিচ্যুত কৰা হ'ল, ধাৰাবাহিকতা ভঙ্গ কৰা হ'ল বা নিলম্বিত কৰি ৰখা হ'ল সেই সকলৰ চাকৰি সুৰক্ষিত কৰা হ'ল।

শ্বহীদ পৰিয়াললৈ সাহায্য প্ৰদান ঃ অসম আন্দোলনত অংশ গ্ৰহণ কৰি মৃত্যু বৰণ কৰা ৮১৯ জন শ্বহীদৰ নিকটতম আত্মীয়লৈ ৩০,০০০.০০ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হৈছে। উপযুক্ত অৰ্হতা থকা শ্বহীদ পৰিয়ালৰ সদস্যলৈ চাকৰিৰো ব্যৱস্থা কৰা হৈছে। আহত সকলৰ চিকিৎসাৰ সুব্যৱস্থা কৰা হৈছে।

শিক্ষা ঃ শিক্ষাৰ সম্প্ৰসাৰণ , শিক্ষানুষ্ঠানৰ উন্নতিসাধন আৰু ইয়াক জীৱনৰ এক মূল্যবান আহিলা হিচাবে এইখন চৰকাৰে যিমানখিনি কাম প্ৰথম পৰ্যায়তে আৰম্ভ কৰিলে তাক ভাবিলে আচৰিত হ'ব লাগে।

(১) প্ৰায় ৪০ লাখ ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া পাঠ্য পুথি যোগান ধৰাটো এক বৃহৎ সাফল্য। দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ছাত্ৰ-ছাত্ৰীৰ (Equity and access for education) বাবে এয়া আছিল সকলো উন্নয়নমূলক আৰু প্ৰগতিৰ পথ ৰচনা কৰিব পৰা সৰ্ববৃহৎ আঁচনি।

(২) ৭০০০ ৰো অধিক ছালবাকলি নথকা প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবে প্ৰতিখনলৈ ৬১০৬৫.০০ টকাৰ অনুদানে শিক্ষাৰ ক্ষেত্ৰত এনে এক বাতাবৰণ সৃষ্টি কৰিবলৈ সক্ষম হ'ল তাক ভাবিলে তবধ মানিব লাগে। সেই সময়চোৱাত সকলো ভাল কামৰ এয়া আছিল অন্যতম।

(৩) থলুৱা ভাষাসমূহৰ সংৰক্ষণ, বিকাশ আৰু আনুসঙ্গিক গবেষণাৰ ব্যৱস্থা দলে প্ৰতিশ্ৰুতিৰ পদক্ষেপ হিচাবে নিষ্ঠাৰে আৰম্ভ কৰে। তাৰ উদাহৰণ স্বৰূপে ১৯৮৬ চনৰ ২৭ আগষ্টৰ পৰা ৰাজ্যখনৰ মিছিং ভাষা জনজাতি প্ৰধান বসতিৰ ১০০ খন প্ৰাথমিক বিদ্যালয়ত প্ৰৱৰ্ত্তন কৰা হয়।

(৪) কৃতী ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ জলপানীৰ ব্যৱস্থা কৰা হয় আৰু অন্যান্য

অৰ্থনৈতিকভাবে দুৰ্বল শ্ৰেণীৰ বাবেও বৃত্তিৰ প্ৰৱৰ্ত্তন কৰা হয়

(৫) ইয়াত বাহিৰেও শিক্ষাৰ সজুলিৰ যোগান, ৩৮৯৮ খন স্কুললৈ এজনৰ ঠাইত দুজন শিক্ষকৰ নিযুক্তিৰ ব্যৱস্থা, প্ৰতিখন গাওঁত অতি কমেও এখনকৈ প্ৰাথমিক বিদ্যালয় খোলাৰ আঁচনি লোৱা হয়।

অৰ্থনৈতিক উন্নয়ন : স্বাধীনতাৰ আগলৈকে ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা স্বাধীনতা লাভৰ পিছৰ সময় চোৱাতকৈ উন্নত যে আছিল তাক ভাৰতীয় পৰিসংখ্যা বিভাগে বিভিন্ন ক্ষেত্ৰত প্ৰকাশ কৰিছে। অৰ্থনৈতিক অনগ্ৰসৰতা দূৰীকৰণৰ বাবে যিবোৰ মূল বিষয় সেইবোৰ ৰাজ্য চৰকাৰৰ অমনোযোগিতা, অজ্ঞতা, অলসতা আৰু অদূৰদৰ্শিতা যেনেকৈ প্ৰধান কাৰণ হিচাবে চিহ্নিত হৈছে সেইদৰে কেন্দ্ৰীয় চৰকাৰৰ নিজা সৎ প্ৰচেষ্টাও যে নাছিল তাত অকনো সন্দেহ নাই। সেইবাবে অসমৰ অৰ্থনীতি উন্নত কৰিবলৈ ইমানবোৰ উপাদান থকা সত্বেও ৰাজ্যখনৰ অৰ্থনীতি ক্ৰমে ক্ৰমে চূড়মাৰ হ'বলৈ ধৰিলে। শোষণ অব্যহত থাকিল আৰু অবৈধ প্ৰব্ৰজনে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশ অসম্ভৱ কৰি তুলিলে। শাসকবৰ্গৰ ভোটবেঙ্কক শক্তিশালী কৰিবলৈ কংগ্ৰেছ চৰকাৰে ৰাজ্যখনলৈ হাহাকাৰ নমাই আনিলে। নতুনকৈ যি অৰ্থনৈতিক প্ৰগতি লাভ হয় তাতকৈ অধিক প্ৰব্ৰজনকাৰীৰ বাবে ব্যয় কৰিবলগীয়া হোৱাত ৰাজ্যখনৰ উন্নয়ণ কেবল স্থবিৰ হোৱাই নহয় বৰং ই ক্ৰমান্বয়ে সম্পূৰ্ণৰূপে বাধাগ্ৰস্থ হয়। ফল স্বৰূপে উঠি অহা প্ৰজন্মৰ ভৱিষ্যৎ অন্ধকাৰময় হ'বলৈ বাধ্য হয়। সেয়া আজিও অব্যাহত আছে বাবে নানা প্ৰকাৰৰ সংঘাত আৰু সন্ত্ৰাসৰ ক'লা ধোৱা নিৰ্গত হোৱা দেখিবলৈ পোৱা গৈছে। বহুতৰ বাবে জীৱন দুৰ্বিষহ হৈছে। লাহে লাহে বিছিন্নতাবাদৰ ধাৰণা আৰু আকাংক্ষাৰ উন্মেষ দেখা গৈছে।

এক বুজন পৰিমানৰ যুৱক-যুৱতী অন্যমনস্ক হোৱা পৰিলক্ষিত হৈছে। সমাজ জীৱনৰ সুস্থ পৰিবেশে অপহৃত হ'বলৈ আৰম্ভ কৰোতে যদি মূল সম্পদবোৰৰ পূৰ্ণ ব্যৱহাৰ কৰা নহয় আৰু পক্ষপাতিত্ব মূলকভাৱে, ইচ্ছাকৃতভাবে অবহেলা কৰে তাৰ প্ৰতিকাৰ কৰিবলৈ এক দায়বদ্ধ চৰকাৰে কোনো প্ৰকাৰৰ অজুহাত উলিয়াই প্ৰগতি স্তব্ধ কৰিব খোজে তেনেহলে প্ৰতিক্ৰিয়া প্ৰকাশ পাব। সেইবাবে অসম গণ পৰিষদ চৰকাৰৰ বাবে অৰ্থনৈতিক উন্নয়ণত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰাটো অৱধাৰিত।

অসমৰ মাটি কৃষিৰ বাবে জগৎ বিখ্যাত। কৃষি হৈছে অসমৰ অৰ্থনৈতিক বুনিয়াদ গঢ়াৰ প্ৰথম ঢাপ। ইয়াক সুদৃঢ় আৰু সুসমন্বিতভাৱে পৰিচালনা কৰিব পাৰিলে আৰু ধান চাউল আমদানি নকৰি বাহি আৰু ৰপ্তানি কৰিব পাৰিলেই এক বৃহৎ সাফাল্য অৰ্জন কৰিব পৰা হ'ব পাৰে। তাৰ লগত আনুসঙ্গিক বিদ্যুৎ ব্যৱস্থা, জলসিঞ্চন, শীতল ভড়াল আৰু কৃষিজাত সামগ্ৰীৰ মূল্যমান খাদ্যবস্তু উৎপাদন কৰিব পাৰিলে কৃষি এক বৃহৎ উদ্যোগলৈ ৰূপান্তৰ হ'ব পাৰে।

ক) কৃষি আৰু অন্যান্য বিষয় : অসমৰ মুঠ মাটিকালিৰ পৰিমান ৭৮,৪৩৮ বৰ্গ কিঃ মিঃ। ইয়াৰে ২৬.৯৬ লাখ হেক্টৰতহে কৃষিজাত সামগ্ৰী উৎপাদন কৰিব পাৰি। অধিকাংশ মাটিতে জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। তাৰ ভিতৰত ১.৪০ লাখ হেক্টৰত জলসিঞ্চন কাৰ্যকৰী কৰা হৈছে।

(১) আঁচনিবোৰ ৰূপায়ন কৰিবলৈ পৰিকল্পনা বিকেন্দ্ৰীকৰণ কৰা হৈছে।

(২) ১০০০ কিঃ মিঃ দৈৰ্ঘৰ পথ নিৰ্মাণ আৰু সংস্কাৰ কৰা হৈছে।

(৩) ৫৮ টা নতুন পথত ৰাজ্যিক পথ পৰিবহনৰ বাছ সেৱা প্ৰবৰ্ত্তন কৰা হৈছে।

(৪) ৫ খন আদৰ্শ গাওঁ প্ৰতিষ্ঠা কৰা হৈছে।

(৫) ১৭০০ খন গাওঁলৈ খোৱা পানীৰ যোগান ধৰা হৈছে।

(৬) ২১০০ খন গাওঁলৈ নতুনকৈ বিজুলি যোগান ধৰা হৈছে।

(৭) ৬০৮ খন স্বাস্থ্যকেন্দ্ৰ আৰু চিকিৎসালয় স্থাপন কৰা হৈছে।

(৮) জনজাতি উপ-পৰিকল্পনাৰ আধাৰত ২০ লাখ ভৈয়াম জনজাতি লোকৰ উপকাৰ সাধন কৰা হৈছে।

(৯) দৰিদ্ৰ সীমাৰেখাৰ তলৰ ১৬ হেজাৰ অনুসূচীত শ্ৰেণীৰ লোকৰ উপকাৰ সাধন কৰা হৈছে।

(১০) ৩০,০০০ নিবনুৱা যুৱকৰ কৰ্মআঁচনি যুগুত কৰা হৈছে আৰু পৰ্য্যায় ক্ৰমে কামত খটোৱা হৈছে।

(১১) শস্য বীমা আঁচনিত চাউল, ঘেহু, মাহজাতীয় শস্য আৰু সৰিয়হ অন্তৰ্ভূক্ত কৰি কৃষকৰ বাবে এক অতি প্ৰয়োজনীয় ব্যৱস্থা লোৱা হয়।

(১২) গাঁও অঞ্চলত খেল-ধেমালিৰ সুবিধাৰ বাবে ২৫ খন ষ্টেডিয়ামৰ আঁচনি লোৱা হয়।

(১৩) খেতিৰ মাটিত চিলিং বলবৎ কৰি পোৱা মাটিৰ বিতৰণ কৰি খেতিয়কৰ বাবে সুবিধা কৰি দিয়া হয়।

(১৪) কৃষি বনুৱাৰ ন্যুনতম হাজিৰা নিৰ্দ্ধাৰণ কৰা হয়। ইয়াত বাহিৰেও ৰাজ্যখনৰ বিকাশ সৰ্বক্ষেত্ৰত ত্বৰান্বিত কৰাৰ বাবে ক্ষিপ্ৰ ব্যৱস্থা হাতত লোৱা হয়।

(খ) বিদ্যুৎ উৎপাদন : অসমৰ বিদ্যুৎ যোগান ব্যৱস্থাৰ দুৰ্বলতা ভালেখিনি হ্ৰাস কৰিবলৈ ১৯৮৬-৮৭ চনৰ সময় চোৱাত বিশেষ তৎপৰতা অবলম্বন কৰা হয়। ঔদ্যোগিক বিকাশৰ বাবে বিদ্যুৎ অপৰিহাৰ্য্য আৰু তাৰ লগতে অঙ্গাঙ্গীভাবে জড়িত হৈ আছে অসমৰ অৰ্থনীতিৰ উৎকৰ্ষৰ এক সিংহভাগ আৰু নিবনুৱা সংস্থাপনৰ ক্ষেত্ৰ। প্ৰথম পদক্ষেপ হিচাবে বঙ্গাইগাওঁ তাপ বিদ্যুৎ কেন্দ্ৰৰ চতুৰ্থটো গোট (Unit) ৰ সম্প্ৰসাৰণ ঘটোৱা হয়। ইয়াৰ পিছত লাকুৱা তাপ বিদ্যুৎ কেন্দ্ৰৰ উৎপাদন ক্ষমতা ১৫ মেগাৱাটৰ পৰা ৭৫ মেগাওৱাটলৈ বৃদ্ধি কৰা হয়। ইয়াত বাহিৰেও চন্দ্ৰপুৰ তাপ বিদ্যুৎ কেন্দ্ৰ, নামৰূপ প্ৰকল্প (waste heat) ৰ কাম

হাতত লোৱা হয়। তাৰ পিছত কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ কাম আৰম্ভ কৰা হয়।

বিদ্যুৎ উৎপাদন আৰু প্ৰবহনৰ (Transmission) বাবে ১১ কিলোভল্টৰ ৪২০ কিঃ মিঃ আৰু এল. টি. লাইনৰ ৫০৯ কিঃ মিঃ দৈৰ্ঘ্যৰ কাম সম্পূৰ্ণ কৰা হয়।

গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিত ৩১-৩-৮৭ তাৰিখলৈ ১৫,৭২৯ খন গাঁৱলৈ বিদ্যুৎ যোগান আঁচনি সম্পূৰ্ণ কৰি এক অভিলেখ স্থাপন কৰা হয় (সমূহ গাওঁৰ ৭১.৫১ শতাংশ)। ইয়াত বাহিৰেও অন্যান্য ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প বিভিন্ন স্থানত সম্পূৰ্ণ কৰা হয়। এই কামবোৰ প্ৰায় যুদ্ধকালীন তৎপৰতাৰে সম্পন্ন কৰা বাবে জনসাধাৰণৰ মাজত কেবল আশাৰে সঞ্চাৰ হয় এনে নহয়, ইমান দিনে ৰাজ্যখনৰ কল্যাণৰ বাবে, উন্নয়ণৰ বাবে যে আগৰ চৰকাৰে কেবল প্ৰবঞ্চনাহে কৰিলে সিও প্ৰমাণিত হয়।

ৰাজ্যখনৰ উন্নয়ন যে ইমান দিনে নোহোৱা বাবে ভাৰতীয় সংবিধানত নিৰ্দ্দিষ্ট লক্ষ্য আহৰণ কৰিব পৰা হোৱা নাই সেয়া প্ৰমাণ হোৱাৰ পিছত নব নিৰ্বাচিত চৰকাৰৰ সন্মুখত এক প্ৰত্যাহ্বান আহি পৰিছিল। অসমৰ পুনৰ নিৰ্মাণ হৈছে প্ৰথম লক্ষ্য আৰু তাৰ সহায়তহে এইখন ৰাজ্যৰ সমৃদ্ধি নিৰ্ভৰ কৰিব, শান্তি প্ৰতিষ্ঠা হ'ব। তাকে কৰিবলৈ এইখন চৰকাৰে হ্ৰস্ব আৰু দীৰ্ঘম্যাদি কাৰ্যসূচীৰ এখন ১৪ দফীয়া আঁচনি প্ৰস্তুত কৰি উলিয়ায়।

তালিকাখন এনে ধৰণৰ –

১) সকলোৰে বাবে সুস্বাস্থ্য

২) সকলো শ্ৰেণীৰ লোকৰ বাবে শিক্ষাৰ সমান সুবিধা।

৩) থলুৱা কৃষক আৰু উদ্যোগীলৈ বিশেষ সুবিধা।

৪) বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা

৫) থলুৱা সম্পদৰ জৰিয়তে অৰ্থনীতি গঢ়িবলৈ বিজ্ঞান-প্ৰযুক্তি কৌশলৰ প্ৰয়োগ

৬) যোগাযোগ আৰু পৰিবহন ব্যৱস্থাৰ উন্নতি সাধন।

৭) বান নিয়ন্ত্ৰণ, গৰাখহনীয়া প্ৰতিৰোধ আৰু ভূমি সংৰক্ষণ

৮) অধিক বিজুলি উৎপাদন আৰু গ্ৰাম্য বৈদ্যুতিকৰণ।

৯) মূল্যমানৰ স্থিৰতা আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ সুলভ মূল্যত যোগান।

১০) বনাঞ্চল আৰু সংৰক্ষিত ভূমিৰ সুৰক্ষা।

১১) অসম চুক্তিৰ আধাৰত আৰ্থ সামাজিক দিশৰ খৰতকীয়া ৰূপায়ন।

১২) পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণ আৰু দুৰ্বলৰ কল্যাণ সাধন

১৩) পিচ পৰা শ্ৰেণীৰ লোকৰ বাবে সাংবিধানিক সুবিধাৰ নিশ্চিতকৰণ

১৪) যুৱক-যুৱতী আৰু মহিলাৰ বাবে নতুন সুযোগ প্ৰদান

বিঃ দ্ৰঃ পৰিসংখ্যাবোৰ জনসংযোগ বিভাগৰ পৰা পোৱা।

গ। ঔদ্যোগিক উন্নয়ন ঃ চৰকাৰে উদ্যোগ প্ৰতিষ্ঠা কৰাৰ বাবে এক নীতি গ্ৰহণ কৰে। ইয়াৰ জৰিয়তে উৎপাদন বৃদ্ধি, অৰ্থনৈতিক বিকাশ আৰু নিবনুৱা সমস্যাৰ সমাধান বিচাৰিবলৈ

আঁচনি যুগুত কৰি উলিয়াইছে।

ক্ষুদ্ৰ আৰু হস্তশিল্পৰ উন্নয়ণ আঁচনিৰ জৰিয়তে নিবনুৱা যুবক-যুৱতীৰ স্বনিয়োজন ব্যৱস্থাৰে ২০০০০ শিক্ষিত যুবকৰ নিয়োগৰ ব্যৱস্থা কৰা হৈছে। তাৰ বাবে সহজ ঋণ আৰু কেঁচা সামগ্ৰীৰ যোগানৰ ব্যৱস্থা নিশ্চিত কৰা হৈছে। অত্যন্ত দুঃখৰ বিষয় অসমৰ ডেকা-গাভৰুৰ এক বৃজন অংশই স্বনিৰ্ভৰশীল হোৱা সৎ সাহস গোটাব নোৱাৰি কেৱল চাকৰিৰ পিছে পিছে ঘুৰি ফুৰি অমূল্য সময় অবাবত নষ্ট কৰিছে। এনে এক মানসিকতাই অসমৰ অৰ্থনীতিৰ ভেটি যে সুদৃঢ় কৰিব নোৱাৰে তাত অকনো সন্দেহ নাই। এটা উদ্যোগত আত্মনিয়োগ কৰি প্ৰতিষ্ঠা লাভ কৰাৰ আনন্দ আন অসংখ্য কৰ্মীক প্ৰত্যক্ষ বা পৰোক্ষভাৱে কিমান সহায় কৰিব পাৰে তাক অসমীয়া যুবকে আজিও উপলব্ধি কৰিব নোৱাৰাটো জাতিৰ ভৱিষ্যতৰ বাবেই বিপদজনক আৰু তাক আমি চকুৰ আগত দেখিয়ে আছোঁ। এটা শাৰীৰিক শ্ৰম বিমুখ জাতিয়ে কি বৃহৎ অৰ্থনীতি গঢ়িব পাৰে? শ্ৰমৰ মৰ্যাদা যেতিয়ালৈকে উপলব্ধি কৰিব নোৱৰিব তেতিয়ালৈকে এটা জাতি কেতিয়াও স্বনিৰ্ভৰশীল যে হ'ব নোৱাৰে তাত সন্দেহৰ কোনো থল থাকিব নোৱাৰে। ১৯৮৬ চনৰ ১৭ ডিচেম্বৰত গ্ৰহণ কৰা ঔদ্যোগিক নীতিয়ে সেইবাবে বিশেষ কৃতকাৰ্যতা আজি পৰ্যন্ত লাভ কৰা নাই আৰু এটা ভাল আঁচনি প্ৰায় মৃতপ্ৰায় হৈ ৰ'ল।

১৯৮৭-৮৮ চনতো বাৰ্ষিক পৰিকল্পনাত ৩০,০০০ নিবনুৱা যুবক-যুৱতীৰ বাবে কৰ্ম সংস্থানৰ ব্যৱস্থা ৰখা হৈছে।

এইবোৰত বাহিৰেও মজলীয়া আৰু বৃহৎ উদ্যোগৰ বাবে আঁচনি যুগুত কৰা হৈছিল।

ঘ) স্বাস্থ্য ঃ ২০০০ চনৰ ভিতৰত সকলোৰে বাবে সুস্বাস্থ্য নিশ্চিত কৰিবলৈ বিশ্ব স্বাস্থ্য সংস্থাই আহ্বান জনাইছে। ৰাষ্ট্ৰীয় নীতিৰ লগত সামঞ্জস্য ৰাখি অসম চৰকাৰেও আঁচনি যুগুত কৰে। এই আঁচনিৰ আধাৰত প্ৰতিখন জিলাতে ২০০ খন বিচনাযুক্ত চিকিৎসালয় আৰু প্ৰতি মহকুমাৰ সদৰত ১০০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্মাণ কৰা, ৩০ খন বিচনাযুক্ত ৫০ খন চিকিৎসালয় নিৰ্মাণ আৰু ২৫০ টা প্ৰাথামিক চিকিৎসা কেন্দ্ৰ নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰা হয়। কৰ্কট ৰোগৰ চিকিৎসা কেন্দ্ৰটো ৰাজ্য চৰকাৰৰ পৰিচালনাৰ অন্তৰ্ভুক্ত কৰাটো এক বিশেষ পদক্ষেপ হিচাবে পৰিগণিত হৈছে।

ঙ) পশুধন ঃ পশুপালনৰ যোগেৰে অৰ্থনীতি শক্তিশালী কৰিবলৈ, স্বনিয়োজনৰ বাবে পথ মুকলি কৰিবলৈ, গাখীৰৰ চাহিদা পূৰণ কৰিবলৈ চৰকাৰে পশু পালনত গুৰুত্ব আৰোপ কৰে। দুৰ্বলতাসমূহ দূৰীকৰণ কৰি উন্নত জাতৰ গৰুৰ যোগান ধৰা হয় আৰু দুগ্ধ পামৰ এক অভিলাষী কাৰ্যসূচী ৰূপায়ন কৰাৰ পদক্ষেপ লোৱা হয়। কোনো কোনো ৰাজ্যত পাইপেৰে য'ত গাখীৰৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে, গাখীৰৰ সামগ্ৰীৰে বিত্তশালী হোৱাৰ আঁচনি কৃতকাৰ্য কৰা হৈছে সেয়া অসমত সকলো যোগান ধৰাৰ পিছতো আন্তৰিকতা নথকা বাবে গাখীৰৰ ব্যৱসায় এতিয়ালৈকে অসমীয়াৰ হাতলৈ অহা নাই। কৃতকাৰ্যতা

এদিনতে লাভ কৰিব নোৱাৰি আৰু অধ্য বসায়ৰ যে প্ৰয়োজন আছে তাক আজিও অসমীয়া যুৱক-যুৱতীৰ সৰহ সংখ্যকে উপলব্ধি কৰা নাই। পিয়নৰ চাকৰি, তাকো অবৈতনিকভাৱে, কৰিবলৈ যিমান আগ্ৰহ, কাম কৰি খোৱাৰ আগ্ৰহ অভাবেও সৃষ্টি কৰিব পৰা নাই।

ওপৰত উল্লেখ কৰা বিষয়সমূহত বাহিৰেও ৰাজ্য চৰকাৰে জনকল্যানমুখী বহুতো কাৰ্যসূচী ৰূপায়ন কৰি গ্ৰামীন জীৱনলৈ অভুতপূৰ্ব বৰঙণি আগবঢ়াইছে। তাৰ কেইটামান ইয়াত উল্লেখ কৰা হ'ল।

১। ব্ৰহ্মপুত্ৰৰ চৰ এলেকাৰ বিস্তৃত উন্নয়ন যেনে কৃষি, পশুপালন, জলসিঞ্চন, খোৱাপানী যোগান, উন্নত বীজৰ যোগান, ৰাসায়নিক সাৰৰ চাহিদা পূৰণ আদি কামবোৰ হাতত লোৱা হৈছে।

২। গৃহহীন সকলৰ আশ্ৰয়ৰ বাবে গৃহ নিৰ্মাণ আঁচনি কাৰ্যকৰী কৰা হৈছে। তাৰ ভিতৰত ৰাষ্ট্ৰসংঘৰ উদ্যোগ সামৰি লোৱা হৈছে। পৰিয়ালে প্ৰতি ৩০০০.০০ টকাকৈ ঋণ আগবঢ়োৱা হৈছে।

৩। গঞা লোকৰ বাবে মাটি কিনা বেচাৰ জৰিয়তে যাতে অবাঞ্চিতভাৱে কোনেও সুযোগ লাভ কৰিব নোৱাৰে তাৰ বাবে অযথা দৰ বৃদ্ধি ৰোধ কৰা হৈছে।

৪। সামাজিক বননিকৰণ খৰতকীয়া কৰা হৈছে।

৫। জৈব গৌচ প্ৰকল্প কাৰ্যকৰী কৰা হৈছে।

৬। সাৰ্বজনীন চিকিৎসা সেৱা আৰু কুষ্ঠ, যক্ষ্মা, মেলেৰিয়া নিৰ্মূলৰ বাবে ব্যৱস্থা লোৱা হৈছে।

৭। প্ৰাপ্ত বয়স্ক সকলৰ বাবে নিৰক্ষৰতা দূৰীকৰণ শক্তিশালী কৰা হৈছে।

৮। অধিক সুলভ মূল্যৰ দোকান খুলি ৰাজহুৱা বিতৰণ ব্যৱস্থা সুদৃঢ় কৰা হৈছে।

৯। হস্ত-তাঁত শাল আৰু প্ৰয়োজনীয় সামগ্ৰীৰ ব্যৱস্থা সুচল কৰা হৈছে।

১০। ১৯৮৭ চনৰ বছৰটো "মূগা বৰ্ষ" হিচাবে গ্ৰহণ কৰি ৰেচম আৰু মুগা শিল্পৰ প্ৰভুত উন্নয়ন সাধন কৰা হয়। ৰেচম মহাবিদ্যালয় স্থাপন আৰু ৰেচম গবেষণা কেন্দ্ৰ স্থাপন এক প্ৰগতিবাদী চিন্তাধাৰাক কাৰ্যকৰী ৰূপ দিয়া হৈছে।

১১। মীন বিভাগ ঃ অসমত বৃহৎ নদী উপনদী বোৰ থকাৰ পিছতো, অতি কমেও ১০০০ খন সৰু বৰ বিল থকাৰ পিছতো মাছৰ চাহিদা পূৰণ কৰিবলৈ বাহিৰৰ ৰাজ্যৰ মুখৰ ফালে চাই থাকিব লাগে। হেজাৰ কোটি টকাৰ এটা ব্যৱসায় অসমৰ উদ্যোগী লোকে ল'ব নোৱাৰাটো এক পৰাঙমুখ অৱস্থাত বাহিৰে অন্য একো হ'ব নোৱাৰে। মৎস্য পালন, উৎপাদনৰ সৈতে যে এক বৃহৎ উদ্যোগ জড়িত হৈ আছে সেই কথা অসমৰ যুবকে জোৰ পুৰি হাত পোৱাৰ পিছতো কিয় উপলব্ধি কৰা নাই তাক আমি নাজানো। তাৰ মূল কাৰণ বিনিয়োগ কৰিব লগা ধনৰ অভাব নহয় বৰং তাক সাহসেৰে গ্ৰহণ কৰিবলৈ এক সৎ মনোবৃত্তিৰ অভাৱ বুলিয়ে অনুভৱ কৰো।

তথাপি অসম চৰকাৰে (অগপ) এক সফল কাৰ্যসূচীৰ বাবে বিশেষ আঁচনি যুগুত যে কৰিছিল তাক স্বীকাৰ কৰিবই লাগিব। মৎস্য বীজ উৎপাদনৰ বাবে পাম তৈয়াৰ কৰিছে আৰু সকলো প্ৰকাৰৰ কাৰিকৰী সুবিধা প্ৰদানৰ ব্যৱস্থা লৈছে। তলি ফুটা কলহত পানী নাথাকে।

বাটপথ আৰু যাতায়তৰ উন্নতি সাধন : এই সময় চোৱাত অ.গ.প চৰকাৰে বাটপথৰ ভালেখিনি উন্নতি সাধন কৰিব পাৰিছে। পূৰ্বৰ চৰকাৰৰ দিনত য'ত ৰাষ্ট্ৰীয় ঘাইপথ খেতিৰ বাবে হালবোৱা পথাৰ সদৃশ হৈছিল, ৰাস্তাৰ বুকুত মাছ জীয়াব পৰা খালৰ সৃষ্টি হৈছিল, গাঁৱলৈকে বাছ নালাগে চাইকেল আৰোহীয়ে সৰিয়হ ফুল দেখাৰ উপক্ৰম হৈছিল, সকলো দলঙৰ ভগ্নাবশেষত বাহিৰে একো নাছিল তেনে এক অৱস্থাত ৰাজ্য চৰকাৰৰ বাবে বাটপথৰ পুনৰ নিৰ্মাণ এক গভীৰ প্ৰত্যাহ্বান হিচাবে দেখা দিছিল; কিন্তু যুব শক্তিৰ অঃ গঃ প চৰকাৰে সাহসেৰে এই প্ৰত্যাহ্বান গ্ৰহণ কৰি সঁচা অৰ্থতে এক বিৰাট সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। বেয়া লাগে এইবাবেই যে পূৰ্বৰ চৰকাৰে গ্ৰামীনবাসী লোকৰো যে জীৱন থাকিব পাৰে আৰু যাতায়াত অবিহনে জীৱন যুদ্ধত অৱতীৰ্ণ হ'ব নোৱাৰি সেই অনুভূতিক কোনো ধৰণৰ মৰ্যাদা প্ৰদান নকৰি কেৱল ক্ৰীত দাসৰ দৰে ব্যৱহাৰ কৰাৰ এক মানসিকতাই গঢ় লৈছিল আৰু ফল হিচাবে অসমীয়া জনজীৱন কেনেধৰণে আঘাত প্ৰাপ্ত হ'ব পাৰে তাক সমূলঞ্চে গুৰুত্ব দিয়া নাছিল। তাৰ প্ৰধান কাৰণ আছিল শক্তিশালী বিৰোধী দলৰ সংঘবদ্ধ আৰু দায়িত্বশীল মনোবৃত্তিৰ অভাৱ। যি কোনো পদ্ধতি অৱলম্বন কৰি ভোটাৰৰ মন জয় কৰি নিৰ্বাচন জিকি ৰাজসিকভাবে জীৱন যাপন কৰাৰ দৰে এক নিকৃষ্ট অভিলাসত বাহিৰে গণসেৱা এওঁলোকৰ বাবে সংবিধানত থকা নিৰ্দেশত বাহিৰে একো নাছিল। ফলশ্ৰুতি হৈছিল ৰাজ্যখনৰ অনগ্ৰসৰতা আৰু পৰমুখাপেক্ষিতা। যিয়ে কল্পনাই কৰিব নোৱাৰে তাৰ বাবে ৰাজনীতিৰ গুৰুত্ব উপলব্ধি সম্ভব নে?

অঃ গঃ প চৰকাৰে ৰাজ্যৰ শাসনভাৰ লৈয়ে চমকপ্ৰদভাবে কামবোৰ আৰম্ভ কৰিছে। জৰাজীৰ্ন হোৱা ১৮ কিঃ মিঃ ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতি কৰিছে, ৫৬ কিঃ মিঃ গড়কাপ্তানি পথ শক্তিশালী কৰিছে, ৭ খন মজলীয়া ধৰণৰ পকী দলং নিৰ্মাণ কৰিছে, ৪৯৫ কিঃ মিঃ গাঁৱলীয়া পথ নিম্নতম প্ৰয়োজনীয় আঁচনিৰ অধীনত সাজি উলিয়াইছে, ৪০৫ খন গাওঁ ঘাইপথৰ লগত সংযোগ কৰিবলৈ পথ নিৰ্মাণ কৰি উলিয়াইছে আৰু তাৰে ১৯২ কিঃ মিঃ পকী কৰা হৈছে।

ইয়াত বাহিৰেও উত্তৰ পূব পৰিষদৰ পুঁজিৰ সহায়ত ৭০ কিঃ মিঃ পথ শক্তিশালী কৰা হৈছে আৰু ১১ খন পকী দলঙৰ কাম সম্পূৰ্ণ কৰা হৈছে। কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাত যোগাযোগ উন্নত কৰিবলৈ পথ নিৰ্মাণ কৰা হৈছে। সমগ্ৰ অসমতে গড়কাপ্তানী বিভাগে যুদ্ধকালীন তৎপৰতাৰে বিভিন্ন ঠাইত ৰাস্তাৰ কাম সম্পূৰ্ণ কৰি এক আশাৰ ৰেঙনি সৃষ্টি কৰিছে। জনগণৰ মনত বিশ্বাস দৃঢ়ভূত হৈছে যে অসমৰ ভবিষ্যৎ

নিশ্চয় উজ্জ্বল কৰিব পৰা হ'ব।

পৰিবহন ঃ অসম গণ পৰিষদ দলৰ চৰকাৰ আৰম্ভ হোৱাৰ লগে লগে পৰিবহন ব্যৱস্থা উন্নত কৰিবলৈ এক বিশেষ উদ্যোগ লোৱা হৈছে। ৰাজ্যখনৰ ১১১৬ টাৰ ঠাইত পথৰ সংখ্যা ১১৫৫ টালৈ বৃদ্ধি কৰা হৈছে। ১৭৩ খন নতুন বাছৰ বাবে চেছিছ ক্রয় কৰাৰ সিদ্ধান্ত লোৱা হৈছে। পুৰণি জৰাজীর্ণ বাছবোৰ সলনি কৰি ৰুগ্ন বিভাগটোক সজীৱ কৰি তোলা হৈছে। গৰুৰ গাড়ীৰ বেগৰ সলনি বাছৰ গতি বৃদ্ধি কৰি বহুমূলীয়া সময় ৰাহি কৰিব পৰা হৈছে আৰু নির্দিষ্ট সময়ত বাছৰ গন্তব্য স্থান পোৱাত যাত্রীৰ আহুকাল কমিছে। পৰিবহন বিভাগৰ 'লুট' ব্যৱস্থাটো ৰোধ কৰিব পৰা হৈছে। নতুনকৈ বাছৰ সংযোজন প্রাথমিক স্তৰত (১) গুৱাহাটী ডিব্রুগড় (নৈশবাছ সেৱা), (২) বোকাজান-যোৰহাট (৩) হাফলং - গুৱাহাটী (৪) ধুবুৰী-গুৱাহাটী (৫) গুৱাহাটী - উত্তৰ লক্ষীমপুৰ (৬) গুৱাহাটী - তিনিচুকীয়া (৭) গুৱাহাটী - যোৰহাট (৮) কোকৰাঝাৰ - শিলিগুৰি বিশেষভাৱে উল্লেখযোগ্য।

অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ উত্তৰণৰ বাবে বহু কার্যক্ষম আঁচনি লোৱা হৈছে। ৬ ষ্ঠ পৰিকল্পনাত অনুসূচীত জাতিৰ প্রায় ১৫ লাখ পৰিয়ালৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰৰ ২২.১৬ কোটি টকা আৰু কেন্দ্রীয় চৰকাৰৰ ৫.৭৬ কোটি অতিৰিক্ত টকাৰে কল্যানমূলক কাম হাতত লোৱা হৈছে। ৭ ম পৰিকল্পনাত সেই ধনৰ পৰিমাণ ক্রমে ৬৬.৯২ কোটি ৰাজ্যৰ আৰু ১০.৭২ কোটি কেন্দ্রীয় মঞ্জুৰীৰ ব্যৱস্থা কৰা হয়।

ভৈয়ামৰ অনুসূচীত জনজাতিৰ কাৰণে ১৯৮৬-৮৭ চনত ৫৬.২৬ কোটি আৰু ১৯৮৭-৮৮ চনত সেই ধনৰ আবন্টন ৬২.৭৫ কোটি টকালৈ বৃদ্ধি কৰি কল্যানমূলক কাম কৰা হয়।

অসমত বসবাস কৰা বিভিন্ন জাতি-উপজাতি, ভাষা-ভাষী আৰু বিভিন্ন ধর্মবিশ্বাসৰ লোক সকলৰ মাজত সম্প্রীতি সুদৃঢ় কৰিবলৈ এক সমন্বিত বিকাশৰ আন্দোলনক গঢ় দিয়া হয়। এক সাংস্কৃতিক সঞ্চালকালয় স্থাপন কৰি — সাংস্কৃতিক সংকট দূৰীকৰণৰ বাবে উদ্যোগ লোৱা হয়। বিভিন্ন জনগোষ্ঠীৰ মাজত একাত্মতাৰ অনুৰাগ বৃদ্ধি কৰি বৰ অসমৰ বৃহৎ অসমীয়া জাতি গঠনৰ প্রক্রিয়া আৰম্ভ কৰা হয় আৰু এক সমন্বিত জাতিসত্বাৰ অনুভুতিৰ প্রকাশ ঘটাবলৈ ঐকান্তিক প্রচেষ্টা হাতত লোৱা হয়। সকলো জনগোষ্ঠী মিলিয়ে অসম আৰু সকলোৰে কল্যাণ সাধন আৰু ৰাজ্যিক প্রগতিহে মূল লক্ষ্য হিচাবে লৈ কামত ব্রতী হয়। পার্থক্যবোৰ বিভাজনবোৰ আৰু বিৰোধবোৰ গুচাবলৈ সময়ৰ প্রয়োজন হ'ব; কিন্তু কৰিব পৰা যে হ'ব সি নিশ্চিত। এই ক্ষেত্রত বিভিন্ন ভাষাৰ সাহিত্যিকসকলক, শিল্পী সকলক, বিশিষ্ট ক্রীড়াবিদসকলক সন্মান কৰা আৰু পেঞ্চনৰ ব্যৱস্থা কৰাটো এক বিশেষ কার্যসূচী হিচাবে চিহ্নিত হৈ ৰ'ব। সাংস্কৃতিক অনুষ্ঠানবোৰৰ ৰক্ষণা-বেক্ষণ আৰু পুনৰ নির্মাণৰ ব্যৱস্থাও অতি প্রশংসনীয়।

চৰকাৰৰ ওপৰত অভিযোগ ঃ অঃ গঃ পঃ চৰকাৰৰ প্রায় ডেৰ বছৰকাল সম্পূর্ণ নৌহওঁতেই চৰকাৰক নানা ত্রুটীত অভিযুক্ত কৰি নানা ধৰণৰ বাতৰি পৰিবেশন কৰা দেখা গ'ল। নতুন

চৰকাৰ খনক বিভ্ৰান্ত কৰিবলৈ বা ৰাজনৈতিক অভিসন্ধি চকুৰ আগত ৰাখি বিভিন্ন বিষয়ত চৰকাৰক জগৰীয়া কৰিবলৈ লোৱা দৃষ্টি গোচৰ হ'ল। তাৰ ভিতৰত

১) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে শিক্ষানুষ্ঠানত আসন সংৰক্ষণ নকৰা বুলি আৰু চাকৰিৰ ক্ষেত্ৰত সংৰক্ষণ ব্যৱস্থা বাতিল কৰা বুলি বাতৰি প্ৰকাশ পালে।

২) মাধ্যমিক শিক্ষা পৰিষদে এখন ভাষা বিষয়ক চাৰ্কুলৰ ভাৰত চৰকাৰৰ নীতিৰ আধাৰতে প্ৰকাশ কৰাত অঃ গঃ পঃ চৰকাৰক বৰাক উপত্যকাৰ ভাষিক গোষ্ঠীয়ে তীব্ৰ সমালোচনা কৰিছিল আৰু চাৰ্কুলাৰখনৰ বিৰোধিতা কৰা হৈছিল।

৩) বিদেশী নাগৰিকৰ চিনাক্ত কৰণৰ বাবে আৰক্ষীসকলক নিযুক্ত কৰাৰ সময়ত ভাষিক আৰু ধৰ্মীয় সংখ্যা লঘু সম্প্ৰদায়ৰ লোকৰ ওপৰত অযথা উৎপীড়ন, অত্যাচাৰ কৰা বুলি চৰকাৰক সমালোচনা কৰিছিল।

৪) পাহাৰ আৰু ভৈয়াম জনজাতি সম্প্ৰদায়ৰ মাজত অযথা হাৰাহাস্তিৰ সন্মুখীন হোৱা বুলি সমালোচনা হ'ল।

এই স্পৰ্শকাতৰ বিষয়বোৰ নিষ্পত্তি কৰাৰ ক্ষেত্ৰত উদাৰ আৰু বাস্তৱবাদী পদক্ষেপ নললে সমস্যাবোৰ যে কোনো কালেই সমাধা নহব আৰু তাৰ সুযোগান্বেষী লোকে ৰাজ্যখনৰ প্ৰগতি স্তব্ধ কৰি পেলাব তাত অকনো সন্দেহ নাই। সেইবাবে বাতৰি কাকতে এক বিশিষ্ট ভুমিকা লোবাৰ যে প্ৰয়োজন আছে সেই কথা ১৯৮৭ চনৰ জুন মাহৰ ২৮ তাৰিখে এখন প্ৰেচ ক্লাবৰ বাৰ্ষিক সভাত বিতংভাবে প্ৰকাশ কৰি সহযোগ কামনা কৰিছিল।

এই সমস্যাবোৰৰ যি কেইটা অত্যন্ত জৰুৰী আৰু যাৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰৰ পট্টন হৈছে, সেয়া হৈছে বিদেশী নাগৰিকৰ চিনাক্ত কৰণ আৰু বিতাৰণ। আজিলৈ এই সমস্যাটোৰ কোনো সমাধান উলিয়াব পৰা নহ'ল বাবে ই ক্ৰমে জটিল ৰূপ ধাৰণ কৰিছে আৰু বিদেশী নাগৰিকৰ সমস্যাটোৰ সন্তোষজনক নিষ্পত্তি নোহোৱালৈ ৰাজনৈতিক অস্থিৰতা বৃদ্ধি পাব আৰু ৰাজ্যখনৰ প্ৰগতি স্থবিৰ হৈ ৰ'ব।

ওপৰত অসম গণ পৰিষদ দলে প্ৰায় ডেৰ বছৰ কালত নানা সমস্যাৰে ভাৰক্ৰান্ত হৈ; কিন্তু সাহসেৰে প্ৰত্যাহ্বান গ্ৰহণ কৰি এটা আশাভৰা প্ৰশাসন ব্যৱস্থা আৰম্ভ কৰিব পাৰিছিল আৰু এয়া এটা নতুন আঞ্চলিক ৰাজনৈতিক দলৰ চৰকাৰৰ বাবে কম প্ৰশংসাৰ কথা নহয়। তথাপি আঞ্চলিক ৰাজনৈতিক দল সদায়ে বৃহৎ দলৰ বাবে "চকুৰ কুটা দাঁতৰ শুলৰ" দৰে আৰু আঞ্চলিক দলক সকলো পৰ্যায়তে ব্যতিব্যস্ত কৰিবলৈ নানা প্ৰকাৰে আক্ৰমণ কৰে আৰু আনক চৰকাৰ বিৰোধী কৰিবলৈ প্ৰৰোচিত কৰে, কুৎসা ৰটনা কৰে। নিজৰ দোষ ঢাকি ৰাখিবলৈ আনৰ বদনাম কৰে। সেইবাবে প্ৰতি মুহূৰ্তে সজাগ হৈ নাথাকিলে বিপদত পৰাৰ ভয় থাকে। অন্য একো অপকাৰ কৰিব নোৱাৰিলে দলীয় অন্তৰ্কলহৰ জন্ম দিয়ে। এয়া এক অদ্ভুত ৰাজনৈতিক চৰিত্ৰ। ইয়াৰ পিছৰ অধ্যায়ত অগপই প্ৰথম পাঁচ বছৰত কৰা কামৰ এক বিস্তৃত খতিয়ান উপস্থাপন কৰা হ'ল।

৮

মহন্ত চৰকাৰৰ সাফল্যৰ খতিয়ান : প্ৰথম পাঁচ বছৰ (১৯৮৫-১৯৯০)

অসম গণ পৰিষদ দল ক্ষমতালৈ অহাৰ প্ৰধান কাৰণ আছিল এই যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰ ৰাজ্যখনলৈ হোৱা অবৈধ প্ৰব্ৰজনৰ কেবল প্ৰধান পৃষ্ঠপোষক নাছিল বৰং অবৈধ নাগৰিকক ভোটাৰ তালিকাত সুমুৱাই অসমৰ ৰাজনৈতিক ভবিষ্যৎ অনিশ্চিত কৰিছিল। অবৈধ প্ৰব্ৰজনে কেনে সমস্যাৰ সৃষ্টি কৰিছে সেয়া আৰু নতুনকৈ ব্যাখ্যা কৰা নিষ্প্ৰয়োজন। বিদেশী নাগৰিকৰ সমস্যাটো সমাধান কৰিবলৈ ১৯৮৫ চনৰ ১৫ আগষ্টত যিখন চুক্তি স্বাক্ষৰিত হ'ল সেইখনৰ ক্ষেত্ৰত চৰকাৰ গঠন কৰাৰ প্ৰথম ডেৰ বছৰৰ খতিয়ান ওপৰত ইতিমধ্যে বৰ্ণনা কৰা হৈছে। প্ৰথম পাচবছৰ শাসন কালত অগপ দলৰ চৰকাৰে কি কৰিব পাৰিলে তাৰ বিঁশেষভাবে উল্লেখযোগ্য সাফল্যৰ বিবৰণ ইয়াত ডাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

অসম গণ পৰিষদ দলৰ চৰকাৰ গঠনৰ সময়ত যিবোৰ প্ৰধান বাধা অতিক্ৰম কৰিব লগীয়া হৈছিল তাৰ আগৰ কংগ্ৰেছ চৰকাৰে সেই ধৰণৰ বাধা অতিক্ৰম কৰিব লগীয়া হোৱা নাছিল। তথাপি ৰাজ্যখনৰ প্ৰগতি হৈছিল স্থবিৰ। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৰাজ্য চৰকাৰে অগপ চৰকাৰৰ বাবে স্তূপীকৃত কৰি ৰাখিছিল ৪০০০ কোটিৰ ঋণৰ বোজা। ইয়াৰ উপৰি উপৰ্যুপৰি হোৱা বানৰ প্ৰহেলিকা, আন্তঃৰাজ্যিক সীমা বিবাদ, প্ৰৱঞ্চিত জনগোষ্ঠীয় সমস্যা, বিদেশী বিতাৰণ আন্দোলনত অংশ গ্ৰহণকাৰীৰ ওপৰত জাপি দিয়া নিৰ্যাতন আদি সমস্যাবোৰ মূৰ পাতি লৈ সৰ্বভাৰতীয় দলৰ প্ৰচণ্ড আক্ৰমনৰ বিৰুদ্ধে প্ৰত্যাহ্বান গ্ৰহণ কৰি আঞ্চলিক দলটোৱে কামত হাত দিছিল আৰু প্ৰায় চাৰি দশকত কৰিব নোৱাৰা ভালেমান কাম পাচ বছৰতে সম্পূৰ্ণ কৰি জনগণৰ মাজত আশাৰ সঞ্চাৰ কৰিবলৈ সাহসী পদক্ষেপ লবলৈ সক্ষম হৈছিল। তলত তাৰ কেইটামান বিষয় সংক্ষেপে উল্লেখ কৰা হ'ল।

১। বিত্তীয় সংকটৰ সমাধান : অসমৰ ভালেমান সম্পদৰ ব্যৱহাৰ কৰি কেন্দ্ৰীয় সম্পদ বৃদ্ধি কৰা কথাটো অসমৰ জনসাধাৰণে জানে। অথচ তাৰ বিনিময়ত ৰাজ্যখনৰ বাৰ্ষিক পৰিকল্পনাৰ ধন ৭০ শতাংশ ঋণ আৰু ৩০ শতাংশ অনুদান হিচাবে পাই আহিছে। অসমৰ বান সমস্যা এক কেন্দ্ৰীয় সমস্যা হিচাবে পৰিগণিত হোৱাৰ সলনি বানৰ ক্ষয়ক্ষতি পূৰাবলৈ যি সাধাৰণ পৰিমাণৰ ধনৰ আবন্টন পোৱা হয় তাকো ঋণ হিচাবে গ্ৰহণ কৰি

ৰাজ্যখনৰ অৰ্থনীতি জুৰুলা কৰি পেলোৱা হৈছে। এই অৱস্থাৰ পৰিবৰ্ত্তন ঘটাবলৈ অগপ চৰকাৰ সমৰ্থ হয় আৰু বাৰ্ষিক পৰিকল্পনাত ধাৰ্য কৰা ধনৰ ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ ঋণ হিচাবে পোৱাৰ ব্যৱস্থা কৰাত ৰাজ্যখনৰ বিত্তীয় সমস্যাৰ ভালেখিনি শুধৰণী কৰিব পৰা হৈছে। এয়া আঞ্চলিক দলৰ চৰকাৰৰ এক বৃহৎ সাফল্য।

২। খাৰুৱা তেলৰ শোধন ক্ষমতা বৃদ্ধি আৰু ৰয়েল্টীৰ উন্নতি সাধন ঃ

ক) কংগ্ৰেছ চৰকাৰৰ আমোলত ৰাজ্যখনৰ শোধানাগাৰত শোধন ক্ষমতা মাত্ৰ ১.৮ নিযুত মেট্ৰিক টনত সীমাবদ্ধ কৰা হৈছিল। অগপ চৰকাৰে এই ক্ষমতা ৩.৩ নিযুত টনলৈ বৃদ্ধি কৰিবলৈ কেন্দ্ৰক বাধ্য কৰে।

খ) অতিৰিক্ত ৩ নিযুট টন ক্ষমতা সম্পন্ন এটা নতুন শোধানাগাৰ স্থাপন কৰিবলৈ কেন্দ্ৰক মান্তি কৰোৱা হয় আৰু সেইটোৱে পিছত নুমুলিগড়ত স্থাপন কৰা হয়।

গ) খাৰুৱা তেলৰ ৰয়েল্টী কংগ্ৰেছ চৰকাৰৰ দিনত প্ৰতি মেট্ৰিক টনত ৬১ টকা ধাৰ্য কৰাত ৰাজ্যৰ সম্পদ গঢ় লোৱা নাছিল। অগপ চৰকাৰে ৰয়েল্টি ৩১৪ টকালৈ বৃদ্ধি কৰিবলৈ সক্ষম হয়।

ঘ) পূৰ্বৰ কংগ্ৰেছ চৰকাৰে প্ৰায়ে ২০০০.০০ কোটি টকাতকৈয়ো অধিক মূল্যৰ প্ৰাকৃতিক গেছ পুৰি দুষ্প্ৰাপ্য সম্পদ ধ্বংস কৰাৰ বিপৰীতে অগপ চৰকাৰে প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰি পাঁচটা প্ৰকল্প স্থাপনৰ অনুমোদন কেন্দ্ৰৰ পৰা আদায় কৰিবলৈ সক্ষম হয়। গেছ ক্ৰেকাৰ, আমগুৰি, কঠালগুৰিৰ গেছ বিদ্যুৎ, এল. পি. জি প্ৰকল্প তাৰ ভিতৰত প্ৰধান।

৩। অসমক পুনৰ খণ্ডিতকৰণ যাতে কোনো পধ্যেই কৰিব নোৱাৰে সেই কথা নিশ্চিত কৰে।

৪। কৃষি আৰু পশুপালনত গুৰুত্ব ঃ

ক) পথাৰ পৰিচালনা সমিতি গঠন কৰি একেদৰা মাটিতে কেইবাটাও খেতি কৰাৰ পদ্ধতিত গুৰুত্ব আৰোপ কৰি কৃষিৰ ক্ষেত্ৰত এক বিপ্লব সম্ভব কৰি তোলা হয়। ২৬০০ খন পথাৰ পৰিচালনা সমিতি গঠন কৰি একোখন বিনামূলীয়াকৈ পাৱাৰ টিলাৰ যোগান ধৰা হৈছে।

খ) প্ৰতিটো খণ্ডতে কৃষি বিকাশ কেন্দ্ৰ খুলি সাৰ, বীজ, আৰু ঋণৰ ব্যৱস্থা কৰি আৰু কীটনাশক দ্ৰব্যৰ যোগান ধৰি কৃষিখণ্ডক শক্তিশালী কৰি লোৱা হয়। অসমত তেনে ৪৬টা বিকাশ কেন্দ্ৰ প্ৰতিষ্ঠা হোৱাত কৃষকৰ হাহাকাৰ বহুলাংশে কমাব পৰা হয়।

গ) ক্ষুদ্ৰ জলসিঞ্চনৰ সহায়ত মাটি যাতে পতিত হৈ ৰ'ব নোৱাৰে তাৰ বাবে ব্যাপক কাৰ্যসূচী ৰূপায়ণ কৰি কৃষকক সুবিধা প্ৰদান কৰা হয়।

ঘ) ধানৰ উৎপাদন ১৯৮৫ চনলৈ সৰ্বোচ্ছ পৰিমাণ আছিল ২৭ লাখ মেট্ৰিক টন। ১৯৯০ চনত তাৰ বৃদ্ধি কৰা হয় ৩২ লাখ মেট্ৰিক টনলৈ, এক বিশেষ অভিলেখ।

ঙ) ৩০০ বো অধিক ক্ষুদ্র চাহ খেতিয়কক প্ৰত্যেককে নুন্যতম ৩০ বিঘাকৈ মাটিৰ আবন্টন দিয়া হয়। ইয়াৰ সহায়ত সীমান্তত বেদখলো ৰোধ কৰাৰ ব্যৱস্থা সম্ভব কৰিব পৰা হৈছে।

চ) পাঁচ বছৰৰ কম সময়ৰ ভিতৰতে অতিৰিক্ত ৭১ টা প্ৰাথামিক পশু চিকিৎসাকেন্দ্ৰ আৰু ৩১৪ টা কৃত্ৰিম গো প্ৰজনন কেন্দ্ৰ স্থাপন সম্ভব হৈছে। উন্নত জাতৰ গৰু, কুকুৰা আৰু গাহৰিৰ যোগান ধৰি হেজাৰ যুৱকে এক আশাৰ ৰেঙনি দেখিবলৈ পাই সুখী হৈছিল। পিছলৈ বহুতো যুৱকে শ্ৰমৰ মৰ্যাদা উপলব্ধি কৰিব নোৱাৰিলে আৰু অৰ্থনৈতিক বিকাশৰ এটা সোণালী ধাৰা বাদ দি চাকৰিৰ পিছে পিছে দৌৰিবলৈ আৰম্ভ কৰা দেখিবলৈ পোৱা গ'ল। কালৰ এক কুটীল পৰিহাস যে চাকৰি ক্ষেত্ৰ অসমত কিমান সীমিত সেইকথা যেনেকৈ যুৱক যুৱতীয়ে অনুধাৱন কৰিব নোৱাৰে, অভিভাৱকেও অনুমান কৰিব নোৱাৰিলে আৰু কি বিকল্পৰ সহায়ত জীৱন আৰু প্ৰৱৰ্ত্তন হ'ব পাৰে তাকো সঠিকভাবে উপলব্ধি কৰিব নোৱাৰি প্ৰশাসনক জগৰীয়া কৰিব বিচাৰিলে। আনহাতে অভাবৰ তাড়নাত হতাশগ্ৰস্ত লোকক পৰামৰ্শই কাম নিদিয়ে বৰং বিৰাগভাজন হোৱাৰ উদাহৰণ অলেখ।

ছ) দুগ্ধ উন্নয়ন সমিতিৰ জৰিয়তে খাদ্য উৎপাদন, বিতৰণ, গাখীৰৰ উৎপাদন আৰু দুগ্ধজাত সামঁগ্ৰীৰ উৎপাদন আৰু বিতৰণৰ কাৰ্যসূচী ৰূপায়ন আৰম্ভ কৰা হৈছিল। এই ব্যৱসায়ৰ লগত জড়িত হৈ বহিৰাষ্ট্ৰৰ কথা বাদেই ভাৰততে ইমানবোৰ অনুকৰণীয় আঁচনিৰ সহায়ত লক্ষ লক্ষ পুৰুষ মহিলা জড়িত হৈ জীৱন সমৃদ্ধ কৰিব পাৰিছে। অসমে আজিলৈ তেনে এক স্বাবলম্বিতাৰ মানসিকতাকে গঢ় দিব নোৱাৰাটো অত্যন্ত পৰিতাপৰ কথা।

জ) তেজপুৰত ১২ কোটি টকা ব্যয় কৰি "খেতিৰ মাটি আৰু পানী পৰিচালনা কোষ", যোৰহাটত ৫ কোটি টকা ব্যয় কৰি ফাৰ্মৰ যন্ত্ৰপাতি আৰু সজুলিৰ প্ৰশিক্ষণ কেন্দ্ৰ, নলতলীত গ্ৰাম সেৱক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি বুনিয়াদ নিৰ্মাণ কৰা হৈছিল। অতি দুখৰ কথা যে কোনোমতে ৮ ম বা ৯ ম মান শ্ৰেণীলৈ যোগ্যতাবিহীন ভাবে শিক্ষা লাভ কৰা যুৱক-যুৱতীয়ে কৃষি বা কৃষিজাত বা পশুধনৰ বিকাশ সাধন কৰি জীৱন গঢ়াৰ মনোবৃত্তি গ্ৰহণ কৰাৰ সলনি ২০০ টকাত অনিশ্চিত ভবিষ্যৎ আগত ৰাখি ক'ৰবাত পিয়ন বা চাপ্ৰাচী হিচাবে কাম কৰাত অগ্ৰাধিকাৰ দিয়া দেখা গৈছে। ওপৰত উল্লেখ কৰা এই প্ৰতিষ্ঠান বা প্ৰশিক্ষণ কেন্দ্ৰবোৰক প্ৰহসনত পৰিণত কৰা হৈছে।

৫। বন বিভাগ ঃ এসময়ত অসমৰ বননি জগৎ বিখ্যাৎ আছিল। বনজ সম্পদে অৰ্থনীতিত এক উল্লেখযোগ্য ভূমিকা পালন কৰিবলৈ সক্ষম হৈছিল আৰু জীৱন ধাৰণৰ বাবে আছিল বহুতো বনজাত সামগ্ৰী। সংৰক্ষিত বননিয়ে ৰাজ্যখনৰ অৰ্থনীতিত যেনেকৈ বৃহৎ অবদান আগবঢ়াইছিল তেনেদৰে বন্য প্ৰাণী আছিল এক বিৰল সম্পদ। কাণ্ডজ্ঞানশূন্যভাবে বননি প্ৰায় ধ্বংস কৰি পেলোৱা হ'ল। বৃটিছৰাজৰ সময়ত খিলঙত থকা মুখ্য বনসংৰক্ষকে বননি

তদাৰক কৰিবলৈ সক্ষম হৈছিল। ভাৰত স্বাধীন হোৱাৰ পিছত বন সংৰক্ষকৰ সংখ্যা বৃদ্ধি পালে যদিও বননি ধ্বংস কৰাৰ মনোবৃত্তি গঢ়ি উঠাত - গভীৰ বননি চৰণীয়া পথাৰ হ'ল। কোনো নিয়ম নোহোৱাকৈ বননি প্ৰায় নিশেষ কৰি পেলোৱা হ'ল আৰু অৰ্থনীতিৰ এটা স্তম্ভ খহি পৰিবলৈ আৰম্ভ কৰিলে।

বননিৰ সুৰক্ষাৰ বাবে ভাৰতৰ ভিতৰতে পোন প্ৰথমবাৰৰ বাবে অসমত অসম গণ পৰিষদ দলে সশস্ত্ৰ বনৰক্ষী বাহিনী গঠন কৰিলে, ব্যক্তিগতভাৱে ব্যৱসায়ীক বনাঞ্চল লীজত দিয়া কাম বন্ধ কৰা হ'ল, অসমৰ বাহিৰলৈ বনজাত কেচা সামগ্ৰী সৰবৰাহ বন্ধ কৰাৰ ব্যৱস্থা লোৱা হ'ল। বানপানীৰ কবলৰ পৰা বন্যপ্ৰাণীক ৰক্ষা কৰিবলৈ অভয়াৰণ্যত ওখ মাটিৰ ঢাপ বান্ধি দিয়া হ'ল। ধ্বংস কৰা বনাঞ্চলৰ ৮৯০০০ হেক্টৰ মাটিত নতুন বননি গঢ়ি তোলা হ'ল। যোৰহাটত এটা বন গবেষণা কেন্দ্ৰ প্ৰতিষ্ঠা কৰি বননি শ্ৰীবৃদ্ধি কৰাৰ এটা পদ্ধতি আহৰণ কৰা হ'ল। অথচ তাৰ আগৰ প্ৰায় ৪০ বছৰকাল বননিৰ বিকাশ দূৰৰ কথা বৰং বননি নিশেষ কৰাৰহে এক ধ্বংস যজ্ঞ অনুষ্ঠিত কৰা হৈছিল।

৬। শিক্ষা ব্যৱস্থাৰ পুনৰ নিৰ্মাণ কাৰ্য ঃ অসমৰ পৰ্য়ালগা শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ বাবে একবৃহৎ পদক্ষেপ গ্ৰহণ কৰা হয়।

১) ৭০০০ ৰো অধিক, প্ৰাথমিক বিদ্যালয়ৰ ভৱন নিৰ্মাণ কৰি তোলা হয়।

২) "অপাৰেশ্যন ব্ৰেকবোৰ্ড" আঁচনিৰ আধাৰত সকলো বিদ্যালয়তে শিক্ষাৰ সজুলিৰ যোগান ধৰা হয়।

৩) ৫০০ ৰো অধিক হাইস্কুলৰ ভৱন পুনৰ নিৰ্মাণ কৰা হয়।

৪) প্ৰয়োজন অনুসৰি অনিয়মীয়া শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত এক সুস্থনীতি অৱলম্বন কৰি শিক্ষকৰ পদ সৃষ্টি কৰা হয়।

৫) ২০০০ ৰো অধিক প্ৰাথামিক মজলীয়া স্কুল, হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাদেশীকিকৰণ কৰা হয়।

৬) ১০০ টা অতিৰিক্ত বড়ো ভাষাৰ শিক্ষকৰ পদ সৃষ্টি কৰা হয়।

৭) ভাষিক সংখ্যালঘু এলেকাত ডেৰশৰো অধিক শিক্ষকৰ পদৰ সৃষ্টি কৰা হয়।

৮) প্ৰাথমিক স্তৰত ৰাভা আৰু মিচিং ভাষাত সেই সেই এলেকাতা শিক্ষাদানৰ ব্যৱস্থা কৰা হয়। এই ব্যৱস্থাত ১০০ খন স্কুলত মিচিং আৰু ৫০ খন স্কুলত ৰাভা ভাষাৰ জৰিয়তে শিক্ষাদানৰ ব্যৱস্থা কৰি এক দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰা হয়।

৯) প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ দ্বাৰা শিক্ষাদান ব্যৱস্থা শক্তিশালী কৰিবলৈ প্ৰায় ১২০০ শিক্ষকৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰা হয় আৰু পৰ্যায়ক্ৰমে এই ব্যৱস্থা অধিক কাৰ্যক্ষম কৰি তুলিবলৈ এক প্ৰক্ৰিয়া আৰম্ভ কৰা হয়।

১০। মাদ্ৰাছা স্কুলবোৰৰ সংস্কাৰ সাধন কৰি এনে বিদ্যালয়ৰ জৰিয়তে উপযুক্ত

শিক্ষাদানৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰীক উৎকৰ্ষ সাধন কৰাত বিশেষ ভূমিকা পালন কৰা হয়।

১১। বিনামূলীয়া পাঠ্যপুথিৰ যোগান নিশ্চিত কৰি শিক্ষাৰ ক্ষেত্ৰত এক সুদূৰ প্ৰসাৰি কাৰ্যসূচী ৰূপায়ন কৰা হয় যাতে পাঠ্যপুথিৰ অভাৱত ছাত্ৰ-অভিভাৱক সমস্যাৰ সন্মুখীন হ'ব লগীয়ত নপৰে।

১২। শিক্ষকসকলৰ দীৰ্ঘদিনীয়া অভাৱ অভিযোগৰ নিৰাময় কৰা হয়।

১৩। অসমৰ ছাত্ৰ-ছাত্ৰীয়ে দিল্লীত থকা ঠাইৰ অভাৱত যাতে উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হ'ব নোৱাৰে তাৰ বাবে এটা ছাত্ৰী নিবাসৰ ব্যৱস্থা কৰা হয়।

১৪। সৰ্বভাৰতীয় প্ৰশাসনীয় পৰীক্ষাৰ প্ৰাথমিক স্তৰ অতিক্ৰম কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তিৰ ব্যৱস্থা কৰা হয়।

১৫। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকৰ বিশ্ববিদ্যালয় অনুদান আয়োগে নিৰ্দ্ধাৰণ কৰা দৰমহা দিয়াৰ ব্যৱস্থা লোৱা হয়।

১৬। অৱসৰ লাভ কৰা শিক্ষকলৈ গ্ৰেচুইটী দিয়াৰ ব্যৱস্থা লোৱা হয়।

১৭। দুখনকৈ কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ প্ৰতিশ্ৰুতি কেন্দ্ৰৰ পৰা আদায় কৰা হয়।

১৮। ৰহাত মীন মহাবিদ্যালয় স্থাপন কৰা হয়।

১৯। যোৰহাটত কৃষি অভিযান্ত্ৰিক মহাবিদ্যালয় এখন স্থাপন কৰা হয়।

২০। লক্ষিমপুৰত দ্বিতীয়খন পশু চিকিৎসালয় স্থাপন কৰা হয়।

২১। বিশ্বনাথত দ্বিতীয়খন কৃষি মহাবিদ্যালয় স্থাপন কৰা হয়।

২২। নলবাৰীত এখন টেক্সটাইল টেকন'লজি মহাবিদ্যালয় পতা হয়।

২৩। বৰপেটাত ৰেঞ্জাৰ মহাবিদ্যালয় পতা হয়।

২৪। তিতাবৰত ৰেচম মহাবিদ্যালয় পতা হয়।

২৫। বঙাইগাঁও আৰু লক্ষীমপুৰত একোখনকৈ পলিটেকনিক স্থাপন কৰা হয়।

২৬। IM&CA (Institute of management and cost accountancy) গুৱাহাটীত স্থাপন কৰা হয়।

এই বিদ্যালয় আৰু প্ৰশিক্ষণ কেন্দ্ৰবোৰে সুফল দিবলৈ আৰম্ভ কৰাৰ সময়তে ১৯৯১ চনত দললৈ এক বিপৰ্যয় নামি আহে আৰু অঃগঃপ দলৰ পৰা ক্ষমতা পুনৰ কংগ্ৰেছে কাঢ়ি লোৱাত ৰাজ্যখনৰ প্ৰগতি পুনৰ স্তব্ধ হৈ পৰে। অকল সিমানেই নহয়, ৰাজ্যখনলৈ নামি আহে এক অন্ধকাৰ যুগ যাৰ অমানিশা দূৰ কৰিবলৈ প্ৰয়োজন হ'ব সুদীৰ্ঘকালযোৰা এক কঠোৰ সংগ্ৰাম আৰু সাধনাৰ।

৭। পৰিকল্পনা বিকেন্দ্ৰীকৰণ ঃ

১। শ্ৰীলক্ষীচান্দ জৈনৰ নেতৃত্বত অসমৰ উন্নয়নৰ বাবে পৰিকল্পনা শিতানৰ ধনৰ সঠিক প্ৰয়োগ কৰিবলৈ এক উচ্চ ক্ষমতা সম্পন্ন কমিটী গঠন কৰা হয় আৰু বিভিন্ন বিষয়ত

অনুদান আদায় কৰা হয়।

২। ৮ ম পৰিকল্পনাত গেছ ক্ৰেকাৰ প্ৰকল্প আৰু শোধানাগাৰ নিৰ্মাণৰ বাবে অতিৰিক্ত ৮০০০ কোটি টকাৰ কেন্দ্ৰীয় বিনিয়োগৰ প্ৰতিশ্ৰুতি আদায় কৰা হয়।

৩। বাৰ্ষিক পৰিকল্পনা ধনৰ ৭০ শতাংশ ঋণ আৰু ৩০ শতাংশ অনুদানৰ সংশোধন কৰি ৯০ শতাংশ অনুদান আৰু মাত্ৰ ১০ শতাংশ ঋণৰ ব্যৱস্থা কৰি ৰাজ্যৰ প্ৰগতিৰ প্ৰধান বাধা আঁতৰ কৰা হয়। এই ব্যৱস্থা ভাৰতৰ ভিতৰতে সৰ্বপ্ৰথম।

৪। মহকুমা পৰ্যায়লৈকে পৰিকল্পনা বিকেন্দ্ৰীকৰণ কৰি এক অভিলাষী কাৰ্য সম্পাদন কৰি ৰাজ্যৰ প্ৰগতিৰ প্ৰধান বাধা আতৰ কৰা হয়। এই ব্যৱস্থা ভাৰতৰ ভিতৰতে সৰ্বপ্ৰথম।

৮। স্বাস্থ্য আৰু জনস্বাস্থ্য কৰিকৰী বিভাগৰ জৰিয়তে কৰা কাম ঃ

১। মাত্ৰ ৫ বছৰৰ ভিতৰত ৪৮ খন হাস্পতাল স্থাপন কৰি জনসাধাৰণৰ বাবে স্বাস্থ্য ৰক্ষাৰ এক বৃহৎ পদক্ষেপ সম্ভৱ কৰা হয়।

২। ৯১১ টা উপস্বাস্থ্য কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হয়।

৩। ২০২ টা প্ৰাথামিক স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰা হয়।

৪। ১৫ খন গ্ৰামীন চিকিৎসালয় স্থাপন কৰি এক দীৰ্ঘদিনীয়া অভাব পূৰণ কৰা হয়।

৫। ৮০০০ খনৰো অধিক গাওঁত খোৱাপানী যোগানৰ ব্যৱস্থা কৰা হয়।

৬। ভুবনেশ্বৰ বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ উন্নতি সাধন কৰা হয়।

৭। বিদেশী বিতাৰণ আন্দোলনত আহতহোৱা সকলৰ বাবে চিকিৎসা ব্যৱস্থা লোৱা হয়।

৯। পৰিবহন, যাতায়ত আৰু দূৰ সংযোগ ঃ

আগৰ চৰকাৰৰ প্ৰায় ৪০ বছৰীয়া শাসন কালত যিবোৰ কাম কৰিব পৰা হোৱা নাছিল সেইকামবোৰ মাত্ৰ ৫ বছৰতে কৰি অগপ চৰকাৰে প্ৰকৃতাৰ্থত যে এক অভিলেখ স্থাপন কৰিব পাৰিছিল তাক অগপৰ দুৰ্ঘোৰ বিৰোধীসকলেও স্বীকাৰ কৰিবলৈ বাধ্য। কাৰণ ইমান কম সময়ৰ ভিতৰতে যিমানবোৰ কাম সম্পাদন কৰা হ'ল তাক তলত উল্লেখ কৰা তালিকাই সমৰ্থন কৰে।

১। প্ৰায় ৩০০০ কিঃ মিঃ পথ নিৰ্মাণ কৰি উলিওৱাত পূৰ্বৰ সময়ত ধ্বংস প্ৰায় হোৱা বাটপথবোৰৰ এক বৃহৎ কাৰ্য সম্পাদন হ'ল।

২। গুৱাহাটীত দুখন ফ্লাই ওভাৰ নিৰ্মাণ কৰি উলিওৱাত অসমৰ একমাত্ৰ মহানগৰী খনৰ যানজোটৰ সমস্যাৰ কিছু সমাধান কৰা হ'ল।

৩। নতুন নতুন স্থানলৈ ১৬০ টা নতুন পথত বাছ সেৱাৰ প্ৰৱৰ্ত্তন কৰা হ'ল।

৪। ভাৰতৰ দূৰৰ ৰাজ্য বোৰলৈ আৰু দিল্লীলৈ যাবলৈ যাত্ৰীৰ সুবিধাৰ বাবে নতুন বেগী ৰেল গাড়ী প্ৰৱৰ্ত্তন কৰা হ'ল।

৫। বিমান সেৱাৰ ভালেখিনি উন্নতি সম্ভৱ কৰা হল।

৬। টেলিফোনৰ ব্যৱস্থা অধিক উন্নত কৰা হয়।

৭। ৮ ম পৰিকল্পনাত ৰাজ্যখনৰ যাতায়তৰ উন্নতি কল্পে এক বৃহৎ সংযোজন ঘটোৱাৰ বাবে তলত উল্লেখ কৰা বিষয় কেইটাত প্ৰাধান্য আদায় কৰা হয়।

ক) যোগীঘোপা পঞ্চৰত্নত নৰ নাৰায়ন সেতু নিৰ্মাণৰ বাবে ৩৫০ কোটি টকা ধাৰ্য্য কৰা।

খ) ডিব্ৰুগড়লৈ ব্ৰডগজ ৰেল সম্প্ৰসাৰণৰ বাবে ২০০ কোটি টকাৰ আবন্টন লাভ কৰা।

গ) লামডিং শিলচৰলৈ ব্ৰডগজ ৰেলৰ সম্প্ৰসাৰণৰ বাবে ২০০ কোটি টকাৰ আৱন্টন।

ঘ) বগীবিলত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ বাবে ১০০ কোটি টকাৰ আবন্টন।

ঙ) দূৰদৰ্শনৰ অসমীয়া বাতৰি প্ৰচাৰৰ সকলো ঠাইলৈ সম্প্ৰসাৰণ কৰা কামবোৰ কম গুৰুত্বপূৰ্ণ বিষয় নহয়।

১০। জনজাতি আৰু পিচপৰা শ্ৰেণীৰ লোকৰ কল্যাণৰ বাবে সম্পাদিত কাম ঃ

১। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ সময়ত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ কৰামতে চাকৰিৰ অগ্ৰাধিকাৰৰ যি নিয়ম তাক পালন নকৰাবাবে এক বৃহৎ পৰিমাণৰ ঘাটি বৈ গৈছিল। অগপ চৰকাৰে তেনে ঘাটীবোৰ পূৰণ কৰে। ক) নিযুক্তি প্ৰায় সম্পূৰ্ণ কৰে আৰু খ) পদোন্নতিৰো ব্যৱস্থা কৰে।

২) অসমৰ অন্যান্য পিচপৰা সম্প্ৰদায়ৰ বাবে থকা অতিৰিক্ত সংৰক্ষণ নীতি সঠিকভাবে ৰূপায়ন কৰা হয়।

৩) ভৈয়াম আৰু পাৰ্বত্য এলেকাৰ জনজাতি সকল আৰু আৰু অনুসূচীত জাতিৰ লোক সকলৰ কল্যাণৰ বাবে অতিৰিক্ত ২৫ শতাংশ ধন ব্যৱহাৰ কৰি এক নিদৰ্শন ভাঙি ধৰা হয় কিয়নো পূৰ্বৰ চৰকাৰে তেনে সুস্থ নীতি পালনকে নকৰিলে।

৪) গুবাহাটীৰ জনজাতি জিৰণি ঘৰৰ সম্পূৰ্ণ সংস্কাৰ সাধন কৰা হয়।

৫। চাহ জনজাতি ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতিখন জিলাতে আৱাস গৃহ নিৰ্মাণৰ বাবে মাটিৰ আৱন্টন কৰা হয়।

৬। ভূমিহীন জনজাতিৰ আৰু প্ৰাক্তন চাহ শ্ৰমিকক ভূমিৰ পট্টন দিয়া হয় আৰু গৃহ নিৰ্মাণৰ বাবে অনুদান আগবঢ়োৱা হয়।

৭। জনজাতি আৰু অনুসূচীত জাতিৰ মহিলা সকলক তাঁতশাল আৰু সূতা বিনামূলীয়াকৈ যোগান ধৰা হয়।

৮। অনুসূচীত জনজাতি আৰু অনুসূচীত জাতিৰ লোকৰ পৰা এক বৃহৎ পৰিমাণৰ লোকক আৰক্ষী হিচাবে নিযুক্তি দিয়া হয়।

১১। উদ্যোগ ক্ষেত্ৰত সম্পাদন কৰা কামবোৰ ঃ

১। ৭ খন জিলাত উদ্যোগ পাম প্ৰতিষ্ঠা কৰা হয়।

২। ৭ টা জিলা উদ্যোগ কেন্দ্ৰ স্থাপন কৰা হয়।

৩। ১০৬ টা মজলীয়া আৰু বৃহৎ উদ্যোগ স্থাপন কৰা হয়।

৪। ৯৩৭৯ টা ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰা হয়।

৫। ৬৮৯১ টা হস্ত তাঁত উদ্যোগ প্ৰতিষ্ঠা কৰা হয়।

৬। ৪ টা স্পিনিং মিল স্থাপন কৰা হয়।

৭। আমিনগাঁৱত চাহ নগৰী স্থাপন কৰা হয়।

৮। অশোক কাগজকল আৰু শিলঘাটৰ মৰাপাট কল পুনৰজীৱিত কৰিবলৈ ব্যৱস্থা লোৱা হয়।

৯। প্ৰাকৃতিক গেছ আৰু পেট্ৰোলজাত সামগ্ৰীৰ বৃহৎ উদ্যোগ স্থাপন কৰাৰ প্ৰকল্প কেন্দ্ৰৰ পৰা আদায় কৰা হয়। গেছ ক্ৰেকাৰ প্ৰকল্প, গেছ ভিত্তিক বিদ্যুৎ উৎপাদন, নতুন শোধানাগাৰ স্থাপন, পুৰণি শোধানাগাৰৰ সম্প্ৰসাৰণৰ বাবে কেন্দ্ৰৰ প্ৰতিশ্ৰুতি আদায় কৰা হয়। ৮০০০ তকৈয়ো অধিক কোটি টকাৰ কেন্দ্ৰীয় বিনিয়োগৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত উদ্যোগ খণ্ডৰ প্ৰতি আগ্ৰাহান্বিত কৰিবলৈ কৰ্মশালাৰ আয়োজন কৰি নিয়োগৰ ক্ষেত্ৰত এক বিপ্লবৰ সূচনা কৰিব পৰা হৈছিল।

১০। অসমৰ উদ্যোগলৈ ৫০ শতাংশ ৰেহাই মূল্যত গেছ যোগান কেবল অগপ চৰকাৰৰ দিনতহে সম্ভৱ হৈছিল।

১১। অগপৰ দিনত ৰাজ্য চৰকাৰে পোন প্ৰথমবাৰৰ বাবে ২৬ শতাংশ অংশ গ্ৰহণৰ জৰিয়তে শোধানাগাৰ স্থাপনৰ সিদ্ধান্ত আছিল এক দিক্‌দৰ্শী পদক্ষেপ।

১২। অন্যান্য সাফল্যৰ তালিকা ঃ

১। সোঁৱনশিৰিৰ বান্ধ প্ৰকল্প, টিপাইমুখ আৰু পগলাদিয়া প্ৰকল্প আদায় কৰিবলৈ কেন্দ্ৰৰ ওপৰত হেচা প্ৰয়োগ কৰি কেন্দ্ৰক নীতিগত ভাবে মনাব পৰা গৈছে।

২। বানপানীৰ কৰাল গ্ৰাসৰ পৰা ৰাজ্যখনক মুক্ত কৰিবলৈ ইয়াক এক ৰাষ্ট্ৰীয় সমস্যা হিচাবে গ্ৰহণ কৰিবলৈ নিৰৱিচ্ছিন্ন প্ৰচেষ্টা অব্যহত ৰখা হৈছে।

৩। বানপানীত আক্ৰান্ত লোকক যুদ্ধকালীন তৎপৰতাৰে সাহায্য বিতৰণ কৰি ভয়ানক অৱস্থাৰ উপশম কৰা হৈছে।

৪। বন্যজন্তু বানপানীত উটি গৈ মৃত্যু মুখত নপৰাকৈ ৰাখিবলৈ মাটিৰ ওখ ঢাপ বনাই দিয়া হৈছে।

৫। শঙ্কৰদেৱ কলাক্ষেত্ৰ স্থাপন কৰি সংস্কৃতিক বৰঘৰ নিৰ্মাণ কৰা হৈছে।

৬। শঙ্কৰদেৱ বঁটাৰ প্ৰচলন কৰি সাহিত্যিকক সন্মান জনোৱা হৈছে।

৭। আনন্দৰাম বৰুৱা ভাষা সংস্কৃতি গবেষণা কেন্দ্ৰ স্থাপন কৰা হৈছে।

৮। কেইবাটাও নাট্যমন্দিৰ আৰু প্ৰেক্ষাগৃহ সাজি দিয়া হৈছে আৰু উন্নতি বিধান কৰা হৈছে।

৯। দ্বাদশ শ্ৰেণীলৈ ছাত্ৰীৰ মাচুল ৰেহাই দি স্ত্ৰীশিক্ষাক আগুৱাই নিয়া হৈছে।

১০। নুন্যতম মজুৰী আইনৰ আধাৰত মজুৰীৰ পৰিমান বৃদ্ধি কৰা হৈছে।

১১। বৃদ্ধ-বৃদ্ধাৰ বাবে বিনামূলীয়া বাছৰ সেৱা আগবঢ়োৱা হৈছে।

১২। পেঞ্চনৰ হাৰ বৃদ্ধি কৰা হৈছে আৰু পেঞ্চন সঞ্চালকালয় স্থাপন কৰা হৈছে।

১৩। বান বিধ্বস্ত এলেকাত কৃষি ঋণ আৰু মাটিৰ খাজনা ৰেহাই দিয়া হৈছে।

১৪। চাহ বনুৱাৰ দীৰ্ঘ দিনীয়া সমস্যা যেনেঃ মজুৰি, শিক্ষা, চিকিৎসা, বাসগৃহ, খোৱাপানী, নিয়মীয়া ৰেচন, আদিক সঠিকমতে যোগানৰ বাবে বাগানৰ মালিক পক্ষক সৈমান কৰাই আইন সংশোধন কৰা হৈছে।

১৫। পুৰুষ মহিলাৰ মজুৰি সমান কৰা হয়।

১৬। দুখীয়া ৰোগীৰ চিকিৎসাৰ বাবে আৰ্থিক অনুদানৰ ব্যৱস্থা কৰা হয়।

১৭। দৰমহা আয়োগ গঠন কৰি কৰ্মচাৰীৰ দৰমহা বৃদ্ধি কৰা হয়।

১৮। চাকৰিৰ বাবে বয়সৰ উৰ্দ্ধসীমা ৩৬ বছৰলৈ বৃদ্ধি কৰা হয়।

১৯। নিৰ্যাতিত আৰু পঙ্গু হোৱা লোকৰ বাবে চাকৰিৰ ব্যৱস্থা কৰা হয়।

২০। কাৰাগাৰ সমূহৰ উন্নতি সাধন কৰা হয়।

২১। খিলঞ্জীয়া লোকৰ খেতিৰ মাটি খেতিৰ বাহিৰে অন্য কামত ব্যৱহাৰ কৰিব নোৱাৰাকৈ হস্তান্তৰ নিষিদ্ধ কৰা হয়।

২২। মাত্ৰ ৫ বছৰৰ ভিতৰতে ৪০ টা অতিৰিক্ত উন্নয়ণ খণ্ড স্থাপন কৰা হয়।

২৩। ভালেমান সৰ্বভাৰতীয় সেৱাৰ বিনিয়োগ কেন্দ্ৰ অসমলৈ স্থানান্তৰ কৰোৱা হৈছে আৰু স্থানীয় যুৱকৰ কৰ্মসংস্থানৰ দিহা কৰা হৈছে।

ইয়াৰ বাহিৰেও পূৰ্বৰ চৰকাৰৰ দিনত সম্ভৱ নোহোৱা ভালেমান কাম অগপৰ আঞ্চলিক দলৰ চৰকাৰে সম্ভৱ কৰিছে।

আঞ্চলিক ৰাজনৈতিক দল অগপই মূল লক্ষ্য আহৰণ কৰিব নোৱাৰিলে ঃ

অগপ এই আঞ্চলিক ৰাজনৈতিক দলটো যি প্ৰধান পটভূমিত গঠন কৰা হৈছিল সেয়া অবৈধ বিদেশী নাগৰিকৰ চিনাক্ত কৰণ কৰা, ভোটাৰ তালিকাৰ পৰা নাম কৰ্ত্তন কৰা আৰু বহিষ্কাৰ কৰা। কেন্দ্ৰীয় চৰকাৰৰ পক্ষপাতিতাৰ বাবে আৰু সৰ্বভাৰতীয় দলৰ ভোটৰ অংকত ঘাটী পৰাৰ শংকা থকা বাবে অগপ চৰকাৰে এটা বৃহৎ সমস্যা সমাধান কৰিব নোৱাৰিলে। এইটো নিসন্দেহে কব পাৰি যে এই আঞ্চলিক দলটোৰ নিজস্ব দুৰ্বলতাৰ এক প্ৰধান কাৰণ। চুক্তি ৰূপায়ণ কৰোতে যিটো মাৰাত্মক ভুল কৰা হ'ল তাক আৰু শুধৰাব পৰাৰ কোনো

সম্ভাৱনাই নাই। চুক্তিৰ আধাৰত বিদেশী নাগৰিকক ভাৰতীয় নাগৰিক কৰিব পৰা ব্যৱস্থা ভাৰতীয় সংবিধানত নাই আৰু সংবিধান উলংঘা কৰি নাগৰিকত্ব প্ৰদান কৰাৰ ক্ষেত্ৰত ভাৰতৰ সৰ্বোচ্চ ন্যায় পালিকাই নিৰ্দেশ দিয়াটো অত্যন্ত জৰুৰী যাতে ইচ্ছা কৰিলেই বিদেশী নাগৰিকক ভাৰতীয় নাগৰিক কৰিব নোৱাৰি। এই ক্ষেত্ৰত আই এম (ডি. টি.) আইন, ১৯৮৩ চনত যেনেকৈ এক প্ৰতিবন্ধক, আনহাতে অন্য আইনবোৰ প্ৰয়োগ কৰাৰ বাবে কোনো "মৰেটৰিয়াম"ৰ ব্যৱস্থা যিহেতু লোৱা হোৱা নাই সেইবাবে বিদেশী নাগৰিক চিনাক্ত কৰণ কৰাটো একো সমস্যাই হব নালাগিছিল। এয়া এক ৰাজনৈতিক দুৰ্বলতা আৰু অদূৰদৰ্শিতা যাৰ বাবে ৰাজ্যখনে মূল্য দিবলৈ বাধ্য হৈছে আৰু অধিক মূল্যৰ বাবে সাজু থকা দৰকাৰ হব।

সাফল্যৰ প্ৰমাণ পত্ৰ কেনেকৈ নিৰ্ণয় কৰা হ'ব ঃ

যিকোনো সাধাৰণ জ্ঞান থকা আৰু ৰাজনৈতিক চেতনাযুক্ত লোকে অতি সহজে বুজি পাব যে স্বাধীনোত্তৰ অসমৰ প্ৰায় প্ৰথম ৪০ বছৰমান ৰাজ্যখনৰ (১) অৰ্থনীতি স্থবিৰ হৈ থাকিল (২) ৰাস্তাঘাট বাটপথ দলং মান্ধাতা আমোলৰ, গৰু গাড়ীৰ চলাচলৰ বাবেও অযোগ্য হৈ ৰ'ল (৩) বিদ্যালাভৰ প্ৰকৃত পথ মুকলি নহ'ল (৪) কেন্দ্ৰৰ মুখৰ ফালে চাই থকা আৰু পুতৌৰ বাবে অপেক্ষা কৰা পৰাধীনতাৰ মনোবৃত্তিৰ বিশেষ সলনি নহ'ল (৫) ৰাজ্যৰ সীমা সংকুচিত কৰাৰ উদগ্ৰ প্ৰৱনতাক এক ৰাজনৈতিক ষড়যন্ত্ৰ হিচাবে পৰিকল্পিতভাবে য'ৰ পানী দি সজীৱ কৰি ৰখা হ'ল (৬) লক্ষ লক্ষ অবৈধ বিদেশী নাগৰিকে ৰাজ্যখনৰ জনগাঁথনি, ভাষা সংস্কৃতি, পৰম্পৰা সম্পূৰ্ণৰূপে সলনি কৰিবলৈ সক্ষম হ'ল (৭) ৰাজনীতিত অকল্পনীয় প্ৰভাব পৰিব পৰাকৈ সন্দেহযুক্ত ভোটাৰৰ সংযোজন হ'ল (৮) প্ৰচণ্ড জনস্ৰোতৰ হেঁচাত স্থানীয় সকলো শ্ৰমজীৱী, কৃষিজীৱীয়ে আনৰ ওপৰত আত্মসমৰ্পন কৰিবলৈ বাধ্য হ'ল (৯) শাৰীৰিক শ্ৰমক মৰ্যাদাবিহীন কৰি শ্ৰমবিমুখ কৰিবলৈ, এটা অত্যন্ত নিম্নমানৰ যোগ্যতাৰে চাকৰিমুখী প্ৰৱনতাৰে এটা জীয়া শক্তিশালী নৈতিক পঙ্গু কৰি পেলোৱা হ'ল। (১০) জনগণৰ প্ৰতিনিধি বুলি বিধায়ক, সাংসদ মন্ত্ৰীয়ে সমাজৰ সকলো শ্ৰেণীৰ লোকক নিজে কোনো ত্যাগৰ আদৰ্শ প্ৰদৰ্শন নকৰাকৈ কেৱল পৰামৰ্শ আগবঢ়োৱা এটা নীতি প্ৰৱৰ্ত্তন হৈ গ'ল (১১) অত্যন্ত নিম্ন মানৰ লোকে ৰাজনীতিত ভিৰ কৰা বাবে সকলো প্ৰকাৰৰ দুৰ্নীতিক প্ৰশ্ৰয় দি জনগণ বিৰোধী কাৰ্যকলাপ সংঘটিত কৰিবলৈ মুঠেও কুণ্ঠাবোধ নকৰা হ'ল (১২) অসমৰ প্ৰাকৃতিক সম্পদবোৰক ৰাজ্যখনৰ অৰ্থনীতি গঢ়াত ব্যৱহাৰ কৰিব পৰা নহ'ল (১৩) কোনো ধৰণৰ ভৱিষ্যৎ দৰ্শন নোহোৱা বাবে উপযুক্ত পৰিকল্পনা কাৰ্যত ৰূপায়ণ কৰিব পৰা যোগ্য ৰাজনীতিবিদ তৈয়াৰ নহ'ল আৰু (১৪) ভোগ সৰ্বস্ব জীৱন নিৰ্বাহ কৰিবলৈ এক আদৰ্শ আৰু ত্যাগ বিহীন কমসংস্কৃতিৰ বাবে ৰাজ্যৰ ৰাজনীতি নিকৃষ্টমানৰ হৈ থাকিল।

এই অৱস্থাত ৰাজনীতি আৰু ৰাজনৈতিক প্ৰশাসনৰ সহায়ত ৰাজ্যখনৰ বিকাশ সাধন কৰা যে টান কাম তাক সহজে অনুমান কৰিব পাৰি। এক সুদীৰ্ঘ বৃহৎ আন্দোলনে ৰাজ্যখনত বিপ্লৱী সত্তাৰ সহায়ত ৰাজনীতি কৰিবলৈ আঞ্চলিক দল অসম গণ পৰিষদক এটা সুযোগ আনি দিছিল; কিন্তু আশা কৰা ধৰণে সকলো দিশতে যে সাফল্য লাভ কৰিব নোৱাৰিলে তাক যি কোনো বুদ্ধিমান লোকে অনুভৱ কৰিব পাৰিব। ইয়াৰো মূল কাৰণ হ'ল আঞ্চলিক দলৰ কৰ্মী সকলৰ সৰহভাগৰে মনোবৃত্তি সেৱাৰ আৰু ত্যাগৰ নহয়, বৰং ভোগৰ হোৱা বাবে এই দলৰ চৰকাৰেও বহুতো বিষয়ত আপোচ কৰিলে। জনসাধাৰণে স্থাপন কৰা আস্থাত খহনীয়া আৰম্ভ হ'ল। নিজস্ব আকাংক্ষা পূৰণৰ বাবে মূল বিষয়বোৰ এওঁলোকে নিয়ন্ত্ৰণ কৰিবলৈ, ক্ষমতাৰ ভিতৰলৈ আনিবলৈ বৃহৎ পদক্ষেপ লব নোৱাৰিলে। তথাকথিত শিক্ষিত সকলে চাকৰিৰ বাবে, ব্যৱসায়ীয়ে নিজৰ মুনাফাৰ বাবে, ধূৰন্ধৰ তোষামোদকাৰীয়ে নিজৰ ভাগ্য নিৰ্ণয়ৰ বাবে এওঁলোকক ইমানেই হেঁচা প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰিলে যে ৰাজ্যখনৰ সামগ্ৰিক বিকাশৰ বাবে আচল ভেটি নিৰ্মাণ কৰাত বহুলাংশে ব্যৰ্থ হ'ল আৰু ষড়যন্ত্ৰকাৰীয়ে এওঁলোকক ভুল কৰিবলৈ উদগনি যোগালে। দলীয় অন্তৰ্কলহ আৰম্ভ হল আৰু নেতৃত্বৰ মাজত বিৰোধ প্ৰকট কৰি তোলা হ'ল। তাৰ ফল অনিবাৰ্য হৈ পৰিল। ভুতৰ-ওপৰত দানহ পৰাদি পাঁচ বছৰীয়া শাসনকাল অন্ত পৰাৰ এমাহ আগতে ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন জাপি দিয়া হ'ল।

৯ (ক)

অসমাপ্ত সংগ্ৰাম ঃ অগপৰ বিভাজন ঃ ন অগপৰ জন্মলাভ

অগপৰ শাসন কালত লাভ কৰা সাফল্যক সৰ্বভাৰতীয় দল কংগ্ৰেছে সহজভাবে লব পৰাৰ কোনো কাৰণ থকিব নোৱাৰে। প্ৰায় চাৰি দশক কাল শাসনৰ গাদী দখল কৰা দলে অগপক সহজে বাট এৰি দিবনে? অস্থিৰতা বৃদ্ধি পালে। সামান্য অজুহাত উলিয়াই ল'লে। ১৯৯০ চনৰ ২৭ নবেম্বৰত ৰাষ্ট্ৰপতিৰ শাসন ৰাতিতেই প্ৰৱৰ্ত্তন কৰিলে। অগপ দলৰ শাসন কাল পাচ বছৰ সম্পূৰ্ণ কৰিবলৈ এমাহতকৈয়ো কম সময় আছিল। ৰাষ্ট্ৰপতিৰ শাসন বলবৎ নকৰিলে অগপৰ তত্বাবধায়ক চৰকাৰৰ দ্বাৰা নিৰ্বাচন অনুষ্ঠিত হ'ব। সেইটো কেন্দ্ৰীয় চৰকাৰে নিবিচাৰিলে। কাৰণবোৰ বিচাৰিবলে দূৰলৈ যাব নালাগে। দলীয় কন্দলে দলৰ মজিয়া উত্তপ্ত কৰি ৰাখিছেই। ১৯৯১ চনৰ নিৰ্বাচনৰ আগে আগে অগপ দলটো ভাগি দুটুকুৰা হ'ল। অসমবাসীৰ মূৰত যেন উতলা পানী ঢালি দিয়াৰ দৰে হ'ল। এই বিভাজন কোনো নীতি আৰু আদৰ্শৰ ওপৰত নিৰ্ভৰ কৰি হোৱা নাছিল। ব্যক্তিগত আকাংক্ষাৰ এক উদগ্ৰ বাসনা এই বিভাজনৰ মুখ্য কাৰণ। মুখ্যমন্ত্ৰী যদি প্ৰফুল্ল কুমাৰ মহন্ত হ'ব পাৰে, সমপৰ্যায়ৰ অন্য নেতাও আছে। দাবী কৰাত আপত্তি থাকিব নোৱাৰে। প্ৰক্ৰিয়াও সংবিধানত লিপিবদ্ধ আছে। তাৰ আশ্ৰয়ত কৰিব নোখোজে। দলটো ব্যক্তিগত আক্ৰোশৰ বাবে ফালি থাকিল । অসম আন্দোলনত ৮৫৬ জন লোকে জীৱন উছৰ্গা এনেয়ে কৰা নাছিল, কৰিছিল অসম মাতৃৰ ওপৰত হোৱা ছদ্মবেশী বিদেশীৰ আক্ৰমন প্ৰতিহত কৰি ৰাজ্যখনৰ অস্তিত্ব সুনিশ্চিত কৰাৰ বাবে।

সুবিধা পালে বা সুবিধা উলিয়াই লব পাৰিলে মুখ্যমন্ত্ৰী হোৱাৰ বাসনা বহু ৰাজনীতিকৰে আছে। অগপক ফালি লব পাৰিলে প্ৰফুল্ল মহন্তৰ সলনি অন্য এজনৰ সুযোগ হব বুলি এক দুৰাকাংক্ষাক প্ৰতিপালন কৰা হ্‌ল। এসময়ৰ পৃথিৱীবিখ্যাত আন্দোলনৰ অংশীদাৰেই মহন্তৰ বিৰুদ্ধাচৰণ কৰি দলটো দুভাগ কৰিলে। ৰাতিৰ ভিতৰতে সংবিধান প্ৰণয়ন কৰি উলিওৱা হ'ল। গুৱাহাটী মহানগৰ অগপৰ সভাপতি তেতিয়া এই প্ৰতিবেদক। পয়ত্ৰিশ খন জিলা সমিতিৰ সভাপতি-সম্পাদকে ভৃগুকুমাৰ ফুকনৰ বাস ভৱনলৈ শোভাযাত্ৰা কৰি তেখেতক দলৰ বিভাজন নঘটাবলৈ অনুৰোধ জনোৱা হৈছিল। তাৰ পৰিণতি হৈছিল পানবজাৰ পুলিচ লকআপত আমাক আবদ্ধ কৰি ৰখাৰ ব্যৱস্থা। জাতীয়তাবোধৰ পৰিভাষা আমাৰ যেন আজিও বোধগম্য হোৱা নাই তেনে লাগে। ন অগপ নবজাত শিশুটোৰ লগত হয়তো

শনিৰ কোপ দৃষ্টি। এজন আগশাৰীৰ নেতা দীনেশ গোস্বামীৰ পথ দুৰ্ঘটনাত অকাল মৃত্যু ঘটিল। নিৰ্বাচনত ন অগপই চাৰিখন আৰু অগপই ২১ খন আসনহে মাত্ৰ লাভ কৰি জাতিৰ সৰ্বনাশ কৰা কংগ্ৰেছ দলকে পুনৰ শাসনত অধিষ্ঠিত কৰিলে। কোন সেই ভোটদাতা সকল অসমবাসীয়ে এবাৰো ভাবি নাচাবনে? অসমলৈ নামি আহিল অন্ধকাৰৰ কলিয়া ডাবৰ।

পৰবৰ্ত্তী পাঁচ বছৰত (১৯৯১ - ১৯৯৬) কাল কংগ্ৰেছৰ শাসন। এই সময়ছোৱাক সেই সময়ৰ প্ৰচাৰ মাধ্যমে অন্ধকাৰ যুগ বুলি আখ্যা দিছিল। কেন্দ্ৰত সাংসদ কিনাবেচা কৰা দুৰ্নীতি পৰায়ন বুলি খ্যাতি লাভ কৰা পি. ভি. নৰসিংহ ৰাও প্ৰধানমন্ত্ৰী। তেখেতক ফৌজদাৰী গোচৰত অভিযুক্ত কৰা হৈছিল। ১৯৯২ চনৰ ৬ ডিচেম্বৰৰ বাব্‌ৰী মছজিদ ধ্বংস কাৰ্যৰ বাবেও তেখেতক কঠোৰভাবে সমালোচনা কৰা হৈছিল। কংগ্ৰেছ আমোলত অসমত এই সময়চোৱাত দুৰ্নীতিৰ কোনো সীমা নাছিল বুলি প্ৰচাৰ মাধ্যম সৰৱ আছিল। প্ৰতিদিনে হত্যা লুণ্ঠনৰ বাতৰিয়ে জীৱন দুৰ্বিষহ কৰি তুলিছিল। মানুহ দিনতে ওলাবলৈ ভয় কৰিছিল। কেউফালে কেবল নৰসংহাৰৰ বাতৰি। অৰ্থনীতি পুনৰ চূড়মাৰ কৰি পেলোৱা দেখা গৈছিল। আগৰ পাঁচ বছৰৰ সকলো পৰিকল্পনা, আঁচনি আৰু আৰম্ভ কৰা কামবোৰ সম্পূৰ্ণ কৰাৰ সলনি তাক এনে অৱস্থাপ্ৰাপ্ত কৰা হৈছিল যে জনসাধাৰণে কক্‌বকাবলৈ আৰম্ভ কৰিছিল। বয়বস্তুৰ মূল্য বৃদ্ধিয়ে সাধাৰণ মানুহক কোঙা কৰি পেলাইছিল। ৰাষ্ট্ৰীয় ঘাইপথ হালবোৱা পথাৰ সদৃশ হৈছিল। দুৰ্নীতি ভ্ৰষ্টাচাৰ সীমাহীন হৈছিল। প্ৰায় নৈৰাজ্য অৱস্থাৰ প্ৰৱৰ্ত্তন হৈছিল। অফিচ কাছাৰীত টকা পইচাৰ লেনদেন নকৰাকৈ কোনো কাম নিসিজা হৈছিল। শিক্ষকক বেচা কিনা কৰাৰ পদ্ধতি আৰম্ভ হৈ গ'ল। এই সময়চোৱাতে এক বিশেষ শ্ৰেণীৰ দালালৰ সহায়ত অবৈধ প্ৰব্ৰজনে পুনৰ গা কৰি উঠিল। ভাতৃঘাতী সংঘৰ্ষই নতুন ৰূপ ধাৰণ কৰিলে। হেজাৰ হেজাৰ লোক মৃত্যুৰ মুখত পৰিল। কোকৰাঝাৰ গোঁসাইগাঁৱত ধ্বংস লীলা সংঘটিত কৰোৱা হ'ল। সংৰক্ষিত বনাঞ্চল ধ্বংস কৰা হ'ল। সন্ত্ৰাসবাদে নতুন মাত্ৰা লাভ কৰিলে। ৰাজ্যখন বিভীষিকাময় অৱস্থাত উপনীত হ'ল। এইখন অসমৰ পুনৰ নিৰ্মাণ কাৰ্য প্ৰায় অসম্ভৱ কৰি পেলোৱা হ'ল। কেউফালে কেবল বিক্ষোভৰ অগনি। মানুহে এটা পৰিবৰ্ত্তন বিচাৰিবলৈ বাধ্য হৈ পৰিল। বিৰোধী পক্ষৰ দলপতি প্ৰফুল্ল কুমাৰ মহন্ত। প্ৰবল প্ৰতিৰোধ গঢ়িবলৈ সদস্য সংখ্যা কম। এটা সংগ্ৰামৰ সংকল্প ভয়ানকভাৱে ক্ষতিগ্ৰস্ত হ'ল। অসমাপ্ত সংগ্ৰামক কোনে নেতৃত্ব দিব? আভ্যন্তৰিক বিৰোধ যে থাকি গ'ল তাত কোনো সন্দেহ নাই। প্ৰথম পাঁচ বছৰৰ সাফল্যত অসমবাসী সন্তুষ্ট হ'ব নোৱাৰিলে। অগপৰ পৰা যিমান আশা কৰিছিল সেই সমস্যাটোৰ সমাধান কৰিব বুলি খুব আশা কৰিছিল। ৰাজনীতি কেৱল পাঁচ বছৰতে সম্পূৰ্ণ নহয়। কঠিন কাম সম্পাদন কৰাৰ বাবে সময় লাগে, বিশেষকৈ যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ সহযোগ অত্যন্ত জৰুৰী। অসমাপ্ত সংগ্ৰামৰ সফলতাৰ বাবে সঘনে নেতাৰ সলনি কৰিব পাৰি বুলি বিশ্বাস নকৰো।

(খ) অসমাপ্ত সংগ্ৰাম ঃ জাতীয় চেতনাৰ প্ৰধান অন্তৰায়

অগপ নেতৃত্বধীন মৰ্চা চৰকাৰ গঠন ঃ অসমৰ এক জাতীয় আন্দোলনৰ পৰিসমাপ্তি আবদ্ধ হৈছিল ১৯৮৫ চনৰ ১৫ আগষ্টৰ এখন চুক্তিত। ভাৰতীয় স্বাধীনতাই যেনেকৈ আজিও কোটি কোটি ভাৰতবাসীক আশ্বস্ত কৰিব পৰা নাই, ই কোনে স্বাধীনতা, অসমৰ জাতীয় আন্দোলনৰ পটভূমিত সৃষ্টি হোৱা আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদেও অসম বাসীক বুজাব পৰা নাই কেনে কাম সম্পাদন কৰিবলৈ এই দলৰ সৃষ্টি কৰা হৈছিল। ১৯৮৫ চনৰ নিৰ্বাচনে এই ইঙ্গিত স্পষ্টভাৱে দিছিল যে আঞ্চলিক ৰাজনৈতিক দলক অসমৰ এক বৃহৎ সংখ্যক লোকে সমৰ্থন নকৰে নিজৰ ভবিষ্যতৰ সুৰক্ষা অনিশ্চিত কৰিবলৈ। সেইবাবে এটা বৃহৎ আন্দোলন সমাপ্ত হোৱাৰ পিছতো ১৯৮৫ চনৰ সাধাৰণ নিৰ্বাচনত অগপই সংখ্যা গৰিষ্ঠ আসন লাভ কৰিব নোৱাৰিলে। চৰকাৰ গঠন কৰাৰ পিছত মন্ত্ৰী বিধায়ক সকলে ব্যক্তিগত আকাংক্ষাৰ বাবেই ৰাজনীতিত অনভিজ্ঞ এই লোক সকলে বৃহৎ স্বাৰ্থ ৰক্ষা কৰা কৌশলবোৰ লব নোৱাৰিলে আৰু দলৰ মাজত ব্যক্তি সংঘাত এক অভিশাপ হৈ গ'ল। এশিকনি ভালকৈয়ে অসমবাসীয়ে দলটোক দিলে; কিন্তু অসমৰ ভবিষ্যতৰ কথা বৰকৈ চিন্তা নকৰিলে। দল দুভাগ হোৱাত জনগণে অগপক প্ৰায় প্ৰত্যাখ্যান কৰিলে। অসম পুনৰ ধ্বংসৰ গৰাহলৈ নামি গ'ল।

প্ৰকাশ আৰু প্ৰচাৰ মাধ্যমে জাতিৰ শত্ৰু নিৰ্বাচন কৰি দুয়ো খণ্ড অগপক কঠোৰ পৰিশ্ৰম কৰি লগ লগাত ভূমিকা পালন কৰিলে; কিন্তু ফাট সম্পূৰ্ণৰূপে মসৃণ নহ'ল বাবে অন্তৰ্কলহ চলি থাকিল। আনহাতে ৰাজনৈতিক দলৰো কোনবোৰ প্ৰধান শত্ৰু বা মিত্ৰ তাক নিৰ্বাচন কৰিবলৈ জনা গৈছিল যে কংগ্ৰেছক চৰকাৰ গঠনৰ পৰা বিৰত ৰাখিবলৈ হ'লে আৰু অগপ নেতৃত্বাধীন চৰকাৰ গঠন কৰিবলৈ হ'লে এখন সীমিত কাৰ্যসূচী প্ৰস্তুত কৰি অন্য দলৰ সৈতে নিৰ্বাচন খেলিলেহে সম্ভৱ হ'ব পাৰে আৰু অগপই অকলে চৰকাৰ গঠন কৰা অসম্ভব। এনে পৰামৰ্শই কাম নিদিয়া নহয়; কিন্তু দলটোৰ দুৰ্বলতা অধিক প্ৰকট হৈ পৰিল। অগপ দলটোক জনসাধাৰণৰ কাষ চপাবলৈ ব্যৰ্থ হোৱাৰ কাৰণবোৰ দলৰ মজিয়াত সুস্থিৰ ভাবে বিশ্লেষণ কৰি নল'লে। ক্ষুদ্ৰ স্বাৰ্থ, ন্যস্ত স্বাৰ্থ, তোষামোদকাৰীৰ প্ৰভাবত ভালেমান দলীয় নেতাৰ জাতীয়তাবোধ সন্দেহজনক হৈ পৰিছিল। তথাপি প্ৰয়াত হিতেশ্বৰ শইকীয়াৰ মৃত্যুৱে আৰু তেখেতে কৰি যোৱা সীমাহীন অপকৰ্মৰ বাবে ১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনে অগপক আকৌ এবাৰ ৰাজ্য শাসনৰ সুযোগ দিলে। এই সময়চোৱাতে পোন প্ৰথমবাৰৰ

বাবে ৰাজ্যখনে ভালেখিনি কেন্দ্ৰীয় সম্পদৰ ভাগ পাবলৈ সক্ষম হয়। তাৰো মূল কাৰণ আছিল সেই নিৰ্বাচনত জিকি যোৱা পাঁচগৰাকী সাংসদৰ প্ৰচুৰ প্ৰযত্নৰ ফল স্বৰূপে। অৱশ্যে প্ৰধানমন্ত্ৰী এইচ. ডি. দেৱেগৌড়া আৰু আই. কে. গুজৰাল ভাওৰীয়া প্ৰধানমন্ত্ৰী হিচাবে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰগতিৰ সমৰ্থক আছিল।

অগপ নেতৃত্বাধীন মৰ্চা চৰকাৰৰ কৃতকাৰ্যতা : অসম আন্দোলন আৰু অসম চুক্তি সম্পাদনৰ ক্ষেত্ৰত

অসমৰ জাতীয় অস্তিত্ব ৰক্ষা আন্দোলনৰ পটভূমিত যি আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰতিষ্ঠা কৰা হৈছিল সেইটো দলে অসমৰ জনগণক অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত আৰু কেন্দ্ৰীয় চৰকাৰৰ সুদীৰ্ঘ কালৰ প্ৰৱঞ্চনাৰ বিপৰীতে কিবা কৃতকাৰ্যতা আহৰণ কৰিব পাৰিলে নে নাই নিৰপেক্ষ ভাবে বিচাৰ কৰি চোৱা উচিত হব। কোৱাই বাহুল্য যে পূৰ্বৰ প্ৰায় ৪০ বছৰীয়া কংগ্ৰেছী শাসন কালত ৰাজ্যখনৰ বিকাশৰ বাবে লগা যি কাঠামো তৈয়াৰ হ'ব লাগিছিল তাক একোৱে কৰা নহ'ল। ৰাজ্যখনৰ সমৃদ্ধি ৰচনাৰ বাবে আগৰ চৰকাৰবোৰে যেনে ধৰণৰ (১) অৰ্থনৈতিক উন্নয়ণৰ সুদৃঢ় পৰিকল্পনা যুগুত কৰাৰ প্ৰয়োজন আছিল, (২) শিক্ষাক মানব সম্পদ গঢ়ি তুলিবলৈ আৰু ৰাজ্যখনৰ প্ৰগতিৰ সহায়ক হিচাবে নিৰ্মাণ কৰাৰ যি আঁচনি প্ৰস্তুত কৰাৰ প্ৰয়োজন আছিল, (৩) কৃষিক জীৱন জীৱিকা অৰ্থনীতিৰ এক অপৰিহাৰ্য অঙ্গ হিচাবে যেনে পদক্ষেপ লোৱা উচিত আছিল, (৪) বনজ খনিজ আৰু জল সম্পদ সমূহ উদ্যোগ গঢ়ি তোলাৰ বাবে যি প্ৰাথমিকতা পাব লাগিছিল, (৫) অবৈধ প্ৰব্ৰজনকাৰীয়ে জাতীয় অস্তিত্ব বিপন্ন কৰাৰ বাবে যি দীৰ্ঘম্যাদী আঁচনি হাতত লৈছিল আৰু আজিও যি পৰিস্থিতি ভয়াবহ হৈ আছে, (৬) বিভিন্ন জনগোষ্ঠীয় সম্প্ৰীতি সাধন আৰু সমন্বয় নিষ্ঠা সহকাৰে প্ৰতিপালিত কৰিব লাগিছিল, (৭) ভবিষ্যৎ প্ৰজন্মৰ বাবে এখন স্বাধীন ৰাষ্ট্ৰৰ নাগৰিকৰ দায়িত্ব আৰু কৰ্ত্তব্য কি হোৱা উচিত, তাৰ প্ৰশিক্ষণ কেনেদৰে কৰা হব আৰু নিজস্ব সৰ্বোচ্চ বিকাশৰ ধাৰা অব্যহত ৰাখিবলৈ কেনে প্ৰযত্নৰ বুনিয়াদ গঠন হব লাগিছিল সেই অতি গুৰুত্বপূৰ্ণ কামবোৰক কোনো গুৰুত্ব দিয়া দেখা নগ'ল, (৮) ৰাজ্যখনত শ্ৰমৰ মৰ্যাদা বিপৰ্যস্ত কৰাৰ বাবে এক চাকৰি মনোবৃত্তি গঢ়ি তোলা হ'ল আৰু তাৰ পৰিণতিত জন্ম লাভ হ'ল তোষোমোদৰ জৰিয়তে অনুগ্ৰহ প্ৰাৰ্থনাৰ দৰে এক হীন মনোবৃত্তি আৰু তাৰ পৰাই জন্ম লাভ হ'ল এক (৯) কৰ্মবিমুখতাৰ, (১০) সৰ্বস্তৰত লেলিহান শিখা মেলি ভয়ংকৰ ৰূপ ধাৰণ কৰিলে দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰে। এই কথাবোৰ কোনেও বুজি উঠা নাই তেনে নহয়; কিন্তু তাৰ প্ৰতিকাৰৰ বাবে দায়বদ্ধ নিষ্ঠাবান ৰাজনীতিকৰ ভয়ানক অভাব। ন্যস্ত স্বাৰ্থ আৰু আকাংক্ষাই এনে ৰূপ ধাৰণ কৰিলে, ক্ষমতাৰ লালসাই এনে কৰাল ৰূপ পৰিগ্ৰহণ কৰিলে যে তাৰ পৰা উদ্ধাৰ হোৱাৰ আশা ক্ৰমান্বয়ে ক্ষীণৰ পৰা ক্ষীণতৰ হোৱা

দেখা গল। এনে এক অস্থিৰ অৱস্থাতে অগপ দলে শাসনৰ গাদীত বহিছিল ১৯৮৫ চনত।

অগপৰ মুখ্য সাফল্যবোৰ : ওপৰত উল্লেখ কৰা সমস্যাৰ ভেটিত প্ৰতিষ্ঠিত আঞ্চলিক দলটোৱে সৰ্বকালৰ প্ৰখ্যাত নিন্দুক সকলক হতবাক কৰি দি ১৯৮৫-১৯৯০ চনৰ ভিতৰত সম্ভৱ কৰা ভালেমান কাম ১৯৯১-১৯৯৬ চনৰ ভিতৰত পুনৰ চূড়মাৰ কৰি ৰাজ্যখনক যে সম্পূৰ্ণ ধ্বংসে কৰাৰ পৰিকল্পনা কৰা হৈছিল সেই কথা যি কোনো ৰাজ্যপ্ৰাণ অনুসন্ধিৎসু লোকে বিচাৰ কৰি লব পাৰিব। তাৰ পিছতো এইখন ৰাজ্যৰ বাবে আঞ্চলিক দলটোৱে কৰা কামবোৰ কম গুৰুত্বপূৰ্ণ নহয়। তাৰে কেইটামানৰ পুনৰ উল্লেখ কৰা হল।

১। সকলো ধৰণৰ অফিচ কাচাৰীত, অনুষ্ঠান প্ৰতিষ্ঠানত ৰোপন কৰা কৰ্ম বিমুখতা, নেতিবাচক ধাৰণা, ভ্ৰষ্টাচাৰ আৰু দুৰ্নীতিৰ পৰিমান সামান্য কমাব পৰা হৈছিল।

২। কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা বিভিন্ন আঁচনিৰ ধন প্ৰায় সম্পূৰ্ণকৈ সদব্যৱহাৰ কৰিব পৰাকৈ এটা নিষ্ঠাৰ ভাব ঘুৰি আহিছিল। শিক্ষানুষ্ঠান নিৰ্মাণ, ৰাস্তাঘাট দলং নিৰ্মাণ হৈছিল, গ্ৰাম্য অৰ্থনীতিৰ ক্ষেত্ৰত হোৱা দুৰ্নীতিৰ পয়োভৰ কমিছিল, অসামৰিক সাহায্য প্ৰশংসনীয় হৈছিল, বানপানীৰ দুৰ্নীতি প্ৰায় নিৰ্মূল কৰিব পাৰিছিল, স্বনিয়োজন আঁচনি ৰূপায়ণৰ বাবে ব্যাপক কাৰ্যসূচী চৰকাৰী ভাবে লোৱা হৈছিল যদিও শিক্ষিত ডেকা গাভৰু আৰু অভিভাৱকৰ চাকৰি মনোবৃত্তিৰ পৰিবৰ্ত্তন প্ৰায় অসম্ভৱ হৈ ৰৈছিল। অসংখ্য যুৱকে ক্ষুদ্ৰ উদ্যোগ নিৰ্মাণত মনোযোগ স্থাপন কৰি লাভবান হৈছিল, বিশেষকৈ ক্ষুদ্ৰ চাহ খেতিয়ক হিচাবে।

৩। ৰাজ্যখনৰ ৭০ শতাংশ ঋণ আৰু ৩০ শতাংশ অনুদানৰ কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় গাথনি সলনি কৰি ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ ঋণৰ এই দলৰ আটাইতকৈ উল্লেখযোগ্যে সাফল্য বুলি পৰিগণিত হোৱা উচিত।

৪। জনসাধাৰণৰ মাজত এটা আস্থাৰ ভাব জগাই তুলিবলৈ দল সমৰ্থ হৈছিল।

৫। বেৰ দিয়াবলৈ সীমান্ত সুৰক্ষাৰ বাবে প্ৰহৰী নিয়োগ আৰু ব্ৰহ্মপুত্ৰৰে অনুপ্ৰবেশ ৰোধ কৰাৰ বাবে চৰকাৰে লোৱা ব্যৱস্থা যথেষ্ট আশাব্যঞ্জক। অনুপ্ৰবেশৰ হাৰ যথেষ্ট কমিছিল।

৬। ব্ৰডগজ ৰেলৰ লাইনৰ সম্প্ৰাসৰণৰ বাবে অগপৰ অৱিহনা বৃহৎ।

৭। নুমলিগড় শোধানাগাৰ নিৰ্মাণ, নৰনাৰায়ণ সেতুৰ সম্পূৰ্ণকৰণ, বগীবিলৰ দলঙৰ বাবে আবন্টন উল্লেখযোগ্য সাফল্য।

৮। কলাক্ষেত্ৰ নিৰ্মাণ প্ৰগতিৰ এক স্তম্ভ।

৯। দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়, এখন আই আই টি নিৰ্মাণে ৰাজ্যখনৰ সম্পদ আৰু সম্মান বৃদ্ধি কৰিছে।

১০। ঔদ্যোগিক প্ৰতিষ্ঠান নিৰ্মাণ নিসন্দেহে এক সাফল্য।

১১। গোপীনাথ বৰদলৈক সৰ্ব্বোচ্চ উপাধী প্ৰদান ক্ষেত্ৰত নামতে গুৱাহাটীৰ বিমান বন্দৰটোক আন্তৰ্জাতিক বিমান বন্দৰলৈ ৰূপান্তৰ কাৰ্য প্ৰশংসনীয়।

১২। ৰঙিয়াত ৰেলৰ মাণ্ডলিক কাৰ্য আৰু উত্তৰ পাৰে ৰঙিয়াৰ পৰা মুৰকংচেলেকলৈ প্ৰস্তাবিত ব্ৰডগজ ৰেলৰ লাইনৰ প্ৰস্তাৱ অগপ দলৰ।

১৩। লামডিং-শিলচৰ লাইনৰ গজ পৰিবৰ্ত্তনৰ ধনৰ আবন্টন অগপ আমোলৰ।

১৪। চড়ক যোজনাৰ সিংহভাগ কাম অগপই সম্পূৰ্ণ কৰে।

১৫। কেন্দ্ৰীয় চৰকাৰৰ সকলো মন্ত্ৰালয়ৰ আবণ্টিত ধনৰ ১০ শতাংশ পূৰ্বাঞ্চলৰ ৰাজ্যবোৰৰ উৎকৰ্ষ সাধনৰ কাৰণে কৰা আবন্টন এক বৃহৎ সাফল্য।

অকৃতকাৰ্যতা আৰু দুৰ্বলতা :

১। অগপই বিদেশী নাগৰিক চিনাক্ত কৰণ প্ৰক্ৰিয়াত সঠিক দায়িত্ব পালন কৰিব নোৱাৰিলে আৰু ৰাজনৈতিক হিচাব নিকাচত আপোচ কৰিবলৈ বাধ্য হোৱা দেখা গ'ল।

২। আই এম ডি টি আইনখন বাতিল কৰাব নোৱাৰিলে আৰু ৰাজ্যখনৰ স্বাৰ্থত সংশোধনো কৰিব নোৱাৰিলে।

৩। ১৯৭১ চনৰ মাৰ্চ মাহৰ ২৫ তাৰিখ বিদেশী নাগৰিক চিনাক্তকৰণৰ সময়সীমা বান্ধি লোৱাত বিদেশী নাগৰিক চিনাক্তকৰণ প্ৰক্ৰিয়াটো প্ৰায় মূল্যহীন কৰি পেলোৱা হ'ল।

৪। ৰাজনৈতিক উচ্চাকাংক্ষা আৰু ক্ষমতাৰ ৰাগিয়ে ভালেমান নেতাৰ স্খলন ঘটালে। দল পুনৰ খণ্ডিত হোৱাত সংগ্ৰাম বাধাগ্ৰস্ত হবলৈ বাধ্য হ'ল।

৫। সৎ আৰু নিকা চৰিত্ৰৰ লোকৰ প্ৰবেশ দলত প্ৰায় অসম্ভৱ কৰি তোলা হ'ল।

৬। নীতি, আদৰ্শ আৰু দৰ্শন পৰিহাৰ কৰাত দলটোৱে যি কোনো ৰাজনৈতিক দলৰ দৰে হৈ পৰিল।

৭। উচ্চ ৰাজনৈতিক দৃষ্টি-ভঙ্গী পৰিহাৰ কৰি সেৱাৰ মনোবৃত্তি পৰিহাৰ কৰি দুৰ্নীতিত অৱগাহন কৰাত গণবিচ্ছিন্ন হৈ গ'ল।

৮। সন্ত্ৰাসবাদৰ সমস্যাটোৰ সমাধান নোলাল।

৯। অসমৰ বিকাশৰ বাবে সংগ্ৰাম অবিৰত ৰখাৰ প্ৰয়োজন হ'ব।

জাতীয় চেতনাৰ প্ৰধান অন্তৰায়

প্ৰাচীন প্ৰাগজ্যোতিষপুৰ, পুৰণি কামৰূপ আৰু বৰ্ত্তমানৰ অসম, বুৰঞ্জী আৰু সাংস্কৃতিক পৰম্পৰা অনুসৰি সমাৰ্থক যে নহয় তাক সকলো বিদ্বান লোকে মানি লব বুলিয়ে আমাৰ বিশ্বাস। প্ৰাচীন ভাৰতবৰ্ষৰ সামাজিক ব্যৱস্থা আৰু ৰাজনৈতিক প্ৰক্ৰিয়াত বৰ্ত্তমান ভাৰতবৰ্ষৰ প্ৰতিচ্ছবিৰ যেনেকৈ হুবহু মিল নাই সেইদৰে প্ৰায় সকলো ৰাজ্যৰে এক বৃহৎ বিৱৰ্ত্তনৰ অন্তত হে বৰ্ত্তমানৰ ৰাজ্যবোৰ গঠন হোৱা বাবে প্ৰতিখন ৰাজ্যৰ জনসাধাৰণৰ ৰাজ্যিক চেতনা বা জাতীয় চেতনা সম্বন্ধে ধাৰণাবোৰ একে নহয়। সেইবাবে

সংঘাত, ভুল বুজাবুজি, সন্দেহ, অবিশ্বাস থকাটো নৃতাত্বিকভাবে তত্ব হিচাবে সঁচা। তথাপিও জনসাধাৰণৰ মাজত এনে এডাল সংযোগী সূত্ৰ থাকিব পাৰে যাৰ সহায়ত তেওঁলোকে ভালেমান ক্ষেত্ৰত ওচৰ বুলি, নিজৰ বুলি অনুভৱ কৰিব পাৰে। তাৰ ভিতৰত অন্যতম হৈছে বাসস্থানৰ ভৌগলিক সীমা। বাকী প্ৰধান ক্ষেত্ৰবোৰ হ'ল একে প্ৰকাশভঙ্গী। সেইবাবে একে ধৰ্মীয় বিশ্বাসৰ আশ্ৰয়ত এক ভাষাৰ প্ৰয়োগৰ দ্বাৰা দৈনন্দিন জীৱনৰ বাবে লগা কামবোৰ বাধাহীন ভাবে কৰিব পাৰিলে প্ৰায় সমগোত্ৰী সমাজ নিৰ্মাণ কৰাত সহায়ক হ'ব পাৰে। আমি সাধাৰণতে যিখন ভাৰতবৰ্ষৰ সাংস্কৃতিক পটভূমি আমাৰ মনৰ মাজত পুহি ৰাখো সেই সংস্কৃতিৰ সিংহভাগেই হৈছে বৈদিক সভ্যতা নিসৃত। বৈদিক সভ্যতাৰ সহায়তে জম্বুদ্বীপৰ (আসমুদ্ৰ হিমালয়) এক বিশাল মহাৰাজ্যৰ পৰিধি নিৰ্মাণ হৈছিল। ইয়াৰ সভ্যতা বিভিন্ন ৰাষ্ট্ৰলৈ বোৱাই নিব পৰা এক বিৰল প্ৰক্ৰিয়াই গঢ় লৈছিল। সেই সভ্যতাৰ পৰাই আত্মা, পৰমাত্মা, পৰমেশ্বৰ, পৰমশক্তি নিৰাকাৰৰ ধ্যান ধাৰণাৰ এক অমৰ সংস্কৃতিৰ জন্ম লাভ হৈছিল। তেতিয়াও কিন্তু ভাৰতবৰ্ষত ভাব প্ৰকাশৰ বাবে ভাষা মাত্ৰ এটা নাছিল আৰু ধৰ্মীয় বিশ্বাসো ভিন ভিন হোৱা সত্বেও এক সমন্বয়ৰ প্ৰকাশ ঘটিছিল; কিন্তু মুঠেও বিৰোধ নাছিল সেয়া সঁচা নহয়। সময়ত মঠ-মন্দিৰ, পূজা-অৰ্চনাৰ প্ৰক্ৰিয়া, গঢ়ি উঠিছিল, তীৰ্থ স্থান নিৰ্মাণ হৈছিল। তেত্ৰিশ কোটি দেৱ-দেৱীৰ উপসনা কৰা সত্বেও এক ভাৰতীয় আত্মাৰ জন্ম হৈছিল। এই ভাৰতীয় আত্মাই বসুধৈব কুতুম্বক'মৰ বানী প্ৰচাৰ কৰাত এক উৎকৃষ্টমানৰ সভ্যতা বিৰাজ কৰিছিল। শ্ৰীৰাম, শ্ৰীকৃষ্ণ, বুদ্ধদেৱ মহাবীৰ, মহাত্মা গান্ধীৰ ভাৰতবৰ্ষত আজিৰ জাতীয়তাবোধ সৃজন কৰাত অন্তৰায়ৰ সৃষ্টি হৈছে নেকি তাক বিশ্লেষণ কৰি চালেহে এটা সিদ্ধান্তত উপনীত হ'ব পৰা যাব। আক্ৰমনকাৰীয়ে ভাৰতবৰ্ষৰ ওপৰত কেনে প্ৰভাব বিস্তাৰ কৰিলে, জাতীয় চেতনা গঢ়াত এই আক্ৰমনবোৰে কিবা প্ৰকাৰে বাধাগ্ৰস্ত কৰিব পাৰিলে নে সহায় কৰিলে তাকো নিৰ্মোহভাবে বিচাৰ কৰা উচিত হ'ব। মোগলৰ আক্ৰমন আৰু বৃটিছ সাম্ৰাজ্যৰ আবেষ্টনীৰ মাজত ভাৰত সোমোৱাৰ পিছত ভাৰতীয় জাতীয় চেতনাৰ কিবা পৰিবৰ্ত্তন হ'ল নে নাই তাক পৰীক্ষা কৰি লোৱা ভাল হ'ব। সেই একেবোৰ প্ৰভাৱ অসমৰ ওপৰত কেনে ধৰণে পৰিল আৰু কেনে প্ৰসঙ্গত প্ৰভেদ থাকি গ'ল তাক বিচাৰ কৰিহে অসমৰ জাতীয় চেতনাৰ কাৰক বা বিকাৰক প্ৰভাব পৰ্যালোচনা কৰি চাব পৰা হ'ব যেন লাগে।

আক্ৰমনকাৰী সকলৰ ভিতৰত মোগলে পিছত ভাৰতবৰ্ষক নিজৰ দেশ হিচাবে গ্ৰহণ কৰি নিজস্ব দৰ্শন নীতিৰ আধাৰত প্ৰশাসন ব্যৱস্থাৰ প্ৰবৰ্ত্তন কৰিছিল। প্ৰচণ্ড সংঘাত হৈছিল আৰু আঘাত হনা কাৰ্য সংঘটিত হৈছিল; কিন্তু ভাৰতীয় আত্মাৰ ওপৰত মোগল প্ৰশাসনে কোনো ক্ষতি সাধন কৰিব নোৱাৰাকৈ প্ৰায় অক্ষুন্ন থাকিল। সনাতন ধৰ্ম আৰু ইচলাম ধৰ্মই সহবাস কৰিবলৈ আৰম্ভ কৰিলে। সহনশীলতাও বাঢ়িল। ভাৰতীয় সভ্যতাত এক নৱ

জাত্যাভিমান এক ঈর্ষনীয় যোগ্যতা আৰু তাক আহৰণ কৰা কামো কষ্টসাধ্য। জাত্যাভিমান, জাতীয় গৌৰৱ নথকা লোকে বহু সম্পদ আহৰণ কৰিব পাৰে; কিন্তু জাতিৰ স্বাৰ্থত কাম নকৰা লোক সন্মানৰ পাত্ৰ হোৱা সম্ভৱ নহয়। নীচাত্মিকা মনোবৃত্তি জাতীয়তাবোধৰ পৰিপন্থী স্থিতি। এজন বিচক্ষণ জাতীয়তাবাদীৰ, জাতীয় গৰ্ব বোধ কৰোৱা লোকৰ সৃষ্টিত অৰিহণা প্ৰচুৰ হ'ব পাৰে। বৰ্তমানৰ যি ৰাজনৈতিক চৰিত্ৰ তাৰ সহায়ত জাত্যাভিমান গঢ়িব নোৱাৰি তেনেকৈ উৎকৃষ্ট মানৰ জাতীয়তাবাদী চিন্তাধাৰাৰ ভৱিষ্যৎ নাগৰিকো গঢ় দিব নোৱাৰি বাবে ৰাজ্যখনে স্থবিৰ অৱস্থা লাভ কৰিছে। কেৱল বিধায়ক, সাংসদ আদি নিৰ্বাচনতে ৰাজনীতি সীমাবদ্ধ হলে জাতীয়তাবাদ গঢ়ি নুঠে।

জাতীয়তাবাদ এক আদৰ্শ আৰু তাক সংকল্পলৈ সাধন কৰিবলৈ প্ৰয়াস নকৰিলে ধন আৰু ক্ষমতাৰ লালসাত বন্দী লোকে তাক সম্পাদন কৰিব নোৱাৰে। জাতীয়তাবাদে কোনো বেদখলকাৰীকে সমৰ্থন কৰিব নোৱাৰে। ৰাষ্ট্ৰ বা মানবীয় হিতৰ বাবে বহু বিষয়ত বিনিময় হ'ব পাৰে। কোনো বিদেশী নাগৰিকে ছদ্মবেশত বা প্ৰত্যক্ষভাবে যদি আক্ৰমণ কৰে তাৰ বিৰুদ্ধে জাতীয়তাবাদীয়ে কঠোৰ ব্যৱস্থা লোৱাটো এক পবিত্ৰ কৰ্ত্তব্য হ'ব। এখন ৰাজ্যৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ প্ৰধান কাৰণ কি তাক জাতীয়তাবাদী চিন্তাধাৰাৰ লোকে চিনাক্ত কৰিব পাৰিব লাগিব। নহ'লে ফলপ্ৰসু কাৰ্যসূচী ৰূপায়ন নহব। স্মৰণযোগ্য যে শ্ৰম বিমুখ কোনো জাতিয়ে জাত্যাভিমান জীয়াই ৰাখিব নোৱাৰে। পৰাশ্ৰিতসকলক কোনোৱে সন্মান নকৰে, পুতৌ কৰে।

গণতান্ত্ৰিক পৰম্পৰাত জাতীয়তাবাদৰ মুখ্য পৃষ্টপোষক সকল সাধাৰণতে ৰাজনৈতিক নেতা হোৱাৰ উদাহৰণ সীমিত। তাৰ কাৰণবোৰ প্ৰায় এখন খোলা কিতাপৰ দৰে। জাতীয়তাবোধৰ প্ৰথম আৰু প্ৰধান কৰ্মশালা হব লাগে শিক্ষা আহৰণৰ স্তৰত। ৰাজ্যিক জাতীয়তাবোধৰ চেতনাই ৰাষ্ট্ৰীয় আৰু তাৰ পাচত আন্তঃৰাষ্ট্ৰীয় মানবীয় চেতনাবোধ বিশ্বমানৰ সেৱাত যোগদান কৰা সকলহে আচল জাতীয়তাবাদী। নিজৰ আত্মীয় স্বজন, বন্ধুবান্ধৱ, সমাজৰ লোক সকলক সেৱা কৰিব নোৱাৰা মানুহে বিশ্ব মানবৰ সেৱা কেনেকৈ আগবঢ়াব পাৰিব? দাৰ্শনিক সকলৰ বহুতে সেইবাবে ৰাজনীতিত উৎকৃষ্টমানৰ লোকৰ প্ৰৱেশ হোৱাটো বিচাৰে। ইয়ো এক অসমাপ্ত সংগ্ৰাম।

১০

ৰাজনীতি আৰু অসমৰ ভবিষ্যৎ

স্বাধীন ভাৰতৰ অঙ্গ ৰাজ্য হোৱাৰ সময়ত অসমৰ যেন আহুকালৰ সীমা নাছিল আৰু অঙ্গ ৰাজ্য হোৱাৰ পিছতো ৰাজ্যখনৰ সমস্যাবোৰ কমক চাৰি বৃদ্ধি পোৱাহে দেখিবলৈ পোৱা গৈছে। সময়ে সময়ে এনে ধাৰণাও বহুতৰ বদ্ধমূল হ'বলৈ আৰম্ভ কৰিছে যেন অনতি পলমে অসমৰ অস্তিত্ব সম্পূৰ্ণৰূপে নাইকিয়া হৈ যাব পাৰে। তেনে ধাৰণাৰ কাৰণো নোহোৱা নহয়। অথচ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান কম নহয়। তথাপি স্বাধীনতাৰ সময়ৰে পৰা আজি পৰ্যন্ত কেন্দ্ৰীয় চৰকাৰে অসমক বিশ্বাসত লোৱা নাই। বৰং প্ৰৱঞ্চনা, প্ৰতাৰণা আৰু বিশ্বাসঘাতকতা যে কৰিছে তাৰ অসংখ্য উদাহৰণ আছে। ৰাজ্যখনৰ প্ৰতি অৱহেলা কৰিছে আৰু বৈষম্যৰ আশ্ৰয় লৈছে আৰু তেনে কৰিবলৈ সামান্যকন কুণ্ঠাবোধ কৰা নাই। কিয়? এই প্ৰশ্নটো অসমবাসীয়ে গভীৰভাবে বিবেচনা কৰি লোৱা উচিত হ'ব। আমাৰ ধাৰণাত কেন্দ্ৰীয় চৰকাৰে অসমৰ কোনো ৰাজনৈতিক দল তথা নেতাকে যোগ্য সন্মান প্ৰদৰ্শনৰ বাবে লায়ক নহয় বুলি গন্য কৰে আৰু দমন পীড়নৰ দ্বাৰা 'হয় হুজুৰ' কৰি ৰাখিব পৰা হ'ব বুলি বিবেচনা কৰে। সেইবাবেই অসমৰ সৰ্বভাৰতীয় ৰাজনৈতিক দল কংগ্ৰেছে ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থ বিসৰ্জন দি এই দলৰ কেন্দ্ৰীয় চৰকাৰৰ পক্ষতে সদায় অৱস্থান কৰি অহা দেখা গৈছে। অসমৰ জাতীয়তাবাদী সংগঠনবোৰকো কেন্দ্ৰই কোনো গুৰুত্ব প্ৰদান নকৰে আৰু তাচ্ছিল্যহে কৰা উদাহৰণ আছে। অসমৰ সন্ত্ৰাসবাদী সংগঠনকো কেন্দ্ৰই একো মূল্য দিব খোজা নাই, বৰং এই সংগঠনবোৰৰ দ্বাৰা অসমৰ ক্ষতি সাধন হ'লেও ৰাষ্ট্ৰৰ যে একো ক্ষতি সাধন কৰিব নোৱাৰে তেনে ধাৰণা লোৱাহে দেখা গৈছে। প্ৰয়োজন হলে সন্ত্ৰাসবাদ দমনৰ নামত অসংখ্য সম্ভৱনাপূৰ্ণ যুৱক-যুৱতীক সংঘৰ্ষৰ সৃষ্টি কৰি মৃত্যু বিহিছে আৰু ভাবিছে ধান খেৰৰ জুইৰ দৰে অসমৰ সন্ত্ৰাসৰ জুই এদিন এনেয়ে নিৰ্বাপিত হ'ব। সন্ত্ৰাসবাদৰ মূল কাৰণ কেন্দ্ৰৰ ৰাজনৈতিক অব্যৱস্থা বুলি সংগঠবোৰে দাবী কৰিছে। হলেও কেন্দ্ৰ অসমৰ প্ৰতি উদাসীন হৈ ৰৈছে আৰু অসমৰ ন্যায্য দাবীবোৰ মানি ল'বলৈ অনিচ্ছুক হৈছে। তেনে পটভূমিত অসমৰ ভবিষ্যতৰ ৰাজনীতি কি হ'ব? ৰাজনীতিৰ আশ্ৰয়ত অসমৰ সুৰক্ষা কেনেকৈ নিশ্চিত হ'ব? অসমত বাস কৰা ভাৰতীয় নাগৰিক সকলৰ ভবিষ্যৎ কোনে নিৰ্মাণ কৰিব? অসমীয়া জাতিসত্বাৰ সত্তা সলনি হৈ যাব নেকি? অসমৰ ভাষা-সংস্কৃতিৰ সম্পূৰ্ণ বিলুপ্তি সাধন হৈ যাব নে কি? সকলো সময়ৰ

পৃথিৱীৰ সৰ্বোচ্চ সদনক মাস্তি কৰোবাৰ পথ হিচাবে গ্ৰহণ কৰিছে' সদন সদায়ে নিষ্পেষিতৰ কাষত থিয় দিয়ে যদিও ন্যায় কিমান লাভ হৈছে জগতে জানে। ভূমিপুত্ৰৰ ধাৰণাই এক নতুন মাত্ৰা লাভ কৰাত সমস্যা বৃদ্ধি পাইছে। সংখ্যালঘু শব্দটোৰ সময়োপযোগী ব্যাখ্যাই জনজীৱন বহু সময়ত অস্থিৰ কৰা দেখা গৈছে। আপেক্ষিক তত্ত্ববাদ (Theory of relativity) ৰ নবমূল্যায়নে নিৰ্ণায়ক সূত্ৰ আবিষ্কাৰ কৰিব নোৱাৰাত সংঘাত বৃদ্ধি পাইছে।

অসমীয়া জাতিসত্তা, অসমৰ জাতীয়তাবোধৰ চেতনা বিচাৰ কৰিব খুজিলে এনে পটভূমিতে বিচাৰ কৰা উচিত হব। গণতন্ত্ৰৰ ভেটি কেবল সংখ্যাধিক্য হ'ব নোৱাৰে, সংখ্যালঘিষ্ঠসকলৰ মতক সন্মান নকৰাৰ প্ৰশ্ন অবান্তৰ। কাৰণ গণতন্ত্ৰৰ বিকাশ সেই দিনাহে সম্ভৱ হব যিদিনা গণতন্ত্ৰই ৰাষ্ট্ৰৰ প্ৰতিজন নাগৰিকৰ মৌলিক অধিকাৰ ৰক্ষাত সহায় কৰিব পাৰে। বৰ্তমান আমি গণতন্ত্ৰৰ নামতে সুবিধাবাদৰ ৰাজনীতি কৰি আছো। সামাজিক বন্ধন ক্ৰমে দুৰ্বল কৰাৰ প্ৰায় সকলো ষড়যন্ত্ৰ সম্পূৰ্ণ কৰি ব্যক্তিকে সমাজতকৈ ওপৰত, এনেকি সংবিধানৰো ওপৰত বহুৱাবলৈ যত্ন কৰি থকা দেখা গৈছে। এই প্ৰক্ৰিয়াই জাতীয় চেতনা, জাতীয়তাবোধ, ৰাষ্ট্ৰীয়তাবোধ আৰু ৰাষ্ট্ৰীয় অখণ্ডতাৰ ওপৰত আঘাত হানিছে।

জাতীয়তাবাদৰ ধামখুমীয়াত আমি সমাজৰ বান্ধোন কিমান শক্তিশালী কৰিছো তাক পুনৰ বিচাৰ কৰাৰ সময় আহি পৰিছে। আমাৰ নিজস্ব ধাৰণা আৰু তাৰ ওপৰত নিৰ্ভৰ কৰি জাতীয়তাবোধৰ আধাৰ নিৰ্মাণ কৰিবলৈ কেনে পদক্ষেপ লোৱা উচিত হব তাক প্ৰকাশ কৰাৰ ধৃষ্টতা মৰসাহেৰে কৰিব খোজা হৈছে। ভুল ত্ৰুটীৰ শুধৰণী গ্ৰহণ কৰিবলৈ এটা মুকলি মন সাজু কৰি ৰাখিছোঁ।

বৰ্তমানৰ অসমৰ যি পৰিসীমা সেই পৰিসীমাৰ কোনো ধৰণৰ সংকোচনৰ পথ আমি কোনেও মুকলি নকৰাৰ এটা ৰাজনৈতিক সিদ্ধান্ত লোৱাৰ প্ৰয়োজন হ'ব। এই সিদ্ধান্তৰ অংশীদাৰ হব অসমবাসী।

যি ৰাজনৈতিক ষড়যন্ত্ৰৰে অসম খণ্ড বিখণ্ড কৰা হ'ল সেই প্ৰক্ৰিয়াৰ পুনৰাবৃত্তি কৰিবলৈ যদি কোনো জনগোষ্ঠীয়ে বিক্ষোভ আৰম্ভ কৰে, তেনেহলে তাৰ বিৰুদ্ধে সকলো জনগোষ্ঠীয় প্ৰতিনিধিয়ে প্ৰয়োজন হ'লে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সংকল্প লোৱা উচিত হব।

অসমত স্থায়ীভাৱে বসবাস কৰা জনগোষ্ঠী নিৰ্বিশেষে সকলো ভাৰতীয় নাগৰিকে অসমক মাতৃ আৰু ধাত্ৰী হিচাবে গ্ৰহণ কৰিবলৈ আৰু অসমৰ সমন্বিত ৰাজ্যিক জাতিসত্তা মানি লবলৈ প্ৰস্তুত থাকিব লাগিব।

কোনোৱে ভ্ৰান্ত ধাৰণাৰ বশবৰ্তী হৈ যদি ভূমিপুত্ৰৰ মৌলিক স্বাধীনতা উত্থাপন কৰে তেনে ধাৰণাৰ ন্যায্য বিশ্লেষণ আৰু বিচাৰৰ বাবে সকলোৰে বাবে সমানে প্ৰযোজ্য হোৱাকৈ এটা অনুষ্ঠান গণতান্ত্ৰিকভাৱে নিৰ্বাচন কৰি লব লাগিব। বিভিন্ন জনগোষ্ঠীৰ আশা আকাংক্ষাৰ ৰক্ষণাবেক্ষণত সঠিক বিচাৰ হোৱাটো এই মঞ্চৰ বাবে জৰুৰী হ'ব।

ভাৰতীয় ন্যায় প্ৰদানৰ সৰ্ব্বোচ্চ আদালতে মানবীয় জনগোষ্ঠীয় আকাংক্ষাৰ বাস্তৱ ৰূপ নিৰ্ণয় কৰোতে ক্ষুদ্ৰ ৰাজ্যিক জাতীয়তাবোধ আৰু ভাৰতীয় মহাজাতীয়তাবোধৰ মাজত থকা ব্যৱধান সঠিক ৰূপত প্ৰকাশ কৰাৰ প্ৰয়োজন হব আৰু ক্ষুদ্ৰ জাতীয়তাবোধ সম্পূৰ্ণৰূপে ধ্বংস কৰাৰ কোনো প্ৰক্ৰিয়াকে সমৰ্থন কৰা উচিত নহ'ব।

ভাৰতবৰ্ষ যিহেতু এখন যুক্তৰাষ্ট্ৰহে, বিভিন্নতাৰ মাজত ঐক্য সাধনৰ সংকল্পত এখন প্ৰজাতন্ত্ৰ, সেই প্ৰজাতন্ত্ৰই ক্ষুদ্ৰ জাতীয়তাবোধক কিমান ক্ষুদ্ৰ ক্ষুদ্ৰ অংশত বিভক্ত কৰিলে মানবীয়, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু ৰাষ্ট্ৰীয় অখণ্ডতা অক্ষুন্ন থাকে তাৰ সঠিক নিৰ্ণয় কৰিব পাৰিব লাগিব।

বিজ্ঞান আৰু প্ৰযুক্তি কৌশলে পৃথিৱীখনত দূৰত্ব হ্ৰাস কৰিছে। সমাজ ব্যৱস্থাৰ দ্ৰুত পৰিবৰ্ত্তন হ'বলৈ প্ৰায় বাধ্য হৈ পৰিল। সংস্কৃতি (অপসংস্কৃতিও) অভাৱনীয়ভাবে উদাৰ হোৱা দেখা গৈছে। বিশ্বাসৰ ব্যৱধান আপেক্ষিকভাবে সলনি হবলৈ বাধ্য হোৱা দেখা গৈছে। তেনে অৱস্থাত নিৰ্ভেজাল অসমীয়া জাতিসত্তাৰ সংজ্ঞা নিৰূপণ কৰাত জাতীয়তাবাদী চিন্তাৰ পৃষ্ঠপোষকসকলো দ্বিধাগ্ৰস্ত হব। তেনে ধাৰণাৰে পুষ্ট অনুষ্ঠান আৰু সংগঠনবোৰেও ভূমিকা কেনে ধৰণে ল'ব তাক সহজে ক'ব পৰা নহ'ব। এই কথাবোৰ চকুৰ আগত ৰাখিয়ে অসমৰ জাতি সত্তা নিৰ্ণিত কৰা উচিত হ'ব। স্বয়ংসম্পূৰ্ণ জাতি সত্তা গঢ়িবলৈ হ'লেও প্ৰচুৰ উদাৰতাৰ প্ৰয়োজন প্ৰতিটো জনগোষ্ঠীৰ থাকিব লাগিব। বিভিন্ন ৰাজনৈতিক দল বা সংগঠনে প্ৰগতিশীল জাতিসত্তা গঢ়িবলৈ প্ৰচুৰ সহযোগিতাৰো প্ৰয়োজন হ'ব। ৰাজনৈতিক উচ্চাকাংক্ষা চৰিতাৰ্থ কৰিবলৈ ৰাজনৈতিক দল বা সংগঠনে প্ৰথমে অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়োজন হব বৈষম্যবিহীন মানবীয় বিকাশক।

পৃথিৱীৰ কোনো ভাষাই পৰিপূৰ্ণতা লাভ নকৰে যেতিয়ালৈকে সেই ভাষাৰ জৰিয়তে সমগ্ৰ পৃথিৱীৰ জনতাৰ মনৰ ভাব অনুভৱ কৰিবলৈ মানুহক শিক্ষাদানৰ ব্যৱস্থা অপূৰ্ণ হৈ থাকে। সকলো ভাষাৰ সাহিত্যিক মানদণ্ড একে হোৱাৰ সম্ভাৱনা ক্ষীণ। আনহাতে ব্যাকৰণৰ সূত্ৰবিহীন কেৱল মাথো শব্দৰ প্ৰকাশেৰে যিয়ে প্ৰাণৰ কথা আনৰ আগত উপস্থাপন কৰে সিও অনুপম ভাষাৰ মৰ্যাদা লাভ কৰিব। দোৱানবোৰ বিজ্ঞান-প্ৰযুক্তিৰ কমাৰশালত স্থান লাভ কৰিবলৈ প্ৰতিযোগিতাত সোনকালে নামিব নোৱাৰিব পাৰে; কিন্তু মৰ্ত্ত্যৰ মানুহৰ স্বভাৱজাত প্ৰক্ৰিয়াৰ সঠিক দিক সঞ্চালন কৰে।

জাতীয়তাবোধৰ সৰ্বপ্ৰথম যোগ্যতা হ'ল নিজস্ব পৰিচয় আহৰণ কৰা গুণৰ সহায়ত প্ৰকাশ কৰিব পৰা অৱস্থাপ্ৰাপ্ত হোৱা। সামৰ্থ্যৰ সহায়ত প্ৰতীতিৰ জন্ম দিব পৰা, ন্যায্য প্ৰাপ্য আদায়ৰ বাবে সংগ্ৰাম ৰচনা কৰোতে স্বজাতি আৰু জন্মভূমিৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা, জন্মভূমিৰ ওপৰত অধিকাৰ থকা সকলো লোকক লগত লৈ কাম কৰাসকলে প্ৰতাৰক, প্ৰৱঞ্চক আৰু দেশদ্ৰোহীক দূৰত দূৰত ৰাখিবলৈ সক্ষম হ'ব।

[illegible]

[illegible]

এখন সংস্কৃতিবান ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ। ধৰ্মীয় অনুভূতিৰ ওপৰত আক্ৰমন নকৰাকৈ আৰু ব্যৱধান নৰখাকৈ এটা সভ্যতা আগুৱাই যোৱাৰ পিছত দেশখনে সমৃদ্ধি ৰচনা কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিলে। জাতীয়তাবোধ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰতিজন নাগৰিকৰ “হিন্দুস্তান চাৰে যাহাসে আচ্ছা” ই প্ৰেৰণা হোৱা দেখা গ'ল। কোনো প্ৰকাৰৰ বিভেদ হোৱা নাছিল। “এইখন মোৰ দেশ” নিৰ্মাণ কৰাত ধৰ্মীয় ব্যৱধান অন্তৰায় হোৱা নাছিল। আনকি ভাষাৰ ব্যৱধানেও কোনো প্ৰকাৰৰ বাধাৰ সৃষ্টি কৰা নাছিল। ভাৰত এখন মহান “গুলিস্তান” হব লাগে, এয়া প্ৰাণৰ ভাষা। অৱশ্যে মোগল সম্ৰাটৰ অধীনতে হব লাগে বুলি পৰাক্ৰম জীয়াই ৰখাৰ ব্যৱস্থা প্ৰায় অপৰিবৰ্ত্তিত ৰাখিবলৈ যত্ন কৰা দেখা গৈছিল।

বৃটিছে ভাৰত আক্ৰমন ছদ্মবেশত কৰিছিল আৰু ছদ্মবেশতে ইয়াৰ প্ৰশাসন ব্যৱস্থা হস্তগত কৰিছিল। বৃটিছ প্ৰশাসনে ভাৰতীয় মানুহৰ এক বৃহৎ অংশক নিজস্ব বিকাশ সাধন কৰিব নোৱাৰাকৈ পদলেহনকাৰীত পৰিণত কৰাৰ এক ঘৃণনীয় প্ৰক্ৰিয়া পৰিকল্পিতভাৱে যে কৰিছিল তাক বিস্তৃতভাৱে উপস্থাপন কৰিব খোজা নাই। ধৰ্মীয় অনুভৱক এক অস্ত্ৰ হিচাবে লৈ ভাৰতীয় মানুহক বেলেগ বেলেগ ভাগত বিভক্ত কৰি মহান ভাৰতীয় হোৱাৰ সলনি বিভিন্ন ধৰ্মীয় লোক হোৱাত সহায় কৰিছিল। মানুহক “হিন্দুস্তানৰ” চেতনাক সমৃদ্ধ কৰাৰ সলনি জাত, পাত, ধৰ্ম, সম্প্ৰদায় আৰু বৰ্ণ হিচাবে বিভাজন ঘটাই ৰাষ্ট্ৰীয় চেতনা যাতে গঢ়ি নুঠে তাৰ পৃষ্ঠপোষকতা কৰিলে। ভাৰত বিভাজন আজি তাৰ পৰিণতি। বিভাজনৰ অন্তহীন সমস্যা আজি ৰাষ্ট্ৰই বহন কৰিবলৈ বাধ্য হৈছে। ৰাজনীতিয়ে অধিকাংশ সময়ত যুক্তিক প্ৰাধান্য দিয়াতকৈ ক্ষমতাৰ প্ৰকাশ ঘটাব পাৰিলে অধিক কৃতকাৰ্যতা লাভ হয় বুলি বিশ্বাস কৰে। বহুত সময়ত ৰাজনীতিত মানবতা হননো শক্তি পৰীক্ষাৰ বাবে একো একোটা প্ৰক্ৰিয়া হোৱা দেখা গৈছে। বিবেকৰ দংশনত সেইবাবে যুদ্ধই বহু দুখ পৃথিবীলৈ কঢ়িয়াই আনিছে।

বৃটিছৰ শাসন কালত অসমৰ যিখন মানচিত্ৰ তাৰ আজি ব্যাপক সলনি হৈছে। কিয় এনে হ'বলৈ পাইছে তাক বিশ্লেষণ কৰাৰ সময় উকলি যোৱা নাই। বৰ্ত্তমান যিখন অসম আছে সেইখনো অক্ষত হৈ ৰবনে?? বুলি বহুতে সন্দেহ প্ৰকাশ কৰে আৰু সন্দেহৰ কাৰণো নথকা নহয়। আমি বহুত সময়ত ৰাজনৈতিক আৰু সমাজ জীৱনত প্ৰচণ্ড সংঘাত সৃষ্টি কৰিব পৰাকৈ নিজৰ অজ্ঞাতসাৰে, গভীৰভাৱে চিন্তা কৰি ল'ব নোৱাৰাবাবে এনে কিছুমান কাম কৰি পেলাও যে তাৰ পৰা উদ্ভৱ হব পৰা সমস্যাবোৰৰ সমাধান উলিয়াবলৈ আৰু যেন কোনো পথ মুকলি নাথাকে। জাতীয়তাবোধৰ পৰিচয় দিবলৈ গৈ এনে কিছুমান কাৰ্য সম্পাদন কৰা হয় যাৰ পৰিণাম ভাবিব নোৱাৰাকৈ জাতিৰ বিৰুদ্ধে ধাবমান হয়। অসমীয়া

জাতি আৰু জাতীয়তাবোধৰ এক সৰ্বজন গ্ৰাহ্য সূত্ৰ আজি আমাৰ বিগদ্ধ পণ্ডিতসকলেও উদ্ভাৱন কৰি উলিয়াব পৰা নাই যাৰ সহায়ত বাকী থকা অসমখন আৰু ভাগি সৰু হৈ খণ্ড খণ্ড হৈ নপৰে। অসমত স্থায়ীভাবে বসবাস কৰা ভাৰতীয় নাগৰিক সকলৰ কোনো কোনোৱে অসমীয়া বুলি অনুভৱ নকৰে, কেবল অসমীয়া ভাষী সকলকহে অসমীয়া বুলি কোৱাৰ এটা প্ৰবনতা প্ৰকাশ পাইছে। অসমীয়া, বঙালী, হিন্দী, উৰীয়া, মাৰাঠা আদিবোৰ ভাৰতীয় হয় আৰু পূৰ্বৰ ৰাজ্যৰ ৰাজ্যিক সত্তা পৰিহাৰ কৰি অসমৰ জাতি সত্তাক সমৃদ্ধ কৰিব নোখোজে। আনহে নালাগে ৰাজ্যখনৰ বহুতো খিলিঞ্জীয়া লোকও ৰাজ্যিক সত্তা বা জাতীয় সত্তাক যে সন্মান নকৰে তাত অকনো সন্দেহ নাই।

বৰ্ত্তমান ৰাজনৈতিকভাবে যিখন অসম আছে সেইখনৰ মুঠ মাটি-কালিৰ পৰিমান মাত্ৰ ৭৮৪৩৮ বৰ্গ কিঃ মিঃ। তাত পাহাৰ আছে, ভৈয়াম আছে, নদ-নদী বিল-খাল আছে। তাত নানা জাতি, উপজাতিৰ লোকে বাস কৰে। বিভিন্ন জনগোষ্ঠীৰ বহুদিন বাস কৰা ৩৫ টা জনজাতীয় সম্প্ৰদায় আছে। অনুসূচীত আৰু অন্য জাতিৰো বহু ভাগ আছে। প্ৰতিটো গোষ্ঠীৰে বংশ পৰম্পৰা উদ্ধাৰ কাৰ্যও সহজ হৈ থকা নাই সংশ্লেষণৰ বাবে। প্ৰতিটো গোষ্ঠীৰে নিজস্ব কৃষ্টি, সংস্কাৰ আৰু ভাষা আছে। বহুতৰে নিজা নিজা ধৰ্মীয় বিশ্বাস আৰু আচাৰ নীতি ৰীতিও আছে। তাৰে কিছুমানে নিজকে হিন্দু, মুছলমান, বৌদ্ধ, জৈন, শিখ, খৃষ্টান হিচাবে পৰিচয় দিয়ে। প্ৰতিটো জনগোষ্ঠীয়ে তেওঁলোকৰ গৌৰবময় অতীত আছে বুলি ভাবে। নিজস্ব বহুতে হেৰুৱাব নোখোজে। আনৰ ভাষা, ধৰ্ম, সংস্কৃতি আদি জাপি দিব খুজিলে বিৰোধ কৰে। ভাগ ভাগকৈ হিচাব কৰিলে কোনটো গোষ্ঠীৰ জনসংখ্যা কম আৰু কোনোটোৰ বেছি। বেছি সকলৰ মাজতো বহু বিভাগ আছে, বিৰোধ আছে। গণতন্ত্ৰৰ সুযোগ লাভ কৰিবলৈ কোনো কোনোৱে নিজৰ গোষ্ঠীৰ জনসংখ্যা বিস্ফোৰিত কৰি প্ৰকাশ কৰে। হিন্দুসকলৰ মাজতে নানা পন্থী আছে বাবে বহু কথাত অমিল আছে। কোনোৱে সাধাৰণতে অবদমন সহ্য নকৰে আৰু গণতন্ত্ৰৰ যুগত কোনোৱে আনতকৈ তলত থাকিব নোখোজে। সুবিধাৰ ফালৰ পৰা সমান সুবিধা পাব লাগে। বিশেষকৈ বৰ্ত্তমান ৰাজনৈতিক সুবিধাৰ পৰা কোনোও প্ৰৱঞ্চিত হব নোখোজে। প্ৰতিটো গোষ্ঠীৰ প্ৰতিনিধিয়েহে তেওঁলোকৰ কল্যাণ সাধন কৰিব বুলি বিশ্বাস কৰে আৰু অন্য জনগোষ্ঠীৰ প্ৰতিনিধিক বিশ্বাসত ল'ব নোৱাৰা এটা অৱস্থাৰ জন্ম হৈছে। তেনে ধাৰণাক ৰাজনৈতিকভাবেও শক্তিশালী কৰা দেখা গৈছে। ৰাজ্য প্ৰশাসনৰ বাবে লগা বহু বিষয়ৰ যোগ্যতা বৰ্ত্তমান প্ৰায় অপ্ৰাসংগিক কৰি পেলোৱা হৈছে। সেইবাবে সংৰক্ষণৰ দাবী অধিক শক্তিশালী কৰা হৈছে। প্ৰতিবাদী কাৰ্যসূচী লোৱা হৈছে আৰু প্ৰয়োজন বোধে ৰক্তাক্ত সংগ্ৰামৰ পথ লোৱা দেখা গৈছে। সন্ত্ৰাসৰ অন্তৰালত অদমন, নিপীড়নৰ বিৰুদ্ধে থকা এক সংগ্ৰামী দৰ্শন নিহিত আছে বুলি অভিহিত কৰিব খুজিছে। এয়া এক মুক্তিৰ বাবে কৰা ন্যায্য আন্দোলন বুলি

বাবে অৰ্থনীতি চুড়মাৰ কৰি দিবলৈ কেন্দ্ৰই অসমক বাধ্য কৰাব নে কি? অসমক আকৌ পৰৰাষ্ট্ৰৰ হাতত তুলি দিবলৈ কেন্দ্ৰই কোনো ভ্ৰূক্ষেপ নকৰিব নে কি? পলাবলৈ হ'লে বা আপদ কালৰ সৃষ্টি হলে নিৰীহ অসমীয়া জনসাধাৰণৰ আশ্ৰয়ৰ স্থল কোন প্ৰান্তত হব? নে হৃদয় বিদাৰক ৰাজনৈতিক ইতিহাসৰ পুনৰ জন্ম হ'ব? এই প্ৰশ্নবোৰৰ বাবেই অসমৰ ভবিষ্যতৰ ৰাজনীতিয়ে এক অভাবনীয় মাত্ৰা লাভ কৰিছে। এই প্ৰশ্নবোৰৰ সঠিক সমাধান গণতান্ত্ৰিক ব্যৱস্থাত গণতান্ত্ৰিক প্ৰমূল্যৰ আধাৰত ৰাজনৈতিকভাবে সম্পাদন হ'ব লাগে, তাত সন্দেহৰ কোনো অৱকাশ নাই। যি ৰাজনৈতিক ব্যৱস্থাই অসমৰ সুৰক্ষা প্ৰদান কৰিব নোৱাৰে বা অসমৰ ভবিষ্যৎ প্ৰজন্মৰ বাবে নিৰাপত্তা নিশ্চিত কৰিব নোৱাৰে সেই ৰাজনীতি অসমবাসীৰ বাবে কোনো কালেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। বৰ্তমান অসম এক ভয়ানক অক্টোপাচৰ কৱলত পৰিছে। এনে অৱস্থাৰ পৰা পৰিত্ৰাণ পাবলৈ অসমবাসী নিজেই সন্ধিৰ বাঁহ বুদ্ধিৰে কাটিব নালাগিবনে? ইয়াৰ বাবে সংকল্প অনিবাৰ্য হ'ব, নহ'লে অসম মাতৃৰ সম্মান ৰক্ষা কৰা কঠিন হ'ব।

বৰ্তমান কেন্দ্ৰ আৰু ৰাজ্যতো সৰ্বভাৰতীয় কংগ্ৰেছ (আই) নেতৃত্বাধীন চৰকাৰ। এনে অৱস্থাতে ৰাজ্যখনে ইতিমধ্যে প্ৰচুৰ মূল্য দিবলগীয়া হৈছে। এই দলেই সমগ্ৰ ভাৰতবাসীৰ অক্লান্ত পৰিশ্ৰম আৰু ত্যাগক স্বাধীনতা সংগ্ৰামৰ বাবে কোনো স্বীকৃতি দিব নোখোজে। মহাত্মা গান্ধীয়ে বৃটিছ ৰাজৰ লগত যি নৈতিক যুদ্ধত অৱতীৰ্ন হ'ল, জীৱনৰ সৰ্বোচ্চ ত্যাগ কৰিলে, তেনেজন লোককো এটা সময়ত উচিত মাত মতাৰ বাবে একাষৰীয়া কৰাটো এতিয়া ঐতিহাসিক সত্য হৈছে।

ভাৰতে স্বাধীনতা লাভ কৰাৰ আগে আগে অসমত কংগ্ৰেছ দলৰ সম্মানীয় নেতা গোপীনাথ বৰদলৈ প্ৰধানমন্ত্ৰী। এইজনা নেতাই অসমক ভাৰতৰ অঙ্গৰাজ্য হিচাবে অন্তৰ্ভুক্ত কৰিবলৈ "With linguistic and cultural identity" ইচ্ছা প্ৰকাশ কৰিছিল আৰু গ্ৰুপিঙত সোমাবলৈ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল। অসম কেনেদৰে নিগৃহীত হ'বলৈ বাধ্য হৈছিল সেই ইতিহাস বৰ্তমানৰ প্ৰজন্মই সঠিকভাবে অধ্যয়ন নকৰা যেন লাগে। অসমৰ কংগ্ৰেছ নেতৃবৃন্দই সেই সময়ত কেন্দ্ৰীয় কমিটী (CWC) ৰ ভুল সিদ্ধান্তৰ বিৰুদ্ধাচৰণ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। অসমৰ জাতীয়তাবাদী সংগঠন অসম জাতীয় মহাসভাৰ সাধাৰণ সম্পাদক অম্বিকাগিৰি ৰায়চৌধুৰী, সদৌ অসম ছাত্ৰ সংস্থাৰ সাধাৰণ সম্পাদক বিশ্বদেৱ শৰ্মাহতে অসমৰ কংগ্ৰেছী নেতৃবৃন্দক কোনো ধৰণৰ আপোচ নকৰিবলৈ প্ৰেৰণা যোগাইছিল। আনহাতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ কংগ্ৰেছী নেতাৰ মন্তব্য আছিল অত্যন্ত নিষ্ঠুৰ।

১৯৪৬ চনৰ ৭ চেপ্তেম্বৰত সেই সময়ৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী জৱাহৰলাল নেহেৰুৰ সাংবাদিক মেলত কৰা মন্তব্য গভীৰভাৱে প্ৰণিধানযোগ্য। তেখেতে কৈছিল "We are perfectly prepared to, and have accepted, the position of sitting

in Sections which will consider the position of Groups". এনে সিদ্ধান্ত গ্ৰহণৰ পিছত সেই বছৰৰে ডিচেম্বৰ মাহৰ ৯ তাৰিখে অবিভক্ত অসমৰ কংগ্ৰেছ নেতৃবৃন্দই CWC ক এনেদৰে বিদ্ৰোহ প্ৰকাশ কৰাৰ সাহস গোটাব পাৰিছিল – "Assam will resist any forcible and compulsory imposition of Constitution as against the cannons of democracy, self determination". সেই সময়ত জাতিৰ পিতা মহাত্মা গান্ধী অসমবাসীৰ কাষত থিয় হৈ যি ভবিষ্যৎবাণী কৰিছিল সেয়া বৰ্তমান প্ৰমাণ হোৱাৰ পথত। তেখেতৰ মন্তব্য বহুবাৰ প্ৰকাশ পোৱা সত্বেও আকৌ উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো কাৰণ এনে উক্তিয়ে আমাৰ অন্তৰৰ নিভৃত কোন স্পৰ্শ কৰে– "if you do not act correctly and timely, Assam will be finished. Assam must not lose its soul. It must uphold it against the whole of the world. Else the world at large will say that Assam had manikins and no men." অসমৰ নিজস্ব সত্তা ৰক্ষা কৰাৰ বাবে এয়া চিৰকালৰ বাবে এক সাৱধান বাণী হিচাবে স্মৰণীয় হৈ নৰবনে ?

১৯৪৭ চনত ভাৰত স্বাধীন হ'ল আৰু অসম গ্ৰুপিঙত অন্তৰ্ভূক্ত নোহোৱাত এক অৱধাৰিত বিপদৰ পৰা ৰক্ষা পৰিল সঁচা; কিন্তু ৰাজ্য চৰকাৰে অসমৰ জনসাধাৰণৰ সম্পূৰ্ণ সহযোগিতা লাভ কৰা সত্বেও নানা দুৰ্যোগৰ মাজত শাসন ব্যৱস্থা আৰম্ভ হৈছিল; কেন্দ্ৰীয় চৰকাৰে প্ৰশাসনক যেন অস্থিৰ কৰি তুলিছিল। সমস্যাবোৰৰ সমাধানৰ বাবে পৰিকল্পনা হাতত লওতে ১৯৫০ চনত অসমলৈ চৰম দুৰ্যোগ নামি আহিল। প্ৰলয়ংকাৰী ভূমিকম্পত অসমৰ বিস্তৰ ক্ষতি সাধন হয় আৰু জাতীয়প্ৰাণ গোপীনাথ বৰদলৈৰ আকস্মিক মৃত্যুত অসমে এজন সাহসী ৰাজনীতিবিদক হেৰুৱাই নিঠৰুৱা হৈ পৰে। সেইসময়ৰ প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে শৰণাৰ্থীৰ সংস্থাপনৰ কাৰণে ৰাজ্য চৰকাৰক কেনে দুৰ্যোগৰ সন্মুখীন কৰাইছিল সেই কথা নবীন ৰাজনীতিকে কি ধৰণে গ্ৰহণ কৰিছে তাক কোৱা টান। অন্ততঃ কংগ্ৰেছ কৰ্মীয়ে জনা উচিত আছিল বুলি আমি গভীৰভাবে অনুভৱ কৰো। আত্মগ্লানিৰে মেটমৰা হৃদয় লৈয়ো কোনো অনুশোচনা প্ৰকাশ নোপোৱাটোৱে ৰাজনৈতিক দৈন্যৰে ইঙ্গিত বহন নকৰেনে ? ক্ষমতাৰ লালসাই ৰাজনীতি কিমান কলুষিত কৰিব পাৰে সেয়া বৰ্তমানৰ অসমৰ ৰাজনীতিয়ে সাক্ষ্য বহন নকৰেণে ? ভাৰতৰ আত্মাৰ লগত অসমৰো আত্মিক সংযোগৰ বাবেই সেই সময়ত অসমে স্বাধীন অসমৰ দাবী উত্থাপন নকৰিলে। ১৯৬২ চনত অসমক ভাৰত ৰাষ্ট্ৰই বিসৰ্জন দিয়াৰ সময়তো অসমে ভাল ভাৰতীয় হোৱাৰ আশাত সাৰ্বভৌমত্বৰ দাবী উত্থাপন কৰা নাই। সাংবিধানিক ব্যৱস্থা উলংঘা কৰি, আইন ব্যৱস্থা কলংকিত কৰি ১৯৮৩ চনত প্ৰৱৰ্ত্তন কৰা IM (DT) Act ৰ বিৰুদ্ধাচৰণ অসমৰ জাতীয় সংগঠনে কৰিছে; কিন্তু ভাৰতীয় সাৰ্বভৌমত্বৰ বিৰুদ্ধাচৰণ কৰা নাই। বৰ্ত্তমান অসম জহান্নামে গ'লেও অসমৰ

ৰাজনীতি এনে এক পৰ্যায়ত উপনীত হৈছে যে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদী স্থিতি গ্ৰহণ কৰিব নোৱাৰা অৱস্থা এটা ৰাজনৈতিকভাৱে সৃষ্টি কৰা হৈছে। এনে প্ৰৱনতাই যে অসমৰ সুৰক্ষা প্ৰদান নকৰে তাক আৰু বহলাই কোৱাৰ প্ৰয়োজন আছেনে? মহাত্মা গান্ধীয়ে ভাৰত স্বাধীন হোৱাৰ সময়ত দ্ব্যৰ্থহীন ভাষাত কেন্দ্ৰীয় নেতৃবৃন্দক কৈছিল যে অসম ভাৰতৰ অঙ্গ ৰাজ্য হ'ব; কিন্তু স্বাধীনতা আৰু স্বকীয়তা অক্ষুন্ন (Independent and autonomous status) ৰাখিহে, নিজস্ব বিসৰ্জন দি নহয়। আজি প্ৰান্তৰে প্ৰান্তৰে পৰিভাষাৰ প্ৰয়োগ বেলেগ বেলেগ হৈছে। কোনোৱে কোনো ধৰণৰ প্ৰতিবাদ কৰিব নোৱাৰিব। সাৰ্বভৌমত্ব (Sovereignty) চুব নোৱাৰা আৰু অপৰিবৰ্ত্তনীয় (Sacrosanet) নহয় বুলি প্ৰতিবাদ কৰা সকলক নিগৃহীত কৰা ব্যৱস্থা আজিও চলি আছে। যুক্তি বা নীতিক বৰ্তমান অসমৰ ক্ষেত্ৰত কেন্দ্ৰই মানি ল'ব নোখোজে। যদি কোনো সিদ্ধান্তই জাতিৰ সৰ্বনাশ কৰে, ভাৰত স্বাধীন হোৱাৰ সময়ত দিয়া প্ৰতিশ্ৰুতি ভঙ্গ কৰে, বা ভাৰতীয় গণতন্ত্ৰই পক্ষপাতিতাৰ সহায়ত কোনো ৰাজ্যৰ অস্তিত্বকে বিলোপ কৰিবলৈ উদ্যত হয় তেনেহ'লে মহামান্য সংসদৰ অসমৰ প্ৰতি কি দায়িত্ব হ'ব আৰু অসমে কেনেদৰে প্ৰতিবাদ কৰিব তাক ৰাজনৈতিকভাৱে নিৰ্দ্ধাৰণ কৰা উচিত নহবনে? তেনে পৰিস্থিতিৰ আগজাননী ইতিমধ্যে প্ৰকাশ পোঁৱা সত্বেও ক্ষমতাৰ মোহত অন্ধ সকলে কুটনীতিৰে ঘেৰা আৱৰ্তৰ মাজতে আবদ্ধ কোথাত সোমাই থাকিলে অসমৰ ভৱিষ্যৎ সুৰক্ষিত হ'বনে?

সঠিকভাৱে বিশ্লেষণ কৰিলে এই কথাই প্ৰতিপন্ন হ'ব যে কেন্দ্ৰীয় চৰকাৰে অসমৰ ওপৰত বলপূৰ্বকভাৱে নিপীড়ন ব্যৱস্থা চলাই আহিছে আৰু এনে ব্যৱস্থা বৃটিছ ৰাজৰ প্ৰায় সমতুল্য। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিশ্বাসহীনতা আৰু বিভেদৰ বীজ ৰোপন কৰি কংগ্ৰেছে কোনো কালে সমাধান কৰিব নোৱাৰা অন্তহীন সমস্যাৰ সৃষ্টি কৰিছে। ইয়াৰ মূল কাৰণ হৈছে, স্বাধীনতাৰ আগৰ কালচোৱাত যেনে ধৰণৰ জাতীয়তাবোধ সম্পন্ন লোকৰ সৃষ্টি হৈছিল তেওঁলোকৰ অবৰ্তমানত তেনে দেশপ্ৰাণ নেতাৰ সৃষ্টি নহ'ল। সৰহভাগ নেতাই নিজস্ব প্ৰতিষ্ঠাৰ বাবে কেন্দ্ৰীয় চৰকাৰ বা দলীয় নেতৃত্বৰ ওপৰত শৰণাপন্ন হোৱাৰ যি হীনমন্যতা তাৰ ফলত ৰাজ্যখনৰ বিকাশ স্তব্ধ হৈ গ'ল, বিভিন্ন প্ৰকাৰে ক্ষতিৰ সন্মুখীন হবলৈ বাধ্য হ'ল, লঞ্চিত হ'ল আৰু দিল্লীৰ ওচৰত আঠু লোৱাটো এটা স্বভাবত পৰিণত হ'ল। কোনো সবল দাবী উত্থাপন কৰিব নোৱাৰা হ'ল, প্ৰতিবাদ দূৰৰ কথা অধিকাংশ নেতা গণবিচ্ছিন্ন। তেওঁলোক সন্মানৰ পাত্ৰ হব পৰা নাই, আদৰ্শ প্ৰতিষ্ঠা বহু দূৰৰ লক্ষ্য। আদৰ্শবিহীন, নীতিভ্ৰষ্ট, আৰু ত্যাগৰ ব্ৰত নোলোৱা কোনো ৰাজনীতি বিদে জনগণৰ মধ্যমণি হ'ব নোৱাৰে আৰু জাতীয় বৃহৎ আন্দোলন গঢ় দিবও নোৱাৰে।

অসমৰ দৰে ভাৰতৰ অন্য ৰাজ্যৰো মৌলিক সমস্যা, সবলতা আৰু দুৰ্বলতাও আছে। অসমৰ ক্ষেত্ৰত বিগত ৫৭ বছৰে ভাৰতৰ সকলো প্ৰধান মন্ত্ৰীয়ে স্বীকাৰ কৰিছে যে ৰাজ্যখন

উপেক্ষিত হৈ ৰৈছে। অসমৰ মানুহৰ স্বাভাৱিক সৰলতাক সৱলীল ভাষাত প্ৰশংসা কৰা দেখা গৈছে' অসমবাসীৰ সৰলতাক স্বীকৃতি প্ৰদান কৰি ৭০ লাখৰ ওপৰৰ বিদেশী নাগৰিক (মানৱ সম্পদক) উপহাৰ দিছে। এনে নাগৰিকক যাতে কোনো প্ৰকাৰে বিদেশী নাগৰিক বুলি চিনাক্তও কৰিব নোৱাৰে তাৰবাবে সংবিধানকে কলঙ্কিত কৰি IM (DT) Act অসমৰ ওপৰত জাপি দিছে। সম্মানৰ চুক্তি Assam Accord কাৰ্যকৰী কৰা নাই আৰু সীমান্ত উন্মুক্ত কৰি ৰখা হৈছে যাতে অসম অদূৰ ভৱিষ্যতত সম্পূৰ্ণৰূপে অস্তিত্ব বিহীন হৈ পৰে। স্বাধীনতাৰ দিন অৱধি সৰ্বভাৰতীয় দল কংগ্ৰেছে প্ৰায় ৪৫ বছৰ কাল শাসনৰ গাদীত বহিল। তেওঁলোকৰ সাফল্যৰ খতিয়ান এখন ব্ৰহ্মপুত্ৰৰ দলং, দুখন বিশ্ববিদ্যালয়, তিনিখনকৈ ইঞ্জিনীয়েৰিং আৰু মেডিকেল কলেজৰ কথা গৰ্বসহকাৰে প্ৰকাশ কৰে। এই দলৰ নেতাসকলৰ অন্য ৰাজ্যৰ সম্পদৰ তালিকা ভাৰত চৰকাৰৰ পৰিসংখ্যা বিভাগে প্ৰকাশ কৰা কথাটো বোধহয় দৃষ্টিগোচৰ হোৱা নাই। পাৰ্থক্য সহজে বুজিব পাৰিলেহেতেন। অসম চুক্তিৰ আধাৰত যিখিনি সম্পদ ৰাজ্যখনে লাভ কৰিলে সিয়ে ৰাজ্যখনৰ অস্তিত্ব ৰক্ষা আৰু জাতীয় সুৰক্ষা প্ৰদান কৰাত কিমান বৰঙণি যোগাব? বিদেশী নাগৰিকৰ হেচাই অসমৰ ৰাজনীতি, অৰ্থনীতি, জনগাথনি, ভাষা-সংস্কৃতিৰ ওপৰত ইতিমধ্যে যি প্ৰভাব পেলাইছে সেই কথাবোৰ ৰাজনৈতিক দলবোৰে উপলব্ধি কৰিব পাৰিছেনে? অবৈধ বিদেশী নাগৰিকে গ্ৰাম্য অৰ্থনীতি কি ধৰণে চূড়মাৰ কৰিছে তাৰ ৰাজনৈতিক বিশ্লেষণ কৰা হৈছেনে? স্থানীয় অসংগঠিত শ্ৰমিক শ্ৰেণীৰ মুখৰ ভাত কোনে কাঢ়ি খাইছে তাৰ প্ৰকৃত হিচাব কোনোবা ৰাজনৈতিক দলৰ চিন্তাবিদে যুগুত কৰিবলৈ কিবা পদ্ধতি অৱলম্বন কৰিছেনে? ভোটাৰক আকৰ্ষণ কৰিবলৈ অশালীন ভাষাৰ প্ৰয়োগৰ দ্বাৰা প্ৰতিপক্ষক সভা সমিতিত থকা সৰকা কৰিলে মূল সমস্যাৰ কিমান সমাধান হ'ব? ৰাজনৈতিক দলবোৰে এই কথাবোৰ বুজি পোৱা নাই বুলি আমি বিশ্বাস নকৰো। অসমৰ সুৰক্ষিত ভৱিষ্যৎ আৰু ভৱিষ্যৎ প্ৰজন্মৰ নিৰাপত্তাৰ বিষয়ে ৰাজনৈতিক দলবোৰে কি কাৰ্যসূচী লৈছে তাক জনসাধাৰণে জনাৰ অধিকাৰ আছে। জনসাধাৰণৰ স্বাৰ্থক বাদ দি, ৰাজ্যৰ অস্তিত্ব বিপন্ন কৰি কেৱল মাত্ৰ বিধায়ক, সাংসদ বা মন্ত্ৰীত্বৰ প্ৰত্যাশাৰে ৰাজনীতি কৰা দলে অসমৰ কল্যাণ সাধন কৰা সম্ভৱ হ'বনে?

স্বাধীন মনোবৃত্তি সম্পন্ন সকলো নাগৰিকে স্বকীয় স্বাধীনতাৰ যি চেতনা তাক সঠিকভাৱে জাগ্ৰত কৰিব নোৱাৰিলে, নিষ্ঠাৰে, সততাৰে আৰু নিৰ্ভিকভাৱে দায়িত্ব পালন কৰা সম্ভৱ নহয়। অসম ভালপোৱা প্ৰতিজন নাগৰিকে উপলব্ধি কৰা ভাল যে কেন্দ্ৰৰ হাতত গচ্ছিত ক্ষমতাবোৰ ৰাজ্যবোৰৰ পৰাহে নিসৃত। ভাৰতীয় গণসত্বাক কোনো ৰাজনৈতিক দলৰ চৰকাৰে অৱমাননা আৰু অপমান কৰিব নোৱাৰে। জনগণৰ মৌলিক স্বাধীনতাৰ ওপৰত কোনো প্ৰকাৰৰ প্ৰত্যক্ষ বা পৰোক্ষ অবদমন প্ৰক্ৰিয়া যাতে নিষ্ঠুৰভাৱে জাপি দিব নোৱাৰে তাৰ বাবেই গণতন্ত্ৰৰ পথ ভাৰতত বাচি লোৱা হৈছিল। অথচ সংবিধানৰ বিৰুদ্ধে

স্বেচ্ছাচাৰিতাৰ আশ্ৰয়ত আজি ব্যভিচাৰী প্ৰক্ৰিয়াক ৰাজনৈতিক লাভালাভৰ বাবে ব্যৱহাৰ কৰা দেখা গৈছে। সংখ্যাধিক্যৰ ৰাজনীতিত আজি অসমৰ নিচিনা ৰাজ্যবোৰৰ কোনো পৰিত্ৰাণৰ পথ নোহোৱা হৈছে। সেইবাবে অসমপ্ৰেমী প্ৰতিজন নাগৰিকৰ আজি দায়িত্ব বৃদ্ধি পাইছে আৰু প্ৰকৃত সেৱক তেওঁলোকৰ মাজৰ পৰাই সৃষ্টি কৰাৰ সময় সমাগত হৈছে। মনত ৰখা ভাল হ'ব যে কোনো ভণ্ডামিৰ আশ্ৰয় লোৱা লোকে মহৎ কাম কৰিব নোৱাৰে আৰু নিম্ন মানসিকতা বিশিষ্ট লোকে গুৰু দায়িত্ব পালন কৰিবও নোৱাৰে। বিভিন্ন ক্ষেত্ৰত নেতৃত্ব দিব পৰা বিচক্ষণ লোক নিৰ্বাচন কৰিব পাৰিলেহে জাতিটোৰ সন্মুখত প্ৰাচীৰ হৈ থিয় হোৱা সমস্যাবোৰৰ সমাধান ওলাব।

অসম আজি অগ্নিগৰ্ভা বহু কাৰণত। মাটিৰ তলত থকা খনিজ তেলকে ধৰি বিভিন্ন সম্পদৰ মালিক কেন্দ্ৰ। ব্ৰহ্মপুত্ৰৰ পানীও উলিয়াই নিয়াৰ বাবে আঁচনি যুগুত কৰি থকা হৈছে। অথচ প্ৰলয়ংকাৰী বানৰ বিভীষিকাই কেন্দ্ৰৰ সমস্যা হিচাবে স্বীকৃতি লাভ নকৰে। প্ৰতি বছৰে বানত হোৱা ক্ষতিৰ পৰিমাণ অতি কমেও ২৫০০ কোটি টকা হ'ব। ২০০ কোটি টকাৰ বান সাহায্য পালে মুখ্যমন্ত্ৰীয়ে গৰ্ববোধ কৰে আৰু প্ৰধানমন্ত্ৰীৰ সমৰ্থনত কথা কয় আৰু নিন্দাৰ পাত্ৰ হয়। বানৰ কবলত মৃত্যুবৰণ কৰা মানুহৰ দাম চৰকাৰী হিচাবত নধৰে। ব্ৰহ্মপুত্ৰক দ্বিতীয় ৰাষ্ট্ৰীয় জলপথ হিচাবে কাগজতহে লিপিবদ্ধ কৰা হৈছে। এক চুৰান্ত প্ৰতাৰণা। অথচ ব্ৰহ্মপুত্ৰ হৈছে অসমৰ আয়ুৰেখা। বিদ্যুতৰ অভাবত অসমে হাবু ডাবু খাইছে। হাইড্ৰো পাৱাৰৰ প্ৰচুৰ সম্ভাবনাও আছে। এই খণ্ডত কোনো বৃহৎ পৰিমাণৰ ধনৰ বিনিয়োজনৰ পৰিকল্পনা নাই। কেপটিভ পাৱাৰতে চৰকাৰ সন্তুষ্ট থাকে। ৫০০০ আৰক্ষীৰ নিযুক্তিৰ বাবে আবেদনকাৰী প্ৰায় ১০ লাখৰ ওচৰা ওচৰি হ'ব বুলি খবৰৰ কাগজত প্ৰকাশ পাইছে। নিবনুৱা সমস্যাই কেনে ৰূপ ধাৰণ কৰিছে চৰকাৰে অনুভব কৰিব পৰা নাইনে? যি কোনো মুহূৰ্ত্ততে বিদ্ৰোহ আৰম্ভ নহ'বনে? অথচ ৰাজ্য চৰকাৰে কোনো নিয়োগ নীতি, উদ্যোগ নীতি, কৃষিনীতি বা ব্যৱসায়িক নীতি আজিকোপতি নিৰ্দ্ধাৰণ কৰিব পাৰিলেনে? অসম প্ৰাকৃতিক সম্পদত চহকী। কি কাৰণে উদ্যোগ গঢ় লৈ নুঠিল? মাটি সাৰুৱা। কিয় কৃষি এক অৱলম্বন হ'ব পৰা নাই। অসমত চাহ বাগান আছে, অসমীয়াৰ নিয়ন্ত্ৰণত নাই কিয়? অসমৰ বননী, কেন্দ্ৰীয় চৰকাৰৰ সম্পদ। সকলো ফৰেষ্ট বিজাৰ্ভত বিদেশী নাগৰিক গিজ গিজাই আছে আৰু বননি নিশেষ হৈছে। অসমৰ মনমোহা দৃশ্যাৱলীয়ে কেন্দ্ৰীয় মন্ত্ৰীক, বিমোহিত কৰে, মন্ত্ৰমুগ্ধ কৰে; কিন্তু পৰ্যটন গঢ় নলয়। অসমৰ বাঁহ-বেতে অৰ্থনীতিৰ উন্মেষ ঘটাব পাৰে বুলি অৰ্থনীতিবিদৰ মত। কাৰখানা কিন্তু অসমত গঢ় লোৱাৰ সম্ভাৱনা নাই। বিত্তীয় অনুষ্ঠানবোৰ আছে। অসমৰ যুৱক-যুৱতীৰ কৰ্ম সংস্থাপনৰ বাবে ঋণ আৰু প্ৰশিক্ষণৰ ব্যৱস্থা হৈ নুঠে। অসমৰ শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে বিধ্বস্ত অৱস্থাপ্ৰাপ্ত হৈছে। এই ক্ষেত্ৰত সৰিয়হৰ ভুলিতে ভুত। সৰ্বনিম্ন স্তৰৰ পৰা সৰ্ব্বোচ্চ স্তৰলৈ সকলো

প্ৰক্ৰিয়া মানৱ সম্পদ নিৰ্মাণৰ পৰিপন্থী। চৰকাৰী সাহায্য প্ৰাপ্ত প্ৰায় সকলো শিক্ষানুষ্ঠান মৃত্যুৰ দুৱাৰ দলিত। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে তাৰ স্থান অধিগ্ৰহণ কৰাত দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে শিক্ষা আহৰণ অসম্ভৱ হৈ পৰিছে. অসমৰ গুৱাহাটী বাৰিষাৰ সময়চোৱাত কি ৰূপ ধাৰণ কৰে সিয়েই চৰকাৰী স্বৰূপ প্ৰকাশ নকৰেনে? উদাৰীকৰণ অসমৰ নিচিনা ৰাজ্যৰ বাবে এক অভিশাপ হৈছে। বয়বস্তুৰ মূল্যবৃদ্ধিয়ে জীৱন দুৰ্বিষহ কৰিছে। ৰাজ্যৰ সীমা সমস্যা গাপ দি ৰাখি শান্তি কিনিব নোৱাৰি। জনগোষ্ঠীয় সমস্যাবোৰো ফটা কাপোৰেৰে জুই ঢাকি ৰখাৰ দৰেহে হোৱা দেখা গৈছে। সন্ত্ৰাসবাদে ৰাজ্যখনৰ সমস্যাত এক নতুন মাত্ৰাৰ সংযোজন ঘটাইছে। অন্য আৰু অসংখ্য সমস্যা ৰাজ্যখনত যে আছে তাক জনা কথা। তাৰ ভিতৰত এই দুনীতিও আছে।

এই সমস্যাবোৰ কিন্তু ৰাজনৈতিকভাবেহে চম্ভালিব পৰা হ'ব। প্ৰতিটো বিষয় নিষ্পত্তি কৰিবলৈ বিচক্ষণ ৰাজনীতিকৰ প্ৰয়োজন নহ'বনে? এয়া ৰাজনৈতিক মতাদৰ্শৰ কেবল বিষয় হ'ব নোৱাৰে। দলমত নিৰ্বিশেষে ৰাজ্যখনৰ ভবিষ্যৎ সুৰক্ষাৰ স্বাৰ্থত অসম বিৰোধী বা অসমৰ স্বাৰ্থৰ প্ৰতিকুলে যোৱা সকলো প্ৰচেষ্টা ব্যৰ্থ কৰিব পাৰিলে অসমৰ ভবিষ্যতৰ প্ৰজন্মৰ নিৰাপত্তা নিশ্চিত হ'ব। নহ'লে সময়ে আমাক ক্ষমা নকৰিব।

১১

জুচে ঃ জাচুচং - Jachusong

(গণতান্ত্রিক প্ৰমূল্য)

ভাৰতবৰ্ষৰ নিচিনা এখন ঐতিহ্যমণ্ডিত ৰাষ্ট্ৰ যে বাৰম্বাৰ আক্ৰমনৰ সন্মুখীন হ'ব লগীয়া হৈছিল, প্ৰায় কোনো বিশেষ প্ৰত্যাহ্বানৰ সন্মুখীন নোহোৱাকৈয়ে এমুঠি বনিয়াৰ কুট কৌশলৰ হাতত পৰাস্ত হৈ পৰাধীনতা বহন কৰিবলৈ বাধ্য হৈছিল তাৰ প্ৰধান কাৰণ আছিল সৰহ সংখ্যক ভাৰতীয়ই নিজৰ আত্মবিশ্বাস হেৰুৱাব লগা পৰিস্থিতিৰ জন্ম হৈছিল। প্ৰায় দুশ বছৰীয়া পৰাধীনতা আৰু সাম্ৰাজ্যবাদী শাসন ব্যৱস্থাত ভাৰতীয় গণশক্তিক প্ৰায় সম্পূৰ্ণৰূপে অধিকৃত নাগৰিকৰ দৰে ব্যৱহাৰ কৰাত তেওঁলোকৰ সম্ভাবনীয়তা যি পৰিমাণে ক্ষতিগ্ৰস্ত হ'ল তাৰ পুনৰউদ্ধাৰ কাৰ্য ভয়ানক কষ্টসাধ্য হ'ব বুলিয়ে বিশ্বাস হয়। মহাত্মা গান্ধীৰ অবদানক ভাৰতীয় স্বাধীনতা আন্দোলনত যেনে ধৰণে প্ৰদৰ্শন কৰা হৈছে তাতকৈ সহস্ৰ গুণ অধিক শক্তিশালীকৈ প্ৰকাশ পালেহে কিজানি ভাৰতীয় নাগৰিকৰ মজ্জাগত হোৱা বৌদ্ধিক, শাৰীৰিক, সামাজিক, অৰ্থনৈতিক, নৈতিক আৰু ৰাজনৈতিক দুৰ্বলতা পৰিহাৰ কৰি এক মহাশক্তি হিচাবে পৰিচয় দিয়াৰ সুযোগ লাভ হ'লহেতেন।

ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক প্ৰমূল্যৰ আধাৰত প্ৰতিষ্ঠিত প্ৰজাতন্ত্ৰ হিচাবে যি ব্যৱস্থা লোৱা হ'ল সেয়া বৰেণ্য লোক সকলৰ মহৎ চিন্তাৰ যে প্ৰকাশ তাত সন্দেহৰ কোনো অৱকাশ নাই। জনগণৰ বিকাশৰ বাবে, ৰাষ্ট্ৰখনৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে, সাৰ্বভৌমত্বৰ সুৰক্ষাৰ বাবে সমাজবাদৰ প্ৰেৰণাত উদ্বুদ্ধ হ'বলৈ, মানবীয় মূল্যবোধৰ সৰ্বোৎকৃষ্ট পাবলৈ যিবোৰ সংকল্প সংবিধানত সন্নিবিষ্ট কৰা হ'ল আৰু লক্ষ্য সমূহ আহৰণ কৰিবলৈ যিবোৰ প্ৰক্ৰিয়া ৰখা হ'ল সেইবোৰ বিগত প্ৰায় চাৰে ছয় দশককাল গভীৰভাবে ৰাষ্ট্ৰীয় পৰ্যায়ত বিশ্লেষণ কৰা নহ'ল আৰু যি যৎসামান্য কৰা হ'ল তাৰ দ্বাৰা মূল লক্ষ্য আহৰণ ক্ৰমে আতৰি যোৱা দেখা গ'ল। ফলস্বৰূপে এনে কিছুমান পৰিস্থিতিৰ সৃষ্টি কৰা হ'ল যাৰ পৰিণতিত ভাৰতৰাষ্ট্ৰৰ সমন্বিত বিকাশ আৰু জনগণৰ সামূহিক বিকাশ প্ৰায় অসম্ভৱ হৈ পৰিল। জনগণে জনগণৰ মাজৰ পৰা জনগণৰ বৃহত্তৰ স্বাৰ্থৰ বাবে গণতান্ত্ৰিকভাৱে প্ৰতিনিধি নিৰ্বাচনৰ ক্ষেত্ৰতেই আটাইতকৈ গুৰু দায়িত্ব নিহিত থাকে আৰু আমাৰ গণতন্ত্ৰই কিমান বিচক্ষণতাৰে ভাৰতবাসীৰ বাবে বিভেদবিহীন সেৱা আগবঢ়াব পৰাকৈ বিধায়ক, সাংসদ নিৰ্বাচিত কৰিলে সেয়া কাৰো অবিদিত নহয়। আমাৰ গণতন্ত্ৰৰ এটা প্ৰধান দুৰ্বলতা চিন্তাশীল

লোক সকলে অনুভব নকৰাকৈ থকা নাই। সেয়া হৈছে প্ৰতিনিধি সকলে অনন্ত কালৰ বুকুত নিৰ্দ্ধাৰিত লক্ষ্য সমূহ কেতিয়াবা পূৰণ কৰিব পৰা হ'ব বুলি বিশ্বাস কৰে; কিন্তু ব্যক্তিগত আকাংক্ষাৰ অনন্ত তৃষ্ণা নিজৰ জীৱন কালতে সম্পূৰ্ণ কৰাৰ দুৰ্বাৰ আশা ভাৱী কালৰ গৰ্ভত লুকাই থকা সুযোগৰ বাবে অপেক্ষা কৰাটো নিতান্তই অৰাজনৈতিক আদৰ্শ হ'ব বুলি ভাবে। সেইবাবে সৰ্বজন গ্ৰহণযোগ্য নোহোৱা আৰু তুলনামূলকভাৱে বিশেষ পাৰদৰ্শিতা নথকাকৈয়ো ৰাজনৈতিক দলৰ নিজস্ব বাচনিত উঠিবলৈ সকলো পথ অতিক্ৰম কৰি প্ৰাৰ্থীত্ব প্ৰত্যাশীক উদ্‌বাউল আৰু উদ্বিগ্ন কৰা দেখা গৈছে। এনে প্ৰবণতা অসমকে ধৰি ভাৰতৰ সকলো ৰাজ্যতে কম বেছি পৰিমাণে দেখা গৈছে। এয়া মানবীয় চৰিত্ৰ হিচাবেই পৰিগণিত হৈছে। সমাজ সেৱাৰ ভিন্ন পন্থা থাকিলেও ৰাজনৈতিকভাবে সেৱা কৰাৰ পদ্ধতি অন্ততঃ ভাৰতত বহুতে অধিক ফলপ্ৰসু বুলি বিবেচনা কৰে আৰু সেইবাবেই ৰাজনীতি কৰা মানুহৰ প্ৰচণ্ড ভিৰ হোৱা দেখা গৈছে। তাৰ প্ৰধান কাৰণ হিচাবে দেখা গৈছে যে চমকপ্ৰদ সাফল্য অৰ্জন কৰিবলৈ অন্য প্ৰকাৰৰ সমাজ সেৱাত বিশেষ অৰ্হতাৰ প্ৰয়োজন আছে, ৰাজনীতিত দেখা গৈছে যে কোনো প্ৰকাৰৰ অৰ্হতা নহলেও ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী, সাংসদ, বিধায়ক হ'ব পাৰি। তাৰ বাবে যিবোৰ প্ৰতিযোগিতাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে ভাবিলে তবধ মানিব লাগে। ইয়াৰ অন্তৰ্নিহিত কাৰণবোৰ বিভিন্ন ধৰণে আলোচনা আৰু সমালোচনা নোহোৱাকৈ থকা নাই। আদৰ্শভ্ৰষ্ট আৰু ব্যক্তিস্বাৰ্থত নিমজ্জিত হোৱা বুলি বহুতক থকা সৰকাও কৰা হৈছে। যিবোৰ অত্যন্ত ব্যক্তিগত কথা বুলি সভ্য সমাজত বৰকৈ আলোচনা কৰাটো গৰ্হিত কাম বুলি বিবেচনা কৰা হয় তেনে বিষয়বোৰ মুকলি কৰি বহুতকে নগ্ন ৰূপত প্ৰকাশ কৰাটো আজি কালি সাধাৰণ ঘটনা হিচাবে গ্ৰহণ কৰা দেখা গৈছে। তেনে আদৰ্শহীন নেতা সকলে আকৌ নিন্দনীয় কাম কৰাত কোনো ধৰণৰ লজ্জাবোধ কৰি সমাজ জীৱন ত্যাগ কৰাও বৰকৈ চকুত পৰা নাই। বহুতে আকৌ তেনেবোৰ কাহিনীক "গ্লেমাৰ হিৰো"ৰ আঙ্গিক হিচাবেই লব বিচাৰে। কুখ্যাত আৰু আদৰ্শভ্ৰষ্ট বুলি বিবেচিত ব্যক্তিয়ে অলংকাৰ হিচাবে বিবেচিত হৈ যায়। দুৰ্নীতিত সম্পূৰ্ণৰূপে পোত খাই থকা ক্ষমতাৰ অংশীদাৰ লোকক সম্বৰ্দ্ধনা অনুষ্ঠানত প্ৰদান কৰা বন্দনাপত্ৰবোৰ তাৰ উৎকৃষ্ট উদাহৰণ। যি সকলে সহস্ৰবছৰ তপস্যাত নিমগ্ন হৈ এনে সন্মান আশা কৰিব নোৱাৰে, বিখ্যাত গবেষক দাৰ্শনিকে জীৱনজোৰা সাধনাৰে তেনে বিৰল বন্দনা আশা কৰিব নোৱাৰে তেনে সন্মান আজি ৰাজনীতিকে লাভ কৰিবলৈ সক্ষম হৈছে। কোন এনে ৰাজনীতিক আছে যিয়ে ইয়াৰ বাবে আনক সহজে বাট এৰি দিব খোজে? ৰাজনীতিয়ে আজি এনে স্তৰত উপনীত হোৱা দেখা গৈছে য'ত প্ৰাইমাৰী স্কুলৰ শিক্ষা সাং নকৰা ব্যক্তি শিক্ষামন্ত্ৰী, উচ্চমাধ্যমিক স্তৰ অতিক্ৰম নকৰা লোক গৃহমন্ত্ৰী, স্বাক্ষৰ নজনা লোক মুখ্যমন্ত্ৰী হৈ ৰাজ্য পৰিচালনা কৰা দেখা গৈছে। যিবোৰ অতি গুৰুত্বপূৰ্ণ বিষয় গভীৰ অধ্যয়ন

নোহোৱাকৈ নিয়াৰিকৈ সম্পাদন কৰা সহজ কাম নহয় বুলি নিশ্চিত হৈছে সেইকামত যেতিয়া অভিজ্ঞতা নথকা লোকক দায়িত্ব অৰ্পন কৰা হয় তেওঁলোকে নিজকে কি ৰূপত আবিষ্কাৰ কৰিব তাক সহজে বুজিব পাৰি। সেইবাবে ভাৰতীয় গণতন্ত্ৰই নাগৰিকক বিধান সভাৰ সদস্য, সাংসদৰ পদ লাভ কৰিবলৈ এক অন্তহীন তৃষ্ণা উপহাৰ হিচাবে প্ৰদান কৰিছে। ডিগ্ৰী আহৰণ কৰা ব্যক্তিয়ে কেৱল যোগ্য সমাজ সেৱক হব পাৰে সেই কথা আমি প্ৰতিপন্ন কৰিব খোজা নাই; কিন্তু সমাজৰ মহৎ হিত সাধন কৰিব পৰাৰ যিবোৰ প্ৰাথমিক যোগ্যতা সেইখিনি থাকিলেহে মহৎ লক্ষ্যবোৰ আহৰণ হ'ব পাৰে। অৰ্হতাবিহীন লোকৰ হাতত সমাজৰ প্ৰগতি সাধন কৰিবলৈ ক্ষমতা অৰ্পণ কৰিলে তেওঁলোকে কাৰ ওপৰত নিৰ্ভৰশীল হ'ব? তথাস্তু, দৃষ্ট হৈছে (Seen), যি ধৰণে প্ৰস্তাৱ কৰা হৈছে (as proposed) আদি মন্তব্যৰে এটা গভীৰ বিষয় চম্ভালিব পাৰিনে?

ভাৰতীয় সংবিধানে বিধান সভা, লোক সভা আৰু ৰাজ্য সভাৰ সদস্য পদ লাভ কৰিবলৈ যি কেইটা প্ৰাথামিক চৰ্ত বান্ধি দিছে তাত আনুষ্ঠানিক শিক্ষাগত অৰ্হতাৰ কোনো উল্লেখ নকৰিলে। ভাৰতীয় নাগৰিক হিচাবে স্বীকাৰোক্তিত চহী কৰাটো ব্যধ্যতামূলক। নিৰ্বাচনী আয়োগে শিক্ষিত লোকসকল প্ৰতিনিধি হোৱাটো বিচাৰে। তেওঁলোকৰ বিৰুদ্ধে কোনো ধৰ্ষণৰ অপৰাধজনিত ক্ৰিয়া কলাপ থাকিব নালাগে। তেওঁলোকে নিৰ্বাচিত হৈ ভগবানৰ নামত শপত খাব লাগে যে তেওঁলোকে সাৰ্বভৌমত্বৰ বিৰুদ্ধে আৰু সংবিধানৰ বিপৰীতে কোনো কাম নকৰিব।

ৰাজনীতিক সম্পূৰ্ণৰূপে অপৰাধীকৰণ প্ৰক্ৰিয়াৰ পৰা মুক্ত কৰিবলৈ ৰাষ্ট্ৰজুৰি সৰৱ প্ৰতিবাদ কৰা হৈছে যদিও অপৰাধীয়ে আইনৰ দুৰ্বলতাৰ সুযোগ লৈ ৰাজনীতিত প্ৰৱেশ কৰিছে। অপৰাধ প্ৰবনতাই সকলো স্তৰ অতিক্ৰম কৰিবলৈ সক্ষম হোৱা দেখা গৈছে আৰু তাৰ্কিক সকলৰ বাক যুদ্ধৰ সঠিক ৰায় বহুক্ষেত্ৰত ন্যায়া পালিকাই দিব নোৱাৰাত অপৰাধীকৰণ কমক চাৰি বৃদ্ধি হোৱা দেখা গৈছে। হত্যাকাৰী সাংসদ হৈছে, কোটি কোটি টকাৰ কেলেংকাৰী কৰা লোক ৰাষ্ট্ৰৰ মন্ত্ৰী হৈছে আৰু বিচাৰকো এই ক্ষেত্ৰত বাদ পৰা নাই। সেইবাবে বহুতো দাগী লোকৰ বাবে ৰাজনীতি এক আশ্ৰয় স্থল হৈছে, কিয়নো ক্ষমতাত থকা কোনো ভাৰতীয়ই আজিলৈ ফাঁচী কাঠত উঠা নাই আৰু সৰহভাগেই অগাধ সম্পত্তিৰ মালিক হৈছে। তেনে অপৰাধী লোকে সমাজত অভাবনীয় সন্মান, সম্পদ আৰু ক্ষমতাৰ মালিক হৈ যোৱাৰ সৌভাগ্য হৈছে। অৰ্থাৎ বৰ্তমানৰ ৰাজনৈতিক প্ৰক্ৰিয়াটোৱে সমাজ জীৱন ইমান কলুষিত কৰি পেলাইছে যে তাৰ পৰা পৰিত্ৰাণ পোৱাৰ কোনো লক্ষণ প্ৰতিভাত হোৱা নাই। ৰাজনীতিৰ প্ৰভাবে দেশৰ বিকাশ সাধনৰ মূল লক্ষ্য, ব্যক্তিৰ সৰ্বোচ্চ বিকাশ সম্ভৱ কৰাৰ প্ৰতিজ্ঞা সম্প্ৰতি সম্পূৰ্ণৰূপে এক অলিক কল্পনাত বাহিৰে আন একো নহয় বুলিয়ে ভাবিবৰ থল আছে।

প্ৰাসঙ্গিক হ'ব বুলি ভাবি আমি উত্তৰ কোৰিয়াৰ "জুচে-জাচুচং - jachusong" এক উচ্চস্তৰৰ আদৰ্শৰ কথাৰ সামান্য অৱতাৰণা কৰিব বিচাৰিছোঁ৷ আমি লোকসভাৰ সাংসদ হৈ থাকোতে সেই সময়ৰ লোক সভাৰ অধ্যক্ষ শ্ৰীপি. এ. চাংমাৰ সৈতে সংসদী দলৰ এজন সদস্য হৈ কেইবাখনো ৰাষ্ট্ৰলৈ যোৱাৰ এটা সুযোগ মিলিছিল। উত্তৰ কোৰিয়াৰ ৰাজধানী পিয়ংইয়ং চহৰত আমি কেইটামান দিন উত্তৰ কোৰিয়াৰ স্বাধীনতা আন্দোলন, স্বাধীন উত্তৰ কোৰিয়াৰ ৰাজনৈতিক দৰ্শন আদি অধ্যয়ন কৰিবলৈ সাধাৰণ সুবিধা হৈছিল। উত্তৰ কোৰিয়াৰ গণৰাজ্য (Republic) আৰু ভাৰতীয় গণতন্ত্ৰৰ [Democratic Republic) মাজত ভালেমান কাৰ্যকৰী আৰু আদৰ্শগত পাৰ্থক্য আছে।

কুৰি শতিকাৰ মাজ ভাগতে সমগ্ৰ কোৰিয়া ৰাষ্ট্ৰখন কেনেকৈ পুৰি ছাই কৰি পেলোৱা হৈছিল তাৰ বিবৰণ ইয়াত উপস্থাপন কৰিব খোজা নাই। এটা দেশপ্ৰাণ আৰু নিৰ্ভিক জাতিক যে বোমা বিস্ফোৰণৰ দ্বাৰা আৰু মাৰণাস্ত্ৰেৰে নিশ্চিহ্ন কৰি দিব নোৱাৰি তাৰ আন এক উদাহৰণ হল উত্তৰ কোৰিয়া গণৰাজ্য। এইখন গণৰাজ্যৰ সৰ্বকালৰ বাবে যিজন লোক দেৱতা হিচাবে পূজিত হৈ ৰব সেইজন হল প্ৰয়াত ৰাষ্ট্ৰপতি কিম্‌ইল্ চুং। তেওঁৰ প্ৰায় জীৱন্ত ৰূপত ৰক্ষা কৰা সম্পূৰ্ণ অৱয়বৰ প্ৰতিকৃতিত প্ৰতিদিনে হেজাৰ হেজাৰ লোকে মূৰ দোৱাই চকুপানী আজিও টোকে। কিম্ ইল্ চুঙে প্ৰতিষ্ঠা কৰা কোৰিয়া গণৰাজ্যখনৰ যিখন সংবিধান সেই সংবিধানত লিপিবদ্ধ কৰা কোনো নীতি পৰৱৰ্তী কোনো ৰাষ্ট্ৰপতিয়ে সলনি কৰিব পৰা ব্যৱস্থা নাই। আনকি তেওঁৰ নিজৰ ল'ৰা কিম্ জং ইল্ ৰাষ্ট্ৰপতি হোৱাৰ পিছতো আৰু পিতৃৰ আদৰ্শ সম্পূৰ্ণ ৰূপে উপলব্ধি কৰিব নোৱাৰা পৰ্যন্ত তেওঁৰ যিমানখিনি ক্ষমতা তাক প্ৰয়োগ কৰিব নোৱাৰা ব্যৱস্থা ৰাখিহে ৰাষ্ট্ৰপতি নিৰ্বাচন কৰা হৈছিল। সেই অৱস্থা আজিও অপৰিবৰ্তিত হৈ আছে। সকলোবোৰ কথা এটা প্ৰবন্ধৰ সহায়ত প্ৰকাশ কৰা সম্ভৱ নহ'ব। তথাপি কোৰিয়া গণৰাজ্যৰ মূল প্ৰশাসনীয় দৰ্শন ১৯৮২ চনত ৰাষ্ট্ৰনিৰ্মাতা কিম্ ইল চুঙৰ ৭০ তম জন্ম বাৰ্ষিকী উদ্‌যাপনৰ সময়ত প্ৰকাশ কৰা স্মৃতি গ্ৰন্থত সন্নিবিষ্ট কৰা "জুচে" ত উল্লেখ কৰা হৈছে।

'জুচে' দৰ্শনৰ প্ৰতিষ্ঠাতা কিম্ ইল্ চুং নিজেই। বিস্তৃত বাস্তৱ অভিজ্ঞতা আৰু গভীৰ তাত্বিক অনুভৱৰ পৰা সঞ্চয় হোৱা ধাৰণাৰ আধাৰত ৰাষ্ট্ৰৰ পুনৰ নিৰ্মাণৰ বাবে কেনে পদ্ধতি অৱলম্বন কৰিলে প্ৰকৃতাৰ্থত এখন বিকশিত ৰাষ্ট্ৰ হ'ব পাৰে তাক উত্তৰ কোৰিয়াৰ ৰাষ্ট্ৰীয় সদনত উত্থাপন কৰিছিল। সুদীৰ্ঘ ৫০ বছৰ কালৰ গভীৰ অধ্যয়ন, আত্মগোপন কৰি আগবঢ়োৱা এক বৃহৎ জাতীয় আন্দোলনৰ বাস্তৱ অভিজ্ঞতা, নানা নিৰ্যাতন ভোগ আৰু অন্তহীন কায়ক্লেশৰ দুৰ্ভোগ সহ্য কৰি এই মহান নেতাজনে এখন প্ৰগতিশীল ৰাষ্ট্ৰৰ সুদৃঢ় বুনিয়াদ গঢ়ি তুলিছে। তাৰ প্ৰথম আৰু প্ৰধান বিষয়টো হৈছে নিপীড়িত আৰু লাঞ্ছিত জনগণে যিদিনা অনুভৱ কৰিব পাৰিব যে যেতিয়ালৈকে তেওঁলোকে নিজৰ যোগ্যতা

প্ৰতিপন্ন কৰি এদিন নিজৰ আৰু ৰাষ্ট্ৰৰ ভাগ্য নিৰ্ণয় কৰাৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হোৱা নাই সেই সময় সমুপস্থিত নোহোৱা পৰ্যন্ত তেওঁলোক থমকি ৰব নোৱাৰিব। অব্যাহত প্ৰচেষ্টাৰে সম্পূৰ্ণ মুক্ত আৰু বিকশিত ৰাষ্ট্ৰ নিৰ্মাণৰ গৰাকী হব উত্তৰ কোৰিয়াৰ জনগণ। এনে প্ৰেৰণা ভাৰতীয় গণতন্ত্ৰৰ ৰক্ষক সকলে আজিকোপতি প্ৰতিষ্ঠিত কৰিব পৰা নাই। সম্পূৰ্ণ স্বাধীন ৰাষ্ট্ৰ নিৰ্মাণৰ ফলশ্ৰুতি সেইদিনাহে উপলব্ধ হব যিদিনা ৰাষ্ট্ৰৰ প্ৰতিজন নাগৰিকে ৰাষ্ট্ৰ নিৰ্মাণৰ কামৰ অংশীদাৰ হোৱা বুলি আত্ম প্ৰত্যয় জন্মিব। এই আত্মবিশ্বাস সৰ্বহাৰা সকলে জীৱন আৰু সম্পত্তিৰ মালিক হোৱাৰ অনুভৱ হিচাবে বিবেচিত নহ'ব বা সম্পদৰ সমবিভাজন প্ৰক্ৰিয়াৰে উপভোগ কৰাৰ ব্যৱস্থা হিচাবেও বিবেচিত নহয়। ই হ'ব এক স্বতঃস্ফূৰ্ত্ত অভিনব আন্দোলন আৰু ইয়াৰ ফল হ'ব প্ৰতিজন নাগৰিকে নিজক আৰু ৰাষ্ট্ৰক পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত লোৱা সংকল্প। ইয়াৰ সুফল হ'ব এক স্থায়ী ব্যৱস্থা। এই পদ্ধতিটো প্ৰতিজন কৰ্মী আৰু নাগৰিকে হৃদয়ঙ্গম নকৰা পৰ্যন্ত, ইয়াৰ সত্য উপলব্ধি নকৰা পৰ্যন্ত আগুৱাই লৈ গৈ থকাটো অত্যন্ত জৰুৰী বুলি বিবেচিত হ'ব। এটা সময় আহিব যিদিনা প্ৰতিজন নাগৰিকে ৰাষ্ট্ৰনিৰ্মাণৰ কামত অভিন্ন হৈ পৰিব। তেওঁলোকে ইয়াক মাৰ্ক্সীয় বা লেনিনীয় দৰ্শনৰ সমাৰ্থক নহয় বুলি দৃঢ়তা প্ৰকাশ কৰে; পুজিবাদ আৰু সাম্ৰাজ্যবাদৰ কোনো দৰ্শনকে এই ধাৰণাত ঠাই দিয়া হোৱা নাই; পুজিবাদ বা সাম্ৰাজ্যবাদ ধ্বংস কৰি হোৱা মুক্তাৱস্থা লাভৰ পদ্ধতিও নহয়। অৱশ্যে বিকশিত সমাজবাদৰ ধাৰণা ইয়াত নিহিত থাকে। সমাজবাদৰ প্ৰেৰণাৰে উদ্বুদ্ধ ভাৰতীয় সংবিধানে আজি পৰ্যন্ত ৰাষ্ট্ৰ নিৰ্মাণত ভাৰতবাসীক - কাৰ্যক্ষম আৰু দায়বদ্ধ নাগৰিক হিচাবে প্ৰয়োগ কৰাত বহুলাংশে বিফল হোৱা যেন লাগে।

"জুচে'ৰ আন এটা প্ৰধান দিশ হ'ল এই যে শাৰীৰিক শ্ৰমৰ সহায়তে যিহেতু অধিকাংশ লোক জীৱন নিৰ্বাহত ব্ৰতী সেই সকল লোকেই বিশেষভাবে অনুভৱ কৰা উচিত যে তেওঁলোকৰ অংশ গ্ৰহণৰ সহায়তহে এখন শক্তিশালী আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ নিৰ্মাণ হ'ব পাৰে। এনে সৎ প্ৰচেষ্টাৰ বিৰুদ্ধে যিবোৰ শক্তিয়ে কাম কৰিব পাৰে তাৰ বিষয়ে সম্পূৰ্ণ সজাগ থাকি সংগ্ৰাম আগবঢ়াই নিয়াটো অবধাৰিত লক্ষ্য হিচাবে বিবেচনা কৰে। ইয়াৰ প্ৰধান কাৰণ হৈছে যে তেওঁলোকৰ স্বাধীন সত্তাটো নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি থাকিব লাগিব। ৰাষ্ট্ৰ নিৰ্মাণত কোনো প্ৰকাৰৰ ভ্ৰষ্টাচাৰৰ স্থান নাথাকিব। পৃথিৱীৰ বিভিন্ন প্ৰান্তত হোৱা স্বাধীনতা আন্দোলনৰ ইতিহাস তেওঁলোকে অধ্যয়ন কৰাটো 'জুচে'ৰ এক অংশ বিশেষ।

কোৰিয়াৰ আন্দোলনৰ মুখ্য পটভূমি স্বাধীনতা আৰু তাকে উপাৰ্জন কৰা পদ্ধতি হ'ল এক ইতহাস আৰু তাৰ ওপৰত ভেটি কৰি নিৰ্মাণ কৰিব খোজে পৰৱৰ্ত্তী ইতিহাস আৰু সেই ইতিহাস হ'ব এক বীৰ বিক্ৰম জাতিৰ সংগ্ৰামী ইতিহাস তেওঁলোকে অধ্যয়ন কৰাটো 'জুচে'ৰ এক অংশ বিশেষ।

তাত জন্মসুত্রে মানুহক বিভাজন কৰা নহ'ব। সকলোৰে প্ৰতি সমান ন্যায় আৰু সুবিধা প্ৰদান কৰি দেশ নিৰ্মাণ কৰা হ'ব। ১৯২০ চনত কমিউনিষ্ট আৰু নেশ্যনেলিষ্টসকলে লোৱা পদক্ষেপ সফল নোহোৱা বুলি তেওঁলোকে বিবেচনা কৰে।

আত্মউপলব্ধিৰ জৰিয়তে জাতীয় জীৱন সমৃদ্ধ কৰাৰ বাবে মানুহক লগা স্বাধীন আৰু নিৰ্ভিক মনোবৃত্তি গঢ়িবলৈ তেওঁলোকৰ মহত্বপূৰ্ণ দৰ্শন হ'ল "জাচুচং -Jachusong"। ই হ'ল মানবীয় উৎকৰ্ষ সাধনৰ এক ইতিহাস। ইয়াৰ নিহিত অৰ্থ হ'ল জনগণৰ সৰ্বনিম্ন স্তৰৰ পৰা সৰ্ব্বোচ্চ স্তৰলৈ যেতিয়া সকলোৱে অনুভৱ কৰিব পাৰিব তেওঁলোকৰ নিজস্ব শক্তিৰ বিষয়ে, ৰাষ্ট্ৰৰ বাবে থকা দায়িত্বৰ বিষয়ে তেতিয়া তেওঁলোকেই হ'ব পাৰিব শক্তিশালী ৰাষ্ট্ৰ নিৰ্মাতা। এই কাম অৱশ্যে ভীষণ কঠিন আৰু তাৰ নেতৃত্ব বহন কৰাজন হ'ব লাগিব কিম্ ইল্ চুঙৰ দৰে ব্যক্তিত্ব সম্পন্ন। Flunkeyism আৰু Comintern ৰ হেঁচাত বিব্ৰত হোৱা কথাবোৰ তেওঁলোকে মনত ৰাখিছে। "that a man is the master of everything and decides everything" এনে আদৰ্শত গুৰুত্ব স্থাপন কৰিছে। তেওঁলোকে সামাজিক বিৱৰ্তনৰ ইতহাস ৰচনা কৰোতে সংশ্লিষ্ট আইনবোৰ আপোনা আপুনি গঢ় লৈ উঠিব বুলি বিশ্বাস কৰে। কোনো আত্মসন্মান বোধ থকা ৰাষ্ট্ৰই আক্ৰমন (যিকোনো প্ৰকাৰৰ), অধিগ্ৰহণ, উৎপীড়ন, প্ৰতাৰণা, প্ৰবঞ্চনা, পশ্চাদঘাতী কাৰ্য আৰু নিজৰ ক্ষমতা উপলব্ধি কৰিব নোৱাৰি ছদ্মবেশত প্ৰৱেশ কৰা ষড়যন্ত্ৰক সমৰ্থন কৰিব নোৱাৰে। ভাৰত এই মহান ৰাষ্ট্ৰখনৰ পুনৰ নিৰ্মাণৰ কাম আধৰুৱা হোৱাৰ প্ৰধান কাৰণ হৈছে আমি নিজস্ব শক্তিক সঠিক ৰূপত আজিও প্ৰতিষ্ঠিত কৰিব পৰা নাই।

১২

ভয় লগা সন্ত্ৰাসৰ অনুভৱ

অসমৰ আজি প্ৰতিটো সন্ধিয়া গুলীবদ্ধ আৰু প্ৰতিটো প্ৰভাত বাৰুদৰ গোন্ধেৰে পৰিবৃত। স্মৰণীয় দিবসবোৰ, উৎসৱবোৰ মৃত্যু গোন্ধৰ দ্বাৰা সংপৃক্ত। অথচ অসম চিৰকালৰ এখন শান্তি পূৰ্ণ ৰাজ্য হিচাবে এক প্ৰতিষ্ঠা লাভ হৈছিল। ৰাজ্যখনত পৰ্বত পাহাৰ, নদী-উপনদী, সমতল ভূমি, চিৰ সেউজ ঘন বননি, অপৰ্যাপ্ত প্ৰাকৃতিক সম্ভাৰ ভৰি আছিল। মানৱ সভ্যতাৰ পৰিবৰ্তনশীল প্ৰক্ৰিয়াবোৰ ইয়াতো গঢ়ি উঠিছিল। বিভিন্ন জাতি উপজাতিৰ লোক ইয়াত বাস কৰিছিল। প্ৰতিযোগিতা কম আছিল বাবে অসূয়া অশান্তি কম আছিল। এই অনন্য প্ৰান্তলৈ চামে চামে মানুহৰ সোঁত বৈছিল আৰু যিসকল আহিছিল, সেই সকল উভতি যাব খোজা নাছিল। স্তৰে স্তৰে ভিন্ন সংস্কৃতি, সংস্কাৰ, সভ্যতা আৰু সমাজ ব্যৱস্থাও গঢ় লৈছিল। বহুতে পুৰণি এৰিছিল, নিজা বাদ দি স্থানীয় সংস্কৃতি-সভ্যতাৰ লগত অভিন্ন হৈ পৰিছিল। সভ্যতা লাহে লাহে সলনি হৈছিল। কোনো কোনোৱে নিজস্ব এৰিব খোজা নাছিল। সামান্য জঞ্জাল মাজে সময়ে হৈছিল। লাহে লাহে সমন্বয় গঢ়ি উঠিল। এৰাধৰাৰ মাজেৰে এখন ৰাজ্য এটা জাতি গঠনৰ প্ৰক্ৰিয়া ক্ৰমে আগবাঢ়িছিল। ভাৰতীয় আত্মা এটাৰ প্ৰৱৰ্তন হৈছিল। মহাপুৰুষ সকলৰ অৱদান, ৰজা-মহাৰজাৰ দায়িত্ব পালন আৰু বৰেণ্য লোকসকলৰ নিষ্ঠা আৰু অকৃত্ৰিম সেৱাৰ ফলত এটা ঈৰ্ষণীয় সভ্যতা আৰম্ভ হৈছিল। ভিন ভিন সাহিত্যৰ সৃষ্টি হৈছিল। ভাষাই লাহে লাহে পৰিপূৰ্ণতাৰ ফালে আগবাঢ়িছিল। স্বতঃস্ফূৰ্তভাৱে আৰু কোনো প্ৰকাৰৰ প্ৰভাব বিস্তাৰ নকৰাকৈয়ে বৰ অসম আৰু এটা অসমীয়া জাতিসত্তাই খোপনি পুতিছিল। এটা সময়ত অসমীয়া ভাষা সকলো জনগোষ্ঠীয় লোকৰ ভাব প্ৰকাশৰ বাহন হৈছিল। ঋষি-মুনিৰ তপোবন গঢ়ি উঠিছিল। মঠ মন্দিৰ দেৱালয়বোৰৰ প্ৰতিষ্ঠা হৈছিল। নামঘৰ সত্ৰবোৰ নিৰ্মাণ হৈছিল। লাহে লাহে মছজিদ, গুৰুদ্বাৰ আৰু গীৰ্জাঘৰ নিৰ্মাণ হৈছিল। ধৰ্মীয় অনুভুতিক চৰম আঘাত কৰি সমাজ ব্যৱস্থা প্ৰৱৰ্তন হোৱা নাছিল। ক্ষমতাৰ দ্বন্দ্ব তেতিয়ালৈকে অত্যান্ত সীমিত আছিল।

অসমৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনত ১৮২০ চনটো ভয়ানক দুৰ্যোগৰ বছৰ হিচাবে পৰিগণিত হৈ ৰ'ব। মানৱ বৰ্বৰ আক্ৰমণত সেই সময়ছোৱাত অসমৰ জনসংখ্যা প্ৰায় আধা হৈ যায়। অসংখ্য লোক মৃত্যুৰ মুখত পৰে আৰু প্ৰাণৰ ভয়ত অসংখ্য লোক পলায়ন কৰে। বীৰ অসমীয়া জাতিৰ বাবে এনে অপ্ৰত্যাশিত আক্ৰমণ আছিল ভয়ানক

ক্ষতিকাৰক। ১৮২৬ চনটো অসমবাসীৰ স্বাধীনতা অপহৰণ কৰাৰ বাবে এক দুৰ্যোগপূৰ্ণ বছৰ। ৰাজনৈতিক সন্ত্ৰাসৰ আৰু সম্প্ৰসাৰণৰ এয়া বহিঃপ্ৰকাশ। এই সন্ত্ৰাস কিমান ভয়াবহ আৰু কিমান ধ্বংসাত্মক হৈছিল তাক আজিৰ প্ৰজন্মই যেন সঠিকভাবে উপলব্ধি কৰিব পৰা নাই তেনে ধাৰণাই মনলৈ আহে। সাম্ৰাজ্যবাদী আৰু সম্প্ৰসাৰণবাদী মনোবৃত্তিৰে পৰিপুষ্ট সন্ত্ৰাসে মানুহৰ নিৰ্ভিক সত্তা আৰু স্বাধীনতাক কেনেদৰে ধ্বংস কৰি দিব পাৰে, তাক সঠিকভাবে উপলব্ধি যেন আমি আজিও কৰিব পৰা নাই। এনে সন্ত্ৰাসে মগজু বিকৃত কৰিব পাৰে আৰু মজ্জালৈকে খাই পেলাব পাৰে।

সাম্ৰাজ্যবাদী আৰু সন্ত্ৰাসবাদী সকলে বিশ্বাস কৰিলে যে অবদমন প্ৰক্ৰিয়াৰে পৃথিৱী জয় কৰিব পাৰি। পশ্চিমীয়া সাম্ৰাজ্যবাদী ইতিহাসত পৃথিৱী বিজয় কৰি সমগ্ৰ বিশ্বৰ অধীশ্বৰ হোৱাৰ সপোন মেচিদনৰ ৰজা ফিলিপচৰো আছিল। পিতৃৰ আধৰুৱা কাম আলেকজেণ্ডাৰে সম্পন্ন কৰাৰ পৰিকল্পনা কৰিছিল। নেপোলিয়ন বোনাপাৰ্টে এনে আশা কৰিছিল। বৃটিছ সাম্ৰাজ্যৰ হীৰাখচিত মুকুট পৰিধান কৰা সম্ৰাট আৰু সাম্ৰাজ্ঞীসকলেও এনে প্ৰৱণতাক সমৃদ্ধ কৰিছিল। অন্য ৰাষ্ট্ৰয়ো সম্প্ৰসাৰণবাদৰ নীতি আজিও ত্যাগ কৰা নাই। অসমো এনে সম্প্ৰসাৰণবাদীৰ কবলৰ পৰা ৰক্ষা নপৰিল আৰু আজিও এই ৰাজ্যৰ ওপৰত লোলপু দৃষ্টি অব্যাহত আছে।

জাৰ্মান ৰাষ্ট্ৰ নিৰ্মাতা হিচাবে অটোভন বিস্মাৰ্কৰ এটা প্ৰখ্যাতি আছে। তেখেতে লৌহযন্ত্ৰ আৰু ৰক্তাক্ত সংঘৰ্ষৰ সমৰ্থক বুলি জনা গৈছিল। কোনো সন্দেহ নাই যে যন্ত্ৰই যেনেকৈ সভ্যতাৰ নব দিগন্তৰ উন্মেষ ঘটাইছে তেনেদৰে সভ্যতা ধ্বংস কৰিব পৰা সামৰ্থ্য ই ৰাখিছে। ৰক্তাক্ত সমৰ আৰু লোমহৰ্ষক আগ্ৰাসনৰ দ্বাৰা ইতিমধ্যে পৃথিৱীৰ বহুতো নিৰীহ আৰু অৰ্থনৈতিক ভাবে দুৰ্বল ৰাষ্ট্ৰৰ ওপৰত আক্ৰমণ সংঘটিত হৈছে। লক্ষ লক্ষ লোক মৃত্যুৰ মুখত পৰিছে। বহুতৰ বাবে সন্ত্ৰাসক এক শিল্প হিচাবে লোৱা দেখা গৈছিল। আজিও তাৰ অন্ত পৰা নাই। আপাত দৃষ্টিত এনে সন্ত্ৰাসৰ মুখ্য কাৰণ হৈছে ক্ষমতাৰ অন্তহীন দম্ভ, অমানৱীয় আত্মপ্ৰসাদ আৰু নিষ্ঠুৰতাৰ জয়োল্লাস। প্ৰাধান্য বিস্তাৰৰ জৰিয়তে বহুতে ঐশ্বৰিক নিৰ্দেশ পালনৰ কথাও সময়ে সময়ে ঘোষণা কৰা উদাহৰণ পৃথিৱীত বিৰল নহয়। ইউৰোপীয় দেশ বিলাকত প্ৰতিষ্ঠা আৰু প্ৰাধান্য বিস্তাৰৰ সংঘাত কেইবাশতিকা জোৰা আৰু আজিও তাৰ অন্ত হোৱা নাই। ইংলেণ্ড আৰু আয়াৰলেণ্ডৰ মাজত চলা যুদ্ধখন সাত শ পঞ্চাচ বছৰীয়া। অসংখ্য সম্ভাবনাপূৰ্ণ যুবকে দেশৰ মৰ্যাদা ৰক্ষাৰ হকে আত্ম বলিদান দিছে। ১৯১৪-১৯১৮ চনৰ মহযুদ্ধত লক্ষ লক্ষ লোক মৃত্যুৰ মুখত পৰিল। মিত্ৰশক্তি আৰু জাৰ্মান শক্তিৰ প্ৰকৃত পৰিচয় পুনৰ মানৱতা হনন। পৰৱৰ্তী কালত আগ্ৰাসনৰ নতুন পদ্ধতি আৰম্ভ হৈছে। পৰাজিত জাতিৰ যুদ্ধবন্দী আৰু অন্যান্য সকলক ভৃত্য বা 'ডোগো' কৰি সমস্যাৰ সৃষ্টি কৰাতকৈ এতিয়া কেৱল সম্পদ আহৰণ কৰাৰ এক নতুন আগ্ৰাসন নীতি চলি আহিছে।

ভাৰতবৰ্ষও সেই লক্ষ্যৰ বাহিৰত অৱস্থিত নহয়। অৰ্থনৈতিকভাবে পৰাধীন কৰি ৰাখিব পৰা কৌশলে মানুহক মেৰুদণ্ডবিহীন কৰিব পৰা ক্ষমতা ৰাখে। স্বাধীন মনোবৃত্তি সম্পন্ন লোকৰ ওপৰত এয়া এক মাৰাত্মক সন্ত্ৰাস।

অসমত চাহ বাগান খোলাৰ সময় ১৮৫৫ চনত আৰম্ভ হয়। আমেৰিকা আৱিষ্কাৰৰ পিছত তাত ইউৰোপীয় দেশবোৰৰ মাটি দখল কৰাৰ যি উদ্যোগ তেনে এক উদ্যোগ আৰম্ভ হৈছিল চাহাবসকলৰ অসমৰ মাটিত চাহ বাগান প্ৰতিষ্ঠা কৰাৰ। আমেৰিকালৈ অনা বনুৱা সকল পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ। আফ্ৰিকাৰ নিগ্ৰোসকলক, বৰ্তমানে অস্ত্ৰৰ পৰা অসমলৈ যি পদ্ধতিৰে কণী আমদানি কৰে, প্ৰায় তদৰূপ পদ্ধতিৰে জাহাজেৰে আমেৰিকালৈ অনা হৈছিল। অসমৰ চাহ বাগানবোৰত স্থানীয় শ্ৰমিকসকলে কাম কৰিব খোজা নাছিল। কাৰণ শ্ৰমৰ লগতো সন্মান জড়িত থাকে। এই বনুৱা সকল মুখ্যতঃ বিহাৰ, উৰিষ্যা, উত্তৰ প্ৰদেশ আৰু মধ্য প্ৰদেশৰ পৰা আমদানি কৰা হৈছিল। বাগানবোৰ চোৰাচিতা কৰা বাবুসকলৰ সৰহভাগ পশ্চিমবঙ্গৰ। শ্ৰমিক আমদানি কৰাৰ দায়িত্ব আৰু এজেন্ট নিয়োগ তেওঁলোকেই কৰিছিল। বনুৱাবোৰ প্ৰথমতে পাঁচ বছৰীয়া গিৰমিটীয়া কুলি আছিল। এই বনুৱাসকলৰ ওপৰত অভাৱনীয় যন্ত্ৰণা আৰু নিপীড়ন জাপি দিয়া হৈছিল। পিছলৈ কুলিবোৰ নিজ ৰাজ্যলৈ উভতি নগৈছিল। বহুতে পেটৰ ভোক গুচাবলৈ চাহ শ্ৰমৰ উপৰিও কৃষি কৰ্ম কৰিবলৈ বাধ্য হৈছিল। বহুতে চাহ বাগানৰ বনুৱাৰ কাম বাদ দি কৃষি আৰু কৃষি শ্ৰমৰ আশ্ৰয় লৈছিল। বাগানৰ বনুৱাৰ দুৰ্গতিৰ বিৰুদ্ধে কেতিয়াবা সামান্য প্ৰতিবাদ হৈছিল আৰু তাৰ উত্তৰ বন্দুকেৰে দিয়া ঘটনা অলেখ। বাচি থকাৰ বাবে কেনে সন্ত্ৰাস মূৰ পাতি লৈছিল ভাবিলে আচৰিত হ'ব লাগে। ১৯০১ চনৰ পৰা ১৯৩১ চনলৈ অসমলৈ মুঠ ১০,৬০,০০০ বনুৱাক আমদানি কৰা হয় আৰু এই সময়ছোৱাত চাহ বনুৱাৰ কাম বাদ দি কৃষি শ্ৰমৰ দ্বাৰা জীৱন নিৰ্বাহ কৰা লোকৰ সংখ্যা হয় ৫,০০,০০০। মুঠ ১৫,৬০,০০০ জন বনুৱা, ১৯২১ চনৰ অসমৰ মুঠ জনসংখ্যা ৫১,৫৭,০০০ ৰ ৩০ শতাংশ হয়গৈ। ১৯৭১ চনত অসমৰ লোক পিয়লে প্ৰকাশ কৰা মতে চাহ বাগানৰ বনুৱা ২০,০০,০০০, বাংলাদেশ (আগৰ পূৰ্ব পাকিস্তান) ৰ পৰা অহা মুছলমান ৩০,০০,০০০, হিন্দু শৰণাৰ্থী সংখ্যা ১৫,০০,০০০ আৰু ভাৰতৰ অন্য প্ৰান্তৰ পৰা অহা লোকৰ সংখ্যা ২০,০০,০০০। মুঠ প্ৰব্ৰজনকাৰীৰ সংখ্যা হয়গৈ ৮৫,০০,০০০ আৰু ই অসমৰ মুঠ জনসংখ্যাৰ ৫৭ শতাংশ। এই সময়ছোৱাত অসমৰ জনসংখ্যাৰ বৃদ্ধি হয় ২০৯.৬১ শতাংশ আৰু সমগ্ৰ ভাৰতৰ বৃদ্ধি আছিল ১১৮.০২ শতাংশ। এই পৰিসংখ্যাৰ সঠিক তথ্য অসম চৰকাৰৰ হাতত আছে। এই বৃহৎ প্ৰব্ৰজনে ৰাজ্যখনৰ সামগ্ৰিক স্বাৰ্থত কেনে সমস্যাৰ সৃষ্টি কৰিছে আৰু কেনে ধ্ৰৱণৰ সন্ত্ৰাস ইয়াৰ ফলত উদ্ভৱ হ'ব পাৰে তাক নিৰ্মোহভাবে বিচাৰ কৰা উচিত নহবনে? ২০০১ চনৰ লোক পিয়লে ৰাজ্যখনৰ সমস্যা যে অধিক জটিল আৰু ভয়াবহ কৰি তুলিছে তাক উলাই কৰাৰ কোনো

উপায় নাই। ইয়াৰ ফলত কেনে পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে -

(১) ৫৭ শতাংশ লোক একত্ৰিত হ'লে অসমৰ বিভিন্ন জনগোষ্ঠীক ৰাজনৈতিকভাৱে ক্ষমতাচ্যুত কৰিব পাৰে।

(২) অসমৰ অৰ্থনীতি বিশেষকৈ গ্ৰাম্য অৰ্থনীতি চুড়মাৰ হৈ যাব পাৰে।

(৩) ভাষা সংস্কৃতিৰ ওপৰত অভাৱনীয় আক্ৰমণ হ'ব পাৰে।

(৪) বহুতো সৰু সৰু জনগোষ্ঠী মৃত্যুৰ মুখত পৰিব পাৰে।

(৫) ৰাজ্যিক সুৰক্ষা আৰু ভাৰতীয় সাৰ্বভৌমত্ব বিঘ্নিত হ'ব পাৰে।

(৬) ৰাজ্যখনৰ ভৱিষ্যৎ বুলি কোনো অস্তিত্ব নাথাকিব পাৰে আৰু

(৭) প্ৰয়োজন বোধ কৰিলে কেন্দ্ৰীয় চৰকাৰে তথা পূৰ্বাঞ্চল বিসৰ্জন দিয়াৰ পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে।

এই বিষয়বোৰ এজন আততায়ীৰ বন্দুকেৰে দেখুৱা সন্ত্ৰাসৰ তুলনাত হেজাৰ গুণ ভয়ানক আৰু এনে সন্ত্ৰাসৰ জন্ম আজি অসমত হৈছে। ইয়াৰ বাবে দায়ী কোন হ'ব? সম্পদ আহৰণৰ লালসাই ১৯০১ চনত বৃটিছ চৰকাৰে পাৰস্যৰ তৈলভাণ্ডাৰ নিজৰ হাতলৈ নিছিল আৰু তাৰ পিছত চৰকাৰে এইখন সভ্য ৰাষ্ট্ৰৰ ওপৰত বেদখল দিছিল। ১৯০১ চনত অসমৰ ডিগবৈত তেল শোধানাগাৰ আৰু ইতিমধ্যে স্থাপন কৰা চাহবাগানৰ সমস্ত লাভ বৃটিছ চৰকাৰে নিজৰ দেশৰ বিকাশত প্ৰয়োগ কৰিছিল। ৰাজ্যখনৰ সম্পদ লুণ্ঠনৰ ব্যৱস্থা স্বাধীন ভাৰত ৰাষ্ট্ৰই একে পদ্ধতিৰে কৰি থকা দেখা গৈছে। ৰাজ্যখনক নিশকটীয়া আৰু পৰমুখাপেক্ষী কৰা হৈছে। তাৰ প্ৰতিবাদ কৰিলে অসমবাসীক বিচ্ছিন্নতাবাদী বুলি আখ্যা দিয়া হৈছে। প্ৰতিবাদ স্তব্ধ কৰা আসুৰিক প্ৰক্ৰিয়াৰ বিৰুদ্ধে সৰৱ হ'লে ৰাজ্যখনৰ সমস্ত প্ৰগতি কেন্দ্ৰীয় চৰকাৰে বন্ধ কৰি দিছে। ৰাজ্যবাসীক হত্যাকাৰী সজোৱা হৈছে আৰু বৰ্বৰ বুলি উপলুঙা কৰা হৈছে। ৰাজ্যখনৰ ওপৰত এক অৰ্থনৈতিক সন্ত্ৰাস জাপি দিয়া হৈছে। আত্মসন্মান আৰু জীয়াই থকাৰ অধিকাৰ প্ৰতিজন নাগৰিকৰ মৌলিক অধিকাৰ। যেতিয়ালৈকে পক্ষপাতিত্ববিহীনভাৱে এই অধিকাৰ ব্যৱহাৰ কৰিব পৰা নহ'ব তেতিয়ালৈকে ন্যায়ৰ প্ৰতিষ্ঠা নোহোৱাটো প্ৰতিপন্ন হ'ব। যেতিয়ালৈকে অন্যায়ৰ অৱসান নহ'ব তেতিয়ালৈকে সন্ত্ৰাস চলি থাকিব। যেতিয়ালৈকে সন্ত্ৰাস যি কোনো পদ্ধতিৰে প্ৰয়োগ কৰাৰ ব্যৱস্থা থাকিব, তেতিয়ালৈকে প্ৰতি সন্ত্ৰাসৰ প্ৰকাশ ঘটিবই। ৯/১১ তাৰিখে নিউইয়ৰ্কৰ ট্ৰেড চেন্টাৰৰ সুউচ্চ আট্টালিকা দুটা যেতিয়া খহি পৰিল তাৰ প্ৰতিক্ৰিয়া কিমান ভীষণ হ'ল, তাক পৃথিবীবাসীয়ে দেখিছে। লণ্ডনৰ টিউব ৰেলত বোমা বিস্ফোৰণ, ইৰাকৰ ঘটনা সমূহ সন্ত্ৰাসৰ একো একোটা প্ৰকাশ। কাশ্মীৰত চলি থকা অবিৰত সন্ত্ৰাসৰ আজিও অন্ত পৰা নাই। পূৰ্বাঞ্চলত যি সন্ত্ৰাসৰ অগনি জ্বলিছে সি নিৰ্বাপিত হোৱাৰ কোনো লক্ষণ প্ৰতিভাত হোৱা নাই। সকলো প্ৰকাৰৰ সন্ত্ৰাসৰ কাৰণ নিশ্চয়কৈ একে নহয়, কিন্তু সাধাৰণ ধাৰণাত যিসকলে

বহু অপেক্ষা কৰি ন্যায়ৰ পৰা প্ৰবঞ্চিত হৈ সীমাহীনভাবে প্ৰতাৰণাৰ বলি হৈছে বুলি ভাবে-তেওঁলোকে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে প্ৰতিক্ৰিয়া কেতিয়াবা প্ৰতিহিংসা পৰায়নো হ'ব পাৰে আৰু সুবিচাৰ নাপালে আত্মজাহৰ দৰে পন্থাও অবলম্বন কৰা দেখা গৈছে। আত্মহত্যাও সন্ত্ৰাসৰে এটা প্ৰকাৰ আৰু যি কোনো সভ্য জগতত তাৰ প্ৰভাৱ কম হ'ব নোৱাৰে

ভাৰতবৰ্ষ এখন সাৰ্বভৌম ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰখনৰ কোনো অংশই বৈষম্যৰ বলি হোৱা অনুচিত। সংবিধানে নিশ্চিত কৰা ন্যায়ৰ পৰাও কোনোৱে বঞ্চিত হ'ব নালাগে। সকলো ৰাজ্য সমান সন্মানৰ অধিকাৰী হোৱাটোৱে সকলোৰে কাম্য হোৱা উচিত তেনে অৰ্থতে বৰ্তমানলৈ অসম আৰু সেই অৰ্থতে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ অনুভৱ কিমান পুতৌলগা ভাবিলে হতাশ হ'ব লাগে। মাননীয় উচ্চতম ন্যায়ালয়ে অসম যে এটা আক্ৰমণৰ সন্মুখীন হৈছে তাক সোঁৱৰাই দিব লগা ঘটনা কম বেদনাদায়ক হ'ব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰে অসমৰ জ্বলন্ত সমস্যাবোৰ সমাধান কৰক চাৰি সমস্যাৰ সৃষ্টি কৰা কাৰ্যক কোনোৱে সমৰ্থন নকৰে।

খিলিঞ্জীয়া, ভূমিপুত্ৰ, আদিবাসী, স্থায়ী বাসিন্দা, ভাৰতীয় নাগৰিক আদি শব্দবোৰ নিৰৰ্থক নহয় আৰু প্ৰতিটো শব্দৰ একোটা অভিব্যঞ্জনো আছে। এই শব্দবোৰৰ সময়ে সময়ে মৰ্মস্পৰ্শী অনুভূতি প্ৰকাশ পাই আহিছে। সেই অনুভূতিবোৰৰ প্ৰতি কোনো কল্যাণকামী ৰাষ্ট্ৰ উদাসীন হোৱা উচিত নহয়। কাৰণ ভাৰত স্বাধীন হোৱাৰ সময়ৰ পৰা নিৰ্যাতন শেষ হোৱা বুলি ভাৰতীয় লোকে আত্ম প্ৰত্যয় লাভ কৰিছিল। তেনে আত্ম বিশ্বাস চূড়মাৰ কৰাটো উচিত হ'বনে? সহস্ৰ বছৰ ধৰি নিজস্ব ভাষা, সংস্কৃতিত জীয়াই থকাৰ পদ্ধতি আৰু বিশ্বাসৰ ওপৰত আক্ৰমণ হ'লে প্ৰতিক্ৰিয়া প্ৰকাশ পোৱাটো নিতান্তই স্বাভাৱিক। দুৰ্ভিক্ষ সদৃশ অৱস্থাৰ সুযোগ গ্ৰহণ কৰি কোনো লোকক যদি ধৰ্মান্তৰ কৰিবলৈ ষড়যন্ত্ৰ গঢ়ি উঠে, বিক্ষোভ হোৱাটো অৱধাৰিত অৰ্থনৈতিকভাবে পিচপৰা, সম্বলবিহীন আৰু প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰা বুলি যদি কোনো জনগোষ্ঠীক মূল্যহীন কৰি দিবলৈ চেষ্টা কৰা হয়, ভূমিৰ ওপৰত চক্ৰান্তমূলকভাবে বেদখল কৰাৰ পদ্ধতি আৰম্ভ হয় আৰু ভোটৰ সহায়ত ক্ষমতা দখলৰ বাবে সন্দেহযুক্ত নাগৰিকক খিলিঞ্জীয়া সজোৱাৰ ভুৱা গণতন্ত্ৰৰ মন্ত্ৰ উচ্চাৰণ কৰা হয় তাক দেশদ্ৰোহৰ নামান্তৰ বুলি গণ্য কৰা উচিত নহ'বনে? নিৰীহ লোকৰ ওপৰত আজি অসমত আৰু পূৰ্বাঞ্চলৰ ৰাজ্যৰ ওপৰত তেনে এক সন্ত্ৰাস বিৰাজ কৰা কাৰ্য ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে দেখা পোৱা নাই নে? এনে সন্ত্ৰাসৰ পৃষ্ঠপোষক কোন?

আজিৰ পৰা পঞ্চাছ বছৰমান আগলৈ অসমীয়া যুৱকে একো সংস্থান লাভ কৰিব নোৱাৰিলে 'মাটি আছে খেতি কৰি খাম' আৰু যুৱতীসকলে 'হাত আৰু তাঁতেৰে' জীৱন জিনিম বুলি গৰ্ব অনুভৱ কৰিব পৰা অৱস্থা আছিল অসমবাসীৰ ভূমিপুত্ৰ আৰু খিলঞ্জীয়াৰ

পৰম সম্পদ আছিল ভূমি। মৰিলেও নিজ ভূমিত সৎকাৰ হোৱাটো আশা কৰিছিল। আজি ভূমিপুত্ৰসকলক বেদখল কৰাৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। 'ভাৰতীয় গণতান্ত্ৰিকত্ব' পদ্ধতিৰে খিলঞ্জীয়াৰ জীয়াই থকাৰ অধিকাৰ-অপহৰণ কৰাৰ পথ মুকলি কৰা হৈছে। প্ৰতিবাদ কৰিলে অসমৰ বাবে সুকীয়া আইন প্ৰণয়ন কৰি মুক আৰু বধিৰ কৰি ৰখাৰ ব্যৱস্থা লৈছে। বিচ্ছিন্নতাবাদী, সন্ত্ৰাসবাদী আৰু নৰহত্যাকাৰী ৰূপে সজোৱা হৈছে।

প্ৰতিজন খাটি খোৱা লোকৰ শ্ৰমৰ বিনিময়ত উপাৰ্জন কৰা ধনেৰে ৰাজকোষ পূৰণ হয়। ৰাজকোষৰ নিয়ন্ত্ৰক সকলে নিজে কোনো ধন আহৰণ নকৰে আৰু যেতিয়া কৰে জনগণৰ মূৰৰ ওপৰত ঋণৰ বোজা জাপি দি। সেই সকলো ধন ৰাইজৰ হিতৰ বাবেহে ব্যৱহৃত হ'ব লাগে। সমাজবাদৰ প্ৰেৰণাত উদ্বুদ্ধ হৈ, গণতন্ত্ৰৰ প্ৰমূল্যক সম্মান কৰি ব্যৱধান আৰু বৈষম্যবিহীন সুষম সামাজিক ব্যৱস্থা এটাৰ প্ৰবৰ্তন হ'ব বুলি বৰ আশা কৰা হৈছিল। অথচ আজিও কোটি কোটি লোকৰ মুখত দুবেলা দুমুঠি ভাত, লজ্জা নিবাৰণৰ বাবে এহাত কাপোৰ, ৰদ-বতাহ-বৰষুণৰ পৰা ৰক্ষা পাবলৈ এটি পঁজা ঘৰ, মানসিক অন্ধকাৰ নাশ কৰাৰ বাবে সুশিক্ষা আৰু জীৱন ৰক্ষাৰ বাবে সামান্য স্বাস্থ্য সেৱা প্ৰবৰ্তন কৰিব পৰা নহ'ল। কাৰ বাবে প্ৰশাসন ব্যৱস্থা? আৰ্তনাদ কৰা শিশুৰ ক্ৰন্দন, মাতৃৰ চকুৰে বৈ যোৱা অন্তহীন অশ্ৰুধাৰা, কাতৰ ৰুগ্নদেহৰ অধিকাৰী সকলে কেনে সন্ত্ৰাসত জীৱন নিৰ্বাহ কৰিছে তাক প্ৰশাসন ব্যৱস্থাই এবাৰো ভাবি চাইছেনে? যিসকলৰ প্ৰতাৰণাত জনজীৱন আজি অস্থিৰ, যিসকলে ভোকাতুৰৰ মুখৰ ভাত অন্যায়ভাবে কাঢ়ি খালে, সহস্ৰাধিক ভিতৰুৱা গাঁও আজিও বিচ্ছিন্ন বাট, পথ, দলঙৰ ব্যৱস্থা নোহোৱা কাৰণে, বানৰ কবলত পৰি যিসকলে মৃত্যুদূতৰ ভয়ত কঁপে, গৰাখহনীয়াই যেতিয়া লক্ষ লক্ষ লোকৰ জীৱনলৈ হাহাকাৰ নমাই আনে, চৰকাৰী ধনৰ অবাধ লুণ্ঠনে প্ৰগতি প্ৰতিহত কৰে, কাৰ্যালয়ৰ অবাধ দুৰ্নীতিয়ে জীৱন দুৰ্বিষহ কৰি তোলে, সেইবোৰ কাৰ্যই কেনে ত্ৰাসৰ সৃষ্টি কৰি আছে তাৰ সম্যক উপলব্ধি আজিও হোৱা নাই যেন লাগে। সৰহভাগ সন্ত্ৰাসৰ কাৰণ হৈছে বিশুদ্ধ প্ৰৱঞ্চনা, প্ৰতাৰণা আৰু বিশ্বাসঘাতকতা। সকলো সন্ত্ৰাসৰ অন্ত হ'ব লাগে। যেতিয়া অবিচাৰৰ অন্ত পৰে ষড়যন্ত্ৰ কমে, সত্য আৰু শুদ্ধ বিচাৰ প্ৰবৰ্তন হয় তেতিয়াহে সন্ত্ৰাসৰ অৱসান ঘটিব। সম্প্ৰতি সামন্তবাদ, সাম্ৰাজ্যবাদ, সম্প্ৰসাৰণবাদ, পুঁজিবাদ, আগ্নেয়াস্ত্ৰবাদ, মাৰণাস্ত্ৰবাদ আৰু চৰম দুৰ্নীতিবাদে মানৱতাবাদক কোঙা কৰি পেলাইছে। আমাক এখন সন্ত্ৰাসমুক্ত সমাজ লাগে। বৃহৎ সন্ত্ৰাসৰ বুকুতে ক্ষুদ্ৰ সন্ত্ৰাসবোৰে জন্ম লাভ কৰে।

১৩

দুৰ্যোগৰ অন্ত আজিও নপৰিল

সংঘাতবহুল অসমখনত দুৰ্যোগৰ অন্ত আজিও নপৰিল। কাল শণিয়ে ধৰা অসমৰ বুকুত লেলিহান শিখা মেলি জুইয়ে যেন সকলো পুৰি চাৰখাৰ কৰিবলৈ উদ্যত। এই বহ্নিশিখা নিৰ্বাপিত কৰিবলৈ যেন আজি কাৰো আহৰি নাই। বহুতে জুই জ্বলাইছে আৰু জ্বলাই শেষ নকৰা পৰ্যন্ত ক্ষান্ত নাথাকিব বুলি ধাৰণা কৰা হৈছে। বহুতে জুই জ্বলি থকা দেখিও নেদেখাৰ ভাও জুৰিছে। হয়তো ভাবিছে এই জুই নুমোৱা কাম তেওঁলোকৰ নহয়। বহুতে জুই দেখাই নাই আৰু পুৰি মৰাৰ ভয়ো নাই বুলি ভাবে। যাৰ হাতত ক্ষমতা থাকে তেওঁলোকেই প্ৰথমে ৰাজ্যখনৰ, ৰাজ্যখনৰ বাসিন্দাৰ সুৰক্ষা প্ৰদানৰ কামবোৰ যে হাতত ল'ব লাগে তাত কাৰো ধনিষ্ঠামানো সন্দেহ নাই। ৰাজ্য চৰকাৰে যদি ৰাজ্যখনৰ জ্বলন্ত সমস্যাবোৰৰ সমাধান নকৰে তেনেহ'লে যাৰ হাতত কোনো ধৰণৰ ক্ষমতা নাই তেওঁলোকে সেই সমস্যাবোৰৰ কোনো সমাধান উলিয়াব পাৰিব বুলি বিশ্বাস কৰিব নোৱাৰি। তেওঁলোকে জনমত গঠন কৰিবলৈ উদ্যোগ ল'ব পাৰে আৰু প্ৰবল জনমতে ৰাজ্যৰ প্ৰশাসনক প্ৰভাবান্বিত কৰিব পাৰিব বুলি আশা কৰিব পাৰি। প্ৰবল জনমতৰো যেতিয়া বিভাজন থাকে, বিৰোধ থাকে, তেতিয়া জনমতেও যে কিবা বিশেষ কাম কৰিব পাৰে তাক বিগত প্ৰায় ছয় দশক কালত দৃষ্টিগোচৰ হোৱা নাই। সংগ্ৰাম এটা সঁচা অৰ্থতে আৰম্ভ হৈছিল। তাৰ সুফল আজিও লাভ কৰিবলৈ বহু বাকী থাকিল।

অসমৰ মূল যিবোৰ সমস্যা ভাৰত স্বাধীন হোৱাৰ পিছৰছোৱাত আৰম্ভ হ'ল তাৰ ভিতৰত কেইটামান প্ৰধান। সেই সমস্যাবোৰ ৰাজ্য চৰকাৰে জানে আৰু ভালেমান সমস্যা ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাতে গঢ় লোৱা। সেইবাবে সেই সমস্যাসমূহ চিনাক্ত হোৱাৰ অন্ততো তাক সমাধান কৰিব পৰা হোৱা নাই আৰু সোনকালে হ'ব বুলি আশাও কৰিব নোৱাৰি। যদি সমস্যাবোৰৰ সমাধান নোলায় তেতিয়া যিসকল লোকে এইখন ৰাজ্যকে মাতৃভূমি, স্বৰ্গাদপি গৰীয়সী বুলি, জীৱন মৰণৰ থলি বুলি, আকাংক্ষা পূৰণৰ ক্ষেত্ৰ বুলি ভাবে তেওঁলোকে কি কৰিব? নিজস্ব সম্পূৰ্ণ বিসৰ্জন দি ভাগ্যকে থিয়াই বহি থাকিব, পৰাধীন জীৱন যাপন কৰিবলৈ নিজৰ সকলো বিসৰ্জন দিব, সুৰক্ষা বিচাৰি পলায়ন কৰিব নে কিবা পথ অবলম্বন কৰিব যাৰ সহায়ত নিজস্ব মান মৰ্যাদা ৰক্ষা পৰিব পাৰে? বৰ্তমান সময়ৰ অসমে এই প্ৰশ্নবোৰৰ বাবে যেন সামান্যভাৱেও উৎকণ্ঠা প্ৰকাশ নকৰে, তেনে

ধাৰণাই মনলৈ আহে। তথাপি আমাৰ মনত যি কুৰা জুই দাউ দাউকৈ জ্বলিছে সেই কথা অকপটে কোৱা উচিত হ'ব বুলি ভাবিয়ে তাক অতি সংক্ষেপে বৰ্ণনা কৰাৰ ইচ্ছা প্ৰকাশ কৰিলো।

ৰাজ্যখনৰ সীমা সংকোচনৰ ভয় : আমাৰ ভয় হৈছে যে অসমৰ সীমা দ্ৰুত হাৰত সংকোচন হোৱাৰ প্ৰাথমিক স্তৰবোৰৰ বুনিয়াদ ৰাজনৈতিক অপৰিপক্কতা আৰু অদূৰদৰ্শী কাৰ্যৰ দ্বাৰা সম্পূৰ্ণ কৰা হৈছে। সীমা সংকোচনে কেনে ভয়াবহতাৰ সৃষ্টি কৰিব পাৰে তাক ভুক্তভোগীয়েহে সঠিকভাৱ জানে। মেঘালয়ৰ সৃষ্টিয়ে অসমৰ পুৰণি ৰাজধানীখনতে অসমীয়াবোৰ ৰাতিৰ ভিতৰতে উদবাস্তু হৈ গ'ল। তাত অসমীয়াই কাৰোপৰা কোনো স্থাবৰ সম্পত্তিকে অধিগ্ৰহণ কৰিব নোৱাৰা অৱস্থা হৈ গ'ল। কাইলৈ যদি অসমৰ আৰু এটা অংশ অবলীলাক্ৰমে পৃথক হৈ যায় তেতিয়া তাত তেওঁলোকৰ কি বিপদ হ'ব পাৰে তাক আগতীয়াকৈ জনাৰ বাবে চেষ্টা কৰা উচিত নহ'ব নে? যদি কেৱল জনগোষ্ঠীৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি পুনৰ ৰাজ্যখনক খণ্ডিত কৰণ কৰা প্ৰক্ৰিয়া অব্যাহত থাকে তেতিয়াহ'লে এই প্ৰক্ৰিয়া কিমানত অন্ত পৰিব তাক নিশ্চিতভাৱে ঠাৱৰ কৰিবলৈ আমাৰ ৰাজনৈতিক প্ৰক্ৰিয়া অসমাপ্ত আৰু অসমাপ্ত প্ৰক্ৰিয়াই অসমক পুনৰ জ্বলাব বুলি আমাৰ ভয় হৈছে। পুনঃ পুনঃ খণ্ডিত কৰণ কৰাৰ যি প্ৰৱণতা তাক যিকোনো লোকে নিৰ্দ্ধিধাই ক'ব পাৰে যে তাৰ মূল আকাংক্ষা হৈছে ৰাজনৈতিক ক্ষমতা লাভ কৰা। ৰাজনৈতিক ক্ষমতা লাভ কৰাতে সমস্যাটো সীমিত হোৱাহেঁতেন তাকো নিষ্পত্তি কৰিব পৰা হয়তো গ'লহেঁতেন; কিন্তু বিষয়টো তাত সমাপ্ত নাথাকে। খণ্ডিত কৰণে নতুন সীমা সমস্যা, সম্পদৰ অধিকাৰ, ভাষা সংস্কৃতিৰ ৰক্ষণা-বেক্ষণ, যাতায়াত, বিদ্যালয়, চিকিৎসালয়, সমস্ত বিভাগবোৰে কেনে ৰূপ ধাৰণ কৰিব পাৰে তাক কেৱল অনুভৱহে কৰিব পাৰি। এইবোৰে তিক্ততাৰ ইমান ভয়াবহ ৰূপ ল'ব যে তাৰ সমাধান বিচাৰি উলিয়াওতে মানবীয় বিকাশৰ যি মূল লক্ষ্য সেয়া ক'ৰবাত পিছ পৰি ৰোৱাৰ ভয় প্ৰচুৰ।

এই সমস্যাটো সম্প্ৰতি কোনোৱেও গুৰুত্ব সহকাৰে লোৱা নাই। দাবী উত্থাপন কৰা হৈ আছে আৰু বহু দাবী মানি লোৱা হৈ আছে। সেইবাবে উন্নত গণতন্ত্ৰবোৰ বিচাৰ কৰি সৰ্বাধিক সুফল জনগণৰ স্বাৰ্থত, ৰাজ্য আৰু ৰাষ্ট্ৰৰ স্বাৰ্থত বিচাৰ কৰা উচিত হ'ব যেন লাগে। ৰাষ্ট্ৰৰ হিত সাধন কৰাৰ বাবে আমাৰ দায়িত্ব আৰু দায়বদ্ধতা যেন আধৰুৱা হৈ আছে আৰু যিকোনো অজুহাততে ৰাজ্যক খণ্ডিত কৰাৰ ব্যৱস্থা ৰোধ নকৰিলে অসম ভয়ানক বিপদৰ সন্মুখীন হ'ব।

ৰাজ্যখনৰ জনগোষ্ঠীয় আকাংক্ষা : ভাৰতৰ বিভিন্ন ৰাজ্যত থকাৰ দৰে অসমতো বহু ভাষাভাষীৰ লোক বাস কৰে। বহুতৰ নিজস্ব ঈশ্বৰ বা ভগবান বিশ্বাস আছে যদিও সাধাৰণতে

সৰহ সংখ্যক হিন্দু ধৰ্মাৱলম্বী। হিন্দু ধৰ্মাৱলম্বীসকলৰ মাজত বহু বিভাগ আছে আৰু বিৰোধ আছে। কোনোবা শৈৱ, কোনোবা বৈষ্ণৱ, কোনোবা শাক্ত। কোনোবা সূৰ্য উপাসক আৰু কোনোবা গণেশৰ। কোনো কোনো জনসমষ্টিৰ আৰাধ্য দেৱ বা দেৱী আৰু ভিন্ন। বহুতে ক'ব নোৱাৰে হিন্দু নে অন্য ধৰ্মাৱলম্বী। মূৰ্তি পূজকৰ বিৰুদ্ধেও প্ৰচুৰ সমালোচনা আছে আৰু বাদানুবাদ আছে। বৌদ্ধ, জৈন, শিখ, খৃষ্টান সম্প্ৰদায়ৰ লোক আছে। বহু উদাৰ লোক আছে যিসকলে ধৰ্মীয় বিশ্বাসৰ আধাৰত মানুহক বিভাজন নকৰে। বহুতে মানুহৰ মাত্ৰ এটা জাত বুলিয়ে বিশ্বাস কৰে। তেওঁলোকৰ মাজত বিভিন্ন ধৰণৰ জীৱনৰ পথ অতিক্ৰম কৰাৰ সুকীয়া সুকীয়া পদ্ধতি অৱলম্বন কৰিছে। বহুতে মন্দিৰলৈ, গীৰ্জালৈ, মছজিদলৈ বা গুৰুদ্বাৰলৈ বা বা মঠলৈ যোৱাত কোনো সংকোচ নকৰে। আনহাতে বহুতে কৰে। সহনশীলতাৰ সেইবাবে অত্যধিক প্ৰয়োজন আছে। সম্প্ৰদায়বোৰক উত্তেজিত কৰাৰ পৰিবেশো ৰচনা কৰা হয়। যিমান বেছি সম্প্ৰদায়ক ভাগ ভাগ কৰি ৰখাৰ ব্যৱস্থা চলিব সিমান বেছি সংঘৰ্ষও যে চলি থাকিব তাত সন্দেহ কম। সেইবাবে সংবিধানত উল্লেখ কৰা মন্ত্ৰটো আজি কোনেও জপ নকৰে। সেই মন্ত্ৰটোৱে হৈছে আমি সকলো মানুহ আৰু মানবীয় উৎকৰ্ষ সাধনৰ বাবেহে সমাজ পৰিচালিত হ'ব লাগে। ৰাজনীতিয়ে তাক হ'বলৈ নিদিয়ে। ভাগ ভাগ কৰি ল'লে ব্যক্তিগত লাভ হ'ব বুলি ভাবে। দীৰ্ঘস্থায়ী ব্যৱস্থাটোৰ প্ৰৱৰ্তন কৰাৰ সলনি হ্ৰস্বকালীন লাভৰ বাবে সমাজ আজি বিদীৰ্ণ হোৱা দেখা গৈছে। তাক শুধৰাবলৈ ৰাজনৈতিক প্ৰচেষ্টাৰ লগত সমাজ সংস্কাৰকৰ প্ৰয়োজন হৈছে। এই ক্ষেত্ৰত বৃহৎ হৃদয়ৰ কিছু কৰ্মী নিৰ্মাণ নহ'লে সমাজে কিমান মূল্য দিব লাগে কোৱা টান। হাটত, ঘাটত, বাটত, চাবমোহৰ নথকা হোটেলত, মেলাত আমাৰ ভিন্নতাৰ প্ৰকাশ নঘটে। অথচ ৰাজনীতিত ঘটোৱা হৈছে। চাকৰিৰ ক্ষেত্ৰত, সুবিধা লাভৰ ক্ষেত্ৰত নানা বিভাগ তৈয়াৰ কৰি ভাগ ভাগ কৰা দেখা গৈছে। এনে প্ৰক্ৰিয়াই মানুহৰ সৰ্বোচ্চ বিকাশৰ অন্তৰায় হোৱা বুলি জানিও তাক ৰাজনৈতিক কৌশল হিচাপে প্ৰয়োগ কৰা দেখা গৈছে। সংকীৰ্ণশীলতা আৰু বিশ্বায়নৰ সুফলৰ ব্যৱধান আমি যেন হৃদয়ংগম সঠিকভাৱে কৰিব পৰা নাই তেনে ধাৰণাই মনলৈ আহে। হীনমন্যতা বা উচ্চাভিলাষিক ধাৰণা এনে অৱস্থাৰ কাৰক। তাৰ বাবে শিক্ষা ব্যৱস্থাতে বীজটো সঠিক ভাবে ৰোপন কৰিবলৈ শিক্ষা বিশাৰদৰ ভূমিকা অত্যধিক গুৰুত্বপূৰ্ণ হ'ব বুলি আমাৰ ধাৰণা বদ্ধমূল। পূজনীয়, বৰেণ্য, ত্যাগী, উদাৰ, মহানুভৱ ব্যক্তি আজিও আছে। তেওঁলোকৰ ওপৰত বহুত সিদ্ধান্ত নিৰ্ভৰ কৰে। হ'লেও ভয় আছে যে বাৰে বাৰে আকাংক্ষা পূৰণৰ বাবে সমাজ বিবদমান হ'ব পাৰে।

গণতান্ত্ৰিক ব্যৱস্থাই অন্য বিকাশৰ ধাৰা কেনে ধৰণে শক্তিশালী কৰিছে তাত মতভেদ আছে; কিন্তু এই ব্যৱস্থাৰ জৰিয়তে যিসকল লোক বহুদিন ধৰি প্ৰৱঞ্চিত বা উপেক্ষিত বুলি

অনুভৱ কৰে তেওঁলোকেও ন্যায্য প্ৰাপ্য আদায় কৰাত আগ্ৰহী হোৱা দেখা গৈছে। তুলনামূলকভাৱে বৃহৎ জনগোষ্ঠীৰ নিৰ্বাচিত প্ৰতিনিধিয়ে ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীসমূহক প্ৰতিনিধিত্ব কৰাৰ সুযোগ নিদিয়া বুলি প্ৰচুৰ অভিযোগ আছে। নিজস্ব প্ৰতিনিধি নাথাকিলে তেনে জনগোষ্ঠীৰ ৰাজনৈতিক আকাংক্ষা পূৰণ দূৰৰ কথা, শিক্ষা, চাকৰি, ব্যৱসায়, বাণিজ্য আদি অলেখ বিষয়ত বিকাশ আধৰুৱা হ'ব বুলি ভাৱে। ভাষা-সংস্কৃতিও ক্ষতিগ্ৰস্ত হ'ব বুলি ভাৱে। নিজস্ব অধিকাৰ সাব্যস্ত কৰিবলৈ সেইবাবে আজি অসমত গোষ্ঠীগত বিবাদ বৃদ্ধি পাইছে। বহুতে নিজস্ব স্বায়ত্ত শাসনৰ অধিকাৰ কেৱল বিচৰাই নহয়, নিজৰ মানুহৰ বাবে সুকীয়া ৰাজ্যৰ দাবী উত্থাপন হৈছে। আলোচনাৰ দ্বাৰা, প্ৰতিবাদৰ দ্বাৰা সম্ভৱ নহ'লে বিদ্ৰোহ কৰি হ'লেও তাক আদায় কৰাৰ আন্দোলন অব্যাহত আছে। বৃটিছৰ অধীনত থকা কালত আমি নিষ্পেষণ হ'ব পাৰে বুলি বহুত সময়ত মনে মনে আছিলো। স্বাধীন ভাৰতে নিষ্পেষণ কৰাৰ নিচিনা কাৰ্যসূচী লোৱাৰ সম্ভাৱনা কম। ৰাজ্যৰ প্ৰশাসনে বহু জনগোষ্ঠীৰ এনে আকাংক্ষাক সমৰ্থন নকৰে বুলি বিশ্বাস। সেইবাবে ৰাজ্য প্ৰশাসনে নিজস্ব দৰ্শন আৰু প্ৰশাসনীয় দক্ষতা প্ৰকাশ কৰিব নোৱাৰাত ৰাজ্যখন অস্থিৰ হৈ আছে আৰু অধিক অস্থিৰ হোৱাৰ কাৰকবোৰ পৰিদৃশ্যমান হৈছে। সেইবাবে ৰাজনৈতিক দূৰদৃষ্টি, প্ৰশাসনীয় দক্ষতা, সকলো জনগোষ্ঠীক বিশ্বাসত লৈ কাৰ্যসূচী ৰূপায়ণ কৰিব নোৱাৰিলে অসমৰ দুৰ্যোগ সীমাহীন হ'ব বুলি যিকোনো সাধাৰণ বুদ্ধিৰ লোকে জানে। প্ৰব্ৰজনৰ সমস্যাই ৰাজ্যখনক অস্থিৰ কৰিছে। জনগোষ্ঠীয় সমস্যাই ভয়ানক ৰূপ লোৱাৰ আগতে আমি আশা কৰিছো ৰাজনৈতিক ব্যৱধান কমিব, দৰ্শনবোৰ ৰাজ্যৰ অখণ্ডতাৰ পৰিপন্থী নহ'ব আৰু অনাগত দিনৰ দুৰ্যোগৰ প্ৰাদুৰ্ভাৱ কমাবলৈ ৰাজনীতিবিদ, সমাজনীতিবিদ, দাৰ্শনিক আৰু বুদ্ধিজীৱীসকল এখন মঞ্চত বহি সিদ্ধান্ত উলিয়াব পাৰিব। তাকে কৰিব নোৱাৰিলে পৰিণতি বিষম হ'ব বুলি ভয় হৈছে। ন্যায়ালয়ে বহুত সময়ত ভাল সিদ্ধান্ত দিয়া দেখা গৈছে। যি কাম ৰাজনৈতিকভাৱে সম্ভৱ নহয় তাক আদালতে কৰিব পাৰে। আদালতে প্ৰয়োজন হ'লে হস্তক্ষেপ কৰিব বুলি আমি আশাবাদী। গণতন্ত্ৰই ৰাষ্ট্ৰহিতৰ বিপৰীতে নিশ্চয় কোনো কাম নকৰিব।

সন্ত্ৰাসবাদ আৰু ৰাজনৈতিক নীতি : অসমত সন্ত্ৰাসবাদ কি ৰূপত বহুদিন ধৰি অৱস্থান কৰি আছে সেই বিষয়ে বহুলোকে জানে; কিন্তু সন্ত্ৰাসবাদীসকলৰ লক্ষ্য আৰু আদৰ্শ সম্বন্ধে দৃষ্টি-ভংগী ভিন ভিন হোৱা দেখা গৈছে বাবে এই সমস্যাৰ সমাধান ওলোৱা নাই বা সমস্যাটো ৰাজনৈতিক কাৰণত যেন জীয়াই ৰাখিব খোজা হৈছে তেনে ধাৰণা ওপজে। অসম এখন স্বাধীন ৰাষ্ট্ৰ আছিল। সেইদিনও সলনি হ'ল। অসম পৰাধীন যেতিয়া হ'ল তেতিয়া আমি নিজকে সুৰক্ষা প্ৰদান কৰি স্বাধীন ৰাজ্য হিচাবে মৰ্যাদা ৰক্ষা কৰাত ব্যৰ্থ হ'লো। আমি ভাৰত মহাৰাষ্ট্ৰখনৰে অংগ হৈ থকাটো উচিত হ'ব বুলি ভাবি তাৰ অংশীদাৰ

হৈ গ'লো। সাৰ্বভৌম ৰাষ্ট্ৰৰ অংশ হোৱাৰ লগে লগে আমাৰ দায়বদ্ধতা আৰু দায়িত্ব ৰাষ্ট্ৰৰ নামত সাঙোৰ খাই পৰিল। এই ক্ষেত্ৰত অসম এখন স্বাধীন ৰাষ্ট্ৰ হিচাবে দাবী কৰাৰ সুযোগ থকা সময়তো আমি সেই সুযোগ গ্ৰহণ স্বেচ্ছাই কৰা নাই। ভাৰত ৰাষ্ট্ৰৰ বাহিৰত থকাৰ বাবে বহু সময় অতিবাহিত হোৱাৰ পিছতো সুকীয়া স্বাধীন ৰাষ্ট্ৰৰ দাবী উত্থাপন কৰা নাই। কোনো ৰাজনৈতিক দল, জাতীয়তাবাদী সংগঠন, জনগোষ্ঠীয় সংগঠন বা ব্যক্তিয়ে ভাৰত ৰাষ্ট্ৰৰ বাহিৰত থকাৰ বাবে জনমত গঠন কৰিব পৰা নাই। ৰাষ্ট্ৰীয় পতাকা, স্বাধীনতা দিৱস, প্ৰজাতন্ত্ৰ দিৱসক সম্পূৰ্ণ মৰ্যাদা দি ৰাষ্ট্ৰৰ অখণ্ডতাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা হৈছে।

এইটো সঁচা যে যি ধৰণে স্বাধীন ৰাষ্ট্ৰৰ সকলো অংগ সুৰক্ষিত হ'ব লাগিছিল, সৰ্বাধিক বিকাশ হোৱাৰ প্ৰয়োজন আছিল সেই ধৰণে অসমে আজিও সুবিধা লাভৰ পৰা প্ৰৱঞ্চিত হৈ আছে। তাৰ বাবে জগৰীয়া আমাৰ নিৰ্বাচিত প্ৰতিনিধিসকল। দাবী কৰি আদায় কৰিব পৰা নাই। তাৰ বৃহৎ কাৰণটোৱে হৈছে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ যেতিয়া একেটা দলৰে হয় তেতিয়াই সৰ্বাধিক প্ৰতাৰণা ৰাজ্যখনে ভোগ কৰে। তাৰ বাবে তেনে ৰাজনৈতিক দলৰ প্ৰতিনিধিসকল জগৰীয়া। অসমৰ বাবে সাৰ্বভৌমত্বৰ দাবী বিদ্ৰোহী সংগঠনে কৰিছে। সহজভাৱে নহ'লে হিংসাত্মক কাৰ্যকলাপ চলাই কৰিব পাৰিব বুলি বিশ্বাস কৰে। সন্ত্ৰাস দমনৰ বাবে ৰাষ্ট্ৰয়ো প্ৰতিসন্ত্ৰাস জাপি দিয়াত অসংখ্য নিৰীহ লোক মৃত্যুমুখত পৰিল। বহুতো সম্ভাৱনাপূৰ্ণ যুৱক-যুৱতীৰ অকাল মৃত্যু হোৱাত ভয়ানক ক্ষতি হ'ল ৰাজ্যখনৰ। সেই জুইকুৰা কেন্দ্ৰীয় চৰকাৰে নুমাব যেন খোজা নাই ৰাজনৈতিক কাৰণত। অসমৰ প্ৰগতি যদি তাৰ বাবে মন্থৰ হৈ যায়, এটা পুৰুষ যদি নিঃশেষ হৈয়ো যায় তাত কেন্দ্ৰই কোনো ধৰণৰ যেন উদ্বেগ প্ৰকাশ নকৰে তাক বিগত প্ৰায় ছয় দশক কালত বুজিব পৰা হৈছে। সন্ত্ৰাসবাদ দমন কৰিবলৈ উদ্যত কেন্দ্ৰীয় চৰকাৰ; কিন্তু সন্ত্ৰাসবাদৰ কাৰণ অন্বেষণ কৰিবলৈ কোনো ধৰণৰ নিষ্ঠা বিগত তিনি দশক কালত দৃষ্টি গোচৰ হোৱা নাই। এই সমস্যাটো বাদানুবাদ বা পৰাক্ৰম প্ৰদৰ্শনৰ বিষয় হ'ব নোৱাৰে। তাৰ এটা সমাধান ওলাব লাগে আৰু তাক বল প্ৰয়োগ কৰি সমাধান কৰিব খুজিলে ৰাজ্যখনৰ ক্ষতি হ'ব অভাবনীয়।

ৰাজ্যখনত অন্য শ্ৰেণীৰ সন্ত্ৰাসবাদীও আছে যিসকলে সাৰ্বভৌমত্ব দাবী কৰা নাই; কিন্তু নিজস্ব ভূমি (Territory) বিচাৰিছে আৰু তাত সম্পূৰ্ণ স্বায়ত্বশাসিত ৰাজ্যৰ মৰ্যাদা দিবলৈ দাবী কৰিছ। ফলস্বৰূপে পৰিস্থিতি বহু সময়ত অস্বাভাৱিক হোৱাৰ ভয় আছে। এখন ৰাজ্যৰ মাজত থাকিয়েই সকলো মানুহৰ সৰ্বোচ্চ বিকাশ বিচাৰিব পৰা সুবিধা আছে। শক্তিশালী অসম নিৰ্মাণ যদি এটা আদৰ্শ আৰু লক্ষ্য হয় তেনেহ'লে অখণ্ডিত অসম আৰু ভাৰতৰ অংগ ৰাজ্য হৈয়ো তাক লাভ কৰাৰ যি পদক্ষেপ সেই কামত আটায়ে ব্ৰতী হোৱাৰ প্ৰয়োজন

আছে। সাংস্কৃতিক অনুষ্ঠান, প্ৰতিষ্ঠান আৰু সমাজৰ ধৰণীস্বৰূপ ব্যক্তিসকলে মনোনিৱেশ নকৰিলে ৰাজ্যখনে যে কেনে পৰিস্থিতিৰ সন্মুখীন হ'ব ভাবিলেই ভয় লাগে।

ভাৰতৰ আৰু ৰাজ্যখনৰ প্ৰশাসনিক দুৰ্বলতাৰ সুযোগ পূৰ্ণোদ্যমে গ্ৰহণ কৰিছে পৰৰাষ্ট্ৰৰ জিহাদী সংগঠন আৰু অন্যান্য চোৰাংচোৰাসকলে। ৰাজ্যখনক অস্থিৰ কৰি ৰখাৰ ব্যৱস্থাটো এটা ৰাজনৈতিক গভীৰ ষড়যন্ত্ৰ। এনে ষড়যন্ত্ৰই অসমৰ প্ৰতিটো জনগোষ্ঠীকে উত্তেজিত কৰি ৰখাই নহয়, পৰস্পৰে পৰস্পৰক আক্ৰমণ কৰাৰ বাবেও ব্যাপক কাৰ্যসূচী লোৱাত চৰকাৰীভাৱে প্ৰকাশ কৰা হৈছে; কিন্তু ৰাজ্যখনৰ স্বাৰ্থত কোনো বাস্তৱ পদক্ষেপ লোৱা চকুত পৰা নাই। এই কথাবোৰ ৰাজনৈতিক। মূল্য দিব লগা হৈছে অসমে, অসমৰ জনসাধাৰণে। ৰাজ্যখনৰ ভিতৰত টিঘিলঘিলাই থকা এজন দালালকো আৰক্ষী বা সামৰিক বাহিনীয়ে গুলীয়াই মাৰিব পৰা নাই।

ৰাজনৈতিক দল আৰু দলীয় কৰ্মীয়ে সন্ত্ৰাসবাদীৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰা বুলি সময়ে সময়ে গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। তাৰ দ্বাৰা ক্ষমতা লাভ ক্ষন্তেকৰ বাবে হ'ব পাৰে; কিন্তু অসমৰ বিপৰ্যয় হ'ব সি অৱধাৰিত।

অবৈধ বিদেশী নাগৰিকৰ অবাধ প্ৰব্ৰজন ঃ অসমত বিদেশী নাগৰিকৰ অবাধ প্ৰব্ৰজন কি হাৰত হৈছে তাক অন্য ঠাইত প্ৰকাশ কৰা হৈছে। অসমত প্ৰৱেশ কৰা বিদেশী নাগৰিকক চিনাক্তকৰণ কৰা কাৰ্যক বহুতো ৰাজনৈতিক দলে সমৰ্থন কৰা নাই। ৰাজনৈতিক প্ৰচুৰ অভিজ্ঞতা থকা কোনো কোনো লোকে বিদেশী নাগৰিক কাক বোলে নাজানে বুলি কোৱাত এই সমস্যাটো অসমত গুৰুতৰ হৈছে। তেনে লোককে আকৌ নিৰ্বাচিত কৰি প্ৰশাসনীয় যন্ত্ৰ চম্ভালিবলৈ ভোটদান কৰা হৈছে।

ভাৰতৰ ভিতৰতে দুই এখন ৰাজ্যত বিদেশীয়ে এনে প্ৰভাৱ পেলাইছে যে ভাৰতীয় নাগৰিকে তাত উশাহ ল'বলৈ কষ্ট বোধ কৰিছে। অসম তাৰ ব্যতিক্ৰম নহয়। অত্যন্ত দুখৰ কথা যে অসমে অনাহকতে ভাৰত স্বাধীন হোৱাৰ পিছৰ দুই দশক কালতকৈয়ো অধিক সময়ত এই ৰাজ্যলৈ প্ৰব্ৰজন হোৱা বিদেশী নাগৰিকক ভাৰতীয় নাগৰিক কৰি লোৱাৰ প্ৰক্ৰিয়া জাপি দিয়া হৈছে। সিমানতো সন্তুষ্ট নহৈ বিদেশী নাগৰিক চিনাক্ত কৰাত কোনো কোনো সম্প্ৰদায়ৰ লোক অযথা হাৰাশাস্তিৰ সন্মুখীন হ'ব বুলি ৰাজনৈতিকভাৱে প্ৰচাৰ কৰা হৈছে। অসমত বিদেশী নাগৰিক চিনাক্ত কৰোতে ২৭ বছৰ লগা দৃষ্টান্ত আছে। সেইবাবে আমি ভাবো যে এটা সময় আহিব যেতিয়া ভাৰতীয় নাগৰিককে ইয়াৰ পৰা পলায়ন কৰিবলৈ বাধ্য কৰাব। কিন্তু পলাব ক'লৈ, কোনে আশ্ৰয় দিব? এই কথাবোৰ ৰাজনৈতিক, সামাজিক। ৰাজনীতিত উদাসীনতাই কোনো সমস্যাৰ সমাধান নকৰে। তেনে ৰাজনীতিক ৰাষ্ট্ৰৰ শত্ৰু হিচাবেই পৰিগণিত হ'ব। কিন্তু কোনবোৰ ৰাজনৈতিক দল আৰু নেতাই ৰাষ্ট্ৰৰ

সাৰ্বভৌমত্বৰ কথা গভীৰভাৱে চিন্তা কৰি উপায় উদ্ভাৱন কৰিছে। পদবী বিচাৰিছে, ক্ষমতা বিচাৰিছে, ক্ষমতাৰ অপব্যৱহাৰ কৰা দেখা গৈছে, ৰাজনৈতিক আৰু প্ৰশাসনীয় অব্যৱস্থাৰ বাবে জনসাধাৰণৰ দুখ দুৰ্গতিৰ সীমা নোহোৱা হৈছে। মানুহক মানুহৰ বিৰুদ্ধে অস্ত্ৰ ল'বলৈ, হিংসা বিদ্বেষ চৰিতাৰ্থ কৰিবলৈ উৎসাহিত কৰা হৈছে, জনসাধাৰণৰ উন্নয়নৰ কথা পৰিহাৰ কৰি ৰাষ্ট্ৰৰ সমস্ত সম্পদ কেৱল ক্ষমতাত থকা লোকক কেন্দ্ৰীভূত কৰা দেখা গৈছে। দুৰ্নীতিক চূড়ান্তভাৱে সমৰ্থন কৰা দেখা গৈছে। এই দুৰ্নীতি কেৱল সম্পদ আহৰণতে সীমাবদ্ধ হোৱা নাই, বিদেশী নাগৰিকক ৰাজনৈতিক ক্ষমতা দখলৰ বাবে সুবিধা কৰি দিয়া হৈছে। ভাৰতীয় নাগৰিক নহয় বুলি প্ৰমাণিত লোক অসমৰ মন্ত্ৰিয়াৰ পৰা সাংসদ হোৱাৰ অভিযোগ বহবাৰ কৰাৰ পিছতো তেনে লোকক বিচাৰ কৰিব পৰা হোৱা নাই। সেইবাবে অসম বিদেশীলোকৰ দ্বাৰা কেৱল অধ্যুষিত হোৱাই নহয়, এদিন তেওঁলোকেই প্ৰশাসনীয় ব্যৱস্থা হস্তগত কৰাৰ প্ৰক্ৰিয়া অসমত প্ৰায় সম্পূৰ্ণ হৈছে। এই দুৰ্যোগ আঁতৰ কৰিবলৈ সঠিক পদক্ষেপ এই পৰ্যন্ত লোৱা দেখা নাই। জাতিটোক জীয়াই ৰখাৰ সংগ্ৰাম কোনে আগুৱাই নিব?

—o—

Annexure-I

Illigal Migrants (Determination by Tribunals) Act 1983

Main Features

The Assam Gazette : Extraordinary

Govt. of Assam : Orders by the Governor

Notification the 9th February,

1984

No. LGL.131/83/54

The following Act/Rules made by the President and published in the Gazette of India Extraordinary Part II of Section I dated 26th December, 1983 are published for general information.

1. The Illegal Migrants (Determination by Tribunals) Act 1983

Act No. 39 of 24th December, 1983

2. The Illegal Migrants (Determination by Tribunals) Rules, 1984

An Act to provide for the establishment of Tribunals for determination, in a fair manner, of the question of whether a person is an illegal migrant to enable the Central Govt. to expel illegal migrants from India and for matters connected herewith or incidental thereto.

Where as a good number of the foreigners who migrated into India across the borders of the Eastern and North Eastern Regions of the country on and after the 25th day of March,1971, have, by taking advantage of the circumstances of such migration and their ethnic similarities and other connections with the people of India and without having in their possession any lawful authority so to do, illegally remained in India.

And whereas the continuance of such foreigners in India is detrimental to the interest of the public of India.

And whereas the continuance of such foreigners have clandstinely been trying to pass off as citizens of India and all other relevent circumstances, it is necessary for the protection of the citizens of India to make special provisions for detection of such foreigners in Assam and also in any part of India in which such foreigners may be found to have remained illegally.

Be it enacted by Parliament in the thirty fourth year of the Republic of India as follows :

Chapter 1 :

(1) The Act may be called the IM(DT) Act, 1983

(2) It extends to the whole of India.

(3) It shall be deemed to have come into force in the state of Assam on 15.10.83 and in the other states on such date as the Central Govt. .... and different dates may be appointed.

2. Application :

Nothing in this Act shall apply to or in relation to

(a) Any person who was in any state and who had been expelled

(b) any person detected as a foreigner at the time of his entry......

(c) any foreigner who, ...

3. Definitions and constitution of references : (1) In this Act......

(a) Appellate Tribunals

(b) " foreigner" has the same meaning as in the Foreigners Act, 1946 (31 of 1946)

(c) " illegal migrants" means a person in respect of whom each of the following conditions is satisfied, viz:

(i) if he has entered into India on or after 25th March, 1971

(ii) he is a foreigner

(iii) he has entered into India without being in possession of a valid passport in that behalf

(d) "notification" means a notification published in official gazette

(e) "prescribed" means .... under this Act.

(f) Tribunals......... under sub Section (i) of Sec 5

4. Overriding effect of the Act :

(1) The provision of this Act or of any Rule or order made thereunder shall have notwithstanding anything contained in the Passport (Entry into India) Act, 1920 (34 of 1920) or the Foreigners Act, 1946 (31 of 1946) or the Immigrants (Expulsion from Assam) Act, 1950 (10 of 1950) or the Passport Act, 1967 (15 of 1967) or any Rule or Order made under any of the said Acts and in force for the time being.

(2) In particular and without prejudice to the generality of sub section (1) nothing in the provision to Section & of the Immigrants (Expulsion from Assam) Act, 1950, ... shall apply..........

Chapter- II

Establishment of Tribunals

5. Establishment of Tribunals :

(1) The Central Govt. by notification ...... establish...... as many Tribunals....... and specify the principal places of sitting of and the territorial limits......... of jurisdiction

(2) No person shall be appointed a member......... unless he is a or has been a district Judge......

(3) Each Tribunal Consist of three members :

(4) ....

(5) ....

6. Filling of Vacancies :

7.Staff of Tribunal

8. References or application to Tribunals :

(i) If any question arises as to whether any person is or is not an illegal migrant.......... refer such question to a Tribunal for decision.

(2) .... any person may make an application to the Tribunal Provided that no such application shall be entertained by the Tribunal unless the person in relation to whom the application is made is found or resides at a place within three KM from the place of residence of the applicant.

(3) Every application made under Sub Section (2) .... shall be accompanied by affidavits...... by not less than two persons....... accompanied by such fee, not less than rupees twenty five and not more than one hundred rupees......

(4) For every reference under sub Section (1) and every application under Sub Section (2) shall be made to the Tribunal within the territorial limits....... is situated.

9. Powers of the Tribunals : Every Tribunal shall have power .... as are vested in a Civil Court under the Code of Civil Procedure, 1908.

10. Procedure with respect to references under Sec (1) of Sec 8.

11. Procedure with respect to application under Sub Sec (2) of Section 8 :

(2) (a) the person named in the application is not an illegal migrant or that the application is frevolous or vexatious or has not been made in good faith............ reject the application.

(b) ....

12. Determination of the quetion as to whether a person is an illegal migrant :

etc. etc.

Annexure- II

ASSAM ACCORD

15 August, 1985

Accord between AASU, AAGSP and Central Govt. on the Foreign National issue

MEMORANDUM OF SETTLEMENT

Government have all along been most anxious to find a satisfactory solution to the problem of foreigners in Assam. The All Assam Student Union (AASU) and the All Assam Gana Sangram Parishad (AAGSP) have also expressed their keenness to find such a solution.

2. The AASU through their Memorandum dated 2nd February 1980 presented to the late Prime Minister Smt. Indira Gandhi, conveyed their profound sense of apprehensions regarding the continuing influx of foreign nationals into Assam and the fear about adverse affect upon the political, social, cultural and economic life of the State.

3. Being fully alive to the genuine apprehensions of the people of Assam, the then Prime Minister initiated the dialogue with the AASU / AAGSP. Subsequently, talks were held at the Prime Minister's and Home Minister's levels during the period 1980-83. Several rounds of informal talks were held during 1984. Formal discussions were resumed in March 1985.

4. Keeping all apects of the problem including constitutional and legal provisions, international agreements, national commitments and humanterian considerations, it has been decided to proceed as follows :-

Foreigners Issue

5.1 For purposes of detection and deletion of foreigners, 1.1.1966 shall be the base date and year.

5.2 All persons who came to Assam prior to 1.1.1966, including those amongst them whose names appeared on the electoral rolls used in 1967 elections, shall be regularised.

5.3 Foreigners who came to Assam after 1.1.1966 (inclusive) and upto 24th March 1971, shall be detected in accordance with the provisions of the Foreigners Act, 1946 and the Foreigners (Tribunals) Order 1964.

5.4 Names of foreigners so detected will be deleted from the electoral rolls in force. Such persons will be required to register themselves before the Registration Officers of the respective districts in accordance with the provisions of the Registration of Foreigners Act 1939 and the Registration of Foreigners Rules, 1939.

5.5 For this purpose, Govt. of India will undertake suitable strengthening of the governnental machinery.

5.6 On the expiery of a period of ten year following the date of detection, the names of all such persons which have been deleted from the electoral rolls shall be restored.

5.7 All persons who were expelled earlier, but have since re-entered illegally into Assam, shall be expelled.

5.8 Foreigners who came to Assam on or after March 25, 1971 shall continue to be detected, deleted and expelled in accordance with law. Immediate and practical steps shall be taken to expel such foreigner.

5.9 The Government will give one consideration to certain difficulties expressed by the AASU/AAGSP regarding the implementation of the Illegal Migrants (Determination by Tribunals) Act,1983.

Safeguards and Economic Development

6. Constitutional, legislative and administrative safeguards, as may be appropriate, shall be provided to protect, preserve and promote the cultural, social, linguistic identity and heritage of the Assamese people.

7. The Government takes this opportunity to renew their commitment for the speedy all round economic development of Assam, so as to improve the standard of livingof the people. Special emphasis will be placed on education and science and technology through establishment of national institutions

Other Issues

8.1 The Government will arrange for the issue of citizenship certificates in future only by the authorities of the Central Government.

8.2 Specific complaints that may be made by the AASU/AAGSP about irregular issuance of Indian Citizenship Certificates (ICC) will be looked into.

9. The international border shall be made secure against future infiltration by erection of physical barriers like walls, barbed wire fencing and other obstacles at appropriate places. Patrolling by security forces on land and riverine routes all along the international border shall be adequately intensified. In order to further strengthen the security arrangements, to prevent effectively future infiltration, an adequate number of check post shall be set up.

9.1 Besides the arrangement mentioned above and keeping in view security considerations, a road all along the international border shall be constructed so as to facilitate patrolling by the security forces. Land between border and the road would be kept free of human habitation, wherever possible. Riverine patrolling along the international border would be intensified. All effective measures would be adopted to prevent infiltrators crossing or to attempting to cross the international border.

10. It will be ensured that relevent laws for prevention of encroachment government lands and lands in tribal belts and blocks are strictly enforced and unauthorised encroachers evicted as laid down under such laws.

11. It will be ensured that the relevent law restricting acquisition of immovable property by foreigners in Assam strictly enforced.

12. It will be ensured that Birth and Death Registers are duly maintained.

Restoration of Normalcy

13. The All Assam Students' Union (AASU) and the All Assam Gana Sangram Parishad (AAGSP) call off the agitation, assure full co-operation and dedicate themselves towards the development of the country.

14. The Central and State Government have agreed to :

(a) review with sympathy and withdraw cases of discipliänary action taken against employees in the context of the agitation and to ensure that there is no victimization;

(b) frame a scheme for ex-gratia payment to next of kin of those who

killed in the course of the agitation;

(c) give sympathetic consideration to proposal for relaxation of upper age limit for employment in public services in Assam, having regard to exceptional situation that prevailed in holding of academic and competitive examinations etc. in the context of agitation in Assam.

(d) undertake review of detention cases, if any, as well as cases against persons charged with criminal offences in connection with the agitation, except those charged with commission of heinous offences;

(e) consider withdrawal of the prohibitory orders/notifications in force if any:

15. The Ministry of Home Affaris will be nodal Ministry for the implementation of the above.

Sd/-
(P. K. Mahanta)
President
All Assam Students' Union

Sd/-
(R. D. Pradhan)
Home Secretary
Govt. of India

Sd/-
(B. K. Phukan)
General Secretary
All Assam Students' Union

Sd/-
(Smt. P. P. Trivedi)
Chief Secretary
Govt. of Assam

Sd/-
(Biraj Sharma)
Convenor
All Assam Gana Sangram Parishad

In the presence of
(RAJIV GANDHI)
PRIME MINISTER OF INDIA

Date : 15th August, 1985
Place : New Delhi

1. Election Commission will be requested to ensure preparation of fair electoral rolls.

2. Time for submission of claim and objections will be extended by 30 days, subject to this being consistent with the Election Rules.

3. The Election Commission will be requested to send Central Observers.

Sd/- Illegible
HOME SECRETARY

1. Oil refinery will be established in Assam.

2. Central Government will render full assistance to the State Government in their efforts to re-open.

(i) Ashok Paper Mill

(ii) Jute Mills

3. I. I. T. will be set up in Assam.

Sd/-
HOME SECRETARY

Annexure - III

Salient Features of the Judgement Repealing IM(DT) Act, 1983 by Hon'ble S.C.

Case No. Writ Petition (Civil) 131 of 2000

Date of Judgement : 12.07 2005

Bench : R.C. Lahoti, G.P. Mathur & R.K. Balasubra

Petitioner : Sarbananda Sonowal

Judgement : G.P. Mathur (Justice)

1. This Writ Petition under Article 32 of the Constitution of India has been filed by way of Public Interest Litigation for declaring certain provisions of the Illegal Migrants (Determination by Tribunals) Act, (Act No. 39 of 1983), 1983 as ultravires the Constitution of India, null and void and consequent declaration that the Foreigners Act, 1946 and rules made there-under shall apply to the state of Assam.The second prayer is to declare the IM(DT) Rules, 1984 as ultravires the Constitution of India and also under Section 28 of the aforesaid Act, and, therefore, null and void. Some more reliefs have been claimed which will be referred to at appropriate stage. The respondent to the Writ Petition are the Union of India and the State of Assam.

2. ....All Assam Student's Union, AASU, which is the largest non-political student's organisation in the state was responsible for leading the students' movement in Assam in the late 1970s and early 1980s.................. The issues raised in the Writ Petition concern all residents in the state of Assam whose rights as citizens of India have

been materially and gravely prejudiced by the operation of the IM(DT) Act,1983................the IM(DT) Act, 1983 is wholly arbitrary, unresonable and discrimanate against a class of citizens of India, making it impossible for citizens in Assam to secure the detection and deportation of foreigners from Indian soil.................it failed to meet even the standards prescribed in the Foreigners Act. The result of the IM(DT) Act has been that a number of non-Indians, who surreptiously entered into Assam after March 25, 1971 without possession of valid passport, travel ducoments or other lawful authority to do so, continue to stay in Assam. Their presence has changed the whole character, cultural and ethnic composition of the area and the IM(DT) Act creates a situation whereunder it has virtually become impossible to challenge the presence of a foreigner............on account of the provisions of the Act.

3. ....after signing of the Assam Accord, several assurances were given by the Central Govt. to repeal the Act. A document was signed by the Union Home Secretary, the Chief Secretary of Assam on 27th January, 1990 regarding detection of foreigners with a time frame for clausewise implementation of the Assam Accord including a decision to repeal the IM(DT) Act, by 28th February, 1991. On 20th September, 1990 the Union Home Minister, The State Chief Minister Prafulla Kumar Mahanta and representatives of AASU reiterated their demand for repeal of the IM(DT) Act and an assurance was given that the matter would be discussed with other political parties .... but the results were poor !

.... meeting were held with the officials of the Govt. of India (Home Affairs) on 6th April, 1998, 23rd Sept. 1998 where in it was informed that the repeal of the IM (DT) Act was under active consideration .... the President of India in his address to the Parliament in February 1999 said that the repeal of the Act was under active

consideration. In another meeting on 18.3.1999 between the representatives of the Govt. of India, Govt. of Assam and AASU it was assured that repeal of the IM (DT) Act was under active consideration and measures would be taken to identify the foreigners and steps will be taken to seal the border.

4. The Union of India filed a counter affidavit on 18th July, 2000 sworn in by Shri Inder Bir Sing, Director, (MHA) where in it was stated a proposal to repeal the IM (DT) Act was under active consideration of the Govt. .... the Hon'ble Minister I. D. Swamy.... stated to the state Govt. is of the view that appliction of the IM (DT) Act to the state of Assam alone is discrimintory and a proposl to repeal the Act is under active consideration.

...........,for continuing influx of illegal migration from Bangladesh is due to "push factors from Bangladesh viz

(i) Steep and continuous increase of population

(ii) Sharp deterioration in land-man ratio

(iii) Low rates of economic growth and "pull factors" from Indian side.

(a) ethnic proximity and kinship for easy shelter

(b) porous and negotiable Bangladesh border

(c) better economic opportunities

(d) interested religious and politicl elements encouraging infiltration.

5. In February, 1972 Prime Minister of India and Bangladesh in their talks assured the return of all Bngladeshi who had taken shelter in India since March 25, 1971.

.... detection/expulsion of illegal migrants under the IM (DT) Act, has been extremely dismal. The relevant figures are as follows: (after 25.3.1971 upto 30.4.2000).

1. Total No. enquiries initiated : 3,10,759

2. Total No. enquiries completed : 3,07,955

3. Enquiries referred to SG Com. 3,01,986

4. Enquiries made by Screening Committee : 2,98,465

5. Enquiries referred to IM (DT)s : 38, 631

6. Enquiries disposed of by IM(DT)s: 16,599

7. Persons declared illegal by IM(DT)s : 10,015

8. Persons Physically expelled : 1481

9. Persons against whom expulsion order served : 5,733

10. Enquiries pending with Screening Com. : 3,521

11. Enquiries pending with the Tribunals : 22,072

The Chief Minister, Prafulla Kr. Mahanta in his letter dated 22.6.96 to the Prime Minister, requested to repeal the Act and reiterated the same demand on 31.7.96, addressed to the H. M.

The state of Assam by another affidavit on 28.8.2000 requested the Govt. of India to repeal the IM (DT) Act.

The statistical analysis of the sharp growth of Muslim popultion in Assam vis-vis-Hindu for the decades is noted below.

Year	Muslim	Hindu
1951-1961	38,37 p.c.	33.70 p.c.
1961-1971	30.99 p.c.	37.18 p.c.
1971-1991	77.42 p.c.	41.89 p.c.

Districts bordering Bangladesh show the increase as noted below:

Decadal increase in India during 1981-91....23.89 p.c.

Decadal increase in Karimganj 1981-91....42.08 p.c.

Decadal increase in Cachar 1981-91..... 47.59 p.c.

Decadal increase in Dhubri 1981-91.......56.57 p.c.

From this it can be concluded that infiltration took place from Bangladesh into Assam.

Infiltration took place into Meghalaya, Tripura, West Bengal also, but

IM (DT) Act was not imposed in these States. IM (DT) Act is applied only in Assam, a clear case of discrimination.

On 28th June, 2001, in a Cabinet meeting, Tarun Gogoi, the Chief Minister, reviewed the earlier affidavit filed by Shri Prafulla Kr. Mahanta Govt. for repeal of the IM (DT) Act and on 8th August, 2001, the Govt. of Assam moved I. A No. 5 of 2001 praying to withdraw the earlier affidavit submitted on 20th Aug., 2000, saying that the Act was introduced to save the Indian Citizens from unnecessary harassment in the name of detection of foreigners, and the Cong (I) was appased to the move to repeal the Act.

7. Mr. Kapil Sibal, ...prayed for submission of an additional affidavit on behalf a prayer of the Cong (I) Govt. in Assam for a new counter affidavit.

Mr. Ashok Desai, learned counsellor of the pititioner prayed for four weeks time to file the response which was granted.

....

....

10. The Union of India filed another affidavit on 24th Nov, 2004. .... about a decision to retain the IM (DT) Act. in the present form in its application to the state of Assam.

....

....

16. Mr. Indrajit Gupta, the then Home Minister of India stated in Parliament on May 6, 1997 that there were 10 million migrants residing in India (H. M/Intelligence Bureau Sources, Aug. 10, 1998 issue of India Today) with the following break up

West Bengal	5.4 million
Assam	4 million
Tripura	0.8 million
Bihar	0.5 million

Maharastra	**0.5 million**
Rajasthan	**0.5 million**
Delhi	**0.3 million**

Community wise growth :

	Assam		India	
	Hindu	Muslim	Hindu	Muslim
1951-61	33.71%	38.35%	20.29%	25.61%
1961-71	37.17%	30.99%	23.72%	30.85%
1971-91	41.89%	77.42%	48.38%	55.04%

21. Pakistan's ISI has been active in Bangladesh supporting militant movement in Assam.......... 50 Assamee Muslim Youths having gone for training to Afganistan and Kashmir.

.... Foreigner Act 1864 provided for expulsion of foreigners......... . The situation created by the Second World War led to the promulgation of Foreigners Ordinance in 1939 which was replaced by Foreigners Act 1940. Where in Sec 7 provides for burden of proof.......... whether any person is or is not foreigner......... shall not withstanding contained in it the onus of proof lies upon such person.

The legislature then replaced the 1940 Act and enacted the 1940 Foreigners Act. Section 2(a) of this Act defines a "foreigner" and it means a person who is not a citizen of India... a foreigner shll not remain in India or in any prescribed area there in........... etc.

9. Burden of proof............ lies upon such person.

The central Govt. made the Foreigners (Tribunal) order, 1964. Clause 2 (i) of this order........... the Central Govt. may by order refer the question as to whether a person is or is not a foreigner within the meaning of

the Foreigners Act, 1946 to a Tribunal to be constitued for this purpose...........

The general rule in the leading democracies of the world is that where a person claims to be a citizen of a particular country the burden is upon him to prove that he is a citizen of that country.

....

....

In order to establish one's citizenship he may be required to give evidence of (i) his date of birth (ii) place of birth (iii) name of his parents (iv) their place of birth and citizenship and (v) some times the place of births of his grand parents under Sec 6-A(i) of the Citizenship Act.

In view of Section 3 (i) (c) of the IM (DT) Act, is a person with respect to whom all the three conditions namely (i) has entered India on or after 25th March, 1971 (ii) is a foreigner who is not a citizen of India and (iii) has entered India without .... any valid passport or document of any lawful authority in this behalf are satisfied and such a person will be dealt with under IM (DT) Act, while a foreigner who has entered Assam or any part of India before 25th March 1971 would be dealt under the Foreigners Act. Section 4 of the IM (DT) Act is an overiding provision which lays down that the IM (DT) Act or the Rule or Order made there in shall have effect notwithstanding anything contained in Foreigners Act, 1946 or Immigrants (Expulsion from Assam) Act, 1950 or the Passport Act or any Rule or Order made thereunder, ... an illegal migrant under Section 8(i) can make a representation against any order passed against him but this is not available to an applicant and conditioned by imposing restrictions .... 8 (3) imposes even more restrictions etc.

The onus of proof as illegal migrants lies on the prosecution under IM (DT) Act which is opposed to Foreigners Act, 1946. There is no

provision in the IM (DT) Act for compelling the suspect to furnish particulars required in the Form No. 1 of IM (DT) Rules and to deal with such suspect in case of his refusal to furnish information as required in Rule 5. .... The enquiry officer is not empowered to search home/ premises of the suspects nor can he compel to produce documents to give necessary information.

....

....

We have considered the provisions of the Foreigners Act 1946, Foreigners (Tribunals) Order, 1964 and also the IM (DT) Act and the Rules made thereunder.............. . They clearly demonstrate that the procedure under the Foreigners Act 1946 and also under the Foreigners (Tribunals) Order, 1964 is far more effective in identification and deportation of foreigners as compared to the procedure of IM (DT) Act. .... The IM (DT) Act and the rules there under have been so made that innumerable and insurmountable difficulties are created........... Though enquiries were initiated in 310759 cases under IM(DT) Act............ only 10,015 persons were declared as illegal migrants and finally only 1481 were physically expelled upto 30th April, 2000. This comes to less than 0.5% of the cases initiated. In West Bengal where Foreigners Act, 1946 is applicable 4,89,046 were actually deported between 1983 and November, 1998.

....

.... a serious situation has arisen from the immigration of a very large number of East Bengal residents to Assam. .... it is disturbing the economy of the state, besides giving rise to a serious law and order problem.

....

The above discussion leads to the conclusion that the provisions of the IM (DT) Act and the rules made thereunder clearly negate the consti-

tutional mandate contained in Article 355 of the Constitutions where a duty has been cast upon the Union of India to protect every state against external aggression and internal disturbance. The IM (DT) Act contravences Article 355 of the Constitution, is, therefore, wholly unconstitutional and must be struck down. .... the basis of differentiation has thus no nexus with the object sought to be achieved, and, therefore, the classification made for application of IM (DT) Act to the state of Assam violates Article 14 and is liable to be struck down.

Conclusions : ....the provisions of the IM (DT) Act, 1983 are ultravires the Constitution of India and are accordingly struck down. The IM (DT) Rules, 1984 are also ultravires and we struck down. As a result, the Tribunals and the Appellate Tribunals Constituted under the IM(DT) Act,1983 shall cease to function. The passport (Entry into India) Act, 1920, the Foreigners Act, 1946, the Immigrants (Expulsion from Assam) Act, 1950, the Passport Act, 1967 shall apply to the state of Assam. All cases pending before the Tribunals under the IM (DT) Act, 1983, stand transfered to the Tribunals constituted under the Foreigners (Tribunal) Order, 1964 and shall be decided in the manner provided in the Foreigners Act, the Rules made thereunder and the procedure prescribed under the Foreigners (Tribunals) order, 1964. In view of the finding that the competent authority and the Screening Committee had no authority or jurisdiction to reject any proceedings initiated against alleged illegal migrants, the orders of rejection passed by such authorities are declared to be void and not est in the eye of law. It will be open to the authorities of the Govt. of India or the State Govt. to initiate fresh proceedings under the Foreigners Act, 1946 against all such persons whose cases were not referred to the Foreigners Tribunals constituted under IM (DT) Act, 1983....... In view of the above discussion, the Writ Petition succeeds and is allowed with the following directions.

(1) The provisions of the IM (DT) Act, 1983 and the IM (DT) Rules,

1984 are declared to be ultravires the constitution of India and are struck down.

(2) The Tribunals and the Appellate Tribunals constituted under the IM (DT) Act, 1983 shall cease to function.

(3) All cases pending........... shall be transferred to.................. the Tribunals............... under Foreigners (Tribunals) Order, 1964..........

(4) It will be open to the authorities...........

(5) All appeals pending before the Appellate Tribunals shall be deemed to have been aborted.

(6) The respondents are directed to constitute sufficient no. of Tribunals under the Foreigners (Tribunals) Order, 1964 to effectivity deal with the cases of foreigners, who have illegally come from Bangladesh or one illegally residing in Assam.

All the interlocutory applications are disposed of in terms of the above order.

Annexure- IV

Assam Accord : Clause Wise Time Frame Action Plan

সদৌ অসম ছাত্র সন্থাৰ দাবীৰ পৰিপ্ৰেক্ষিতত অসম চুক্তিৰ প্ৰতিটো দফা এক সময়নিৰ্দ্ধাৰিত কৰ্মসূচীৰ আধাৰত কাৰ্যকৰী হ'ব বুলি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে তলত উল্লেখ কৰা ধৰণে ঘোষণা কৰিলে। চৰকাৰে নিজেই ঘোষণা কৰাৰ সময় নিৰ্দ্ধাৰিত কৰ্মসূচী আজিও কাৰ্যকৰী নহ'ল ঃ

অসম চুক্তিৰ দফা অনুসৰি চৰকাৰে ঘোষণা কৰা সময় নিৰ্দ্ধাৰিত কৰ্মসূচী

CLAUSE-WISE TIME FRAME FOR THE ASSAM ACCORD (ACTION PLAN)

S.No.	Clause	Issue	Time Fixed
1.	5.2	Preparation of a lost of Citizens upto 1.1.1966	AASU will give its suggestion by 10.2.90. State Govt. will submit their proposals to Govt. of India by 25.2.90. Final decision by Central Govt. before 14.4.1990.
2.	5.3	Detection of 1966-71 stream of foreigners	Investigation to be completed and cases to be submitted to FT within 30.9.90. For completion of the process regarding detection and deportation of foreigners further detailed discussions. with Govt. will be held within 31.3.90.
3.	5.4	Registration of detected Foreigner formulation of effective procedure.	Within month by State Govt (i.e. 28.2.90).
4.	5.5	Strengthening of Govt. machinery for : i) Detection of foreigners. ii) Vigelence Cell (village guard for reporting of reentry cases).	State Govt. Would submit proposals for staff within 15.2.90.
5.	5.7	List of persons expelled earlier to be made available along with their addresses.	List will be supplied by State Govt. within 31.3.90.

Sd/-
(A. P. SARWAN)
Chief Secretary
Govt. of Assam
New Delhi.

Sd/-
(SHIROMANI SHARMA)
Home Secretary
Ministry of Home Affairs
New Delhi- 110001

Dated : 27.1.1990

S.No.	Clause	Issue	Time Fixed
6.	5.8	Detection and expulsion of post 1971 entrants.	Pending investigtion will be completed within 31.10.90. For completion of the process regarding detection and deportation of foreigners further detiled discussion with Govt. will be held before 31.3.1990.
7.	5.9	Proposal for repeal of IMDT Act, 1983.	Decision of Central Govt. within 2 month (Time given on 30th December, 1989).
8.	6.	Constitutional Legislative and administrative safeguards to protect, preserve and promote the cultural, social and linguistic identity and heritage of the Assamese people.	Discussion on special provisions suggested by AASU and Govt. of Assam within Feb. 1990, within March 1990 decision on all issues suggested by AASU. Seminar on national consensus for dual citizenship concept will be organised in March 1990. Another tripartite discussion on administrative and cultural safeguards will be held within April.
9.	7	Formulation of special plan for speedy economic development over and above the normal 5 year plans for Assam.	i) Formation of a Task Force headed by Member of Planning Commission within 31.1.90. ii) Submit the plan within 3 month (30.4.90). iii) Decision by Central Govt. including decision on funding of the plan. Within 60 days after submission of plan.
10.	7.	Establishment of national institutions for eduction and science and technology.	Decision of Central Govt. regarding establishment of Central University at Tezpur. within 60 days (31.3.90).

Sd/-
(A. P. SARWAN)
Chief Secretary
Govt. of Assam
Dispur

Sd/-
(SHIROMANI SHARMA)
Home Secretary
Ministry of Home Affairs
Govt. of India, New Delhi- 110001

Dated : 27.1.1990

S.No.	Clause	Issue	Time Fixed
11.	8.1	List ofcitizenshipcertifcate issued prior to 1985 other states.	List will be made available within 60 days (By 31.3.90).
12.	9.1 & 9.2	(a) Border Roads	Action Plan will be furnished within 15.2.90.
		(b) Fencing (c) No mans land (d) Strengthening ofBSF check posts patrolling by road. (e) Strengthening riverline patrolling. (f) Decision on shoot and sight order. (g) Raising ofspecial force as second line to BSF along border to check future infltration.	Decision will be taken within 60 days (31.3.90).
13.	14 (a)	Withdrawal ofvictimisation ofCentral Employees in the context ofagitation.	Decision will be taken within 60 days 31.3.90.
14.	Additional point	Oil Refnery	Action plan for the Refnery will be finalised within 31.3.90

Sd/-
(A. P. SARWAN)
ChiefSecretary
Govt. of Assam
New Delhi.

Sd/-
(SHIROMANI SHARMA)
Home Secretary
Ministry ofHome Affairs
New Delhi- 110001

Dated : 27.1.1990

S.No.	Clause	Issue	Time Fixed
15.	Addi tional point	Opening of Ashok Paper Mill.	Action Plan revival of Ashok Paper Mill Nationalisation of Ashok Paper Mill by 15.2.90. Completion of identi fcation of an agency management 15.4.90. Capital re structuring including import of machineries etc. 31.1.91 where required. Starting produc tion 1.3.91.
16.	Addi tional point	I.I.T.	Action Plan to be by Assam Govt. within 28.2.90.
17.	Addi dional point	Review of rehabilitation package sanctioned for Assam Coop. Jute Mill so as to treat in on par with Ashok Paper Mills.	Within 60 days.

Sd/-
(A. P. SARWAN)
Chief Secretary
Govt. of Assam
New Delhi.

Sd/-
(SHIROMANI SHARMA)
Home Secretary
Ministry of Home Affairs
New Delhi- 110001

Dated : 27.1.1990